
কলিয়াবৰ মহাবিদ্যালয়

# আলোচনী

সপ্তত্ৰিংশত্তম সংখ্যা, ২০১৭-১৮



# মহাবিদ্যালয়ৰ শিল্পীৰ তুলিকাত



অংকন- পংখী কাকতি
স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান)



অংকন- মৃগাংক বৰুৱা
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান)



অংকন- ভাৰ্গৱ ফুকন
স্নাতক ষষ্ঠ ষাণ্মাষিক (বিজ্ঞান)

# কলিয়াবৰ মহাবিদ্যালয় আলোচনী

সপ্তত্রিংশত্তম সংখ্যা, ২০১৭-১৮

**Kaliabor**
**College Magazine**
37th Issue, 2017-18

তত্ত্বাৱধায়ক. **ৰাজু পোখৰেল**
সম্পাদক. **মানস প্ৰতীম বৰুৱা**




**কলিয়াবৰ মহাবিদ্যালয়** **KALIABOR COLLEGE**

কুঁৱৰীটোল ঃ নগাঁও ঃ অসম
Kuwaritol : Nagaon : Assam



**কলিয়াবৰ মহাবিদ্যালয় আলোচনী** ‖ সপ্তত্ৰিংশত্তম প্ৰকাশ, ২০১৭-১৮ ‖ কলিয়াবৰ মহাবিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ
**Kaliabor College Magazine** ‖ 37th Issue, 2017-18 ‖ The Annual Publication of Kaliabor College, Kuwaritol

**সম্পাদনা সমিতি**

**সভাপতি তথা তত্ত্বাৱধায়ক**- ৰাজু পোখৰেল
**সম্পাদক**- মানস প্ৰতীম বৰুৱা
**শিক্ষক সদস্য**- ৰুণিমা শৰ্মা বৰুৱা, জয়ন্ত কুমাৰ দাস, উৎপল কুমাৰ বৰা, পৰাগ দাহাল
**ছাত্ৰ সদস্য**- ৰিদীপ কুমাৰ বৰা, ভাস্কৰজ্যোতি ফুকন, প্লাৱন বৰা, ৰূপশিখা কছাৰী

**বেটুপাত**- কংকনজ্যোতি শৰ্মা বৰদলৈ
**স্কেচ্‌**- ভাৰ্গৱ ফুকন, পংখী কাকতি, চন্দন ওজা, স্মিতা মণ্ডল
**আলোক চিত্ৰ**- পল্লৱ ফুকন, শ্যামল বিশ্বাস
**প্ৰকাশক**- কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

© সৰ্বস্বত্ব সংৰক্ষিত

ডিটিপি ছেটিং- পাখি প্ৰেছ্‌, সৰুভগীয়া, জখলাবন্ধা, নগাঁও (অসম)
ফোন- ৯৮৫৪৫৩৪৪৩৫, ৮৮৭৬৩৮৫৫৪৯

মুদ্ৰণ- জেনেছিছ প্ৰিন্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছ প্ৰাঃ লিঃ, বৰবাৰী, গুৱাহাটী- ৭৮১ ০৩৬
ফোন- ৯৯৫৪০৫৪৮০২, ৯৮৬৪৩৫১০০৮



# উৎসৰ্গা

জীৱন যুদ্ধত পৰাজিত নহৈ
সাহস, একতা, সততা আৰু একাগ্ৰতাৰে
আগুৱাই গৈ
সমাজলৈ প্ৰগতিৰ জোৱাৰ আনিব খোজা
সাহসী যোদ্ধাসকলৰ হাতত





# শ্ৰদ্ধাঞ্জলি

কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰদলৰ এগৰাকী,
মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰথমজন সাধাৰণ সম্পাদক,
এজন নিষ্ঠাৱান সমাজকৰ্মী প্ৰয়াত **মহেন্দ্ৰ হাজৰিকা**দেৱ
আৰু
কলিয়াবৰ মহাবিদ্যালয়ৰ উদ্ভিদবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপিকা
প্ৰয়াত **মধুমিতা শইকীয়া** বাইদেউৰ প্ৰতি আমি যাচিছো
অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি।

তেখেতসকলৰ বিদেহ আত্মাই লাভ কৰক চিৰশান্তি।

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
Vice Chancellor
Phone : +91-361-2570412 (O), 2570408 (R)
Fax : + 91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com



# MESSAGE

I am happy to learn that Kaliabor College, Nagaon is going to publish its 37th issue of College Magazine very soon. College Magazine is an important publication as it provides scope for manifestation of hidden literary talent of students in particular. I believe that the college should take initiative to encourage students in developing writting skills and a creative mind through such publications. Contributors to the magazine, deserves appreciation for their efforts.

I wish all success in the effort and hope the Magazine will be well accepted by redaers.

Date : 26.02.2019

**(Mridul Hazarika)**

Address : Gopinath Bardoloi Nagar,
Jalukbari, Guwahati,
Assam 781014

Phone : 0361 257 0412

Web : www. gauhati.ac.in

# সূচীপত্ৰ

## চিন্তাশিল্প


শিশু শ্ৰমিক ঃ সামাজিক ব্যাধি ● বীণা বিশ্বাস ॥ ১৫
অৰণ্য মানৱ যাদৱ পায়েং ● শংকু শইকীয়া ॥ ১৭
দেশৰ ভৱিষ্যৎ গঢ়াত সৰ্বশিক্ষাৰ ভূমিকা ● লখিমী বৰা ॥ ১৯
ঐতিহাসিক জোনবিল মেলা ● ৰিছা ভূঞা ॥ ২৩
শ্ৰীমন্ত শঙ্কৰদেৱ ● দেৱযানী শইকীয়া ॥ ২৫
অসমৰ চাহ জনজাতিৰ আৰ্থ-সামাজিক অৱস্থা ● সুৰেশ লাক্ৰা ॥ ২৭
ৰাজ্য ভাষাৰ স্বীকৃতিৰ দাবীত ভাষা আন্দোলন ● ত্ৰিদিপ বৰা ॥ ২৮
অসমৰ সমাজ ব্যৱস্থা আৰু অসম ● ৰাহুল গোস্বামী ॥ ২৯
পৰিৱৰ্তনমুখী অসম ঃ অতীত আৰু বৰ্তমান ● আফ্ৰাজ আহমেদ ॥ ৩০
কাগজ ● বেবী দাস ॥ ৩১
বগীবিল দলং ● ৰক্তিম বৰা ॥ ৩২
আঘোণৰ সোণোৱালী পথাৰত দাৱনীৰ ব্যস্ততা ● পুষ্পা বাচফৰ ॥ ৩৩
ভূপেন হাজৰিকা সেতু বা ঢলা-শদিয়া দলং ● হীৰক কুমাৰ ওজা ॥ ৩৪
যোগ ● মৃন্ময় জ্যোতি বৰা ॥ ৩৫
ডাইনী হত্যা ঃ এক সামাজিক সমস্যা ● সেউজস্মিতা হাজৰিকা ॥ ৩৬
সামাজিক মাধ্যম আসক্তি ● ময়ূৰ কুমাৰ কলিতা ॥ ৩৭
এ. পি. জে. আব্দুল কালাম ● ইমৰান হুছেইন ॥ ৩৯
অসমীয়া ভাষাৰ উৎপত্তি, ক্ৰমবিকাশ আৰু বৰ্তমান সময়ত
ইয়াৰ সংকটৰ কাৰণ ● মনোজ কুমাৰ বৰুৱা ॥ ৪০
অন্যতম বিশ্বশ্ৰেষ্ঠ ফুটবলাৰ ক্ৰিষ্টিয়ানো ৰ'ণাল্ডো ● জ্যোতি বৰঠাকুৰ ॥ ৪৫
সংবিধানৰ ৩৭০ নং ধাৰা ঃ আশীৰ্বাদ নে অভিশাপ ● ভৈৰৱ জ্যোতি কাকতি ॥ ৪৭
Scenerio of 21st Century's Youth ● Bitu Ali Hazarika ॥ ৪৯
জাগীৰোড কাগজ কল ● ইন্দুভূষণ শইকীয়া ॥ ৫০
কৰ্মসংস্থান আৰু অসমৰ যুৱক-যুৱতীৰ বহিঃৰাজ্য গমন ● দৰ্শন জ্যোতি বৰা ॥ ৫৩
বৰ্তমান যুগত মোবাইলৰ অপব্যৱহাৰ ● নাজমা বেগম ॥ ৫৫
Advantage Assam ● Sanjib Hazarika ॥ ৫৬
Sardara Singh- *A Star of Indian Hokey* ● Pinku Bora ॥ ৫৭
শ্বেতবিপ্লৱ ঃ সীতা জখলা দুগ্ধ উৎপাদন সমবায় ● মৃণাল হাজৰিকা ॥ ৫৮

ৰাজনীতিবিদ হেম বৰুৱা ● গুণীন হাজৰিকা ॥ ৫৯
বিষ্ণুপ্ৰসাদ ৰাভাৰ কবিতাৰ এপিয়লা ● ৰুণিমা শৰ্মা বৰুৱা ॥ ৬৫
নতুন প্ৰজন্মৰ বৰ্তমান উচ্চ শিক্ষা আৰু দক্ষতা বিকাশ ● মণি মাধৱ মহন্ত ॥ ৬৯
বিশ্লেষণাত্মক দৃষ্টিৰে কলিয়াবৰৰ 'ক'লীবুঢ়ী নৃত্য'- ঐতিহ্য আৰু পৰম্পৰা ● ৰেৱত মহন্ত ॥ ৭১
মাদক দ্ৰব্য আৰু সমাজত ইয়াৰ কু-প্ৰভাৱ ● ভাৰ্গৱ প্ৰতীম বৰা ॥ ৭৪






সূচীপত্ৰ

## ছন্দশিল্প

মুখা ● নন্দিতা বৰা ‖ ৭৭
অনুভৱ ● ৰিকুমণি বৰা ‖ ৭৭
দৃষ্টিভংগী ● মানস প্ৰতিম বৰুৱা ‖ ৭৮
জীৱনৰ ৰং ● বনশ্ৰী বৰা ‖ ৭৮
সেউজ অসমীয়া ● ঋতুপৰ্ণ গোস্বামী ‖ ৭৯
কলিয়াবৰ কলেজ ● জাহ্নৱী বৰা ‖ ৮০
জীৱন ● নিৰ্মলা চৌহান ‖ ৮০
বৈধব্য ● প্ৰত্যাক্ষা শৰ্মা ‖ ৮০
অসমী আই ● বিটু দাস ‖ ৮১
স্খলন ● নৰকমল মহন্ত ‖ ৮১
তই তোৰ দৰে ● প্লাৱন বৰা ‖ ৮১
আঁৰৰ কথা ● নিশিকেশ ভূঞা ‖ ৮২
আত্মকথা ● ঋতুৰাজ ভূএগ্র ‖ ৮২
তোমাকেই আশ্ৰয় কৰি ● লনী আহোম ‖ ৮৩
বৰষুণ ● হিমাংশু বৰা ‖ ৮৩
সোঁৱৰণি ● ৰিকি মণ্ডল ‖ ৮৩
বৰষুণ ● ডিম্পী মহন ‖ ৮৪
বন্ধুত্বৰ এনাজৰী ● প্ৰীতম জ্যোতি শইকীয়া ‖ ৮৪
জুই ● ভাস্কৰ জ্যোতি ফুকন ‖ ৮৫
তেজাল কবিতা ● ৰিতুপৰ্ণা দাস ‖ ৮৫
কলিয়াবৰ মহাবিদ্যালয় ● ৰাহুল দাস ‖ ৮৬
স্কুটি ● আলেক্স কুমাৰ ‖ ৮৬
মোৰ মৰমৰ প্ৰেয়সী ● দীপক বিশ্বাস ‖ ৮৭
মানুহৰ মনবোৰ ● বিস্মিতা দাস ‖ ৮৭
নাৰী তুমি অনন্যা ● ৰূপশিখা কছাৰী ‖ ৮৭
কেপি ● দিগন্ত তামুলী ‖ ৮৮
কুকুৰৰ স্বীকাৰোক্তি ● পবিত্ৰ হাজৰিকা ‖ ৮৮
বহাগ আৰু অন্যান্য ● ৰিদিপ কুমাৰ বৰা ‖ ৮৯
ওমলিব নাপালো ● সাগৰিকা বৰা ‖ ৮৯
The Fact is That, I Can't Act ● Rishika Borah ‖ ৯০
নিয়তি ● মৃন্ময় বৰা ‖ ৯০
জলছবি ● ঝৰ্ণা গোস্বামী ‖ ৯০
পূজনীয় আইলৈ ● জ্যোতিশিখা বৰা ‖ ৯১
জোনগলা ৰাতিৰ আলাপ ● ঝুণা গোস্বামী ‖ ৯২
The English Language ● Bharat Bhushan Saikia ‖ ৯২
If i could go back again ● Sibani Borah ‖ ৯২

# সূচীপত্ৰ



## কথাশিল্প


হেৰাই যোৱা ৰং ● ৰিতুৰাজ শইকীয়া ॥ ৯৫
নাতি মোহ ● সেউজস্মিতা হাজৰিকা ॥ ৯৭
শেষ আশ্ৰয় ● নন্দিতা বৰা ॥ ৯৮
মাতৃ হৃদয় ● ৰাজশ্ৰী শৰ্মা ॥ ৯৯
উপহাৰ ● চিন্ময় খাউণ্ড ॥ ১০০
মীনাৰ জীৱন ● ৰূপশিখা কছাৰী ॥ ১০০
জোনৰ মৰম ● লখিমী বৰা ॥ ১০১
সিদ্ধান্ত ● প্ৰণালী শৰ্মা ॥ ১০২
সংলাপ ● ৰাহুল গোস্বামী, প্ৰণালী শৰ্মা ॥ ১০৩
এই যে মানুহবোৰ ● কংকণ জ্যোতি শৰ্মা বৰদলৈ ॥ ১০৪
কেঁচামটিৰ ঘৰ ● জিজ্ঞাসা দাস ॥ ১০৪
সোণালী শৈশৱৰ পম খেদি ● ৰাজশ্ৰী শৰ্মা ॥ ১০৫
হেৰুৱা ৰং ● পূজা শৰ্মা ফুকন ॥ ১০৫
জীৱন, সপোন ● প্ৰণালী শৰ্মা ॥ ১০৬
কেঁচা মাটিৰ গোন্ধ ● নন্দিতা বৰা ॥ ১০৬
ৰাজযোৱা ● ধ্ৰুৱজ্যোতি শৰ্মা ॥ ১০৭
অনুতাপ ● ৰিদীপ কুমাৰ বৰা ॥ ১১০




## অন্যান্য


বিশিষ্ট শিক্ষাবিদ ড° মুকুল শৰ্মাদেৱৰ সৈতে কথোপকথন ॥ ১১৩
The Story of Life ● Anku Ojah ॥ ১১৫
The Foreign Exchange ● Pallav Sen Gupta ॥ ১১৬
শিলঘাট ● ৰাজু দাস ॥ ১১৭
নামেৰিলৈ যাত্ৰা ● আকাশ শাণ্ডিল্য ॥ ১২০
Off the Stage ● ভূপেন্দ্ৰ নাথ হাজৰিকা ॥ ১২১
মোৰ চকুত বৈ থকা কলং ● জগন্নাথ মহন্ত ॥ ১২২

বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ॥ ১২৭-১৩৭
স্মৃতিমধুৰ গীত ● ৰুণিমা শৰ্মা ॥ ১৩৮
৪৯তম মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ॥ ১৩৯-১৪০

# অধ্যক্ষৰ মেজৰ পৰা

১৯৬৯ চনত স্থাপিত হোৱা কলিয়াবৰ মহাবিদ্যালয়ে আহি আহি পঞ্চাশ বছৰ অতিক্ৰম কৰিলেহি। ২০১৯ বৰ্ষটো মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ হিচাপে পালন কৰা হৈছে। যোৱা ৩১ জানুৱাৰীত আৰম্ভণী অনুষ্ঠান অনুষ্ঠিত কৰি এই বৰ্ষৰ শুভাৰম্ভণি কৰাৰ উপৰিও বৰ্ষজোৰা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অহা ডিচেম্বৰ মাহৰ শেষৰ ফালে সামৰণী অনুষ্ঠানৰ আয়োজন কৰা হ'ব। সোণালী জয়ন্তী বৰ্ষ উপলক্ষে কেইবাখনো কিতাপ প্ৰকাশ কৰা হৈছে। বিদেশী ৰাজনীতিবিদ নিমন্ত্ৰণ কৰি এখন আলোচনাচক্ৰও অনুষ্ঠিত কৰা হৈছে।

যোৱা বছৰৰ পৰা মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক নিয়োগৰ কাৰণে প্ৰস্তুত কৰিব পৰাকৈ বিশেষ কাৰ্যসূচী হাতত লৈছে। ব্যক্তিত্ব বিকাশ, উদ্যমতা বিকাশ, চাকৰি প্ৰাৰ্থীৰ বাবে প্ৰয়োজনীয় দক্ষতা বিকাশ আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

স্থানীয় ৰাইজৰ বাবেও কিছু কাৰ্যসূচী হাতত লোৱা হৈছে। মহাবিদ্যালয়ত নতুনকৈ স্থাপন কৰা 'নীৰ' কোষৰ জৰিয়তে স্থানীয় খোৱাপানীৰ সমস্যাৰ ওপৰত আলোকপাত কৰা হৈছে। তেজপুৰ বিশ্ববিদ্যালয়ৰ 'ৰসায়ন বিজ্ঞান' বিভাগৰ কাৰিকৰী সহযোগত কলিয়াবৰ তথা অন্য ঠাইৰ পানীৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰা হৈছে আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় প্ৰদান কৰা হৈছে। কলিয়াবৰৰ কুলিডুংগা আৰু শালনা এই অঞ্চল দুটাৰ খোৱাপানীত অতি বিষাক্ত আৰ্চেনিকৰ অৱস্থিতি ধৰা পৰিছে। এই অঞ্চলৰ দুটাত প্ৰতিকাৰৰ কাম আৰম্ভ কৰা হ'ব। অসমীয়া বিভাগৰ অধীনত 'কলং অধ্যয়ন কেন্দ্ৰ' নামৰ কোষৰ জৰিয়তে কলং সভ্যতাৰ ওপৰত সমল গোটাই গৱেষণাৰ কাম কৰা হ'ব।

মহাবিদ্যালয়খনে নিজৰ কামৰ যোগেদি বৰ্তমান সমগ্ৰ অসমতে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। অনাগত দিনত আৰু অধিক ছাত্ৰ-ছাত্ৰীকেন্দ্ৰিক আৰু জনমুখী কাম হাতত লোৱাৰ প্ৰয়াস কৰা হ'ব।





# তত্ত্বাৱধায়কৰ একলম

কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ চাৰি বছৰৰ পাছৰ পৰাই প্ৰায় ধাৰাবাহিৰকভাৱে কলিয়াবৰ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ হৈ আহিছে। এই বৰ্ষৰ ৩৭তম সংখ্যাৰ শিক্ষক তত্ত্বাৱধায়কৰ গুৰুভাৰ আমাৰ ওপৰত অৰ্পণ কৰে। এখন মহাবিদ্যালয়ৰ আলোচনী সম্পাদনাৰ ক্ষেত্ৰত সম্পাদকৰ যি দায়িত্ব থাকে, শিক্ষক তত্ত্বাৱধায়কজনৰ দায়িত্বও তাতকৈ কম নহয়। সম্পাদকজনে ছাত্ৰ-ছাত্ৰীৰ পৰা বিভিন্ন বিষয়ৰ প্ৰবন্ধ-পাতি, লেখা আদি সংগ্ৰহ কৰে আৰু লেখাসমূহ প্ৰকাশৰ যোগ্য-অযোগ্য বিচাৰ কৰি তাক প্ৰকাশৰ বাবে যুগুত কৰি দিয়াত সম্পাদনা সমিতিৰ লগতে তত্ত্বাৱধায়কজনৰ অপৰিসীম দায়িত্ব অনস্বীকাৰ্য।

এয়ে হ'লেও এই দায়িত্ব আমি সুচাৰুৰূপে পালন কৰিব পৰা নাই। এই সংখ্যাৰ সম্পাদক মানসে লেখাসমূহ গোটাই আনি আমাক পৰ্যবেক্ষণ কৰিবলৈ দিছিল। সম্পাদনা সমিতিৰ লগতে পাৰ্যমানে লেখাসমূহ চাই দিছিলো যদিও সম্পাদনাৰ ক্ষেত্ৰত সম্পাদকগৰাকীৰ ভূমিকা লেখতল'বলগীয়া।

সদৌ শেষত আলোচনীখনৰ প্ৰকাশত সকলো দিশতে দিহা-পৰামৰ্শৰে সহায় কৰা কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে সম্পাদনা সমিতিৰ প্ৰত্যেকজন শিক্ষক-ছাত্ৰলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখনৰ সকলোখিনি কাম সম্পূৰ্ণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হাতত এই সংখ্যাটি সৰ্বাঙ্গসুন্দৰ ৰূপত তুলি দিয়াৰ বাবে সম্পাদক অশেষ ধন্যবাদৰ পাত্ৰ হৈছে।

**ৰাজু পোখৰেল**
তত্ত্বাৱধায়ক



# এজাক উৰন্ত পখীৰ গান

প্ৰতিবেদনৰ আৰম্ভণিতে নিজৰ জীৱন আহুতি দি সীমান্তত আমাৰ দেশক সুৰক্ষা দি থকা দেশমাতৃৰ সেইসকল বীৰ সন্তান আৰু আই অসমীৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ গৈ নিজৰ বৰ্তমানক আহুতি দিয়া সকলক গভীৰ শ্ৰদ্ধা নিবেদিছো।

আমি প্ৰত্যেকেই একো একোজন কাহিনী কথক, সময়ৰ ওচৰত। চিৰপ্ৰবাহিত সময়ৰ কোবাল সোঁতত সুখ-দুখ, হাঁহি-কান্দোন, জয়-পৰাজয়ৰ অজস্ৰ কাহিনী। নিৰবচ্ছিন্ন গতিত ঘূৰি থাকে সময়ৰ দোলক আৰু সলনি হৈ থাকে আমাৰ জীৱনৰ ছন্দও।

"ভাল অসমীয়া ন'হ'লে ভাল ভাৰতীয় হ'ব নোৱাৰি আৰু ভাল ভাৰতীয় নহ'লে বিশ্বৰ শৰীৰত পংগু অংগৰ স্থান নাই।" (ড° ভূপেন হাজৰিকা)

ভাৰতৰ পূৰ্ব দিশত অৱস্থিত অসমত এতিয়া সমস্যাৰ জোৱাৰ উঠিছে। সোপাধৰা সন্দেহত সাধাৰণ মানুহক হত্যা, সন্ত্ৰাসবাদীৰ আক্ৰমণ, বাংলাদেশী সমস্যা ইত্যাদি ন-পুৰণি সমস্যাই অসমখনক আকৌ সংবাদপত্ৰৰ শিৰোনামলৈ টানি আনিছে। মানুহবোৰক আজি-কালি মানুহ বুলি ক'বলৈ দ্বিধাবোধ হয়। হত্যা, হিংসা, ধৰ্ষণ আদি বেয়া খবৰবোৰৰ তুলনাত ভাল খবৰবোৰৰ অৱস্থা তেনেই তাকৰ।

মই সুপ্ত শীতল গ্ৰহ হোৱাতকৈ এটা উজ্জ্বল উল্কা হ'ম।
আৰু সেই উল্কাৰ প্ৰতিটো কণা দীপ্ত হৈ থাকিব।
মই কেৱল বাচি থাকিবলৈ সময় নষ্ট নকৰোঁ।
সেইখিনি সময় মই কামত লগাম।
মই হ'ম এক লাভ, লোকচান নহওঁ।
মই হ'ম সৎ, দুষ্ট নহওঁ।
মই হ'ম সফল, বিফল নহওঁ। (ড° ভৱেন্দ্ৰ নাথ শইকীয়া)

ড° শইকীয়াদেৱৰ এই বাণীয়ে জগাই তুলে অন্তৰাত্মাক, জীৱন্ত কৰি তোলে সুপ্ত হৈ থকা আগ্নেয়গিৰি আৰু দ্ৰুতবেগী কৰি তোলে আমাৰ তুমৰলি তেজত তগ্‌বগাই থকা হাজাৰটা ৰণুৱা ঘোঁৰাক।



"মোক কেইজনমান পবিত্ৰ আৰু স্বাৰ্থহীন মানুহ দিয়া। মই পৃথিৱী কঁপাই তুলিম।" (স্বামী বিবেকানন্দ)

সময় এতিয়াও শেষ হোৱা নাই। লুইতপাৰৰ ডেকা গাভৰুসকল এতিয়া শুই থাকিলে নহ'ব। এতিয়া জাগিবৰ সময় হ'ল। নিজৰ দেশক আমি ভালপাব লাগিব, অসমক লৈ গৌৰৱ কৰিবলৈ শিকিব লাগিব। যিমানেই সৰু কাম নহওক সেই কামটোৰ প্ৰতি শ্ৰদ্ধা থাকিব লাগিব। প্ৰতিজন ভাৰতীয়ই বুকুত অজস্ৰ সাহস বান্ধি নিজ কৰ্মক্ষেত্ৰত এটা বণুৱা যোঁৱা হৈ জঁপিয়াই পৰিলেহে ভাৰতবৰ্ষ উন্নত হ'ব।

এনেধৰণৰ মহান চিন্তাধাৰাবোৰৰ আঁত ধৰিয়ে আলোচনীখনৰ প্ৰতিখিলা পাত সোণালী কৰি তুলিবলৈ মানস কৰা হৈছে। আমি জানো, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিটো লেখাতেই আছে অপৈণত হাতৰ পৰশ। তথাপিতো নৱপ্ৰজন্মৰ এইচাম লিখকৰ সৃষ্টি প্ৰতিভাই ইয়াতেই উচ্ছলতা লাভ কৰিছে। উৰি যোৱা এজাক পক্ষীৰ কলৰৱৰ দৰে মুখৰিত কৰি তুলিছে আলোচনীখনৰ অন্তৰ্ভাগ। এইসকলৰ মাজৰ পৰাই বহুকেইজন হয়তো ভৱিষ্যৎ জীৱনত প্ৰতিষ্ঠিত সাহিত্যিক, চিন্তাবিদ হ'ব।

মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা নৱ নৱ চিন্তাধাৰাৰ পৰশত প্ৰাণ পাই উঠা মহাবিদ্যালয়ৰ আলোচনীখন পৰ্যায়ক্ৰমে আহি বৰ্তমান অৱস্থাত উপনীত হৈছে। পূৰ্বৰ বিষয়সমূহৰ লগত সংগতি ৰাখি দুই এক নতুন বিষয় সংযোজিত কৰি মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰিব বিচাৰিছো। কলিয়াবৰ মহাবিদ্যালয়ৰ কাষতে থকা কলংসুঁতিৰ অৱস্থা, বৰ্তমান সময়ত সমাজত দেখা দিয়া বিভিন্ন ধৰণৰ সমস্যা আৰু অন্যান্য সকলোবোৰ দিশ সামৰি আলোচনীখন প্ৰস্তুত কৰি উলিওৱা হৈছে। বিভিন্ন জাতি-ধৰ্ম-বৰ্ণ লোকৰ সমাবেশেৰে উজ্জীৱিত হৈ থকা কলিয়াবৰ মহাবিদ্যালয়খন কেৱল শৈক্ষিক দিশতে আগবঢ়া নহয়; ই সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদি সকলো দিশতে আগবঢ়া। আলোচনীখনৰ অন্তৰ্ভাগত তাৰেই প্ৰতিফলন ঘটা দেখিবলৈ পোৱা যাব। সৰ্বশেষত নজনাকৈ ৰৈ যোৱা ভুল-ভ্ৰান্তিবোৰৰ মাজৰে আলোচনীখন আপোনাসবৰ হাতলৈ আগবঢ়াই দিয়া হৈছে। কিমান সফল হৈছোঁ সেয়া আপোনালোকৰ বিচাৰ্য।

**কৃতজ্ঞতাৰ একেষাৰ ঃ**

সোণালী জয়ন্তী বৰ্ষ গৰিকবলৈ আগবাঢ়ি অহা ঐতিহ্যমণ্ডিত কলিয়াবৰ মহাবিদ্যালয়ৰ দৰে গৌৰৱোজ্জল শিক্ষানুষ্ঠানভাগৰ মুখপত্ৰ 'কলিয়াবৰ মহাবিদ্যালয় আলোচনী'খন প্ৰকাশ কৰিবৰ কাৰণে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত আলোচনী সম্পাদকৰ পদবীলৈ মোক নিৰ্বাচিত কৰাৰ বাবে আপোনালোকৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। এজন সম্পাদকৰ একক প্ৰচেষ্টাত আলোচনীখন সম্পূৰ্ণ হ'ব নোৱাৰে। আলোচনী সম্পাদকৰূপে দায়িত্বভাৰ লোৱাৰ পাছৰে পৰা আলোচনী প্ৰকাশ কৰালৈকে সকলো সময়ত পথপৰিদৰ্শক হিচাপে পৰামৰ্শ আগবঢ়োৱা তত্বাবধায়ক শ্ৰীযুত ৰাজু পোখৰেল ছাৰৰ লগতে অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহাদেৱ, শ্ৰীযুত পৰাগ দাহাল ছাৰ, শ্ৰীযুত জয়ন্ত কুমাৰ দাস ছাৰ, শ্ৰীযুতা ৰুণিমা শৰ্মা বাইদেউ, শ্ৰীযুত উৎপল বৰা ছাৰ আৰু মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। সকলো সময়ত সু দিহা-পৰামৰ্শৰে সহায় কৰা সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় উপ-সভাপতি শ্ৰীযুত মণি মাধৱ মহন্তদেৱৰ লগতে কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়ালৈ ধন্যবাদ জ্ঞাপন কৰিলো।

বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছো শুভেচ্ছাবাণী প্ৰেৰণ কৰি আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰা গুৱাহাটী বিশ্ববিদ্যালয় উপাচাৰ্য ড° মৃদুল হাজৰিকাদেৱেক। বিভিন্ন সময়ত সহায়ৰ হাত আগবঢ়োৱা মোৰ মৰমৰ কৃষ্ণ দা, ভাৰ্গব দা, কেশৱ দা, মুন্না দা, কংকন দা, মৃগাংক দা, অম্লান দা, চিন্ময় দা, বিকি দাৰ লগতে পূৰ্বৰ আলোচনী সম্পাদক পোহৰ দা আৰু ছান্দিক দালৈ কৃতজ্ঞতা থাকিল। বন্ধুবৰ মৃণাল, বিদ্যুৎ, যুগল, দিব্য, জ্যোতিস্ময়, সঞ্জীৱ, শুভম, ৰক্তিমলৈ থাকিল মোৰ অশেষ কৃতজ্ঞতা।

ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ভাস্কৰ জ্যোতি ফুকন, সহকাৰী সাধাৰণ সম্পাদক নিশিকেশ ভূঞাকে প্ৰমুখ্য কৰি সমূহ বিষয়ববীয়ালৈ আৰু লগতে আলোচনী সম্পাদনা সমিতিৰ ছাত্ৰবন্ধু কেইজনলৈ মোৰ অশেষ ধন্যবাদ- তেওঁলোকৰ বহু মূল্যবান সময় মোৰ নামত উৎসৰ্গা কৰা বাবে।

আলোচনীখনত বিভিন্ন ধৰণৰ আলোকচিত্ৰৰ যোগান ধৰি মোক সহায় কৰা বন্ধু পল্লৱ, ভাতৃপ্ৰতীম শ্যামল, চিন্ময় আৰু আলোচনীখনৰ বেটুপাত আঁকোতা কংকণ দাৰ লগতে ভিতৰৰ ছবি আঁকোতা বন্ধু ভাৰ্গৱ, পংখী, স্মিতালৈ অশেষ কৃতজ্ঞতা।

পাখি ছপাশালৰ স্বত্বাধিকাৰী শ্ৰীযুত পবিত্ৰ হাজৰিকাদেৱৰ লগতে মোৰ বন্ধু শুভম ভূঞা, প্ৰসন্ন দা আৰু আলোচনীখনলৈ লেখনি প্ৰেৰণ কৰা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলো।

'মানুহ মাত্ৰেই ভুল হয়'— আলোচনীখন প্ৰকাশৰ বাটত যদি মোৰ কিবা ভুল অনিচ্ছাকৃতভাৱে ৰৈ গৈছে সেই ত্ৰুটি মাৰ্জনা কৰিব বুলি আশা ৰাখিছো। লগতে বিভিন্ন কামত মোক সহায় কৰা সকলোৰে নাম পৃথকে উল্লেখ কৰিব নোৱাৰাৰ বাবে ক্ষমা বিচাৰিছো।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।



# চিত্রশিল্প




The child is the beauty of God present in the world, that greatest gift to a family. So, don’t ask children to take tool,  instead send them to school.

মানৱ জীৱনৰ বিভিন্ন স্তৰৰ পিনে লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় যে শৈশৱ কালছোৱা অতি দীঘল। এই দীঘল কালছোৱা নিৰাপদে কটোৱাৰ বাবে শিশুৱে আশ্রয়ৰ স্থান হিচাপে পাই ঘৰখন আৰু নানাধৰণৰ সদস্যৰে পূৰ্ণ পৰিয়াল। পৰিয়ালৰ মাধ্যমত শিশুৱে কিছুমান নীতিগত অনুশাসন আৰু মূল্যবোধৰ ধাৰণা আয়ত্ত কৰে।

অতীতৰ সমাজ ব্যৱস্থাৰ পৰাই সমাজক প্ৰভাৱিত কৰা এক মাৰাত্মক ব্যাধি হ’ল শিশু শ্ৰমিক। শিশু শ্ৰমিকৰ ধাৰণাটো বৰ্তমানৰ সমস্যা নহয়, এই সমস্যাই সময়ে সময়ে ৰাজহুৱা সংঘৰ্ষৰো সৃষ্টি কৰে। এই অধ্যায়ৰ অন্ত পেলাবলৈ বহুবোৰ দেশে

# শিশু শ্ৰমিক ঃ সামাজিক ব্যাধি

**বীণা বিশ্বাস**
*স্নাতক পঞ্চম ষাণ্মাসিক (কলা)*



সাৰ্বজনীন বিদ্যালয় গমনৰ পোষকতা কৰিছিল। বিশেষকৈ ঔদ্যোগিক বিপ্লৱৰ সময়ত কৰ্মৰ তালিকাৰ তাৰতম্য কৰি শিশুৰ অধিকাৰ সাব্যস্ত কৰিবলৈ মন মেলা দেখা গৈছিল। ৰবাৰ্টওৱেন নামৰ এগৰাকী মনীষীয়ে সেই সময়ত শিশু শ্ৰমিকৰ শিক্ষাৰ পোষকতা কৰি বিদ্যালয়ৰ সংখ্যা আৰু শিক্ষকৰ সংখ্যা যথেষ্টভাৱে কম থকা বাবে সমস্যাটো সমাধানত বাধাৰ সৃষ্টি হৈছিল।

শিশু শ্ৰমিক সমস্যাটো বৰ্তমান সময়ত এটা গুৰুত্ব পূৰ্ণ সমস্যা হিচাপে দেখা দিছে। শিশু শ্ৰমিকৰ ধাৰণাটোৱে বিকাশ লাভ কৰিছিল ইংলেণ্ডত। ঔদ্যোগিক বিকাশৰ ধাৰা প্ৰৱৰ্তন হোৱাৰ লগে লগেই শিশু শ্ৰমিকৰ সমস্যা উদ্ভৱ হৈছিল। ১৯ শতিকাৰ প্ৰথম ভাগতে ইংলেণ্ডত 'কাৰখানা আইন' প্ৰণয়ন হয়। এই আইনে ৯ বছৰ বয়সৰ তলৰ শিশুক কামত প্ৰবৃত্ত কৰোৱাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছিল আৰু ১৮ বছৰ বয়সলৈকে ১২ ঘন্টা কামত প্ৰবৃত্ত কৰোৱাৰ পোষকতা কৰিছিল। আমেৰিকাৰ শিশু শ্ৰমিক আইনত নিয়মীয়া ধাৰা প্ৰৱৰ্তন হোৱা দেখা গৈছিল যদিও বহুবোৰ আন্তৰ্জাতিক সংগঠনে ইয়াক সহজভাৱে লোৱা নাছিল আৰু বহুবোৰ দেশত ই আইন বিৰোধী আছিল।

বিকশিত ৰাষ্ট্ৰবোৰত শিশু শ্ৰমিক ব্যৱস্থাটোক অপ্ৰায়োগিক আৰু শোষণমুখী ধাৰণা বুলি অভিহিত কৰিছিল। প্ৰকৃততে শিশুক নিজৰ ঘৰৰ নামমাত্ৰ কাম আৰু বিদ্যালয়ৰ সাধাৰণ কৰ্মৰ মাজেৰে প্ৰশিক্ষণ দিব পৰা যায়। ১৯৭৩ চনত আন্তজাৰ্তিক শ্ৰমিক সংগঠনৰ অভিৱৰ্তনত শিশু শ্ৰমিকৰ ন্যূনতম বয়স ১৪ ৰ পৰা ১৬ বছৰলৈ ধাৰ্য কৰিছিল। পৰৱৰ্তী সময়ত আমেৰিকাই শিশু শ্ৰমিক আইনত পিতৃ-মাতৃৰ মতামত নোহোৱাকৈ ১৬ বছৰ হ'লে শিশুসকলক শ্ৰমিক হিচাপে মকৰল কৰিছিল।

শিল্প বিপ্লৱৰ সময়ত শিশু শ্ৰমিকৰ ছবি ভয়াবহ আৰু দুঃসহ আছিল। সেই সময়ত আনকি ৪ বছৰীয়া শিশুকো কাৰখানাৰ কামত লগোৱা হৈছিল। বহুবোৰ শিশুৱে জীৱনত বিকাশৰ মুখ দেখা নাছিল। শক্তিশালী দেশবোৰে শিশুসকলক শ্ৰমিক হিচাপে নিয়োগ কৰাটো মানৱ অধিকাৰ উলংঘন হিচাপে পৰিগণিত কৰিছে। আনহাতে দুখীয়া দেশবোৰে ইয়াৰ পোষকতা কৰিছে। শিশু শ্ৰমিকৰ ইতিহাসত ভিক্টোৰিয়া যুগটোক ক'লা যুগ হিচাপে ধৰা হয়। সেই যুগত কণ কণ শিশুবোৰক খনি আৰু তীখা উদ্যোগত কৰ্মী হিচাপে প্ৰবৃত্ত কৰাৰ কথাৰ উমান পোৱা যায়। ইয়াৰ মূলতে আছিল পৰিয়ালবোৰৰ অৰ্থনৈতিক অনগ্ৰসৰতা। বিশ্ববৰেণ্য লিখক 'চাৰ্লচ ডিকেঞ্চ' শিশু শ্ৰমিক আছিল। পৰিয়ালৰ ঋণৰ বোজাত ১২ বছৰ বয়সত পিতৃ-মাতৃৰ সৈতে ঋণদাতাৰ কাৰাগাৰত শিশু শ্ৰমিক কৰ্মত নিয়োজিত হৈছিল। ১৭৮৮ চনত ইংলেণ্ড আৰু স্কটলেণ্ডত ১৪৩টা কপাহ উদ্যোগৰ শ্ৰমিকৰ ভিতৰত শতকৰা তিনিভাগৰ দুভাগেই আছিল শিশু শ্ৰমিক। শিশুসকলক জঘন্য কামত লিপ্ত কৰোৱাৰ কথা পোহৰলৈ আহিছে। আনকি বেশ্যালয়বোৰতো বয়স্কসকলৰ সমানে বেশ্যা বৃত্তিত নিয়োজিত কৰা হৈছিল। কয়লা খনিবোৰত ৫ বছৰ বয়সতে মকৰল কৰা হৈছিল আৰু তেওঁলোক মৃত্যুমুখত পৰিছিল ২৫ বছৰত। শিশু শ্ৰমিকৰ ইতিহাস বৰ দুখলগা ধৰণৰ আৰু লোমহৰ্ষক।




আধুনিক সভ্যতাৰ অগ্ৰগতিৰ মূল শ্ৰমিক হ'ল কোমল মনৰ শিশুসকল। ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাটো শিশুসকলক বৰ্তমানেও মূল শ্ৰমিক হিচাপে নিয়োগ কৰাৰ ব্যৱস্থা আছে। কাৰখানাবোৰ সাধাৰণতে স্থাপন কৰা হয় চহৰৰ পৰা বহু নিলগত। বুদ্ধি আৰু সামৰ্থতাৰ মাধ্যমত উদ্যোগ বা কাৰখানাৰ মালিকে শিশু শ্ৰমিকবোৰক মকৰল কৰি কাৰখানাৰ ভিতৰত থকা খোৱাৰ ন্যূনতম সুবিধা দি বহিৰ্জগতৰ পৰা আঁতৰাই কৰ্মত নিয়োজিত কৰি ৰাখে। বিশেষকৈ বিড়ি, চিগাৰেট, মম, জুইশলা, ঔষধ, ব্লেড, কলম, পুতলা আদিৰ উদ্যোগত শিশু শ্ৰমিক অধিক। ১৯১০ চনত ১৫ বছৰ বয়সৰ প্ৰায় ২ মিলিয়ন শিশুৱে কাৰখানাত কাম কৰিছিল।

বৰ্তমানলৈকে শিশুশ্ৰম ৰোধ কৰিবৰ বাবে প্ৰৱৰ্তিত আইনে বিশেষ ফল দিয়া নাই। বিশ্বৰ ৰাষ্ট্ৰবোৰে শিশুৰ অধিকাৰ অভিৱৰ্তনত স্বাক্ষৰ কৰিছে ১৯৯০ চনত। প্ৰায় সকলোবোৰ দেশে মানি লৈছিল যদিও আজিলৈ শিশু শ্ৰমিক ব্যৱস্থাটো বন্ধ হোৱা নাই।

শিশু শ্ৰমিক ব্যৱস্থাটো নোহোৱা কৰাৰ বাবে ভাৰতবৰ্ষৰ চৰকাৰে সময়ে সময়ে আইন কানুন আৰু আয়োগ গঠন কৰিছে যদিও বৰ্তমানলৈকে ইয়াক সম্পূৰ্ণৰূপে ফলপ্ৰসূ কৰি তুলিব পৰা নাই। ভাৰতবৰ্ষ আৰু বাংলাদেশত শিশু শ্ৰমিকৰ হাৰ বৃদ্ধি হৈয়ে আছে। ভাৰতবৰ্ষত বৰ্তমানেও প্ৰায় ৭০ ৰ পৰা ৮০ মিলিয়ন শিশু শ্ৰমিক আছে বুলি সমীক্ষাৰ পৰা জানিব পৰা গৈছে। ভাৰতবৰ্ষৰ ডাঙৰ ডাঙৰ চহৰ আৰু নগৰবোৰৰ সৰু ডাঙৰ কাৰখানাবোৰত অগণন কম বয়সৰ শিশু শ্ৰমিকে বৰ্তমানেও কাম কৰি আছে পৰিয়ালবোৰক দৰিদ্ৰতাৰ পৰা ৰক্ষা কৰিবলৈ। দৰিদ্ৰ পৰিয়ালবোৰত ল'ৰা-ছোৱালী অধিক সেয়েহে তেওঁলোকে কেইটামান টকাৰ বিনিময়ত আঢ্যৱন্ত পৰিয়ালবোৰত নিজৰ ল'ৰা-ছোৱালীক ঘৰুৱা চাকৰ হিচাপে থৈ গৌৰৱ অনুভৱ কৰা দেখা যায়। তেওঁলোকে বিষয়টো উপলব্ধি কৰিবলৈ প্ৰয়াস নকৰে বাবেই এনে ধাৰণাৰ উদয় হয়।

শিশুশ্ৰমিক সম্পৰ্কীয় সজাগতা অনুষ্ঠান, শিশুসকলক বাধ্যতামূলক শিক্ষা প্ৰদান, শিশু শ্ৰমিক সম্পৰ্কীয় আইনসমূহ পালন কৰা, বিনামূলীয়া শিক্ষা প্ৰদান আদিৰ দ্বাৰা শিশুশ্ৰমিক ৰোধ কৰিব পাৰি। বিভিন্ন সময়ত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও বৰ্তমানেও শিশু শ্ৰমিকৰ সমস্যা আমাৰ সমাজত এক ব্যাধি হৈয়ে আছে। ■



## এক অনৱদ্য জীৱন গাঁথা

# অৰণ্যমানৱ যাদৱ পায়েং

শংকু শইকীয়া
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

"বতাহে গছ ৰুব জানে, গৰু-ছাগলীবোৰেও গছ ৰুব জানে, চৰায়ে গছ ৰুব জানে, হৰিণাই গছ ৰুব জানে, একমাত্র জীৱশ্রেষ্ঠ মানুহেহে গছ কাটিব জানে কিন্তু ৰুব নাজানে।"— যাদৱ পায়েং

মই যি গৰাকী ব্যক্তিৰ বিষয়ে লিখিবলৈ ওলাইছো তেওঁৰ অৰণ্য গঢ়াৰ যি আন্দোলনৰ কৰ্ম, সেয়া যোৰহাট, অসম তথা সমগ্ৰ দেশখনৰ কাৰণেই এক বিৰল দৃষ্টান্ত। মানুহজনৰ বয়স বৰ্তমান ৫৯ বছৰ। তেওঁ এজন কেৱল মানুহ নহয় এটা আন্তঃৰাষ্ট্ৰীয় সংগঠন। দেশে দেশে তেওঁৰ নাম পৰিৱেশ কৰ্মী হিচাপে। তেওঁৰ নাম যাদৱ পায়েঙ ওৰফে মুলাই যোৰহাট জিলাৰ এখন ঐতিহাসিক ঠাই ককিলামুখৰ ঔনামুখ গাঁৱত ১৯৫৯ চনৰ ৩১ অক্টোবৰত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম লক্ষীৰাম পায়েঙ আৰু মাতৃ আসলি পায়েঙ। তেওঁলোকৰ দহ সন্তানৰ তিনি নম্বৰ আছিল মুলাই। প্ৰাথমিক শিক্ষা বালিগাঁও অঞ্চলত সমাপ্ত কৰি তেওঁ দশম শ্ৰেণীত পঢ়া জীৱন সামৰে। এগৰাকী জ্ঞানী পুৰুষ হিচাপে চিহ্নিত যাদৱ পায়েঙৰ বাবে আনুষ্ঠানিক শিক্ষা এতিয়া তেনেই গৌণ। প্ৰকৃতিৰ পৰা পোৱা শিক্ষাইহে আজি তেওঁক পৃথিৱীৰ চুকে-কোণে জনপ্ৰিয় কৰি তুলিছে।

১৯৭৯ চনত ককিলামুখত এক ভয়ংকৰ বানপানী হৈছিল। ব্ৰহ্মপুত্ৰৰ খহনীয়াই বহু অঞ্চল বালিময় কৰি পেলালে। চাৰিওফালে পানী আৰু পানী। মানুহৰ ঘৰ-দুৱাৰ পানীৰ তলত। পোহনীয়া জন্তুবোৰ পানীত উটি গৈছিল। প্ৰকৃতিৰ কৰুণ দৃশ্য দেখি ১৬ বছৰীয়া মুলাই দুখত ভাগি পৰিছিল। মুলাইক সকলোৱে কৈছিল— 'তই বাঁহ ৰুই মাজুলী আৰু প্ৰকৃতি ৰক্ষা কৰ।' তেতিয়াৰ পৰাই মুলাইয়ে মাজুলীকে ধৰি ককিলামুখৰ আশে-পাশে এফালৰ পৰা গছ-গছনি ৰুই গৈছিল। ইয়াৰ পিছত আৰু তেওঁ পিছলৈ উভতি চাবলগীয়া হোৱা নাছিল। গৰু, ম'হ, ছাগলীৰ চৰণীয়া পথাৰতো তেওঁ গছ ৰুইছিল, পানী দিছিল আৰু লালন-পালন কৰিছিল।

১৯৮০ চনত চৰকাৰৰ গোলাঘাট জিলাৰ সামাজিক বনানীকৰণ বিভাগে যেতিয়া আঁচনি প্ৰস্তুত কৰিছিল তেতিয়া যাদৱ পায়েঙে যোৰহাট জিলাৰ ককিলামুখৰ পৰা পাঁচ কিলোমিটাৰ নিলগৰ ঔণামুখ চাপৰিত ২০০ হেক্টৰ অঞ্চলত গছপুলি ৰোপণ কৰিছিল। পায়েঙে পাঁচ বছৰৰ ভিতৰত সেই চাপৰিত গছ ৰোপণ কৰি শেষ কৰিছিল। গছ ৰোপণ কৰি শেষ কৰিয়েই তেওঁ দায়িত্ব সামৰা নাছিল। পায়েঙে উক্ত গছ পুলিবোৰ চোৱাচিতা কৰিছিল আৰু নিয়মীয়াকৈ পানী দিছিল। যাদৱ পায়েঙৰ প্ৰচেষ্টাতেই ঔণামুখ চাপৰি ঘন তথা অটব্য অৰণ্যলৈ ৰূপান্তৰিত হৈছিল। এতিয়া এই অৰণ্য 'মুলাই অৰণ্য বা মুলাই কাঠনিবাৰী' নামেৰে দেশে-বিদেশে পৰিচিত। এনেকৈ সুদীৰ্ঘ প্ৰায় ৩৩ বছৰৰ পাছত অৰ্থাৎ ২০১০ চনৰ ২৫ জানুৱাৰীত ৫৫০ হেক্টৰ বনভূমিলৈ সম্প্ৰসাৰিত হোৱা এই মুলাই অৰণ্য জনসাধাৰণৰ দৃষ্টিগোচৰলৈ আহিছিল। সেই দিশ ধৰি এই অৰণ্যভূমিয়ে বহুজন প্ৰকৃতিপ্ৰেমীক আকৰ্ষিত কৰি আহিছে।

মুলাই তথা যাদৱ পায়েঙে গঢ়ি তোলা এই অৰণ্যভূমিৰ সৈতে বহু গুৰুত্বপূৰ্ণ দিশ জড়িত হৈ আছে। সম্প্ৰতি ঢেঁকীয়াপতীয়া বাঘ, বনৰীয়া হাতী, বান্দৰ, হৰিণা, শহাপহু, অনেক প্ৰজাতিৰ চৰাইৰ লগতে বিভিন্ন বন্য জীৱ-জন্তুৰ মুক্ত বিচৰণে এই বনভূমিক অনন্য মাত্ৰা প্ৰদান কৰিছে। তদুপৰি বন্যপ্ৰাণীৰ লগতে বহু গুৰুত্বপূৰ্ণ উদ্ভিদ প্ৰজাতিকো যাদৱ পায়েঙৰ অৰণ্যখনে সুৰক্ষা আৰু সংৰক্ষণ কৰি আহিছে। এই সমূহৰ ভিতৰত শিমলু, চিচু, ডিমৰু, ভেলকৰ, অৰ্জুন, এজাৰ, গমাৰি, বগৰী, সোণাৰু, কৃষ্ণচূড়া, চেগুণ আদিয়েই প্ৰধান। তদুপৰি তেখেতৰ এই বিস্তীৰ্ণ বনভূমিত পোৱা অলেখ বাঁহ গছবোৰে এই অৰণ্যখনক অপূৰ্ব প্ৰাকৃতিক তথা নৈসগিক সৌন্দৰ্য প্ৰদান কৰি সোণত সুৱগা চৰাইছে।

বৃক্ষৰোপণেৰে পৃথিৱীৰ ইতিহাসত নাম সোণালী আখৰেৰে জিলিকাই ৰাখিবলৈ সক্ষম হোৱা যাদৱ অথবা মুলাই পায়েঙক দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগে ২০১২ চনৰ ২২ এপ্ৰিলত আয়োজন কৰা এখন ৰাজহুৱা সভাত 'ফৰেষ্ট মেন অৱ ইণ্ডিয়া' সন্মানেৰে বিভূষিত কৰে। ইয়াৰ পিছত মুম্বাইত 'ডাইমণ্ড গ'ল্ডেন এবাৰ্ড,' ২০১২ চনত ইউৰোপৰ পেৰিছত অনুষ্ঠিত হোৱা গোলকীকৰণ সন্মিলনত তেওঁ হাতেৰে এটি গছপুলি ৰোপণ কৰি ইতিহাস সৃষ্টি কৰিছিল। ইয়াৰ পিছত এছিয়া চেঞ্চুৰী ৱাইল্ড লাইফৰ উপৰি দেশৰ বিভিন্ন সংগঠনে সন্মানিত কৰি আহিছে। ২০১৫ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰত চৰকাৰৰ দ্বাৰা যাদৱ পায়েঙলৈ 'পদ্মশ্ৰী বঁটা প্ৰদানে স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যাদৱ পায়েঙৰ নাম আৰু কৰ্মক আজি প্ৰৱলভাৱে সমাদৃত কৰি তুলিছে। যিবোৰ তথ্য আজি সমগ্ৰ অসমবাসীৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে। প্ৰখ্যাত তথ্যচিত্ৰ নিৰ্মাতা আৰতি শ্ৰীবাস্তৱে প্ৰকৃতিপ্ৰেমী যাদৱ পায়েঙৰ জীৱনৰ সন্দৰ্ভত এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিছে। প্ৰখ্যাত ব্ৰিটিছ চিত্ৰ নিৰ্মাতা টম ৰবাৰ্টেও যাদৱ পায়েঙৰ জীৱনৰ আধাৰত এখন কথাছবি নিৰ্মাণৰ কথা তেওঁক কৈছিল। যাদৱ পায়েঙৰ সপোন 'প্ৰাথমিক বিদ্যালয়ৰ পৰা পাঠ্যপুথিত পৰিৱেশ সম্পৰ্কীয় পাঠ অন্তৰ্ভুক্ত হওক আৰু সংসদত সেয়া গৃহীত হওক।' তেওঁৰ সেউজ কৰ্ম আৰু বৰ্ণিল জীৱনৰ বিষয়ে শেহতীয়াকৈ মহাৰাষ্ট্ৰৰ দশম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত হোৱা অসমৰ একমাত্ৰ ব্যক্তি।

গছ থাকিলেহে মানুহ থাকিব আৰু প্ৰকৃতি থাকিলেহে জীৱকুল থাকিব তেওঁৰ সপোন হ'ল দেশে দেশে তেওঁ প্ৰকৃতি সংৰক্ষণৰ বাবে সজাগতা অভিযান চলাব। বৰ্তমান ২০০০ হেক্টৰ জোৰা ভূমিত হাতীৰ বাবে কলগছ লগোৱাৰ দৰে এক গুৰুত্বপূৰ্ণ কাম হাতত লোৱাৰ লগতে তেখেতে যিমানদিন জীয়াই থাকে সেউজীয়াকৰণৰ ওপৰতেই গুৰুত্ব দি মাজুলী, জাঁজীমুখকে ধৰি বান আৰু খহনীয়াই সৰ্বস্বান্ত কৰা ভালবোৰ সৌন্দৰ্যময় অঞ্চলৰ পৰিৱেশ সুৰক্ষা কৰি পৰ্যটনৰ অন্যতম কেন্দ্ৰবিন্দুৰূপে গঢ়ি তোলাৰ স্বাৰ্থত মনোনিৱেশ কৰিবলৈ মন মেলিলে।



বৰ্তমান নিমাতীৰ ককিলামুখত বসবাস কৰা পায়েঙে কয়, তেওঁক অসম চৰকাৰে এখন জবকাৰ্ড দিও সহায় কৰা নাই। কেইজনীমান গৰু আৰু ম'হৰ গাখীৰ বিক্ৰী কৰি প্ৰকৃতি সংৰক্ষণৰ সৈতে জড়িত হৈ তেওঁ নিজৰ পৰিয়াল চলাই আছে। তাৰ বাবে ক্ষোভ আৰু খেদ নাই বুলিও তেওঁ কয়। জীৱনৰ বাকী থকা সময়খিনি তেওঁ প্ৰকৃতি সংৰক্ষণৰ সৈতে জড়িত হৈ কাম কৰি যাব। এনেবোৰ বিৰল চিন্তা আৰু কৰ্মই নিজৰ জীৱনটোক আগবঢ়াই নিবলৈ নিজকে উৎসৰ্গিত কৰোৱা যাদৱ পায়েঙৰ অনাগত দিন বোৰ আৰু কৰ্মবোৰ সুন্দৰ আৰু সাফল্যময় হওক এয়েই সকলোৰে কামনা। ■

শিক্ষাৰ অধিকাৰ

সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়ো, সকলোৰে আগবাঢ়ো

# দেশৰ ভৱিষ্যৎ গঢ়াত সৰ্বশিক্ষাৰ ভূমিকা


**লখিমী বৰা**

স্নাতক পঞ্চম ষাণ্মাসিক (কলা)


প্ৰতিজন ব্যক্তিৰ সুস্থ স্বাভাৱিক জীৱন-যাপন কৰাৰ অধিকাৰ থকা উচিত। দুৰ্ভাগ্যবশতঃ এতিয়াও বিশ্বৰ বহুসংখ্যক শিশুৱে সুস্থ স্বাভাৱিক জীৱন-যাপনৰ পৰা বঞ্চিত হৈয়ে ডাঙৰ-দীঘল হ'ব ধৰিছে; কাৰণ এইবোৰে নিজৰ মৌলিক অধিকাৰ, আনকি প্ৰাথমিক শিক্ষাৰ পৰাও বঞ্চিত হৈছে।

বিভিন্ন শিক্ষা প্ৰকল্পৰ ফলস্বৰূপে ২০০০ চনত সন্মুখলৈ অহা ফলাফল এনেধৰণৰ— ৯৪% গাঁওবাসীৰ প্ৰাথমিক বিদ্যালয়ৰ দূৰত্ব ১ কিল'মিটাৰৰ ভিতৰত, ৮৪% গাঁওবাসীৰ ৩ কিল'মিটাৰৰ ভিতৰত একোখন উচ্চ বুনিয়াদী বিদ্যালয় আছে। অনুসূচিত জাতি আৰু জনজাতিৰ ছোৱালীক বিদ্যালয়ত নামভৰ্তিৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। প্ৰথম পাঁচবছৰীয়া পৰিকল্পনাৰ সময়ছোৱাতকৈ লাহে লাহে বুনিয়াদী আৰু উচ্চ বুনিয়াদী বিদ্যালয়ত নামভৰ্তিৰ হাৰ বৃদ্ধি পাইছে। সেইমতে বুনিয়াদী আৰু উচ্চ বুনিয়াদী বিদ্যালয়ৰ সংখ্যাও বাঢ়িবলৈ ধৰিছে। ১৯৫০-৫১ চনত মাত্ৰ ৩.১ নিযুত ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰিছিল। ১৯৯৭-৯৮ ত এই সংখ্যা ৩৯.৫ লৈ বৃদ্ধি পায়। ১৯৫০-৫১ চনত বুনিয়াদী আৰু উচ্চ বুনিয়াদী বিদ্যালয়ৰ সংখ্যা আছিল ০.২২৩ নিযুত। ১৯৯৬-৯৭ ত এই পৰিমাণ ০.৭৭৫ লৈ বৃদ্ধি পায়। এক আনুমানিক হিচাপ মতে ২০০২-২০০৩ বৰ্ষত ৬ ৰ পৰা ১৪ বছৰ বয়সৰ শিশুৰ ৮২%-এ বিদ্যালয়ত নামভৰ্তি কৰিছিল। ভাৰত চৰকাৰে এই দশকৰ শেষত এই পৰিমাণ ১০০% কৰিবলৈ লক্ষ্য লৈছে। এই লক্ষ্যত উপনীত হ'বলৈ চৰকাৰে প্ৰৱৰ্তন কৰিছে সৰ্বশিক্ষা আঁচনি। সমগ্ৰ পৃথিৱীতে দৰিদ্ৰতা দূৰ কৰিবলৈ, শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা কৰিবলৈ আৰু প্ৰতিখন দেশৰ প্ৰতিজন লোকৰ জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ পৰিয়ালটোৰ সকলো সদস্যৰ মাজত সমতা আৰু যোগাত্মক চিন্তাধাৰা জগাই তোলাতো অতি প্ৰয়োজনীয়। বিশ্বৰ সকলো শিশুকে শিক্ষা ব্যৱস্থাৰ লগত জড়িত কৰিলেহে এইটো সম্ভৱ হৈ উঠিব পাৰে। ইয়াৰ বাবে উন্নত মানদণ্ডৰ শৈক্ষিক পৰিৱেশ আৰু অতি কমেও প্ৰাথমিক শিক্ষাৰ অতি প্ৰয়োজন।

**সৰ্বশিক্ষা অভিযান ঃ**

প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাৰ বাবে সৰ্বশিক্ষা এক বিস্তাৰিত আঁচনি। এই আঁচনি জিলাভিত্তিক, বিকেন্দ্ৰীকৃত, স্থানীয় জনগোষ্ঠীৰ দ্বাৰা বিশেষভাৱে পৰিকল্পনা কৰা আৰু কাৰ্যকৰীকৰণ বিদ্যালয় ব্যৱস্থা। এই অভিযান চৰকাৰৰ সকলো শিক্ষামূলক কাৰ্যকলাপ আৰু ব্যৱস্থাক সামৰি সমগ্ৰ দেশতে ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ অন্তৰ্গত দেশৰ সকলো ৬ ৰ পৰা ১৪ বছৰ বয়সীয়া শিশুক ২০১০ চনৰ ভিতৰত কামত অহা সংগতি থকা শিক্ষা প্ৰদান কৰা হ'ব।

**সৰ্বশিক্ষা অভিযান কি?**

- সমগ্ৰ দেশতে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ বাবে ৰাজনৈতিক সদিচ্ছা প্ৰকাশ কৰা।
- কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় প্ৰশাসনৰ অংশীদাৰিত্ব।
- প্ৰাথমিক শিক্ষাক লৈ ৰাজ্য চৰকাৰৰ নতুন সপোন ৰচাৰ সুযোগ।
- প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা ব্যৱস্থাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ

প্ৰতিষ্ঠান, বিদ্যালয় পৰিচালনা সমিতি, গাঁও আৰু চহৰৰ বস্তি অঞ্চলৰ শিক্ষা সমিতি, অভিভাৱক শিক্ষক সংস্থা, মাতৃ শিক্ষক সংস্থা, জনজাতি স্বায়ত্ব শাসিত পৰিষদ আৰু আন তৃণমূল পৰ্যায়ৰ সংগঠনবোৰক ফলপ্ৰসূভাৱে জড়িত কৰা।

- চাহিদা অনুসৰি উচ্চমানৰ প্ৰাথমিক শিক্ষা সমগ্ৰ দেশতে ব্যৱস্থা কৰা।
- প্ৰাথমিক শিক্ষাৰ মাজেৰে সামাজিক ন্যায়ৰ সুবিধা প্ৰদান কৰা।

সৰ্বশিক্ষা অভিযান ভাৰত চৰকাৰৰ এনে এটা অভিযান যাৰ যোগেৰে নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণ কৰা হ'ব। সংবিধানৰ ৮৬ সংশোধিত ধাৰাৰ মতে ৬-১৪ বছৰৰ শিশুৰ সম্পূৰ্ণ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা তেওঁলোকৰ মৌলিক অধিকাৰ। ৰাজ্য চৰকাৰৰ অংশীদাৰত সমগ্ৰ ভাৰতৰ ১.১ নিযুত জনবসতি থকা ঠাইৰ ১৯২ নিযুত শিশুক এই অভিযানে সামৰি লৈছে। এই অভিযানৰ ভিতৰত বিদ্যালয় নথকা জনবসতি অঞ্চলত নতুন বিদ্যালয় স্থাপন, বৰ্তমানে থকা বিদ্যালয়সমূহত শ্ৰেণীকোঠাৰ সংযোজন, শৌচালয় নিৰ্মাণ, খোৱাপানীৰ সুবিধা, বিদ্যালয় ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণৰ বাবে বিত্তীয় ব্যৱস্থা কৰা হৈছে। পৰ্যাপ্ত পৰিমাণৰ শিক্ষক নথকা বিদ্যালয়ত শিক্ষক নিযুক্তি, প্ৰশিক্ষণৰ যোগেৰে শিক্ষকসকলক দক্ষ কৰি তোলা, শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে বিত্তীয় সাহায্য প্ৰদান, স্তৰ খণ্ড জিলাই প্ৰতি শৈক্ষিক সহযোগ আদিৰ ব্যৱস্থাও এই অভিযানৰ যোগেৰে কৰা হৈছে। দক্ষ জীৱন শৈলীৰ বাবেও এই অভিযানে প্ৰাথমিক শিক্ষাৰ মাজেৰে আশা কৰিছে। বিশেষ প্ৰয়োজন থকা শিশু আৰু কন্যা শিক্ষাৰ ক্ষেত্ৰত এই অভিযানে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। এই অভিযানে ডিজিটেল জগতলৈ সেতু হিচাপে কম্পিউটাৰ শিক্ষাৰো ব্যৱস্থা কৰিছে।

**সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য ঃ**

- সকলো শিশু যাতে বিদ্যালয়লৈ যায়, শিক্ষা নিশ্চিত কেন্দ্ৰ, বিকল্প বিদ্যালয়, পুনৰ বিদ্যালয়লৈ ঘূৰি যোৱা কৰ্মশালা ২০০৩ চনৰ ভিতৰত।
- সকলো শিশুৱে ৫ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব ২০০৭ চনৰ ভিতৰত।
- সকলো শিশুৱে ২০১০ চনৰ ভিতৰত ৮ বছৰীয়া উচ্চ প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব।
- সন্তোষজনক উন্নতমানৰ প্ৰাথমিক শিক্ষাৰ যোগেৰে জীৱনৰ মানদণ্ড উন্নত কৰাৰ শিক্ষা প্ৰদান।
- লিংগ আৰু জাতিগত প্ৰভেদ নেউচি সকলো শিশুকে ২০০৭ চনৰ ভিতৰত প্ৰাথমিক আৰু ২০১০ৰ ভিতৰত উচ্চ প্ৰাথমিক শিক্ষা প্ৰদান।
- ২০১০ চনৰ ভিতৰত সকলো শিশুকে শিক্ষা ব্যৱস্থাৰে অন্তৰ্ভুক্ত কৰা।

এইবোৰ উদ্দেশ্যৰ বাদেও সৰ্বশিক্ষা অভিযানে আন কেইটামান দিশৰ ওপৰত অতিকৈ গুৰুত্ব প্ৰদান কৰিছে। সেইকেইটা হ'ল—

(ক) **প্ৰতিষ্ঠানিক সংস্কাৰ ঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কিছু সংস্কাৰ হাতত লৈছে যাতে সৰ্বশিক্ষা অভিযানৰ সকলোবোৰ সুবিধা সঠিকভাৱে প্ৰদান কৰিব পৰা যায়। ৰাজ্য চৰকাৰসমূহে নিজৰ শিক্ষা ব্যৱস্থা নিকাৰণৰ বাবে উদ্দেশ্যমূলক মূল্যায়নৰ ব্যৱস্থা লৈছে, এইবোৰৰ ভিতৰত আছে— শৈক্ষিক প্ৰশাসন, বিদ্যালয়ৰ উত্তৰণৰ মান, বিত্তীয় বিষয়, বিকেন্দ্ৰীকৰণ আৰু স্থানীয় ৰাইজক জড়িতকৰণ, ৰাজ্যৰ শিক্ষা আইনৰ পুনঃনিৰীক্ষণ, যুক্তিসংগত শিক্ষক নিযুক্তি, পৰ্যবেক্ষণ আৰু মূল্যায়ন, নাৰী শিক্ষাৰ স্থিতি, অনুসূচিত জাতি জনজাতি আৰু অনাগ্ৰসী জনগোষ্ঠী, ব্যক্তিগত বিদ্যালয়ৰ বাবে নীতি নিৰ্ধাৰণ আদি। বহুবোৰ ৰাজ্যই ইতিমধ্যেই প্ৰাথমিক শিক্ষা ব্যৱস্থা প্ৰদানৰ সুবিধাৰ বাবে যথেষ্ট সাল-সলনি কৰিছে।

**(খ) সুস্থিৰ অৰ্থব্যৱস্থা ঃ** এক সুস্থিৰ অৰ্থব্যৱস্থাৰ ওপৰতে সৰ্বশিক্ষা অভিযান সফল হ'ব। প্ৰাথমিক শিক্ষা উন্নয়নৰ বাবে অৰ্থব্যৱস্থাত কোনো বাধা নাহে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অংশীদাৰী অভিযানত এই অৰ্থব্যৱস্থা হ'ব।

**(গ) স্থানীয় লোকৰ অভিভাকত্ব ঃ** বিকেন্দ্ৰীভূত ব্যৱস্থাৰে এই অভিযানৰ জৰিয়তে স্থানীয় লোকক বিদ্যালয় পৰিচালনাৰ দায়িত্ব প্ৰদান কৰা হয়। মহিলা সমিতি, গাঁও শিক্ষা সমিতিৰ সদস্য, পঞ্চায়তৰ সদস্য আদিয়ে এই দায়িত্ব বহন কৰে।

**(ঘ) প্ৰতিষ্ঠানিক দক্ষতা বৃদ্ধি ঃ** ৰাজ্যিক আৰু ৰাষ্ট্ৰিয় আৰু জিলা পৰ্যায়ৰ প্ৰতিষ্ঠান যেনে- NIEPA, NCERT, NCTE, SLERT, DIET আদিৰ দক্ষতা বৃদ্ধিৰ বাবে সৰ্বশিক্ষা অভিযানত এক বিৰাট ব্যৱস্থা লোৱা হৈছে। পাৰদৰ্শী ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহক যাতে উন্নতমানৰ আৰু সকলো সময়তে সহায় কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰা হৈছে।

**(ঙ) স্থানীয় জনবসতিৰ বাবে পৰিকল্পনা ঃ** স্থানীয় জনবসতি অঞ্চলটোক এটা পৰিকল্পনাৰ গোট হিচাপে লৈ সৰ্বশিক্ষা অভিযানত কাম কৰাৰ সুবিধা ৰখা হৈছে। এই গোটবোৰৰ পৰিকল্পনাৰ ওপৰত ভিত্তি কৰি জিলা পৰিকল্পনাৰ ব্যৱস্থা আছে।

স্থানীয় ৰাইজৰ ওচৰত দায়বদ্ধতাৰে সৰ্বশিক্ষা অভিযানত শিক্ষক অভিভাৱকৰ মাজত সম্পৰ্ক স্থাপনৰ উপৰিও স্থানীয় ৰাইজৰ ওচৰত স্বচ্ছতা আৰু দায়বদ্ধতাৰ ব্যৱস্থা আছে।

**(চ) কন্যা শিশুৰ শিক্ষাত অগ্ৰাধিকাৰ ঃ** ছোৱালীৰ শিক্ষা, বিশেষকৈ অনুসূচিত জাতি, জনজাতি, সংখ্যালঘু সম্প্ৰদায়ৰ ছোৱালীবোৰক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰাটো সৰ্বশিক্ষা অভিযানৰ এটা মূল বিষয়।

**(ছ) পূৰ্ব প্ৰকল্পৰ পৰ্যায় ঃ** সৰ্বশিক্ষা অভিযানৰ সমগ্ৰ দেশতে প্ৰকল্প পূৰ্বে প্ৰস্তুতিৰ কাম আৰম্ভ কৰা হয় যাতে প্ৰকল্পৰ মূল পৰ্যায় কাৰ্যকৰীকৰণত কোনোধৰণৰ বাধাৰ বা সমস্যাৰ সৃষ্টি নহয়। প্ৰকল্পৰ প্ৰতিটো বিষয় পুংখানুপুংখভাৱে পৰ্যালোচনা কৰা হয়। দক্ষতা বৃদ্ধি, সুবিধা প্ৰদান আৰু পৰ্যবেক্ষণ ব্যৱস্থা শক্তিশালী কৰা হয়।

**(জ) উন্নতমানৰ প্ৰতি আস্থা ঃ** সৰ্বশিক্ষা অভিযানৰ শিক্ষা পদ্ধতিক উন্নতমানৰ কৰি তুলিবলৈ বিশেষ গুৰুত্ব দিয়া হয়। বিশেষকৈ শিশুসকলক নানা ধৰণৰ খেল-ধেমালিৰ মাজেৰে শিক্ষা প্ৰদান আৰু আন আন বিজ্ঞান সমন্বয়ভাৱে প্ৰমাণিত শিক্ষা পদ্ধতিৰ ওপৰত আস্থা ৰাখি এই অভিযানত সন্নিৱিষ্ট কৰা হৈছে।

**(ঝ) শিক্ষকৰ ভূমিকা ঃ** সৰ্বশিক্ষা অভিযানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু কেন্দ্ৰীভূত বিষয় হ'ল শিক্ষক। সেইবাবেই এই অভিযানত শিক্ষকসকলৰ প্ৰয়োজনীয় বিকাশৰ বাবে ওকালতি কৰা হয়। ইয়াৰ বাবে খণ্ড পৰ্যায়ত খণ্ড সমল কেন্দ্ৰ (ক্লাষ্টাৰ সমল কেন্দ্ৰ, উপযুক্তভাৱে

শিক্ষিত শিক্ষক নিযুক্তি, পাঠ্যক্রম ভিত্তিত সমল বিকাশত শিক্ষকসকলক জড়িত কৰি শিক্ষকৰ বিকাশৰ চেষ্টা, শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াত গুৰুত্ব প্ৰদান আৰু মানৱ সম্পদ উন্নয়নৰ বাবে বিভিন্ন বিষয়ক ক্ষেত্ৰ পৰিদৰ্শনৰ ব্যৱস্থা ৰখা হৈছে।

সৰ্বশিক্ষা অভিযানত হস্তক্ষেপ কৰা কেইটামান বিত্তীয় ৰীতি হ'ল—

**(ক) শিক্ষক ঃ**

- বুনিয়াদী আৰু উচ্চ বুনিয়াদী বিদ্যালয়ত প্ৰতি ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে একোজন শিক্ষক।
- প্ৰাথমিক বিদ্যালয়ত অতি কমেও দুজন শিক্ষক।
- উচ্চ প্ৰাথমিক বিদ্যালয়ত প্ৰতিটো শ্ৰেণীৰ বাবে একোজন শিক্ষক।

**(খ) বিদ্যালয়/বিকল্প বিদ্যালয়ৰ সুবিধা ঃ**

- জনবসতি অঞ্চল প্ৰতি এক কিল'মিটাৰৰ ভিতৰত এখন বিদ্যালয়।
- ৰাজ্য চৰকাৰৰ নিয়ম অনুসৰি নতুন বিদ্যালয় স্থাপনৰ ব্যৱস্থা বা বিদ্যালয় নথকা জনবসতি ঠাইত EGS ধৰণৰ বিদ্যালয় স্থাপন।

**(গ) উচ্চ প্ৰাথমিক বিদ্যালয়/অঞ্চল ঃ**

- প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰা শিশুৰ সংখ্যা আৰু প্ৰয়োজন সাপেক্ষে প্ৰতি দুখন প্ৰাথমিক বিদ্যালয়ত এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বা শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগিব।

**(ঘ) শ্ৰেণীকোঠা ঃ**

- প্ৰতিখন উচ্চ প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ বাবে একোটা কোঠালী থাকিব লাগিব।
- প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত অতি কমেও দুজন শিক্ষক, দুটা শ্ৰেণীকোঠা, বিদ্যালয়ৰ বাৰান্দাৰ ব্যৱস্থাৰ থাকিব লাগিব।

**(ঙ) বিনামূলীয়া পাঠ্যপুথি ঃ**

- প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ প্ৰতিগৰাকী ছাত্ৰী অনুসূচিত জাতি-জনজাতি, ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতি ১৫০ টকালৈকে ব্যৱস্থা থাকিব।
- ৰাজ্য চৰকাৰে বৰ্তমানে চলি থকা বিনামূলীয়া পাঠ্যপুথি যোগান ব্যৱস্থা অব্যাহত ৰাখিব।
- যদি কোনো ৰাজ্য চৰকাৰে প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যপুথি ৰেহাই মূল্যত ছাত্ৰ-ছাত্ৰীক যোগান ধৰি আছে, তেন্তে সৰ্বশিক্ষা অভিযানৰ অন্তৰ্গত সেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহে বহন কৰিব লগা ধনৰ পৰিমাণ প্ৰদান কৰা হ'ব।

**(চ) EGS সমূহক নিয়মীয়া বিদ্যালয়লৈ উন্নীতকৰণ বা ৰাজ্যৰ নীতি অনুসৰি নতুন প্ৰাথমিক বিদ্যালয় স্থাপন কৰা ঃ**

- প্ৰতিখন বিদ্যালয়ৰ বাবে ১০,০০০ টকাৰ ব্যৱস্থা থাকিব।
- শিক্ষক আৰু শ্ৰেণীকোঠাৰ সুবিধা থাকিব।
- স্থানীয় পৰিস্থিতি আৰু চাহিদাৰ ভিত্তিত TLE নিৰ্ধাৰিত হ'ল।

**(ছ) বিদ্যালয়ৰ অনুদান ঃ**

- বিদ্যালয়ৰ বেয়া হোৱা সামগ্ৰীবোৰ সলনি কৰিবলৈ প্ৰতিবছৰে প্ৰতিখন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ক ২০০০ টকাকৈ দিয়া হ'ব।



- অৰ্থব্যৱস্থাৰ ক্ষেত্ৰত স্বচ্ছতা থাকিব লাগিব।
- গাঁও শিক্ষা সমিতি/বিদ্যালয় পৰিচালনা সমিতিৰ দ্বাৰা ব্যয় কৰা হ'ব।

**(জ) শিক্ষক প্ৰশিক্ষণ ঃ**

- প্ৰতিজন শিক্ষকৰ বাবে প্ৰতিবছৰে ২০ দিনীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা আছে। শিক্ষক হিচাপে নিযুক্তি পোৱা কিন্তু শিক্ষকৰ প্ৰশিক্ষণ নোলোৱা শিক্ষকৰ বাবে ৬০ দিনীয়া ৰিফ্ৰেচাৰ পাঠ্যক্ৰমৰ ব্যৱস্থা আৰু নতুন প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ বাবে ৩০ দিনীয়া অৰিয়েণ্টেছন কৰ্চৰ ব্যৱস্থা আছে। প্ৰতিজন শিক্ষকৰ বাবে প্ৰতিদিনত ব্যয় হ'ব ৭০ টকা।
- ব্যয়ৰ হিচাপ থূলমূলকৈ ধৰা হৈছে। অনাবাসিক প্ৰশিক্ষণৰ খৰচৰ পৰিমাণ কমিব।
- সকলো ধৰণৰ প্ৰশিক্ষণৰ খৰচ ধৰা হৈছে।
- আগতে থকা শিক্ষক প্ৰশিক্ষণ আঁচনিৰ অধীনত SCERT/ DIET সাহায্য প্ৰদান কৰা হ'ব।

**(ঝ) অসমৰ্থ শিশুৰ বাবে সুবিধা ঃ**

- নিৰ্দিষ্ট প্ৰস্তাৱ আৰু তথ্যৰ বিপৰীতে প্ৰতিজন অসমৰ্থ শিশুৰ বাবে প্ৰতিবছৰে ১২০০ টকাকৈ দিয়া হ'ব।
- বিশেষ যত্নৰ প্ৰয়োজন থকা শিশুৰ বাবে জিলা পৰ্যায়ত পৰিকল্পনা কৰি ১২০০ টকাকৈ প্ৰতি শিশুৰ বিপৰীতে প্ৰদান কৰা হ'ব।
- সংশ্লিষ্ট সমল প্ৰতিষ্ঠানক জৰিত কৰিবলৈ উৎসাহ প্ৰদান কৰা হ'ব।

**(ঞ) সামাজিক সম্পৰ্ক ঃ**

শিক্ষা বুলিলে আমি কেৱল গতানুগতিক বিধৰ আনুষ্ঠানিক শিক্ষাকেই নুবুজোঁ। সেই শিক্ষকে এবিধ সচেতনভাৱে নিয়ন্ত্ৰিত কৰা সামাজিক প্ৰক্ৰিয়া বুলি কোৱা হয়। সামাজিক পাৰস্পৰিকতা হৈছে দুজন বা ততোধিক লোকৰ মাজত থকা সম্বন্ধ, যাৰ যোগেদি এজনৰ আচৰণ আনজনৰ আচৰণৰ দ্বাৰা সংশোধন কৰা হয়। ইয়াৰ মূল প্ৰকাৰবোৰ হ'ল— সংযোগিতা, প্ৰতিযোগিতা, সংঘৰ্ষ, উপযোজন, সমনয়ন।

**(ট) পাঠ্যক্ৰম ঃ**

যিহেতু সৰ্বশিক্ষা অভিযান আঁচনিৰ পৰাই পাঠ্যক্ৰমৰ ধাৰণা

আহিছে, গতিকে ইয়াৰ দ্বাৰা শিশুসকলৰ অন্য কোনো পৰিৱৰ্তন হোৱা দেখা পোৱা যায়, যেনে- চৰিত্ৰগঠন, সামাজিক বিবেচনা, ব্যক্তি সত্তাৰ বিবেচনা, মানসিক পৰ্যায়ৰ বিবেচনা, বৃত্তীয় প্ৰয়োজনীয়তা, চিন্তা আৰু ক্ৰিয়াৰ সমন্বয়, গতিশীলতাৰ নীতি, সহ সম্বন্ধৰ নীতি, নৈতিক শিক্ষা, আজৰি সময়ৰ শিক্ষা আদি।

সকলো স্তৰৰ বাবে সমান সুযোগৰ মাধ্যমেৰে গণতন্ত্ৰৰ সামাজিক কাঠামোক শক্তিশালী কৰি তোলাটোৱেই হৈছে প্ৰাথমিক শিক্ষাৰ লক্ষ্য। এই লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যেই দেশখনে ৰাষ্ট্ৰীয় শিক্ষা আঁচনিৰ জৰিয়তে কেতবোৰ আঁচনি প্ৰস্তুত কৰি সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ লক্ষ্য উদ্দেশ্যসমূহ পূৰণৰ বাবে চেষ্টা কৰিছে।

২০০৯ চনত বলবৎ হোৱা শিক্ষাৰ অধিকাৰ আইনখনে প্ৰাথমিক শিক্ষাক ৬ বছৰৰ পৰা ১৪ বছৰৰ শিশুসকলৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক কৰি দিছে। যাৰফলত প্ৰাথমিক শিক্ষা সমাজৰ সৰ্বস্তৰৰ লোকৰ বাবে হৈ পৰিছে সহজলভ্য। জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ ভেদাভেদ পাহৰি সমাজৰ সকলো স্তৰৰ লোকে নিজ নিজ সন্তানক এক সমমানসম্পন্ন শিক্ষা প্ৰদান কৰিবলৈ সক্ষম হৈছে। শিশুসকলৰ মানসিক বিকাশৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰি এই শিক্ষা ব্যৱস্থাক ভয় শংকামুক্ত কৰি গঢ়ি তোলা হৈছে।

প্ৰাথমিক শিক্ষাৰ সৰ্বব্যাপী প্ৰসাৰ প্ৰচাৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই সৰ্বশিক্ষা অভিযান ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ উদ্দেশ্যই হৈছে প্ৰাথমিক শিক্ষাক সমাজৰ সকলো স্তৰৰ বাবেই সহজলভ্য, শিক্ষাক সমাজৰ সকলো ঘৰৰ বাবেই সহজলভ্য কৰি তোলা, শিশুসকলৰ শৈক্ষিক স্তৰৰ বিকাশ সাধন কৰা আৰু শিক্ষালাভৰ ক্ষেত্ৰত সমাজত প্ৰৱৰ্তিত সমস্যাসমূহৰ বিশ্লেষণ কৰি সেই সমস্যা সমাধানৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা। এই উদ্দেশ্য আগত ৰাখিয়েই সৰ্বশিক্ষাৰ অধীনত নতুন নতুন বিদ্যালয় স্থাপন কৰা হৈছে। লগতে বিদ্যালয়সমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰি তোলা হৈছে। বিদ্যালয়সমূহত নতুন শিক্ষক নিযুক্তিৰ বাবেও তেওঁলোকৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও শৈক্ষিক সমল, যেনে- বিনামূলীয়া পাঠ্যপুথিৰ যোগান, ইউনিফৰ্ম যোগান, সময়ে সময়ে শৈক্ষিকমান উন্নত কৰিবলৈ প্ৰয়োজনীয় সহায়-সহযোগ আগবঢ়োৱা হৈছে।

**বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, ২০০৯**

(১) ৬-১৪ বছৰৰ প্ৰতিগৰাকী শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা লাভৰ অধিকাৰ লাভ কৰিব।

(২) ২ বছৰৰ উৰ্ধৰ কোনো শিশুৱে যদি কোনো কাৰণবশতঃ বিদ্যালয়লৈ যোৱাৰ সুযোগ নাপাই তেন্তে তেনে শিশুক তেওঁৰ বয়স অনুসৰি যথোচিত শ্ৰেণীত পুনৰ নামভৰ্তিৰ ব্যৱস্থা কৰিব লাগিব।

(৩) বয়সৰ প্ৰমাণপত্ৰ নথকাৰ অজুহাতত কোনো শিশুৱেই বিদ্যালয়ত নামভৰ্তিৰ পৰা বিৰত ৰাখিব নোৱাৰিব।

(৪) জাতি, ধৰ্ম, বৰ্ণ, ভাষিক ভেদাভেদৰ বাবে অৰ্থনৈতিক আৰু সামাজিক যোগ্যতাৰ ভিত্তিত কোনো কাৰণতেই যেন কোনো শিশুৱেই বিদ্যালয়লৈ যোৱাৰ পৰা বিৰত নাথাকে।

(৫) কোনো চৰকাৰী শিক্ষকেই ঘৰুৱা শিক্ষকতাত জড়িত থাকিব নোৱাৰিব।

(৬) শিক্ষকসকল সময়মতে বিদ্যালয়লৈ আহিব।

(৭) বিদ্যালয়ত কোনো শিশুকেই শাৰীৰিক অথবা মানসিক আতিশয্য চলাব নোৱাৰিব।

(৮) বিদ্যালয় বহিৰ্ভূত শিশুসকলকো বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ সহায়ত নামভৰ্তি কৰিব লাগিব।

(৯) এই আইন অনুসৰি প্ৰতি সপ্তাহতে এগৰাকী শিক্ষকে অন্ততঃ ৪৫ ঘন্টা পাঠদান কৰিব লাগিব। লগতে শিক্ষকসকলে পাঠদান পৰিকল্পনা প্ৰস্তুত, পঢ়ন শিকন সামগ্ৰী প্ৰস্তুত, মূল্যাংকন, বিদ্যালয় উন্নয়ন পৰিকল্পনা প্ৰস্তুত আৰু সময়ে সময়ে অভিভাৱকসকলৰ সৈতে আলোচনা আদি কৰিব লাগিব।

শিক্ষাৰ অধিকাৰ আইন ২০০৯ দ্বাৰা ভাৰতবৰ্ষৰ ৬-১৪ বছৰ বয়সৰ সকলো শিশুৰ বাবেই প্ৰাথমিক শিক্ষা লাভ কৰাটো বাধ্যতামূলক আৰু বিনামূলীয়া কৰি শিশুসকলে শিক্ষালাভ কৰাটো সাংবিধানিক অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। এই আইনৰ ২৯ নং ধাৰা অনুসৰি প্ৰতিটো শিশুৱেই মানসম্পন্ন, সাৰ্বিক আৰু শিশুৰ বাবে অনুকূল পৰিৱেশত শিক্ষালাভ কৰাটো প্ৰতিটো শিশুৰেই অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। এই আইনৰ নিৰ্দেশাৱলীকেই সাৰোগত কৰি প্ৰাথমিক স্তৰত গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। বিগত সময়ছোৱাত চৰকাৰৰ তৰফৰ পৰা শৈক্ষিক ফলাফল বৃদ্ধিৰ উদ্দেশ্য ভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাৰ আধাৰত পাঠ্যক্ৰম যুগুত কৰা, যোগত্যাসম্পন্ন শিক্ষকক নিযুক্তি, শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা উল্লেখযোগ্য।

শিক্ষাৰ গুণগত মান সম্পৰ্কে ৰাজ্য চৰকাৰো বিশেষভাৱে সচেতন। সেই উদ্দেশ্য সাধনৰ বাবেই ৰাজ্য চৰকাৰে 'গুণোৎসৱ মানৱ উৎসৱ' নামেৰে ২০১৭ বৰ্ষৰ পৰা এটি পদক্ষেপ হাতত লৈছে। এইয়া হৈছে ৰাজ্য চৰকাৰ, সৰ্বশিক্ষা অভিযান, অসম ৰাজ্যিক শিক্ষা গৱেষণ সংস্থা আৰু প্ৰাথমিক শিক্ষা সঞ্চালকালয় এটি সন্মিলিত প্ৰচেষ্টা। আৰম্ভণিতে ৰাজ্যখনৰ বৰপেটা, চিৰাং, ডিব্ৰুগড়, হাইলাকান্দি, কামৰূপ মহানগৰ, লক্ষীমপুৰ, মৰিগাঁও, পশ্চিম কাৰ্বি আংলং এই আঠখন জিলা সামৰি এই কাৰ্যাৱলী হাতত লোৱা হৈছে।

গুণোৎসৱৰ প্ৰধান উদ্দেশ্য হ'ল শৈক্ষিক ফলাফল বৃদ্ধি কৰি গুণগত প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰা।

অসমত এই গুণোৎসৱৰ প্ৰয়োজনীয়তা অনেক। ১৯৮৬ চনত কাৰ্যকৰী কৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিটো প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত নিয়মীয়া আৰু ব্যাপক মূল্যায়নৰ কথা উল্লেখ কৰা হৈছে। এই নীতিয়ে মূল্যায়নৰ ক্ষেত্ৰত শিশুৰ পাৰদৰ্শিতাৰ লগতে সহঃবিদ্যায়তনিক কাৰ্যসমূহকো মূল্যায়ন কৰাৰ কথা উল্লেখ কৰিছে। ২০০৫ চনৰ পৰা কাৰ্যকৰী হোৱা ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখাটো পৰীক্ষাৰ ক্ষেত্ৰত সংশোধন আনি শিশুৰ ওপৰত থকা মানসিক চাপ কম কৰি নিয়মিত আৰু বিস্তাৰিত মূল্যায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

যদিহে এনেদৰে গুণোৎসৱৰ নিচিনাকৈ অন্য কোনো উৎসৱ বছৰি বছৰি পালন কৰি আহে তেনেহ'লে প্ৰাথমিক পৰ্যায়ৰ পৰাই সকলো সৰ্বশিক্ষা অভিযান আঁচনিৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভাল ভৱিষ্যৎ নিৰ্মাতা হ'বঁগে। ■

# ঐতিহাসিক জোনবিল মেলা

**ৰিছা ভূঞা**
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা)

প্ৰত্যেক বছৰে মাঘ মাহৰ দ্বিতীয় সপ্তাহৰ বৃহস্পতিবাৰৰ পৰা শনিবাৰলৈ তিনিদিনীয়াকৈ অনুষ্ঠিত হয় এই জোনবিল মেলা। মৰিগাঁও জিলাৰ জাগীৰোডৰ উত্তৰ দিশত মৰিগাঁও গড়কাপ্তানি পথৰ দাঁতিতে অৱস্থিত ইতিহাসে গৰকা জোনবিলৰ পাৰত অনুষ্ঠিত হোৱা এই মেলা সম্প্ৰতি স্থানীয় লোকৰ উপৰি দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এই মেলাৰ প্ৰধান বৈশিষ্ট্য হ'ল বিনিময়ৰ প্ৰথা। পাহাৰত বসবাস কৰা তিৱা জনজাতিৰ লোকসকলে ভৈয়ামৰ ভাই-ভনীসকলৰ লগত ভালেমান খাদ্যবস্তু আৰু শস্যজাতীয় বস্তুৰ উপৰিও কেঁচা মাছ, শুকান মাছ আদি বিনিময় কৰে এই মেলাত। জোনবিললৈ জাগীৰোডৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ দূৰত্ব হ'ব।





*জোনবিল মেলাৰ এটি দৃশ্য*

**কিংবদন্তি ঃ**

অসম বুৰঞ্জীত উল্লেখ থকা মতে তেৰ শতিকাৰ মাজভাগত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত ভালেমান সৰু সৰু ৰাজ্য আছিল আৰু তেনে এখন সৰু ৰাজ্য হ'ল— গোভাৰাজ্য। জনশ্ৰুতি মতে, গোভা ৰজা প্ৰান্তেশ্বৰ সিংহই শুক্লপক্ষৰ এনিশা ৰাণীৰ সৈতে বিহাৰ কৰি থাকোঁতে হাবিৰ মাজত এখন বিল দেখা পায়। বিলৰ ফট্‌ফটীয়া পানীত নিশা জোনৰ প্ৰতিবিম্ব পৰি অপূৰ্ব ৰূপ ধাৰণ কৰিছিল। ৰাণীয়ে সেই নৈসৰ্গিক দৃশ্য দেখি আপ্লুত হৈ পৰে। সেয়ে ৰজাই বিলখনৰ নাম ৰাখিলে জোনবিল। (তিৱা ভাষাত 'ছনাই' মানে জোন আৰু 'পিল' মানে বিল। 'ছনাই পিল'ৰ পৰাই 'জোনবিল' হ'ল বুলি কোৱা হয়।)

জোনবিলৰ পাৰত প্ৰত্যেক বছৰে অনুষ্ঠিত হোৱা এই মেলাখন কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই তথ্য সঠিককৈ কোনেও দিব পৰা নাই যদিও অতি পুৰণিকালৰে পৰা পৰম্পৰাগতভাৱে এই মেলা অনুষ্ঠিত হৈ আহিছে বুলি জানিব পৰা যায়। গোভা ৰাজ্যত বিহুৰ উৰুকাৰ দুই দিনৰ আগৰে পৰা এই মেলা বহে আৰু বিহুৰ দিনা শেষ হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে গোভা ৰজাই আনৰ নিচিনাকৈ বিহু সংক্ৰান্তি তিথিত নাপাতি পাছৰ সপ্তাহতহে পাতিছিল। সেয়ে মনে পতা বিহু বুলিও ইয়াক কোৱা হয়। আনহাতে, কোনোৱে ক'ব খোজে— গোভা ৰজাৰ ৰাজ অভিষেকৰ দিনটোতে ইয়াৰ ৰাইজে বিহু পতাৰ ব্যৱস্থা কৰিছিল। তেনেদৰে ৰজাঘৰীয়া কেতবোৰ অসুবিধাৰ বাবে মাঘ বিহুটো শিমলু ফুলাৰ পাছত আৰু বহাগ বিহুটো জেঠৰ মাহতো পাতিছিল বুলি জনশ্ৰুতি পোৱা যায়।

**মেলাৰ কাৰ্যসূচী ঃ**

গোভা ৰজাৰ উপস্থিতিত উৰুকাৰ দিনা উৎসৱমুখৰ পৰিৱেশত জোনবিলত মাছ মৰা হয়। গোভা ৰজাক জোনবিলৰ পাৰলৈ ৰাইজে আদৰি আনে। তাৰপাছত ৰজাৰ পৰিষদবৰ্গই মাছ মৰা লোকসকলৰ পৰা গোভা ৰজাৰ হৈ 'ৰাজকৰ' আদায় কৰে।

জোনবিল মেলাৰ প্ৰথম দিনটোত সমূহীয়াভাৱে বিলত মাছমৰা হয়। পৰম্পৰা অনুসৰি গোভা ৰজা বিলৰ পাৰত উপস্থিত হ'লেহে ৰাইজে বিলত মাছ মাৰিবলৈ নামে। দ্বিতীয় দিনা পুৱাৰ ভাগত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰে অনুষ্ঠিত হয় বিনিময় প্ৰথাৰ নানা সা-সামগ্ৰীৰ আদান-প্ৰদান। তাৰপাছত অনুষ্ঠিত হয় পুৰণি আমোদজনক খেল-কুকুৰা যুঁজ। মেলাৰ তৃতীয় দিনা অৰ্থাৎ শেষৰ দিনটোত গোভা ৰজাই পৰিষদবৰ্গৰ ৰাজদৰবাৰ অনুষ্ঠিত কৰি ৰাইজৰ পৰা কৰ সংগ্ৰহ কৰে।

পাহাৰৰ পৰা অহা তিৱা লোকসকলে জোনবিল মেলাৰ এদিন পূৰ্বে অৰ্থাৎ বুধবাৰে আবেলিতে আহি জোনবিলৰ পাৰত বাহৰ পাতে। বিলৰ নৰাৰে সৰু সৰু পঁজাঘৰ সাজি তাতেই মেলা কেইদিন পৰিয়ালসহ থাকিবলৈ লয়। তাতেই তেওঁলোকে লগত অনা বিনিময় সামগ্ৰীসমূহ ভৈয়ামৰ লোকসকলৰ সৈতে আদান-প্ৰদান কৰে। মেলাৰ শেষৰ দিনা অৰ্থাৎ শনিবাৰে ঘৰলৈ উভতি যোৱাৰ আগে আগে অস্থায়ী সেই ঘৰবোৰ ভাঙি জুই জ্বলাই থৈ যায়।

এই মেলাত সাধাৰণতে বিনিময় কৰা সামগ্ৰীসমূহ হ'ল আলু, কচু, আদা, হালধি, তিল, লা, ধুনা, বাঁহৰ গাজ, ফুলবাঢ়নী, জলকীয়া, জালুক, লাউ, কোমোৰা, আমলখি, শিলিখা, ভাং, গন্ধক, জ্যেষ্ঠ মধু, চিৰতা, মুঠা, দা-কটাৰী, কুঠাৰ, কোৰ, পাচি, চালনী, হোৰা, টাগলা, বাইছং, আনহ'লা, সান্দহ, তামোল-পাণ, তিলপিঠা, ভাপত দিয়া পিঠা, পাতত দিয়া পিঠা, কেঁচা মাছ, শুকান মাছ আদি। উল্লেখযোগ্য যে, বিনিময় কৰি নিয়া পিঠা-পনাৰ উপৰি অন্যান্য খাদ্যবস্তুৰে তেওঁলোকে ঘৰলৈ উভতি গৈ ইষ্ট দেৱতাক পূজা সেৱা কৰি বিহু পাতে। সম্প্ৰতি মুদ্ৰাৰ প্ৰচলনৰ ধামখুমীয়াত বিনিময় প্ৰথা লুপ্ত হৈ গ'লেও জোনবিল মেলাই সাক্ষ্য বহন কৰি আছে অতীতৰ সেই বিনিময় প্ৰথাৰ। ক্ষন্তেক সময়ৰ বাবে হ'লেও জোনবিল মেলাত অনুষ্ঠিত হয় বিনিময়ৰ প্ৰথা। তেনেদৰে ৰজাদিনীয়া প্ৰথা অনুসাৰে ৰাজদৰবাৰ অনুষ্ঠিত কৰি 'ৰাজকৰ' সংগ্ৰহ কৰা ব্যৱস্থাই অতীত ৰাজশাসিত ব্যৱস্থাৰ কথাকে সোঁৱৰাই আহিছে। সেয়ে বৰ্তমানেও তিনিদিনীয়াকৈ অনুষ্ঠিত হৈ অহা জোনবিল মেলাত বিনিময় প্ৰথা প্ৰত্যক্ষ কৰিবলৈ দেশী-বিদেশী পৰ্যটকৰ উপৰি সংবাদ মাধ্যমৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোকে ভিৰ কৰেহি জোনবিল মেলাত। ফলস্বৰূপে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ টকাৰ কাঠৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, বাচন-বৰ্তন, কাপোৰ-কানি, সাজ-পোছাক, চাহ-মিঠাই, মণিহাৰী, লোহা লক্কৰৰ দোকানৰ উপৰি বিভিন্ন নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ এখন বৃহৎ বজাৰ বহে। এইখিনিতে উল্লেখ কৰিব পাৰি যে জোনবিল মেলাৰ কাঠৰ সামগ্ৰীৰ বজাৰখন উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে সৰ্ববৃহৎ কাঠৰ সামগ্ৰীৰ বজাৰ হিচাপে ইতিমধ্যে চিহ্নিত হৈছে।

ঐতিহাসিক জোনবিল মেলা সম্প্ৰতি তিৱা লোকসকলৰ ঐতিহ্য পৰম্পৰা বিজড়িত কেৱল পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ এক অনুষ্ঠান হৈ থকা নাই, ই বিভিন্ন জাতি-জনজাতি, ভাষা, ধৰ্মাৱলম্বী লোকৰ মিলন তীৰ্থত পৰিণত হৈছে। ■

# শ্ৰীমন্ত শঙ্কৰদেৱ


**দেৱযানী শইকীয়া**

স্নাতক প্ৰথম যাণ্মাসিক (কলা)


অসমৰ ধৰ্ম, সমাজ, সুকুমাৰ কলা আৰু সাহিত্যৰ ক্ষেত্ৰত মহাপুৰুষ শঙ্কৰদেৱে যি দান দি গ'ল তাৰ তুলনা পাবলৈ বিৰল। তেখেত একেধাৰে কবি, সমাজ সংস্কাৰক, ধৰ্মপ্ৰৱৰ্তক, নাট্যকাৰ, অভিনেতা, সঙ্গীতজ্ঞ আৰু পৰমভক্ত। বহু দেৱতাৰ উপসনাৰ প্ৰৱৰ্তন আৰু নানা ধৰ্ম মতবাদৰ সলনি সৰল বিশুদ্ধ ভাগৱতী ধৰ্ম মতবাদ স্থাপন কৰাৰ উদ্দেশ্যে তেখেতে সংস্কৃত গ্ৰন্থৰাজিক অৱলম্বন কৰি জনসাধাৰণৰ ভাষাত কাব্য, নাটক, গীত আদি নিজেও ৰচনা কৰে আৰু আনকো সেই কাৰ্যত ব্ৰতী কৰায়।



১৩৭১ শক, ইং ১৪৪৯ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ বৰদোৱাত মহাপুৰুষ শঙ্কৰদেৱৰ জন্ম হয় বুলি অসমৰ বৈষ্ণৱসকলৰ মাজত বিশ্বাস প্ৰচলিত হৈ আহিছে। তেখেতৰ জন্ম হৈছিল বুৰঞ্জীপ্ৰসিদ্ধ শিৰোমণি ভূঞাৰ ঘৰত। শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম আছিল সত্যসন্ধ্যা। শঙ্কৰদেৱৰ সৰু অৱস্থাতে পিতৃ-মাতৃৰ বিয়োগ ঘটাত বুঢ়ীমাক খেৰসূতীয়ে তেওঁক পালন কৰে। সৰুতে তেওঁৰ পঢ়াৰ প্ৰতি বিশেষ ধাউতি নাছিল। খেল-ধেমালিতে কাল কটোৱা শঙ্কৰক বাৰ বছৰ বয়সত বুঢ়ীমাকে মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিয়ে। বিদ্যা শিক্ষা আৰম্ভ কৰিয়েই শঙ্কৰে অ-আ, ক-খ শিকিয়েই ভগৱান শ্ৰীকৃষ্ণৰ ভক্তি বিষয়ক কবিতা 'কৰতল কমল' ৰচনা কৰি সকলোকে অভিভূত কৰে। ইয়াৰ পিছতে কন্দলীয়ে শঙ্কৰক দেৱ উপাধি প্ৰদান কৰি সকলোৰে ওপৰত ওজা ছাত্ৰ পাতে। মহেন্দ্ৰ কন্দলীৰ টোলত ছবছৰ পঢ়ি চাৰিবেদ, চৈধ্যশাস্ত্ৰ (শিক্ষা, কল্প, জোতিষ, ৰীতি, নীতি, নিৰুক্ত, ছন্দ, শ্ৰুতি, স্মৃতি, মীমাংসা, তৰ্ক, কলাপ, তৃক, ন্যায়), ওঠৰ পুৰাণ (মৎস্য, শিৱ, বিষ্ণু, স্কন্ধ, বৰাহ, কুৰ্ম, গৰুড়, মাৰ্কণ্ডেয়, বামন, লিঙ্গ, ভৱিষ্য, ব্ৰহ্মাণ্ড, বৈৱৰ্ত, পদ্ম, নাৰদী, বৃহৎ অগ্নি, ভাগৱত), নানা কাব্য, সংহিতা, ব্যাকৰণ, দৰ্শন আদি বিভিন্ন শাস্ত্ৰত পাৰ্গত হৈ উঠে। টোলত থাকোঁতেই তেওঁ প্ৰথমখন অনুবাদ কাব্য 'হৰিচন্দ্ৰ উপাখ্যান' লিখি উলিয়ায়। তেওঁ এজন ধীৰস্থিৰ, গুণী-জ্ঞানী ব্যক্তি হৈ সকলোতে বিদগ্ধ পণ্ডিত হৈ পৰে। প্ৰায় ১৭ বছৰ বয়সত শঙ্কৰদেৱ ঘৰলৈ উভতি আহে। শিক্ষা সমাপ্ত কৰি গুৰুগৃহৰ পৰা ঘৰলৈ ঘূৰাৰ পাছত শঙ্কৰদেৱৰ ওপৰত সংসাৰৰ দায়িত্ব কিছু পৰিমাণে পৰিবলৈ ধৰে। তেওঁ নথকা অৱস্থাত শিৰোমণি ভূঞাৰ দায়িত্বভাৰ লৈ থকা ককাদেউতাক জয়ন্ত দলৈয়ে প্ৰথমেই শিৰোমণি ভূঞাৰ বিষয়ভাৰ শঙ্কৰদেৱৰ ওপৰত অৰ্পণ কৰিলে। তেনেই কম বয়সতে ভূঞাসকলৰ শ্ৰেষ্ঠ সন্মান লাভ কৰা আৰু শ্ৰেষ্ঠ দায়িত্ব পোৱা বাবে তেওঁৰ নাম ডেকাগিৰি হ'ল।

শঙ্কৰদেৱৰ ২১ বছৰ বয়সত তেওঁ নিজ কান্ধত থকা শিৰোমণি ভূঞাৰ দায়িত্বভাৰ ককাক জয়ন্ত দলৈ আৰু মাধৱ দলৈক অৰ্পণ কৰিবলৈ ইচ্ছা কৰি নিজে একান্তভাৱে শাস্ত্ৰচৰ্চাত নিয়োজিত হ'বলৈ মন মেলিলে। পৰকালৰ বাবে শাস্ত্ৰজ্ঞান আহৰণ কৰি ধৰ্ম কৰাৰ প্ৰয়োজনীয়তাৰ কথা তেওঁ ককাকৰ আগত ব্যক্ত কৰিলে। অন্যথা সংসাৰৰ অৰ্থ নাই। ইয়াতে নাতিনীয়েকৰ সংসাৰৰ প্ৰতি বিৰাগ জন্মে বুলি চিন্তিত হৈ দুই পিতামহে চাই চিতি হৰিবৰগিৰি নামৰ এজন ভূঞাৰ সূৰ্যৱতী নামৰ কন্যাৰ লগত শঙ্কৰদেৱৰ বিয়া পাতি দিয়ে। বিবাহৰ তিনি বছৰৰ পাছত সূৰ্যৱতীৰ গৰ্ভত শঙ্কৰদেৱৰ এটি কন্যা সন্তানৰ জন্ম হয়। কন্যাটিৰ নাম থলে 'মনু'। দুৰ্ভাগ্যবশতঃ

মনুৰ বয়স ন মাহ নহওঁতেই সূৰ্যবতীৰ অকাল বিয়োগ ঘটে। সূৰ্যৱতীৰ মৃত্যু হোৱাত বৈৰাগ্য উপজি ১৪০৩ শকত ৩২ বছৰ বয়সত শঙ্কৰদেৱে প্ৰথমবাৰৰ বাবে তীৰ্থলৈ যায়। আন সোতৰজন তীৰ্থযাত্ৰী শঙ্কৰদেৱৰ লগত যাত্ৰাৰ সঙ্গী হয়। শঙ্কৰদেৱে অনুগামীসকলৰ সৈতে গংগাৰ পৰা স্নান দৰ্শনেৰে আৰম্ভ কৰি জগন্নাথ পুৰী, সীতাকুণ্ড, উত্তৰ বাহিনী গংগা, বৰাহ ক্ষেত্ৰ, বদৰিকাশ্ৰম আদি প্ৰায়বোৰ তীৰ্থক্ষেত্ৰ আৰু ঐতিহাসিক স্থান ভ্ৰমণ কৰিলে। তীৰ্থ ভ্ৰমণ কৰোঁতে ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন লীলাৰ লগত সম্পৰ্কিত প্ৰায়বোৰ স্থান ভ্ৰমণ কৰি ভক্তিৰসেৰে আপ্লুত হৈ শঙ্কৰদেৱে নিজৰ চিন্তাধাৰা আৰু দৃষ্টিভংগীক বিস্তৃত আৰু গভীৰ কৰি তুলিলে। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ কৃষ্টি-সংস্কৃতিৰ মুকুতা বুটলি নিজ মাতৃভূমিত এক নতুন ধৰ্ম সংস্কৃতিৰ বীজ ৰোপণ কৰাৰ মানসেৰে বাৰ বছৰৰ মূৰত বিস্তৃত ভ্ৰমণসূচী সামৰি সঙ্গীসকলৰ সৈতে ১৪১৫ শকত নিজ গৃহলৈ ঘূৰি আহে।

তীৰ্থৰ পৰা উভতি আহি জ্ঞাতিসকলৰ অনুৰোধ এৰাব নোৱাৰি দ্বিতীয়বাৰ বিবাহ কৰে। কিন্তু তেওঁৰ আধ্যাত্মিক স্পৃহাৰ নিবৃত্তি নহ'ল। ভায়েক বনগএগিৰি, ৰামৰায় আৰু বাল্যকালৰ বন্ধু ৰামৰাম গুৰুৰ সহযোগত ভক্তিধৰ্ম আচৰণ, প্ৰৱতন আৰু প্ৰচাৰৰ পাতনি মেলে নামঘৰ মণিকূট স্থাপন কৰি। শঙ্কৰদেৱে তীৰ্থভ্ৰমণ কৰাৰ সময়ত সমগ্ৰ ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ ঢৌৱে ঢৌৱাই গৈছিল। তেওঁ ভক্তি আন্দোলনৰ মতবাদৰ সৰলতা আৰু কাৰ্যকাৰিতাত অতিকৈ মুগ্ধ হৈছিল। নিজৰ ৰাজ্যৰ মানুহখিনিৰ মাজত এই সহজ-সৰল ধৰ্মীয় মতবাদ প্ৰচাৰৰ বাবে শঙ্কৰদেৱৰ মনত হাবিয়াস জন্মে। সেই সময়ত অসম ৰাজ্যখনত বিভিন্ন ধৰ্মীয় মতবাদ প্ৰচলিত আছিল। ভগৱানক উপাসনা কৰাৰ কোনো নিৰ্দিষ্ট পদ্ধতি নাছিল। অসংখ্য দেৱ-দেৱীৰ পূজা, বৃক্ষ পূজা, শিল পূজা, সৰ্প পূজা আদি জনসাধাৰণৰ মাজত ব্যাপকভাৱে প্ৰচলিত আছিল। দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে মানুহে বিগ্ৰহৰ আগত পশু বলি দিছিল। আনকি নৰবলি পৰ্যন্ত চলিছিল। ধৰ্মীয় আচাৰ-বিধিবোৰ সাধাৰণতে সহজ নাছিল। শঙ্কৰদেৱৰ মনত একান্ত বিশ্বাস জন্মিছিল যে ভক্তিধৰ্মই ভিন ভিন ধৰ্মীয় বিশ্বাসৰ মানুহবোৰক একগোট কৰি ৰাখিব পাৰিব। সকলো লোককে এটি মাথোন ধৰ্মীয় বিশ্বাসৰ অধীনলৈ আনিবলৈ এই ভক্তিধৰ্মই হ'ব সৰ্বোত্তম পন্থা। এনে ব্যৱস্থাত উচ্চ-নীচ, ধনী দুখীয়াৰ প্ৰভেদ নাথাকিব। ধৰ্মীয় অনুষ্ঠানত কোনো জাকজমকতা আৰু ব্যয়বহুলতা নাথাকিব। তীৰ্থভ্ৰমণ কালত লাভ কৰা অভিজ্ঞতা আৰু ঈশ্বৰ ভক্তি পৰমজ্ঞানেৰে সমৃদ্ধ হৈ সৰ্বসাধাৰণ মানুহখিনিৰ মাজত নামধৰ্ম প্ৰচাৰ কৰি মানুহক মোক্ষ লাভৰ সহজ পথৰ সন্ধান দিয়ে। ভাগৱতৰ ভক্তি আৰু গীতাৰ একশৰণ একত্ৰ কৰি মানুহক মোক্ষ লাভৰ সহজ পথৰ সন্ধান দিলে। ভাগৱতৰ ভক্তি আৰু গীতাৰ একশৰণ একত্ৰ কৰি তেওঁ অসমত 'এক শৰণ ভাগৱতী বৈষ্ণৱ নামধৰ্ম'ৰ খুঁটি পুতিলে। বিশ্বব্ৰহ্মাণ্ডৰ সৰ্বময়কৰ্তা ভগৱান এজন আৰু তেৱেঁই হৈছে পৰম বিষ্ণু। এইজনাৰ নাম ল'লৈই জগতৰ সকলো দুখ-যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পাব পাৰি, সেয়ে আমি এইজনা সৰ্বশক্তিমান ভগৱানৰ চৰণত শৰণ ল'ব লাগে। শঙ্কৰদেৱে প্ৰচাৰ কৰা এই ধৰ্মৰ মূল আধাৰ হ'ল 'দ্বাদশ স্কন্ধ ভাগৱত' গ্ৰন্থ। এই ধৰ্মমতত ক্ৰিয়াকাণ্ডৰ ব্যায়বহুলতা, বলি বিধান, যাগ-যজ্ঞ, পূজা-পাতল আদি নাই। কেৱল একদেৱ, একসেৱ এক বিনে নাই কেৱ, অৰ্থাৎ কায়মনোবাক্যে হৰিৰ নাম শ্ৰৱণ কীৰ্তন কৰা। শঙ্কৰদেৱে সৃষ্টিকৰ্তা ভগৱান বিষ্ণুৰ মহান গুণৰাশি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ এক অভিনৱ নাট্যাভিনয়ৰ আয়োজন কৰিছিল। সেই নাট্যাভিনয়ক কোৱা হৈছিল চিহ্নযাত্ৰা। এনেদৰেই অসমত নাট্যকলাৰ জন্ম হয় শঙ্কৰদেৱৰ হাতত। গুৰুগৃহত থাকি অধ্যয়ন কৰোঁতে লাভ কৰা নাটকৰ জ্ঞান আৰু তীৰ্থভ্ৰমণ কালত লাভ কৰা অভিজ্ঞতাক ভেটি কৰি শঙ্কৰদেৱে 'চিহ্ন' নামৰ নাট এখনি লিখি তাক যাত্ৰা হিচাপে অভিনয় কৰে— সেয়ে চিহ্নযাত্ৰা। শঙ্কৰদেৱৰ নাট্য প্ৰতিভাৰ প্ৰথম স্বাক্ষৰ পোৱা যায় চিহ্নযাত্ৰাত। চিহ্নযাত্ৰাৰ ৰচনা কাল ১৪৬৮ খ্ৰীষ্টাব্দ বুলি জনা যায়।

খ্ৰীষ্টীয় যোড়শ শতাব্দীৰ দ্বিতীয় দশকমানত কছাৰীৰ উপদ্ৰৱত ব্ৰহ্মপুত্ৰ পাৰ হৈ ভূঞাসকলৰ সৈতে শঙ্কৰদেৱে আহোম ৰাজ্যৰ উত্তৰ পাৰে গাংমৌ আৰু পাছত ধুৱাঁহাট বেলাগুৰিত বসতি কৰিবলৈ লয়। ইয়াতে মাধৱদেৱৰ লগতে তেখেতৰ মিলন হয়, এই মিলনে অসমৰ ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত যুগান্তকাৰী অভ্যুত্থানৰ সূচনা কৰে। খ্ৰীষ্টীয় ১৫৪৫-৪৬ চনত কোচৰজা চিলাৰায় দেৱানৰ আহোম ৰাজ্য আক্ৰমণৰ সুৰুঙাতে শঙ্কৰদেৱ আৰু ভূঞাসকলে নামনিলৈ ভটিয়াই আহি বিভিন্ন ঠাইত সাময়িক স্থিতি লৈ অৱশেষত বৰপেটাৰ পাটবাউসীত নিগাজিকৈ বসতি কৰিবলৈ লয়। এই সময়তে নাৰায়ণ ঠাকুৰকে আদি কৰি বহুতো লোক শঙ্কৰদেৱৰ অনুগামী হয়। নাৰায়ণ ঠাকুৰৰ দৰে প্ৰতিপত্তিশীল, কাৰ্যদক্ষ শিষ্য আৰু মাধৱদেৱৰ দৰে সৰ্বগুণী, গুৰুসৰ্বস্ব ভক্তিসঙ্গীৰ কৰ্মদক্ষতাৰ ফলত কামৰূপত শঙ্কৰী ধৰ্মই দিনে দিনে জনপ্ৰিয়তা আৰু বিস্তৃতি লাভ কৰিবলৈ ধৰে। ইয়াৰ পৰাই তেখেতে সশিষ্যে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যায়। ইয়াতো খল সূচলবিলাকে তেখেতৰ বিৰুদ্ধে কোচৰজা নৰনাৰায়ণক খল লগায় আৰু ফলত তেখেতক ধৰ্মবিৰোধী ধৰ্ম নষ্টকাৰী বুলি ধৰি নিবলৈ হুকুম হয়, কিন্তু শুক্লধ্বজ বা চিলাৰায় দেৱানৰ আশ্ৰয়ত তেখেতে নিৰূপদ্ৰৱে নৰনাৰায়ণৰ ৰাজ্যসভাত উপস্থিত হৈ পাণ্ডিত্য আৰু ভক্তিধৰ্মৰ শ্ৰেষ্ঠতাৰ চিনাকি দি নিজক জয়যুক্ত কৰে। নৰনাৰায়ণৰ উৎসাহ আৰু অনুপ্ৰেৰণা পাই সাহিত্য চৰ্চা আৰু ভক্তিধৰ্ম প্ৰকাশত আত্মনিয়োগ কৰে।

শঙ্কৰদেৱৰ ৰচনাৰাজিক এনেদৰে ভাগ কৰিব পাৰি—

**কাব্য ঃ** হৰিচন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ কাব্য, বলিছলন, অমৃত মথন, কুৰুক্ষেত্ৰ আৰু অজামিল উপাখ্যান।

**নাটক ঃ** পত্নীপ্ৰসাদ, কালিয়দমন, কেলি গোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু ৰামবিজয় বা সীতা সয়ম্বৰ।

**অনুবাদ ঃ** ভাগৱত পুৰাণৰ ১ম ২য়, ৬ষ্ঠ (অজামিল উপাখ্যান), ৮ম (বলিছলন অমৃত মথন) ১০ম, ১১শ, ১২শ স্কন্ধৰ ভাঙনি। উত্তৰা কাণ্ড ৰামায়ণ।

**ভক্তিত্বমূলক ৰচনা ঃ** ভক্তি প্ৰদীপ, নিমি নৱসিদ্ধ সংবাদ, অনাদি পাতন।

**গীত ঃ** বৰগীত, ভটিমা, টোটয়, চপয়

**নামপ্ৰসঙ্গ বিষয়ক ঃ** কীৰ্ত্তন আৰু গুণমালা

**প্ৰকৰণ গ্ৰন্থ ঃ** ভক্তি ৰত্নাকৰ

মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনী আৰু কৃতি অসমীয়া সমাজ আৰু সংস্কৃতিৰ লগত অঙ্গাঙ্গীভাৱে জড়িত হৈ আছে।

প্ৰায় ছকুৰি বছৰ বয়সত মাধৱদেৱৰ ওপৰত ধৰ্মৰ ভাৰ অৰ্পণ কৰি কোচবেহাৰত শঙ্কৰদেৱে দেহত্যাগ কৰে। ■



# অসমৰ চাহ-জনজাতিৰ আৰ্থ-সামাজিক অৱস্থা


**সুৰেশ লাক্ৰা**

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক (বাণিজ্য)


এই সোণালী অসমভূমিত বৃহৎ চাহখেতিৰ পৰিকল্পনাৰে ইংৰাজ চৰকাৰে ১৮৩৭ চনত চাহ বাগিচা স্থাপন কৰিছিল। ১৮৫১ চনৰ পৰা অসমত চাহ উৎপাদন আৰম্ভ হয়। এই চাহবাগিচাসমূহৰ সম্প্ৰসাৰণৰ লগে লগে এক বৃহৎ সংখ্যক কৰ্মচাৰীৰ প্ৰয়োজন হয়। এই কৰ্মচাৰীৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ইংৰাজে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য (ঝাৰখণ্ড, ওড়িশা, পশ্চিমবঙ্গ, অন্ধ্ৰপ্ৰদেশ, বিহাৰ আদি)ৰ পৰা সুদক্ষ, কৰ্মনিষ্ঠ কৰ্মচাৰীসকলক বিভিন্ন প্ৰলোভন, ছল-চাতুৰী আৰু বলপূৰ্বকভাৱে অসমলৈ আনিছিল। ইংৰাজে এই শ্ৰমিকসকলক কঠোৰ পৰিশ্ৰমৰ বিনিময়ত এক সামান্য মজুৰিহে প্ৰদান কৰিছিল। আৰু যিসকল শ্ৰমিকে ইংৰাজৰ বৰ্বৰতা সহ্য কৰিব নোৱাৰি পলাই যাব বিচাৰিছিল সিহঁতক নিষ্ঠুৰভাৱে অত্যাচাৰ কৰা হৈছিল, যাতে কোনো কৰ্মচাৰীয়ে অসমৰ পৰা পলাই যাবলৈ সাহস নকৰে। ভিন ভিন বাগিচাত নিয়োজিত কৰ্মচাৰীসকলক ইংৰাজে ভিন ভিন হিচাপে চিনাক্তকৰণৰ বাবে তেওঁলোকৰ গাত অংগক্ষত কৰি চিহ্ন আঁকিছিল। যাক একবিংশ শতিকাৰ যুৱক-যুৱতীসকলে টাটু হিচাপে তেওঁলোকৰ গাত আঁকি ফুৰে। সি যি কি নহওক কিয় এয়া পৰাধীন ভাৰতৰ কথা। ১৯৪৭ চনত ভাৰতবৰ্ষ ইংৰাজৰ শাসনৰ পৰা স্বাধীনতা লাভ কৰে হয়, কিন্তু চাহ শ্ৰমিকসকলে স্বাধীনতা পালেনে? আজিও হাত বন্ধা শ্ৰমিকসকলে শিকলি ছিঙিব পৰা নাই। এই শ্ৰমিকসকলৰ উত্তৰপ্ৰজন্মও যে শ শ বছৰ শোষিত হৈ থাকিব সেয়াও নিশ্চিত। কাৰণ শ্ৰমিকসকলৰ উত্তৰপ্ৰজন্মৰ শৈক্ষিক বিকাশৰ বাবে বৰ্তমানলৈকে কোনোধৰণৰ উপযুক্ত পদক্ষেপ লোৱা হোৱা নাই।

মানুহ হৈছে এক সামাজিক জীৱ, যিয়ে বিভিন্ন ৰীতি-নীতি আৰু সংস্কৃতিৰ মাজেৰে বসবাস কৰে। ভিন ভিন ৰাজ্যৰ পৰা অহা শ্ৰমিকসকলৰ ৰীতি-নীতি আৰু সংস্কৃতিসমূহ ভিন ভিন। কিন্তু এই শ্ৰমিকসকল অসমত এক উমৈহতীয়া ৰীতি-নীতি আৰু সংস্কৃতি লৈ বসবাস কৰি আছে, যাক অসমত চাহ জনজাতি বুলি কোৱা হয়। সাধাৰণতে অসমৰ চাহ জনজাতিসকলে কৰম পূজা, দুৰ্গা পূজা, কালী পূজা, টুচু পূজা আদি উদ্‌যাপন কৰে। ইয়াৰে এটা অন্যতম উৎসৱ হৈছে কৰম পূজা। কৰম পূজাৰ অন্তৰ্নিহিত অৰ্থ হৈছে 'কৰ্মই আমাৰ ধৰ্ম'। অৰ্থাৎ কৰ্ম কৰিলে যে ধৰ্ম সাধন হয়, সেই বাণীক আগত লৈ চাহ শ্ৰমিকসকলে কৰম পূজা উদ্‌যাপন কৰে। চাহ জনজাতিসকলৰ আন এক অন্যতম উৎসৱ হৈছে টুচু পূজা। টুচু হৈছে এগৰাকী মনৰ কামনা পূৰণ কৰা শক্তিশালী দেৱী। প্ৰত্যেকৰ মনৰ কামনা যাতে বাস্তৱত পূৰ্ণ হয় তাৰ বাবে পূজা কৰা হয়। কৰম পূজা আৰু টুচু পূজাত ঝুমুৰ নৃত্য-গীতৰ আয়োজন কৰা হয়। নৃত্যৰ মাজতে মদ লোৱাটো তেওঁলোকৰ এটা পৰম্পৰা। শ্ৰমিকসকলে এই দুয়োবিধ উৎসৱ উপলক্ষে ফল-মূল, পিঠা, দৈ চিৰা আদিৰ ব্যৱস্থা কৰাৰ লগতে কাঁড় খেল, ম'হ যুঁজ, কুকুৰা যুঁজ আদিৰ আয়োজন কৰে।

এসময়ত ইংৰাজ ভাৰতবৰ্ষত ৰাজত্ব কৰিছিল কিন্তু সেয়াও এতিয়া গুচি গ'ল। পৰাধীন ভাৰতৰ পৰা এতিয়া স্বাধীন ভাৰত হ'ল, ভাৰতবৰ্ষত এখন চৰকাৰৰ পৰা আন এখন চৰকাৰ হ'ল, সময় পৰিৱৰ্তন হ'ল। কিন্তু চাহ শ্ৰমিকসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ পৰিৱৰ্তন আজিও নহ'ল। ইংৰাজৰ সময়ৰ শোষণ, পীড়ন, অৱহেলা আজিও বৰ্তি আছে। হাজাৰ হাজাৰ চাহ শ্ৰমিকৰ আজিও এটা নিজস্ব ঘৰ নাই। বিভিন্ন সময়ত চৰকাৰে চাহ শ্ৰমিকসকলৰ সমস্যা সমাধানৰ বাবে বিভিন্ন প্ৰতিশ্ৰুতি দি আহিছে, কিন্তু প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়ে আছে। আজিও চাহ শ্ৰমিকসকল ব্যৱহৃত হৈ আছে ভোট বেংকৰ স্বাৰ্থত। ভাৰতবৰ্ষত যিমানবোৰ উদ্যোগ আছে, সেইসমূহৰ ভিতৰত অসমৰ চাহ উদ্যোগত মজুৰি আটাইতকৈ কম বুলি মই জানো। যেতিয়া কঠোৰ পৰিশ্ৰম কৰিও পৰিয়াল এটাৰ দুবেলা দুমুঠি খাবলৈ নাথাকে তেতিয়া শিক্ষা আকৌ ক'ৰ পৰা থাকিব? বাগিচাসমূহত বিদ্যালয় গঢ় লৈ উঠিছে ঠিকেই, কিন্তু স্কুললৈ গৈ উচ্চশিক্ষিত হৈছে কিমান? চাহ খেতিয়ে অসম তথা ভাৰতবৰ্ষক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিছে। যাৰ বাবে অসম তথা ভাৰতবৰ্ষৰ জনসাধাৰণে ইয়াক লৈ গৌৰৱ কৰে। কিন্তু যিয়ে এই গৌৰৱ ৰক্ষা কৰিছে তাৰ কথা কোনোবাই ভাবিছেনে? ২০১৪ চনৰ ডিচেম্বৰ মাহত কোকৰাঝাৰ, চিৰাং, শোণিতপুৰ আদি জিলাত উগ্ৰপন্থী এন.ডি.এফ.বি.(স)ৰ গুলীত এক ৰাতিতেই বহু শ্ৰমিকে প্ৰাণ হেৰুৱাইছিল। ইয়াৰে পৰা অনুমান কৰিব পাৰি যে চাহ শ্ৰমিকসকল বাস্তৱত কিমান সুৰক্ষিত।

এই পৃথিৱীত প্ৰত্যেকজন ব্যক্তিৰ মানুহ হিচাপে জীয়াই থকাৰ সম অধিকাৰ আছে। কিন্তু এই শ্ৰমিকসকলে মানুহ হিচাপে জীয়াই থকাৰ সম অধিকাৰ পাবনে? বৰ্তমানৰ পৰিৱৰ্তনকামী চৰকাৰখনে তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থাৰ পৰিৱৰ্তন সাধন কৰিবনে? জাতি-মাটি আৰু ভেটি ৰক্ষা কৰা চৰকাৰখনে তেওঁলোকৰ অস্তিত্ব আৰু স্বাভিমান ৰক্ষা কৰিবনে? আৰু বৰাক ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ উন্নয়নৰ গান গোৱা চৰকাৰখনে তেওঁলোকৰ উত্তৰ প্ৰজন্মৰ শৈক্ষিক বিকাশৰ বাবে কিবা পদক্ষেপ ল'বনে? ■

## ৰাজ্য ভাষাৰ স্বীকৃতিৰ দাবীত ভাষা আন্দোলন


**ত্ৰিদিপ বৰা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
(বাণিজ্য)


১৯৬০ চনৰ জুন মাহ। অসমীয়া ভাষাক সমগ্ৰ অসমত প্ৰশাসনীয় কাম-কাজৰ বাবে একক ৰাজ্যভাষা হিচাপে ঘোষণা কৰাৰ দাবীত অসমত এক আন্দোলনৰ সূচনা হৈছিল। অসম সাহিত্য সভায়ো ১৯৫৯ চনৰ সপ্তবিংশ অধিবেশনত এনে দাবীত এটা প্ৰস্তাৱ লৈছিল।

১৯৩১ চনৰ অসমৰ লোকপিয়লত ৩২.৩২ শতাংশ অসমীয়াভাষীৰ তুলনাত ১৯৫১ চনৰ পিয়লত প্ৰায় ৫৬.২৯ শতাংশ লোকে নিজকে অসমীয়াভাষী হিচাপে নথিভুক্ত কৰে। ফলত অসমত অসমীয়া ভাষাকে ৰাজ্যভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ বাট মুকলি হয়। পিছে কংগ্ৰেছ চৰকাৰে এনে ঘোষণাক লৈ হেঁাহকা-পিছলা কৰি থকাত আৰু এইক্ষেত্ৰত সংখ্যালঘুসকলৰ মতকো গুৰুত্ব সহকাৰে ল'বলৈ সিদ্ধান্ত কৰাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া ভাষী অঞ্চলসমূহত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হয় আৰু অসমীয়াক ৰাজ্যভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ দাবীত আন্দোলন আৰম্ভ হয়। ইফালে বাংলাভাষী বসতিপ্ৰধান বৰাক উপত্যকাত এই আন্দোলনৰ বিৰুদ্ধে তৎপৰতা আৰম্ভ হয়। দুয়োভাষী লোকৰ মাজত ঠায়ে ঠায়ে সংঘৰ্ষই দেখা দিয়ে। ১৯৬০ চনৰ ২৩ জুনত অসমৰ মুখ্যমন্ত্ৰীয়ে বিধানসভাৰ আগন্তুক অধিৱেশনত অসমীয়া ভাষাৰ ৰাজ্যিক ভাষাৰূপে স্বীকৃতি দিয়া হ'ব বুলি ঘোষণা কৰে। ইফালে ভাষা আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰাত সেই বছৰৰে ৩০ জুনত গুৱাহাটীত সান্ধ্য আইন জাৰি কৰিবলগীয়া হয়। ইয়াৰ চাৰি দিনৰ পাছতে ৪ জুলাইত আন্দোলনকাৰী যুৱ ছাত্ৰৰ ওপৰত হোৱা পুলিচৰ গুলীচালনাত গুৱাহাটীৰ কটন কলেজৰ ২নং ছাত্ৰাবাসৰ বাৰাণ্ডাত কটন কলেজত দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ ৰঞ্জিত বৰপূজাৰী নিহত হয় আৰু কেইবাজনো ছাত্ৰ আহত হয়। এই ঘটনাই সমগ্ৰ অসমৰ ৰাইজক, বিশেষকৈ ছাত্ৰসকলক উত্তেজিত কৰি তোলে। এনে উত্তেজনাৰ মাজতে ৬ জুলাইৰ দিনা শিলগুৰি ৰে'ল ষ্টেচনত বাংলাভাষীচ এদল উন্মত্তলোকে অসমীয়া ৰে'ল কৰ্মচাৰী, সাহিত্যিক, সাংবাদিক সূৰ্য বৰাক হত্যা কৰে। অৱশেষত ১৯৬২ চনৰ ১০ অক্টোবৰত অসমত বিধানসভাত চৰকাৰী ভাষা আইন (Official Language Act XXIII, 1960) উত্থাপিত আৰু গৃহীত হয়। এই আইন অনুসৰি অসম উপত্যকাৰ চৰকাৰী ভাষা অসমীয়া, কাছাৰত বাংলা আৰু পৰ্বতীয়া অঞ্চলৰ ভাষা জিলা পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত কৰা হয়। ■

# অসমৰ সমাজ ব্যৱস্থা আৰু অসম

**ৰাহুল গোস্বামী**

স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান)

**পাতনি ঃ** প্ৰকৃতিৰ নুমলী জীয়াৰী অসমী আইক স্ৰষ্টাই সৃষ্টি কৌশলৰ সকলো মহিমাৰে মনোহৰা, মনোৰমাকৈ সৃষ্টি কৰিয়েই এৰা নাই, অসমীক প্ৰকৃতিৰ বুকুৰ সকলো সম্ভাৰেৰে ঐশ্বৰ্যশালী কৰিও সৃষ্টি কৰিছে। অসমৰ ভৌগোলিক ভূখণ্ডলৈ প্ৰাক্ ঐতিহাসিক সময়ৰে পৰা অসংখ্য নৃগোষ্ঠীয় লোকৰ লোকসংস্কৃতিৰ উমৈহতীয়া সমলেই হ'ল অসমীয়া সংস্কৃতি। এই লোকখিনিৰ সমসাময়িক বা পাছলৈ অহা মংগোলীয়, আৰ্য, অষ্ট্ৰিক আদিসকল আহি আজি অসমৰ সাংস্কৃতিক বৰভেটি গঢ়ি তুলিছে। এই সমূহৰ ভিতৰত অসমবাসী শাখাৰ উপশাখা বড়োৰ প্ৰশাখা হ'ল কছাৰী, ডিমাচা, দেউৰী, তিৱা, ৰাভা, গাৰো, ত্ৰিপুৰী আদিসকল। অসমৰ কোঁচ ৰাজবংশী, দেউৰী, সোণোৱাল, কছাৰীসকল মূলতঃ মংগোলীয় মূলৰ হ'লেও আৰ্যীকৰণ আৰু সাংস্কৃতিক সমন্বয়ৰ ফলত বৰ্ণহিন্দুসকলৰ সৈতে একাকাৰ হৈ জনজাতীয় বৈশিষ্ট্য তাহানিতে হেৰুৱাই পেলালে। এতিয়া দেখি অহা বৈশিষ্ট্যসমূহ বহুকেইটা শতিকাজুৰি ঘটি থকা ৰূপান্তৰৰ ফল বুলিব পাৰি। কিন্তু মূলসুঁতিত মিলি যোৱাৰ পাছতো এই জনগোষ্ঠীকেইটাই নিজৰ স্বকীয় বৈশিষ্ট্য, ঐতিহ্য আৰু পৰম্পৰা সুন্দৰভাৱে ধৰি ৰাখিছে।

**বুৰঞ্জীৰ আওঁতাত ঃ** অসম বুৰঞ্জী হৈছে পূব-পশ্চিম আৰু উত্তৰৰ পৰা অহা মানুহৰ সংমিশ্ৰণৰ বুৰঞ্জী আৰু লগতে ভাৰতীয় আৰ্য, অষ্ট্ৰ-এচিয়াটিক আৰু তিব্বতীয় বাৰ্মীয় সংস্কৃতিৰ মিলনৰ বুৰঞ্জী। ৰাজনৈতিকভাৱে অসমক কেইবাবাৰো আক্ৰমণ কৰা হৈছিল, কিন্তু ১৮২১ চনত মান আৰু ১৮২৬ চনত ব্ৰিটিছৰ আগমন পৰ্যন্ত ই কোনো বহিৰাগত শক্তিৰ বহতীয়া বা উপনিৱেশ হিচাপে থাকিবলগীয়া হোৱা নাছিল।

লোকগাথা, মহাভাৰতৰ দৰে মহাকাব্য, মধ্যযুগত ৰচিত কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰৰ পৰা অসমৰ ঐতিহাসিক যুগৰ কথা জানিব পাৰি। বিভিন্ন শিলালিপি আৰু তাম্ৰফলিৰ পৰা প্ৰাচীন অসমৰ কথা গম পোৱা যায়। আহোম সাম্ৰাজ্যত আহোম আৰু অসমীয়া ভাষাত 'বুৰঞ্জী' নামেৰে ৰাজনৈতিক ঘটনাৱলী লিপিবদ্ধ কৰা হৈছিল। সম্ভৱ প্ৰথম বুৰঞ্জী ১২২৮ খৃঃত প্ৰথম আহোম ৰজা স্বৰ্গদেউ চুকাফাই আহোম ৰাজত্ব আৰম্ভ কৰাৰ সময়তে তেওঁৰ নিৰ্দেশত প্ৰণয়ন কৰা হৈছিল। সেই সময়তে 'লেখক বৰুৱা' নামৰ এটা পদৰ তত্ত্বাৱধায়ত এচাম পণ্ডিতৰ সহায়ত সেইসময়ৰ ঘটনাসমূহ, যুদ্ধৰ বৰ্ণনা, অন্য ৰজাৰ লগত যোগাযোগ আইনী ব্যৱস্থা আদি লিখি ৰখা হৈছিল। ইয়াৰ উপৰিও ৰজাৰ দিনৰ ভাষা, সংস্কৃতি, সমাজ ব্যৱস্থা আৰু ৰজাৰ দিনত কৰা যিকোনো কাম লিখি ৰখা হৈছিল।

**অসমৰ সমাজ ব্যৱস্থাক প্ৰভাৱিত কৰা কাৰকসমূহ ঃ** অসমৰ সমাজ ব্যৱস্থাক প্ৰভাৱিত কৰা যথেষ্ট সংখ্যক কাৰক আছে যিয়ে অসমীয়া শিল্প, সংস্কৃতি, ঐতিহ্য, সমাজ ব্যৱস্থাৰ এক স্বাক্ষৰ বহন কৰে। তেনে কিছুমান কাৰক হ'ল অসমৰ লোক সংস্কৃতি, থলুৱা খাদ্যসম্ভাৰ, অসমৰ প্ৰাকৃতিক তথা বনজ সম্পদ, বিভিন্ন উৎসৱ-পাৰ্বণ, অসমৰ কুটীৰ শিল্প তথা উদ্যোগসমূহ ইত্যাদি।

অসমীয়া জাতিৰ সংস্কৃতি আৰু সভ্যতাৰ বৰ মজিয়াখন এদনীয়াভাৱে দখল কৰি আছে বিহুৱে। সেই বাবেই ই অসমীয়া জাতীয় উৎসৱ আৰু ইয়াৰ মাজতেই অসমীয়া জাতি তথা অসমৰ সমাজ ব্যৱস্থা বিজৰিত হৈ আছে।

ইয়াৰ উপৰিও ব্ৰহ্মাৰ নন্দন ব্ৰহ্মপুত্ৰ অসমৰ ঐতিহ্যৰ গৌৰৱৰ গৰিমাৰ প্ৰতিভূ হৈ অসমীয়া সমাজ ব্যৱস্থাক প্ৰতিফলিত কৰিছে।

ইয়াৰ উপৰিও বৰ্তমান সময়ত দেখা গৈছে যে যুৱ-প্ৰজন্মৰ অত্যধিক আবেগৰ ফলত বহুবোৰ সমাজ ব্যৱস্থাৰ অন্তৰ্গত লোক-সংস্কৃতি, উৎসৱ-পাৰ্বণ আদিত ধনাত্মক দিশৰ প্ৰভাৱো দেখা যায়। কোনো এটা কাতি বিহুত এক সাংস্কৃতিক গোষ্ঠীয়ে উদ্‌যাপন কৰা 'বিহু কুঁৱৰী প্ৰতিযোগিতা' তাৰেই এক বিয়োগাত্মক প্ৰভাৱ।

**প্ৰতিকাৰ আৰু সামৰণি ঃ** এনে ঋণাত্মকতাৰ প্ৰতিকাৰ কৰিবৰ বাবে বৰ্তমান যুৱ-প্ৰজন্মৰ মাজত অসমৰ সমাজ ব্যৱস্থা তথা আমাৰ সংস্কৃতিৰ প্ৰকৃত মৰ্যাদা সম্পৰ্কে বুজালে তেনে ঋণাত্মকতাৰ পয়োভৰৰ পৰা অসমৰ সমাজ ব্যৱস্থা মুক্ত হয়।

সেইবাবে আমাৰ জীৱনৰ বাটত সেই মহান আদৰ্শৰ ব্যক্তিসকল অসমৰ সমাজ সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবৰ বাবে যি আদৰ্শৰে বাট বুলিছিল সেই মহান আদৰ্শৰ চিৰ উজ্জ্বল জ্যোতিৰে আলোকিত হৈ আমাৰ ঐতিহ্য বিশ্বৰ বুকুত স্বীকৃতি কৰাৰ মানসেৰে আমি যদি বাট বোলো তেতিয়া অসমৰ সমাজ ব্যৱস্থা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পৰা যাব। ■

# পৰিৱৰ্তনমুখী অসম ঃ অতীত আৰু বৰ্তমান

**আফ্ৰাজ আহমেদ**

স্নাতক চতুৰ্থ যাণ্মাসিক (কলা)

সংস্কৃতি কোনো এটা নিৰ্দিষ্ট জাতি বা জনগোষ্ঠীৰ একচেটিয়া সম্পত্তি নহয়। ই মানৱসৃষ্ট আৰু মানুহৰ মাজত পৰিৱৰ্তিত তথা পৰিবৰ্দ্ধিত ৰূপত জীয়াই থাকে। পৃথিৱীৰ প্ৰত্যেকটো জাতি বা জনগোষ্ঠীৰ নিজ নিজ সংস্কৃতি আছে। বিভিন্ন জাতি, জনগোষ্ঠীৰ সংস্কৃতিৰ সমলৰ সমাহৰণত অসমীয়া সংস্কৃতি গঠিত হৈছে। সেয়ে ক'ব পাৰি যে বিশাল ভাৰতীয় সংস্কৃতিৰ দৰে অসমীয়া সংস্কৃতিও এক সমন্বয় বা মিলনৰ বস্তু।

অসমীয়া সংস্কৃতি বুলিলে অসমীয়া জীৱননিৰ্বাহ প্ৰণালীৰ সমগ্ৰতাক সাঙুৰি লয়। সামাজিক জীৱ হিচাপে মানুহে কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম উৎসৱ-অনুষ্ঠান আদিৰ মাজেৰে জীৱননিৰ্বাহ কৰে আৰু এই জীৱননিৰ্বাহ প্ৰণালীৰ সামগ্ৰিক যৌগিক ৰূপটোৱেই হ'ল সংস্কৃতি। থুলমুলকৈ জনসাধাৰণৰ জীৱন পদ্ধতিয়ে হ'ল সংস্কৃতি। মানৱ জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈকে আওঁ নিছিগাকৈ বৈ আহিছে সংস্কৃতিৰ বোৱঁতী সুঁতি। অসমীয়া সংস্কৃতিও কোনো এটা নিৰ্দিষ্ট সময়ত গঢ় লোৱা সংস্কৃতি নহয়। ইয়াৰ ইতিহাস অতি প্ৰাচীন। শতাব্দীৰ পিছত শতাব্দী কৰি ক্ৰমবিকাশৰ পথত আগবাঢ়ি আহিছে অসমীয়া সংস্কৃতি। অৱশ্যে, কালক্ৰমত অসমীয়া সংস্কৃতিৰ ক্ৰমশঃ পৰিৱৰ্তন পৰিলক্ষিত হয়। আদিম অৱস্থাত অসমৰ বুকুত আৰ্য-অনাৰ্য, মঙ্গোলীয় তথা নানান জাতি-উপজাতি বসবাস কৰি তেওঁলোকৰ স্বকীয় সংস্কৃতিৰ উপাদান সমূহ আগবঢ়াই অসমীয়া সংস্কৃতি পৰিপুষ্ট সাধন কৰিছিল। পৰৱৰ্তী যুগত আহোম মোগলৰ বিভিন্ন সংস্কৃতিৰ উপাদানৰ সমাহৰণেৰে অসমীয়া সংস্কৃতিৰ বৰঘৰ ৰন্ধাত সহায়তা কৰিছে। আহোমৰ ৰাজত্বকালৰ সময়ছোৱাত অসমীয়া সংস্কৃতিৰ সৰ্বদিশত এটা সুশৃংখল ৰূপ ধাৰণ কৰে। এই সময়ছোৱা অসমীয়া সংস্কৃতিৰ ভেটি প্ৰতিষ্ঠাৰ যুগ বুলি কোৱা হয়। ইয়াৰ পিছত অসমলৈ বৃটিছৰ আগমন ঘটে। বৃটিছ অহাৰ লগে লগে অসমৰ ৰাজনৈতিক, সামাজিক অৰ্থনৈতিক আদি বিষয়ত পৰিৱৰ্তন হোৱাৰ লগতে আৱহমান কালৰ পৰা চলি অহা অসমীয়া সংস্কৃতিৰ প্ৰবাহলৈ বহুমুখী পৰিৱৰ্তন আহিবলৈ ধৰে। পূৰ্বৰ সামাজিক ব্যৱস্থা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ পৰ্ব খোৱা লোৱা, পিন্ধা উৰা ইত্যাদি সৰ্ব দিশত নতুনত্ব পৰিলক্ষিত হয়। পুৰণিকলীয়া সংস্কৃতিৰ ওপৰত আধুনিক বহু কথাৰ প্ৰলেপ পৰে আৰু ক্ৰমশঃ পুৰণিকলীয়া সংস্কৃতিৰ লুপ্তপ্ৰায় অৱস্থা হয়। এইদৰেই সংযোগ, বিয়োগৰ মাজেদি গঢ় ল'বলৈ ধৰে। আধুনিক অসমীয়া সংস্কৃতি খৰতকীয়া গতিত ক্ৰমাৎ আধুনিকতাৰ ফালে আগবঢ়াই নিয়াৰ মূলতে হ'ল পুঁজিবাদী সমাজ ব্যৱস্থা। মানুহৰ সাংস্কৃতিক সৃষ্টি সমূহৰ উৎপাদন প্ৰক্ৰিয়াৰ ওপৰতো এই পুঁজিবাদী ব্যৱস্থাই প্ৰত্যক্ষ প্ৰভাৱ বিস্তাৰ কৰে। এই সময়ছোৱাত মানুহে সংস্কৃতিৰ সমলবোৰ জীৱনৰ প্ৰয়োজনীয়তাৰ মাপকাঠিৰে জুখিবলৈ লয়। শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তনে দেখা দিয়ে। জনমানসে পূৰ্বৰ শিক্ষাৰ অন্তৰ্গত আধ্যাত্মিক বিষয়বোৰ গ্ৰহণ কৰিবলৈ টান পোৱা হয়, লগতে গুৰুকুল প্ৰথা উঠি যায় আৰু টোলসমূহৰ সমাদৰ ক্ৰমাৎ লাঘৱ হ'বলৈ ধৰে। ঐহিক সুখদায়ক লৌকিক বিষয়ৰ ওপৰত শিক্ষাৰ গুৰুত্ব আহিল। মানুহৰ মন ক্ৰমাৎ নগৰকেন্দ্ৰিক হোৱাৰ ফলত পূৰ্বৰ গ্ৰাম্যসংস্কৃতিৰ গৰাখহনীয়া ৰূপৰ সৃষ্টি হ'বলৈ ধৰে। উদ্যোগমুখিতাই আনি দিয়ে পুৰণিকলীয়া কৰ্মসংস্কৃতিৰ প্ৰতি অৱহেলা ফলত বিভিন্ন কুটীৰ শিল্পৰ চৰ্চাৰ লাহে লাহে অৱক্ষয় ঘটিবলৈ ধৰে। সাজ-পোছাক, আ-অলংকাৰ, ঘৰ-দুৱাৰ নিৰ্মাণ, খাদ্য প্ৰণালী ইত্যাদিতো আধুনিকতা স্পৰ্শ কৰে। মুঠৰ ওপৰত ইংৰাজী আগমনৰ লগে লগে অসমীয়া পুৰণিকলীয়া সংস্কৃতি ক্ৰমাৎ আধুনিকমুখী হ'বলৈ ধৰে।

আধুনিকতাৰ প্ৰেক্ষাপটত অসমীয়া সংস্কৃতিত অন্তৰ্ভুক্ত হোৱা এটা প্ৰধান বিষয় গীত নৃত্যৰ ক্ষেত্ৰতো এক বিৰাট পৰিৱৰ্তন আহি পৰিছে। পূৰ্বতে জ্যোতিপ্ৰসাদ, ভূপেন হাজৰিকা আদি একশ্ৰেণী গীতিকাৰ, সুৰকাৰসকলৰ গীতৰ সুৰে হৃদয়ত যি মূৰ্চ্ছনা তুলিছিল বৰ্তমান এনে অভিজ্ঞ শিল্পী তাকৰীয়া হৈ পৰিছে। জনগণৰ শিল্পী হিচাপে পৰিচিত তেওঁলোকৰ গীতৰ কথাত বিচাৰি পোৱা গৈছিল জনসাধাৰণ আৰু সমাজমুখিতা। কিন্তু বৰ্তমান সংগীত হৈ পৰিছে অধিক শ্ৰোতাক মনোৰঞ্জন দিব পৰা এটা বহল ভাষাৰ বজাৰ যোগান ধৰিব পৰা ব্যৱসায়িক শিল্প। বৰ্তমান শিল্পীসকলৰ গীতৰ সুৰতকৈ আধুনিক ন ন বাদ্যযন্ত্ৰৰ ঝংকাৰৰ ধ্বনিহে প্ৰতিফলিত হোৱা দেখা যায়। নৃত্যৰ ক্ষেত্ৰতো দেখা যায় অসমীয়া নাচৰ ভংগিমাৰ পয়োভৰ। আধুনিকতাৰ স্পৰ্শত অসমীয়া সংস্কৃতিলৈ শংকৰদেৱ-মাধৱদেৱৰ অৱদান বৰগীত সমূহৰ গীতৰ সুৰো পাশ্চাত্যৰ ফালে ঢাল খোৱা দেখা যায়, ইয়াৰ গীতৰ সুৰত কোনো ভক্তিভাৱ সোমাই থকা নাই। তাৎপৰ্যপূৰ্ণ কথা হ'ল অসমত বসবাস কৰা জনজাতীয় শিল্পীসকলেও তেওঁলোকৰ নিজ নিজ ভাষাত ৰচিত সংগীত চৰ্চা কৰি অসমীয়া সংস্কৃতিৰ বৃদ্ধি কৰিছো।

এনেদৰে অসমীয়া সংস্কৃতি পৰিৱৰ্তনৰ আৰু পৰিবৰ্দ্ধনৰ ৰূপত জীয়াই আছে। আধুনিকতাৰ স্পৰ্শই অসমীয়া সংস্কৃতি নেতিবাচক আৰু ইতিবাচক দুয়োটা ৰূপেই গ্ৰহণ কৰিছে। যুগৰ লগে লগে মানৱসভ্যতা উন্নতিৰ দিশত আগুৱাবলৈ কেৱল পৰম্পৰাক যে খামুচি ধৰি থাকিব লাগিব এইটো সঁচা নহয় পৰিবৰ্তনৰ প্ৰয়োজন আছে। কিন্তু, পৰিবৰ্তন কেতিয়াও নিজৰ অস্তিত্ব ধ্বংসমুখী হ'ব নালাগে। আধুনিকতাই অসমীয়া সংস্কৃতি বিচাৰি বিচাৰি হাবাথুৰি খাব লাগিব সেয়া ধুৰূপ। সেয়ে আজিৰ অসমবাসীয়ে নিজৰ স্বকীয় মৌলিক উপাদানসমূহ সংৰক্ষিত কৰি নিজৰ জাতীয় অস্তিত্ব ৰক্ষা কৰাৰ সময় সমাগত। পৰম্পৰাৰ সৈতে আধুনিক এই দুয়োটাৰ সু-সমন্বয় কৰিব পাৰিলে অসমীয়া সংস্কৃতিৰ ইতিহাস সমৃদ্ধ হ'ব। ■



# কাগজ


**বেবী দাস**

স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)


প্ৰাচীনকালত মানুহে কোনো কথা লিপিবদ্ধ কৰিবলগা হ'লে শিল, গছৰ ছাল, পাত আদি ব্যৱহাৰ কৰিছিল। কাগজ প্ৰস্তুত কৰিবলৈ লোৱাৰে পৰা সাঁচিপাত, তালপাতৰ ব্যৱহাৰ নোহোৱা হ'ল।

কাগজক ইংৰাজীত কোৱা হয় পেপাৰ (Paper)। এই শব্দটো আহিছে লেটিন ভাষাৰ পেপাইৰাছ (Papyrus) শব্দৰ পৰা। এতিয়াৰ পৰা প্ৰায় ৬০০০ বছৰৰ আগতে মিছৰীয়সকলে এবিধ গজি উঠা নল-খাগৰিজাতীয় উদ্ভিদৰ পৰা এই 'কাগজ' প্ৰস্তুত কৰিছিল। তেওঁলোকে পেপাইৰাছ নামৰ দীঘল দীঘল বন এবিধ কাটি লৈ ওচৰা-ওচৰিকৈ আঠা লগাইছিল আৰু ডাঙৰ-দীঘল পাত এখন তৈয়াৰ কৰি তাৰ ওপৰত চাপ দি ৰ'দত শুকুৱাইছিল। ইয়াক পেপাইৰাছ ৰোল বুলি কৈছিল। এই পেপাইৰাছেই হ'ল পৃথিৱীৰ প্ৰথম কাগজৰ নমুনা। ভাৰতত ঋষি-মুনিসকলে লিখিবলৈ ব্যৱহাৰ কৰা সাঁচিপাতো এক প্ৰকাৰৰ 'কাগজ'।

কাগজৰ আগৰ সেই ৰূপ এতিয়া নাই। আধুনিক কাগজৰ নমুনা প্ৰস্তুত হৈছিল চীনত। ১০৫ খ্ৰীষ্টাব্দত ছাই লুন (Cai-lun) নামৰ এজন চীনা পণ্ডিতে এদিন বৰলে বাহ সজা কাৰ্য অতি মনোযোগেৰে নিৰীক্ষণ কৰি আছিল। তেওঁ মন কৰিলে যে প্ৰতিটো বৰলে পাতল কাগজৰ দৰে তৰপ এটা সাজে আৰু মূৰকত সি ডাঠ বাহ হয়গৈ। ঘটনাটোৱে পণ্ডিতজনৰ মূৰত এটা নতুন চিন্তাৰ জন্ম দিলে। তেওঁ বৰলৰ আৰ্হি লৈ কাগজ প্ৰস্তুত কৰাৰ প্ৰচেষ্টা আৰম্ভ কৰিলে। পুৰণি ফটা-ছিটা কাপোৰ মাছ মৰা জাল আৰু দলনিত গজা কোমল ঘাঁহ-বন একেলগে পানীত উতলাই ল'লে। কিছুমানৰ মতে তেওঁ 'কু' নামৰ এবিধ উদ্ভিদৰ বাকলিৰ ভিতৰৰ তৰপ খুন্দি চুটি



*ছাই লুন*

আঁহত পৰিণত কৰিছিল। তাৰ লগত চাহৰ খাৰ মিহলাই আঁহৰ বাদে বাকীখিনি বস্তু দ্ৰবীভূত কৰিছিল। এই বস্তুখিনি পানীত ফেনেকি মিহলি কৰি গোট মাৰিবলৈ দিছিল আৰু তাৰপাছত দ্ৰব্যখিনিৰ গোট মৰা অৱস্থাটো পাই হাতুৰীৰে পিটি পাতল চাদৰ এখন প্ৰস্তুত কৰিছিল। পানীত উতলোৱা দ্ৰব্যখিনি শুকুৱাত তেওঁ দেখিলে এখন থম-থমীয়া চাদৰ পোৱা গৈছে আৰু তাৰ ওপৰত লিখিব পাৰি। চীনা সম্ৰাট ছেহ লুঙে এই কাগজ উৎপাদনত বিশেষ গুৰুত্ব দিছিল। কাগজ প্ৰস্তুত কৰা এই পদ্ধতিটো চীনাসকলে প্ৰায় ২৫ বছৰ কাল গোপনে ৰাখিছিল। সেয়েহে বহুবছৰ ধৰি কাগজ উৎপাদন তেওঁলোকৰ একচেটীয়া ব্যৱসায় হৈ পৰিছিল। পাছলৈ গোপনে এই কাৰিকৰী জ্ঞান কোৰিয়ানসকলৰ হাতত পৰে। ৬১০ খ্ৰীষ্টাব্দত ই জাপানীসকলৰো জ্ঞাত হয়। প্ৰচলিত জনশ্ৰুতি মতে ডকিঅ' নামৰ এজন বৌদ্ধ ভিক্ষুৱে কাগজ উৎপাদন কৌশল কোৰিয়ানসকলৰ পৰা শিকি জাপানীসকলক অৱগত কৰে।

৭৫১ খ্ৰীষ্টাব্দত চীনাসকলক যুদ্ধত পৰাজিত কৰা তুৰ্কীসকলেও কাগজ উৎপাদনৰ কৌশল আয়ত্ত কৰে। এই যুদ্ধত বন্দী হোৱা বহু চীনালোক হেনো আছিল কাগজ উৎপাদনকাৰী শ্ৰমিক। বাধ্যতামূলকভাৱে কাগজ উৎপাদন কামত তুৰ্কী ৰজাই তেওঁলোকক নিয়োজিত কৰে। চীনা বন্দীসকলক শ্ৰমিক হিচাপে লৈয়েই ৭৫১ খ্ৰীষ্টাব্দত সমৰখন্দ আৰু ৭৯৩ খ্ৰীষ্টাব্দত বাগদাদত দুটা কাগজৰ কল স্থাপন কৰা হয়। তুৰ্কীসকলৰ পৰাই কাগজ নিৰ্মাণৰ জ্ঞান ইউৰোপীয়সকলে আয়ত্ত কৰে। ১১৫০ চনত টলেডোত কাগজৰ কল স্থাপিত হয়। ১২৭৬ চনত ইটালীত আৰু পঞ্চাশ শতিকাত লণ্ডনত কেইবাটাও কাগজ উদ্যোগ গঢ়ি উঠে।

এতিয়াৰ কাগজ কলবিলাকতো চীনৰ এই পুৰণি পদ্ধতিটোকে উন্নতমানৰ যন্ত্ৰ-পাতিৰ সহায়েৰে ব্যৱহাৰ কৰা হয়। ১৮৬৫ চনত বিজ্ঞানী ট্ৰিলযমেনৰ প্ৰচেষ্টাত বৰ্তমানৰ উন্নতমানৰ কাগজ প্ৰস্তুত কৰাটো সম্ভৱ হৈ উঠিল। আমেৰিকাৰ বেঞ্জামিন ট্ৰিলযমেন নামৰ এই বিজ্ঞানীজনে বহুদিন যুদ্ধত ব্যস্ত থাকিবলগা হোৱাত পৰীক্ষাগাৰত কাম কৰা নাছিল। যুদ্ধৰ শেষত আহি এদিন তেওঁ পৰীক্ষাগাৰত ভায়েকৰ লগত যুদ্ধ সম্পৰ্কীয় কথা পাতি আছিল। মনযোগেৰে কথা পাতি থাকোঁতে ক'ব নোৱাৰাকৈয়ে তেওঁ এচিডৰ পাত্ৰত জুইশলা এডাল ভৰাই লৰাই আছিল। কিছু সময়ৰ পাছত তেওঁলোক তাৰপৰা উঠি গ'ল। পাছদিনা পুৱা আহি লেতেৰা টেবুলখন চাফা কৰিব খোজোঁতে এচিডৰ পাত্ৰটোত তেওঁৰ চকু পৰিল। এচিডখিনি ডাঠ থপথপীয়া অৱস্থাত দেখি তেওঁলোক আচৰিত হ'ল। জুইশলা কাঠিটো এচিডৰ পাত্ৰত দেখি তেওঁৰ আগদিনাৰ কথা মনত পৰিল। অজানিতে হোৱা এই ঘটনাটোৱে ট্ৰিলযমেনৰ মনত কাগজ প্ৰস্তুতিৰ এটা ধাৰণা আনি দিলে। সৰু সৰু কাঠৰ টুকুৰা পানীত ডুবাই তেওঁ তাত চুন আৰু ছালফিউৰিক এচিড মিহলালে। এইবাৰ সেইখিনি এটা পাত্ৰত ভৰাই বন্ধ কৰি গৰম ভাপৰ ওপৰত ৭-৮ ঘণ্টা থৈ দিলে। কাঠৰ টুকুৰাবোৰ থপ্‌থপীয়া হৈ পৰিল। সেইখিনি মেচিনত চেপি কাগজ প্ৰস্তুত কৰিবলৈ সক্ষম হ'ল। ভাৰততো পঞ্চদশ শতিকাত কাগজ উৎপাদন আৰম্ভ হয়। কাশ্মীৰৰ মুছলমান ৰজাসকলৰ পৃষ্ঠপোষকতাত ১৪২০ ৰ পৰা ১৪৭০ চনৰ ভিতৰত কাগজ উৎপাদন হস্তশিল্প ৰূপে গঢ়ি উঠে। ভাৰত ইংৰাজৰ অধীনলৈ যোৱাৰ পাছত বহু কাগজ কল ভাৰতৰ বিভিন্ন ঠাইত স্থাপিত হয়।

কাগজ তৈয়াৰৰ বাবে চেলুলজৰ প্ৰয়োজন। ই উদ্ভিদৰ এক বিশেষ উপাদান। কাঠ, বাঁহ, বন, পাত আদিৰ পৰা এই উপাদান পাব পাৰি। বৰ্তমান টিলযমেনৰ প্ৰণালীকে উন্নত কৰি কাগজ প্ৰস্তুত কৰা হয়। কাগজ মসৃণ কৰিবৰ বাবে কিছুমান অতিৰিক্ত দ্ৰব্য মিশ্ৰিত কৰাটো দৰকাৰী হৈ পৰে। তদুপৰি কাগজত যাতে ছিদ্ৰ নাথাকে, গুটি নবহে আৰু নমনীয় হয় তাৰ বাবেও কিছুমান পদ্ধতি সংযোজিত কৰা হয়।

দিনে দিনে প্ৰাকৃতিক সম্পদৰ পৰিমাণ হ্ৰাস হৈ অহা বাবে কৃত্ৰিম দ্ৰব্যৰ সহায়ত কাগজ উৎপাদনৰ চিন্তা-চৰ্চা চলিব ধৰিছে। ■

## বগীবিল দলং

**ৰক্তিম বৰা**
তৃতীয় ষাণ্মাষিক
(বি.ভক.)

অসমৰ ডিব্ৰুগড় জিলাৰ বগীবিল নামৰ ঠাইত নিৰ্মাণ কৰা ব্ৰহ্মপুত্ৰৰ ওপৰৰ চতুৰ্থখন দলং বগীবিল দলং। ১৯৯৭ চনৰ ২২ জানুবাৰীত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ চিচিবৰগাঁৱৰ কুলাজানত তদানীন্তন প্ৰধানমন্ত্ৰী এইচ ডি দেৱেগৌড়াই এই দলঙৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পিছত ২০০২ চনত সেই সময়ৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে দলং নিৰ্মাণৰ শুভাৰম্ভ কৰে। ব্ৰহ্মপুত্ৰৰ ওপৰৰ এই চতুৰ্থখন দলং ৰে'ল আৰু পথ যোগাযোগ ব্যৱস্থা থকা ভাৰতৰ যিকোনো নদীৰ ওপৰত নিৰ্মিত দলঙৰ ভিতৰত দীৰ্ঘতম দলং। দুখলপীয়া দলংখনত তলৰ খাপত তিনিটা লেনযুক্ত পথ আছে।

২০০০ চনত মেছাৰ্ছ ৰে'ল ইণ্ডিয়া টেকনিকেল এণ্ড ইক'নমিক ছাৰ্ভিচেজে দাখিল কৰা চূড়ান্ত প্ৰতিবেদন অনুসৰি আনুমানিক ১৭৬৭ কোটি টকাৰ বাজেটেৰে ইয়াৰ কাম-কাজ আৰম্ভ কৰা হয়। পৰিকল্পনা অনুসৰি ২০১৮ চনত প্ৰকল্পটোৰ সকলো কাম শেষ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ ডিচেম্বৰ, ২০১৮ ত দলঙৰ শুভ উদ্বোধন কৰে।

বৰ্তমান দলঙখনৰ নাম 'বগীবিল দলং' বুলিয়েই পৰিচিত যদিও এই দলঙখনৰ নামকলৈ বিভিন্ন বিতৰ্কৰো সৃষ্টি হৈছে। অসমৰ বহুকেইটা জনগোষ্ঠীয়ে তেওঁলোকৰ স্মৃতিজৰিত উপৰিপুৰুষৰ নামেৰে দলংখনৰ নামকৰণ কৰিবলৈ দাবী জনাইছে। এইক্ষেত্ৰত চুতীয়াসকলে বীৰাংগনা নাৰী সতী সাধনীৰ স্মৃতিত 'সতী সাধনী সেতু', আহোমসকলে চাওলুং চুকাফাৰ স্মৃতিত 'চুকাফা সেতু', মিচিং জনগোষ্ঠীয়ে 'ছহিদ কমলা মিৰি সেতু' বা 'মিৰি জীয়ৰী সেতু', দেউৰীসকলে 'ভীমবৰ দেউৰী সেতু', সোণোৱাল কছাৰীসকলে 'সলালী সেতু', মুছলমানসকলে 'আজানপীৰ সেতু' আদি অনেক নামেৰে নামকৰণ কৰাৰ দাবী তুলিছে। আনহাতে বহুতে 'শংকৰ-মাধৱ সেতু', 'কুলাজান-বগীবিল সেতু', 'বৰলুইত সেতু' আদি নামেৰে নামকৰণ কৰিবলৈ অনুৰোধ কৰিছে। ■

# আঘোণৰ সোণোৱালী পথাৰত দাৱনীৰ ব্যস্ততা

**পুষ্পা বাচফৰ**
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্য আৰু হেমন্তৰ হিমে ধুই নিকা কৰা মাহটোৱেই হ'ল 'আঘোণ মাহ'। 'আঘোণ' মানেই পকা ধানৰ ভৰুণ পথাৰ। শৰতৰ নিয়ৰৰ মুকুতাই, কাতিৰ পথাৰত জ্বলা শিকাই 'আঘোণ'ক আদৰি আনে, য'ত নিহিত হৈ থাকে কৃষকসকলৰ তেজ মঙহৰ বিনিময়ৰ বিশাল আশা। কৃষকে বাৰিষাৰ বোকা পানী গচকি ৰুই থৈ অহা কঠীয়াই আঘোণৰ চৌদিশত সোণোৱালী পোহৰ ছটিয়ায়।

মুঠি মুঠিকৈ কাটি থোৱা ধানৰ লেছেৰি বুটলাৰ সময় 'আঘোণ'। সোণগুটি ধাননিৰে ভৰা পথাৰখনে উলাহেৰে হাত বাউলি মাতে দাৱনীক। দাৱনীৰ কাঁচিৰ খচ্‌খচনিত পকাধানে গায় আঘোণৰ গান। নৱ নৱ বৈভৱ কঢ়িয়াই অনা হিম শীতল নিয়ৰৰে তিতি থকা সোণগুটীয়া ধানবোৰে সোণোৱালী ওৰণিৰ তলত তলমূৰ কৰি থকা দৃশ্যই পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰে। এই সময়ছোৱাতেই অসমলৈ ভিন্ন দেশী-বিদেশী পৰ্যটকৰ সোঁত বয়। আঘোণ সোমোৱাৰ লগে লগে কৃষক, দাৱনীৰ



লগতে গাঁওবাসীৰ ব্যস্ততা দেখিলে এনে লাগে যেন জীৱনত পৰিশ্ৰমৰ বিকল্প নাই।

পথাৰৰ কোমল ৰ'দৰ তলত বহি কলপাতত ৰবাবটেঙা চকলীয়াই খোৱা, নৰাৰ পেঁপা সজা, লেছেৰি বোটলা, নিশাৰ পথাৰত হিমৰ বেৰা দি সকলোৱে ভোজ-ভাত, ন খোৱাৰ যি আমেজ, বৰ্ণনা নকৰিলেও অৱতৰণিকাত আঘোণৰ সোণগুটীয়া পথাৰখনৰ বৰ্ণনা পোৱা যায়। প্ৰাচুৰ্যৰ সপোনে ৰং ছটিওৱা আঘোণে কৃষকক দিয়ে জীয়াই থকাৰ প্ৰেৰণা। কৃষি নিৰ্ভৰশীল অসমীয়া মানুহখিনিৰ আঘোণৰ সৈতে জড়িত হৈ থাকে দৈনন্দিন জীৱনৰ বহুকথা। আঘোণৰ বিস্তীৰ্ণ সোণালী পথাৰত দাৱনীহঁতে মুঠি মুঠিকৈ ধান কাটি, টঙালেৰে টঙালি বান্ধি কৃষকজনো দিনটোৰ শেষত ঘৰমুৱা হয়। এক সুন্দৰ মনোমোহা দৃশ্য। প্ৰগতিশীল কবি কেশৱ মহন্তৰ কবিতাটিৰ ভাষাৰে ক'বলৈ গ'লে,

*"কুঁৱলী নথকা হ'লে দেখিলোহেঁতেন বা*
*পতা সোণবৰণীয়া ধানৰ আঁচল,*
*দেখিলোহেঁতেন বা লিহিৰি লিহিৰি ঢেৰ*
*আঙুলিয়ে মুঠি মৰা*
*কেচ্ কেচ্ চিক্‌মিক খৰ কাঁচিবোৰ,*
*দেখিলোহেঁতেন বা খোপা বন্ধামুৰবোৰ*
*ওপৰলে তুলিবলৈ সময় নোপোৱা।...."*

কিন্তু আজি অতীত হ'ল আঘোণৰ সেই দৃশ্য। সেই অতীতৰ আঘোণ আৰু আজিৰ আঘোণৰ মাজত বহু পাৰ্থক্য হ'ল। তাহানি গ্ৰাম্যাঞ্চলৰ ডেকা-গাভৰুৱে চুবুৰীয়ে চুবুৰীয়ে ঘূৰি একগোট হৈ ইঘৰ সিঘৰৰ পথাৰত ধান কাটিছিল। এই দৃশ্য আজি অসমৰ ইতিহাস। কৃষকসকলে ডাঙৰি বান্ধি নিজ বাহুবলৰে পথাৰৰ ঠন ধৰা দৃশ্যৰো আজি ছাঁ নাই। Poddy thresherৰ দৰে নৱ বৈজ্ঞানিকৰ সৃষ্টিমুখি হোৱাৰ ফলত কৃষকৰ বাহুৰ বল হ্ৰাস পাইছে। ফলস্বৰূপে সুবৃহৎ অট্টালিকাই পথাৰৰ চৌদিশ শুৱনি কৰিছে। নাঙল, যুঁৱলি, মৈ, গৰুগাড়ী, জাপি আদি আধুনিক অসমবাসীৰ বাবে অচিন সঁজুলি। ইয়াৰ মূল কাৰণ বিজ্ঞান নে সন্তানক চৰকাৰী চাকৰিমুখী কৰি তোলা অভিভাৱকসকল নে আমাৰ আধুনিকতা? এই প্ৰশ্নোত্তৰ পাঠকলৈ এৰিলো।


যি কি হওক কম বেছি পৰিমাণে হ'লেও দেখা পোৱা এই আঘোণেই কৃষিপ্ৰধান গ্ৰাম্য সংস্কৃতিৰ ভেটি। কিন্তু 'আঘোণ' দুখৰ সংবাদদাতা হিচাপেও পৰিচিত। কিয়নো, অচিন পোকে ভৰ খেতি অনিষ্ট কৰা, ধানৰ সলনি পতান ওলোৱা, বানপানী আদি দেখাৰ পাছত খেতিয়কৰ বুকু চিৰাচিৰ হয়। তদুপৰি কঠীয়াৰ নাটনি জানো কম সমস্যা। দুখীয়া কৃষকৰ অভাৱ পূৰাবলৈ আঘোণ প্ৰতিবছৰে আহক। সকলো বাধা বিঘিনি অতিক্ৰম কৰি জীয়াৰী-বোৱাৰীসকলোৱে ধাননী পথাৰত মূৰৰ ঘাম মাটিত পেলায়। এনেদৰে ঐতিহ্যৰ পৰম্পৰা ৰক্ষা কৰি আহিছে এইসকলে চহা গঞাই। আঘোণৰ বৰ্ণিল বুকুত লোককৃষ্টিৰ সুবাস বিলাই অসমৰ কৃষকৰ লখিমী হাতৰ পৰশৰে প্ৰাণ পোৱা আঘোণৰ সোণালী পথাৰৰ নৰা কাটি ভেলাঘৰ মেজি সাজি ভোগালী বিহু উদ্‌যাপন কৰা অসমীয়া জাতিৰ এক ঐতিহ্য সংস্কৃতি। নৱকিৰণৰ আলোকেৰে আলোকিত হওক আঘোণৰ পথাৰ। ■

# ভূপেন হাজৰিকা সেতু বা ঢলা-শদিয়া দলং

ভূপেন হাজৰিকা সেতু বা ঢলা শদিয়া দলং হৈছে অসমৰ তিনিচুকীয়া জিলাৰ শদিয়াৰ পৰা ঢলাক সংযোগ কৰা লোহিত নদীৰ ওপৰত অৱস্থিত এখন এখলপীয়া পথ দলং। এই দলংখনে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ যোগাযোগ সহজ কৰি তুলিছে। ২০১১ চনত আৰম্ভ হোৱা এই দলঙৰ নিৰ্মাণকাৰ্য ২০১৭ চনত শেষ হয়। ২০১৭ চনৰ ২৬ মে' তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই এই দলংখন আনুষ্ঠানিকভাৱে মুকলি কৰে। ভূপেন হাজৰিকাৰ স্মৃতিত দলংখনৰ নাম ভূপেন হাজৰিকা সেতু নামেৰে নামকৰণ কৰা হৈছে। ৯.১৫ কি.মি. দৈৰ্ঘৰ এই দলং ভাৰতৰ তথা এছিয়াৰ দীৰ্ঘতম নদী দলং। অসমৰ একেবাৰে পূব প্ৰান্তত অৱস্থিত এই দলংখনে অসম আৰু অৰুণাচল প্ৰদেশৰ যোগাযোগ ব্যৱস্থা ক্ষিপ্ৰতৰ কৰি তোলাৰ লগতে প্ৰতিৱেশী বিদেশী ৰাষ্ট্ৰ চীন, ম্যানমাৰৰ লগতো যোগাযোগ তথা আৰ্থ-সামাজিক দিশত ন ন দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে।

এই দলংখনৰ নিৰ্মাণ ব্যয় প্ৰায় ৯৫০ কোটি টকা। কেৱল সাধাৰণ নাগৰিকৰ বাবেই নহয়, এই দলংখন সেনাবাহিনীৰ বাবেও গুৰুত্বপূৰ্ণ হ'ব। টেংক তথা গধুৰ অস্ত্ৰ পাতি পৰিবহণত এই দলং একমাত্ৰ সাৰথি। অৰুণাচলৰ উত্তৰ সীমান্তত চীন দেশ অৱস্থিত। এই অঞ্চলৰ পৰা ভাৰতৰ মূলভাগৰ লগত যোগাযোগ ৰক্ষাৰ ক্ষেত্ৰত ঢলা শদিয়া দলংখনে মুখ্য ভূমিকা পালন কৰিব। কেন্দ্ৰীয় চৰকাৰে ঢলা-শদিয়া দলঙৰ যোগাযোগ ব্যৱস্থাৰ উন্নতিৰ বাবে ২০১৫ চনত ১৫,০০০ কোটি টকাৰ এক পেকেজ ঘোষণা কৰিছিল।

**নিৰ্মাণ ঃ** হাইদৰাবাদস্থিত নৱযুগ ইঞ্জিনীয়াৰিং কোম্পানী লিমিটেড নামৰ এক সংস্থাৰ লগত যৌথ উদ্যোগত ২০১১ চনৰ পৰা লোহিত নদীৰ ওপৰত এই দলঙৰ নিৰ্মাণ আৰম্ভ হয়। প্ৰায় ৯৩৮ কোটি টকা ব্যয়ৰে নিৰ্মিত এই দলং ২০১৭ চনত সম্পূৰ্ণ হৈ উঠে। ■



**হীৰক কুমাৰ ওজা**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



# যোগ

**মৃন্ময় জ্যোতি বৰা**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

আমাৰ জীৱনৰ লক্ষ্য থকা উচিত। আত্মনং বিদ্ধি বা আত্মানং বিজানম অৰ্থাৎ নিজৰ স্বৰূপক নিজে উপলব্ধি কৰা। যোগীসকলে কয় যে বিশাল বিশ্বত যি বিলাক দেখা পোৱা যায় সেই সমস্তই মানৱ দেহৰ মাজত বিদ্যামান অৰ্থাৎ যি আছে ভাণ্ডত বা পিণ্ডত সেয়ে বিশ্বব্ৰহ্মাণ্ডত আছে।

একোজন নিৰ্দিষ্ট ব্যক্তিৰ ভিতৰতেই যে সমগ্ৰ চেনতাসমূহৰ বিৱৰ্তন নিজে নিজেই আৰম্ভ হৈ যাব এনে কোনো কথা নাই। এইটো তেতিয়াহে আৰম্ভ হ'ব যেতিয়া ব্যক্তিজনে বিচাৰিব। মাদকদ্ৰব্য গ্ৰহণ, অত্যধিক পৰিশ্ৰম, অন্য উদ্দীপক সামগ্ৰীৰ ব্যৱহাৰ আদি ধৰণৰ বদ অভ্যাসবোৰে ব্যক্তিক বিস্মৃত কৰি তোলে আৰু সচেতন অৱস্থালৈ ঘূৰাই নিয়ে। ভাৰতীয় যোগীসকলে সেইখিনিৰ পৰা আৰম্ভ কৰে য'ত পশ্চিমীয়া মনোবিজ্ঞান শেষ হয়। যদিহে ফ্ৰয়েডৰ মনোবিজ্ঞান অসুস্থতাৰ মনোবিজ্ঞান হয় আৰু মাচলোৰ মনোবিজ্ঞান সুস্থ লোকৰ হয় তেন্তে ভাৰতীয় মনোবিজ্ঞান সংস্কৃতিৰ মনৌবিজ্ঞান। যোগৰ ক্ষেত্ৰত মানুহৰ মনোবিজ্ঞানৰ প্ৰশ্ন নাহে, এইটো এটা অন্যতম চেতনাৰ প্ৰশ্ন। এইটো মানসিক স্বাস্থ্যৰ প্ৰশ্নও নহয়, ই আত্মাৰ উন্নতিৰহে বিষয়।

যোগৰ এক অন্যতম ভাগ হ'ল প্ৰাণায়াম। প্ৰাণায়াম হ'ল— প্ৰাণ+আয়াম অৰ্থাৎ প্ৰাণৰ আৰাম। সহজভাৱে বোলা হয় যে কোনো বস্তুৰ বিস্তাৰ বা বঢ়াই দিয়াৰ নাম আৰাম। তেতিয়া ক'ব পাৰি প্ৰাণৰ বিস্তৃতি ঘটোৱাৰ নামেই হ'ল প্ৰাণায়াম। উশাহৰ গতি আৰু নিশাহৰ বায়ুৰ গতি এই দুইটা গতিকে বিচ্ছেদ কৰি প্ৰাণবায়ু ৰুদ্ধ কৰাৰ নামেই প্ৰাণায়াম। যোগ সাধনাৰ আৰু এটা মহান উদ্দেশ্য হ'ল মানুহৰ অন্তনিৰ্হিত পশুত্বৰ বিনাশ আৰু দেৱত্বৰ উজ্জীৱন।

যোগশাস্ত্ৰ অন্য শাস্ত্ৰৰ নিচিনা প্ৰত্যক্ষ অভিজ্ঞতাৰ ওপৰতে প্ৰতিষ্ঠিত। শাৰীৰিক আৰু নৈতিক নিয়ম-নীতিক যথাযথভাৱে দিনৰ পিছত দিন প্ৰতিপালনেই যোগ শাস্ত্ৰৰ প্ৰথম শিক্ষা বা অনুশাসন। এই সকলো নিয়ম-নীতি প্ৰতিপালনৰ ওপৰতে সুদৃঢ় স্বাস্থ্যলাভ আৰু নৈতিক আধ্যাত্মিক পৰিপূৰ্ণতা নিৰ্ভৰ কৰে। আত্মজ্ঞানেই সৰ্বশ্ৰেষ্ঠ জ্ঞান। এই জ্ঞান লাভ কৰিব পাৰিলে বিশ্বব্ৰহ্মাণ্ডৰ যাৱতীয় পদাৰ্থৰ স্বৰূপ জানিব পৰা যায় আৰু আত্মজ্ঞানেই যোগ শাস্ত্ৰৰ আদৰ্শ। যোগ হ'ল এনে এটা পদ্ধতি যাৰ দ্বাৰা এজন ব্যক্তিৰ অভ্যন্তৰীণ ক্ষমতাসমূহক সামঞ্জস্যভাৱে বিকাশ ঘটাব পৰা যায়। ইয়াৰ দ্বাৰা সম্পূৰ্ণ আত্ম উপলব্ধি অৰ্জন কৰিব পৰা যায়। সংস্কৃত শব্দ ইয়োগাৰ অৰ্থ হ'ল 'ইওকে' অৰ্থাৎ স্বীকাৰ কৰা। সেয়েহে যোগৰ অৰ্থ এনেদৰেও বুজিব পাৰি যে কোনো এক আত্মাৰ লগত ভগৱানৰ আত্মাৰ মিলন হোৱা। মহাঋষি পতঞ্জলিৰ মতে মনৰ চঞ্চলতা দমাই ৰখাটোৱে হৈছে যোগ।

যোগ সাধনাৰ উদ্দেশ্য হ'ল প্ৰত্যেক মানুহৰ স্বৰূপক জনা। ঋষি অৰবিন্দই কয় Yoga is self perfect it is thus a process by which the animal man ascands through the stages. Man man, super man and divine man আৰু যি সমস্ত বৈজ্ঞানিক সত্যৰ নিয়ম-নীতিক প্ৰত্যাহিক জীৱন যাত্ৰাত সক্ৰিয়ভাৱে অনুষ্ঠান মানুহৰ আধ্যাত্মিক ক্ৰমবিকাশৰ উদ্দেশ্য নিয়োজিত অৰ্থাৎ শ্বাস গ্ৰহণ আৰু নিশ্বাস ত্যাগ বন্ধ কৰি ভিতৰৰ বায়ুক ৰুদ্ধ কৰা। যোগদৰ্শনত কৈছে— "অস্মিন গতি শ্বাস-প্ৰশ্বাস যোগতি বিচ্ছেদঃ প্ৰাণায়াম। বহুলোকৰ মতে প্ৰাণ শব্দই বায়ুক বুজায়। কিন্তু এই ধাৰণা ভ্ৰমাত্মাকাৰ বাহিৰে একো নহয়। প্ৰাণ শব্দৰ অৰ্থ আৰু বেছি ব্যাপক আৰু তাৎপৰ্যপূৰ্ণ। আমাৰ দেহত পৰিব্যাপ্ত আছে প্ৰাণশক্তি। এই শক্তিক নিৰূপিত, সঞ্চাৰিত আৰু উদ্দীপ্তক বশীভূত কৰি নিজৰ বশলৈ অনাৰ নামেই 'প্ৰাণায়াম'। প্ৰাণায়াম নকৰিলে প্ৰাণবায়ু ৰুদ্ধ কৰি প্ৰাণৰ বিস্তাৰ ঘটাব নোৱাৰি। প্ৰাণায়ামৰ ভাগ চাৰিটা— ১) বাহ্যভাগ ২) আভ্যন্তৰ বৃত্তি ৩) স্তম্ভ বৃত্তি আৰু ৪) বাহ্যাভ্যন্তৰ বিষয়াক্ষেপী। এইদৰে বিভিন্ন প্ৰকাৰৰ প্ৰাণায়াম কৰি মানুহ সুস্থ তথা সবল হৈ থাকিব পাৰে। ■



# ডাইনী হত্যা ঃ এক সামাজিক সমস্যা

**চেউজস্মিতা হাজৰিকা**

স্নাতক তৃতীয় ষান্মাসিক (কলা)

একবিংশ শতিকাত উপনীত হৈ পৃথিৱীয়ে সৌৰজগতৰ আন গ্ৰহত উপনিৱেশ পতাৰ যো-জা চলাইছে আৰু সেই সকলো আধুনিকতাকে অংগুষ্ঠ দেখুৱাই এতিয়াও সমাজত জ্বলন্ত সমস্যা হৈ আছে ডাইনী প্ৰথা। এই প্ৰথা নিঃসন্দেহে অতি প্ৰাচীন ঘৃণনীয় প্ৰথা তথা সামাজিক সমস্যা। অসমৰ প্ৰধানকৈ জনজাতি আৰু আদিবাসীসকলৰ মাজত ভয়ংকৰভাৱে শিপাই আছে এই প্ৰথা। বড়ো, ৰাভা, মিচিং জনজাতিৰ মাজত আধিপত্য থকা এই প্ৰথাৰ একাংশ অনুগামী সিঁচৰতি হৈ আছে চাহ বাগিচাৰ বাসিন্দা চাওতালসকলৰ মাজতো।

ইংৰাজী 'Witch' শব্দৰ অসমীয়া অৰ্থ ডাইনী। ডাইনী শব্দটো স্ত্ৰীলিংগবাচক হ'লেও এই শব্দটোৱে স্ত্ৰী-পুৰুষ উভয়কে প্ৰভাৱিত কৰে। সমাজবিজ্ঞানৰ ভাষাত ইয়াক Cultural adoption বা সাংস্কৃতিক অভিযোজন বোলা হয়। অৱশ্যে প্ৰত্যেক জাতিৰে সংস্কৃতি অনুসৰি এই অভিযোজন বেলেগ বেলেগ আছিল। ডাইনীবোৰক ক'লা যাদুৰ চৰ্চা কৰা আৰু ভৱিষ্যতৰ বক্তা হিচাপে উপস্থাপন কৰা হৈছিল।

ডাইনী প্ৰথাৰ প্ৰতি থকা তেওঁলোকৰ বিশ্বাসৰ বাবে দুটা কাৰণক প্ৰধানকৈ জগৰীয়া কৰিব পাৰি— ১) জনজাতীয় লোকসকলে সাধাৰণতে যুক্তিতকৈ অলৌকিক শক্তিৰ ওপৰত বেছি গুৰুত্ব দিয়ে। ২) তেওঁলোকৰ সমাজৰ মুৰব্বীজনে এনেদৰে সমাজৰ পৰিকাঠামো সৃষ্টি কৰে যে, সাধাৰণ মানুহৰ বাবে মুৰব্বীসকলে নিৰ্ধাৰণ কৰি দিয়া নিয়মসমূহৰ বিৰোধিতা কৰা বা বিশ্বাস নকৰাকৈ থকাটো সম্ভৱ নহয়। তেওঁলোকৰ সামাজিক বিশ্বাসত ডাইনী সমাজৰ সদস্য আৰু ডাইনীয়ে যাদু চৰ্চা, বেজালি আদিৰ দ্বাৰা মানুহৰ অনিষ্ট সাধন কৰে।

সভ্য সমাজৰ পৰা অতি দূৰৈত সহাৱস্থান আৰু আদিম ধ্যান-ধাৰণাৰ পৰা নিজকে মুক্ত কৰিব নোৱাৰাটোকে জনজাতিসকলৰ মাজত অব্যাহত থকা ডাইনী চৰ্চাৰ মূল কাৰণ বুলি ক'ব খোজে সমাজ বিজ্ঞানীসকলে। বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ অংশীদাৰ জনজাতি লোকসকলৰ জীৱন-যাপনৰ পদ্ধতি তথা চিন্তা-ধাৰণাও বিচিত্ৰ। প্ৰাচীন জনজাতি সমাজত ডাইনী প্ৰথা এনেদৰে ৰোপিত হৈ আছে যে সমাজ গঠন প্ৰক্ৰিয়াত এটা বিশেষ বা নিৰ্দিষ্ট সাংস্কৃতিক পৰম্পৰাৰূপে ই নিজৰ স্থিতি বৰ্তাই ৰাখিছে। ডাইনী প্ৰথাৰূপী এই ভয়ংকৰ অন্ধবিশ্বাসে ব্যক্তি বিশেষে এজনক আনজনৰ ঘোৰ শত্ৰুলৈ পৰিণত কৰে। সাম্প্ৰতিক সময়ত দলীয় সংঘৰ্ষ, প্ৰতিশোধমূলক কাৰ্য, ব্যক্তিগত সংঘাত আদি বহুতো ঘটনাৰ মূল কাৰণ ডাইনী প্ৰথাৰূপী অন্ধবিশ্বাসেই। কেৱল জনজাতিসকলেই নহয়, সামাজিকভাৱে নিম্নস্তৰৰ কিছুমান শ্ৰেণীয়েও ডাইনী প্ৰথাত বিশ্বাস কৰে। সাধাৰণতে মহিলাসকলকে ডাইনী বুলি সন্দেহ কৰা হয়। অতি কম সংখ্যক পুৰুষহে এই প্ৰথাৰ বলি হয়। মুণ্ডা আৰু ওৰাংসকলৰ মাজতো ডাইনী প্ৰথাৰ প্ৰতি শক্তিশালী বিশ্বাস আছে। চাওতালসকলৰ দৰেই মুণ্ডা আৰু ওৰাংসকলে বিশ্বাস কৰে যে সমাজৰ অশুভ শক্তিবোৰৰ ওপৰত ডাইনীৰ প্ৰভাৱ আছে। সিঁহতে কেৱল মানুহৰে নহয়, পোহনীয়া জীৱ-জন্তুৰো অনিষ্ট সাধন কৰে। ডাইনীৰ চিকিৎসক বা সখা বা ভগতেই হৈছে একমাত্ৰ ব্যক্তি, যি তেওঁলোকক ডাইনীৰ অশুভ দৃষ্টিৰ পৰা ৰক্ষা কৰিব পাৰে। আমাৰ অসমৰ প্ৰেক্ষাপটত এওঁলোকক বেজ, ওজা আদি নামেৰে জনা যায়। ডাইনী সন্দেহৰ আঁৰ লৈয়ে বহু জঘন্য ঘটনা সংঘটিত হৈছে। ১৯৭৯ চনৰ পৰা ১৯৮৪ চনত হ' (Ho) সম্প্ৰদায়ৰ ১০০ গৰাকীতকৈ অধিক মহিলাক ডাইনী আখ্যা দি অতি নিদাৰুণভাৱে হত্যা কৰা হৈছিল। এই হত্যাবোৰৰ প্ৰধান উদ্দেশ্য আছিল নিহত ব্যক্তিবোৰৰ সম্পত্তি হস্তগত কৰা। দূৰলৈ যোৱাৰ প্ৰয়োজন নাই, আমাৰ অসমত সঘনাই ডাইনী হত্যাৰ নামত হৈ থকা হত্যাকাণ্ডবোৰৰ গৰিষ্ঠ সংখ্যকৰেই প্ৰকৃত কাৰণ বিচাৰিলে এনেধৰণৰ কাৰণেই জগৰীয়া যেন অনুভৱ হয়।

**অসমত ডাইনী হত্যা ঃ** অসমত ডাইনী চৰ্চা বহু শ বছৰ ধৰি চলি আহিছে। অসমৰ মায়ঙক যাদুৰ দেশ বুলি কোৱা হৈছিল। কেৱল মায়ঙতে 'ডাইনী' চৰ্চা সীমিত নাছিল। শোণিতপুৰ, কোকৰাঝাৰ, গোৱালপাৰা আদি জিলাত বৰ্ধিত হাৰত 'ডাইনী হত্যা'ৰ ঘটনা ঘটি আহিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়জয়-ময়ময় অৱস্থাতো অসমৰ পিছপৰা অঞ্চলৰ কিছুমান মানুহে এতিয়াও পুৰণি বিশ্বাস, ৰীতি-নীতিক খামুচি ধৰি আছে আৰু তাৰে সুবিধা গ্ৰহণ কৰি এচাম মানুহে ডাইনী হত্যাৰ দৰে ঘটনা সংঘটিত কৰি আহিছে। যোৱা পাঁচ বছৰত প্ৰায় পাঁচ শতাধিক লোকে ডাইনী সন্দেহত মৃত্যুক সাৱটি ল'বলগা হৈছে। আৰক্ষীয়ে বহুলোকক গ্ৰেপ্তাৰ কৰে যদিও সাক্ষীৰ অভাৱত এৰি দিব লগা হয়। চৰকাৰী সংস্থা কিছুমানে সন্মিলিত প্ৰচেষ্টাৰে ডাইনী হত্যা ৰোধৰ প্ৰচেষ্টা হাতত লৈছে। 'অসম ৰাজ্যিক আইন সেৱা কতৃপক্ষ'ৰ উদ্যোগত সংস্থাসমূহে ডাইনী প্ৰথা ৰোধৰ ব্যৱস্থা হাতত লৈছে। শিক্ষাৰ অভাৱ আৰু পৰ্যাপ্ত স্বাস্থ্যসেৱাৰ অভাৱেই যে প্ৰধান কাৰণ, সেয়া অস্বীকাৰ কৰিব নোৱাৰি। ঘৰুৱাভাৱে প্ৰস্তুত কৰা সুৰাৰ প্ৰভাৱতো বহুলোকে চিন্তাশক্তি হেৰুৱাই ডাইনী হত্যাত জড়িত হৈ পৰে। অৱশ্যে শেহতীয়াকৈ কিছুমান শিক্ষিত মানুহেও ভূমি-সম্পত্তিৰ লোভ বা অন্যান্য ব্যক্তিগত আখেজৰ বাবে ডাইনী হত্যাক প্ৰোৎসাহিত কৰা দেখা যায়।

**সভ্য সমাজৰ দায়িত্ব ঃ** শিক্ষা আৰু স্বাস্থ্যখণ্ডৰ উন্নতিৰ লগতে শিক্ষিত সমাজ, স্বাস্থ্যকৰ্মী, মহিলা কোষ আদি একত্ৰিত হৈ ডাইনী হত্যাৰ বিৰুদ্ধে কাম কৰিব লাগিব। তদুপৰি আইনী ব্যৱস্থাও শক্তিশালী হোৱা প্ৰয়োজন। অৱশ্যে 'অসম মহিলা সমতা ছ'চাইটী', 'ফ্ৰী লিগেল এইড কমিটী' আদিৰ দৰে সংস্থাবোৰে ডাইনী হত্যা ৰোধৰ প্ৰচেষ্টা চলাই আহিছে। উত্তৰ পূৰ্বাঞ্চলত বৰ্ণ বৈষম্যৰ ফলতো এনেধৰণৰ ঘটনা ঘটে। জনজাতীয় লোকসকলক হীন চকুৰে চোৱা হয়। তেওঁলোকৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটাই বৰ্ণ্য বৈষম্য পৰিহাৰ কৰি একত্ৰ হোৱাৰ চেষ্টা কৰিলে ডাইনী হত্যা ৰোধ কৰিব পৰা যাব বুলি ক'ব পাৰি। ■



# সামাজিক মাধ্যম আসক্তি

**ময়ূৰ কুমাৰ কলিতা**
স্নাতক পঞ্চম যাণ্মাসিক (বিজ্ঞান)

একবিংশ শতিকা হৈছে বৈজ্ঞানিক প্ৰযুক্তিবিদ্যা আৰু উদ্ভাৱনৰ সোণালী যুগ। আধুনিক সমাজ জীৱনৰ লগত নিজকে খাপ খুৱাই চলিবলৈ আমি এই সৃষ্টিৰাজিৰ ব্যৱহাৰ কৰাটো বাঞ্ছনীয়। প্ৰযুক্তিবিদ্যাৰ এক শ্ৰেষ্ঠতম সৃষ্টিয়েই হ'ল বৈদ্যুতিন সামাজিক মাধ্যম। অত্যাধুনিক, দ্ৰুত আৰু তুলনামূলকভাৱে কম খৰচী হোৱাৰ বাবেই  ইয়াৰ সমাদৰ যথেষ্ট বেছি। বৈদ্যুতিন সামাজিক মাধ্যমসমূহৰ সৃষ্টি আৰু বিকাশৰ দুটা দশকো সম্পূৰ্ণ হোৱা নাই কিন্তু ব্যক্তি সমাজজীৱনৰ অবিচেছদ্য অংশ হৈ পৰিছে। বহিঃবিশ্বৰ সমান্তৰালভাৱে ভাৰতবৰ্ষৰ বজাৰতো অত্যাধুনিক সেৱাৰে সমৃদ্ধ স্মাৰ্ট ফ'ন আৰু সহজলব্ধ ইন্টাৰনেট সেৱাই ইয়াৰ ব্যৱহাৰৰ অকল্পনীয় বৃদ্ধি ঘটাইছে।

সামাজিক মাধ্যমসমূহৰ ব্যৱহাৰ সম্পৰ্কে আমি সকলোৱেই জানো আৰু সেইবাবেই ইয়াৰ প্ৰয়োজনীয়তাক কেতিয়াও আওকাণ কৰিব নোৱাৰো। সামাজিক মাধ্যমসমূহ এনে একোখন মঞ্চ, যাৰ যোগেদি কোনো এজন ব্যক্তিয়ে তেওঁৰ বন্ধুবৰ্গ, পৰিয়াল বা সম্পৰ্কীয় সকলৰ লগত সংযোগ বজাই ৰাখিব পাৰে। ব্যক্তি এজনে নিজৰ ব্যক্তিত্ব, বহিঃৰূপ ভাৱধাৰণা আৰু কৰ্মৰাজি বহলভাৱে সমাজৰ




আগত দাঙি ধৰিবলৈ আৰু আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আটাইতকৈ সুবিধাজনক মাধ্যম। আটাইতকৈ ভাল আৰু গুৰুত্বপূৰ্ণ কথা হ'ল ইয়াৰ যোগেদি ব্যক্তি এজনে নিজৰ প্ৰতিভা সমাজৰ আগত প্ৰকাশ কৰিব পাৰে। এই মাধ্যমৰ যোগেদি প্ৰতিভাৰ প্ৰচাৰ যথেষ্ট অনুপ্ৰেৰণাদায়ক আৰু খৰতকীয়া হয়। এইসমূহৰ লগতে সামাজিক মাধ্যমসমূহৰ উপযোগীকৈ গঢ়ি উঠা সামাজিক মাধ্যম বাণিজ্যিকীকৰণ (Social media marketing) ব্যৱস্থাও উল্লেখনীয়।

আমাৰ সকলোৰেই কম বেছি পৰিমাণে হ'লেও সামাজিক মাধ্যমসমূহৰ ব্যৱহাৰৰ অভিজ্ঞতা আছে। ইয়াৰ ব্যৱহাৰ অতি আমোদজনক আৰু ভাললগা হোৱাৰ অন্তৰালত আছে আমাৰ শৰীৰ সংৰচনাৰ লগত জড়িত কিছুমান কাৰণ। আমাৰ মগজুত ডপামিন নামৰ এবিধ বাৰ্তাবাহক ৰাসায়নিক যৌগ থাকে। হেপিনেছ হৰমন (Happiness hormone) বুলিও জনা এই হৰমন বিধে আমি যেতিয়া কোনোধৰণৰ কৰ্ম বা ঘটনাৰ দ্বাৰা নিজে সন্তুষ্ট হওঁ তেতিয়া আনন্দ লাভ কৰাৰ অনুভূতি যোগায়। আমি যিদৰে কোনো প্ৰতিযোগিতাত জয়ী হ'লে পুৰস্কাৰ লাভ কৰোঁ ঠিক একেধৰণেই ডপামিন আমাৰ শৰীৰৰ বাবে পুৰস্কাৰস্বৰূপ। এই ভাললগা অনুভূতিয়েই আমাক বাৰে বাৰে তেনেধৰণৰ কামতেই নিয়োজিত হৈ থাকিবলৈ উদগনি যোগায়। মানুহৰ ক্ষেত্ৰত এই ঘটনাবোৰ একেবাৰেই স্বাভাৱিক আৰু এই স্বাভাৱিক প্ৰৱণতাকেই অতি বুদ্ধিমত্তাৰে ব্যৱহাৰ কৰে বিশ্বশাৰীৰ সামাজিক মাধ্যমৰ মঞ্চ (যেনে- ফেচবুক, হোৱাটছ এপ, স্নেপ চ্যাট্ ইত্যাদি) সৃষ্টি আৰু বিকাশ কৰোঁতাসকলে। তেওঁলোকে এই সামাজিক মাধ্যমসমূহৰ ব্যৱহাৰকাৰীৰ মন সহজে ভোল যাব পৰাকৈয়ে আকৰ্ষণীয়ভাৱে ৰূপ দিয়ে। এই মঞ্চসমূহ তেওঁলোকৰ উপাৰ্জনৰ উৎস, সেয়েহে তেওঁলোকৰ উদ্দেশ্য হয় এই মাধ্যমসমূহৰ ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি কৰোৱা, যিমান দূৰ সম্ভৱ তেওঁলোকে যোগান ধৰা সেৱাতেই ব্যস্ত কৰাই ৰখা। আমাৰ দুৰ্বলতাবোৰেই তেওঁলোকৰ সফলতাৰ ৰহস্য আৰু সেইবাবেই হয়তো সাধাৰণভাৱে ব্যৱহাৰ হোৱা সামাজিক মাধ্যমসমূহেই আসক্তিলৈ পৰিণত হয়। আসক্তিলৈ পৰিণত হোৱাৰ লগে লগেই এই মাধ্যমসমূহৰ উপযোগী তথা প্ৰয়োজনীয় দিশসমূহ থকাৰ স্বত্বেও ব্যৱহাৰকাৰীসকলে এক বেয়া পৰিণাম ভোগ কৰিবলগীয়া হয়।

আসক্তি হ'ল নেতিবাচক প্ৰভাৱৰে ভৰা এক প্ৰকাৰৰ বাধ্যগত আচৰণ। সঘনাই নটিফিকেচন সমূহ পৰীক্ষা কৰিবলৈ প্ৰবল ইচ্ছা যোৱা আৰু এই ব্যস্ততাই ৰাতিৰ সুনিদ্ৰাৰ অভাৱ ঘটোৱাটোও সামাজিক মাধ্যমসমূহৰ প্ৰতি হৈ পৰা আসক্তিৰ লক্ষণ হ'ব পাৰে। সামাজিক মাধ্যমসমূহৰ যোগেদি মানুহ কাল্পনিক জগতত সোমাই পৰে আৰু বহুক্ষেত্ৰত বাস্তৱভ্ৰম ব্যক্তিৰূপ দাঙি ধৰে। আনকি ব্যক্তি এজনে আনন্দ, আত্মসন্তুষ্টি আদিবোৰ যেন তেওঁ প্ৰকাশ বা প্ৰচাৰ কৰা কৰ্মৰাজিত আন লোকসকলৰ এটা ভাল প্ৰতিক্ৰিয়া বা ভাল মন্তব্যৰ ওপৰত নিৰ্ভৰ কৰে। কেতিয়াবা বহুকাৰণত আশানুৰূপ প্ৰতিক্ৰিয়া লাভ নকৰিলেই ব্যক্তিজনে আত্মমৰ্যাদা ক্ষয় হোৱা যেন অনুভৱ কৰে আৰু হতাশাগ্ৰস্ত হৈ পৰে।

বৰ্তমান সময়ত ছাত্ৰসমাজতেই এই সমস্যাৰ প্ৰাদুৰ্ভাৱ বেছি। ভৱিষ্যৎ সমাজত নিজকে ভালদৰে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ছাত্ৰাৱস্থাৰ সময়ছোৱাই অতিকৈ গুৰুত্বপূৰ্ণ সময় আৰু এই সময়তেই এনে আসক্তিৰ কবলৰ পৰা ছাত্ৰ এজন শৈক্ষিক, শাৰীৰিক আৰু মানসিক দিশত সমস্যাৰ সন্মুখীন হয়। সেইসকলেই হয়তো পৰৱৰ্তী সময়ত দুৰ্বল বা নিষ্ফল সম্পৰ্কৰ গৰাকী হয় আৰু পৰিণতিস্বৰূপে জীৱনত কৃতকাৰ্য হোৱাৰ পথৰ পৰাও বিচলিত হয়। সামাজিক মাধ্যমসমূহৰ আসক্তিয়ে সমাজৰ প্ৰায় সকলো শ্ৰেণী আৰু সকলো বয়সৰ লোককে সাঙুৰিছে। জ্যেষ্ঠ লোকসকলো ব্যতিক্ৰম নহয়, জ্ঞাতে বা অজ্ঞাতে কম বেছি পৰিমাণে হ'লেও তেওঁলোকো প্ৰভাৱিত। আজি সামাজিক মাধ্যমসমূহ তথা আদান প্ৰদান আৰু কেৱল সংযোগ ৰক্ষাৰ উপায় হৈ থকা নাই, বৰঞ্চ ব্যক্তি জীৱনৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। এই ঘটনাই বিশেষজ্ঞসকলকো চিন্তিত কৰি তুলিছে। কিছুক্ষেত্ৰত তেওঁলোকে সামাজিক মাধ্যমসমূহৰ প্ৰতি আসক্তি ড্ৰাগ্‌ছৰ আসক্তিতকৈও ভয়াবহ বুলি ক'ব খোজে। অধ্যয়নৰ পৰা এইকথা পোহৰলৈ আহিছে যে অত্যধিক সময় সামাজিক মাধ্যমসমূহতে ব্যস্ত থকা লোকসমূহে হতাশাত ভোগাৰ প্ৰৱণতা বেছি। আৰু ইয়াৰ কাৰণ হৈছে নিজক আন ব্যক্তিৰ লগত কৰা অনাৱশ্যকীয় তুলনা। এনে তুলনাৰে কেৱল আনক শ্ৰেষ্ঠত্ব প্ৰদানৰ প্ৰয়াস কৰা হয় আৰু আত্মমূল্যাংকনত বৈ যোৱা ত্ৰুটিয়ে নিজৰ প্ৰকৃত ব্যক্তিৰূপ প্ৰকাশ কৰাত বাধা জন্মায়, আত্মবিশ্বাস কমাই তোলে আৰু হীনমান্যতাত ভোগায়।

আন সকলোধৰণৰ সমস্যাতকৈ পৃথক এই সামাজিক মাধ্যমসমূহৰ প্ৰতি থকা আসক্তি সহজে উপলব্ধি কৰা নাযায়। বহুতে ইয়াক সমস্যা হিচাপে গণ্যই নকৰে, কিন্তু পৰিণাম ভোগ কৰে। সঘনাই নটিফিকেচনসমূহ পৰীক্ষা কৰি থাকিবলৈ যোৱাৰ প্ৰৱল ইচ্ছাৰ পৰা হাত সাৰিবলৈ অনাৱশ্যকীয় নটিফিকেচনসমূহ বন্ধ অৱস্থাত ৰাখিব পাৰি। নিজকে সময়ৰ প্ৰতি সচেতন কৰি তুলিবলৈ প্ৰয়াস কৰা উচিত। নিজৰ সুবিধাজনক হোৱাকৈ এটা নিৰ্দিষ্ট সময় বান্ধি বা নিৰ্দিষ্ট সময়ৰ ভিতৰত সামাজিক মাধ্যমসমূহৰ ব্যৱহাৰ কৰিলে দৈনন্দিন জীৱনৰ আন ক্ষেত্ৰসমূহতো সময় দিব পৰা যায়। ব্যস্ততাৰে ভৰা জীৱনত আমাৰ কৰ্তব্যসমূহৰ মাজতে কিছু কাম আমি স্বকীয়ভাৱে আত্মসন্তুষ্টিৰ বাবে কৰো (Hobby) তেনে ক্ষেত্ৰসমূহতো কিছু সময় দিয়াৰ প্ৰয়োজন। যিমান দূৰ সম্ভৱ বাস্তৱ পৃথিৱীৰ লগত সংযোগ হৈ থকাৰ চেষ্টা কৰা উচিত। বন্ধুবৰ্গ বা পৰিয়ালৰ লোকসকলক সময় দিয়া উচিত, আপোন লোকসকলৰ প্ৰচেষ্টাত অতি সহজেই গভীৰ আত্মবিশ্বাসৰে এনে সমস্যা দূৰ হয়। এই সমস্যাৰ গভীৰতা উপলব্ধি কৰা উচিত আৰু তেতিয়াই আত্মসচেতনতাৰ অস্ত্ৰৰে এই সমস্যাসমূহ গুৰিৰ পৰাই নিৰ্মূল কৰিব পাৰি। আসক্তিগত এই সমস্যা দূৰ হ'লেই বৈদ্যুতিন সামাজিক মাধ্যমসমূহ হ'ব মানৱ সভ্যতালৈ বিজ্ঞান- প্ৰযুক্তিৰ শ্ৰেষ্ঠতম অৱদানস্বৰূপ। ■



# এ. পি. জে. আব্দুল কালাম

**ইমৰান হুছেইন**
স্নাতক পঞ্চম যাণ্মাসিক (কলা)

সম্পূৰ্ণ নাম আবুল পাকিৰ জয়নুল আবদিন আব্দুল কালাম। সৰ্বপৰিচিত নাম ড° এ. পি. জে. আব্দুল কালাম, এজন ভাৰতীয় বিজ্ঞানী, ৰাজনীতিবিদ আৰু ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আছিল। ১৯৩১ চনৰ ১৫ অক্টোবৰত তামিলনাডুৰ ৰামেশ্বৰমত জন্ম হয়। তেখেতৰ পিতৃ জয়নাল আবদিন এগৰাকী নাৱৰীয়া আৰু মাতৃ অসীমা এগৰাকী গৃহিণী আছিল। তেওঁলোকৰ আৰ্থিক অৱস্থা ভাল নাছিল আৰু তেখেতে কম বয়সৰ পৰাই পৰিয়াললৈ আৰ্থিক অৱদান আগবঢ়াবৰ বাবে বিভিন্ন কাম কৰিবলৈ লয়। ভিন্ন ভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ মাজত ডাঙৰ হ'লেও কালামে এক নিৰ্দিষ্ট ধৰ্মীয় নিয়মাৱলী পালন কৰি চলিছিল। স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰাৰ পিছত দেউতাকক আৰ্থিক সকাহ দিবলৈ তেওঁ খবৰ কাকত বিক্ৰী কৰাৰ কাম লৈছিল। বিদ্যালয়ত তেওঁ মজলীয়া গ্ৰেড পাইছিল যদিও শিকিবলৈ অত্যন্ত ইচ্ছুক আৰু অনেক সময়ত পঢ়া-শুনাত, বিশেষকৈ অংকত ব্যস্ত থকা ছাত্ৰ আছিল বুলি জনা যায়।

ৰামেশ্বৰম বুনিয়াদী স্কুলত স্কুলীয়া শিক্ষা শেষ কৰাৰ পাছত কালামে ১৯৫৪ চনত তিৰুচিৰাপল্লীৰ চেইণ্ট যোচেফ কলেজৰ পৰা পদাৰ্থবিজ্ঞান আৰু চেন্নাইৰ মাদ্ৰাজ ইনষ্টিটিউট অৱ টেকন'লজি (MIT), এৰ'স্পেছ ইঞ্জিনিয়াৰিং বিষয় হিচাপে লৈ উত্তীৰ্ণ হয়।

ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱাৰ আগেয়ে তেখেতে এজন এৰ'স্পেছ অভিযন্তা হিচাপে প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা (দি আৰ দি ও) আৰু ভাৰতীয় মহাকাশ অধ্যয়ন সংস্থাত (এই এছ আৰ অ') কাৰ্যনিৰ্বাহ কৰিছিল। কালামৰ আন এটা জনপ্ৰিয় নাম হৈছে ভাৰতৰ মিছাইল মানৱ। ভাৰতত বেলিষ্টিক ক্ষেপণাস্ত্ৰ (ballistic) আৰু 'উৎক্ষেপণ যান' (launch vehicle) প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত তেখেতৰ অৱিহণাৰ বাবে এই উপাধি তেখেতক প্ৰদান কৰা হৈছে। ১৯৭৪ চনৰ প্ৰথম নিউক্লিয়েক পৰীক্ষাৰ পাছত ১৯৯৮ চনত হোৱা ভাৰতৰ 'পোখৰাণ-২' পাৰমাণৱিক পৰীক্ষণত ড° কালামে কাৰিকৰী দিশৰ উপৰিও ৰাজনৈতিক আৰু সাংগঠনিক দিশত মুখ্য ভূমিকা পালন কৰিছিল। তথাপিও কোনো কোনো বিজ্ঞান বিশেষজ্ঞই ক'ব বিচাৰে যে ড° কালামে কোনো কৃতিত্ব নোহোৱাকৈয়ে হোমি জাহাংগীৰ ভাৱা আৰু বিক্ৰম চাৰাভাইয়ে কৰি থৈ যোৱা কামখিনি ঐকান্তিকতাৰে আগবঢ়াই নিছিল।

২০২০ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নয়নশীলৰ পৰা উন্নত দেশৰ মৰ্যাদালৈ লৈ যাবৰ বাবে ড° কালামে তেখেতৰ ইণ্ডিয়া ২০২০ নামৰ পুথিখনৰ যোগেদি নিজৰ পৰিকল্পনাসমূহ জনগণৰ মাজলৈ আগবঢ়াইছিল। অনুদিত ৰূপত তেখেতৰ দ্বাৰা ৰচিত পুথিসমূহে দক্ষিণ কোৰিয়াকে ধৰি নানান দেশত অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰিছে। জীৱনকালত তেখেতে বিভিন্ন সন্মানীয় পুৰস্কাৰৰ লগতে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰেও বিভূষিত হৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি তেখেতৰ উৎসাহমূলক বক্তৃতা আৰু আলোচনাসমূহৰ বাবে তেখেত যুৱপ্ৰজন্মৰ মাজতো অতি জনপ্ৰিয় আছিল। যুৱপ্ৰজন্মৰ বাবে তেখেতে ২০১১ চনত 'মই কি কৰিব পাৰোঁ' (What i can give) নামেৰে এক আন্দোলনৰ সূচনা কৰে, যাৰ মূল লক্ষ্য আছিল দুৰ্নীতি নিৰ্মূলকৰণ। তথাপিও ৰাষ্ট্ৰপতি হৈ থকা কালছোৱাত ক্ষমাদানৰ আবেদন আৰু শাস্তি প্ৰদানৰ ক্ষেত্ৰত পলম কৰাৰ বাবে ড° কালাম সমালোচনাৰ সন্মুখীন হৈছিল।

২০১৫ চনৰ ২৭ জুলাইত শ্বিলঙৰ আই আই এমত এক বক্তৃতা প্ৰদান অনুষ্ঠানৰ মাজতে অসুস্থ হৈ পৰি বেথানী চিকিৎসালয়ত কালামৰ মৃত্যু হয়। ■

# অসমীয়া ভাষাৰ উৎপত্তি, ক্ৰমবিকাশ আৰু বৰ্তমান সময়ত ইয়াৰ সংকটৰ কাৰণ

**মনোজ কুমাৰ বৰুৱা**
স্নাতক পঞ্চম যাণ্মাসিক (কলা)

অসমৰ ভাষা অসমীয়া। এই অসমীয়া ভাষা এটা সুপ্ৰাচীন ভাষা। ই আৰ্যগোষ্ঠীৰ ভাষা। আৰ্যসকল অসমলৈ অহাৰ আগতে ই অনাৰ্য গোষ্ঠীৰ বাসস্থান আছিল। প্ৰাচীন ভাৰতীয় আৰ্যভাষাই বিশেষ ক্ৰম পৰিৱৰ্তনৰ মাজেদি আহি খ্ৰীষ্টীয় দশম, একাদশ শতিকামানত অসমীয়া ৰূপ ল'বলৈ আৰম্ভ কৰে। আগতে উল্লেখ কৰা হৈছে যে অসমত অনাৰ্য গোষ্ঠীয়ে বসবাস কৰিছিল আৰ্যসকলৰ অহাৰ আগেয়ে। গতিকে ইয়াত বাসকৰা তিব্বতবৰ্মী আৰু অষ্ট্ৰিকসকলৰ ভাষাৰ প্ৰভাৱ অসমীয়া ভাষাৰ ওপৰত পৰিছে। নদীৰ নাম, ঠাইৰ নাম, ধ্বন্যাত্মক শব্দ আৰু ঘৰুৱা বহুশব্দ অনাৰ্য ভাষাৰ পৰা আহিছে। আদিম ভাষাৰ সংস্পৰ্শত আৰ্য ভাষাই কৌলীন্য হেৰুৱাই ই দ্ৰুত গতিত পৰিৱৰ্তিত হ'বলৈ ধৰিলে।

প্ৰাচীন কামৰূপৰ ৰজাসকল দানৱ বা অসুৰ বুলি পৰিচিত হ'লেও তেওঁলোকে আৰ্য ভাষাৰ প্ৰসাৰত বিশেষ গুৰুত্ব দিয়ে। কালিকাপুৰাণৰ মতে নৰকাসুৰে প্ৰথমতে কিৰাতসকলক পূৰে দিক্কৰবাসিনী আৰু দক্ষিণে সাগৰৰ ফালে খেদি কামৰূপত ব্ৰাহ্মণ আৰু উচ্চবৰ্ণৰ লোকসকলক প্ৰতিষ্ঠা কৰি ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰসাৰ ঘটায়। ব্ৰাহ্মণ ধৰ্মৰ বিস্তাৰ হোৱাৰ লগে লগে আৰ্যভাষা অসমৰ প্ৰধান ভাষা হিচাপে চলিবলৈ ধৰিলে।

ভাৰতীয় আৰ্য ভাষাগোষ্ঠীক তিনিটা স্তৰত ভাগ কৰা হয়—

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষা
(২) মধ্য ভাৰতীয় আৰ্যভাষা
(৩) নবীন ভাৰতীয় আৰ্যভাষা

বৈদিক আৰু সংস্কৃত ভাষাই প্ৰাচীন ভাৰতীয় আৰ্যভাষা। পালি প্ৰাকৃত আৰু অপভ্ৰংশ মধ্য ভাৰতীয় আৰ্যভাষা আৰু আধুনিক কথিত আৰ্যগোষ্ঠীৰ ভাষাসমূহেই তৃতীয় স্তৰৰ নবীন আৰ্যভাষা।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাই ধ্বনিগত আৰু ব্যাকৰণগত পৰিৱৰ্তন লাভ কৰি প্ৰাকৃত আৰু অপভ্ৰংশৰ মাজেদি আধুনিক ভাৰতীয় আৰ্যভাষাত পৰিণত হৈছে। এই স্তৰবোৰ এনেদৰে বিশ্লেষণ কৰি দেখুৱাব পাৰি।

**(ক) বৈদিক সংস্কৃত ভাষাৰ স্তৰ ঃ** বৈদিক ভাষা আৰু সংস্কৃত ভাষাই হ'ল প্ৰথম স্তৰৰ ভাষা। বৈদিক ভাষাক কথিত ভাষাৰ সমন্বয়ত পৰিমাৰ্জিত ৰূপদান কৰিলে সংস্কৃত ভাষাই। সংস্কৃত ভাষা অভিজাত আৰ্যসকলৰ সাহিত্য-সংস্কৃতিৰ মাধ্যমৰূপে প্ৰসিদ্ধি লাভ কৰি সৰ্বভাৰতীয় সাহিত্যৰ মাধ্যমৰূপে প্ৰতিষ্ঠিত হয়।

**(খ) প্ৰাকৃত ভাষা ঃ** বৈদিক যুগৰ প্ৰচলিত কথিত আৰ্যভাষা ক্ৰমে পৰিৱৰ্তিত আৰু সৰল হৈ প্ৰাকৃত ভাষাৰূপে পৰিগণিত হয়। প্ৰাকৃতৰ স্তৰৰূপ তিনিটা—

(১) আদি প্ৰাকৃত
*(অশোকৰ শিলালিপি, পালি ভাষাত লিখা ত্ৰিপিটক আদি বৌদ্ধ শাস্ত্ৰত আদি প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়।)*

(২) মধ্য প্ৰাকৃত
*(সংস্কৃত নাটত ব্যৱহৃত হোৱা প্ৰাকৃত, হালৰ গাথা সপ্তশ্ৰতী, বাকপতিৰাজৰ গৌৰবহো, প্ৰবৰ সেনৰ সেতুবন্ধন আৰু জৈন ধৰ্মগ্ৰন্থত মধ্য প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়।)*

(৩) অন্ত্য প্ৰাকৃত
*(অন্ত্য প্ৰাকৃত বুলিলে অপভ্ৰংশক বুজায়। অন্ত্য প্ৰাকৃতৰ সাহিত্যৰ নিদৰ্শন হ'ল বজজালগগ, সন্দেশৰাসক। সহজীয়া বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ দোহাবোৰৰ ভাষাও অৰ্বাচীন অপভ্ৰংশ বুলি ধৰা হয়। বিদ্যাপতিৰ 'কীৰ্তিলতা' আৰু 'কীৰ্তি পতাকা'ত অপভ্ৰংশৰ অন্য এক প্ৰকাৰৰ নমুনা পোৱা যায়।)*

প্ৰাকৃত ভাষাৰ চাৰিটা আঞ্চলিক ৰূপ পোৱা যায়। সেইবোৰ হ'ল—

ক) পূৰ্বাঞ্চলৰ মাগধী
খ) মধ্যদেশৰ শৌৰসেনী
গ) দক্ষিণ পশ্চিমাঞ্চলৰ মহাৰাষ্ট্ৰী
ঘ) উত্তৰ পশ্চিমাঞ্চলৰ পৈশাচী

মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হয় প্ৰাচ্য অপভ্ৰংশ। ভাষাতত্ত্ববিদ, পণ্ডিত ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা প্ৰাচ্য অপভ্ৰংশৰ চাৰিটা শাখাৰ কথা উল্লেখ কৰিছে। সেই শাখা কেইটা হ'ল—

(১) ৰাঢ় ঃ ইয়াৰ পৰা পশ্চিমবঙ্গৰ উপভাষাৰ সৃষ্টি হয়।

(২) বৰেন্দ্ৰ ঃ ইয়াৰ পৰা উত্তৰ-মধ্যবঙ্গৰ উপভাষাৰ সৃষ্টি হৈছে।

(৩) বঙ্গ ঃ ইয়াৰ পৰা পূৰ্ববঙ্গৰ উপভাষাৰ সৃষ্টি হৈছে।

(৪) কামৰূপ ঃ এই কামৰূপী প্ৰাচ্য অপভ্ৰংশৰ পৰাই অসমীয়া আৰু উত্তৰবঙ্গৰ কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ আদি অঞ্চলত কথিত ভাষাৰ সৃষ্টি হৈছে।

অসমীয়া ভাষাই খ্ৰীষ্টীয় দশম শতিকাৰ মাজভাগৰ পৰা স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰে। প্ৰসিদ্ধ চীনা পৰিব্ৰাজক হিউৱেনচাঙে তেওঁৰ বিৱৰণীত লিখিছে যে কামৰূপৰ ভাষা মধ্যভাৰতৰ ভাষাৰ পৰা কিছু পৃথক আছিল। তেওঁ অসমীয়া ভাষাৰ স্বকীয়ত্ব লক্ষ্য কৰিয়েই এইধৰণৰ মন্তব্য আগবঢ়াইছিল।

প্ৰাচীন কামৰূপৰ ৰজাবিলাকৰ তাম্ৰশাসনত অসমীয়া ৰূপৰ প্ৰথম নিদৰ্শন পোৱা যায়। গাঁৱৰ নাম, নদীৰ নাম আৰু মানুহৰ নামৰ প্ৰয়োগত অসমীয়া ৰূপৰ প্ৰথম নিদৰ্শন পোৱা যায়। শাসনাৱলীৰ ভাষা সংস্কৃত হ'লেও সেই সময়ত চলা প্ৰাকৃতৰ নমুনা আৰু স্থান বিশেষে অসমীয়ালৈ ৰূপান্তৰিত হ'ব ধৰাৰ লক্ষণ তাত পৰিলক্ষিত হয়। ড° বেণীমাধৱ বৰুৱাই এই প্ৰসঙ্গত কোৱা এষাৰ কথা প্ৰণিধানযোগ্য— "প্ৰাক আহোম যুগৰ কামৰূপৰ তামৰ ফলি আৰু শিলালেখাবোৰত প্ৰাকৃতৰ নিদৰ্শন আছে। সেইবোৰে খ্ৰীষ্টীয় ৬ষ্ঠ ১২শ শতিকাত প্ৰচলিত উপভাষাৰ ৰূপ আৰু প্ৰাকৃতৰ আভাস দাঙি ধৰে বুলি ক'ব পাৰি। ৰাজকীয় ভূমিদান সম্পৰ্কীয় ফলিবোৰত বিশুদ্ধ সংস্কৃত ভাষাত লেখিবলৈ যত্নৰ ত্ৰুটি নকৰা সত্বেও কিছুমান অপ্ৰচলিত ৰূপ সোমাই পৰিছিল। ই হয়তো স্থানীয় লেখকসকলৰ নাইবা তক্ষকাৰসকলৰ নাইবা দুয়োৰে অসাৱধানতাৰ ভুল।"

অসমীয়া ভাষাৰ বিকাশৰ উল্লেখযোগ্য নিদৰ্শন দাঙি ধৰে চৰ্যাপদবোৰে। ইয়াত কামৰূপী ভাষাৰ ৰূপতাত্ত্বিক নিদৰ্শনবোৰৰ নমুনা পোৱা যায়। ইয়াতে অসমীয়া ভাষাই এটা সুন্দৰ ৰূপ লৈছে বুলি ক'ব পাৰি। ধ্বনিতত্ত্ব, শব্দমালা আৰু বাক্যবিন্যাস আদি সকলো ক্ষেত্ৰতে চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ নিগূঢ় সম্পৰ্ক ৰক্ষিত হৈছে। অসমীয়া ভাষাত সচৰাচৰ ব্যৱহাৰ হোৱা মোলান, পানী, দাপোণ, ভাল, গোহালি, আজি, উজুবাট, সৰু, মিছা, নৈ আদি শব্দবোৰ চৰ্যাপদত হুবহু ৰূপত পোৱা যায়।

চৰ্যাপদৰ সময়ৰ পাছত বিশেষকৈ ত্ৰয়োদশ শতিকাৰ পূৰ্বাধৰ পৰা আধুনিক যুগলৈকে অসমীয়া ভাষাৰ বিকাশৰ প্ৰধানকৈ দুটা স্তৰ দেখা যায়। এটা সোতৰ শতিকালৈ আৰু আনটো তাৰ পিছৰ পৰা। অসমীয়া ভাষাটোৱে প্ৰথমতে পশ্চিম অসমত প্ৰৱেশ কৰি সুকীয়া ভাষাৰূপে গঢ় লয়। সময়ত এই অঞ্চলৰ ভাষাত সাহিত্য ৰচিত হ'বলৈ ধৰে। এই ভাষাটোকে কামৰূপীয় ভাষা বোলে। চৰ্যাপদৰ পাছত কামৰূপী ভাষাৰ নিদৰ্শন পোৱা যায় প্ৰাচীন অসমীয়া সাহিত্যত। এইক্ষেত্ৰত প্ৰথমে উল্লেখনীয় হ'ল মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষা। ইয়াৰ লগতে 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ ভাষাৰ লগত থকা সম্পৰ্কই অসমীয়া ভাষাৰ পূৰ্বভাৰতৰ ভাষাৰ লগত থকা সম্পৰ্কৰ কথা দৃঢ়তাৰে ঘোষণা কৰে। সেইবাবেই অনুমান হয় কামৰূপী ভাষাটো গোটেই ৰাজ্যজুৰি কথিত আৰ্যভাষা আছিল। তেতিয়া গোটেই অসম উপত্যকা আৰু উত্তৰবঙ্গৰ উপৰি বিহাৰৰ পূৰ্ণিয়া জিলাও এই ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল।

সোতৰ শতিকালৈ কথিত আৰু লিখিত সাহিত্যত স্থান অধিকাৰ কৰা কামৰূপী ভাষাৰ পৰিসৰ কমি ই উপভাষালৈ পৰিৱৰ্তিত হ'ল। বৰ্তমান কালত কামৰূপ জিলাৰ উপভাষা বা কথিত ভাষাটোৱে কামৰূপীয় উপভাষা। অসমীয়া ভাষাৰ গঠন আৰু বিকাশত ইয়াৰ মূল্য যথেষ্ট। প্ৰাচীন অসমীয়া সাহিত্য বৈষ্ণৱ-অবৈষ্ণৱ সকলো কবিৰ ৰচনাত এই ভাষাৰ ধ্বনিগত, ৰূপগত আৰু শব্দগত বৈশিষ্ট্যবোৰ দেখিবলৈ পোৱা যায়। মধ্যযুগৰ বুৰঞ্জীবোৰতো এই উপভাষাৰ প্ৰভাৱ স্পষ্ট।

*আকে শুনি লক্ষীনাৰায়ণে দ্বিলাক খেদি আহিল।*
*বঙ্গালে খাইবাক নপাই গড়ৰ ভিতৰতে শুখাই*
*মৰে.... তাহনাৰ মুখত আহনাৰ সঙ্গে।*
*তেৰে গুৱাহাটীত ধৰিলে যাই আৰু অজ্ঞানত মাৰিছাহ।*

অসমৰ সামূহিক কাৰ্য চলোৱাৰ বাহনৰূপে এই ভাষা প্ৰাচীনকালৰ পৰা চলি আহিছে। তোৰ শতিকাত কোচ ৰাজত্ব ধ্বংস হোৱাৰ পাছত সাহিত্য চৰ্চাৰ কেন্দ্ৰ নামনি অসমৰ পৰা আহোম ৰাজধানীলৈ স্থানান্তৰিত হয়। তেতিয়াৰ পৰা আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত জীপ লোৱা উজনি অসমৰ উপভাষাটোৱে ইংৰাজ আমোলত মিছনাৰীৰ সহায় লাভ কৰি সাহিত্যিক মৰ্যাদা পায়।

বৰ্তমান গুৱাহাটীকেন্দ্ৰিক অসমীয়া সাহিত্য-সংস্কৃতিত এই ভাষাটোৰ কিছু পৰিৱৰ্তন সাধিত হৈছে। শিৱসাগৰ অঞ্চলৰ উপভাষাটোৰ ওপৰত আকৃতিগতভাৱে ভিত্তি কৰিলেও ভাষাটো গুৱাহাটী আৰু ওচৰ-পাঁজৰৰ উপভাষাৰ দ্বাৰাও প্ৰভাৱিত হৈছে।

সাম্প্ৰতিক অসমীয়া ভাষা পৰ্বত-ভৈয়ামৰ সকলো জনগোষ্ঠীৰ উমৈহতীয়া সম্পদ আৰু প্ৰকাশৰ বাহন। ইয়াৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিব আন আন জাতিসত্তা আৰু উপভাষাবোৰক সামৰি ল'বলৈ কৰা ইয়াৰ প্ৰয়াসৰ ওপৰত। এইটো কথাও মনত ৰাখিব লাগিব যে ৰাষ্ট্ৰীয় অখণ্ডতা অসমীয়া ভাষাৰ অখণ্ডতা ৰক্ষাৰ যোগেদিহে সম্ভৱপৰ হ'ব।

**উপভাষা ঃ**

এটা ভৌগোলিক পৰিৱেষ্টনৰ জনসমষ্টিবোৰৰ মাজত ভাষাৰ বিভিন্নতা পৰিলক্ষিত হয়। অৰ্থাৎ এটা অঞ্চলৰ ভাষা আৰু আন এটা অঞ্চলৰ ভাষাৰ মাজত ধ্বনি, ধ্বনি সংযোগ বা ৰূপ আৰু শব্দমালাৰ নানা পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। ভাষাৰ এনে আঞ্চলিক ৰূপকে উপভাষা বোলে।

উপভাষা সৃষ্টিৰ মূল কাৰণ হ'ল মানুহৰ আহ-যাহ বা যোগাযোগৰ অভাৱ। প্ৰাকৃতিক বাধা, সামাজিক বাধা আদিয়ে এই যোগাযোগৰ অভাৱৰ সৃষ্টি কৰে। বিভিন্ন প্ৰশাসন, ধৰ্ম আদিৰ অধীনত থাকিলেও মানুহে মানুহে সংযোগৰ অসুবিধা হয়। যিবোৰ মানুহৰ মাজত পৰস্পৰে মিলা-মিছা, অহা-যোৱা, বিয়া-বাৰু আদি আদান-প্ৰদানৰ সুবিধা থাকে তেওঁলোকৰ মাজত ভাষাৰ বিভেদবোৰ নাইকিয়া হৈ ভাষাই একেটা গঢ় লয়।

ভাষাৰ খণ্ড খণ্ড ৰূপ আৰু অখণ্ড ৰূপ সৃষ্টি এটা মুদ্ৰাৰ ইপিঠি সিপিঠিৰ দৰে। বাধাবোৰৰ বাবে ভাষা যেনেকৈ খণ্ড খণ্ড হৈ পৰে তেনেকৈ আকৌ ভাষাৰ অখণ্ডতা ৰক্ষা কৰিবলৈও কিছুমান কথাই সহায় কৰে। যেনে যাতায়াতৰ সুবিধাই এই অখণ্ডতা ৰক্ষাত অৰিহণা যোগায়। যুদ্ধ, উৎসৱ-পাৰ্বণ আদিয়েও এইক্ষেত্ৰত সহায় কৰে। যুদ্ধৰ সময়ত সেনা বাহিনীত বিভিন্ন অঞ্চলৰ লোকৰ সমাবেশ ঘটে। সেই মানুহবোৰৰ মাজত আদান-প্ৰদানৰ কাৰণে ভাষাৰ অখণ্ডতা প্ৰয়োজন হৈ পৰে। বিয়া বাৰুৰ যোগেদিও ভাষাৰ আঞ্চলিক বিভিন্নতা দূৰ হয়।

দৰা-কইনা ভিন্ন অঞ্চলৰ হ'লে ল'ৰা-ছোৱালীয়ে এটা সমিল-মিলৰ ভাষা ক'বলৈ শিকে। ল'ৰা-ছোৱালীবোৰ যিটো পৰিৱেশত ডাঙৰ হয় আৰু বিশেষকৈ লগৰীয়াবোৰে যিটো ভাষা কয় তাৰ দ্বাৰা প্ৰভাৱিত হয়।

ভাষাৰ অখণ্ডতা ৰক্ষাত সাহিত্যিক এজনে যেতিয়া কোনো অঞ্চলৰ ভাষাৰ মাধ্যমেৰে সাহিত্য ৰচনা কৰে তেতিয়া আন অঞ্চলৰ লোকে সেই ৰূপটোক আদৰ্শৰূপে গ্ৰহণ কৰে। কেন্দ্ৰীয় শিক্ষানুষ্ঠান স্কুল, কলেজ, বিশ্ববিদ্যালয় আদিয়েও এইক্ষেত্ৰত যথেষ্ট সহায় কৰে। বিভিন্ন অঞ্চলৰ পৰা অহা ছাত্ৰ-ছাত্ৰীবোৰৰ ভাবৰ আদান-প্ৰদানৰ ক্ষেত্ৰত বিভিন্ন ভাষাৰ পৰিৱৰ্তে এটা সমূহীয়া ভাষা কোৱাৰ প্ৰয়োজন হৈ পৰাত ভাষাৰ বিভিন্নতা আঁতৰি যায়। তেনেকৈ ৰেডিঅ', বাতৰি কাকত আদিয়েও এইক্ষেত্ৰত সহায় কৰে।

গতিকে দেখা যায় যে শিক্ষা-সংস্কৃতি-সাহিত্য আদিৰ প্ৰসাৰৰ যোগেদি ভাষাৰ বিভিন্নতা আঁতৰি যোৱাৰ পৰিৱেশ গঢ় লৈ উঠে, কিন্তু এনে সমৰূপতাৰ ফালে ভাষাই আগবাঢ়ি যোৱাৰ লগে লগে আঞ্চলিক ভাষাবোৰৰ প্ৰতি মানুহৰ কিন্তু মোহ আঁতৰি নাযায়। বহুতে তাক সংৰক্ষণ আৰু সংবৰ্ধন কৰিব খোজে। তাৰ ঐতিহাসিক মূল্যৰ দ্বাৰাও সেই উপভাষা কোৱা মানুহখিনিয়ে গৌৰৱবোধ কৰি তাক ৰক্ষাৰ চেষ্টা কৰে। কিন্তু যেতিয়া ভাষাৰ অখণ্ডতা ৰক্ষা কৰা উপাদানবোৰে উপভাষাৰ অৱস্থা শোচনীয় কৰি তোলে তেতিয়া ই নিম্নশ্ৰেণীৰ লোকৰ মাজতেহে আৱদ্ধ হৈ পৰে আৰু লাহে লাহে মৃত্যুমুখত পৰে। এনেদৰে উপভাষা এটাৰ মৃত্যু হ'লেও মান্য ভাষাত ইয়াৰ বহুতো শব্দ বা ৰূপ সংৰক্ষিত হয়। সেইবোৰৰ অনুসন্ধান কৰি মান্য ভাষা আৰু উপভাষাৰ মাজত পাৰ্থক্য আদিৰ আলোচনাৰ আলমত ভাষাবিজ্ঞানীসকলে ভাষাটোৰ সামগ্ৰিক ৰূপটোৰ বিষয়ে নতুন তথ্য উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হয়। গতিকে উপভাষাবোৰৰ বিস্তৃত অধ্যয়ন নোহোৱাকৈ কোনো এটা ভাষাৰ অনুসন্ধান সম্পূৰ্ণ নহয়।

উপভাষাৰ পৰাও আকৌ একো একোটা মান্যভাষাৰ সৃষ্টি হয়। প্ৰতিভাশালী নেতা, সাহিত্যিক, সমাজ সংস্কাৰক, ধৰ্ম প্ৰচাৰক আদিয়ে নিজৰ অঞ্চলৰ ভাষাৰ মাধ্যমেদি যেতিয়া মতামত দাঙি ধৰি পুথি-পাঁজি ৰচনা কৰে তেতিয়া সেই ভাষাটো মান্যভাষাৰ পৰ্যায়লৈ উঠিব পাৰে। কেতিয়াবা যদি এটা অঞ্চলৰ ভাষাৰে শাসন ব্যৱস্থা চলে, বাতৰি কাকত, ৰেডিঅ' আদিত সি ব্যৱহাৰ হয়, ৰাজহুৱা সভা-সমিতিত সি ব্যৱহৃত হয়, তেতিয়া এইবোৰ সাংস্কৃতিক কাৰণত উপভাষাটোৱে মান্যভাষাৰ স্বীকৃতি লাভ কৰে। গতিকে ভাষা মানে কোনো অঞ্চলৰ মৰ্যাদাপ্ৰাপ্ত উপভাষা এটাকে বুজায়।

**অসমীয়া মান্যভাষা আৰু উপভাষা ঃ**

সাংস্কৃতিক কেন্দ্ৰ সাল-সলনিৰ যোগেদি অসমত মান্যভাষা আৰু উপভাষা সৃষ্টিৰ উদাহৰণ দেখা যায়। অসমীয়া ভাষাটো মাগধী ৰূপৰ পৰা ৰূপান্তৰিত হৈ পশ্চিমৰ পিনেদি অসমত সোমাই আৰু অসমৰ নামনি অঞ্চলত সুকীয়া ভাষাৰূপে গঢ় লয়। পিছত ভাষাটো ক্ৰমে গৈ উজনি অঞ্চলত বিয়পি পৰে।

অসমত দুই ধৰণৰ শাসন ব্যৱস্থা আছিল। উজনিত আহোম শাসন আৰু নামনিত বিভিন্ন শাসন ব্যৱস্থা প্ৰচলিত আছিল। ৰাজধানীও একে ঠাইতে নাছিল। দুয়োটা অঞ্চলৰ মাজত যাতায়াতৰ অসুবিধা, বিয়াবাৰুৰ প্ৰচলন নোহোৱা আদি কাৰণত উজনি আৰু নামনি অসমৰ লোকসকলৰ মাজত মিলা-মিছাৰ সুবিধা হোৱা নাছিল। সেইকাৰণে নামনি অঞ্চলৰ ভাষাটোৱে এটা সুকীয়া ঠাঁচ ল'বলৈ সুবিধা পালে। গতিকে অসমীয়া ভাষাটোৱে দুটা আঞ্চলিক ৰূপ পালে এটা পূব অঞ্চলৰ বা উজনিৰ উপভাষা আৰু আনটো পশ্চিম অঞ্চলৰ বা নামনিৰ উপভাষা। পশ্চিম অঞ্চলৰ উপভাষাক আৰু দুটা ভাগত ভগাব পাৰি। এটা কামৰূপী উপভাষা আৰু আনটো গোৱালপৰীয়া উপভাষা।

সোতৰ শতিকাৰ আগৰ কালছোৱাত অসমৰ নামনি অঞ্চলত সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰস্থলীবোৰ গঢ় লৈ উঠিছিল। কমতাপুৰ জয়ন্তীপুৰ আৰু কোচবেহাৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত প্ৰাচীন অসমীয়া সাহিত্য এই অঞ্চলত সৃষ্টি হৈছিল। প্ৰথম অসমীয়া কবি হেম সৰস্বতী, মাধৱ কন্দলি, মনসা কবি মনকৰ, দুৰ্গাবৰ, সুকবি নাৰায়ণদেৱ, শঙ্কৰদেৱ, মাধৱদেৱ, ভট্টদেৱ আদিৰ ৰচনাত নামনি অসমৰ বিশেষকৈ কামৰূপ জিলাৰ ভাষাৰ চানেকি পোৱা যায়। কিন্তু সাংস্কৃতিক প্ৰাধান্য পোৱা এই ভাষাটোৱেই আকৌ উপভাষাত পৰিণত হৈছে।

আনহাতে শিৱসাগৰ অঞ্চলত কোৱা উপভাষাটোৱে মান্যৰূপ পালে আহোম ৰজাসকলৰ ৰাজধানী উজনি অসমত হোৱা হেতুকে। নামনি অসমৰ কোচৰাজ্য ধ্বংস হৈ যোৱাত আহোম ৰজাসকলৰ তত্ত্বাৱধানত শিৱসাগৰ জিলা আঞ্চলিক সাংস্কৃতিক কেন্দ্ৰত পৰিণত হয়। আহোমসকলৰ পাছত খ্ৰীষ্টীয়ান মিছনাৰীসকলে তাতেই কেন্দ্ৰস্থল গঢ়ি তোলে। তেওঁলোকে সেই অঞ্চলৰ উপভাষা শিকি সেই ভাষাতে কিতাপ-পত্ৰ লিখিবলৈ ধৰে। এনেকৈয়ে সেই অঞ্চলৰ উপভাষাটোৱে মান্যভাষাৰ ৰূপ গ্ৰহণ কৰিলে আৰু অসমৰ সমৃদ্ধিশালী নামনি অসমৰ কামৰূপী ভাষা উপভাষালৈ ৰূপান্তৰিত হ'ল।

কোনো এখন দেশত কোনো ভাষিক সম্প্ৰদায় বসতি কৰাৰ বেছিদিন নহ'লে সেই ভাষিক সম্প্ৰদায়ৰ মাজত ভাষাৰ স্থানীয় বা আঞ্চলিক পাৰ্থক্য বৰ বেছি নহয়। কিন্তু শ শ বছৰ ধৰি কোনো সম্প্ৰদায় বাস কৰি থকা ঠাইত ভাষাৰ স্থানীয় পাৰ্থক্যবোৰ বেছি হয়। অসমীয়া ভাষাৰ কামৰূপী উপভাষাৰ এনে স্থানীয় ৰূপ বহু কেইটা আছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল বৰপেটা অঞ্চলৰ ভাষা, নলবাৰী অঞ্চলৰ ভাষা আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ছয়গাঁও, বকো অঞ্চলৰ ভাষা।

এনেদৰে কামৰূপী উপভাষাসমূহ স্থানীয় ভাষাৰ সহযোগত এটা শক্তিশালী ভাষাৰূপে পৰিগণিত হৈছে।

অসমীয়া ভাষাৰ ধ্বনিতত্ত্বক প্ৰদানত দুটা ভাগত ভগাব পাৰি— স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি।

**স্বৰধ্বনি ঃ** যি ধ্বনি উচ্চাৰণ কৰোঁতে নিশ্বাস বায়ুৱে মুখ বিবৰৰ কোনো ঠাইত বাধা নাপায় তাক স্বৰধ্বনি বোলে। লিখিতভাৱে স্বৰধ্বনি ১১টা যদিও বিশিষ্ট স্বৰধ্বনি আঠটাহে পোৱা যায়। উচ্চাৰণৰ স্থান আৰু ৰীতি অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰক তলত দিয়াৰ দৰে দেখুৱাব পাৰি।

ধ্বনি অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহক কেইবাটাও ভাগত ভাগ কৰা হয়। জিভাৰ অংশ অনুসৰি সিহঁতক সন্মুখ, কেন্দ্ৰীয় আৰু পশ্চ তিনিভাগত ভাগ কৰা হয়। আকৌ জিভাৰ উচ্চতা অনুসৰি উচ্চ, উচ্চ-মধ্য, উচ্চ-নিম্ন-মধ্য, নিম্ন-মধ্য আৰু নিম্ন এই পাঁচভাগত ভগাব পাৰি। কাষৰ তালিকাত ইয়াক স্পষ্ট ৰূপত দেখুওৱা হৈছে।

**অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ তালিকা ঃ**

| | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
|---|---|---|---|
| উচ্চ | ই | | উ |
| উচ্চ-মধ্য | এ | | ও |
| উচ্চ-নিম্ন-মধ্য | এ' | | অ' |
| নিম্ন-মধ্য | | | অ |
| নিম্ন | | আ | |

**ব্যঞ্জনধ্বনি ঃ**

যি ধ্বনি উচ্চাৰণ কৰোঁতে নিশ্বাস বায়ুৱে মুখ বিবৰৰ কোনো ঠাইত বাধা পায় তাক ব্যঞ্জনধ্বনি বোলে। স্বৰধ্বনিৰ সহায়ত ইয়াক উচ্চাৰণ কৰা হয়। লিখিতভাৱে অসমীয়া ভাষাত ৪০ টা ব্যঞ্জনধ্বনি পোৱা যায় যদিও অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি ২১টাহে পোৱা যায়।

ধ্বনি অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জধ্বনি কেইটাক স্পৰ্শ, নাসিক্য, পাৰ্শ্বিক, কম্পিত আৰু উষ্ম ভাগত ভাগ কৰা হয়। স্পৰ্শধ্বনিবোৰৰ ভিতৰত ঘোষ আৰু অঘোষ দুই বিধৰ আছে। সেইবোৰ অল্পপ্ৰাণ আৰু মহাপ্ৰাণো হ'ব পাৰে। নাসিক্য, পাৰ্শ্বিক আৰু কম্পিত ধ্বনিৰ আটাইবোৰ ঘোষ ধ্বনি। উষ্মধ্বনিৰ ভিতৰত ঘোষ আৰু অঘোষ দুইবিধ পোৱা যায়। 'ঙ'ৰ বাহিৰে আটাইবোৰ ব্যঞ্জন ধ্বনি শব্দৰ আৰম্ভণি, মাজ আৰু শেষত ব্যৱহাৰ হ'ব পাৰে। কাষৰ তালিকাত ইয়াক স্পষ্ট ৰূপত দেখুওৱা হৈছে।

অসমীয়া ভাষাত 'য়' আৰু 'ৱ' এই দুটা অৰ্ধস্বৰবিশিষ্ট ধ্বনি নহয়। সিহঁত শ্ৰুতিধ্বনি ৰূপতহে থাকে। ওচৰাউচৰিকৈ থকা দুটা স্বৰধ্বনিৰ আগৰটো 'ই' হ'লে দুয়োটা স্বৰধ্বনিৰ মাজত আপোনা-আপুনি 'য়' উচ্চাৰিত হ'ব আৰু আগৰটো 'উ' বা 'ও' হ'লে আপোনা-আপুনি 'ৱ' উচ্চাৰিত হ'ব।

**অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ তালিকা ঃ**

| উচ্চাৰণ স্থান | দ্বৌষ্ঠ্য | | দন্তমূলীয় | | পশ্চ-তালব্য | | কণ্ঠ্য |
|---|---|---|---|---|---|---|---|
| উচ্চাৰণ ধৰণ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | ঘোষ |
| অল্পপ্ৰাণ | প | ব | ত | দ | ক | গ | |
| মহাপ্ৰাণ | ফ | ভ | থ | ধ | খ | ঘ | |
| নাসিক্য | | ম | | ন | | ঙ | |
| উষ্ম | | | চ | য | স | | হ |
| পাৰ্শ্বিক | | | | ল | | | |
| কম্পিত | | | | ৰ | | | |

অষ্ট্ৰেলিয়াৰ বিশিষ্ট ভাষাতাত্ত্বিক খ্ৰীষ্ট'ফাৰ ম'ছেলৰ তত্ত্বাৱধানত য়ুনেস্ক' (UNESCO)-ই ভাষাৰ বিলুপ্তি সম্বন্ধে যি অধ্যয়ন চলাইছিল তাত দেখা গৈছিল যে, বিশ্বৰ সৰ্বমুঠ ৭৩৫৮ টা ভাষাৰ ভিতৰত ইতিমধ্যে ৪৪৬ টা ভাষাৰ মৃত্যু ঘটিছে। বাকী ৬৯১২ টা ভাষাৰ ২৫০০ টা সংকটাপন্ন। অৱশ্যে এই সংখ্যাৰ তাৰতম্য হ'ব পাৰে। কাৰণ, কেতবোৰ দুৰ্গম অঞ্চলত কথিত ভাষা সম্পৰ্কীয় তথ্য এতিয়াও উদ্ধাৰ হ'বলৈ বাকী।

অষ্ট্ৰেলিয়া মহাদেশৰ নিজা জৰীপ অনুসাৰে সেই মহাদেশৰ ২৫০ টাতকৈয়ো অধিক থলুৱা ভাষাৰ এতিয়া ১৪৫ টাহে মাত্ৰ বৰ্তি আছে। তাৰো ১১০টা গুৰুতৰভাৱে সংকটগ্ৰস্ত। যিকেইটা বৰ্তি আছে তাৰ মাত্ৰ ১৮ টা ভাষাহে বিপদমুক্ত।

ভাৰতত কথিত মুঠ ১৩৫২টা ভাষাৰ সৰহভাগেই এতিয়া বিপদগ্ৰস্ত। অন্য শক্তিশালী ভাষাৰ কৰাল গ্ৰাসত পৰি আপেক্ষিকভাৱে দুৰ্বল ভাষাবোৰে, বিশেষকৈ জনজাতীয় ভাষাবোৰে বিলুপ্তিৰ ক্ষণ গণিবলগীয়া হৈছে। ভৌগোলিকীকৰণ বা বিশ্বায়ন তথা অৰ্থনৈতিক উদাৰীকৰণ ইয়াৰ মূল কাৰণ।

উপনিৱেশৰ কবলত পৰি আফ্ৰিকাৰ সৰহভাগ ভাষাৰ অপমৃত্যু ঘটিল। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ভাষাৰ কথা বাদেই, প্ৰায় ডেৰ হাজাৰ বছৰীয়া সুদীৰ্ঘকালৰ লিখিত ঐতিহ্যেৰে মহিমামণ্ডিত অসমীয়া ভাষালৈকো এতিয়া ভাবুকি আহিছে। আজিৰ প্ৰজন্মই ভাষাটোৰ কালিকা সমূলি পাহৰি গৈছে। খণ্ডবাক্য, জতুৱা ঠাঁচ, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা এতিয়া প্ৰায় পাহৰণিৰ গৰ্ভত। সেইবোৰ ক'ত কেনদৰে প্ৰয়োগ কৰিব লাগে আজিৰ প্ৰজন্মই প্ৰায় পাহৰি গৈছে। লোকসংস্কৃতিবিদ এলান ডাণ্ডেছে উল্লেখ কৰা মতে, আফ্ৰিকাৰ জনৈক ইড'ভাষী যুৱকক হেনো সোধা হৈছিল— তেওঁ নিজৰ ভাষাৰ প্ৰবাদ-প্ৰবচন, ফকৰা আদি জানেনে বুলি। যুৱকজনে উত্তৰত কৈছিল যে তেওঁ জানে, কিন্তু সেইবোৰ ক'ত, কি অৰ্থত, কিদৰে প্ৰয়োগ কৰিব লাগে নাজানে। আমাৰ অৱস্থাও লাহে লাহে সেই পৰ্যায়লৈ গৈ আছে। আমাৰ সুৱদি-সুৱীয়া ভাষাটোৰ অনন্য সম্পদ হৈছে গাঁৱৰ ককা-আইতাহঁতৰ মুখত আখৈ ফুটাদি ফুটা প্ৰবাদ-প্ৰবচন, খণ্ডবাক্য, জতুৱা প্ৰয়োগবোৰ। এটা উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলো। এগৰাকী বুঢ়ী মানুহে এজনী ছোৱালীৰ পিন্ধি থকা কাপোৰ সাজক লক্ষ্য কৰি কৈছিল— "এ আই, তইনো এইসাজ কি কাপোৰ পিন্ধিছ, একেবাৰে দিখৌ মুখলৈকে দেখি।"

নক'লেও চলে, কথাষাৰৰ দিখৌ মুখলৈকে দেখি অংশটোৱে পাতল কাপোৰ এসাজক বুজাইছে। কিন্তু তাকে নকৈ দিখৌ মুখলৈকে দেখা বুলি কোৱাত বক্তব্যৰ প্ৰকাশিকা শক্তি কিমান বৃদ্ধি পাইছে সেয়া অনুধাৱন কৰিলগীয়া। দুখৰ কথা, সদ্যহতে আমি আমাৰ ভাষাৰ এই গুণ পাহৰিবলৈ আৰম্ভ কৰিছো।

আলস্কা বিশ্ববিদ্যালয়ৰ 'নেটিভ লেংগুৱেজ চেন্টাৰ'ৰ একালৰ সঞ্চালক ক্ৰাউছৰ মতেও পৃথিৱীজুৰি কথিত প্ৰায় সাত হাজাৰ ভাষাৰ মাজত মাত্ৰ তিনিশমান ভাষাহে সংকটমুক্ত। তেওঁ আৰু অনুমান কৰিছে যে একবিংশ শতিকাৰ অন্তিম ক্ষণলৈ নব্বৈৰ পৰা পঁচানব্বৈ শতাংশ ভাষা পৃথিৱীৰ বুকুৰ পৰা চিৰকাললৈ নাইকিয়া হৈ যাব।

মনত ৰখা ভাল যে, একোটাহঁত জনগোষ্ঠীৰ নিজৰ ভাষা-সংস্কৃতি সেই জনগোষ্ঠীটোৰ দুৰ্ভেদ্য বৰ্মসদৃশ। তাৰ দ্বাৰা বাহিৰৰ বণিক গোষ্ঠীয়ে জাপি দিয়া অপতৃণবোৰৰ পৰা নিজক ৰক্ষা কৰিব পাৰি। শেহতীয়াভাৱে প্ৰাচ্যতত্ত্বৰ প্ৰবক্তা এডোৱাৰ্ড ছেইডে সেইবাবেই মানুহক নিজৰ স্বকীয়ত্ব বুজিবলৈ আৰু কোনো বিশেষ শক্তিৰ দাস নহ'বলৈ সকীয়াই দিছে। সাম্ৰাজ্যবাদী শক্তিসমূহক মাত্ৰ পণ্য দ্ৰব্য বিকিবলৈ বজাৰৰ প্ৰয়োজন। ভাষাৰ স্থান তাত গৌণ। মানুহ কিবা প্ৰকাৰে আখৰকেইটা চিনি পণ্য সামগ্ৰীৰ নাম পঢ়িব পৰিলেই হ'ল। সেইবোৰৰ গুণাগুণ বুজিবৰ বাবে মানুহৰ উচ্চশিক্ষা, নিজ ভাষাৰ জ্ঞানৰ কোনো আৱশ্যক নাই। আমি যেন লাহে লাহে সেই শক্তিসমূহে পতা জালত ক'ব নোৱৰাকৈয়ে আবদ্ধ হৈ পৰিছো।

ভাষা একোটাৰ বিলুপ্তিৰ প্ৰথম ঢাপটো আৰম্ভ হয় তাৰ বৈয়াকৰণিক বিকৃতিৰে। অসমীয়া ভাষাত সেই লক্ষণ ইতিমধ্যে পৰিস্ফুট হৈছে। লিখিত ৰূপটোত বানানৰ বাহিৰে অন্য কোনো বিশেষ বিকৃতি দেখা নগ'লেও, কথিত ৰূপটোত, বিশেষকৈ কিছুসংখ্যক শিক্ষিত লোকৰ কথনভংগীত তাৰ প্ৰভাৱ সৰ্বগ্ৰাসী ৰূপত দেখা গৈছে। আমাৰ আইৰ মুখৰ ভাষাৰ প্ৰকৃত ৰূপটো যেন ক'ৰবাত হেৰাই যাবলৈ আৰম্ভ কৰিছে। ভাষাটোৰ জতুৱা ৰূপটো আমি যেন পাহৰি গৈছোঁ।

একালত উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগী ভাষা আছিল অসমীয়া। নাগামিজ, নেফামিজ আদি ভাষা অসমীয়া ভাষাক কেন্দ্ৰ কৰিয়ে গঢ় লৈ উঠিছিল। এতিয়া কিন্তু অসমীয়া ভাষাৰ সেই বিস্তৃতি বহু পৰিমাণে কমি গৈছে। তাৰ ঠাইত সেই অঞ্চলৰ নিজা ভাষাৰ পৰিসৰ বৃদ্ধি হোৱা হ'লে নিশ্চয়কৈ সুখৰ বিষয় হ'লহেঁতেন। কিন্তু পৰিতাপৰ কথা সেই ঠাই লৈছে হিন্দীয়ে। অৰুণাচল, মেঘালয়, মণিপুৰ আদিলৈ গ'লে এতিয়া হিন্দীৰে কাম চলাবলগীয়া হয়।

ভাষাৰ বিলুপ্তি একে দিনাই নাহে। ই আহে গোপন ব্যাধিৰ দৰে। যেতিয়া প্ৰকট হয়, তেতিয়া আৰু চিকিৎসাৰ সকলো সম্ভাৱনা নাইকিয়া হয়। এটা ভৌগোলিক পৰিৱেষ্টনত কথিত ভাষাটো যেতিয়া কণ কণ ল'ৰা-ছোৱালীয়ে ক'বলৈ এৰে, তেতিয়াই বুজিব লাগিব যে সেই ভাষাক বিলুপ্তিৰ দুৰাৰোগ্য গোপন ব্যাধিয়ে লগ দিছে। গ্ৰামাঞ্চলৰ কথা বাদ দি অসমৰ চহৰবোৰৰ কণ কণ শিশু, কিশোৰৰ মুখৰ ভাষা বিশুদ্ধ অসমীয়াৰ পৰিৱৰ্তে খুব সন্তপৰ্ণে হিন্দী-ইংৰাজী মিহলি এক মিশ্ৰিত ৰূপলৈ পৰ্যবসিত হ'বলৈ লোৱা দেখা গৈছে। তেওঁলোকে অসমীয়া ক'লেও উচ্চাৰণত মাতৃভাষাৰ খাচ বিশেষত্ব যেন ফুটি নুঠে। কোনোবাই ক'ব পাৰে— ভাষা মনৰ ভাব প্ৰকাশৰ মাধ্যম। গতিকে বক্তাৰ মনৰ ভাৱ শ্ৰোতাই বুজিলেই হ'ল। উপৰুৱাকৈ চালে কথাটো হয়। কিন্তু গভীৰ অন্তদৃষ্টিৰে পৰ্যবেক্ষণ কৰিলে দেখা যায়, ভাষাৰ মৃত্যুৱে একোটা জাতিৰ স্বকীয়ত্ব নষ্ট কৰে, জাতিটোক বিজতৰীয়া কৰে। কাৰণ অৱশেষ বিচাৰত ভাষাই হ'ল জাতি বিশেষৰ সংস্কৃতিৰ সংৰক্ষক। ভাষাৰ মৃত্যু মানে সেই ভাষা কোৱা জাতিটোৰ মৃত্যু। সৌভাগ্যৰ বিষয় অসমীয়া ভাষা য়ুনেস্ক'-এ চিহ্নিত কৰা সংকটাপন্ন ভাষাৰ তালিকাত এতিয়াও সোমোৱা নাই। অৱশ্যে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় সকলোবোৰ ভাষা এই তালিকাৰ অন্তৰ্ভুক্ত হৈছে। তাৰে কোনোবাটো মৃত্যুমুখী (Moribund), কোনোবাটো সংকটাপন্ন, আন কোনোবাটো অধিক সংকটাপন্ন ইত্যাদি ইত্যাদি। অসমৰ তাই ভাষাগোষ্ঠীৰ অন্তৰ্গত তাই খাময়াং ভাষাটোক সংকটাপন্ন, আন কোনোটো অধিক সংকটাপন্ন ইত্যাদি ইত্যাদি। অসমৰ তাই ভাষাগোষ্ঠীৰ অন্তৰ্গত তাই খাময়াং ভাষাটোক মৃত্যুমুখী বোলা হৈছে। সম্প্ৰতি সেই ভাষাটোক পুনৰ্জীৱন দিয়াৰ বাবে কিছুসংখ্যক লোক ব্ৰতী হোৱাটো শুভ লক্ষণ।

সাধাৰণতে জৈৱ বৈচিত্ৰ্যৰ বিলুপ্তিৰ ক্ষেত্ৰত বৰ্তমান সমাজ যিমান সচেতন, ভাষাৰ বিলুপ্তিৰ ক্ষেত্ৰত সিমান সচেতন যেন অনুভৱ নহয়। অথচ যুগ যুগ ধৰি সঞ্চিত জ্ঞানৰ ভাণ্ডাৰ, অভিজ্ঞতা, "পুৰণি পৃথিৱীক ন-কৈ চাই" লোৱাৰ দৃষ্টিভংগী ভাষাৰ মাধ্যমেৰেই বিধৃত হৈ থাকে। অতি সম্প্ৰতি বিশ্বজুৰি জগতৰ প্ৰতিটো ভাষাকে সম মৰ্যাদাৰে জীয়াই ৰখাৰ এক নতুন চিন্তা-চেতনা জাগ্ৰত হোৱাটো অতিশয় শুভ লক্ষণ। আমেৰিকা, জাপান, অষ্ট্ৰেলিয়া, আফ্ৰিকা আদিত ভাষাৰ সুৰক্ষাৰ বাবে বিভিন্ন সংগঠনৰ জন্ম হৈছে আৰু সেইবোৰে বিলুপ্তপ্ৰায় তথা সংকটগ্ৰস্ত ভাষাবোৰৰ পুনৰ্জীৱনৰ বাবে অহোপুৰুষাৰ্থ কৰি আছে। বিশিষ্ট ভাষাতাত্ত্বিক ডেভিড ক্ৰিষ্টেলৰ 'Language Death' শীৰ্ষক গ্ৰন্থখন এই দিশৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি। ভাৰতবৰ্ষত এই চেতনাৰ প্ৰতিফলন এতিয়াও সীমিত হৈ আছে।

পৰিশেষত তথাকথিত উন্নয়নৰ সৰ্বগ্ৰাসী প্ৰভাৱে ভাষা-বৈচিত্ৰ্যৰ বুকুলৈ নমাই অনা গভীৰ সংকটৰ বিষয়ে উত্তৰ-বংগ বিশ্ববিদ্যালয়ৰ একালৰ প্ৰাধ্যাপক অশ্ৰুকুমাৰ শিকদাৰ ডাঙৰীয়াই কৰা এই মন্তব্যটি বিবেচনা কৰি চাবলৈ আটাইকে আহ্বান জনালো।

"উন্নয়নের প্রকোপে যেমন হারিয়ে যাচ্ছে জৈব বৈচিত্র্য, অগণিত কীট-পতংগ প্রাণী, উদ্ভিদ-বৃক্ষ-লতা, তেমনি হারিয়ে যাচ্ছে ভাষা আৰু সংস্কৃতি। সংকটাপন্ন তাই মানুষের সত্তা। ভাষাৰ বৈচিত্র্য হারানোয় পৃথিবী তার সৌন্দর্যসুষমা হারায়, মানুষের চিরাগত জ্ঞান-অভিজ্ঞতার ভাণ্ডারকে হারায়, হারায় বিশ্বকে দেখবার এক অনন্য দৃষ্টিকে। উন্নয়নের কাছে এই অনন্যতা কি পরাস্ত হ'বে, নতুন সহস্রাব্দের প্রবেশদ্বারে দাঁড়িয়ে সব ভাবুক মানুষকে এই জিজ্ঞাসাৰ উত্তৰ খুঁজতেই হ'বে।"

অসমীয়াভাষী সচেতন হোৱাৰ সময় সমুপস্থিত। নিজৰ লগতে আনৰ ভাষাকো সংকটৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ সকেলা সচেতন হওক, যত্নপৰ হওক। এয়া একবিংশ শতিকাৰ সময়ৰ আহ্বান। ■

*উৎস ঃ ইন্টাৰনেট আৰু বাতৰিকাকত*

## সম্পাদকৰ সংগ্ৰহ

"অসমত অসংখ্য ভাষা-ভাষী মানুহৰ সমাবেশ। চাৰিওফালে বেৰি থকা পৰ্বতীয়া ভাষাবোৰৰ ভিতৰত অসমীয়া ভাষা এটা সৰু দ্বীপৰ দৰে। ইমানবোৰ ভাষা-ভাষীৰ ঠেলাহেঁচাত হয় অসমীয়া ভাষা বুৰ গ'লহেঁতেন, নহয় ই বিকৃতাকাৰ হ'লহেতেন। বৈষ্ণৱ কবিসকলে অসমীয়া ভাষাক আশ্ৰয় কৰি সাৰ্বজনীন শিক্ষা দিয়াৰ ব্যৱস্থা কৰাত অসমীয়া ভাষা জাতীয় ভাষাৰূপে পৰিগণিত হ'ল আৰু পৰ্বতীয়া ভাষাৰ শব্দ চোৰাংকৈ ইয়াত সোমালেও কোনো আদিম ভাষাই ইয়াৰ মৌলিক ৰূপৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।"

— ডঃ বাণীকান্ত কাকতি

# অন্যতম বিশ্বশ্ৰেষ্ঠ ফুটবলাৰ
# ক্ৰিষ্টিয়ানো ৰ'ণাল্ডো


**জ্যোতি বৰঠাকুৰ**
স্নাতক পঞ্চম ষাণ্মাসিক (কলা)


বৰ্তমান বিশ্বৰ এবিধ অন্যতম জনপ্ৰিয় খেল হ'ল ফুটবল। এই খেলবিধৰ বিষয়ে ক'বলৈ যাওঁতে যিসকল বিশ্বশ্ৰেষ্ঠ ফুটবলাৰৰ নাম মনলৈ আহে, তাৰে ভিতৰত অন্যতম নৱপ্ৰজন্মৰ মাজত সবাতোকৈ জনপ্ৰিয় ক্ৰিষ্টিয়ানো ৰ'ণাল্ডো। যিজন ফুটবলাৰ এফালে যদি World's Fittest Athletic আনফালে World's most marketable sportsman, আকৌ Wolrd's richest Footballer আৰু World's highest paid Athlete.



ক্ৰিষ্টিয়ানো ৰ'ণাল্ডোৰ ১৯৮৫ চনৰ ৫ ফেব্ৰুৱাৰীত পৰ্তুগালত জন্ম হয়। মাত্ৰ ১২ বছৰ বয়সতে নিজ অঞ্চল মাডেৰিয়াত নিজৰ নাম উজলাবলৈ সক্ষম হোৱা ৰ'ণাল্ডোৰ ওপৰত তেতিয়াই পৰ্তুগালৰ ডাঙৰ ডাঙৰ ক্লাববিলাকৰ চকু পৰে। পোনপ্ৰথমে ৰ'ণাল্ডোৱে Sporting Clubৰ লগত চুক্তিবদ্ধ হয় আৰু ২০০৩ চনত মানচেষ্টাৰ ইউনাইটেড দলৰ বিৰুদ্ধে খেলা এখন খেলত মানচেষ্টাৰ ইউনাইটেডক পৰাস্ত কৰি ৰ'ণাল্ডোৱে সেই দলৰ মেনেজাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছত ৰ'ণাল্ডো মানচেষ্টাৰ ইউনাইটেড দলৰ লগত চুক্তিবদ্ধ হৈ এই দলৰ লগত চুক্তিবদ্ধ হোৱা প্ৰথম পৰ্তুগীজ খেলুৱৈ হিচাপে পৰিগণিত হয়। মানচেষ্টাৰ ইউনাইটেড দলত থাকোঁতে ৰ'ণাল্ডোৱে দলটিক তিনিবাৰকৈ প্ৰিমিয়াৰ লীগৰ খিতাপ, এটা UEFA Champions League খিতাপ আৰু এটা FIFA ক্লাৱ বিশ্বাকপৰ খিতাপ জয়ী কৰোৱাত গুৰুত্বপূৰ্ণ ভূমিকা লয়। ২০০৮ চনত FIFA Ballon d'or আৰু ফিফা বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ বঁটাৰ বাবে ৰ'ণাল্ডো নিৰ্বাচিত হয় যদিও সেই বঁটা লভিবলৈ অক্ষম হয়। ইয়াৰ পিছতেই অৰ্থাৎ ২০০৯ চনত ৰ'ণাল্ডোৱে FIFA Ballon d'or আৰু ফিফা বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ আজুৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতেই আৰম্ভ হয় ৰ'ণাল্ডোৰ জীৱনৰ অন্য এক অধ্যায়, য'ত ৰ'ণাল্ডোৱে অভিলেখ সংখ্যক টকাৰে ৰিয়েল মাদ্ৰিদ দলৰ সৈতে চুক্তিবদ্ধ হয় আৰু লগে লগে স্থাপন কৰি গ'ল এটাৰ পাছত আনটো অভিলেখ। ২০১৩ আৰু ২০১৪ চনত একেৰাহে দুবাৰকৈ ৰ'ণাল্ডোলে FIFA Ballon d'or জিকিবলৈ সক্ষম হয়। ৰিয়েল মাদ্ৰিদৰ হৈ La Liga ত ৩২টা হেট্ৰিক দি ৰ'ণাল্ডোৱে এক অভিলেখ স্থাপন কৰে। ২০১৪ চনত La Liga ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে ১৭৮ খন খেলত ২০০টা গ'ল দি ৰ'ণাল্ডোৱে অভিলেখ গঢ়ে। ২০১৫ চনত ৰ'ণাল্ডো ৰিয়েল মাদ্ৰিদ দলৰ সৰ্বকালৰ সৰ্বোচ্চ গ'ল দিওঁতা খেলুৱৈ হিচাপে পৰিগণিত হয়। ২০১৬ চনত ৰিয়েল মাদ্ৰিক দলক ১১ সংখ্যক ইউৰোপীয়ান খিতাপ আৰু নিজ দেশ পৰ্তুগালক ইউৰো ২০১৬ জিকোৱাত আগবঢ়োৱা বৰঙণিৰ বাবে এক অভিলেখ সংখ্যক ভোটৰ দ্বাৰা ৰ'ণাল্ডোৱে পঞ্চমবাৰলৈ FIFA Ballon d'or জিকিবলৈ সক্ষম হয়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰ'ণাল্ডো সৰ্বোচ্চ গ'ল দিওঁতা খেলুৱৈ আৰু পতুৰ্গালৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ফুটবলাৰ হিচাপে খ্যাত। ২০১৬-১৭ চনত 'ফৰ্বচ' আলোচনীয়ে ৰ'ণাল্ডোক 'Most marketable sportsman', 'World's highest paid Athlete' হিচাপে নিৰ্বাচিত কৰে। ২০১৬-১৭ চনতে ESPN য়ে ৰ'ণাল্ডোক বিশ্বৰ আটাইতকৈ জনপ্ৰিয় খেলুৱৈ হিচাপে নিৰ্বাচিত কৰে। ২০১৮ চনত ৰাছিয়াত অনুষ্ঠিত হোৱা ফিফা বিশ্বকাপতো ৰ'ণাল্ডোৱে পৰ্তুগালৰ হৈ আকৰ্ষণীয় প্ৰদৰ্শন দাঙি ধৰে আৰু বহু অভিলেখো স্থাপন কৰে। স্পেইনৰ বিৰুদ্ধে হোৱা প্ৰথমখন লীগ মেচত ৰ'ণাল্ডোৱে ৩ টাকৈ গ'ল দি হেট্ৰিক অৰ্জন কৰে আৰু খেলখন ৩-৩ গ'লত ড্ৰ হয়। বিশ্বকাপৰ পৰ্তুগালে যথেষ্ট উন্নত প্ৰদৰ্শন কৰিব নোৱাৰিলেও ৰ'ণাল্ডোৱে সকলোৱে দৃষ্টি আকৰ্ষণ কৰে। ৩ খন খেলত পৰ্তুগালে ৫ টাকৈ গ'ল দিয়ে আৰু ইয়াৰে ৪ টা গ'ল ৰ'ণাল্ডোৱে দিয়ে। তদুপৰি বিশ্বকাপত ৩৩ বছৰীয়া ৰ'ণাল্ডোৱে ঘণ্টাত ৩৪ কি.মি. বেগত দৌৰি সম অভিলেখ স্থাপন কৰি সকলোকে আচৰিত কৰি তোলে। এই অভিলেখ স্থাপনৰ দ্বাৰা ৰ'ণাল্ডোৱে আকৌ এবাৰ সকলোকে প্ৰমাণ কৰি দেখুৱালে যে তেওঁক কিয় 'World's fittest athlete' হিচাপে আখ্যা দিয়া হয়। বিশ্বকাপৰ পিছতেই ৰ'ণাল্ডোৰ জীৱনলৈ অন্য এক অধ্যায় আহে। ৰ'ণাল্ডোৱে ৰিয়েল মাদ্ৰিদ দল ত্যাগ কৰি জুভেনটাচ (Juventus) দলৰ সৈতে চুক্তিবদ্ধ হয়। ইয়াৰ লগে লগে ৰিয়েল মাদ্ৰিদ দলে এনেকুৱা এজন বিশ্বশ্ৰেষ্ঠ তাৰকাক হেৰুৱাব লগা হয়, যিয়ে দলটোক বিশ্বৰ আগত শ্ৰেষ্ঠ হিচাপে স্বীকৃতি দিয়াত অগ্ৰণী ভূমিকা পালন কৰিছিল।

কঠোৰ শ্ৰম আৰু আত্মবিশ্বাসৰ দ্বাৰা বিশ্ববাসীক মোহিত কৰিবলৈ সক্ষম হোৱা ৰ'ণাল্ডো সাধাৰণ নাগৰিক হিচাপেও লেখতল'বলগীয়া। তেওঁ শাৰিৰীকভাৱে অক্ষম শিশু প্ৰতিষ্ঠানসমূহলৈ বহু সময়ত বহু দান-বৰঙণি আগবঢ়াই আহিছে। খেল পথাৰত দেখুওৱা তেওঁ ভৰিৰ যাদুৰে বিশ্ববাসীক সদায় আমোদ যোগাই আহিছে আৰু আগলৈও যোগাই থাকিব। ■

## Manchester United Football Club

Manchester United Football Club is a professional football club based in old Trafford ,Greater Manchester, England ,that competes in the premier league , the top flight of English football . Nicknamed "the Red Devils", the club was founded as Newton Heath LYR Football Club in 1878, changed its name to Manchester United in 1902 and moved to its current stadium, old Trafford ,in 1910.Manchester United have won more trophies than any other club in English football,with a record 20 league titles ,12 FA cups ,5 league cups and a record 21 FA community shields .United have also won three UEFA champions leagues ,one UEFA Europa league ,one UEFA cup winners' cup ,one UEFA super cup ,one intercontinental cup and one FIFA club world cup .In 1998-98 the club became the first in the history of English football to achieve the continental European treble .By winning the UEFA Europa League in 2016-17 they became one of five clubs to have won all three main UEFA club competitions.

The 1958 Munich air disaster claimed the lives of eight players. In 1968, under the management of matt busby ,Manchester United became the first English football club to win the European Cup. Alex Ferguson won 38 trophies as manager, including 13 Premier League titles, 5 FA Cups and 2 UEFA Champions Leagues, between 1986 and 2013,when he announced his retirement. ■

*Source : Internet*



ৰাজা হৰি সিং


# সংবিধানৰ ৩৭০ নং ধাৰা ঃ আশীৰ্বাদ নে অভিশাপ

**ভৈৰৱ জ্যোতি কাকতি**
স্নাতক তৃতীয় যাণ্মাষিক (কলা)

এই বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীত দক্ষিণ কাশ্মীৰৰ পুলুৱামাত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতেই ধাৰা ৩৭০ৰ ওপৰত বিতৰ্ক আৰু বিবাদ আৰম্ভ হৈছে। প্ৰায় সংখ্যক লোকৰ মতে জম্মু কাশ্মীৰৰ পৰা এই ধাৰা ৩৭০ উঠাই দিব লাগে। এই ধাৰা ৩৭০ ৰ বাবেই জম্মু কাশ্মীৰৰ দ্বি-নাগৰিকত্ব আছে আৰু লগতে জম্মু কাশ্মীৰৰ ৰাষ্ট্ৰীয় পতাকা বেলেগ।

কিন্তু এই ধাৰা ৩৭০ কি? এই ধাৰা কেতিয়া আৰু কিয় সংবিধানত সন্নিৱিষ্ট কৰা হৈছিল? কোনবোৰ কাৰকে এই ধাৰাক ইমান বিবাদিত কৰিছে? ইমানকৈ বিবাদিত হোৱা স্বত্বেও কিয় আজিলৈকে ধাৰা ৩৭০ ভাৰতীয় সংবিধানৰ অংশ হৈ আছে?

এই প্ৰশ্নসমূহৰ উত্তৰ পাবলৈ আমি ভাৰতৰ স্বাধীনতাৰ কালছোৱা অধ্যয়ন কৰিব লাগিব। যেতিয়া ভাৰত স্বাধীন হৈছিল তেতিয়া ৫৬২ খন Princely States আছিল। বৃটিছে প্ৰত্যেকখন Princely Statesক এই অধিকাৰ দিছিল যে তেওঁলোকে নিজ ইচ্ছামতে ভাৰত বা পাকিস্তান যিকোনো এখন দেশতে অন্তৰ্ভুক্ত হ'ব পাৰে। অথবা তেওঁলোকে নিজে এখন বেলেগ ৰাষ্ট্ৰ গঠন কৰিব পাৰে। এই অধিকাৰ প্ৰয়োগ কৰিয়েই জম্মু কাশ্মীৰৰ সেই সময়ৰ ৰজা হৰিসিঙে জম্মু কাশ্মীৰক এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে গঠন কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু ৰজা হৰিসিঙে এই সিদ্ধান্ত ৰূপায়ণ কৰাৰ আগতে ১৯৪৭ চনৰ ২২ অক্টোবৰত পাকিস্তানে জম্মু কাশ্মীৰক আক্ৰমণ কৰি দিলে। তেতিয়া ৰজা হৰি সিঙে ভাৰতক



সহায়ৰ বাবে অনুৰোধ কৰে। কিন্তু ভাৰতীয় সেনাই তেতিয়াহে জম্মু কাশ্মীৰত প্ৰৱেশ কৰিব পাৰিব যেতিয়া ৰজাই Instruments of Accession ত চহী কৰিব। ৰজাই Instruments of Accessionত চহী কৰাৰ পাছতেই ভাৰতীয় সেনাই জম্মু কাশ্মীৰক পাকিস্তানী সেনাৰ পৰা মুক্ত কৰিলে। এইখিনিতে উল্লেখযোগ্য যে, সেই সময়ত যিবোৰ Princely States-এ ভাৰতৰ লগত থাকিব বিচাৰিছিল তেওঁলোকে দুই ধৰণৰ দস্তাবেজত চহী কৰিবলগা হৈছিল— Instruments of Accession আৰু Instruments of Merger। ৰজা হৰিসিঙে Instruments of Accession ত চহী কৰিছিল কিন্তু Instruments of Merger ত চহী কৰাৰ আগতেই সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহাৰলাল নেহৰুৱে ৰেডিঅ'ত এইবুলি ঘোষণা কৰিলে যে- তেওঁ জম্মু কাশ্মীৰত Reffrendum অৰ্থাৎ জনমত সংগ্ৰহ কৰিবলৈ প্ৰস্তুত হৈছে। সেয়ে ৰজা হৰিসিঙে Instruments of Merger ত চহী কৰিব নোৱাৰিলে। যিহেতু এই বিষয়টি ৰাষ্ট্ৰসংঘ পাইছিলগৈ সেয়ে ৰজাই Instruments of Merger ত চহী কৰিবলৈ নাপালে। ভাৰত আৰু জম্মু কাশ্মীৰৰ মাজত আইনী সম্বন্ধ গঢ়িবলৈ লুইচ মাউন্টবেটেনৰ উপদেশ মতে জৱাহাৰলাল নেহেৰুৱে জম্মু কাশ্মীৰৰ সেই সময়ৰ প্ৰধান মন্ত্ৰী শ্বেখ আব্দুলাৰ সৈতে আলোচনা কৰি ধাৰা ৩৭০ ৰ প্ৰাৰম্ভ কৰিলে। তেতিয়া জৱাহাৰলাল নেহেৰুৱে ড° ভীমৰাও আম্বেদকাৰক ধাৰা ৩৭০ ৰ ড্ৰাফ তৈয়াৰ কৰিবলৈ অনুৰোধ কৰিলে। কিন্তু আম্বেদকাৰে এই ধাৰাৰ বিষয়ে বিতংকৈ জনাৰ পাছত এই ধাৰা তৈয়াৰ কৰিবলৈ অমান্তি হয়। সেয়ে পণ্ডিত নেহৰুৱে গোপাল স্বামী আয়াৰক এই ধাৰা তৈয়াৰ কৰিবলৈ কয়। অৱশেষত ১৯৪৯ চনত ধাৰা ৩৭০ তৈয়াৰ কৰি সংসদলৈ আগবঢ়ায়।

**ধাৰা ৩৭০ ৰ বিবাদিত কাৰকসমূহ ঃ**

- জম্মু কাশ্মীৰৰ লোকসকল দ্বি-নাগৰিকত্বৰ অধিকাৰী।
- জম্মু কাশ্মীৰৰ ৰাষ্ট্ৰীয় পতাকা পৃথক।
- জম্মু কাশ্মীৰৰ বিধানসভাৰ কাৰ্যকাল ৬ বছৰ, কিন্তু ভাৰতৰ অন্য প্ৰান্তত ৫ বছৰ।
- ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীক আৰু ৰাষ্ট্ৰীয় পতাকাৰ অপমান জম্মু কাশ্মীৰত অপৰাধ নহয়।
- ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ কোনো আদেশ জম্মু কাশ্মীৰত মান্য নহয়।
- ভাৰতৰ সংসদে জম্মু কাশ্মীৰ বিষয়ক লৈ সীমিতভাৱেহে আইন প্ৰণয়ন কৰিব পাৰে।
- জম্মু কাশ্মীৰৰ কোনো মহিলাই যদি ভাৰতৰ অন্য ৰাজ্যৰ পুৰুষৰ সৈতে বিবাহপাশত আৱদ্ধ হয়, সেই মহিলাৰ নাগৰিকত্ব সমাপ্ত হয়। অন্যহাতে যদি পাকিস্তানৰ কোনো পুৰুষে জম্মু কাশ্মীৰৰ কোনো মহিলাৰ সৈতে বিবাহ হয় তেতিয়া সেই পুৰুষজনে জম্মু কাশ্মীৰৰ নাগৰিকত্ব লাভ কৰে।
- ধাৰা ৩৭০ ৰ বাবে কাশ্মীৰত RTI, RTE, CAG আদি আইনসমূহ বলৱৎ নহয়।
- কাশ্মীৰৰ মহিলাসকলৰ ওপৰত 'শ্বৰিয়ত' আইন প্ৰণয়ন হৈ আছে।
- কাশ্মীৰত পঞ্চায়তৰ কোনো অধিকাৰ নাই।
- কাশ্মীৰত সংখ্যালঘুসকলে (হিন্দু/শিখ) সংৰক্ষণ নাপায়।
- ধাৰা ৩৭০ ৰ বাবে কাশ্মীৰৰ বাহিৰৰ লোকে কাশ্মীৰত মাটি কিনিব নোৱাৰে।
- এই ধাৰাৰ বাবে এজন পাকিস্তানীয়েও ভাৰতীয় নাগৰিকত্ব পাব, মাথো তেওঁ কোনো এগৰাকী কাশ্মীৰী ছোৱালীক বিয়া কৰালেই হ'ল।

জম্মু কাশ্মীৰৰ ক্ষেত্ৰত সমগ্ৰ পৃথিৱীয়ে ভাৰতৰ লগ দিয়ে। ইয়াৰ কাৰণ হ'ল এই ধাৰা ৩৭০। আচলতে সাম্প্ৰতিক সময়ত ধাৰা ৩৭০ এ আমাক সুৰক্ষা দি আছে। ভাৰতে কাশ্মীৰত বেআইনীভাৱে হস্তক্ষেপ কৰি আছে বুলি কোনোদিনেই দাবী তুলিব নোৱাৰে একমাত্ৰ ধাৰা ৩৭০ৰ বাবে। ৰজা হৰিসিঙে Instruments of Mergerত চহী নকৰা স্বত্বেও ধাৰা ৩৭০ এ ভাৰতক কাশ্মীৰত আইনসংগতভাৱে হস্তক্ষেপ কৰাৰ সহায় কৰি আছে। এতিয়া আমি যদি ধাৰা ৩৭০ ৰ বাবে লৰ্ড মাউন্টবেটেনক ধন্যবাদ দিওঁতে এইটোৱো জানি লোৱা দৰকাৰ যে Reffrendum অৰ্থাৎ জনমত সংগ্ৰহ কৰা আৰু জৱাহৰলাল নেহৰুৰ দ্বাৰা ৰেডিঅ'ত ঘোষণা কৰোৱাৰ বুদ্ধি লৰ্ড মাউন্টবেটেনৰেই আছিল। নহ'লে জম্মু কাশ্মীৰ আজি ভাৰতৰ পূৰ্ণাঙ্গ অংশ হৈ থাকিলহেতেন।

ভাৰতৰ সংবিধানৰ অংশ এটাৰ যিকোনো পৰিৱৰ্তন কৰিব লগা হ'লে লোকসভা আৰু ৰাজ্যসভা উভয় সদনৰে সন্মতি লাগিব। ধাৰা ৩৭০ ভাৰতীয় সংবিধানৰ Transitional and Special Provisionৰ অন্তৰ্ভুক্ত আৰু এই Provisionৰ যিকোনো ধাৰা আঁতৰাবলৈ একমাত্ৰ ৰাষ্ট্ৰপতি আদেশৰ প্ৰয়োজন। ৰাষ্ট্ৰপতিৰ মাথো এটা আদেশত ধাৰা ৩৭০ ভাৰতীয় সংবিধানৰ পৰা তৎক্ষণাৎ নোহোৱা হ'ব। কিন্তু এইখিনিতেই হ'ল ডাঙৰ সমস্যাটো। ধাৰা ৩৭০ ভাৰতীয় সংবিধানৰ অংশ হোৱাৰ উপৰিও জম্মু কাশ্মীৰৰ সংবিধানৰো অংশ হয়। ভাৰতীয় সংবিধান সভাৰ দৰে জম্মু কাশ্মীৰৰো এখন সংবিধান সভা আছিল (১৯৫১ৰ পৰা ১৯৫৬ লৈ) আৰু তেওঁলোকে জম্মু কাশ্মীৰৰ এখন পৃথক সংবিধান তৈয়াৰ কৰিলে আৰু ধাৰা ৩৭০ জম্মু কাশ্মীৰৰ সংবিধানৰ অংশ কৰিলে। জম্মু কাশ্মীৰৰ সংবিধান সভাই এক অদ্ভুত চৰ্ত সংবিধানৰ অন্তৰ্ভুক্ত কৰিলে। চৰ্ত অনুসৰি ভাৰতীয় সংবিধানৰ কোনো Provision যদি জম্মু-কাশ্মীৰৰ সংবিধানৰ অংশ হয় তেন্তে সেই Provision আঁতৰাবৰ বাবে কোনো প্ৰস্তাৱ তুলিব নোৱাৰিব। অৰ্থাৎ ধাৰা ৩৭০ ক জম্মু কাশ্মীৰৰ সংবিধানৰ পৰা আঁতৰাব নোৱাৰি। যদি ধাৰা ৩৭০ ভাৰতীয় সংবিধানৰ পৰা মোকলাই দিয়া হয় তেতিয়া ভাৰত এনেকুৱা পৰিস্থিতিত পৰিব যে ভাৰতে কাশ্মীৰত বেআইনীভাৱে হস্তক্ষেপ কৰি আছে। তেতিয়া পাকিস্তান আৰু কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতাসকলে এই দুৰ্বলতাৰ সুযোগ লৈ ৰাষ্ট্ৰসংঘৰ International Court of Justice লৈ যাব পাৰিব আৰু তেতিয়া ভাৰতৰ স্থিতি থুনুকা হৈ পৰিব।

কাশ্মীৰক পৃথিৱীৰ ভূস্বৰ্গ বুলি কোৱা হয়। বিগত সময়ত এই ভূস্বৰ্গ বহু ঘটনাৰ সাক্ষী হৈ ৰৈছে যিবোৰে কাশ্মীৰক নৰকলৈ ৰূপান্তৰ কৰিছে। ভাৰতৰ বহু বীৰ জোৱানে এই ভূমিৰ বাবে জীৱন দান দিছে আৰু হয়তো এই কাশ্মীৰৰ বাবেই ভাৰতে কিমান সমস্যাৰ সন্মুখীন হ'ব ঠিক নাই। ৰেডিঅ'ত মাথো এটা ঘোষণাই হৈছে এই বিবাদৰ শিপা। ■

# SCENERIO OF 21<sup>ST</sup> CENTURY`S YOUTH

**Bitu Ali Hazarika**
T.D.C. 5th Sem (Science)

Everything`s in the earth has both possitive and negative which have to be accepted in a right way to grow and prosper in life.But young generation who are unable to judge the right path are highly influenced with the negative things.A majority of the youth today spoil their career in useless habits like smoking ,drinking alcohol,drug-addiction which destroys their life.Awarness between young people and self judgement should be good enough for the steps that younger generation takes i.e. whether they are following the reality or simply living in an illusion must have a clear vision.

Now a day`s pressuming amongst young-stars is fast growing in today`s scenario. This bad habit is commonly seen in youth that spend more time with each other.Many a time, young-stars prefer to sit in groups and chit chat over things that might not even matter. They prefer doing it over a cigarette or probably some alcolol. Now,if a friend don`t fall into these bad habits, they are often forced or encouraged by other friends to get into probably trying a cigarette or some weed.Many people do certain things just because their best buddy does it too.Young generation need to choose good friend by seeing others behavior whether they are peer pressuring you to do bad things or helping you to do good things in your life and making a sense that you are in a right pathway to achieve your goal.

Education for self-reliance. “Every adult was a teacher to a greater or lesser degree, this lack of formality may have made education more directly relevent to the society in which the child was growing up”.Today,education is touted as the single most important tool to transfer the poorest countries in the devloping world into prosperous economics but the need is not just for schooling but for education that is appropriate to the challenges that young people will face in the 21st century.

patience in students is the factor which must be achieved by every students during their study time.Students face numerous problem or in other word challenges during their academics.Now a day’s competition is very high for education as well as job is concerned.Job opportunities are also limited and quantity of qualified person is more,here perfection matters and ability of working must be dedicated to the job.

Quality of a person doesn’t mean that the person is good in academic performance but the person must be able to do or handle any situation what so ever comes to life during life span, it may be bad or good things but the perception of the person must be clear that they have to achieve their goal in life in a proper way. A present thinker can make small or big goal to achieve smoothly rather than an illusion to rule the life of a people. Hard work in a smart way are the achiever’s principle of getting success in their hand. ■




# জাগীৰোড কাগজ কল

**ইন্দুভূষণ শইকীয়া**

স্নাতক দ্বিতীয় যাণ্মাসিক (কলা)

নগাঁও কাগজ কল অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডত অৱস্থিত। ১৯৭০ চনত ভাৰত চৰকাৰৰ উদ্যোগত প্ৰতিষ্ঠা হৈছিল হিন্দুস্তান কাগজ নিগমৰ। সমগ্ৰ ভাৰতে কাগজৰ নাটনিৰ বাবে পাঠ্যপুথি ছপা কৰাত অসুবিধা হোৱাত হিন্দুস্তান কাগজ নিগমে ১৯৭৭ চনত নগাঁও কাগজ কল প্ৰতিষ্ঠাৰ প্ৰস্তাৱ লয় আৰু উৎপাদন আৰম্ভ হয় ১৯৭৮ চনত। ১৯৮৯ চনত নগাঁও জিলাৰ পৰা মৰিগাঁও মহকুমাক জিলা হিচাপে ঘোষণা কৰাত জাগীৰোডত থকা কাগজ কলটোও নগাঁও জিলাৰ পৰিৱৰ্তে মৰিগাঁও জিলাৰ অন্তৰ্ভুক্ত হৈ পৰে। কিন্তু নামটো নগাঁও কাগজ কল হিচাপেই থাকি যায়। ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত, জাগীৰোড চহৰৰ পৰা মাত্ৰ ৩ কিল'মিটাৰ পূবে নগাঁও কাগজ কল অৱস্থিত। এই কলটোৰ বাবেই জাগীৰোড চহৰখন কাগজ নগৰী হিচাপে জনপ্ৰিয় হৈ পৰিছে। প্ৰথম অৱস্থাত কেৱল পাঠ্যপুথি আৰু আন শৈক্ষিক কাম-কাজত প্ৰয়োজন হোৱা কাগজহে নগাঁও কাগজ কলে উৎপাদন কৰিছিল। বাণিজ্যিকভাৱে কাগজ উৎপাদন আৰম্ভ হয় ১৯৮৫ চনত। এই কলটো কাগজ উৎপাদনত এছিয়াৰ ভিতৰতে প্ৰথম। ভাৰতৰ অন্য কাগজ কলতকৈ উৎপাদন ক্ষমতা, যন্ত্ৰপাতি আদি সকলো ফালৰ পৰা ডাঙৰ। উৎপাদন কেন্দ্ৰ, আবাসিক অঞ্চল আৰু অন্যান্য অনুষ্ঠান আদিকে লৈ কাগজ কলটোৱে সৰ্বমুঠ ছশ একৰ মাটি আগুৰি আছে। মুঠ পাঁচটা গোটৰ দ্বাৰা ইয়াৰ কাম-কাজ পৰিচালিত হয়। গোটকেইটা হৈছে প্ৰশাসনিক, কাৰিকৰী, বাণিজ্যিক, উৎপাদন আৰু বন। বৰ্তমান উৎপাদন গোটটোৱে দৈনিক ৩০০ টন কাগজ উৎপাদন কৰিব পাৰে। উৎপাদন গোটৰ কাৰ্যক্ষমতা সম্পূৰ্ণ নিৰ্ভৰ কৰে বিজুলী যোগানৰ ওপৰত। কাগজ কলটোৱে নিজা উৎসৰ পৰা বিদ্যুৎ উৎপাদন কৰে আৰু কিছু পৰিমাণে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে যোগান ধৰে। কেঁচামাল হিচাপে প্ৰধানকৈ বাঁহ ব্যৱহাৰ হয়। উৎপাদনত ব্যৱহৃত বাঁহ, কাঠ অসমৰ বিভিন্ন ঠাইৰ পৰা আহে। বাঁহ যোগানৰ বাবে কলৰ কিছুমান নিৰ্দিষ্ট যোগনিয়াৰ আছে। খুচুৰা যোগনিয়াৰসকলে বাঁহ, কাঠ আদি ট্ৰাকত আনি মিলৰ যোগনিয়াৰসকলক দিয়েহি। কাগজ কলটোৱে অসমৰ কিছু অঞ্চলত নিজাকৈ বাঁহ উৎপাদনৰ ব্যৱস্থা কৰিছে। এনে খেতিয়কে উৎপাদিত বাঁহ কেৱল কাগজ কলকহে দিয়ে। এইবোৰ ব্যৱস্থাৰ উপৰিও বাঁহ মজুতকৰণৰ কেইবাটাও ভঁৰাল অসমৰ বিভিন্ন ঠাইত আছে যাতে বাৰিষা সময়ত বাঁহৰ যোগান কমি নাযায়। নগাঁও

কাগজ কলে প্ৰত্যক্ষভাৱে ইয়াৰ উৎপাদিত কাগজ বিক্ৰী নকৰে। হিন্দুস্তান কাগজ নিগমৰ অনুমোদিত কিছু বিতৰক বিক্ৰেতাৰ যোগেদিহে বিক্ৰীৰ ব্যৱস্থা কৰা হয়। তদুপৰি চৰকাৰী আৰু বাতৰি কাকতৰ যোগানকে ধৰি কিছু কাগজৰ সৰবৰাহ প্ৰত্যক্ষভাৱে কৰা হয়। নগাঁও কাগজ কল প্ৰদূষণৰ বাবে বিতৰ্কৰ মাজত সোমাই পৰা দেখা যায়। কাগজ কলৰ প্ৰদূষণৰ বাবে ওচৰ-পাঁজৰৰ লোকৰ ছালৰ ৰোগ, শ্বাস-প্ৰশ্বাস জাতীয় ৰোগ হোৱাৰ অভিযোগ শুনা যায়। কাগজ কলৰ দাঁতিত থকা তৰঙা বিলত পেলনীয়া দ্ৰব্য পেলোৱাৰ ফলত পানী দূষিত হৈ মাছ কাছকে ধৰি আন জলজ প্ৰাণীৰ মৃত্যু হোৱাৰ খবৰ পোৱা যায়। প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দুৰ্বল ভূমিকা লোৱা বুলি কৰ্তৃপক্ষ সমালোচিত হৈ আহিছে।

**অসমৰ ঔদ্যোগিক বিকাশ আৰু নগাঁও কাগজ কল ঃ**

এখন দেশৰ বিকাশৰ গতি প্ৰধানকৈ নিৰ্ভৰ কৰে দেশখনৰ ঔদ্যোগিক বিকাশৰ ওপৰত। ঔদ্যোগিক বিকাশৰ বাবে উদ্যোগ স্থাপন কৰিব লাগিব আৰু উদ্যোগসমূহ লাভজনক হ'বলৈ হ'লে উদ্যোগ স্থাপন কৰা ঠাইত প্ৰয়োজনীয় কেঁচা সামগ্ৰী, শ্ৰমিক, কৰ্মচাৰী, বজাৰ, ৰাস্তা-ঘাট, জলবায়ু আদি দিশ চালি-জাৰি চাইহে এটা উদ্যোগ স্থাপন কৰা হয়। এটা উদ্যোগে উৎপাদনক্ষম হৈ চৰকাৰ বা মালিক পক্ষক লাভৱান কৰাৰ লগতে শ্ৰমিক-কৰ্মচাৰী আদি প্ৰত্যক্ষভাৱে জড়িত লোকসকল আৰু পৰোক্ষভাৱে কেঁচা সামগ্ৰীৰ লগত জড়িত ব্যক্তি বা বজাৰ-সমাৰ আদিকে ধৰি একোটা বৃহৎ অঞ্চলক উপকৃত কৰে। আন কথাত ক'বলৈ গ'লে এটা উদ্যোগে Primary Sector আৰু Tertiaty Sector দুয়োটাকৈ উপকৃত কৰে। সেয়ে, একোটা অঞ্চল, একোখন ৰাজ্য বা একোখন দেশ উদ্যোগীকৰণৰ অবিহনে উন্নত দেশৰ পৰ্যায়লৈ যোৱাটো প্ৰায় অসম্ভৱ বুলি ক'লেও নিশ্চয় বেছি কোৱা নহ'ব।

কিন্তু অতি পৰিতাপৰ কথা যে, আমাৰ অসমখন বিভিন্ন কেঁচা সামগ্ৰীৰে ভৰপূৰ হৈ থকা এখন ৰাজ্য হোৱাৰ পাছতো আজি অসমত ঔদ্যোগিক বিকাশ বুলিবলৈ একোৱেই নাই। খাৰুৱা তেলৰ বাবে অসম চহকী, চাৰিটাকৈ শোধনাগাৰ, কিন্তু তেল শোধনত সৃষ্টি হোৱা উপাদানসমূহৰ পৰা বা কয়লাৰ উপাদানসমূহৰ পৰা অসমত যি ধৰণৰ ঔদ্যোগিক বিকাশ হ'ব লাগিছিল সেয়া হোৱা দেখা নাযায়। বনজ সম্পদেৰে ভৰপূৰ অসমখনত বনজ সম্পদভিত্তিক কেইটা উদ্যোগ গঢ়ি উঠিছে? উদাহৰণস্বৰূপে, সাঁচি গছৰ অসমত যথেষ্ট উৎপাদন হয় কিন্তু এই সাঁচিগছৰ পৰা বিজ্ঞানসন্মতভাৱে উদ্যোগীকৰণৰ কথা স্বাধীনোত্তৰ কালৰ কোনোবা এখন চৰকাৰে ব্যৱস্থা লৈছেনে? অসমৰ বৃহৎ চাহ উদ্যোগটোকে পৃথিৱী বিখ্যাত কৰিবলৈ বিশেষ কিবা ব্যৱস্থা লোৱা হৈছেনে? শিক্ষিত নিবনুৱা এচাম উদ্যমী যুৱকে নিজ প্ৰচেষ্টাৰে এই খেতিৰ লগত জড়িত হৈ জীৱিকা উপাৰ্জনৰ পথ উলিয়াইছে। কিন্তু চৰকাৰীভাৱে চাহ উদ্যোগটোক যি পৰ্যায়লৈ লৈ যাব পৰিলেহেঁতেন তেনে কৰা চকুত নপৰে। বৰঞ্চ টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ অৱস্থাও দুখ লগা বুলিহে সিদিনা সংবাদ মাধ্যমৰ জৰিয়তে জানিব পাৰিলো। কৃষিভিত্তিক উদ্যোগ স্থাপনৰ প্ৰচুৰ সম্ভাৱনা অসমত আছিল আৰু আছে, কিন্তু ইয়াক কাৰ্যকৰী কৰাৰ ব্যৱস্থাহে চকুত নপৰে। এসময়ত এছিয়া মহাদেশৰ ভিতৰতে বিখ্যাত চেনিকল, বৰুৱাবামুণ গাঁৱৰ চেনিকলত কুঁহিয়াৰৰ গাড়ী শাৰী শাৰী হৈ আছিল। কিন্তু এতিয়া সেই চেনিকলো নাই (যিটো ধ্বংসস্তূপত পৰিণত হ'ল) আৰু কুঁহিয়াৰ খেতি কৰা খেতিয়কো নাই। এই কুঁহিয়াৰৰ খেতিয়কসকলক কুঁহিয়াৰৰ খেতিৰ প্ৰতি অনীহা ভাব অনাত চৰকাৰ জগৰীয়া নহয়নে বাৰু?

এতিয়া কথা হ'ল একোটা উদ্যোগ যথেষ্ট কষ্ট আৰু খৰচৰ বিনিময়ত গঢ়ি উঠে আৰু কাৰ্যক্ষম হয়। কিন্তু কেঁচা সামগ্ৰী, শ্ৰমিক কৰ্মচাৰী আদি সকলো মজুত থকাৰ পাছতো কি কাৰণে একো একোটা লাভজনক উদ্যোগ বন্ধ হ'বলগীয় হয়। এনেকুৱা এটা পৰিৱেশ সৃষ্টি নহ'বৰ বাবে চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব নালাগেনে? বন্ধ হৈ যোৱাৰ পাছত পুনৰ কাৰ্যক্ষম হোৱা উদ্যোগ অসমত প্ৰায় নাই বুলিয়েই ক'ব পাৰি। সেয়ে, উদ্যোগীকৰণৰ স্বাৰ্থত অসমৰ উন্নয়নৰ খাতিৰত যি দলৰ চৰকাৰ নহওক লাগিলে বৰ্তমান থকা উদ্যোগকেইটা সুচাৰুৰূপে চলি থকাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চয় প্ৰয়োজন।

১৯৮৫ চনতে আৰম্ভ হোৱা ভাৰত চৰকাৰৰ অধনীৰ গুৰু উদ্যোগ জাগীৰোডৰ নগাঁও কাগজ কল আজি সংকটৰ গৰাহত। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰচুৰ বাঁহখেতিৰ ওপৰত নিৰ্ভৰ কৰি নগাঁও আৰু কাছাৰ কাগজ কল দুটা গঢ়ি উঠিছিল। নিতৌ ৩০০ মেট্ৰিকটন কাগজ উৎপাদনক্ষম নগাঁও কাগজ কলটো বিগত বছৰৰ মাৰ্চ মাহৰ পৰা বন্ধ হৈ আছে। কৰ্মচাৰীসকলে ৭-৮ মাহ ধৰি দৰমহা পোৱা নাই। কাছাৰ কাগজ কল আজি প্ৰায় ডেৰ বছৰ ধৰি বন্ধ। দুয়োটা কাগজ কলেই লাভজনক উৎপাদনৰ কৰিও আজি বন্ধ হৈ থাকিব লগা হৈছে। প্ৰায়ে অসমৰ সংবাদ মাধ্যমসমূহে এই বিষয়ে বাতৰি প্ৰকাশ কৰি আছে কিন্তু চৰকাৰে এতিয়ালৈকে একো বিশেষ পদক্ষেপ লোৱা দেখা নাই এই উদ্যোগ দুটা পুনৰ কাৰ্যক্ষম কৰাৰ ক্ষেত্ৰত। মধ্য অসমৰ আৰু বৰাক উপত্যকাৰ এই উদ্যোগ দুটা বন্ধ হোৱাত উদ্যোগ দুটাৰ লগত জড়িত দুটাকৈ বৃহৎ অঞ্চল যেন আজি স্থবিৰ হৈ গৈছে। শ্ৰমিক-কৰ্মচাৰী আদি প্ৰত্যক্ষ বা পৰোক্ষভাৱে উদ্যোগ দুটাৰ লগত জড়িত হৈ থকা লাখ লাখ লোকে আজি অনিশ্চয়তাত ভুগিছে। পৰিয়ালবিলাক চৰম আৰ্থিক নিৰাপত্তাহীনতাত ভুগিছে। এই উদ্যোগ দুটাও অসমৰ বন্ধ হৈ যোৱা উদ্যোগসমূহৰ দৰে ইতিহাস হ'বগৈ নেকি? ইয়াৰ লগত জড়িত লোকসকল, তেওঁলোকৰ পৰিয়ালবোৰৰ কি হ'ব?

কেন্দ্ৰ আৰু ৰাজ্যৰ বৰ্তমান দুয়োখন চৰকাৰেই ঔদ্যোগিক বিকাশৰ কথা কয়। বিদেশী বিনিয়োগকাৰীক নিমন্ত্ৰণ কৰিয়েই আছে। তেনেস্থলত নগাঁও আৰু কাছাৰৰ কাগজ কলৰ দৰে দুটাকৈ গুৰু উদ্যোগ বন্ধ হোৱাৰ উপক্ৰম হৈছে কিয়? ইয়াৰ মুখ্য কাৰ্যালয় আজিলৈকে অসমলৈ অনা নহ'ল কিয়? এইবোৰ যেন এক নুবুজা সাঁথৰ। আমাৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ক ব্যক্তিগত যোগাযোগৰ জৰিয়তে অসমৰ সাধাৰণ মানুহৰ কেইবাটাও ক্ষেত্ৰত তাৎক্ষণিকভাৱে ক্ষিপ্ৰতাৰে ব্যৱস্থা লৈ সহায় কৰাৰ বাতৰি আমি সংবাদ মাধ্যমত জানিবলৈ পাইছো। কিন্তু জাগীৰোড কাগজ কলৰ কৰ্মচাৰীসকলৰ অৰ্থাভাৱত শিক্ষা জীৱন স্তব্ধ হ'বলৈ লোৱা শিক্ষাৰ্থীসকলৰ, কণমানি শিশুসকলৰ, অসুখীয়া বৃদ্ধ পিতৃ-মাতৃসকলৰ ফালৰ পৰা দিয়া চিঠি পত্ৰৰ ওপৰত প্ৰধানমন্ত্ৰী মহোদয়ে কিয় আজিও ব্যৱস্থা গ্ৰহণ কৰি কাগজ কলটো কাৰ্যক্ষম কৰাৰ ব্যৱস্থা কৰা নাই— ইও এক নুবুজা সাঁথৰ হৈ আছে।

আশা কৰোঁ, মহোদয়ে এতিয়াও বিহিত ব্যৱস্থা লৈ এই কাগজ কলৰ লগত জড়িত হৈ থকা লক্ষাধিক পৰিয়ালক জীয়াই থকাৰ



*কাগজ কলৰ কৰ্মচাৰীৰ প্ৰতিবাদ কাৰ্যসূচী*

সমল দিব। নিবনুৱা সংস্থাপনৰ আশাৰ বতৰা লৈ শাসনলৈ অহা চৰকাৰখনে যেন নতুনকৈ হাজাৰ হাজাৰ নিবনুৱাৰ সৃষ্টি নকৰে তাৰ প্ৰতি অনুৰোধ থাকিল। এই শ্ৰমিক-কৰ্মচাৰীসকলে কাম নকৰাকৈ টকা বিচৰা নাই। সেয়ে তেওঁলোকক কাম কৰিবলৈ সুবিধা দিয়ক, যাতে তাৰ বিনিময়ত পোৱা বেতন বা মজুৰিৰে তেওঁলোকে নিজেও স্বচ্ছন্দতাৰে জীয়াই থাকি দেশৰো অৰ্থনৈতিক উন্নয়নত সহযোগিতা আগবঢ়াব পাৰে তেনে পৰিৱেশ সৃষ্টি কৰিবৰ বাবে প্ৰধানমন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনালো। ৰাজ্য চৰকাৰে এইক্ষেত্ৰত যিমান পাৰে কেন্দ্ৰীয় চৰকাৰক সহযোগিতা কৰাটো দৰকাৰ। উদ্যোগীকৰণৰ বাবে প্ৰয়োজনীয় সকলো উপাদানেই অসমত আছে। আমাৰ ৰাজ্যতেই ঈশ্বৰৰ দানস্বৰূপ উদ্ভাৱক উদ্ধৱ ভৰালীৰ দৰে ব্যক্তি আছে, যি এতিয়ালৈকে ১৪৩টা বিভিন্ন যন্ত্ৰপাতি উদ্ভাৱন কৰিছে। তেওঁ আজি অসমৰ নহৈ চীন বা জাপানৰ দৰে ঠাইত জন্ম হোৱা হ'লে হয়তো তেওঁ ১৪৩টা উদ্যোগৰ মালিক হ'লহেঁতেন। কিন্তু এয়াযে অসম, গুণীৰ মোল বুজোতে বহু সময় লাগে। এতিয়াও উদ্ধৱ ভৰালীৰ দৰে ব্যক্তিক চৰকাৰখনে ৰাজনীতিৰ উৰ্দ্ধলৈ গৈ উদ্যোগ বিভাগৰ প্ৰধান উপদেষ্টা হিচাপে স্বাধীনতাচিতীয়াভাৱে কাম কৰিবলৈ দিলে হয়তো অসমৰ উদ্যোগ ক্ষেত্ৰত কিছু পৰিৱৰ্তন হ'ব বুলি নিশ্চয় আশা কৰিব পাৰি। আমাৰ ৰাজ্যখনে উদ্যোগীকৰণৰ সপোন বহু দেখিলে, কিন্তু অতীতত যিমানবিলাক উদ্যোগ বন্ধ হৈ গৈছে, তাৰ সোঁৱৰণে সপোন সপোন কৰিয়েই ৰাখিছে।

পৰিৱৰ্তনকামী কেন্দ্ৰ আৰু ৰাজ্যৰ দুয়োখন চৰকাৰে লগলাগি নগাঁও কাগজ কলক যাতে অতি সোনকালে কাৰ্যক্ষম কৰি অসমৰ ঔদ্যোগিক জগতখনক আশাৰ বতৰা দিয়ে, তাৰবাবে ৰাজ্যখনক ভালপোৱা প্ৰত্যেকজনেই আশাৰে বাট চাব। অন্যথা প্ৰকৃতিয়ে অসমক সকলো ফালৰ পৰা উৎপাদক ৰাজ্য হ'বপৰাকৈ উপযুক্ত, সুজলা, সুফলা, শস্য শ্যামলা কৰাৰ পাছতো মাথো উপভোক্তা ৰাজ্য হিচাপেই সদায় পৰিচিত হৈ থাকিব লাগিব। এই উপভোক্তা ৰাজ্যক উৎপাদক ৰাজ্যলৈ পৰিৱৰ্তন কৰিবলৈ লাগিব উপযুক্ত ঔদ্যোগিক নীতি, ঔদ্যোগিক পৰিৱেশ, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ একান্ত সদিচ্ছা আৰু আন্তৰিকতা।

অসমৰ মাটিত উদ্যোগ স্থাপন কৰাৰ বাবে বাহিৰৰ বণিক গোষ্ঠীক নিমন্ত্ৰণ কৰি আনি আমাৰ মাটিত থকা প্ৰাকৃতিক সম্পদৰ পৰা আৰম্ভ কৰি সকলো সঁপি দিলে সৰ্বানন্দৰ চৰকাৰে। হাজাৰ হাজাৰ কোটি টকা বিনিয়োগ কৰিবলৈ ব্যক্তিগত পুঁজিপতি শ্ৰেণীক ৰঙা দলিচা পাৰি অসমলৈ আমন্ত্ৰণ কৰাৰ পিছত অসম তথা অসমীয়াৰ বাবে চৰকাৰে যে কিবা এটা কৰিব তাতো সন্দেহ আছে। ইতিমধ্যে অসমৰ বিভিন্ন উদ্যোগসমূহৰ ভিতৰত প্ৰায়ভাগেই মৃত্যুৰ দুৱাৰমুখত থকাৰ পিছতো চৰকাৰৰ সুসংবদ্ধ আৰু সংহত পৰিকল্পনাবিহীন উদ্যোগনীতিৰ বিপৰীতে ৰাজ্যৰ সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰসমূহ ব্যক্তিগত পুঁজিপতিৰ হাতত গতাই দিবলৈ ওলোৱা কাৰ্যই চৰকাৰৰ দুমুখীয়া নীতি উদঙাই দিছে।

চৰকাৰৰ এই দুমুখীয়া নীতিৰ প্ৰতিবাদ জনাই অসমৰ দুটা মৃত্যুমুখী উদ্যোগ হিন্দুস্তান পেপাৰ কৰ্পৰেশ্বন লিমিটেডৰ অধীনৰ জাগীৰোডস্থিত নগাঁও কাগজ কল আৰু হাইলাকান্দিৰ পঞ্চগ্ৰামস্থিত কাছাৰ কাগজ কলৰ কৰ্মচাৰীসকলে আন্দোলনৰ কাৰ্যসূচী কৰিছে। ৰাজ্যিক উদ্যোগমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে চৰকাৰে দুয়োটা কাগজ কলৰ বাবে ১৮শ কোটি টকা মুকলি কৰি দিব বুলি ঘোষণা কৰাৰ পিছতো যোৱা ১৮ মাহৰ নিজৰ প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত হৈ থকা এইসকল শ্ৰমিকে আন্দোলনত নামি পৰিছে। ইয়াৰ উপৰিও কাছাৰ কাগজ কলৰ কৰ্মচাৰীসকলেও নমামী বৰাক মহোৎসৱৰ পূৰ্বে সামূহিক আত্মজাহৰ ভাবুকি প্ৰদান কৰিছিল যদিও পিছত চৰকাৰৰ হস্তক্ষেপত এই কাৰ্যসূচী প্ৰত্যাহাৰ কৰে। ইতিমধ্যে উৎপাদন বন্ধ হৈ থকা কাগজ কল দুটাৰ উন্নয়ন তথা বিস্তাৰিত বিকাশৰ বাবে চৰকাৰে এতিয়ালৈ কোনোধৰণৰ স্পষ্টীকৰণ প্ৰদান কৰা নাই। উল্লেখ্যে যে, পৰিস্মিতা বুঢ়াগোহাঁই নামৰ ছাত্ৰীগৰাকীয়ে নিজৰ দেউতাকৰ প্ৰায় ১৬ মাহে বন্ধ হৈ থকা দৰমহা মুকলি কৰি দিবলৈ অনুৰোধ কৰি অসম বিধানসভাৰ মজিয়াত হুকহুকাই কান্দি দিছিল। আনহাতে সেই একেটা কাগজ কলৰে ইনাম উদ্দিন আহমেদ নামৰ কৰ্মচাৰীজনে নিজৰ প্ৰাপ্য দৰমহা লাভ নকৰাৰ বাবে আত্মহত্যা কৰিবলৈ চেষ্টা কৰে যদিও ৰাইজৰ সহায়ত তেওঁক সুকলমে উদ্ধাৰ কৰা হয়। একেই দশা কাছাৰ কাগজ কলৰ কৰ্মচাৰীসকলৰ ক্ষেত্ৰটো ঘটি আছে। প্ৰায় দুবছৰৰ পৰাই বন্ধ হৈ আছে এইটো কাগজ কল। চৰকাৰে এইক্ষেত্ৰত এতিয়ালৈকে কোনোধৰণৰ স্পষ্টীকৰণ বা কোনোধৰণৰ নিৰ্দেশনা প্ৰদান কৰা নাই। আনহাতে এই দুটা কাগজ কলৰ উপৰিও নলবাৰী জিলাৰ নাথকুছিত থকা চেনিকলটোৰ লগতে ৰঙিয়াৰ তুলসীবাৰীত থকা কাপোৰ কলটো ইতিমধ্যে মৃত্যুমুখত পৰিছে চৰকাৰৰ সুস্থ উদ্যোগনীতিৰ অভাৱত। একেই পৰিঘটনাৰে পুনৰাবৃত্তি হ'ব বুলি আশংকা কৰা হৈছে নগাঁও আৰু হাইলাকান্দি জিলাৰ কাগজ কল দুটাৰ ক্ষেত্ৰত।

উল্লেখযোগ্য যে অমসমত বন্ধ হৈ পৰি থকা উদ্যোগসমূহ কোনোধৰণৰ কেঁচামালৰ অভাৱ নাইবা পুঁজিৰ অভৱত বন্ধ হোৱা নাছিল, ইয়াৰ মূলতে আছিল অদক্ষ সঞ্চালন তথা পৰিচালন ব্যৱস্থা। বৰ্তমান সময়ত অসমত এইসমূহ কাম কৰিব পৰাকৈ যথেষ্টসংখ্যক শিক্ষিত নিবনুৱা আছে, যিয়ে ৰাজ্যৰ উদ্যোগখণ্ডক এক নতুন গতি প্ৰদান কৰিবলৈ সক্ষম হ'ব পাৰিব। অসমত ইয়াৰ বাবে গুণগত শিক্ষানুষ্ঠানৰ লগতে উচ্চপৰ্যায়ৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানো ইতিমধ্যে প্ৰতিষ্ঠা কৰা হৈছে। কোটি কোটি টকা চৰকাৰে যদি অসমৰ স্থানীয় উদ্যোগখণ্ডৰ নামত সুশৃংখলিতভাৱে খৰচ কৰে তেতিয়াহ'লে অসমে নিবনুৱা সমস্যাকে ধৰি অৰ্থনৈতিক ফালৰ পৰাও ভাৰতৰ আন ৰাজ্যসমূহক চেৰ পেলাবলৈ সক্ষম হ'ব। কিন্তু চৰকাৰে এইসমূহ দিশ ভালদৰে চালিজাৰি নাচাই বিশাল বিশাল মহোৎসৱ পাতি ৰাজকোষৰ ধনৰ অপব্যয় কৰি আহিছে। ■

*তথ্যসূত্ৰ ঃ ইন্টাৰনেট, অসমীয়া প্ৰতিদিন বাতৰি কাকত*

# কৰ্মসংস্থান আৰু অসমৰ যুৱক-যুৱতীৰ বহিঃৰাজ্য গমন

**দৰ্শন জ্যোতি বৰা**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)

একবিংশ শতিকাৰ আগৰছোৱা সময়ত অসমৰ পৰা বাহিৰলৈ যোৱা মানুহৰ সংখ্যা তেনেই নগণ্য আছিল। উচ্চশিক্ষাৰ বাবে ঢাকা বিশ্ববিদ্যালয় বা বেনাৰচ হিন্দু বিশ্ববিদ্যালয়লৈ কোনোবা পঢ়িবলৈ যোৱাটো আমাৰ মনত নপৰে। কামৰূপৰ ঠাইবোৰৰ পৰা বুজনসংখ্যক লোক কোচবিহাৰ, নিউ জলপাইগুৰি আদি অঞ্চললৈ পুৰোহিত পেছা (যযমানী)ৰ বাবে যোৱাটো দেখিবলৈ পোৱা যায়।

সেই সময়ত ঢাকা বা পশ্চিমবংগৰ কোচবিহাৰ, নিউ জলপাইগুৰি আদি ঠাইলৈ যোৱাটো অত্যন্ত জটিল আৰু সংকটজনক যাত্ৰা আছিল। উল্লেখনীয় যে ৬০-৭০ ৰ দশকত কিছুমান ল'ৰাই হিন্দী ছবি জগতৰ জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীক প্ৰত্যক্ষভাৱে সাক্ষাৎ কৰিবৰ বাবে মুম্বাই মহানগৰলৈ মাক-দেউতাকৰ অনিচ্ছাসত্ত্বেও যোৱাটো দেখিবলৈ পোৱা গৈছিল। ইয়াৰ পৰা এইটোৱে প্ৰমাণ হয় যে ৮০ ৰ দশকৰ আগতে অসমৰ মানুহে জীৱিকাৰ সন্ধানত বহিঃৰাজ্য বা বহিঃদেশলৈ যোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল। অৰ্থাৎ অসমতে যথেষ্ট পৰিমাণে কৰ্মসংস্থানৰ সুবিধা আৰু ব্যৱস্থা বাহাল আছিল। ইয়াৰ উপৰি হয়তো অসমীয়া মানুহখিনিৰ ব্যৱসায়িক দক্ষতা আৰু নিপুণতাৰ অভাৱ বাহিৰলৈ যোৱাৰ বাবে বাধাৰ প্ৰাচীৰ হৈ পৰিছিল। বৰ্তমান সময়ত মানুহৰ ব্যৱসায়িক পাৰদৰ্শিতা অইন ৰাজ্যৰ মানুহৰ তুলনাত কোনোগুণে কম নহয়।

কিন্তু দুৰ্ভাগ্য যে তাহানিৰ দিনত আমাৰ ককাদেউতাহঁতে ব্যৱসায়ত ব্ৰতী হোৱাটো সহজভাৱে ল'ব পৰা নাছিল। সাধাৰণভাৱে চৰকাৰী চাকৰি এটা লৈ জীৱনটো পাৰ কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। ফলস্বৰূপে বহিৰাজ্যৰ পৰা অহা লোকসকলে অসমত ব্যৱসায়িক প্ৰতিষ্ঠান স্থাপনৰ সুবিধা পাইছিল। বহু সংখ্যক লোকে অসমত প্ৰৱেশ কৰি ব্যৱসায়-বাণিজ্য আৰম্ভ কৰি তেওঁলোকৰ স্থিতি আৰু অৰ্থনৈতিক গাঁথনি সবল কৰি তুলিবলৈ সক্ষম হৈছিল। আনুষ্ঠানিকভাৱে তেওঁলোকে সম্পৰ্কীয় মানুহখিনিক তেওঁলোকৰ ব্যৱসায়িক প্ৰতিষ্ঠানতে কৰ্মসংস্থান দিয়াৰ ব্যৱস্থা কৰিছিল আৰু তাৰ পৰিণতিস্বৰূপে তেওঁলোকৰ জনসংখ্যাৰ আকাৰ লাহে লাহে বৃদ্ধি পাই আহিছিল।

উল্লেখযোগ্য যে, তেতিয়াৰ দিনত বেচৰকাৰী খণ্ডত কৰ্মসংস্থানৰ সুবিধা তেনেই নগণ্য আছিল আৰু অসমত বেচৰকাৰী খণ্ডত কোনোধৰণৰ ঔদ্যোগিক বিকাশ হোৱাটো দৃষ্টিগোচৰ হোৱা নাছিল। কিছুসংখ্যক বহিৰাগতক চৰকাৰী চাকৰিতো নিয়োগ কৰাটো পৰিলক্ষিত হয়। সমবায় ভিত্তিত গঢ়ি উঠা বৰুৱাবামুণ গাঁৰৰ চেনিকল, জাগীৰোডৰ কাগজ কল আৰু তেল শোধনাগাৰকেইটাৰ বাহিৰে অসমত উদ্যোগ বুলিবলৈ একোৱে নাছিল। সময়ৰ গতিৰ লগে লগে চৰকাৰী খণ্ডৰ চাকৰিৰ সংখ্যাও লাহে লাহে হ্ৰাস পোৱা দেখিবলৈ পোৱা যায়।

ফলস্বৰূপে অসমত যোৱা ছল্লিশ বছৰে নিবনুৱা সমস্যা অতি জটিল আৰু চিন্তনীয় হৈ পৰিছে। যোৱা ১০ বছৰে অসমৰ লাখ লাখ অৰ্ধশিক্ষিত নিবনুৱা যুৱক অসমৰ বাহিৰলৈ (বিশেষকৈ দক্ষিণ ভাৰতৰ মুখ্য চহৰ কোচিন, ত্ৰিবান্দ্ৰম, চেন্নাই, বাংগালুৰু, হায়দৰাবাদ) ওলাই যোৱাটো পৰিলক্ষিত হৈছে। এই প্ৰক্ৰিয়াটোৰ দুইধৰণৰ প্ৰতিক্ৰিয়া হোৱাটো স্বাভাৱিক— ১) বহিঃৰাজ্যত কৰ্মৰত হৈ অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনলৈ কিমান পৰিমাণৰ অৰিহণা আগবঢ়াইছে? ২) অসমৰ পৰা বুজন পৰিমাণৰ মানৱ শক্তি বহিঃৰাজ্যত নগণ্য মুনাফাত ব্যৱহাৰ কৰি অসমৰ কৃষিখণ্ডৰ বিস্তৰ ক্ষতিসাধন কৰিছে। বেছিসংখ্যক নিবনুৱা যুৱক অসমৰ বাহিৰত সুৰক্ষা সেৱা, হোটেল বা ৰেস্তোৰাঁ ইত্যাদিতহে নিযুক্ত হোৱাটো পৰিলক্ষিত হয়। তেওঁলোকৰ বেতনৰ পৰিমাণ নগণ্য হোৱা হেতুকে সেইসকল কৰ্মৰত যুৱক বা যুৱতীয়ে আৰ্জনৰ নিম্ন পৰিমাণৰ ধন ভৱিষ্যতৰ বাবে সঞ্চয় কৰিবলৈ অপৰাগ হয়।

লেখত ল'বলগীয়া কথা এইটোৱে যে, তেওঁলোকৰ দক্ষতা অনুসাৰে অৰ্জন কম। সেয়ে ভৱিষ্যনিধি আঁচনি, চিকিৎসা বীমা অথবা বেংকৰ জৰিয়তে মাহেকীয়া সঞ্চয় আঁচনি আদিৰ জৰিয়তে লাভৱান হোৱাটো দৃষ্টিগোচৰ নহয়। উল্লেখনীয় যে, কিছুমান মানুহৰ সঞ্চয় আঁচনিৰ সন্দৰ্ভত জ্ঞান তেনেই সীমিত (বিশেষকৈ গ্ৰাম্যাঞ্চলত বসতি কৰা লোকসকলৰ)। আমি যদি লক্ষ্য কৰো তেনেহ'লে দেখা পাম যে অসমৰ গ্ৰাম্যাঞ্চলত বাসকৰা লোকসকলৰ শতকৰা ৮০ শতাংশ লোকৰ বেংক একাউন্ট নাই আৰু তেওঁলোকে তথাকথিত চৰকাৰী সাহায্যৰ পৰাও বঞ্চিত হয়। উল্লেখনীয় যে, ১৯৭৪ চনত অসমত গ্ৰামীণ বিকাশৰ ওপৰত ভিত্তি কৰি প্ৰথম গ্ৰামীণ বিকাশ সংস্থা 'প্ৰাগজ্যোতিষ গাঁৱলীয়া বেংক' নামনি অসমত প্ৰতিষ্ঠা কৰা হৈছিল। বেংকটো আজি পৰ্যন্ত সম্পূৰ্ণৰূপে গ্ৰাম্য বিকাশৰ বাবে বিশেষ আগৰণুৱা হোৱাটো পৰিলক্ষিত নহ'ল।

'গ্ৰামীণ বিকাশ বেংকে' যদি প্ৰতিখন গাঁৱৰ বাসিন্দাসকলক সহজলভ্যভাৱে বেংক একাউন্ট খোলাৰ ব্যৱস্থা কৰে তেনেহ'লে অসমৰ গ্ৰাম্যাঞ্চলৰ অৰ্থনৈতিক ব্যৱস্থা সচল আৰু টনকিয়াল হ'ব। অসমৰ পৰা যথেষ্ট সংখ্যক যুৱক-যুৱতী বহিঃৰাজ্যলৈ ধাৱমান হোৱা হেতুকে অসমৰ কৃষিখণ্ডত যথেষ্ট ক্ষতিসাধন হোৱা দেখিবলৈ পোৱা যায়। নামনি অসমৰ বহুসংখ্যক গাঁৱত আজিকালি কৃষি শ্ৰমিকৰ অভাৱত হাজাৰ হাজাৰ হেক্টৰ মাটি ছন পৰি থকাটো পৰিলক্ষিত হৈছে। এখন ৰাজ্য বা এখন গাঁৱৰ অৰ্থনৈতিক উন্নতিৰ মূল কাৰণ হ'ব পাৰে কৃষিখণ্ডৰ প্ৰচুৰ উৎপাদন। যদি কৃষক এজনক প্ৰশ্ন কৰা যায় যে, আপোনাৰ মাটিডোখৰত কিয় খেতি কৰা নাই? একে আষাৰতে তেওঁ ক'বলৈ বিচাৰিব যে খেতি কৰি খোৱাতকৈ বজাৰৰ পৰা কিনি খালে বেছি লাভৱান হ'ব পাৰি। অৰ্থাৎ তেওঁৰ মতে খেতিৰ কাৰণে যিমান খৰচ বা পৰিশ্ৰম হয়, সেই অনুপাতে তেওঁ ফচল উৎপাদন কৰিবলৈ অসমৰ্থ হয়। ইয়াৰ কাৰণ এইটোৱে যে বহুবছৰ ধৰি সেই মাটিডোখৰত কোনোধৰণৰ কৃষিৰ উৎপাদন নোহোৱা হেতুকে মাটিডোখৰৰ উৎপাদন ক্ষমতা হ্ৰাস পাই আহিছে— ফলস্বৰূপে, সেই খেতিয়কজনে পুনৰ খেতি কৰিবলৈ যথেষ্ট শ্ৰম আৰু অৰ্থ ব্যয় কৰিবলগীয়া হয়। সেই অনুপাতে খৰচ আৰু উৎপাদনৰ সমীকৰণটো জটিল হৈ পৰে। তেওঁ সেই মাটিডোখৰত খেতি কৰাৰ পৰা বিৰত থাকে। অৱশ্যে চৰকাৰৰ পানী যোগান, ৰাসায়নিক সাৰ, কীটনাশক দৰৱ ইত্যাদি আঁচনিবোৰেও এই গাঁওবিলাকক ঢুকি পোৱা নাই।

অনাগত দিনত অসমৰ কৃষিভূমিসমূহত কৃষি উৎপাদন বৃদ্ধি নকৰিলে অসমৰ গ্ৰাম্যাঞ্চলৰ উন্নতি সহজে হৈ নুঠিব। তাৰ উপৰি অসমত ঔদ্যোগীকৰণৰ প্ৰক্ৰিয়াটো আগবঢ়াই নিবলৈ অধিক সময়ৰ প্ৰয়োজন হ'ব। অসমত কৃষিখণ্ডৰ ওপৰত ভিত্তি কৰি উদ্যোগ স্থাপন কৰিলে খেতিয়সকলৰ লগতে উঠি অহা যুৱকসকলেও কৰ্মসংস্থানৰ সুবিধা পাব। অসমত আজি পৰ্যন্ত ৰাসায়নিক সাৰৰ কাৰখানা বা কীটনাশক দ্ৰব্যৰ কাৰখানা নতুবা কৃষিৰ সঁজুলিৰ কাৰখানা স্থাপন কৰা হোৱা নাই বা চৰকাৰেও ইয়াৰ বাবে কোনো পদক্ষেপ লোৱা পৰিলক্ষিত নহ'ল। গুজৰাট, পঞ্জাব, মহাৰাষ্ট্ৰ, কৰ্ণাটকত কৃষিৰ ভিত্তিত গঢ় লৈ উঠা উদ্যোগবোৰে ভাৰতবৰ্ষৰ চাহিদা পূৰণ কৰাৰ লগতে বহিঃৰাষ্ট্ৰলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। উত্তৰ-পূৰ্বাঞ্চলত কৃষিৰ লগত জড়িত উদ্যোগসমূহৰ প্ৰয়োজন অতিকৈ আৱশ্যক। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ অন্য ৰাজ্যৰ পৰা কৃষি সামগ্ৰীসমূহ আনিবলগীয়া হোৱাত কৃষকে সঁজুলিসমূহ অধিক মূল্যত ক্ৰয় কৰিবলগীয়া হয়। Tata বা Mahindra আদি ঔদ্যোগিক সংস্থাবোৰক অসমত তেওঁলোকৰ উদ্যোগ-প্ৰতিষ্ঠাবোৰ প্ৰতিষ্ঠা কৰাত অসম চৰকাৰে মুখ্য ভূমিকা লোৱাটো অতি প্ৰয়োজন। যোৱা পাঁচ বছৰে অসমৰ পৰা বুজনসংখ্যক নিবনুৱা যুৱক অসমৰ বাহিৰলৈ কৰ্মসূত্ৰে যোৱাটো দেখিবলৈ পোৱা গৈছে।

বিভিন্ন সময়ত আমি দেখিবলৈ পাওঁ যে এই যুৱকসকলে বহিঃৰাজ্যলৈ গৈ কেনেধৰণৰ কামত ব্ৰতী হয়। ইয়াৰ উপৰি তেওঁলোক দক্ষতাভিত্তিত কৰ্মৰত হ'ব পাৰিছে নে নাই। তেওঁলোকৰ কি বিষয়ত কৰ্মদক্ষতা আছে। কৰ্মদক্ষতাৰ ভিত্তিত এই যুৱক বা যুৱতীসকলক যদি কৰ্মত নিযুক্তি কৰিব পৰা হ'লহেঁতেন তেনেহ'লে তেওঁলোকে বিভিন্ন দিশত লাভৱান হ'ব পাৰিলেহেঁতেন। কিন্তু দুৰ্ভাগ্যজনক কথা যে, তেওঁলোকৰ দক্ষতাৰ ওপৰত নজৰ ৰাখি কোনো প্ৰতিষ্ঠানে তেওঁলোকক কামত নিযুক্তি নিদিয়ে। ১৮/২০ বছৰীয়া যুৱক এজনে যেতিয়া বাহিৰলৈ গৈ কোনোবা প্ৰতিষ্ঠান বা আৱাসগৃহৰ সুৰক্ষা কৰ্মী হিচাপে কামত নিযুক্ত হয়, তেনেহ'লে তেওঁৰ ভৱিষ্যৎ খুব ফলপ্ৰসূ হ'ব বুলি বিশ্বাসত ল'ব পৰা নাযায়। উঠি অহা যুৱকজনে দুই-তিনি বছৰ সুৰক্ষা সেৱাত কাম কৰাৰ পিছত তেওঁৰ মানসিকতা, চিন্তা-চৰ্চা ভাৱধাৰাবো সলনি হয়। ফলত অনাগত দিনত উন্নত মানৰ, কষ্টকৰ পেছাত নিযুক্ত হ'বলৈ দ্বিধাবোধ কৰা দেখা যায়। ইয়াৰ পৰা এইটোৱে ঠাৱৰ কৰিব পাৰি যে যুৱকজনে নিজৰ ভৱিষ্যতৰ আশা-আকাংক্ষাখিনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ অসমৰ্থ হ'য়। গতিকে আহি থকা দিনত যিসকল যুৱক-যুৱতী কৰ্মসংস্থানৰ বাবে বহিঃৰাজ্যলৈ যাব, তেওঁলোকে যেন তেওঁলোকৰ নিম্নতম শৈক্ষিক অৰ্হতা সমাপ্ত কৰি কামত ব্ৰতী হয়। ইয়াৰ উপৰি যদি ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা প্ৰশিক্ষণ সম্পন্ন কৰি কামত যোগদান কৰে তেনেহ'লে তেওঁলোকৰ ভৱিষ্যৎ উন্নত হ'ব বুলি আশা কৰিব পাৰি। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰতিখন গাঁও পঞ্চায়তত কাৰিকৰী শিক্ষাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ ব্যৱস্থা কৰিলে গ্ৰাম্যাঞ্চলৰ অৰ্ধশিক্ষিত যুৱক-যুৱতীসকল উপকৃত হ'ব। বৰ্তমান সময়ত কোনো কোনো ঠাইত এনে প্ৰশিক্ষণৰ ব্যৱস্থা আৰম্ভ হৈছে (চৰকাৰ আৰু বেচৰকাৰী সংস্থাপনৰ দ্বাৰা)। এনেধৰণৰ প্ৰশিক্ষণ সম্পন্ন কৰা পিছত এটা ভাল কৰ্মসংস্থান পোৱাৰ সম্ভাৱনা থাকিব। ■

# বৰ্তমান যুগত মোবাইলৰ অপব্যৱহাৰ

বৰ্তমান যুগত মোবাইলৰ ব্যৱহাৰ অসীম। আজিকালি মোবাইলৰ জৰিয়তে অতি কম সময়তে এজনে আন এজনৰ লগত যোগাযোগ ৰাখিব পাৰে। ইয়াৰ উপৰিও আজিকালি ইন্টাৰনেটৰ জৰিয়তে যিকোনো ঠাই হওঁক বা খোৱাবস্তু, সাজ-পোছাক, আমাৰ প্ৰয়োজনীয় কিতাপ-পত্ৰ ইত্যাদি সকলোবোৰৰ বিষয়ে জানিব পাৰি। আকৌ Whatsapp ৰ জৰিয়তে যিকোনো প্ৰয়োজনীয় ফটো, বাৰ্তা ইত্যাদি আদান-প্ৰদান কৰিব পাৰি। Social media ৰ সৈতে যোগাযোগ ৰাখি নজনা কথা শিকিব পাৰি। কিন্তু আমাৰ সমাজত বৰ্তমান মোবাইলক এনেভাৱে অপব্যৱহাৰ কৰা হৈছে যে সকলো সময়তে ল'ৰা-ছোৱালীবোৰে মোবাইলৰ সৈতে ব্যস্ত থকা দেখা যায়। পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীক সুবিধাৰ বাবে মোবাইল দিয়ে। কিন্তু কিছুমান ল'ৰা-ছোৱালীয়ে মোবাইলটো পোৱাৰ পিছত সকলো পাহৰি যায়। তেওঁলোকক মোবাইলৰ প্ৰতি বেছি আকৰ্ষিত হোৱা দেখা যায়। তেওঁলোক বাহিৰা জগতখনৰ প্ৰতি বেছিকৈ আকৰ্ষিত হয়। বিদ্যালয়, মহাবিদ্যালয় ইত্যাদি সংস্থাসমূহত বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক গুৰুত্ব নিদিয়া দেখা পোৱা যায়। শিক্ষক-শিক্ষয়িত্ৰীকসকল গাৰ কাষেদি গ'লেও ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকক সন্মান নকৰে। তেওঁলোকে মোবাইলতে ব্যস্ত হৈ থকা দেখা যায়। আন কিছুমানে আকৌ পঢ়াৰ সময়তো Whatsapp, facebook আদি Social mediaৰ সৈতে ব্যস্ত হৈ থাকে। তাৰ ফলত তেওঁলোকে পঢ়া-শুনাত বেছি সময় দিব নোৱাৰে। তাৰফলত তেওঁলোকৰ পৰীক্ষাৰ ৰিজাল্ট ভাল নহয়।



বৰ্তমান সমাজত মোবাইলৰ ইমানেই অপব্যৱহাৰ হ'বলৈ ধৰিছে যে বিশেষকৈ শিক্ষা জগতত ব্যাঘাত জন্মিছে। আকৌ, মোবাইল সৎ কামত ব্যৱহাৰ কৰিব নজনা পাষণ্ডবিলাকে নাৰীৰ অতি বেয়াকৈ MMS বনাই Blackmail কৰা দেখা যায়। ফলত তেওঁলোকে কাৰো সহায় বিচাৰিব নোৱাৰি আত্মহত্যাৰ পথ বাছি লয়। মোবাইলৰ জৰিয়তে কিছুমান ল'ৰা-ছোৱালীয়ে নাচাবলগীয়া বস্তু চাই অসৎ পথেৰে গতি কৰা দেখা যায়। তেওঁলোকে পঢ়া-শুনাতকৈ মোবাইলতহে বেছি সময় দিয়ে।

মোবাইলবোৰে মানুহক যিমানেই সুবিধা কৰিছে সিমানেই আমি ব্যৱহাৰ কৰিব নজনাৰ ফলত মোবাইলৰ অপব্যৱহাৰ হোৱাৰ লগতে আমি অধিক ক্ষতিগ্ৰস্ত হৈছো। গতিকে, আমি যদি মোবাইলটো ভাল কামত ব্যৱহাৰ কৰিবলৈ লওঁ তেতিয়া আমি বহুতো নজনা কথা জানিব পাৰিম আৰু বিভিন্ন ধৰণৰ কামত ইয়াৰ পৰা সহায় ল'ব পাৰিম। গতিকে, মোবাইলৰ জৰিয়তে আমি আমাৰ প্ৰয়োজনীয় কাম-কাজবোৰ আৰু অসুবিধাবোৰ এনেদৰে দূৰ কৰিব লাগে, যাতে আন কাৰোবাৰ ক্ষতি নহয়। ■


**নাজমা বেগম**
স্নাতক প্ৰথম ষাণ্মাসিক
(কলা)

# ADVANTAGE ASSAM

**Sanjib Hazarika**
T.D.C. 6th Sem (Arts)

'Advantage Assam' is the largest investment promotion and facilation initiative by the government of Assam.

1. **Location and Timing-** The Advantage Assam Summit, was held at Sarusajai Stadium in Guwahati. The summit was set up for two days 3rd February and 4th February.
2. **Aim of the Summit-** The summit aims at the geostrategic advantages, that is offered to the investors of Assam. It aims at showcasing the manufacturing process and opportunities offered by the state to the growing economies of ASEAN and BBN countries. It also aims at conducting road shows at different domestic and international location, in order to showcase the businesspotential- and investment opportunities at the state. It promises to become a major part at G2B, B2B meetings.
3. **Organizations that were engaged-** The Federation of Indian Chambers of Commerce and Industry (FICCI), has been engaged as the Summit partner. It endowed with the organizing of the Summit, with support of the State Government. EY, has also been engaged as the knowledge partner of the summit.
4. **Narendra Modi's speech-** PM, addresses that North East is at the heart of the Union Government's Act East Policy. This policy allowed people to contact people, trade ties and relation with ASEAN countries. He emphasized that India's growth would increase with the fast growth of the North Eastern region. He further adds that the aim of the summit is to improve 'Ease of living.'He said that the 'Ayusman Bharat' scheme, which is a healthcare scheme would benefit 45-50 crore people. He also mentioned the other healthcare steps taken by the Union Government. He said that Union Government is working for doubling the income and welfare of the farmers. He stated the steps, taken to provide affordable housing to the people.He spoke about the 'Ujala Yojana' which aims at providing LED bulbs that results in reducing the household electricity bills. He also spoke about the steps taken by the Union Government to curb corruption and black money. He mentioned about the work done to improve the transport infrastructure of North East. Lastly, he congratulated the CM of Assam, Sarbananda Sonowal for creating a business friendly environment in Assam.
5. **Investments-** About 1,00,000 crores was committed by 200 MOUs (Memorandums of understanding), during the first day of the summit. Mukesh Ambani of Reliance Group of Industries, announced that his company will be investing Rs 2500 crores in the next three years. Assam Finance Minister, Hemanta Biswa Sarma announced that Rs 1500 crores will be invested in the tourism sector. Assam Government is investing 100 acres of land for the IT Park. About Rs 2250 crores are ready for the investment in the development of inland water transport in Assam.
6. **The Twin Towers-** Assam Government is setting its forth for the establishment of 65 storeyed Twin Towers (Global Trade Center) in order to boost trade. It would be a symbol of trade and business gateway to Southeast Asia.
7. **Dissatisfaction of Tarun Gogoi-** The former Chief Minister of Assam, Tarun Gogoi is not in favour of the twin towers in Assam. He doubts if even one fourth of Rs 1 lakh crore, would be implemented that was signed during the summit. He says that there is no point of developing the capital alone if development cannot be spread across Assam. Further, he adds that there are no incentives provided to the small industries. Moreover, the division between the rich and the poor is increasing under the NDA Government. Even jobs are not provided with timely salary. According to him, the Government should have given importance in sectors like food processing, agriculture and education, during the summit. ■



# SARDARA SINGH

## *A Star of Indian Hokey*

**Pinku Bora**
T.D.C. 6th Sem
(Arts)

India has a glorious past in the games of Hockey. With 11 Olympic medals– 8 Gold, 1 Silver and 2 Bronze medals– India is the most successful team in the history of hockey.

Despite languishing in the 5th spot in the World rankings currently, India has produced many top players throughout her history. Although, India has petered away of late, her achievements are unparalleled and when talking about the best hockey players, no list would be complete without including players from the subcontinent.There have been plenty of players who have captured the attention of the viewers with scintillating stickwork, mazy runs, brilliant defending and their goalscoring prowess.

Sardara Singh is an Indian professional field hockey player.Sardara became the youngest player to captain the Indian team when he led the side at the 2008 Sultan Azlan Shah Cup.He was awarded Padma Shri, the fourth highest civilian award of India, in 2015.

Sardar Singh became the highest-paid marquee player at the inaugural Hockey India League auctions as the Delhi franchise bought him for USD 78,000 (?42.49 lakh). The Delhi team was named Delhi Waveriders.He captained his side to a second-place finish in its inaugural season and was awarded the 'Player of the Tournament.

Sardara Singh made his debut for India in the junior team during India's 2003–04 tour of Poland. He made his senior debut against Pakistan in 2006. He also plays for his state Haryana. He is a deputy superintendent of Haryana police and plays for their team.Singh played for Chandigarh dynamos in the inaugural season of the premier hockey league in 2005. He played for Hyderabad sultans in the next three seasons till 2008, captaining the side.

His brother Didar Singh, a drag flick specialist also played for the Indian team, haryana and Chandigarh dynamos.

In 2010, he was included in the 18-men FIH All-Star team.In the same year, Singh was signed by the Belgian club, KHC Leuven to play in the Belgian Hockey League.In 2011, he was again named on the FIH All-Star team.Following Singh's impressive showing at the 2013Asia cup, he was signed by the Dutch club, HC Bloemendaal as a replacement to Teun de Nooijer.

On 13 July 2016, the responsibilities of the captain were handed over from him to P.R.shreejesh, the goalkeeper of Indian Team. He has captained Indian team for 8 years.

Sardar Singh became the highest-paid marquee player at the inaugural hockey. India league auctions as the Delhi franchise bought him for US$78,000 (42.49 lakh). The Delhi team was named delhi waveriders

He captained his side to finish on second place in its inaugural season and was awarded the 'Player of the Tournament.'He was honoured with Rajiv Gandhi Khel Ratna Award.

Sardar Singh is making his first Punjabi Music Industry debut by featuring in song 'Gallan Karraiyan' by veteran Punjabi singer Hardeep Singh of Shehar Patiale de fame. The song is written by Sukha Wadali and the music is by Jaidep Kumar

Awarded 'Player of Tournament' in the 2012 Sultan Azlan Shah Cup, where India won the Bronze. He was adjudged the Player of the Tournament in the 2012 Summer Olympics Qualifiers, where India won the Gold. He was adjudged the Player of the Tournament in the 2010 Sultan Azlan Shah Cup, where India won the Gold. He participated in Sultan Azlan Shah Hockey Tournament in Malaysia in the year 2006 and the team won Bronze Medal. He participated in SAF Games at Colombo in the year 2006 and the team scored 2nd position. He participated in 7th Junior Challenge Open Men's at Poland 2006 and scored 2nd position. He participated in BDO Hockey Champions Challenge at Belgium 2007 and got Bronze Medal.

He participated in Commonwealth Games 2006 at Melbourne. He participated in INDO-PAK series 2006. He participated in Four Nations International Tournament at Germany and the team scored Bronze Medal.

He also participated in Four Nations Hockey Tournament at Lahore and the team win Silver Medal. He participated in Hockey Asia Cup at Chennai 2007 and the team grabbed Gold Medal.

He participated for India in Canada for the 7 game Test Series against the Canadian National Field Hockey Team. ■

# শ্বেতবিপ্লৱ ঃ
# সীতা জখলা দুগ্ধ উৎপাদন সমবায়


## মৃণাল হাজৰিকা

স্নাতক ষষ্ঠ যাণ্মাসিক (কলা)


১৯৫৮ চনত মৰিগাঁও জিলাৰ আমলিঘাটত আৰম্ভ হৈছিল এক শ্বেতবিপ্লৱ। এই শ্বেতবিপ্লৱৰ আৰম্ভণি ঘটিছিল এক সমবায় উদ্যমৰ যোগেদি আৰু এই উদ্যমৰ নাম আছিল সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতি। সমবায়ভিত্তিক দুগ্ধ ব্যৱসায়ৰ বাটকটীয়া সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে বৰ্তমান এক বৃহৎ পৰিসৰত দুগ্ধ উৎপাদনৰ লগতে দুগ্ধজাত খাদ্যসামগ্ৰীৰ ব্যৱসায় কৰি আহিছে। সম্প্ৰতি হাজাৰোধিক গোপালকৰ লগতে সহস্ৰাধিক পৰিয়াল এই সমবায় সমিতিখনৰ দ্বাৰা উপকৃত হৈছে। অসমত বাণিজ্যিকভাৱে দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত সফলতাৰে বাট বুলিছে সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিখনে।

সমগ্ৰ দেশৰ ভিতৰতে অন্যতম পুৰণি দুগ্ধ উৎপাদক সমবায় সমিতি হিচাপে বিশেষ পৰিচয় থকা সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে আৰম্ভ কৰিছে সম্পূৰ্ণ নিজা এক দুগ্ধ প্ৰক্ৰিয়াকৰণ প্ৰকল্প। ষাঠি বছৰীয়া সমবায় খনৰ এই দুগ্ধ প্ৰক্ৰিয়াকৰণ প্ৰকল্পটি উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক ড° হোমেন বৰগোহাঞিয়ে। এই অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী পীযূষ হাজৰিকা, জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজগুৰু, নিতুমণি শইকীয়াৰ লগতে আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ সভাপতি ৰঞ্জিত শৰ্মা উপস্থিত থাকে। দৰাচলতে, নিৰ্ভেজাল গৰু গাখীৰ আৰু দুগ্ধজাত সামগ্ৰীৰ বাবে বিখ্যাত সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিক আজিৰ এই অৱস্থাত উপনীত হ'বলৈ সময় লাগিল ৬০ টা বছৰ। ১৯৫৮ চনত মাত্ৰ ১৭ জন দুগ্ধ উৎপাদকক সংঘবদ্ধ কৰি ১২০ লিটাৰৰ গাখীৰেৰে সমবায় ভিত্তিত ব্যৱসায় আৰম্ভ কৰা এই সমবায় সমিতিখনত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বৰ্তমান প্ৰায় ৫০০০ লোক জড়িত হৈ আছে। দৈনিক ১৫ ৰ পৰা ১৮০০০ লিটাৰ গাখীৰ উৎপাদন কৰা এই সমবায় সমিতিখনে বছৰটোত প্ৰায় ৩৫ কোটি টকাৰ ব্যৱসায় কৰে।

কিন্তু নিজাববীয়া এটা পেকেজিং ইউনিট নথকাৰ বাবে বহু সময়ত গাখীৰ পেলাই দিবলগীয়াৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল সীতাজখলাৰ গো-পালকসকলৰ বাবে। ২০১৭ চনৰ ১৪ নৱেম্বৰত নগাঁৱৰ এটা চৰকাৰী প্ৰকল্পৰ জৰিয়তে সীতাজখলাই 'গোনন্দ' নামেৰে নিজৰ প্ৰথমটো পেকেজ মিল্ক বজাৰলৈ এৰিছিল। কিন্তু ২০১৮ চনৰ ১৪ নৱেম্বৰ দিনটোৰ পৰা সম্পূৰ্ণ নিজা প্ৰকল্পত সীতাজখলাই গাখীৰৰ পেকেজিং আৰম্ভ কৰিছে। উল্লেখযোগ্য যে, চীনা যুদ্ধৰ সময়ত ভাৰতীয় সৈন্যক গাখীৰ যোগান ধৰা সীতাজখলা সমগ্ৰ দেশৰ ভিতৰতে অন্যতম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত আটাইতকৈ পুৰণি তথা শক্তিশালী সমবায় সমিতি। ■

**অসম সাহিত্য সভাৰ সভাপতি পদ অলঙ্কৃত কৰা হেম বৰুৱাৰ সাহিত্যিক জীৱন, ৰাজনৈতিক জীৱন আৰু এজন হৃদয়বান মানুহ হিচাপে তেওঁৰ প্ৰকৃত মূল্যায়নৰ আজি প্ৰয়োজন আছে। মৃত্যুৰ প্ৰায় আজি দুকুৰি বছৰ হ'বৰ হ'লহি, জন্মৰ এই শতবৰ্ষৰ সময়ত বিংশ শতাব্দীৰ এজন অন্যতম শ্ৰেষ্ঠ অসমীয়াৰ প্ৰতি আমাৰ সশ্ৰদ্ধ প্ৰণিপাত .......**

# ৰাজনীতিবিদ হেম বৰুৱা

**গুণীন হাজৰিকা**
প্ৰাক্তন অধ্যাপক, *কলিয়াবৰ মহাবিদ্যালয়*



তেওঁ নিজে 'কবি নহওঁ' বুলি উল্লেখ কৰিছে।[১] কিন্তু বিশিষ্ট সমালোচকে 'আধুনিক অসমীয়া কবিতাৰ জন্মদাতা' বুলি স্বীকৃতি দিছে।[২] কবিৰ হৃদয় লৈ জন্মগ্ৰহণ কৰা মানুহজন ৰাজনীতিৰ ৰূঢ় বাস্তৱতাৰ পথাৰত শেষলৈ ক্ষত-বিক্ষত হৈছিল, যদিও জীৱন কালতে বিশাল ব্যক্তিত্বৰে ৰাজনীতিৰ পথাৰখনতো মুকুতাৰ দৰে উজলি আছিল। তেওঁ সঘনে কৈছিল— "ৰাজনীতি ইহকালৰ বাবে, সাহিত্য পৰকাল বাবে।" তেওঁৰ ৰাজনৈতিক মঞ্চত প্ৰৱেশ সমসাময়িক জনৰ দৃষ্টিত আছিল "আচম্বিতে সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে এখন ৰাজহুৱা সভাত অগ্নিগৰ্ভা হেম বৰুৱা ৰাজনৈতিক বন্দী হ'ল। ভাবী কালৰ ৰাজনৈতিক নেতা হেম বৰুৱাৰ জন্ম হ'ল।"[৩] বিশিষ্ট সমালোচক গৰাকীয়ে আৰু লিখিছে— "কিন্তু আমাৰ হেম বৰুৱাই গোটেইটো প্ৰাপ্তবয়স্ক জীৱনেই ৰাজনীতি কৰিলে যদিও ৰাজনীতিৰ প্ৰতি অন্তৰৰ টান তেওঁৰ কোনোকালেই নাছিল। হেম বৰুৱা আছিল মূলতঃ শিল্পী, সাহিত্যিক, জীৱনৰ যোগাত্মক ফালটোৰ অনুৰাগী।"[৪] কবি আৰু বিপ্লৱী সত্তাৰ মানুহজন স্বাভাৱিকতে আছিল ন্যায়ৰ বাবে আৰু পুলিচী নিৰ্যাতনৰ সন্মুখীন হৈছিল।

---

১. হেম বৰুৱা কবিতা- কৈফিয়ৎ
২. হেম বৰুৱা ঃ ড° হীৰেন গোহাঁই
৩. মোৰ দেশ ১৯৭৬, ৪ৰ্থ সংখ্যা ঃ মুনীন বৰকটকী
৪. মোৰ দেশ ১৯৭৬, ৪ৰ্থ সংখ্যা ঃ মুনীন বৰকটকী

তেখেতে নিজে এনেদৰে লিখিছে— এইদৰে নিৰহ-নিপানীকৈ গৈ আছো। মাজতহে মাথোন দেউতাই 'প্ৰচণ্ড আঘাত' পালে। সেয়ে মই যেতিয়া ১৯৩০ চনত আন্দোলনত যোগ দিওঁ। দেউতাই ভাবিছিল পঢ়ি শুনি মই মুঞ্চুপ হ'ব নোৱাৰিলেও অন্ততঃ মাটিৰ হাকিম হ'ম। স্বৰাজৰ আন্দোলনত যোগ দিলে এইবোৰ হ'ব নোৱাৰি। সেই কাৰণেই সম্ভৱতঃ 'প্ৰচণ্ড আঘাত' পাইছিল। সেইদিনা এটা ডাঙৰ শোভাযাত্ৰা কৰিছিলো। আমাক স্বৰাজ লাগে। সেইদিনাৰ কথাৰ প্ৰায়বোৰ কথাই মনত আছে। জিলাৰ বৰচাহাব আছিল মিষ্টাৰ গানিং, পুলিচ চাহাব আছিল কোনো এজন গাঙ্গুলী। আমি এওঁক কাণকটা চাহাব বুলিছিলো। অকস্মাতে এই দুজন আহি শোভাযাত্ৰাৰ আগত উপস্থিত। ঠাইডোখৰ কাছাৰীৰ ওচৰত। তেওঁলোক আহি থিয় হোৱাৰ লগে লগে কাছাৰী আৰু ওচৰে পাজৰে থকা অফিচৰ আমোলাসকলে আহি নিজৰ ল'ৰাক শোভাযাত্ৰাৰ পৰা লৈ গ'লহি। আমি গাঁৱলীয়া কেইটা থাকি গ'লো। বৰচাহাব আৰু পুলিচ চাহাবৰ আদেশ অমান্য কৰি শোভাযাত্ৰা আগবাঢ়ি গ'ল। এনেতে ক'ৰ পৰানো এজাক সশস্ত্ৰ পুলিচ আহি আমাক দগৰি পেলালেহি। দাৰোগা এজনে হাতৰ বেটন ডাল ডিঙিত পথালিকৈ দি পুখুৰীৰ পাৰৰ মাটিত মোক বগৰাই দিলে। বাগৰি পৰাৰ লগে লগে গোৰ্খা চিপাহীয়ে বুঁট জোতাৰে গৰকি, বন্দুকৰ কুন্দাৰে মহটিয়াই পেলালে।... ৰাজনীতিৰ পোখা সম্ভৱতঃ এনেদৰে ক'ব নোৱাৰাকৈ মেল খালে।[৫]

তেতিয়াই তেওঁৰ বিদ্ৰোহী মাত— 'নাহি ভয়, নাহি ভয়, মৃত্যু সাগৰ মন্থন শেষে আসে মৃত্যুঞ্জয়' জাগৃত হৈছিল। যেন সাজু হ'ল দুৰ্গম গিৰিকান্তৰ মৰু দুস্তৰ পাৰাপাৰ হে। লজ্জিত হহে ৰাত্ৰি নিক্ষীথে যাত্ৰাৰ হুচিয়াৰ বিদ্ৰোহী কবি নজৰুল এই উক্তিৰ দৰে তেওঁৰ মন ভয়হীন, শঙ্কাহীন হ'ল।[৬] সেই সময়ত কংগ্ৰেছৰ আন্দোলনে ব্যাপক প্ৰসাৰতা লাভ কৰিছিল। শোণিতপুৰ জিলাত দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, লক্ষীধৰ শৰ্মা, অমিয় কুমাৰ দাস, বিজয় কুমাৰ ভাগৱতী, জ্যোতি প্ৰসাদ আগৰৱালা আদি নেতাসকলে তেতিয়াৰ যুৱশক্তিৰ নেতৃত্ব দিছিল। হেম বৰুৱা পঢ়া দিনত সেই ঘটনাৰ বাহিৰে তেজপুৰতে হওঁক, গুৱাহাটীতে হওঁক বা কলিকতাতে হওঁক আন্দোলনত প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ বিষয়ে জনা নাযায়। সম্ভৱতঃ পিতৃৰ ইচ্ছাৰ প্ৰতি লক্ষ্য ৰাখি পঢ়াশুনাত মন নিয়োজিত কৰিছিল। ১৯৩২ চনত মেট্ৰিক, ১৯৩৪ চনত আই এ, ১৯৩৬ চনত বিএ অৰ্নাচ, ১৯৩৮ চনত এম এ পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

যোৰহাটলৈ আহি 'ঘটনাক্ৰমে' হ'লেও ৰাজনীতি আৰু সাহিত্য দুয়োটাতে বীৰদৰ্পে প্ৰৱেশ কৰিছিল। 'ঘটনাক্ৰমে' বুলি এই কাৰণেই ক'ব লগা হৈছে— লিখক তথা সাহিত্যিক হিচাপে কলম তুলি ল'বলৈ এজন ছাত্ৰৰ কটু সমালোচনাই বাধ্য কৰালে বুলি 'মই লিখো কিয়' প্ৰবন্ধত উল্লেখ কৰিছে। "নিবনুৱা কালছোৱাত মই এই কামেই কৰিছিলো কেৱল সমালোচনা আৰু সমালোচনা। পৃথিৱীত যেন আন একো কামেই নাই। এনেদৰে এদিন ঘৰৰ আগচোতালত বহি হাতত 'আৱাহন' এখন লৈ ছাত্ৰ এজনৰ আগত প্ৰত্যেকটো গল্প, কবিতা, প্ৰবন্ধ কটু ভাষাত সমালোচনা কৰি আছোঁ। এনেতে ছাত্ৰজনে ঘপৰাই কৈ উঠিল, সম্ভৱতঃ শুনি শুনি অধৈৰ্য্য হৈ ক'লে- হেৰি এইবোৰ মানুহে কিবা এটা নহয় কিবা এটা কৰিছেই, আপুনি এম এ পাছ কৰি কৰিছে কিটো? নিজে নিলিখে কিয়?" ছাত্ৰ কালত হেমকান্ত শৰ্মা বৰুৱাই 'হিয়াৰ মিলন' নামৰ গল্প লিখা হেম বৰুৱাই পুনৰ হাতত কলম তুলি ল'লে, তেওঁৰ সাহিত্যৰ প্ৰবাহ আৰম্ভ হ'ল। 'আধুনিক নাট্য সাহিত্যত ৰিয়েলিজিম আৰু ৰোমাঞ্চ' নামৰ আৱাহনত প্ৰকাশিত প্ৰবন্ধটোৱেই তেওঁৰ প্ৰথম প্ৰবন্ধ। হেম বৰুৱা এজন বাটকটীয়া কবি, অসমীয়া ভ্ৰমণ সাহিত্যৰ জনক, ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে প্ৰবন্ধৰে এগৰাকী সুলিখক হিচাপে স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল।

ওখ-পাখ, খদ্দৰৰ ধুতি পাঞ্জাবীৰে গজেন্দ্ৰ গমনে গতি কৰা মানুহজন মূলতঃ শিক্ষক। অসাধাৰণ কথনভঙ্গীৰে ছাত্ৰ সমাজত বিষয়বস্তুৰ ওপৰত বিভোৰ কৰি ৰখা শিক্ষকেই নহয়, এজন চেতনাৰ উদ্ৰেক কৰা প্ৰেৰণাদাতা শিক্ষক (A great teacher inspire) সেয়ে এসময়ত প্ৰিন্সিপাল হেম বৰুৱাই ক্লাচ লৈছে বুলি গম পালে বি বৰুৱা কলেজত সন্তৰ্পণে সোমাই পাঠদান শুনিবলৈ আন কলেজৰ পৰাও ছাত্ৰ আহিছিল। ভৱিষ্যৎ ৰাজনৈতিক পথাৰখনত ছাত্ৰ সমাজৰ অসংখ্য অনুগামী তেওঁৰ নিৰ্বাচনী ৰণৰ সৈনিক হৈ থিয় দিছিল। বি বৰুৱা কলেজৰ প্ৰিন্সিপাল হৈ থাকোঁতে তেওঁক 'কেৰাণী কলেজৰ প্ৰিন্সিপাল' বুলি উপলুঙা কৰা লোকো আছিল। ১৯৪১ চনত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত পঢ়া এগৰাকী তেতিয়াৰ ছাত্ৰই স্মৰণ কৰি লিখিছিল হেম বৰুৱা ছাৰে আমাক ইংৰাজী আৰু অসমীয়া কবিতা পঢ়াইছিল। সুৰ, ছন্দ ৰাখি এনে ৰসালকৈ পঢ়াইছিল যে আমি সেই শ্ৰেণীত উপস্থিত নথকাকৈ নোৱাৰিছিলো।

ৰাজনীতিত অংশগ্ৰহণ কৰা সম্পৰ্কত লিখক নন্দ তালুকদাৰে এনেদৰে লিখিছে— "তেওঁৰ ৰাজনীতিত প্ৰৱেশ এক প্ৰকাৰ তিতাবৰত অনুষ্ঠিত জিলা ছাত্ৰ ফেডাৰেশ্যনৰ সভাত সভাপতি হোৱাৰ পিছৰ পৰা।" হেম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত জিলা ছাত্ৰ ফেডাৰেশ্যনৰ বাৰ্ষিক সভাত জনযুদ্ধত সহযোগিতাৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰা হয়। ইয়াৰ পিছতে হ'ল ৪২ৰ গণ আন্দোলন। যোৰহাটৰ কাছাৰীৰ সন্মুখলৈ এদিন হেম বৰুৱাই এটা বিৰাট ছাত্ৰ সমাবেশ পৰিচালনা কৰি আগবঢ়াই আনিছিল। এই ছাত্ৰ সমাবেশত সভাপতি স্বৰূপে তেওঁ উদ্দীপনাময় ভাষণ দিয়ে। ইয়াৰ ফলত কাৰাৰুদ্ধ হ'বলগা হয়।[৭]

১৯৬৫ চনত 'নিউয়ৰ্ক টাইমছ'ৰ সাংবাদিক কাল চালচবাৰ্গক ফ্ৰান্সৰ কিংবদন্তীস্বৰূপ ৰাষ্ট্ৰপতি চাৰ্লচ দ্যাগলে কৈছিল— "Great circumastance bring forth greatman, Only crises do nation throw up giants." স্বাধীনতাৰ বাবে হোৱা সেই বৃহৎ জাগৰণে সৰু বৰ অসংখ্য নেতাৰ সৃষ্টি কৰিছিল। তেনে এক ঘটনা প্ৰবাহে হেম বৰুৱাৰ দৰে এক প্ৰতিভাধৰ ব্যক্তিক ওলাই আহিবলৈ সুযোগ দিলে।

যোৰহাটৰ কাৰাগাৰ সেই সময়ত এক তীৰ্থস্থানত পৰিগণিত হৈছিল। হেমবৰুৱাক এবছৰ সশ্ৰম কাৰাদণ্ড বিহিছিল আৰু চি ডিভিজনৰ কয়দী হিচাপে গণ্য কৰিছিল। গড়মূৰীয়া সত্ৰাধিকাৰ, গোপীনাথ বৰদলৈ, ফকৰুদ্দিন আলি আহমেদ, বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস, মহম্মদ তৈয়বুল্লা, বিমলা প্ৰসাদ চলিহা, নীলমণি ফুকন, মহাদেৱ শৰ্মা, কামাখ্য প্ৰসাদ ত্ৰিপাঠী, বিজয় চন্দ্ৰ ভাগৱতী প্ৰমুখ্যে ৭০০ ৰাজনৈতিক বন্দী যোৰহাট কাৰাগাৰত কাৰাৰুদ্ধ আছিল।[৮]

৫. আঁচুফুল- হেমবৰুৱা, পৃষ্ঠা- ৫৬
৬. এক নজৰুল : সহস্ৰ সংশয় ঃ ডঃ নীৰদবৰণ হাজৰা
৭. হেম বৰুৱা- অসম সাহিত্য সভা, পৃ. ৭ ঃ নন্দ তালুকদাৰ
৮. পূৰ্বোক্ত গ্ৰন্থ

হেম বৰুৱাৰ সহপাঠী বিশিষ্ট সমালোচক মুনীন বৰকটকীয়ে লিখিছে— 'সেই সময়তে আমাৰ মহান নেতা লোকপ্ৰিয় বৰদলৈৰ সান্নিধ্যলৈ অহাত হেম বৰুৱাৰ সমস্ত Contour বোৰকে সলাই পেলালে। বৰদলৈদেৱে হেম বৰুৱাক যোৰহাটৰ পৰা আনি অসমৰ প্ৰাণকেন্দ্ৰ গুৱাহাটীত থাপিলে। ভোলা বৰুৱা কলেজৰ গুৰিয়াল পাতিলে।'[৯]

আন্দোলনত নামি পৰিলেও গান্ধীজীৰ দৰ্শন আৰু অহিংসা আন্দোলনৰ মহত্বৰ বিষয়ে তেওঁ জেললৈ যোৱাৰ পাছতহে অধ্যয়ন কৰিবলৈ লৈছিল। কাৰ্লমাক্সৰ অধ্যয়নে তেওঁক সমাজবাদী চিন্তাধাৰাৰ মাজলৈ লৈ গৈছিল। এফালে জাতীয়তবাদী আন্দোলন আনহাতে দেশৰ ৰাজনৈতিক-সামাজিক ৰূপান্তৰৰ সমাজবাদী দৰ্শনৰে দীক্ষিত এচাম নেতা কংগ্ৰেছৰ মাজতে চচিয়েলিষ্ট দৰ্শনত আকৃষ্ট হৈ এক মঞ্চ গঢ়ি তুলিবলৈ বদ্ধ পৰিকৰ হৈছিল।

১৯২৬ চনতে ডঃ সম্পূৰ্ণানন্দ আৰু আচাৰ্য্য নৰেন্দ্ৰদেৱে কৃষিকৰ্মৰ এক সমাজবাদী আঁচনি উত্তৰ প্ৰদেশ কংগ্ৰেছ কমিটিৰ যোগে এ আই চি চি লৈ প্ৰেৰণ কৰিছিল। সেয়াই কংগ্ৰেছৰ মাজত সমাজবাদী চিন্তাৰ উন্মেষৰ সময়। পণ্ডিত নেহৰু নিজে এই দৰ্শনত বিশ্বাসী আছিল। ১৯৩২-৩৩ চনত নাচিক জেলত কাৰাৰুদ্ধ হোৱা জয়প্ৰকাশ নাৰায়ণ, মিনু মাচানী, অচ্যুৎ পট্টবৰ্ধন, অশোক মেহতা, চাল্‌ৰ্চ মেচৰনাহচ, নাৰায়ণ স্বামী, এম এল দান্তৱালা, এন জি গোৰে, এছ এম যোশী আদিয়ে মাৰ্ক্সবাদী দৰ্শনৰ ভিত্তিত কংগ্ৰেছ চচিয়েলয়িষ্ট পাৰ্টি গঠনৰ পোষকতা কৰে। ১৯৩৩ চনত 'পুল খচৰা' নামেৰে এক কৰ্মসূচী তৈয়াৰ কৰে। ১৯৩৬ চনত পণ্ডিত নেহৰু কংগ্ৰেছৰ সভাপতি হোৱাত আচাৰ্য্য নৰেন্দ্ৰ দেৱ, জয় প্ৰকাশ নাৰায়ণ আৰু অচ্যুৎ পট্টবৰ্ধনক ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য কৰি লয়। জাৰ্মানীৰ পৰা ডক্টৰেট ডিগ্ৰী লৈ অহা ৰাম মনোহৰ লোহিয়াক নেহৰুৰ বৈদেশিক বিভাগৰ সম্পাদক হিচাপে নিয়োগ কৰা হৈছিল। ডঃ লোহিয়া অৰ্থনৈতিক দিশত নিজস্ব ধ্যান ধাৰণাৰে এক সমাজবাদী চিন্তাধাৰাৰ অন্যতম চিন্তানায়ক হিচাপে পৰিগণিত হৈছিল। ১৯৪২ৰ 'ভাৰত ত্যাগ' আন্দোলনত এক উগ্ৰ আৰু গতিশীল ভূমিকাৰে সমাজবাদী নেতাসকলে বিশেষ ভূমিকা লৈছিল। গণ বিপ্লৱক তীব্ৰতৰ কৰিছিল।

অসমত সমাজবাদী চিন্তাধাৰাৰে পুষ্ট শঙ্কৰ বৰুৱা, হৰেশ্বৰ গোস্বামী, হেম বৰুৱা, বিপিনপাল দাস, লক্ষ্যধৰ চৌধাৰী, সুবোধ হাজৰিকা, হিমাংশু দত্ত, দেৱকান্ত বৰুৱা, লক্ষীপ্ৰসাদ গোস্বামী, নিবাৰণ বৰা আৰু ৰূপৰাম সুতক লৈ ডঃ লোহিয়াই তদৰ্থ সমিতি গঠন কৰে। ১৯৪৭ ৰ শেষৰ ফালে যোৰহাট নগৰত চছিয়েলিষ্ট পাৰ্টিৰ প্ৰথম ৰাজ্যিক সন্মিলন হয়। তাতে শঙ্কৰ বৰুৱা সভাপতি, হৰেশ্বৰ গোস্বামী সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। জয় প্ৰকাশ নাৰায়ণে এই সভা উদ্বোধন কৰিছিল।[১০]

বিয়াল্লিছৰ গণ আন্দোলনৰ সময়ত হেম বৰুৱাৰ আত্মগোপন কৰি থকা সমাজবাদী নেতাৰ লগত যোগাযোগ আছিল। লিখক নন্দ তালুকদাৰে উল্লেখ কৰিছে— "বিয়াল্লিছৰ বিপ্লৱত আত্মগোপন কৰি থকা অৰুণা আছফ আলিয়ে দিয়া এখন চিঠি যোৰহাটত হেম বৰুৱাই নেহৰুৰ হাতত দিবলৈ যাওঁতে নেহৰুৱে বৰুৱাৰ কান্ধত হাতখন থৈ কথা পাতে। নেহৰুৰ লগত হেম বৰুৱাক এনে অৱস্থাত দেখি পিতৃ বিনন্দিৰাম শৰ্মা বৰুৱা আনন্দত আপ্লুত হৈছিল।"

৯. হেম বৰুৱা, মোৰ দেশ ১৯৭৬ ঃ মুনীন বৰকটকী

১০. ৰমণী বৰ্মন ঃ সমাজবাদী আন্দোলনৰ ইতিহাস : বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ), পৃ ৮৭

সমাজবাদী চিন্তাধাৰাৰে দীক্ষিত মানুহজনে প্ৰজা চচিয়েলিষ্ট দলৰ পৰা হৰেশ্বৰ গোস্বামী, লক্ষীপ্ৰসাদ গোস্বামী, দেৱকান্ত বৰুৱা প্ৰমুখ্যে নেতাসকলে দল এৰি কংগ্ৰেছত যোগদান কৰা স্বত্বেও দল এৰা নাছিল। কৰ্মীসকলৰ মনোবল অটুট ৰাখিবলৈ যত্ন কৰিছিল। সচাঁকৈয়ে হেম বৰুৱা আদৰ্শৰ প্ৰতি গভীৰ আনুগত্য থকা নিষ্ঠাৱান সমাজবাদী নেতা আছিল। তেওঁ সমাজবাদী আদৰ্শৰ প্ৰতীকস্বৰূপ আছিল। Socialism is a way of life (সমাজবাদ জীৱনৰ প্ৰয়োগ নীতি) হেমবৰুৱাই এই কথাষাৰ আখৰে আখৰে পালন কৰিছিল। আজিৰ অৱস্থাত এনে নিষ্ঠাৱান লোক ৰাজনীতিত পাবলৈ টান হৈ পৰিছে।[১১]

লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যুৰ পিছত গুৱাহাটীৰ খালী হোৱা পদৰ বাবে ১৯৫১ চনত উপ-নিৰ্বাচনত হয়। এই নিৰ্বাচনত চচিয়েলিষ্টৰ ফালৰ পৰা হৰেশ্বৰ গোস্বামী প্ৰাৰ্থী আছিল।[১২]

১৯৫২ চনৰ ২৭ মাৰ্চ তাৰিখে হোৱা নিৰ্বাচনত ৫৫ নং গুৱাহাটী সমষ্টিৰ সমাজবাদী ফালৰ প্ৰাৰ্থী আছিল হেম বৰুৱা, কংগ্ৰেছৰ প্ৰাৰ্থী আছিল ৰাজবালা দাস। চি পি আইৰ প্ৰাৰ্থী আছিল গৌৰী শঙ্কৰ ভট্টাচাৰ্য্য। সেই নিৰ্বাচনত ৩৭,৮৯১ জন ভোটাৰ আছিল। মাত্ৰ ১৬,৮২৯ জনে ভোট দিয়ে। চি পি আইৰ প্ৰাৰ্থী গৌৰী শঙ্কৰ ভট্টাচাৰ্য্যই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ৰাজবালা দাসতকৈ ২১৩টা ভোট বেছি পাই জয়লাভ কৰে।[১৩] হেম বৰুৱা পৰাজিত হয়।

কমল নাৰায়ণ চৌধুৰীয়ে তেওঁৰ প্ৰবন্ধ এটাত এনেদৰে লিখিছে— '১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনত বিধান সভাৰ চচিয়েলিষ্ট প্ৰাৰ্থী স্বৰূপে হেম বৰুৱাই প্ৰতিদ্বন্দ্বিতা কৰিছিল। ধনবল আৰু জনবলৰ অভাৱত হেমবৰুৱা নিৰ্বাচনত হাৰিল। ভোট গণনাৰ অন্তত গুৱাহাটীৰ উপায়ুক্ত মিঃ কাৰ্ভেলোৱে অতি দুখৰে ফলাফল ঘোষণা কৰিছিল। তেওঁ দুখ কৰা দেখি জনৈক বিপক্ষৰ নেতাই প্ৰশ্ন কৰিছিল— আপুনি ৰাজ কৰ্মচাৰী হৈ এনেদৰে হেম বৰুৱাৰ বাবে দুখ কৰাটো জানো ভাল হৈছে? ই জানো পক্ষপাতিত্বৰ কথা নহয়? হাতত থকা লাঠিদালত ভৰ দি মিঃ কাৰ্ভেলোৱে উত্তৰ দিছিল— নিৰ্বাচনত বিজয়ী হোৱা জনক জানো মই কৰমৰ্দন কৰি অভিনন্দন কৰা নাছিলো? আচল কথা কি জানে? মই হেম বৰুৱাৰ এজন গুণমুগ্ধ লোক 'উপায়ুক্তৰ অফিচৰ বাহিৰত আমি কেইজনামানে হেম বৰুৱাৰ কাৰণে বাট চাই আছিলো।' (পৃষ্ঠা ৩৯, হেম বৰুৱাঃ অসম সাহিত্য সভা) ১৯৫৬ চনৰ গুৱাহাটী সংসদীয় সমষ্টিৰ ৰোহিনী চৌধুৰীৰ মৃত্যুত খালি হোৱাৰ আসনৰ উপ-নিৰ্বাচনতো পৰাজয়বৰণ কৰে।[১৪]

নিৰ্বাচনী যুঁজতে নহয় ১৯৪৯ চনত ঘিলাধাৰী, ৰণথলী, সৰুচৰাই, মালৌখাট আদি ঠাইত হোৱা কৃষক সত্যাগ্ৰহত অংশগ্ৰহণ কৰিছিল। ১৯৬৩ চনৰ পৰা একেৰাহে ৭ বছৰ পূৰ্বোত্তৰ ৰেলৱে মজদুৰ ইউনিয়নৰ সহ-সভাপতি আছিল। আন্দোলন পৰিচালনা কৰিছিল।[১৫]

স্বৰাজৰ প্ৰথম দশকতে অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে কৰা বৈষম্যৰ বিৰুদ্ধে সমাজবাদী দলে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

১১. বিশ্ব গোস্বামী ঃ হেম বৰুৱা, অসম সাহিত্য সভা, পৃষ্ঠা- ১৬৫

১২. কমল নাৰায়ণ চৌধুৰী ঃ হেম বৰুৱা, অসম সাহিত্য সভা, পৃষ্ঠা- ৩৬

১৩. Statistical Report Election Commission, 1952, Assam

১৪. নন্দ তালুকদাৰ ঃ হেমবৰুৱা এটি জীৱন আলেখ্য

১৫. বিশ্ব গোস্বামী ঃ অসম সাহিত্য সভা, পৃষ্ঠা- ১৬৫-৬৬

ব্ৰহ্মপুত্ৰৰ ওপৰত দলঙৰ দাবী, বৃহৎ তেল শোধনাগাৰৰ দাবী, ৰে'লৰে সদৰ কাৰ্যালয় প্ৰতিষ্ঠাৰ বাবে চলোৱা আন্দোলনত অসমৰ জনমতক সমাজবাদী দলে উচিতভাৱে লৈ যোৱাত বিশেষ ভূমিকা পালন কৰিছিল। সংসদলৈ নিৰ্বাচিত হৈ হেম বৰুৱাই বলিষ্ঠ কণ্ঠৰে লোকসভাৰ মজিয়াত বিষয়বোৰ দাঙি ধৰিছিল। অসমৰ প্ৰতি কৰি অহা অন্যায় আৰু অৱহেলাৰ ফলত হোৱা অনগ্ৰসৰতা, অৰ্থনৈতিক শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজৰ মনত জ্বলি থকা অসন্তুষ্টিৰ বহ্নিশিখাৰ উমান দি হেম বৰুৱাই ৬০ দশকতে দেশৰ নেতৃবৃন্দক সকীয়াই দিছিল।[১৬]

সংসদলৈ হেমবৰুৱা তিনিবাৰ নিৰ্বাচিত হৈছিল। ১৯৫৭ চনৰ নিৰ্বাচনত গুৱাহাটী লোকসভা সমষ্টিৰ পৰা ৫৯.৭৬ শতাংশ ভোট পাইছিল। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ দেবেন্দ্ৰ নাথ শৰ্মাই ৪০.২৪ শতাংশ পাইছিল। প্ৰজা চচিয়েলিষ্ট দলৰ আন এগৰাকী প্ৰাৰ্থী আমজাত আলী ধুবুৰী সমষ্টিৰ পৰা জয়ী হৈছিল। সেই নিৰ্বাচনত প্ৰজা চচিয়েলিষ্ট পাৰ্টিৰ সমগ্ৰ দেশত ১৯ জন প্ৰাৰ্থী জয়ী হৈছিল। যোৰহাটত এচ পিৰ প্ৰাৰ্থী আছিল শঙ্কৰ বৰুৱা। সেইদৰে চি পি আইৰ চৈয়দ আব্দুল মালিক, গোৱালপাৰাত চি পি আইৰ বিষ্ণু প্ৰসাদ ৰাভা, বৰপেটাত অধ্যাপক ভবানন্দ দত্ত, ডিব্ৰুগড়ত চচিয়েলিষ্ট দলৰ নিবাৰণ বৰা। অসমৰ বৌদ্ধিক জীৱনত নেতৃত্ব দিয়া এই মুধাফুটা ব্যক্তিসকলৰ নিৰ্বাচনত অংশগ্ৰহণে এক বিশেষত্ব প্ৰদান কৰিছিল।

১৯৬২ চনত লোকসভা নিৰ্বাচনত হেম বৰুৱা পুনৰ গুৱাহাটী সমষ্টিৰ পৰা বিজয়ী হয়। তেখেতে ভোট পাইছিল ৪৯.৯০ শতাংশ। তেখেতৰ নিকটতম প্ৰাৰ্থী কংগ্ৰেছৰ অধ্যক্ষ তীৰ্থনাথ শৰ্মাই পাইছিল ৩৭.৯৪ শতাংশ। সমগ্ৰ দেশত প্ৰজা চচিয়েলিষ্ট দলৰ ১২ জন প্ৰাৰ্থী জয়ী হৈছিল।

১৯৬৭ চনত হেম বৰুৱা পুনৰ সংসদলৈ নিৰ্বাচিত হয় মঙ্গলদৈ সমষ্টি পৰা। তেখেতে ৫০.৮০ শতাংশ ভোট পাই জয়যুক্ত হৈছিল। তেখেতৰ নিকটতম প্ৰতিদ্বন্দ্বী আছিল কংগ্ৰেছৰ ধৰণীধৰ দাস। হেম বৰুৱাই লাভ কৰিছিল ১,০৭,৭১৮ ধৰণীধৰ দাসে লাভ কৰিছিল ৭০,৭১৮।

১৯৭১ চনত মঙ্গলদৈ লোকসভা সমষ্টিত পুনৰ প্ৰতিদ্বন্দ্বিতা কৰে। কিন্তু ২১.৮১ শতাংশ ভোট লাভ কৰিবলৈহে সক্ষম হয়। তেখেতৰ প্ৰতিদ্বন্দ্বী ধৰণীধৰ দাসে ৯০,০৫৮ টা ভোট অৰ্থাৎ ৪৯.৬১ শতাংশ ভোট লাভ কৰিছিল। সেই নিৰ্বাচনত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাইও প্ৰতিদ্বন্দ্বিতা কৰিছিল। তেখেতে ১২,৩৩০ টা অৰ্থাৎ ৬.৭৮ শতাংশ ভোট লাভ কৰে।[১৭]

অসমৰ হৈ যুঁজা মানুহজনে বীৰদৰ্পে সংসদৰ মজিয়াত অসমৰ হকে যুঁজি যুঁজি শেষত পৰাজয়ৰ গ্লানি ল'বলগা হ'ল। হেম বৰুৱা যি সময়ত সংসদৰ মজিয়াত নিজৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছিল, সেই সময়ত ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰৰ এক সোণালী যুগ আছিল। দেশৰ স্বাধীনতাৰ হকে যুঁজা সংগ্ৰামী বীৰসকল এক নতুন ভূমিকাত অৱতীৰ্ণ হৈছিল। শাসক আৰু বিৰোধী উভয়তে সংসদীয় গণতন্ত্ৰৰ উজ্জ্বল জ্যোতিষ্কৰে ভৰপূৰ আছিল।

পণ্ডিত জৱাহৰলাল নেহৰু নিজেই আছিল ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰৰ খনিকৰ। বিশ্ববৰেণ্য দাৰ্শনিক, বুদ্ধিজীৱি ব্ৰাট্ৰণ্ড ৰাচেলে নেহৰুৰ মৃত্যুত লিখা এটা প্ৰবন্ধত লিখিছে- "There is a further achievement of utmost importance which is not sufficiently appreciated. Every conceivable argurnent has been available to tempt Neheru to forego democreatic institutions in India." তেখেতে উল্লেখ কৰিছে নিৰক্ষৰতা, দৰিদ্ৰতা, বিভিন্ন ৰোগৰ প্ৰাৰ্দুভাৱে আক্ৰান্ত কৰা জনগণ-হিন্দু-মুছলমানৰ মাজত বিভাজনে ইয়াৰ বৈচিত্ৰ্যময় সাংস্কৃতিক পৰিৱেশে দেশক বিভাজিত কৰাৰ আশঙ্কাৰ গইনা লৈ সংসদীয় ব্যৱস্থাৰ বিকল্প তেওঁ ল'ব পাৰিলেহেঁতেন। কিন্তু নেহৰুৱে ভাৰতবৰ্ষৰ মানুহৰ বিশ্বৰ জ্ঞান মন্দিৰলৈ আগবঢ়োৱাৰ বৰঙণি তেওঁ হৃদয়ত উপলব্ধি কৰিছিল। হেম বৰুৱাৰ সংসদৰ সতীৰ্থ এন. জি. গোৰে, সুৰেন্দ্ৰ নাথ দ্বিবেদী, সমৰ গুহ আদিয়ে তেখেতৰ স্বাস্থ্য অধিক অৱনতি ঘটাৰ সময়ত 'মোৰ দেশ' নামৰ আলোচনীখনত ১৯৭৬-৭৭ চনৰ (ছেপ্টেম্বৰ-অক্টোবৰ) সংখ্যাত অতি আন্তৰিকতাপূৰ্ণ মন্তব্য দিছে। অসমৰ সমস্যা উত্থাপনত, চীনৰ ভাৰত আক্ৰমণৰ সময়ত, ভাৰতবৰ্ষৰ আভ্যন্তীৰণ আৰু বৈদেশিক নীতিসমূহৰ ক্ষেত্ৰত হেম বৰুৱাই দিয়া অতি যুক্তিনিষ্ঠ ব্যাখ্যাৰে নিজৰ বক্তব্য দাঙি ধৰিছিল।

তেওঁৰ ৰাজনৈতিক ক্ষেত্ৰত অভিজ্ঞতাৰে বুটলি অনা সবল তথ্যৰে পৰিপূৰ্ণ আছিল। তেখেতে সেই তথ্যকে যথাস্থনত নিজস্ব ভঙ্গিমাৰে উপস্থাপন কৰিছিল। 'চন্দ্ৰ ফুকন'ৰ মৃত্যুত প্ৰকাশ হোৱা স্মৰণিকাৰ এটা প্ৰবন্ধত লিখিছে— 'মই ৰেঙ্গুন চহৰত Conflict of mind in modern India বোলা এটা ভাষণ দিব লগা হ'ল। প্ৰাচীন সংঘাতৰ বিষয়ে হুমায়ুন কবীৰৰ Our Heritage বোলা কিতাপখন পঢ়ি বহুতো কথা জানিলো যদিও আধুনিক সংঘাতৰ বিষয়ে একো জনা নাছিলো। মোৰ মনত আছে, ফুকনদেৱে কেনেকৈ আধুনিক ভাৰতত পশ্চিমীয়া সংঘাত হৈছে, সেই বিষয়ে বিংতকৈ কৈ দিয়াত এযাৰ কথা ব্যৱহাৰ কৰি ৰেঙুন চহৰত যেতিয়া বক্তৃতা দিওঁ মোৰ বক্তৃতা সৰ্বশ্ৰেষ্ঠ হৈছিল বুলি সকলোৱে কৈছিল।[১৮]

'সময় বলুকা ৰাশিত পদচিহ্ন' ৰখা হেম বৰুৱাৰ ৰাজনৈতিক দূৰদৰ্শিতাৰ বিৰল উদাহৰণ আছে। নীতিনিষ্ঠ ৰাজনীতিত বিশ্বাসী মানুহজন পণ্ডিত নেহৰুৰ স্নেহভাজন আছিল। শাসকীয় দললৈ আহি দল বাগৰা হ'লেই চৰকাৰী পদবী ল'ব পাৰিলেহেঁতেন। সেই সময়ৰ এনে আদৰ্শবান বহু ৰাজনৈতিক নেতাৰ দৰে নিজৰ দলীয় মুঠি এৰি নিদিলে।

অসম আন্দোলনৰ পৰা যিবিলাক সমস্যাই সমগ্ৰ ভাৰতবৰ্ষতে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল সেইবিলাক বিষয় ১৯৬৭ চনতে The Illustrated Weekly of India ৰ ২১ মে' সংখ্যাত হেমবৰুৱাই The Political Science নামৰ এটা প্ৰবন্ধত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছিল। অসম সম্পৰ্কীয় সেই বিশেষ সংখ্যাটোত তেখেতে এনেদৰে লিখিছিল— The political problem is further complicated by the immigration of inflitrants from Pakistan. During the decade 1951-61, the population of Assam registered a phenomenal growth (34.45%). This unprecedented increase was due partly to the migration of people belonging various communities from Pakistan

১৬. ৰমণী বৰ্মন ঃ বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ, পৃষ্ঠা- ৮৯
১৭. নিৰ্বাচন আয়োগৰ ফলাফল পৰিশিষ্ট দিয়া হৈছে।
১৮. চন্দ্ৰফুকন স্মৃতিগ্ৰন্থ, সম্পাদনা- সম্ভুৰাম শইকীয়া

beside those who have come from other parts of India. (page 33)

তেখেতে ১৯৩১ চনত মুলান চাহাবৰ চেন্সাচ ৰিপৰ্ট লিখা কথাৰ উদ্ধৃতি দিছে। প্ৰায় বিশ লাখ বিঘা খেতি মাটি এই অবৈধ প্ৰব্ৰজন লোকৰ দ্বাৰা অধিকৃত হৈছে। তেওঁ আৰু কৈছিল— The hills people are bone of our bones and flesh of our flesh; Our common destiny is bound together with the same silketies.

পণ্ডিত নেহৰুৰ মৃত্যুৰ সময়ত লিখা এটা প্ৰবন্ধত টয়নবীয়ে উল্লেখ কৰিছে— মহৎ মন্ম ৰাষ্ট্ৰনেতাজনো কালচক্ৰৰ ভয়ঙ্কৰ ঘটনা প্ৰৱাহৰ বশৱৰ্তী হ'বলগা হয়। সেই শোকচক্ৰত আৱদ্ধ আদৰ্শবাদী ৰাষ্ট্ৰনেতাজন বাৰুকৈ ক্ষতিগ্ৰস্ত হ'বলগা হয়। হেম বৰুৱাৰ অন্তিম দিনবোৰতো তেনে এক ঘটনা প্ৰৱাহে মনোকষ্ট দিছিল। দেশভক্ত তৰুণৰাম ফুকনৰ পিছতে অসমত বাগ্মী আৰু জনপ্ৰিয় নেতা হিচাপে হেম বৰুৱা অদ্বিতীয় আছিল বুলি কেইবাগৰাকী সান্নিধ্য লাভ কৰা বৰণ্য ব্যক্তিয়ে উল্লেখ কৰিছে।[১৯] এনে জনপ্ৰিয়তা আহিছিল তেওঁ সহজ সৰল হৃদয়ৰে আন্তৰিকতাপূৰ্ণভাৱে জনসাধাৰণ সমস্যা লৈ একাত্ম হৈ তেওঁলোকৰ বাবে কাম কৰা বাবে। উপনিষদত কোৱাৰ দৰে সামএনম উপাগত ইতি। সামভাৱে তেওঁলোকৰ ওচৰলৈ যোৱা। সমাজবাদী নেতা লক্ষ্যধৰ চৌধুৰীয়ে লিখিছে— “উত্তৰ কামৰূপত বানপানী। বৰভাগ ৰঙিয়া অঞ্চলৰ ঘৰবাৰী পানীৰ কবলত। হেম বৰুৱা অঞ্চলৰ এম পি। তেওঁ তেতিয়া দিল্লীত। আমি ৰঙিয়াত গৈ শুনিলো হেম বৰুৱা আগদিনাই আহি বৰভাগ সোমাইছে। গধূলি উলটি আহিলো। হেম বৰুৱা গুৱাহাটী পোৱা নাই। ২/৩ দিন তাত কটাই হেম বৰুৱা গুৱাহাটীলৈ আহিল। আমি ক'লো, ‘আপুনি ইয়ালৈ আহি একেলগে নগ'লহি কিয়?’ হেম বৰুৱাই উত্তৰ দিলে— ‘মই সকলো দলৰ কৰ্মীক তাতেই লগ পাম বুলি ভাবিছিলো।’ সঁচা কথা, বৰুৱাই সেই বানপানীত পৰা ৰাইজৰ আগত প্ৰথম সহানুভূতিৰে মাতষাৰ দিছিলগৈ। এনে বহুতো ঘটনা আছে। তেওঁ জনগণৰ ওচৰ চাপি তেওঁলোকৰ সমস্যাৰ উমান লৈছিল।”

হেম বৰুৱাই নেহৰু যুগৰ পৰা ইন্দিৰা গান্ধীৰ যুগলৈ ভাৰতীয় ৰাজনীতিৰ উত্তৰণ দেখিছিল। মূল্যবোধৰ ক্ৰমাৎ হৈ যোৱা অৱক্ষয়ে তেওঁৰ দৰে ৰাজনৈতিক নেতাক মনোকষ্ট দিছিল। নিজে নীতি আদৰ্শত অটল হৈ আছিল। ভাৰতীয় ৰাজনীতিৰ এই পৰিৱৰ্তন সম্পৰ্কত ন্যায়াধীশ চাৰকাৰীয়াই তেওঁৰ প্ৰতিবেদনৰ আৰম্ভণিতে উল্লেখ কৰিছে। স্বাধীনতা আন্দোলনত গান্ধীজীৰ ত্যাগৰ আদৰ্শ আৰু মূল্যবোধৰে গঢ়া ৰাজনৈতিক নেতাসকল আৰু স্বৰাজৰ তৃতীয় দশকৰ পৰা ৰাজনৈতিক নেতাসকলৰ চৰিত্ৰগত পৰিৱৰ্তন আৰম্ভ হৈছিল। দুৰ্নীতিগ্ৰস্ত সমাজখন এইসকল নেতাৰ হাতত সংস্কাৰ হওঁক চাৰি ক্ৰমাৎ অধঃপতনলৈ আহিছিল।

হেম বৰুৱা কবি আছিল। তেওঁৰ মনত সমাজ পৰিৱৰ্তনৰ আশাবাদ নিৰন্তৰ প্ৰৱাহিত হৈ আছিল। সেয়ে তেওঁ কবিতাত লিখিছিল—

*‘তুমি আৰু মই আৰু লাখজন*
*পেটত আমাৰ তয়াময়া ভোক।*
*আকৌ এবাৰ ৰঙা কৰি মৰো আঁহা*
*লুইতৰ বগা পানী।” (যাত্ৰা শেষ নাই)*

সংগ্ৰামৰ মাজেৰে ক্ষুধাৰ্ত জনক যুঁজিবলৈ প্ৰেৰণা দিছিল।

ৰাজনৈতিক নেতা হেম বৰুৱা আছিল শিক্ষক। তেওঁ এজন অধ্যয়নপ্ৰিয় ব্যক্তি। ডেকাকালত কলেজ শিক্ষকজনে যেনেকৈ যোৰহাটৰ বৰকটকী কোম্পানীৰ কিতাপৰ দোকানত ইখনৰ পিছত সিখন কিতাপ পঢ়িছিল, তেনেকৈ সাংসদ হৈ থকা কালতো অধ্যয়ন আছিল তেওঁৰ তপস্যা। সংসদৰ ভিতৰত বাক্যবাণ তৰ্জন-গৰ্জন আৰু তুমুল বাক্যুদ্ধৰ পাছত তেওঁৰ জিৰণিৰ আশ্ৰয় আছিল সংসদ ভৱনৰ লাইব্ৰেৰীটো।

সেই অধ্যয়নে পণ্ডিত নেহৰুকো আকৃষ্ট কৰিছিল। নেহৰুৰ বহল অধ্যয়নপুষ্ট মনৰ বিষয়ে হেম বৰুৱাই এটুপি চকুলোত উল্লেখ কৰিছে। সেইদৰে হেম বৰুৱাই সদনৰ বক্তৃতাৰ মাজত কোৱা কথাই তেওঁক আকৃষ্ট কৰিছিল— ‘ডিফেন্স সভা স্থগিত প্ৰস্তাৱ এটাৰ ওপৰত এদিন বিবৃতি এটা দিবলৈ উঠাৰ লগে লগেই অধ্যক্ষই মোক আদেশ দিলে— 'Be brief' অধ্যক্ষৰ কথাৰ ওপৰতে মই কৈ পেলালোঁ 'Yes sir, it shall be brief as woman's love.' এই কথাযাৰ শ্বেক্সপীয়েৰৰ ‘হেমলেট’ নাটকত আছে। অকেনিয়াই হেমলেটক কৈছে— It is brief my lord হেমলেটে যোগ দিছে 'as woman's love'। এই দুয়োটা বস্তু গোটাই একোটা কৰি অধ্যক্ষক মই প্ৰত্যুত্তৰ দিছিলো। ইমানবোৰ সংসদীয় সদস্য, তাৰ ভিতৰত কেৱল নেহৰুকহে হাঁহি সামৰিব নোৱাৰা দেখিছিলো। সম্ভৱতঃ শ্বেক্সপীয়েৰৰ নাটকৰ উপৰোক্ত কথোপকথনলৈ মনত পৰিছিল।[২০]

সুদীৰ্ঘ ১৪ বছৰ কাল সাংসদ হিচাপে বিভিন্ন দেশ ভ্ৰমণৰ সুযোগ লাভ কৰিছিল। বিদেশলৈ গৈ ভ্ৰমিলে। কিন্তু অসমীয়া সাহিত্যৰ ভঁৰাললৈ ভ্ৰমণ সাহিত্যৰ এক বিচিত্ৰ সম্ভাৰ দি থৈ গ'ল। ‘মেকং নৈ দেখিলো'ৰ পাতনিত তেওঁ পুত্ৰৰ উক্তিৰ মাজৰে কোৱা কথাষাৰেই সঁচা অসমীয়া ভ্ৰমণ সাহিত্যৰ নতুন দিশ মুকলি কৰা মানুহজনেই হেম বৰুৱা।

ৰাজনৈতিক নেতা হিচাপে হেম বৰুৱাৰ বিষয়ে বিচাৰ কৰিবলৈ গ'লে- হাতত কলম, কণ্ঠত সৰস্বতী, অন্তৰত বিপ্লবী সত্তা লৈ যুঁজা ৰাজনৈতিক নেতা অসম কিয় ভাৰতবৰ্ষত বিৰল। অসমৰ ৰাজনৈতিক নেতাসকলৰ মাজত হাতত কলম লোৱা ৰাজনৈতিক নেতা কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণাৰাম ফুকনকে প্ৰমুখ্য কৰি আন্দোলনৰ সেই নেতাসকলৰ ভালেকেইজনে নিজৰ লিখনিৰে আমাৰ সাহিত্যৰ ভঁৰাললৈ দান আগবঢ়াইছে। স্বৰাজৰ প্ৰাক্‌মুহূৰ্তত আৰু স্বৰাজোত্তৰ কালত ৰাজনৈতিক নেতাসকলৰ ভিতৰত দেৱকান্ত বৰুৱা, বিজয় চন্দ্ৰ ভাগৱতী প্ৰমুখ্যে নেতাসকলে লিখিছিল। কিন্তু হেম বৰুৱাৰ দৰে ইংৰাজী, অসমীয়া উভয় ভাষাত প্ৰায় ১৫খন পুথি ৰচনা কৰা ৰাজনৈতিক নেতা স্বৰাজোত্তৰ কালত অসমত নাই। তাকো গদ্য, কবিতা, ভ্ৰমণ কাহিনী, তত্ত্বগধুৰ প্ৰবন্ধমালাৰে সমৃদ্ধ ইংৰাজী পুথি লিখিছে সংসদীয় ব্যস্ত জীৱনৰ মাজতো। পণ্ডিত নেহৰুৱে তেওঁক এবাৰ ঠিকেই সুধিছিল— “হেম, ইমান লিখিবলৈ সময় পোৱা ক'ত?”

হেম বৰুৱাই এটা দীঘলীয়া জীৱন নাপালে। ১৯১৫ চনৰ ২২ এপ্ৰিলত জন্ম আৰু ১৯৭৭ চনৰ ৯ এপ্ৰিলত ইহলোক ত্যাগ কৰিলে।

১৯. বিশ্ব গোস্বামী ঃ অসম সাহিত্য সভা, পৃষ্ঠা- ১৬

২০. অসম বাতৰি ঃ পণ্ডিত নেহৰু শ্ৰদ্ধাঞ্জলি সংখ্যা

মাত্ৰ ৬২ বছৰ বয়স। ১৯৭১ চনৰ নিৰ্বাচনত পৰাজয়ৰ পাছত এজন অতি দূৰন্ত গতিশীল মানুহ যেন স্থবিৰ হৈ গ'ল। নিৰ্বাচনৰ পৰাজয়ে তেওঁক হতাশ কৰা নাছিল। ৰাজনৈতিক জীৱনৰ আৰম্ভণিতে দুটা নিৰ্বাচনত পৰাজিত হৈছিল। কিন্তু ৭১ চনৰ নিৰ্বাচনৰ পৰাজয়ৰ গ্লানিতকৈ তেওঁৰ বিৰুদ্ধে কৰা অপপ্ৰচাৰ-অপযশে মন দগ্ধ কৰিছিল। ৰোগাক্ৰান্ত হৈ জীৱনৰ আয়ুবেলি টুটি আহিছিল।

তেওঁৰ পত্নী অনু বৰুৱাই লিখা এটিৰ উদ্ধৃতিত এনেদৰে আছে— সৰ্বশেষত তোমাক একেষাৰ অনুৰোধ কৰোঁ- এইযে আমাৰ ল'ৰা দুটা, সিহঁতক কেতিয়াও পিতৃৰ অভাৱ অনুভৱ কৰিবলৈ নিদিবা। সিহঁতক মাথোন একেষাৰ কথাকে ক'বা 'যি মৃত্যুৱে দহক জীৱন দিয়ে সেই মৃত্যু আত্মাৰ দৰে অবিনশ্বৰ।'

তেওঁৰ আত্মাই অবিনশ্বৰতা লাভ কৰিছে। ডেকা কালত খঙাল, ক্ৰোধান্বিত যুৱকজনৰ গান্ধীৰ অহিংসা যজ্ঞত খং নিৰ্বাপিত হৈছিল। ল'ৰা কালত ঘৰলৈ অহা পুলিচ বিষয়াক কাণতলীয়া চৰ মৰা, যোৰহাটত দুষ্ট ল'ৰা বুলি জনা হেম বৰুৱাৰ ক্ৰোধ বুদ্ধিৰ সমন্বয় ঘটিল ৰাজনৈতিক জীৱনত। তেতিয়াৰ পুলিচ ৰাজবিষয়াক চৰ মাৰিব পৰা ল'ৰাজনৰ সাহস ৰাজনৈতিক কৰ্মক্ষেত্ৰ দেশৰ আৰু দহৰ হকে নিয়োজিত হ'ল। অভিজ্ঞতাৰ কষটি শিলত নিজে ঘহি-পিহি লৈ সংসদৰ মজিয়াতো তেওঁ সেই খং দেখুৱাইছিল। সদনৰ মজিয়াত টেবুল ভুকুৱাই নিজৰ ঘড়ী ভাঙিছিল নিজৰ দেশৰ কাৰণে। অসমৰ স্বাৰ্থৰ হকে বুদ্ধিদীপ্ত আলোচনাৰ মাজত এনে ক্ৰোধ আছিল অলঙ্কাৰ। সংসদৰ প্ৰশ্নকৰ্তা হিচাপে খটুৱা বুদ্ধি সম্পৰ্কত তেখেতৰ সতীৰ্থ সাংসদ সমৰ গুহই লিখিছে— প্ৰশ্নবাণৰ পৰা মন্ত্ৰীক ৰেহাই দিবলৈ স্পীকাৰে সদস্যসকলক বিশেষ প্ৰশ্ন কৰিবলৈ নিদিয়ে। প্ৰশ্ন ব্যাখ্যা কৰিবলৈ নিদিয়ে, মাত্ৰ এটা ব্যাখ্যাতে এই প্ৰশ্ন কৰিবলৈ দিয়ে সদস্যক। কিন্তু ইংৰাজী অধ্যাপক হেম বাবুৰ ওচৰত স্পীকাৰো অসহায়। তেওঁ ঠিক এটা বাক্যত প্ৰশ্ন কৰে- কিন্তু সেই বাক্যটোকে জটিলভাৱে বিভিন্ন শাখা প্ৰশাখাত সজাই এনেদৰে গাঁথি লয় যে তাৰ ভিতৰত বহু কথাই সোমাই যায়। প্ৰশ্ন ৰচনাৰ নিয়মো ৰক্ষা পৰে আৰু প্ৰশ্নোত্তৰেও এটা সৰু সুৱা বিতৰ্কৰ ৰূপ লয়।

বাস্তৱিকতে প্ৰশ্ন ৰচনাৰ এটা নতুন কৌশল উদ্ভাৱন কৰে হেম বৰুৱাই। আজিও অনেক সদস্যই সেই কৌশল অনুসৰণ কৰাৰ চেষ্টা কৰে।[21]

সমৰ গুহই আৰু লিখিছে— সংসদীয় বিতৰ্কত অগ্ৰণী ভূমিকা লৈ কোনো সদস্যই হেম বৰুৱাৰ নিচিনা সাহিত্য ৰচনা কৰা নাই।

অসম সাহিত্য সভাৰ সভাপতি পদ অলঙ্কৃত কৰা হেম বৰুৱাৰ সাহিত্যিক জীৱন, ৰাজনৈতিক জীৱন আৰু এজন হৃদয়বান মানুহ হিচাপে তেওঁৰ প্ৰকৃত মূল্যায়নৰ আজি প্ৰয়োজন আছে। মৃত্যুৰ প্ৰায় আজি দুকুৰি বছৰ হ'বৰ হ'লহি, জন্মৰ এই শতবৰ্ষৰ সময়ত বিংশ শতাব্দীৰ এজন অন্যতম শ্ৰেষ্ঠ অসমীয়াৰ প্ৰতি আমাৰ সশ্ৰদ্ধ প্ৰণিপাত জনালো। ■

---

২১. মোৰ দেশ ঃ ১৯৭৬, ৪ৰ্থ সংখ্যা

## পৰিশিষ্ট ঃ লোকসভাৰ নিৰ্বাচনী ফলাফল

| | | | | | |
|---|---|---|---|---|---|
| **1957** | CONSTITUENCY : **5 GAUHATI** | | | **NUMBER OF SEATS : 1** | |
| | 1. BARUA, HEM | | PSP | 143497 | 59.76% |
| | 2. SARMA, DEVENDRA NATH | | INC | 96624 | 40.24% |
| | ELECTORS : 420761   VOTERS : 240121 | POLL PERCENTAGE : 57.07% | | VAILD VOTES : 240121 | |
| 1962 | CONSTITUENCY : **6 GAUHATI** | | | | |
| | 1. HEM BORUA | M | PSP | 133812 | 49.90% |
| | 2. TRITHA NATH SARMAH | M | INC | 101750 | 37.90% |
| | 3. NANDESWAR TALUKDAR | M | CPI | 32600 | 12.16% |
| | ELECTORS : 467135   VOTERS : 280492 | POLL PERCENTAGE : 57.07% | | VAILD VOTES : 240121 | |
| 1967 | CONSTITUENCY : **8 MANGALDAI** | | | | |
| | 1. N BARUA | M | PSP | 107718 | 50.80% |
| | 2. D. D. DAS | M | INC | 70718 | 33.35% |
| | 3. D. BORA | M | IND | 17090 | 8.06% |
| | 4. M. C. BARUA | M | IND | 16522 | 7.79% |
| | ELECTORS : 440526   VOTERS : 226863 | POLL PERCENTAGE : 51.50% | | VAILD VOTES : 212048 | |
| 1971 | CONSTITUENCY : **8 MANGALDAI** | | | | |
| | 1. DHARANI DHAR DAS | M | INC | 90058 | 49.61% |
| | 2. HEM BARUA | M | PSP | 50485 | 27.81 % |
| | 3. BHUPEN HAZARIKA | M | IND | 12230 | 6.74% |
| | 4. BINOY KUMAR BASUMATARI | M | IND | 10810 | 5.95% |
| | 5. SIBA PRASAD SARMA | M | NCO | 7719 | 4.25% |
| | 6. MADHAB CHANDRA BARUA | M | IND | 6818 | 3.76% |
| | 7. HABIBUR RAHMAN CHOWDHURAY | M | SSP | 3424 | 1.89% |
| | ELECTORS : 470149   VOTERS : 189652 | POLL PERCENTAGE : 40.34% | | VAILD VOTES : 181544 | |

*লোকসভা নিৰ্বাচন ১৯৫৭, ১৯৬২, ১৯৬৭, ১৯৭১-ৰ তথ্য (তথ্য- নিৰ্বাচনী আয়োগ)। ১৯৭১ চনত সিংহপুৰুষ হেম বৰুৱাই পৰাজয় বৰণ কৰিছিল। সুধাকণ্ঠ ভূপেন হাজৰিকাও ১৯৭১ চনৰ নিৰ্বাচনত পৰাজিত হৈছিল। কংগ্ৰেছৰ ধৰণীধৰ দাস জয়ী হৈছিল। হেমবৰুৱা আৰু ভূপেন হাজৰিকা ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান পাইছিল।*

**বিষ্ণুৰাভা কেৱল এজন ব্যক্তি নহয়। এটি অনুষ্ঠান। এখনি ৰামধনু। এটি তপ্ত সূৰ্য।
কি নাছিল এহাত এমুঠন বহল বুকুৰ মাজত! দুচকুত কেতিয়াবা নাহৰ ফুলে কেতিয়াবা কমাৰশালৰ অগ্নি জ্বলে।
অ'ত ত'ত যাযাবৰ হৈ ঘূৰি ফুৰা মানুহজনে য'তেই যি পাইছিল লিখি গৈছিল। কোনোবাটো কেতিয়াবা
বন্ধ কাৰাগাৰৰ ভিতৰত, কোনোবাটো মুক্ত আকাশৰ তলত অথবা নদীৰ পাৰত সৃষ্টি হৈছিল।
তাৰে কিছুমান সুৰত বান্ধি হৈছিল গীত আৰু কবিতা। .......**

# বিষ্ণুপ্ৰসাদ ৰাভাৰ কবিতাৰ এপিয়লা



অসাধাৰণ ব্যক্তিত্বৰ ব্যক্তি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। অসাধাৰণ এইবাবেই যে সাধাৰণ এগৰাকী ব্যক্তিৰ গাত যিমান গুণ থাকিব পাৰে তাতোকৈ বহু বেছি গুণৰ সমাহাৰ দেখিবলৈ পোৱা যায় বিষ্ণুপ্ৰসাদ ৰাভাৰ গাত। ১৯০৯ চনত এইগৰাকী মহান ব্যক্তিৰ জন্ম হয়। জন্মগতভাৱে জনজাতীয় বিষ্ণু ৰাভা ক্ৰমে বিলীন হৈ পৰে বিভিন্ন জনগোষ্ঠীৰ মাজত। "ভালেকেইটা জনজাতীয় ভাষাৰ লগত ঘনিষ্ঠ পৰিচয় থকাৰ কাৰণে অসমৰ জনকৃষ্টি আৰু অসমীয়া কৃষ্টিৰ এগৰাকী পণ্ডিত বুলি ৰাভা পৰিচিত।" *(অসম সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত)* একেধাৰে সংগীতজ্ঞ, নৃত্যবিশাৰদ, চিত্ৰকৰ, কবি, নাট্যকাৰ আৰু অভিনেতা লগতে


## ৰুণিমা শৰ্মা বৰুৱা

*উপাধ্যক্ষা, কলিয়াবৰ মহাবিদ্যালয়*


এগৰাকী বিপ্লৱী নেতা হিচাপে অসাধাৰণ ব্যক্তি বিষ্ণুপ্ৰসাদ ৰাভা অসমীয়া জনজীৱনৰ, অসমৰ বাবে নক্ষত্ৰস্বৰূপ। ৰাভাদেৱৰ হাত য'তেই পৰে নিগৰি পৰে অমৃত বাৰিধাৰা। চল্লিশৰ দশকত ৰমন্যাসিক চিন্তাৰ পৰা মুক্ত হৈ অসমীয়া সাহিত্যত সাম্যবাদী ভাবধাৰা এটাই গা-কৰি উঠিছিল। লগে লগে সাহিত্যৰ জগতখনলৈ নতুনত্ব সোমাই আহিল। সাম্যবাদ, মেছিজিম, সমাজতন্ত্ৰ, ছাত্ৰশক্তি, প্ৰজাতন্ত্ৰ আদি শব্দই সাহিত্যৰ বিভিন্ন দিশত খলকনি তুলিবলৈ ধৰিলে। তৰুণসকল সমাজৰ প্ৰতি দায়বদ্ধ হৈ পৰিল। নৈৰাশ্যৰ ভাবৰ আশাৰে পোহৰ বিচাৰি বাট বুলিবলৈ ধৰিলে। জনতাৰ ওপৰত বিশ্বাস ৰাখি শ্ৰেণী সংগ্ৰামৰ মাজেৰে

সাম্যবাদী সমাজ প্ৰতিষ্ঠাৰ বাবে অহৰ্নিশে কলম চলাবলৈ ধৰিলে। এই সময়তে জাগি উঠিল শিল্পী বিষ্ণুৰাভাৰ কবিসত্তা। বুকুত মাৰ্ক্সবাদী চিন্তা চকুত আশাৰ বন্তি লৈ কলমেৰে নিগৰালে গীত আৰু কবিতা। আখৰে আখৰে জিলিকি উঠিল সাম্যবাদী চিত্ৰ। চাৰিওফালে বিপ্লৱৰ অগণি জ্বলাই তেওঁ চিঞৰি উঠিল—

আৰু ৰ'বৰ সময় নাই
*আৰামৰ সময় নাই*
*এহতীয়া দলিছাত ভাই*
*সময় যে এয়া আগুৱাবৰ*
*সময় যে এয়া খোজ ৰোধিবৰ*
*সময় নাই উভতি চাবৰ।*

মনেপ্ৰাণে অসমীয়া, সমাজ সংস্কাৰক শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্ত বিষ্ণুৰাভাই ভালকৈ অনুভৱ কৰিছিল বিভিন্ন জনগোষ্ঠীৰে গঠিত অসম আৰু অসমীয়া একত্ৰিত হ'বলৈ হ'লে জাত-পাতৰ ভেদাভেদ আঁতৰাব লাগিব। এখন আদৰ্শ সমাজৰ সপোন দেখা বিষ্ণু ৰাভাই সেয়ে লিখিলে—

*মহান কলাকাৰ শঙ্কৰ— আমাৰ*
*হওক আমাৰ আৰ্হি— বিপ্লৱৰ*
*হাতে হাতে ল জয়ৰ নিচান*
*পৰশু তিলক কপালত আঁকি*
*আমি হওঁ ধাৱমান।*

কবিৰ মনৰ অনুভূতি হৈছে কাব্যৰ আত্মা। বহুৰূপী সাহিত্যৰ মাজত কবিতাৰ সমাদৰেই বেছি। কম কথাত বহুত অৰ্থ প্ৰকাশ কৰিব পাৰে কবিতাই। গৰুৰ খোজৰ পানীত সমগ্ৰ নীলাকাশ প্ৰতিফলিত কৰিব পাৰে কবিতাই। দেখাত কবিতা তেনেই কম কিন্তু প্ৰকাশ বিস্তৰ। সেয়ে হয়তো প্ৰগতিশীল মনৰ ব্যক্তি বিষ্ণুপ্ৰসাদে কমকৈ হ'লেও গীত আৰু কবিতাৰ মাজেৰে কল্পনাক মুকুতি দিলে। তেখেতৰ কবিতাৰ মাজত থকা 'স্পীচ-ৰিদম' বাক্যলাপীয় লক্ষণে অসমীয়া কবিতাক এক মাত্ৰা দিলে। অলীক কল্পনা ৰোমান্টিক ভাবানুভূতিৰ ঠাই ল'লে সামাজিক বাস্তৱতাই। মাৰ্ক্সবাদৰ দ্বাৰা প্ৰভাৱিত কবিগৰাকীয়ে কবিতাৰ বিষয়বস্তু নিৰ্বাচনত নিটোল কাব্য চিন্তাৰ পৰিচয় দিছিল। মানুহজনেই হৈছে বহুধা বিভক্ত। স্বৰূপ সলাই বিভিন্ন ভেশচন ধৰাত যিদৰে পাকৈত আছিল তেনেদৰে ভাষাও এনেকৈ বেলেগ বেলেগ ক'ব পাৰিছিল যেন মানুহৰ ধৰা টান হে পৰে কোনটো ভাষা প্ৰকৃততে তেওঁৰ নিজৰ। তেওঁৰ লিখনিত অসমীয়া ভাষাৰ উপৰিও অন্যান্য ভাষাও এনেদৰেই ব্যৱহাৰ কৰিছিল। ঘৰুৱা মাত-কথা প্ৰয়োগ কৰি গীত-কবিতা ৰচনাৰে অসমীয়া সাহিত্যক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। শব্দৰে খেলা কৰি শব্দৰ মায়াজালত মানুহক বন্দী কৰিছিল। ৰাভাদেৱে লিখা গীত আৰু কবিতাৰ শব্দ অসমীয়াৰ অতিকে আপোন। সম্পূৰ্ণ ঘৰুৱা শব্দ, ঘৰুৱা সাজেৰে সজাই লিখা গান-কবিতাই ল'ৰাৰ পৰা বুঢ়ালৈকে হৃদয় চুই যায়।

গীতসমূহৰ শব্দৰ যি সাৱলীল ছন্দ সেই ছন্দই সুৰৰ বোঁৱতী নৈ হৈ বৈ যায় মনৰ গহন বনলৈ। উদাহৰণস্বৰূপে—

*বিশ্বৰ ছন্দে ছন্দে*
*মহানন্দে আনন্দে নাচা*
*নাচা তমোহৰ দেউ নাচা।*
*বন্দে, বন্দে আজি সৱ ভকত বৃন্দে*
*তৱ চৰণ কমল বন্দে।*

ৰাভাদেৱৰ গীত আৰু কবিতাৰ মাজত যেন মাত্ৰ পাতল আঁৰ কাপোৰ এখনহে আছে। আঁতৰাই দিলেও ধৰিব পৰা নাযায় কোনটো গীত কোনটো কবিতা। প্ৰতিটো গীতেই একোটা কবিতা, প্ৰতিটো কবিতাই একোটি গীত যেন।

*কাৰখানাৰে চিটিৰ হুমুনিয়া*
*কলৰ ঘৰঘৰণি বুকু কঁপোৱা;*
*শুনি শুনি কাঁহৰ মাত কঠুৱা*
*—কান্দে দুখীয়া বনুৱা*
*শুদা মজিয়াত অকলশৰীয়া*
*বিনায় কোলাত হিয়া লগৰীয়া*
*পুৱাই লঘোন, ভাত নাইকিয়া*
*কান্দে দুখীয়া বনুৱা।*

কবিতাবোৰ পঢ়ি যাওঁতে পাঠকে দেখা পায় শ্ৰমিকৰ ঘৰ্মাক্ত শৰীৰ, গামোচাৰে বন্ধা পেট। দুবাহুৰ শক্তিৰে শ্ৰম কৰিও নাপায় প্ৰকৃত শ্ৰমৰ মান—

*ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্*
*লোহাৰ শিকলি ভাঙ্।*
*ছিঙ ছিঙ ছিঙ ছিঙ*
*দাসৰ বান্ধোন ছিঙ*
*খোল খোল খোল খোল*
*কাৰাৰ ফাটক খোল*
*ভাঙ্ ভাঙ্*
*দুৱাৰ দাং।*
... ... ... ... ... ... ... ...
*শুন মুকুতিৰ তুৰ্মৰ আহ্বান*
*মুক্তিমান-মুক্তিমান-মুক্তিমান*

বিষ্ণুপ্ৰসাদ ৰাভাৰ গাত কেৱল এটি ধৰ্মৰে তেজ নাছিল। সৰ্বহাৰাৰ দৰে সৰ্বধৰ্মৰ তেজ তেওঁৰ শিৰাই প্ৰবাহিত হৈছিল। সেয়ে তেওঁ লিখিছিল—

*মছজিদ মীনাৰ ভেদি*
*বয় ভকতিৰ নদী*
*পুৱা উষা ফজৰ আজান।*

আন এটি কবিতা—

ঈদ জোহাৰ গান—
*দূৰ আৰবত মৰুৰ বুকুত বয় ভকতি আজান*
*পুঁৱতি নিশাৰ সোণালী উষাৰ উঠে ম'উ সনা গান।*
... ... ... ... ... ... ... ... ... ... ... ... ...
*বেহেস্ত নামি সৰগ ফুলে সেই মৰতত পাই সেই পোহৰ*
*শুকান বালিৰ হিয়াত উঠে মীনা কৰা মছজিদ মহান।*
... ... ... ... ... ... ... ... ... ... ... ... ...
*ধৰাৰ বুকুত জোনোৱালী এক বৰণৰ ৰহণ বুলায়*
*মছজিদৰে মীনাৰ ভেদি কুৰবানী সুৰ ৰজনজনায়।*

ইয়াত প্ৰকাশ পোৱা 'আজান', 'উষা', 'মীনাকৰা', 'মছজিদ', 'কুৰবানী', 'জোনোৱালী', 'ৰহণ' আদি শব্দই ৰূপত ৰহণ সানিছে।

ৰাভাৰ কবিতাত লুইতৰ চাপৰিৰ ঝাউ বন পাতেও গান গায়, ধনীক শ্ৰেণী চিনাজোক হৈ তেজ শুহি খায় (সবাকো শুহিলে ধনী

চিনাজোকে ভাঙিলে তোমাৰ মন)।

বিষ্ণুৰাভা এনে এজন ব্যক্তি যাক লোহাৰে শৃঙ্খলিত কৰিলেও মুক্ত মনক বান্ধিব নোৱাৰিলে। শৰীৰ আবদ্ধ পিঞ্জৰাত মন মুক্ত বিহঙ্গ। ১৯৬৩ চনত উৰিষ্যাৰ গঞ্জাম'ৰ বৰ্হমপুৰ জেলত আবদ্ধ ৰাভাৰ কলমেদি বৈ আহি কবিতাৰ সোঁত—

(১)

*তেৰে বনশীনে মোহে লিয়া শ্যাম শ্যামৰে*
*ধুন সুন কে হাঁৰে সেই তো ভায়া*
*বাৱৰীয়া ৰে*
*অ গোপালৰে...।*

(২)

*আমি চলে যাব দূৰে*
*ৰেখ মোৰ প্ৰেমদীপ জ্বালি*
*একা এই কাৰাগাৰৰে*
*সেই দীপহতে জ্বলিবে সবাই*
*হৃদয় উজ্বলি উঠিবে সদায়*
*ঝিলিকি পৰিবে আলোক আভায়*
*জনতাৰ হিয়া মাজেৰে।*

বিহুৰ সময়। মন ইচাট্-বিচাট্। ৰাভা জেলত। কাগজতে বজালে পেঁপা—

*এইবেলি বিহুনো পাতিম ক'ত?*
*বৰহমপুৰত।*
*... ... ... ... ... ... ...*
*টিহিতি টিহিতি শিঙীয়া পেঁপাটি*
*বামনো ক'ত ঐ?*
*বৰ্হমপুৰত।*

বহুভাষিক ৰাভাৰ গীত আৰু কবিতাত হিন্দী বঙলা, উড়িয়া ভাষাৰ লগতে বড়ো ভাষাৰ শব্দইও সাজি পাৰি বহিছিল। কথিত ভাষাত ব্যৱহাৰ কৰা বুকুৰ শব্দ প্ৰতিধ্বনিত হৈছিল কবিতাৰ মাজত। উদাহৰণস্বৰূপে 'জঙাপ্ৰিয়া' কবিতাটিত প্ৰকাশ পোৱা ভাবৰ ভাঁজত ভাহি উঠিল বড়ো শব্দ—

*একেই মেলা একেই খেলা পাতিম আজউ আজি*
*নাচিম দুয়ো নবীন ৰাগীত 'বাৰলাম্পা' সাজি*
*বজাই 'জোখা' 'বাৰ-জু' —প্ৰিয়া হালিবা তালে তালে*
*নবীন ৰঙত নাচিবা 'মাজা' 'চিফুং' বাঁহিটি বালে।*
*হিয়াৰ বিয়া ডাউখোপ্ প্ৰিয়া পাতি সৰসিত হৈ*
*ধুনীয়া কনীয়া সজাই তোমাক থাকিম সাধটি লৈ।*
*... ... ... ... ... ... ... ... ... ... ... ... ...*
*চোৰা 'আজাং' —এই নীলাচল সৌৰা তলত নাই*
*বইছে লুইত ভীষণ সোঁতত কুলুকুলু কই।*

ৰাভাৰ কবিতাত কঠিনতকৈ কঠিনতম শব্দও পিষ্ট হৈছে।

*আকৌ পালেহি সেই পৃথিৰী পুৰণি*
*জকা জীৰ্ণ নাগিনী*
*ধৰণী অসভ্যা, টলদ্দা, বৰ্ব্বৰা কুৎচিতা*
*ধৰিত্ৰী পতিতা।*
*... ... ... ... ... ... ... ... ... ... ... ... ...*
*... ... ... ... ... ... ... ... ... ... ... ... ...*
*পাপ ব্ৰণ ভৰা মুখ কলঙ্ক কালিমা*
*(উভয় পুনৰ)*

বুকুৰ অসহ্য ক্ষোভ উজাৰিলে, উফৰি আহিল তৰঙ্গায়িত শব্দ। প্ৰত্যেক কবিতাতে যেন শব্দৰ শিল-বৰষুণ। কোনোবাটোত ফুলৰ পাহি যেন শব্দ কোনোটোত পানীশীল শব্দ। চুলেই পমি যায়। যেনে— জহনীৰ বীজ, কুষ্ঠৰোগী-গলিত সূৰুয, গেলাপচা পুঁজ আদিৰ লগতে আকৌ একেটি কবিতাতে আন কিছুমান শব্দৰ ব্যৱহাৰ কৃষ্ণ, ৰাম, ৰুক্মিনী, গোসাঁনী, সীতা, দেবেন্দ্ৰ, মহেন্দ্ৰ, চীজাৰ, ক্লিউপেট্ৰা আদিৰ সমাহাৰো দেখা যায়—

*বসন্ত গুটিকা তৰা, ভৰাতাৰ ছাল*
*জহনীৰ বীজ ভৰা তৰলিত মল,*
*সেই পাপী কুষ্ঠৰোগী গলিত সূৰুয*
*দেহাময় যাৰ মাথো গেলা-পচা পুঁজ*
*... ... ... ... ... ... ... ... ... ... ... ... ...*
*যুগে যুগে কতবাৰ মহাবিৰহৰ পাছে উৰে*
*মই হ'লো কৃষ্ণ, ৰাম আৰু কত কি?*
*তুমি হ'লা ৰুক্মিনী গোসাঁনী, সীতা মৈথিলী জানকী*
*মই হ'লো দেবেন্দ্ৰ মহেন্দ্ৰ আৰু তুমি হ'লা শচী*
*... ... ... ... ... ... ... ... ... ... ... ... ... ...*
*মই হ'লো মহাবীৰ বলিষ্ঠ 'চীজাৰ' সুমহান*
*তুমি হ'লা ক্লিউপেট্ৰা ... ... ...*
*মই হ'লো বোনাপাৰ্ট, তুমি হ'লা 'ৱালেস্কা' সুন্দৰী*
*—ইত্যাদি*

বুকুত দাবানল লৈ ফুৰা বিদ্ৰোহী কবিজনৰ কবিতাত ফুটিছে অসমী আইৰ প্ৰতিচ্ছবি— অসমীয়া শিপিনীৰ হাতৰ পৰশত সৃষ্টি হোৱা সপোনৰ বস্ত্ৰও কবিতাত প্ৰস্ফুতিত হ'ল—

*কুমলীয়া চম্পাহেন আঙুলিৰ পৰশেৰে*
*তুলিছিলা দীঘলীয়া পাজি*
*কাটিছিলা সূতা; পাছে হৈছিলা*
*—শিপিনী বৰকাজী*
*বুইছিলা প্ৰথম বসন*
*... ... ... ... ... ... ... ... ... ...*
*তাৰপাছে গৰজা, নাচনী, ৰাচ, দোৰপতি, ছিৰি*
*টোলোঠা, নিগনিখুঁটি, ছালিবাৰি*
*কাঠি, কাণ মাৰি*
*কাটি সাজি হাড়, কাঠ বাঁহ লই ঘহি পিহি*
*... ... ... ... ... ... ... ... ... ... ... ... ...*
*বইছিলা ইভা! তুমি বস্ত্ৰ অসাখ্যাত।*

বিষ্ণুৰাভা হ'ল বিশ্বশিল্পী। যাৰ বুকুত বয় লোহিতৰ ধাৰা অথচ প্ৰতিভাত হয় সৰ্বমানৰৰ লীলা।

*সিন্ধু পাঞ্জাৱত হ'ল আৰু দুটা নগৰ পট্টন*
*হোৰপ্পা মহেনজোদাড়ো মানৱৰ লীলা নিকেতন।*
*সুমেৰত মই হ'লো বাদচাহ-চুলতান*
*শৌৰ্য্যে-বীৰ্য্যে বলবান।*
*... ... ... ... ... ... ... ... ... ... ... ...*

... ... ... ... ... ... ... ... ... ... ... ...

*মিচৰৰ পিৰামিড ফাৰাওসৰৰ এটা মহা শকতিৰ মধুস্মৃতি।*

ওপৰত উল্লেখ কৰা কবিতাটিত 'বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনা সম্ভাৰ'ৰ পৰা উদ্ধৃত। দীঘল কবিতাটিৰ মাজত কি নাই দুখীয়া কৃষক, হালোৱা-হজুৱা, কুট-নীতিক, নাৰী-পুৰুষৰ বিভিন্ন বিষয়েৰে গঢ় লোৱা সভ্যতা জিলিকি উঠিছে, আকৌ কেতিয়াবা কিছুমান কবিতাত ফুটি উঠে—

*"অকলশৰীয়া যেন হৈ পৰা কবি ৰাভাদেৱ*
*কত দিন বেজাৰত হিয়া মোৰ ফাটি যায়*
*কত দিন বহি বহি চকুলো যে টুকো মই*
*শেৱালী গছৰ তলীত বহি মই অকলেই...।"*

প্ৰতিটো কবিতাই ইতিহাস সোঁৱৰাই। 'ট্ৰাইবেল নাৰী' বুলি উল্লেখ কৰি লিখা ৰাভাৰ ৰচনা সম্ভাৰ কবিতাৰ ফল এটি নিলিখিলে আধৰুৱা যেন হ'ব—

*'হেৰ' আদি ট্ৰাইবেল ৰূপহী ৰমণী অসম জননী*
*... ... ... ... ... ... ... ... ... ... ... ...*
*শুন শুন শুন হেৰ' ট্ৰাইবেল নাৰী*
*কিমান পূৰ্ণিমা*
*সুচাৰু চন্দ্ৰিমা*
*কালৰ চকাৰ লগে লগে যায় বাগৰি বাগৰি*
*নিৰলে নিজানে,*
*এদিন অকলে তই আছ বহি... ইত্যাদি।*

বিষ্ণুপ্ৰসাদ ৰাভাই যিদৰে শৰীৰ সঞ্চালনেৰে ফুটবল খেলে বা নৃত্য কৰে তেনেদৰে মানসিকভাৱে শব্দৰে খেলা কৰে শব্দৰ ছন্দেৰে লানি নিছিগা মুকুতা মণিৰ মালাধাৰী গোঠে— গীত আৰু কবিতাসমূহৰ মাজত অসংখ্যাত কোমল গধুৰ সৰল জটিল শব্দই মেলা পাতে। পোৱালৰ ৰঙামণি, নিছলা আই, শিমলুৱা বঠা, আমন-জিমন, এটিক পানী, এথুঁতৰি পানী, অমিয়া ৰাগিনী, জোনাকী জ্যোতি, ধুনীয়া পদুমী, লেতু-সেতু, কুমলীয়া গাল, শান্তিৰ কপোত কপোতী ইত্যাদি। কেতিয়াবা টান শব্দ ভাঙ্, ছিঙ্, খোল, দাং, মুক্তিমান, হুঁছিয়াৰ, হুঙ্কাৰ, দাম্ভিক শব্দইও বিক্ষোভ আজুৰি আনে।

আৰম্ভণিতেই কোৱা হৈছে বিষ্ণুৰাভা কেৱল এজন ব্যক্তি নহয়। এটি অনুষ্ঠান। এখনি ৰামধনু। এটি তপ্ত সূৰ্য। কি নাছিল এহাত এমুঠন বহল বুকুৰ মাজত ! দুচকুত কেতিয়া নাহৰ ফুলে কেতিয়াবা কমাৰশালৰ অগ্নি জ্বলে। অ'ত ত'ত যাযাবৰ হৈ ঘূৰি ফুৰা মানুহজনে য'তেই যি পাইছিল লিখি গৈছিল। কোনোবাটো কেতিয়াবা বন্ধ কাৰাগাৰৰ ভিতৰত কোনোবাটো মুক্ত আকাশৰ তলত অথবা নদীৰ পাৰত সৃষ্টি হৈছিল। তাৰে কিছুমান সুৰত বান্ধি হৈছিল গীত আৰু কবিতা। বিদ্ৰোহী কবিজনৰ যাযাবৰী অনেক লিখা য'তে ত'তে পাই বহুজনে সংগ্ৰহ কৰিছিল, কিন্তু কিছুমান অসংগৃহীত অৱস্থাতে হয়তো নষ্টও হৈছিল। যেনেকৈয়ে নহওক বিষ্ণুপ্ৰসাদ ৰাভাৰ অনন্য প্ৰতিভা প্ৰকাশিবৰ বা আলোচনা কৰিবৰ দুঃসাহস আমাৰ দৰে ব্যক্তিৰ বাবে কষ্টসাধ্য কৰ্ম। শিল্পীগৰাকীৰ ভিন্ন ৰঙী জীৱন শৈলীৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' (প্ৰথম খণ্ড)ত প্ৰকাশকৰ লিখা এটি শেষত উল্লেখ কৰিলো। 'ৰাভাদেৱৰ বেছিভাগ ৰচনাই আধৰুৱা অৱস্থাত পোৱা গৈছে। সানমিহলি হৈ আছিল। এই সকলোবোৰৰ ৰেহা লগাবলগীয়া হৈছিল। গতিকে আমিও মাত্ৰ বোৱতী পানীৰ এচলুকে লৈ গৰুৰ খোজৰ পানীত আকাশ চোৱাৰ প্ৰয়াস কৰিছো। ইয়াতকৈও বহু আলোচনাৰ থল আছে, বিষ্ণুপ্ৰসাদ ৰাভা এটি চিফুং বাঁহী হৈ সৰ্বতিকালে সৰ্বজনৰ বুকুত বাজি ৰ'ব। ■

## কলিয়াবৰৰ সৈতে বিষ্ণুৰাভাৰ সম্পৰ্ক ঃ কেইটিমান তথ্য

- "শ্ৰীমন্ত শঙ্কৰদেৱৰ একান্ত অনুগত হিচাপে ৰাভাদেৱে সম্বন্ধ ৰাখিছিল কলিয়াবৰৰ শঙ্কৰী সংস্কৃতিৰ ওজা গিৰিকান্ত মহন্ত (শ্ৰৱণী সত্ৰ), ভলাগুৰি সত্ৰৰ জীৱেশ্বৰ গোস্বামী, সঙ্গীত বিশাৰদ হৰেন শৰ্মা আদি শিল্পীসকলৰ লগত। সঙ্গীত বিশাৰদ হৰেন শৰ্মাৰ সৈতে তেখেতৰ ঘৰুৱা সম্পৰ্ক আছিল। হৰেন শৰ্মাই জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰথম কথাছবি 'জয়মতী'ত চাওদাঙৰ চৰিত্ৰত অভিনয় কৰিছিল। হৰেন শৰ্মাই শিলঘাটত প্ৰতিষ্ঠা কৰা সঙ্গীত বিদ্যালয়খনত ৰাভাদেৱ উদ্বোধক হিচাপে উপস্থিত থাকি সেইদিনা শৰ্মাদেৱক ভূয়সী প্ৰশংসা কৰিছিল।
- মুক্তিযোদ্ধা মুক্তিনাথ গোস্বামী আৰু ডিম্বেশ্বৰ শৰ্মাদেৱৰ লগত ৰাভাদেৱৰ গাঢ় সম্পৰ্ক আছিল। স্বাধীনতাৰ আগত শিলঘাটত মুক্তিনাথ গোস্বামীৰ 'জলযোগ' নামে এখন চাহ-মিঠাইৰ দোকান আছিল। তাৰ কাষতে থকা সৰু কোঠা এটাত তেখেতৰ ভাগিন ডিম্বেশ্বৰ শৰ্মাৰ গেলামালৰ দোকান। সেইসময়ত শিলঘাট জলপৰিবহণ আৰু পথ পৰিবহণৰ মূলকেন্দ্ৰ আছিল। ৰাভাদেৱে তেজপুৰৰ পৰা গুৱাহাটীলৈ আহোঁতে আবেলি ফেৰীত পাৰ হৈ আহি ডিম্বেশ্বৰ শৰ্মাৰ আতিথ্য গ্ৰহণ কৰিছিল। ১৯৬০ চনত শান্তিপুৰ আৰু জমখলাত অনুষ্ঠিত বিহু সন্মিলনত তেখেতে ভাষণ দি ৰাইজক আপ্লুত কৰিছিল।
- ১৯৪৪-৪৫ চনত কলিয়াবৰৰ বৰুৱাচুকত অনুষ্ঠিত হোৱা বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ অধিৱেশনত ৰাভাদেৱ উপস্থিত আছিল। এনেদৰেই বিপ্লৱী কমিমিউষ্ট পাটিৰ লোকসকলৰ জৰিয়তে বিপ্লৱী কলাগুৰুৰ সৈতে কলিয়াবৰবাসীৰ অতি নিকট সম্পৰ্ক গঢ়ি উঠিছিল।
- ১৯৫৬ চনৰ এপ্ৰিল মাহত বল্লভভাই পেটেল এম. ভি. স্কুল প্ৰাঙ্গণত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পঞ্চবিংশতিতম বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত হৈছিল। অধিৱেশনৰ সংস্কৃতি সন্মিলনীত নিৰ্দিষ্ট বক্তা হিচাপে ৰাভাদেৱে শঙ্কৰী কৃষ্টি-সংস্কৃতিৰ বিষয়ত ভাষণ প্ৰদান কৰিছিল।

*উৎস ঃ 'মুক্তি দেউল' (কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ স্মৃতিগ্ৰন্থ) ত প্ৰকাশিত **সৌৰভ জ্যোতি বৰা** আৰু **পুলিন ভঁৰালী বৰুৱা**ৰ লেখা 'বিষ্ণুপ্ৰসাদ ৰাভা আৰু কলিয়াবৰ'।*

**এটা চীনা প্ৰবচন— যদি আপুনি এজন দুখীয়া মানুহক এটা মাছ ধৰি আনি দিয়ে তেওঁক এসাঁজ খাবলৈ সহায় কৰা হ'ব; কিন্তু মানুহজনক মাছ ধৰাৰ কৌশলটো শিকাই দিয়ে সেইটো তেওঁৰ গোটেই জীৱনৰ বাবে সহায়ক হ'ব।**

# নতুন প্ৰজন্মৰ বৰ্তমান উচ্চ শিক্ষা আৰু দক্ষতা বিকাশ

**মণি মাধৱ মহন্ত**

*প্ৰাক্তন ছাত্ৰ, কলিয়াবৰ মহাবিদ্যালয়*

এটা জনপ্ৰিয় চীনা প্ৰবচনৰ উদ্ধৃতিৰে বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থা আৰু ইয়াৰ নৱনিৰ্মাণৰ দিশটো উনুকিয়াব খুজিছোঁ। প্ৰবচনটোত কোৱা হৈছে যদি আপুনি এজন দুখীয়া মানুহক এটা মাছ ধৰি আনি দিয়ে তেওঁক এসাঁজ খাবলৈ সহায় কৰা হ'ব; কিন্তু মানুহজনক মাছ ধৰাৰ কৌশলটো শিকাই দিয়ে সেইটো তেওঁৰ গোটেই জীৱনৰ বাবে সহায়ক হ'ব। এই কৌশল শিকা কথাটোৰ পৰাই একবিংশ শতিকাৰ শিক্ষা ব্যৱস্থাৰ সবাতোকৈ চৰ্চিত বিষয়টোৰ অভ্যন্তৰত সোমাব খুজিছোঁ। আমি এই কথা ক'ব নোখোজোঁ যে, যোৱা সময়ছোৱাত আমাৰ শিক্ষা ব্যৱস্থাটোৰ দ্বাৰা সৃষ্ট মানৱ সম্পদে দক্ষভাৱে কাম কৰাৰ কৌশল শিকা নাই বুলি। কিন্তু সময়ৰ দাবী আৰু পৰিৱৰ্তিত পৰিস্থিতিত আমাৰ জ্ঞান-কৌশলক অধিক প্ৰায়োগিক দক্ষতাৰ দিশলৈ আৰোহণ কৰাই উৎপাদনশীল পৰিৱেশ এটা ত্বৰান্বিত কৰাৰ সময় আহি পৰিছে। আমি প্ৰতিবছৰে দেখা পাইছোঁ যে হাজাৰ হাজাৰ বা লাখ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ ডেওনা পাৰ হৈ বিভিন্ন মহাবিদ্যালয়, বৃত্তিমুখী প্ৰতিষ্ঠানত নামভৰ্তিৰ বাবে দীঘল শাৰী পাতে। এক বুজনসংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে আমাৰ ৰাজ্যখনত উপযুক্ত সংখ্যক আসনৰ অভাৱে লাহে লাহে উচ্চশিক্ষা গ্ৰহণৰ বাটত হেঙাৰ টানি ধৰিছে। তাৰ লগত সংযোজিত হৈছে বছৰ বছৰ ধৰি মহাবিদ্যালয়সমূহৰ পৰা একো একোখন সন্মানীয় চাৰ্টিফিকেট গ্ৰহণ কৰাৰ পিছত তেওঁলোকে শিকা কথাবোৰ উৎপাদনশীল কামত ব্যৱহাৰ কৰিবলৈ যোগ্য হৈ নুঠাৰ প্ৰসংগটো। এনে সন্ধিক্ষণত আমাৰ সমগ্ৰ শিক্ষা ব্যৱস্থাটোলৈ এক বিৰাট প্ৰত্যাহ্বান আহিছে। এই প্ৰত্যাহ্বানেৰে মোকাবিলা কৰিবলৈ আমি আমাৰ শিক্ষানুষ্ঠানসমূহৰ পৰা দক্ষতা বিকাশৰ বাট মোকলাব লাগিব। এজন ছাত্ৰ বা ছাত্ৰীয়ে বিষয় নিৰ্বাচন, নিজস্ব ৰাপ অনুসাৰে আগবাঢ়ি আহি যেতিয়া কোনোবা এটা প্ৰতিষ্ঠানত নামভৰ্তি কৰিব সেই প্ৰতিষ্ঠানটোৰো এক দায়বদ্ধতামূলক অভিযান আৰম্ভ হোৱা উচিত যে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতামূলক এই পৃথিৱীখনত বৃত্তিগত দক্ষতাৰ ক্ষেত্ৰত পাৰদৰ্শী হৈ শিক্ষা সাং কৰিব পাৰে। তাৰবাবে ব্যৱহাৰিক জ্ঞান, ইণ্টাৰ্ণশ্বিপ, বিশেষ প্ৰশিক্ষণ কাৰ্য আদি উপৰোক্ত ক'ৰ্চটোৰ সময়ছোৱাতেই উপলব্ধ কৰোৱাৰ ব্যৱস্থা কৰাব লাগে। চৰকাৰী বা বেচৰকাৰী সকলো প্ৰতিষ্ঠানে এনে উৎপাদনশীল আয়োজন কৰিলেহে বৃহৎ নিবনুৱা সমস্যা নিৰসন হ'ব আৰু তথাকথিত পৰিৱৰ্তনকামী যাত্ৰাত ছাত্ৰ-ছাত্ৰীক এখোজ আগুৱাই দিব পাৰিব। আজি যুগটোত Knowledge Economy ৰ চৰ্চা হৈ আহিছে। দক্ষতা বিকাশ (Skill Development) ৰ দিশটো কেৱল পাঠ্যপুথি সৰ্বস্ব নিয়মমাফিক ক্লাছৰুমৰ আওতাত আবদ্ধ নহয়। গুণগত মান, উপলব্ধ তথ্য, কৌশল, দক্ষতা আদি উপযুক্ত পৰিৱেশৰ বাবে ব্যৱহাৰক্ষম হোৱা উচিত। যি অৰ্থনীতিত জ্ঞানেই মূলধন তেনে এক অৰ্থনৈতিক পৰিৱেশত যোগ্য ভোগ্য বসুন্ধৰাৰ দৰে কথা খাজে খাজে খাপ খায়। কোটি কোটি মানুহৰ দেশ এখনত এই নিৰ্মোহ সত্যৰ সন্মুখীন আমি হ'বই লাগিব। মানৱ সভ্যতাৰ সদস্য সংখ্যাই ইমান ব্যাপক ৰূপ ধাৰণ কৰাৰ পিছত অন্ন-বস্ত্ৰ-বাসস্থানৰ দৰে মৌলিক প্ৰয়োজনসমূহৰ পৰা আৰম্ভ কৰি সচ্ছল জীৱনধাৰণৰ বাট মোকলোৱালৈকে আমাৰ প্ৰতিজন মানুহৰ সন্মুখত তীব্ৰ প্ৰত্যাহবান আছে। এই প্ৰত্যাহবান আমি হাৰ মানিবৰ বাবে নহয়; সভ্যতাৰ বিকাশ, মানৱ জীৱনৰ সুখ-

শান্তি আহৰণৰ শ্ৰমজীৱী বাটটো পোহৰাবৰ বাবে। পৃথিৱীৰ কোনোবা এটা চুকত সভ্যতাই ইমান বেগত প্ৰগতিৰ দিশেৰে গতি কৰোঁতে আমি যদি আমাৰ প্ৰাথমিক প্ৰয়োজন অৰ্থাৎ উৎপাদনশীল শিক্ষা ব্যৱস্থাৰ ভেটিটোকে গঢ়ি নলওঁ, তেন্তে তীব্ৰবেগী সভ্যতাৰ বাহকবোৰে আমাৰ গালৈ ধূলি উৰুৱাই গুচি যাব। কিন্তু এক চৰম সত্য হ'ল যে, এই প্ৰতিযোগিতাৰ বাবে আমাৰ আধাৰশিলা আছে নে? আছে নে এক সবল ভেটি? সেয়া এক চিন্তনীয় বিষয়। আমি এই বিষয় উনুকিয়াব পাৰোঁ আমাৰ নতুন প্ৰজন্মটোৰ কথাৰে। এক বৃজনসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আন বছৰৰ দৰে এইবাৰো উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ ডেওনা পাৰ হৈছে। এতিয়া তেওঁলোকে উচ্চশিক্ষাৰ লগতে অন্যান্য বৃত্তিমুখী পাঠ্যক্ৰম গ্ৰহণ কৰি দক্ষ মানৱ (Skilled human resources) হিচাপে নিজকে গঢ়াৰ সময়। এতিয়া আমাৰ শেহতীয়া প্ৰেক্ষাপটত দেখা পাইছোঁ যে মেট্ৰিকৰ ডেওনা পাৰ হোৱা সকলে বিভিন্ন স্কুল, কলেজ, প্ৰাইভেট জুনিয়ৰ কলেজত নাম লিখাবলৈ কোনোমতে সক্ষম হৈছে যদিও উচ্চতৰ মাধ্যমিক উত্তীৰ্ণসকল নামভৰ্তিৰ সময়ছোৱাত ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে। নিজৰ বাছনিৰ বিষয়টো অধ্যয়ন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষা প্ৰতিষ্ঠান, মহাবিদ্যালয়সমূহত আসনৰ সংখ্যাই বা কিমান! ফলাফলৰ উৎকৃষ্ট তালিকাত থকা প্ৰতিষ্ঠানসমূহৰ কথাই সুকীয়া। প্ৰাপ্ত তথ্য অনুসৰি ২০১৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত তিনিওটা শাখাৰ মুঠ অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ২,৪০,৬৬৩ জন। এওঁলোকৰ মাজৰ পৰা কলা, বিজ্ঞান, বাণিজ্য শাখাত ক্ৰমে ১,৫২,৫৫৮, ৩০,৭৬৪ আৰু ১৩,৭১২ জন ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। এনে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা এক অংশই অসমৰ বাহিৰৰ শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তি কৰিব। আন এক অংশই বিশেষকৈ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে অভিযান্ত্ৰিক তথা চিকিৎসা বিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তি কৰিব। তদুপৰি কিছু সংখ্যকে আইন স্নাতক, ব্যৱস্থাপনা আদি বিভিন্ন শাখা বাছনি কৰিব। এনেদৰে এক দীঘল যোগ-বিয়োগ অংকৰ পিছতো মুঠ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ মাজৰ প্ৰায় ৬০-৭০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ত স্নাতক হ'বৰ বাবে নামভৰ্তি কৰিবলৈ আগবাঢ়িব। এতিয়া প্ৰশ্ন হয় যে এই বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ মহাবিদ্যালয়সমূহত নামভৰ্তি কৰিব পৰাটো প্ৰতিবছৰে সহজ হৈ থাকিব নে? এই বৰ্ধিত সংখ্যাটোৰ চাহিদা পূৰণ কৰিব পাৰিবনে আমাৰ শিক্ষা ব্যৱস্থাই? আমি সাধাৰণতে কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তিৰ বিষয়টোত চকু দিওঁ। এক নিৰ্দিষ্ট কাট অফ্ মাৰ্কৰ সেই ল'ৰা-ছোৱালীখিনি কিবাকৈ পঢ়াৰ সুযোগ পালেও তাৰ তলৰ বহু মানৱ সম্পদ ভাল আন্তঃগাঁথনি থকা প্ৰতিষ্ঠান এটাত পঢ়াৰ পৰা বঞ্চিত হ'বলগা হয়। স্মৰ্তব্য যে, কোনোবাটো পৰীক্ষাত এটা নিৰ্দিষ্ট হাৰৰ নম্বৰ পাবলৈ সক্ষম নোহোৱা ছাত্ৰ বা ছাত্ৰীসকলে উপযুক্ত শিক্ষাৰ পৰা বঞ্চিত হোৱাটো নিশ্চিয়কৈ অহিতকৰ। তাৰবাবে আমি কেৱল সদায় নামজ্বলা বুলি ভাবি থকা কলেজ বা শিক্ষা প্ৰতিষ্ঠানকেইটাকে খামুচি থাকিলে নহ'ব। সৰু-বৰ নগৰে-চহৰে থকা সকলো কলেজে উপযুক্ত সুবিধাৰে দক্ষ ছাত্ৰ-ছাত্ৰী সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। আমি গৌৰৱান্বিত যে খুব কম সুবিধাৰে বহু শিক্ষকে এনে কিছুমান পিছপৰা ঠাইৰ পৰা কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক সমাজলৈ আগবঢ়াই দিব পাৰিছে। সেইয়া ভাবি নথৈ সুখী হ'ব পৰা বিষয়। তাৰপিছতো আমাৰ কৰিবলগা বহুত কাম বাকী আছে। চৰকাৰে এনে কেতবোৰ কথাত গুৰুত্ব প্ৰদান কৰি উচ্চশিক্ষাক আগবঢ়াই নিয়া উচিত। যেনে—

(ক) UGC ৰ অভিলাসী প্ৰকল্পসমূহৰ আওতাত থকা বহু মহাবিদ্যালয়ৰ Vocational Course বা অন্যান্য বৃত্তিমুখী পাঠ্যক্ৰমসমূহ প্ৰকৃতাৰ্থত উৎপাদনশীল কোষ বা শাখা হিচাপে সক্ৰিয় হৈ আছে নে নাই, শিক্ষক আছে নে নাই, পাৰিতোষিক উপযুক্ত হয় নে নহয় সেই বিষয়ে খৰচি মাৰি তত্বাৱধান লোৱা উচিত।

(খ) অসমৰ বহু মহাবিদ্যালয়ত ইলেকট্ৰনিকছ, জৈৱ প্ৰযুক্তিবিদ্যা, মৎস্য পালন, ফিজিকেল এডুকেশ্যন, বিচিএ, বিবিএ, মাছ কমিউনিকেশ্যন, সাংস্কৃতিক অধ্যয়ন, সমাজ শাস্ত্ৰ আদি বহু বিভাগৰ ক'ৰ্চ আৰম্ভ কৰিছে। কিন্তু এইবোৰৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ, শিক্ষক নিযুক্তি, পাৰিতোষিক আদি দিশবোৰ আধৰুৱা হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ বৃত্তিমুখী জ্ঞান সংবৰ্ধনৰ বাবে এই বিভাগবোৰত স্নাতক ডিগ্ৰীটোৰ সমান্তৰালভাৱে Vocational Course ত নামভৰ্তি কৰি নিজক আগবঢ়াবলৈ প্ৰেৰণাৰ অভাৱ হৈছে। ইয়াৰে ইলেক্ট্ৰনিকছ, জৈৱ-প্ৰযুক্তিবিদ্যা, মাছ কমিউনিকেশ্যন আদি বিভাগসমূহ প্ৰকৃতাৰ্থত পূৰ্ণাংগ ৰূপত বহু মহাবিদ্যালয়ত হৈ নুঠাটো পৰিতাপৰ বিষয়।

(গ) আজিৰ প্ৰতিযোগিতামূলক পৃথিৱীত ফেৰ মাৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰথমৰে পৰা প্ৰস্তুতি চলাবৰ বাবে প্ৰতিখন মহাবিদ্যালয়ে Competitive Examination Cell ৰ অধীনত নিয়মীয়াকৈ ক্লাছৰ ব্যৱস্থা কৰা উচিত। অপ্ৰিয় হ'লেও সত্য যে সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাবোৰৰ আওভাও নোপোৱাকৈয়ে ডিগ্ৰীৰ সময়খিনিটো বাদেই পিছৰ পৰ্যায়টোও পাৰ কৰে।

(ঘ) Enterpreneurship Development Cell সক্ৰিয় ৰূপত ফলদায়কভাৱে অসমৰ প্ৰতিখন মহাবিদ্যালয়ত হোৱা উচিত। কেৱল নামত এনে EDC বহু কলেজত আছে; কিন্তু কাৰ্যকৰী হ'ব পৰাকৈ প্ৰশিক্ষণ, দক্ষতা বিকাশ, ঔদ্যোগিক ধাৰণা, ষ্টাৰ্ট আপ আদিৰ বিষয়ে বিশেষজ্ঞৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক পৰিচিত কৰাই বাট দেখুৱাব লাগে। ব্যৱসায় আৰম্ভ কৰাৰ বাবে যাৱতীয় জ্ঞান ল'ৰা-ছোৱালীয়ে ৰাপ অনুসাৰে পোৱা উচিত। চৰকাৰী সুবিধাসমূহ তথ্য-প্ৰযুক্তি ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যৎ জীৱনত ব্যৱহাৰ কৰিব পৰাকৈ সাজু কৰি তুলিব লাগে।

(ঙ) ক্ৰমাৎ বৰ্ধিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ প্ৰতি চকু ৰাখি অসমত স্নাতক মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰাৰ অৱকাশ আছে। উপযুক্ত আন্তঃগাঁথনি সহিতে আধুনিক প্ৰতিযোগিতামূলক পৃথিৱীত সংগ্ৰাম চলাব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান-দক্ষতা বিকাশৰ নিৰ্দিষ্ট আঁচনি এই নতুন কলেজবোৰত প্ৰথমৰে পৰাই হোৱা উচিত।

অসমত উচ্চশিক্ষাৰ বেলিকা এটা প্ৰকৃত সত্য পোহৰলৈ আহিছে যে উচ্চশিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীসকলৰ মাজত ছাত্ৰ তথা যুৱকসকলৰ সংখ্যা দৃষ্টিকটুভাৱে হ্ৰাস পাইছে। ছাত্ৰী তথা যুৱতীৰ সংখ্যা বৃদ্ধি হোৱাটো এটা শুভ লক্ষণ। কিন্তু যুৱক বা ছাত্ৰৰ সংখ্যাটো কিয় হ্ৰাস পাইছে। এইটো বিচাৰ্য বিষয় হৈ পৰিছে। শেহতীয়া সমীক্ষা মতে যোৱা দহ বছৰত গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰৰ বিপৰীতে ছাত্ৰীৰ সংখ্যা ৩০-৭০ শতাংশ হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়তো একেই পৰিৱেশ। কাৰিকৰী শিক্ষা, চিকিৎসা বিজ্ঞান শিক্ষাতো এই সংখ্যা হ্ৰাস পাইছে। যুৱকসকলে উচ্চশিক্ষাৰ ক্ষেত্ৰত কিয় অনীহা প্ৰকাশ কৰিছে? একাগ্ৰতা হ্ৰাস পাইছে নেকি? এইটো অসমৰ উচ্চশিক্ষাৰ এটা উদ্বেগজনক দিশ বুলি পৰিগণিত হৈছে। ■

**কলিয়াবৰৰ বাৰে-বৰণীয়া সংস্কৃতিৰ পথাৰখনত বিচিত্ৰ উপাদান আৰু অনুষ্ঠানেৰে সমৃদ্ধ সাংস্কৃতিক জগতখনৰ এক উল্লেখযোগ্য লোকানুষ্ঠান হ'ল— ক'লীবুঢ়ী নাচ। কলিয়াবৰৰ সোণাৰি গাঁৱত পৰম্পৰাগতভাৱে মাঘৰ বিহুৰ লগত জড়িত এই লোকানুষ্ঠান চলি আহিছে। ক'লীবুঢ়ী নাচৰ মূল সাঁচটো উজনিৰ পৰা অহা বুলি ভাবিবৰ থ'ল আছে। এই লোক অনুষ্ঠানটি উজনি অসমত প্ৰচলিত কুলাবুঢ়ী নাচেৰে এটি থলুৱা পৰিৱৰ্তিত ৰূপ .... ....**

# বিশ্লেষণাত্মক দৃষ্টিৰে কলিয়াবৰৰ 'ক'লীবুঢ়ী নৃত্য'- ঐতিহ্য আৰু পৰম্পৰা

**ৰেৱত মহন্ত**

*প্ৰাক্তন ছাত্ৰ, কলিয়াবৰ মহাবিদ্যালয়*

বৰ অসমৰ সাংস্কৃতিক পথাৰত অসমৰ পাহাৰ-ভৈয়ামৰ বিভিন্ন জাতি-জনজাতিৰ বৰ্ণাঢ্য সংস্কৃতিৰ পলস পৰি বৰ অসমৰ সংস্কৃতি জীপাল হৈ উঠিছে। সেইদৰে বিভিন্ন জাতি-জনজাতিৰ সামাজিক লোকাচাৰ, উৎসৱ-পাৰ্বণৰ লগতে নৃত্য-গীত আদিতো অসমীয়া সংস্কৃতিয়ে নিজস্ব বৈশিষ্ট বজাই ৰাখিছে। বৈচিত্ৰ্যময় অসমৰ ন-ন সাংস্কৃতিক সম্ভাৰৰ ভিতৰত কুলা বুঢ়ী নাচ অন্যতম। এই নৃত্য মূলতঃ বিবাহ উৎসৱৰ লগত জড়িত। অসমৰ বিভিন্ন স্থানত এই কুলা বুঢ়ী নৃত্যৰ কাৰুকাৰ্যও ভিন্ন ভিন্ন। গতিকে ইয়াৰ গতি প্ৰকৃতিলৈ লক্ষ্য কৰিলে বহুতো মিল আৰু অমিল দেখা যায়। হেমচন্দ্ৰ বৰুৱাই ১৯৬৫ চনত হেমকোষত কোৱা কথাৰ আঁত ধৰি ইয়াৰ আভিধানিক ব্যাখ্যা এনেদৰে দিব পাৰি— 'বিয়াত শুৱাগুৱি (সুৱাগুৱি) তুলিবলৈ যোৱা লগত মূৰত এখন কুলা লৈ নাচি নাচি যোৱা তিৰোতা।' আকৌ বসন্ত কুমাৰ গোস্বামীয়ে ব্যৱহাৰিক অভিধানত কৈছে— 'বিয়াত সুৱাগুৱি তোলাৰ সময়ত বা গাঁঠিয়নৰ দিনা খোলাকটি, চাউল আদিৰে মূৰত কুলা এখন লৈ দৰা বা কইনাৰ সমুখত ৰং-ধেমালি কৰা তিৰোতা বা তিৰোতাৰ বেশধাৰী পুৰুষ।' অৰ্থাৎ এই নৃত্য এক প্ৰকাৰৰ নাৰীৰ বিবাহ সম্পৰ্কীয় আনন্দ উৎসৱৰ অনুষ্ঠান।

কুলা বুঢ়ী নামটোৰ উৎপত্তি সম্পৰ্কে আমি এটা মত দিব নোৱাৰো। কুলাৰ ব্যৱহাৰৰ কাৰণে নে ক'লা ৰং ব্যৱহাৰৰ কাৰণে কুলা বুঢ়ী হ'ল তাক সঠিককৈ ক'ব নোৱাৰি। দৰাচলতে কুলা হ'ল ধান চাউল আদি জৰা বাঁহৰ কাঠীৰ এবিধ সঁজুলি। উজনি অসমত এই নৃত্যত মূলতে ডলাহে ব্যৱহাৰ কৰা হয়। কুলা আৰু ডলা প্ৰায় একেই যদিও মূৰত লোৱা সঁজুলি বিধৰ পৰাই নাচটোৰ নামৰ উৎপত্তি বুলি সঠিককৈ ক'ব নোৱাৰি। তদুপৰি এই নৃত্যত কেতিয়াবা ক'লা সাজ পৰিধান কৰি ক'লা ৰং মুখত সানি লোৱাৰ প্ৰমাণ পোৱা যায়। এই ক'লা শব্দটো গ্ৰাম্য সমাজত কুলা বুলি উচ্চাৰিত হোৱা দেখা গৈছিল। গতিকে পোনতে এই কুলা (ক'লা) শব্দৰ পৰাই 'কুলাবুঢ়ী' আৰু পিছলৈ এই নৃত্যত কুলা প্ৰয়োগ হোৱা বুলি এক অনুমানসিদ্ধ সিদ্ধান্তত উপনীত হ'ব পৰা যায়।

বিয়াৰ আগদিনা সাধাৰণতে অধিবাসৰ পিছত এগৰাকী বৃদ্ধ তিৰোতাই মূৰত এখন কুলা লৈ বিভিন্ন

প্ৰকাৰে অংগী-ভংগী কৰি নাচে বাবে তেওঁক কুলাবুঢ়ী আখ্যা দিয়া হয়। সোণোৱাল-কছাৰী, মটক, মৰাণ, ঠেঙাল-কছাৰী আদি ভালেমান জনগোষ্ঠীৰ মাজত এই কুলাবুঢ়ী নৃত্য প্ৰচলিত।

তোলনী বিয়া আৰু বৰ বিয়া অনুষ্ঠানৰ লগত জড়িত এই নৃত্যত কুলাখনত চাউল, তামোল-পাণ, চাকি-বন্তি আদি লৈ কুলাবুঢ়ীয়ে নৃত্য প্ৰদৰ্শন কৰা দেখা যায় আৰু গীত পৰিৱেশন কৰে। বিভিন্ন জাতি-জনজাতিসকলৰ মাজত প্ৰচলিত কুলাবুঢ়ী নৃত্যৰ লগত জড়িত গীতৰ আভাস এইদৰে পোৱা যায়—

মৰাণসকলৰ গীত—

*সৰগৰ পৰা নামে কুলাবুঢ়ী*
*লাং বাং লাখুটি ধৰে,*
*ৰুকুণীৰ আগতে নাচে কুলাবুঢ়ী*
*ৰুকুণীয়ে অতি ৰং কৰে।*
*পৰ্বতৰে আহে কুলাবুঢ়ী*
*লাং বাং লাখটি লৈ*
*আহে কুলাবুঢ়ী নাচে ঘুৰি ঘুৰি*
*কেনাই কোচ পাতি ধৰে*

ঠেঙাল কছাৰীসকলৰ গীত—

চৰাই চিৰিকটি পশু পতং
কুলাবুঢ়ী নাচে জপং জপং
তয়ো ক'লী ময়ো ক'লী
একেখন বিলৰে মাছ।

তদুপৰি সোণোৱাল-কছাৰীসকলে তোলনী বিয়া উঠাৰ আগদিনা গাঁঠিয়ন খুন্দাৰ সময়ত এগৰাকী তিৰোতাই মূৰত বিশেষ কিছুমান সামগ্ৰীসহ এখন ডলা লৈ হাতত এডাল গছৰ ঠাৰি লৈ নৃত্য প্ৰদৰ্শন কৰে। নৃত্য প্ৰদৰ্শন কৰাৰ সময়ত নামতিসকলে গায়—

*শদীয়া ৰাজ্যৰে ভদীয়া কটাৰী*
*তাৰে সৰু সৰু ঠোঁট এ হৰি*
*তাৰে সৰু সৰু ঠোঁট*
*উজনি ৰাজ্যৰে খুন্দে গাঠিঁয়ন*
*নামনি ৰাজ্যৰে পৰা ৰামে হৰি*
*নামনি ৰাজ্যৰে পৰা*
*নাচে কুলাবুঢ়ী নাচে হে*
*কি কি বস্তু দিয়া কুলাবুঢ়ী*
*কনাই কোচ পতি আছে কুলাবুঢ়ী*
*কানাই কোচ পাতি আছে।*

কুলাবুঢ়ী নাচ অসমৰ ভালেমান অঞ্চলত প্ৰচলিত আছিল। স্থানবিশেষে সামান্য প্ৰভেদ থাকিলেও মূলত এই নৃত্য বিবাহ উৎসৱৰ লগতে জড়িত। কিন্তু কলিয়াবৰৰ সোণাৰি কামাখ্যা গাঁৱৰ প্ৰচলিত এই নৃত্য সম্পূৰ্ণ পৃথক। একমাত্ৰ কলিয়াবৰৰ এই নৃত্য এক অনন্য ৰূপত দেখা যায়। বিহু নাচৰ অনুৰূপত নচা এই নৃত্য বিবাহ উৎসৱৰ লগত জড়িত হোৱাও দেখা যায়।

লোক-সংস্কৃতিৰ মাজত নিহিত হৈ আছে এটা জাতিৰ নিজস্ব জীৱন-যাপন ৰীতি। প্ৰকৃতাৰ্থত লোক-সংস্কৃতিৰ পৰিসৰ অত্যন্ত ব্যাপক। জনসাধাৰণৰ মাজত পৰম্পৰাগতভাৱে চলি অহা কিছুমান আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, লোকনৃত্য আদি লোকসমল ইয়াত নিহিত হৈ থকা দেখা যায়। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণফালে অৱস্থিত নগাঁও জিলাৰ এটি মহকুমা কলিয়াবৰ। অসমৰ ইতিহাসত কলিয়াবৰৰ যিদৰে বিশিষ্ট স্থান আছে সেইদৰে অসমৰ সংস্কৃতিৰ পথাৰখনতো ই বিৰাজমান। অসমৰ প্ৰায় মধ্যস্থলত অৱস্থিত বিভিন্ন জনসমষ্টিৰ প্ৰজাতীয় উপাদানৰে গঠিত অসমীয়া মানুহৰ জৈৱিক চৰিত্ৰ বৈচিত্ৰ্যপূৰ্ণ আৰু এই জনসমষ্টিবোৰৰ সমন্বয়ত গঢ়ি উঠা কলিয়াবৰৰ সংস্কৃতি বাৰেবৰণীয়া।

অন্যান্য ঠাইত প্ৰচলিত হোৱাৰ দৰে অতীজৰে পৰা চলি অহা লোক-সংস্কৃতিৰ এক অন্যতম তথা কলিয়াবৰৰ সোণাৰি কামাখ্যা গাঁৱত প্ৰচলিত হৈ অহা এই ক'লীবুঢ়ী নাচ নামেৰে প্ৰচলিত, যাৰ ঐতিহ্য আৰু পৰম্পৰা সুকীয়া। পৰম্পৰাগতভাৱে পালন কৰি অহা সোণাৰি কামাখ্যা গাঁৱৰ এই ক'লীবুঢ়ী নাচে সুকীয়া আচাৰ-ব্যৱহাৰ, সুকীয়া ৰীতি-নীতি আৰু সুকীয়া ধৰ্মীয় চিন্তাৰে এক বিশাল স্থান অধিকাৰ কৰি আহিছে।

নগাঁও জিলাৰ অন্তৰ্গত কলিয়াবৰ এক প্ৰাচীন ঐতিহ্যপূৰ্ণ আৰু অসমৰ এক গুৰুত্বপূৰ্ণ অঞ্চল। কলিয়াবৰৰ লোক-সংস্কৃতি বিচিত্ৰ ৰূপেৰে জাতিষ্কাৰ। কৃষিজীৱী থলুৱা জনজীৱনৰ হৃদয়ৰ অকৃত্ৰিম ভাব-ভাষাই কলিয়াবৰ লোক-জীৱনক সজীৱ আৰু প্ৰাণোচ্ছল কৰি ৰাখিছে। ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি ইয়াৰ জনসমাজৰ যিদৰে শ্ৰদ্ধা আছে ঠিক সেইদৰে সুস্থ যুগোপযোগী ৰূপান্তৰৰ সংস্কৃতিৰ প্ৰতিও উদাৰ মনোভাব দেখা যায়।

কলিয়াবৰৰ বাৰে বৰণীয়া সংস্কৃতিৰ পথাৰখনত বিচিত্ৰ উপাদান আৰু অনুষ্ঠানেৰে সমৃদ্ধ সংস্কৃতিক জগতখনৰ এক উল্লেখযোগ্য লোকানুষ্ঠান হ'ল— ক'লীবুঢ়ী নাচ। কলিয়াবৰৰ সোণাৰি গাঁৱত পৰম্পৰাগতভাৱে মাঘৰ বিহুৰ লগত জড়িত এই লোকানুষ্ঠান চলি আহিছে। মাঘ বিহুৰ উপলক্ষে সোণাৰি কামাখ্যা গাঁৱত ডেকা-বুঢ়া সকলোৱে উলহ-মালহেৰে ৰে'লৰ আলিৰ কাষৰ পথাৰত শাৰীকৈ সজা সৰু-বৰ হাৰলি ঘৰ বা ভেলাঘৰবোৰ আকৰ্ষণীয় আৰু মনোৰম হৈ পৰে। কলিয়াবৰৰ ভিতৰত সোণাৰি গাঁৱৰ লোক-জীৱন আৰু লোক-সংস্কৃতিৰ বিচাৰ, সামাজিক নীতি-নিয়ম আনকি ভাষাৰ ক্ষেত্ৰতো কিছু বিশেষত্ব দেখা পোৱা যায়।

কলিয়াবৰৰ সোণাৰি গাঁৱত এই লোকনৃত্যানুষ্ঠান মাঘৰ বিহুৰ হাৰলি ঘৰ পোৰাৰ দিনা ভাটিবেলা অনুষ্ঠিত হয়। বছৰৰ অন্য বিহুৰ লগত এই নাচৰ সম্পৰ্ক দেখা নাযায় যদিও গীতৰ ক্ষেত্ৰত কিছু মিল থকা দেখা যায়। এই নৃত্যত পুৰুষৰ অংশগ্ৰহণ বা উপস্থিতি নিষিদ্ধ। কোনো পুৰুষেই নৃত্য চলি থকা অৱস্থাত সেইফালে নাযায়। মাঘৰ বিহুৰ হাৰলি ঘৰবোৰ পোৰাৰ দিনা সোণাৰি গাঁৱত পূৰ্বৰে পৰা নাৰীসকলৰ মাজত প্ৰচলিত হৈ অহা এই ক'লীবুঢ়ী নৃত্যানুষ্ঠানটিৰ মূল উজনি অসমৰ ক'লাবুঢ়ীৰ নাচ। অৰ্থাৎ ক'লাবুঢ়ী নামটোৱেই লোক-সমাজৰ মুখত পৰি ক'লীবুঢ়ীলৈ ৰূপান্তৰিত হ'ল।

অতীজৰে পৰাই মাঘৰ বিহুত কৃষিজীৱী অসমীয়া সমাজে বিভিন্ন ধৰণৰ আনন্দ উৎসৱত ভাগ লৈ আহিছে। মাঘৰ বিহু উপলক্ষে সজা হাৰলি ঘৰবোৰ যেতিয়া হৰিধ্বনি দি জুই লগাই পুৰি পেলোৱা হয়, তেতিয়া কুকুহাবোৰ বতাহৰ সোঁতত যেনি-তেনি উৰুৱাই নি

সিঁচৰতি কৰি পেলায়। ভক্তিপ্ৰাণ লোকে সেইবোৰ অঞ্জলি পাতি ধৰে আৰু শ্ৰদ্ধা সহকাৰে লয়। হাৰলি ঘৰৰ আধা পোৰা ক'লা ছাই লাগি থকা কাকবাঁহৰ খুঁটা বা মাৰলিৰ টুকুৰা ঘৰলৈ আনি বহুতে নাৰিকল, তামোল আদি লাগনি গছত ওলোমাই থয়। সেয়ে ক'লীবুঢ়ী নাচৰ লগত সোণাৰি গাঁৱৰ মাঘৰ বিহুৰ হাৰলি ঘৰৰ পবিত্ৰ ক'লা ছাইৰ বৰণ সাঙোৰ খাই আছে। হাৰলি ঘৰৰ পবিত্ৰ ক'লা ছাই গাত লৈ ধেমালি আৰু আনন্দতে সেই নৃত্যত বয়সীয়া বা বুঢ়ী তিৰোতাই ভাগ লোৱাৰ পৰাই সেই নৃত্যানুষ্ঠান ক'লীবুঢ়ী নাচ বুলি জনসমাজত প্ৰচলিত হয়।

সাধাৰণতে মূৰত কাপোৰৰ পাগুৰি মাৰি প্ৰধান নাচনীগৰাকীয়ে নৃত্যানুষ্ঠানটিত ভাগ লয় আৰু সূত্ৰধাৰীয়ে পাক দিয়াদি গীত আৰম্ভ কৰে—

*"ৰাম বোল ৰে মন*
*হৰি বোল ৰে মন।"*

তেওঁৰ লগে লগে বাকী তিৰোতাসকলে গীত গায়। উপস্থাপনৰ ৰীতি ওজাপালিৰ সৈতে কিছু সাদৃশ্য থকা বুলি অনুমান কৰিব পাৰি। এই ক'লীবুঢ়ী নাচত ভাগ লোৱা নাচনীয়ে ভাওনাৰ ভাৱৰীয়াৰ দৰে খোজ-কাটল দি ভাব-ভংগী প্ৰকাশ কৰা দেখা যায়। ৰিহা আৰু চাদৰ-মেখেলা পৰিধান কৰি এই অনুষ্ঠানত ভাগ লয়। নতুন বোৱাৰী বা কম বয়সীয়া বোৱাৰীয়ে ক'লীবুঢ়ী নৃত্যত ভাগ লোৱা দেখা নাযায়। ক'লীবুঢ়ীৰ গীত পৰিৱেশনত দুটা কথা বিশেষভাৱে মনকৰিবলগীয়া— এটা হ'ল গীতসমূহৰ সুৰ আৰু কথা। সুৰ বিশেষকৈ বিহুসুৰীয়া যদিও ওজাপালিৰ সুৰ অনুভূত হয়। ওজাপালিৰ ওজাৰ দৰে মুখ্য গায়িকা গৰাকীয়ে নাম লগাই দিয়ে, লগৰবোৰে গায় আৰু নৃত্য কৰে—

*ইখন কলিয়াবৰ ঐ মালতী*
*এইখন কলিয়াবৰ ঐ মালতী*
*ছওঁৰা সত্ৰ, বাৰখন থান ধৰ্ম বেৰি আছয়*
*প্ৰথমে প্ৰণামো লক্ষ্মী সৰস্বতী*
*দ্বিতীয়তে প্ৰণামো ৰাইজ*
*সোণাৰি কামাখ্যাই কুলাবুঢ়ী নচুৱায়*
*কুলাবুঢ়ী গীতকে গায়*
*কলীয়াবৰীয়া দীঘল জলকীয়া*
*তললৈ মিলিলে সিয়াঁ*
*সোণাৰি-কামাখ্যাই মাঘৰে বিহুটিত*
*গীত গাওঁ সবায়ে শুনা*

*হাতে মেলি হালধি নঘঁহিবি মালতী*
*চুলি মেলি নঘঁহিবি তেল।*
*খৰাগড়ৰ মূৰলৈ নাযাবি মালতী*
*আটাই ডেকা ল'বাৰ মেল।।*

কু'লীবুঢ়ী নামটোৰ পৰাই ক'লীবুঢ়ী নামটোৰ সৃষ্টি হৈছে। প্ৰাকৃতজনৰ মুখত কুলাবুঢ়ীয়ে 'ক'লীবুঢ়ী'ৰ ৰূপ ধাৰণ কৰিলে। কুলাবুঢ়ীয়ে হাতত এখন কুলা লয় আৰু সেই কুলাত ক'লা ছাই, খোলামাটি, ধান আদি লৈ নাচে। কলিয়াবৰৰ সোণাৰি গাঁৱত আৰম্ভণিতে এনেকৈ নচাৰ উমান পোৱা যায়। পিছলৈ হাৰলি ঘৰৰ পবিত্ৰ পোৰা ছাই মুখত ঘঁহি নাচিবলৈ ল'লে আৰু তেতিয়াৰ পৰা কু'লাবুঢ়ী গুচি জনসাধাৰণৰ মুখত ক'লীবুঢ়ী হৈ পৰিল। এই সম্পৰ্কে গীতত পোৱা যায়—

*নাচ কুলাবুঢ়ী নাচ*
*তয়ো ক'লী, ময়ো ক'লী*
*একেখন বিলৰে মাছ।*

ইয়াত কুলাবুঢ়ীক ক'লীবুঢ়ী সম্বোধন কৰা হৈছে। এই ক'লীবুঢ়ী নৃত্যানুষ্ঠান কেৱল কলিয়াবৰতেই নহয় উজনি অসমৰো এক লোক-নাট্যানুষ্ঠান। কলিয়াবৰৰ সোণাৰি গাঁৱত পোৱা এই লোক অনুষ্ঠানটি হ'ল কুলাবুঢ়ী নাচেৰে এটি থলুৱা পৰিৱৰ্তিত ৰূপ।

সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোঁৱতী সুঁতি অৰ্থাৎ সংস্কৃতি পৰিৱৰ্তনশীল। সংস্কৃতিৰ ধৰ্ম অনুসাৰে লোক সংস্কৃতিয়েও ৰূপান্তৰৰ মাজেদি ভৱিষ্যতলৈ আগবাঢ়ি যায়। ক'লীবুঢ়ী নাচৰো মূল সাঁচটো উজনিৰ পৰা অহা বুলি ভাবিবৰ থ'ল আছে। কাৰণ কলিয়াবৰৰ অন্য ঠাইত এই লোকানুষ্ঠান দেখা নাযায়। সোণাৰি-কামাখ্যা গাঁৱত পূৰ্বপুৰুষৰ পৰা চলি অহা এই নৃত্যানুষ্ঠানটিত অন্যান্য সাংস্কৃতিক উপাদানত পৰাৰ দৰে সময়ৰ আঁচোৰ পৰাটো তেনেই স্বাভাৱিক। ফলত পূৰ্বৰ নিয়মৰ পৰা ই কিছু আঁতৰি অহা দেখা যায়। পূৰ্ব নিয়ম অনুসৰি পুৰুষৰ বাধা নিষেধ থকা লোক-নাট্যানুষ্ঠানটোত আজিকালি প্ৰায়েই পুৰুষৰ সমাগম দেখা যায়। মনত থকা স্পৃহাই হওক বা নেদেখাক দেখাৰ বাবেই হওক মুঠতে পুৰুষৰ আগমনে এই পৰম্পৰাক কিছু সলনি কৰিছে। তদুপৰি আধুনিকতাৰ বাবে সময়ৰ অভাৱে পূৰ্বৰ তুলনাত এই অনুষ্ঠান সংকীৰ্ণ কৰি তোলাও দেখা যায়। পূৰ্বৰ আকৰ্ষণীয় কৃত্ৰিম ভেলাঘৰ আজি যেন প্ৰতিযোগিতামূলক হৈ পৰিছে। নতুন বোৱাৰীৰ প্ৰৱেশ নিষিদ্ধ অনুষ্ঠানটিত আজিকালি কিন্তু প্ৰায়েই তেওঁলোকক দেখা পোৱা যায়। সি যি কি নহওঁক ভাষা বা প্ৰকাশভঙ্গীয়ে কেতিয়াবা আধুনিক সাজ পিন্ধিলেও তাৰ মাজতেই থাকে পুৰণি পৰম্পৰা আৰু ঐতিহ্য—

*পাততে লুকালে গাঁতৰে চেঙেলি*
*লুইতত লুকালে অ' চিতল।*
*অ' সোণাৰি কামাখ্যাই ক'লীবুঢ়ী নাচিলে*
*বিৰিঙাৰ জোপাত লুকাল।।*

কলিয়াবৰ মধ্যকালীন অসম বুৰঞ্জীৰ পাতত স্থান পোৱা এখন অতি গুৰুত্বপূৰ্ণ ঠাই। আহোম ৰাজত্বৰ সময়ত এই অঞ্চলে বিশেষ স্থান পোৱা কলিয়াবৰ নগাঁও জিলাৰ এক বৃহৎ মহকুমা। এই মহকুমাৰে এখন ঐতিহ্যপূৰ্ণ স্থান সোণাৰি কামাখ্যা। এই ঠাইতে অতীজৰে পৰা এই ক'লীবুঢ়ী নাচ প্ৰচলন হৈ অহাৰ কথা কলিয়াবৰৰ বুৰঞ্জীয়ে সাক্ষ্য দাঙি ধৰে। শীতকালত মেজিৰ জুই উত্তাপ আৰু ক'লীবুঢ়ী গীত-নৃত্যৰে কলিয়াবৰৰ এই বিশেষ অঞ্চলতহে ক'লীবুঢ়ী নাচ প্ৰচলিত। বিভিন্ন নিয়মৰ মাজেৰে সমাপ্ত হোৱা এই লোকানুষ্ঠানৰ শেষত নাচনীসকলে পূবলৈ চাই সেৱা কৰে আৰু বাকীসকল গোপিনীয়ে আশীৰ্বাদ দিয়ে। অনুষ্ঠানটিৰ এনেবোৰ কাৰ্যৰ মাজত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰাবল্য লক্ষ্য কৰা যায়, যিদৰে কলিয়াবৰীয়া হুঁচৰিকে প্ৰমুখ্য কৰি অন্যান্য অনুষ্ঠানটো দেখা পোৱা যায়। সি যি কি নহওক আজিও কলিয়াবৰ অঞ্চলৰ ক'লীবুঢ়ী নাচ স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল এবিধ বিশিষ্ট সাংস্কৃতিক সম্পদ। ■

# মাদক দ্ৰব্য আৰু সমাজত ইয়াৰ কু-প্ৰভাৱ

ভাৰ্গৱ প্ৰতীম বৰা
*স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান)*

মাদক দ্ৰব্যৰ ব্যৱহাৰ বৰ্তমান সমাজৰ এক সংক্ৰামক ব্যাধিৰূপে পৰিগণিত হৈছে। মাদক দ্ৰব্য অথবা নিচাযুক্ত দ্ৰব্যৰ সেৱনক বিষপান বুলি অভিহিত কৰিব পাৰি। বিষপান কৰিলে যিদৰে অকাল মৃত্যুমুখত পতিত হয়, ঠিক সেইদৰে মাদক দ্ৰব্য সেৱনৰ ফলত মানুহৰ জীৱনলৈ ঘোৰ অমাৱস্যা নামি আহে। মাদক দ্ৰব্য সেৱনৰ কু-প্ৰভাৱ নিজৰ লগতে পৰিয়াল আৰু সমাজৰ ওপৰতো পৰে। বিশ্বজগতৰ সকলো সম্পদৰ ভিতৰত মানৱ সম্পদক শ্ৰেষ্ঠ সম্পদ বুলি কোৱা হয়। মানৱ সম্পদৰ ভিতৰত আকৌ যুৱ সমাজকে মূল চালিকা শক্তি হিচাপে গণ্য কৰা হয়। মানৱ জীৱনৰ বিভিন্ন চামৰ ভিতৰত যুৱ চামটোকে মাদক দ্ৰব্যৰ প্ৰতি অধিক আকৰ্ষিত হোৱা দেখা যায়। সেয়ে যুৱ উচ্ছৃংখলতাৰ অন্য এক কাৰণ হিচাপে মাদক দ্ৰব্য সেৱনক চিনাক্ত কৰা হৈছে।


মাদক দ্ৰব্যই মানুহৰ জীৱনলৈ সৰ্বনাশ মাতি আনে। সাধাৰণতে মদ, ভাং আৰু কানি— এই কেইবিধ হ'ল আমাৰ দেশৰ আটাইতকৈ অধিক ক্ষতিকাৰক মাদক দ্ৰব্য। বহুসংখ্যক যুৱক-যুৱতী ড্ৰাগছ আৰু মাদক দ্ৰব্য জাতীয় বস্তুৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। ই এক অতি চিন্তনীয় বিষয়, কাৰণ এইবোৰৰ কু-প্ৰভাৱ আমাৰ স্বাস্থ্যৰ ওপৰত পোনপটীয়াকৈ পৰে। মাদক দ্ৰব্যৰ ভিতৰত আজিকালি সবাতোকৈ ব্যাপকভাৱে প্ৰচলিত নিচাযুক্ত ঔষধবিধ হ'ল— ড্ৰাগছ। যি মানুহৰ শৰীৰ আৰু মনৰ ওপৰত ব্যাপকভাৱে প্ৰতিক্ৰিয়া কৰিবলৈ সক্ষম। অপিঅইড, কোকা এলকাললইড্ আৰু কেন্নাবিনইডেই অপব্যৱহৃত ড্ৰাগছৰ ভিতৰত প্ৰধান। সুৰা বা মদে মানুহৰ যকৃত নষ্ট কৰি ছিৰছিছ ৰোগৰ সৃষ্টি কৰে। ধপাত সেৱন আৰু ধূমপান কৰা মানুহৰ কৰ্কটৰোগ হোৱাৰ সম্ভাৱনা থাকে। ধূমপানে তেজত CO (কাৰ্বন মন'অক্সাইড)-ৰ পৰিমাণ বঢ়াই আৰু দেহত অক্সিজেনৰ পৰিমাণ হ্ৰাস কৰে। সেয়ে CO (কাৰ্বন মন'অক্সাইড)-ৰ উপস্থিতিত হিম'গ্ল'বিনে অক্সি-হিম'গ্ল'বিন যৌগ গঠন কৰাৰ পৰিৱৰ্তে কাৰ্বক্সিহিম'গ্ল'বিন নামৰ এবিধ যৌগ গঠন কৰে। ই এবিধ স্থায়ী আৰু বিষাক্ত দ্ৰব্য। এনে অৱস্থাত কোষবোৰে অক্সিজেন ক্ষুধাত ভোগে। ফলত মানুহে মূৰ ঘূৰণি, মূৰ কামোৰণি, বমি ভাব আদি বেমাৰত ভোগে। এনে অসুস্থতাক CO বিষকৰণ বোলে। এইদৰে মাদক দ্ৰব্যৰ ব্যৱহাৰে বিভিন্ন পৰ্যায়ৰ মানুহৰ দৈহিক অৱনতি সাধন কৰাৰ উপৰিও সামাজিক বিশৃংখলাৰ যে সৃষ্টি কৰে সেইকথা অতি সত্য আৰু সেয়ে মাদক দ্ৰব্য সমাজৰ বাবে সাংঘাতিক অপকাৰী বস্তু বুলিয়েই গ্ৰহণ কৰা হয়। শেহতীয়াকৈ অসমতো বিষাক্ত মাদক দ্ৰব্য সেৱন কৰি গোলাঘাট আৰু যোৰহাট জিলাৰ বহু কেইখন চাহ বাগিচাৰ প্ৰায় ১৪৫ জন চাহ শ্ৰমিক মৃত্যুৰ মুখত পৰিছে। মাদক দ্ৰব্য সেৱনৰ এনে অভ্যাসে বৰ্তমান সমাজত এক ভয়াবহ জটিল সমস্যাৰ সৃষ্টি কৰিছে।

বৰ্তমান যুৱ সমাজত নিচামুক্ত দ্ৰব্য সেৱনৰ আসক্তি দ্ৰুত গতিত বৃদ্ধি পাইছে। সমাজৰ বাবে ই এক ভয়াবহ সংকট বুলিব পাৰি। কিয়নো যুৱশক্তি হৈছে সমাজ আৰু দেশ গঢ়াৰ মূল ভেটিস্বৰূপ। এই ভেটি সুদৃঢ় নহ'লে সমাজত শান্তি-শৃংখলা সম্ভৱ নহয়। সমগ্ৰ দেশৰ ভিতৰতে আমাৰ ৰাজ্যত কৰ্কট আৰু আন কঠিন ৰোগৰ প্ৰকোপ সৰ্বাধিক। মাদক দ্ৰব্যৰ অত্যধিক ব্যৱহাৰৰ ফলত কেৱল ৰোগ সৃষ্টিয়েই নহয়, সমাজত সংঘটিত হৈ থকা বিভিন্ন ধৰণৰ দুৰ্ঘটনা অসামাজিক কাৰ্য আদিৰ অধিকাংশই ইয়াৰ পৰিণতি। ইয়াক প্ৰতিৰোধ কৰি সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ হ'লে সকলো ধৰণৰ নিচাযুক্ত বা ৰাগিয়াল দ্ৰব্যবোৰ নিয়ন্ত্ৰণ হোৱাটো বাঞ্ছনীয়। অন্যথা সমাজত শান্তি কেতিয়াও কল্পনা কৰিব নোৱাৰি।

বৰ্তমান সময়ত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত মাদক দ্ৰব্যৰ প্ৰচলনৰ কথাত ভাৰতৰ শিক্ষাবিদ, বুদ্ধিজীৱি, মাক-দেউতাক আদি সকলোৱে চিন্তান্বিত হৈ পৰিছে। বিশেষকৈ ছাত্ৰ সমাজত এইবোৰৰ ব্যাপক প্ৰচলনে সকলোকে চিন্তিত কৰিছে। মাদক দ্ৰব্য সেৱনৰ অভ্যাস এদিনতেই আঁতৰ কৰি পেলোৱাটো কোনো প্ৰকাৰেই সম্ভৱ নহয়। কিন্তু এইকথা অতি নিশ্চিত যে মাদক দ্ৰব্যৰ সেৱনৰ অভ্যাসে দেশৰ উন্নতিত যথেষ্ট পৰিমাণে বাধাৰ সৃষ্টি কৰিছে। সেয়ে ভাৰতীয় মানুহে বিশেষকৈ ছাত্ৰ সমাজে নিজেই এই কথা হৃদয়ংগম কৰিব লাগিব। সমাজকো বুজাব পাৰিব লাগিব মাদক দ্ৰব্যৰ কু-ফলবোৰৰ কথা। অন্যথা ইয়াৰ ব্যৱহাৰে যে ভাৰতবৰ্ষৰ যুৱপ্ৰজন্মক আত্মহননৰ পথলৈ আগবঢ়াই নিব সেয়া অৱশ্যাম্ভাৱী। ■



# ছন্দশিল্প



# মুখা

(১)
ক্ৰমশঃ মৰুৰ বুকুত
এটি নতুন আশাই বীজ সিঁচিছে।
এছাটি মৃদু বতাহ
আৰু মনৰ সীমাহীন কামনা,
এইয়া হয়তো মনৰ খিৰিকিত
বেদনাৰ উৎসৰে স্মৃতি হৈ থাকিব
হৃদয়ৰ গোপন কোণত।

(২)
মই আঁকোৰালি ল'ম
যুক্তিৰ কক্ষপথত পুষ্পিত হোৱা
নানা ৰং তুলিকাৰে
পৰিপূৰ্ণ জীৱনৰ সেউজীয়া পোহৰ

**নন্দিতা বৰা**
*স্নাতক ষষ্ঠ যাণ্মাসিক (কলা)*

# অনুভৱ


নিৰৱতাৰে আৰৱা সন্ধিয়াৰ কোমল বতাহজাক
মোৰ অতিকৈ প্ৰিয়
শান্ত পৰিৱেশৰ মাজেৰে
গাত ছাট্ মাৰি ধৰা এই বতাহজাকৰ
মাজত বিচাৰি পাওঁ নিজক
নিৰিবিলি ক্ষণত প্ৰায়ে
সোঁৰৱণিৰ দলিচাখন পাৰি বহি লওঁ
পুৰণা স্মৃতিবোৰৰ মাজত
কিজানিবা পাওঁৰে লুকাই থকা সুখবোৰ বিচাৰি
মিঠা স্মৃতি আৰু মিঠা আবেগৰ
প্ৰতিটো কণাই
মনটোক বৰ আমনি কৰেহি
মোৰ অনুভৱৰ মাজেৰেই
অতীতত বিলীন হোৱাৰ হেঁপাহ জাগে মনত
মনটোকনো ধৰি ৰাখোঁ কেনেকৈ
বৰ্তমানৰ যান্ত্ৰিকতাৰ মাজত নিজকে সুমুৱাই ৰাখি
ভাগৰি পৰা মনটোৱেও বিচাৰে
এবাৰ পুৰণি পৃষ্ঠাবোৰ লুটিয়াবলৈ
পোৱা-নোপোৱাৰ দোমোজাৰ মাজৰেই
এই গতিশীল জীৱন
তাৰ মাজতেই হৃদয়ৰ এক অজান কোণত
পুতি ৰখা হয় মধুৰ
সুখ দুখৰ স্মৃতিবোৰ
হয়তো ইয়ে জীৱন নামৰ এক
অপ্ৰত্যাশিত সত্য।

**ৰিকুমণি বৰা**
*স্নাতক ষষ্ঠ যাণ্মাসিক (কলা)*

# দৃষ্টিভংগী

সুখ মাথো এক অনুভূতি নহয়
কাৰোবাৰ হৃদয়ৰ নিভৃত কোণৰ পৰা
ওলাই অহা এক সাঁচতীয়া সঁচা হাঁহি।
প্ৰেম মাথো এক দুৰ্বলতা নহয়
কাৰোবাৰ সঙ্গত জীৱনটো
ৰঙীনভাৱে উপভোগ কৰাৰ এক কল্পনা।
ক্ষমা মাথো এক ভুলৰ শুধৰণি নহয়
ই কাৰোবাৰ হৃদয়ৰ বিশালতা।
বিশ্বাস মাথো এক সৰলতা নহয়
ই সম্বন্ধ ৰক্ষা কৰাৰ এক আকাংক্ষা।
কৰ্তব্য মাথো এক বোজা নহয়
কাৰোবাৰ বাবে ই জীৱনৰ লক্ষ্য।
আশা মাথো এক লোভ নহয়
কাৰোবাৰ বাবে ই জীয়াই থকাৰ প্ৰেৰণা।
দুখ মাথো এক কষ্টদায়ক অনুভৱ নহয়
পৃথিৱীৰ যান্ত্ৰিকতাৰ এক কঠোৰ বাস্তৱ।


**মানস প্ৰতিম বৰুৱা**
*স্নাতক ষষ্ঠ যাণ্মাসিক (কলা)*



# জীৱনৰ ৰং

কলেজীয়া জীৱনৰ মাদকতা বিচাৰি
চহৰৰ প্ৰান্তত ভৰি থোৱা সেই ছোৱালীজনী
যাৰ মনত আছিল হাজাৰটা হেলাৰঙী সপোনৰ ঢৌ
আৰু জীৱন জয়ৰ প্ৰবল আকাংক্ষা,
যাৰ প্ৰতিটো চিন্তাতেই এসময়ত বিৰাজ কৰিছিল সৰলতাই।
অজানিতে তাই শিকিছিল
মানুহক চিনি নোপোৱাৰ আখৰাবোৰ,
মানুহৰ মৰম আবেগৰ মিছলীয়া অভিনয়বোৰ,
সোমাই পৰিছিল নজনাকৈয়ে
এক গভীৰ মায়াময় বিশ্বাসঘাতকতাৰ ষড়যন্ত্ৰত।
সেই সময়ত তাইও খেলিছিল
প্ৰেমৰ লুকাভাকু,
তাইও অনুভৱ কৰিছিল যৌৱনৰ সুন্দৰতাত
ফুটি উঠা মৰমৰ আস্ফালন।
কিন্তু কেতিয়াও তাই জনা নাছিল
সময়ে দেখুৱাব মৰীচিকাৰ প্ৰকৃত স্বৰূপ।
তাই এতিয়া মৌন,
তাইৰ এই মৌনতাৰ
হুমুনিয়াহবোৰে যেন বুজাই যায়
তাইৰ হৃদয়ৰ অপ্ৰাপ্তিৰ ক্ষোভ,
তাইৰ চকুযুৰিত এতিয়াও যেন লুকাই আছে
হাজাৰটা ওলাব নোৱাৰা অশ্ৰুৰ স্ৰোত,
এতিয়া তাইৰ প্ৰতিটো হাঁহিতেই যেন লুকাই থাকে
সীমাহীন অভিনয়ৰ আৰ্তনাদ।
তাই এতিয়া নিবিচাৰে সুখ, নিবিচাৰে কাৰো সঁহাৰি।
জীৱনৰ ছন্দ পৰি ৰোৱা সময়বোৰত
এতিয়া মাথো বিৰাজমান
এখনি নষ্ট হৃদয় আৰু
অলপমান বাস্তৱতা।

**বনশ্ৰী বৰা**
*স্নাতক ষষ্ঠ যাণ্মাসিক (কলা)*



# সেউজ অসমীয়া

কোনোবা এক যুগত
কোনো এক অজান দেশৰ পৰা অহা
আজিৰ চাহ বাগিচাৰ এইয়া সেউজ অসমীয়া বনুৱা ভাইহঁত
কলিজাৰ কেঁচাঘাম
মাটিত বোৱাই আনন্দৰ সপোন ৰচে,
আশাৰ বোজা কঢ়িয়াই
কিন্তু, সিহঁত বনুৱা
কোনে বুজিব সিহঁতৰ অন্তৰৰ ক্ৰন্দন
সিহঁতৰ প্ৰতি টোপাল ঘামত থাকে
এই অসমীক আদৰাৰ জয়গান,
কৌটিকলীয়া বনুৱাৰ সংস্কৃতিৰ বান্ধোন
ছিঙি পেলাই দি
সিহঁতে আদৰে অসমীৰ সংস্কৃতি
কিন্তু, সিহঁত সদায় বনুৱা
চাহ বাগিচাৰ পাতৰ আঁৰত সিহঁতৰ সপোন
প্ৰত্যেকজনী যৌৱনাপূৰ্ণ গাভৰুৱে
আকাশীলতাৰ দৰেই আৱৰি ৰাখিছে,
চাহগছৰ শোভা।
কিন্তু, সিহঁত সদায় বনুৱা
আমাৰ দুখ লাঘৱ কৰাৰ সপোন বনুৱাৰ
প্ৰকৃতিৰ আৱৰণ পিন্ধাই
চাহ বাগিচাৰ দুৰন্ত কামনাৰে
এই বনুৱাহঁত জীয়াই আছে,
বনুৱাসকলে জীয়াই ৰাখিছে
এজাক পঙ্কিলতা ভৰা ধনৱন্ত মালিকক।
কিন্তু, সিহঁত বনুৱা হৈয়ে আছে
চাহগছৰ শোভা বঢ়োৱা
বাগিচাৰ গাভৰুৱে
অসমী আইৰ নৃত্যৰ তালে তালে আদৰে
জয় আই অসমৰ গৌৰৱেৰে
পুৰণিকলীয়া ক'লা ডাৱৰে আৱৰা
বুৰঞ্জীপ্ৰসিদ্ধ আহোমৰ নিৰ্মম অত্যাচাৰ।
হে মালিকসকল !
তোমালোকে সেই নীতিচাৰ ত্যাগ কৰি
বনুৱাসকলক লোৱা
অসমী আইৰ সন্তানৰ প্ৰতিভাৰে
তোমালোক তেতিয়াহে মুক্ত !
কাৰণ সিহঁত সদায় বনুৱা।
বাগিচাৰ বনুৱাসকলে
সদায়ে আৱৰি ৰাখিছে
আকাশী প্ৰেমলতাৰ দৰে
মালিকসকলৰ গাৰ অংশতে
উন্নতিৰ কামনাৰে।
সেয়ে হ'ব বনুৱা জীয়াই থকাৰ
আশা ভৰষাৰ থল।
সিহঁত জীয়াই থাকিব
সিহঁতক জীয়াই ৰাখিব লাগিব
আমাৰ বাবে
অসমী আইৰ বাবে
সেয়ে হ'ব অসমী সন্তানৰ গৌৰৱ।
কিন্তু হায় ! সিহঁত বনুৱা
সিহঁত অসমীৰ কোলাত জন্ম হোৱা বনুৱা
সিহঁত বনুৱাহে
সিহঁত কুৰি শতিকাৰ সেউজ অসমীয়া
সিহঁত সেউজ বনুৱা নামৰ মানুহ মাত্ৰ।

**ঋতুপৰ্ণ গোস্বামী**
*স্নাতক চতুৰ্থ যাণ্মাসিক (কলা)*

## কলিয়াবৰ কলেজ

কংক্ৰিটৰো থাকে হৃদয়
বিশ্বায়নৰ নতুন ঢৌৱে
কংক্ৰিটক কৰে সবাক

কলিয়াবৰ কলেজ,
সেই সবাক কংক্ৰিটৰে
চিৰন্তন বৈভৱ

ইতিহাসৰ জীৱাশ্মত ফুলি উঠক
অজস্ৰ শব্দময় কুঁহিপাত
ফুলি উঠক হেঁপাহৰ
নন্দন ৰাজ্য

**জাহ্নৱী বৰা**
*স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)*

## জীৱন

জীৱন বুলিবলৈ আছে কেইটিমান মুহূৰ্ত
আছে কিছু মনৰ অনুভূতিও
এধানিমান আশাও আছে
সেই আশা মনত দৃঢ় কৰি লৈ
জীৱনৰ লক্ষ্যলৈ এখোজ দুখোজকৈ আগুৱাই
গৈ আছোঁ আৰু আগুৱাই গৈয়েই থাকিম।
জীৱনৰ ভাললগা কেইটিমান মুৰ্হূতই
মনক উৎকণ্ঠিত কৰি তোলে
সেই উৎকণ্ঠাই মনক পৰম শান্তি দিয়ে।
ভাললগা মুহূৰ্তই জীৱনৰ দুখৰ নিবাৰণ
কৰিবলৈ এক স্মৰণেই যথেষ্ট।
সেই স্মৰণেই মনলৈ আনি দিয়ে
এক সূক্ষ্ম অনুভূতি,
অনুভূতিয়ে প্ৰকাশ কৰে মধুৰ আনন্দ।

**নিৰ্মলা চৌহান**
*স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)*



## বৈধব্য

শুভ্ৰবগা শান্তিৰ শূন্যতাৰ প্ৰতীক
বৈধব্য জীৱনৰ নৈৰাশ্য যৌৱনৰ
আশাৰ অন্তিম প্ৰতীক।
চোতালৰ মাজমজিয়াত এখন বাঁহৰ চাং
এগৰাকী অংগনাৰ প্ৰাণৰো প্ৰাণ
বিলীন হৈ যোৱাৰ হৃদয়স্পৰ্শী ক্ৰন্দন।
যৌৱনক স্পৰ্শ কৰোঁতেই যেন
আশাৰ সকলো ৰেঙণি চুৰমাৰ হৈ গ'ল
ভাগি গ'ল সেই সোণোৱালী ফল্গুধাৰা
ভৱিষ্যতৰ অন্তিম স্বপ্ন।
আশাৰ বন্তিগছিও নুমাই গ'ল।
হয়তো...
অন্তিম তেলৰ বিন্দুও শেষ হ'ল।
আৰু আৰম্ভ হ'ল
এটা বৈধব্য জীৱন
ই জীৱন নহয়, যৌৱনৰ এটা আধৰুৱা অংশ
বগা সাজেৰে ওলাই আহিল,
স্বপ্নদ্ৰষ্টা অংগনা
কেশসজ্জা আউলী বাউলী
চকুৰ তলত ক'লা চামনি
ৰিক্ত দুয়ো হাত
মাত্ৰ থাকি গ'ল,
এটা নৱ উন্মেষিত হ'বলৈ ধৰা
আশাৰ প্ৰদীপ ... ...

**প্ৰত্যাক্ষা শৰ্মা**
*স্নাতক দ্বিতীয় ষাণ্মাসিক (বিজ্ঞান)*

# অসমী আই

অ মোৰ চিৰ চেনেহী
আই মোৰ জননী
তোমাৰ বুকুত আছে
কত যে কাহিনী।
সুজলা সুফলা অসমী
মোৰ আই,
তোমাৰ যে ৰূপৰ
তুলনা নাই।
নানা জাতি নানা ধৰ্ম
আছে তোমাৰ কোলাত,
সকলোকে সাৱটি ৰাখিছা তুমি
আপোন হিয়াত।
তাহানিতেই শুনিছিলো মই
বোলে আহোমৰ পৰা
হৈছে অসম।
অসমী সন্তানে নাযায় যাতে
তোমাক পাহৰি
সেয়ে চাৰিসীমাৰ বান্ধোনেৰে
ৰাখিছা তুমি আৱৰি।
তোমাৰ বাবে কত
বীৰ বীৰাংগনাই
কৰা নাছিল কেতিয়াও
ভয় প্ৰাণৰো
আছেনে বাৰু এতিয়া
আই মোৰ অসমী
তেনে মুক্তিযুজাৰু।
তোমাৰ বুকুৰ মাজেৰে বৈ
গৈছে বৰ লুইত
তেনে এক শোভা দেখি
মন মোৰ হৈ পৰিছে মোহিত।
তোমাৰ মৰমৰ কোলাত
জন্ম লাভৰ সুযোগ
দিয়াৰ বাবে ওৰেটো জীৱন
হৈ থাকিম কৃতজ্ঞ
তোমাক ৰক্ষা কৰাৰ হকে
নাযাওঁ কেতিয়াও পিছুৱাই
কৰিছো আজি এই প্ৰতিজ্ঞা।

**বিটু দাস**
*স্নাতক ষষ্ঠ যাণ্মাসিক (কলা)*

# স্খলন

যাৰ হাতত ধৰি দিবলৈ শিকিলো প্ৰথম খোজ
তেওঁকেই আজি সেই হাতেৰে বৃদ্ধাশ্ৰমত থ'বলৈও শিকিলো
যাৰ মাতত সৰগ দেখিছিলো
তেৱেঁই আজি আমাৰ বাবে হৈ পৰিল আপদীয়া
যাৰ আঙুলিত ধৰি শিক্ষা লৈছিলো
শিক্ষিত হৈ তেওঁকেই অপমান কৰিবলৈও শিকিলো
হয় আমিয়েই সেই আধুনিক যুগৰ
মুখা পৰিহিত শিক্ষিত লোক
আধুনিকতাৰ শিকলি পিন্ধি চিঞৰি ফুৰোঁ
আমি শিক্ষিত সমাজৰ প্ৰতিষ্ঠিত নাগৰিক
পেটৰ তাড়নাত থকাজনক দিবলৈ
ঘৰৰ বৃদ্ধজনক শুশ্ৰূষা কৰিবলৈ আমি অপাৰগ
তথাপিও আমিয়েই আকৌ চিঞৰি চিঞৰি কওঁ
"আজিৰ সমাজত মূল্যবোধ কমি গৈছে"
হয়, আমিয়েই হৈছোঁ আধুনিকতাক বদনাম কৰা
আধুনিক সমাজৰ মুখা পিন্ধা ভদ্ৰলোক।

**নৰকমল মহন্ত**
*স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান)*

# তই তোৰ দৰে

তই মোৰ সদায় প্ৰিয়।
তই কাষত থাকিলে
মোৰ উশাহবোৰ শান্ত হয়।
তোৰ কথাত সৃষ্টি হয়
মোৰ হাজাৰ স্বপ্নৰ আলোড়ন
ভাল লাগে যেতিয়া তই অভিমান কৰ।
প্ৰকৃতিৰ দৰে তই সপোনবোৰক
বৰষুণ কৰি সিঁচিব জান।
জাননে তই
তোৰ বাবেই মোৰ এই কবিতা?
ব্যস্ত পৃথিৱীখনত
নষ্ট লৰাৰ স্পষ্ট চিঞৰ.
"তই সদায় ধুনীয়া।"
সেয়েহে কওঁ তইজনী
বেলেগতকৈ অলপ বেলেগ।

**প্লাৱন বৰা**
*স্নাতক প্ৰথম যাণ্মাসিক (কলা)*

# আঁৰৰ কথা

(১)
কলেজ বৃন্দাবনত আজি
তাইক বিচাৰি নাপালো।
নাপালো বিচাৰি
কলঙৰ নিৰ্দিষ্ট ঠাইকণত
অথবা
ৰেষ্টোৰাঁ এন্ডোৰাৰ কৰ্ণাৰ ছিটত
সন্মুখৰে পাৰ হৈ যোৱা চিটিবাছত
ভুমুকিয়াই ভুমুকিয়াই
আজি মই চহৰখনৰ বাবে
নতুন এটি প্ৰেমিক চৰাই।

(২)
উশাহ বৈ যায়
তাইৰ কেঁকুৰিত।
তাই অবিহনে যেন
মই জীৱন্ত মৰাশ।
অথচ নিমিলে
তাইৰবোৰ, মোৰবোৰ।
তাই কবিতা ভাল পায়,
মই কৰোঁ অপলাপ।
তাই আওৰাই জীৱনৰ প্ৰতিপাদ্য,
মই ধোঁৱাত উদ্‌যাপন কৰোঁ
বিষাদৰ শ্ৰাদ্ধ।

(৩)
ইমানৰ পিছতো
মই তাইৰ সাহসতেই
চিঞৰো,
"জীৱন তোক ভালপাওঁ"।
তাই যে মোৰ
জীয়া ভগৱান ... ...


**নিশিকেশ ভূঞা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*




# আত্মকথা

উশাহ মই হেৰুওৱা নাই
হেৰুওৱা নাই মোৰ অস্তিত্ব।
আইৰ কোলা বাগৰি
পাহৰা নাই,
মই কি?
মোৰ কি?
অথবা পাহৰা নাই
শংকৰ কিম্বা মাধৱৰ
বিস্তৃত জীৱনাদৰ্শ।
আইৰ মুখ শুনিছিলো,
নিতৌ হাজিৰা কৰিবলৈ
ওলাই যোৱা পিতাই
৮৩ৰ বেত্ৰাঘাতত
বগা কাপোৰ মেৰিয়াই
চোতালত শুই পৰাৰ কথা।
তথাপিও,
হোৱাংহো নদীৰ দৰেই
মনে সকলো উটুৱাই নিয়ে
ক্ষণে ক্ষণে।
সেয়ে,
আইৰ চকুলো মচিবলৈ
ভৱিষ্যৎ বিচাৰি
এই যে যাত্ৰা
অসীমলৈ ....


**ঋতুৰাজ ভূঞা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*

# তোমাকেই আশ্ৰয় কৰি


৫০ বছৰীয়া হৈ আজি
তুমি আলোকৰে পৰিপূৰ্ণ হ'লা
কলিয়াবৰ মহাবিদ্যালয়,
কলিয়াবৰৰ চৌদিশে জ্ঞানৰ পোহৰ বিলাই
সময়ৰ সেউজীয়া সুৰত
তুমি মহান হ'লা।

তোমাৰ সাহস বুকুত লৈ
উৰি যায় পাখি মেলি দূৰ দিগন্তলৈ
আমাৰ হেজাৰ সপোন
তোমাকেই আশ্ৰয় কৰি
গজি উঠে বুকুৰ নিৰলত
আগবাঢ়ি যোৱাৰ নতুন সংকল্প

আবদ্ধ হৈ ৰ'ব আমাৰ এই
ক্ষণিকৰ সময়বোৰ
পঞ্চাশ বছৰ গৰকা
দিনাংকৰ শিলালিপিত

আজিৰ এই শুভক্ষণত যাচিছো প্ৰণাম
জয়তু কলিয়াবৰ মহাবিদ্যালয়,
তোমাৰ আশিস লৈ আমি আগুৱাম।

**লনী আহোম**
*স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)*



# বৰষুণ

মেঘৰ কামিজটো পিন্ধি
বিজুলী হাঁহিটোৰে সৈতে
বৰষুণজাক
সুগন্ধি এটা কবিতা
ডাৱৰৰ ভাঁজে ভাঁজে লুকাই থকা
স্বৰ্গীয় ঐশ্বৰ্য

বৰষুণ তাইৰ হৃদয়ত গজা
এটি চিৰসেউজ গান।
মই ঈৰ্ষা কৰোঁ বৰষুণক,
অনুমতি অবিহনেই
সিহঁতে স্পৰ্শ কৰি যায় তাইক
যেন সেয়া সিহঁতৰ
গণতান্ত্ৰিক অধিকাৰ ... ...

**হিমাংশু বৰা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*

# সোঁৱৰণি

ক'ত হেৰাল
মোৰ সোঁৱৰণীৰ ১৮টা বসন্ত?
মই ভালপোৱা পথাৰখন
অথবা,
মোৰ পদূলিয়েদি ঢাপলি মেলা
দামুৰিজাক।
সপোনৰ মোৰবোৰ এতিয়া
মোৰ নহয়,
দোমোজাৰ কথাবিলাক
জটিল সমীকৰণ।
মানি বেগৰ
গান্ধী কাগজৰ অভাৱত
মই যেন এটা
বিৰাট প্ৰশ্ন ... ...

**ৰিকি মণ্ডল**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*



## বৰষুণ

মোৰ হেঁপাহৰ বৰষুণজাক
আহচোন আকৌ এবাৰ,
তোৰ অমৃতেৰে ভৰাই তোলহি
শতজনৰ সপোন সেউজীয়া পথাৰ।

পৰে কেতিয়াবা মনত
অতীত অতীত লগা
সেই সুমধুৰ ক্ষণবোৰলৈ,
শাওণৰ পথাৰত একেলগে তিতা
ভৰ দুপৰীয়া দিনবোৰলৈ।।

আজিও মনত আছে জানা
একেলগে বুলাই দিয়া,
সপোনৰ কঠীয়া

বৰষুণত পথাৰখন চোৱানা
বহুগুণে ধুনীয়া।

**ডিম্পী মহন**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*

## বন্ধুত্বৰ এনাজৰী

মনতো সেইখিনি সময়লে ঢাপলি মেলি হয়তো
মধুকৰৰ দৰে বিচাৰি ফুৰে
স্মৃতিৰূপে ৰৈ যোৱা
ক্ষণবোৰ।

স্মৃতিয়ে ৰিঙিয়াই....
এৰি অহা কোনোবা এটি মুহূৰ্তই
এৰি অহা কিছুমান সময়ে।

মোৰ হৃদয়ৰ মণিকোঠাত সজাই ৰাখিম
বন্ধুত্বৰ আপোনত্বৰ আলিংগনবোৰ
মই জীয়াই ৰাখিম স্মৃতিপটত।

মই সঞ্চিত কৰি ৰাখিম এৰি অহা দিনৰ
সুবাসিত সান্নিধ্যবোৰ
স্মৃতিৰ দিনলিপিত।

চিৰস্মৰণীয় কৰি ৰাখিম বন্ধুত্বৰ
এনাজৰীডাল
স্মৃতিৰ জোলোঙা বুকুত বান্ধি

মনত এসাগৰ আশা লৈ
মনৰ মাজত অযুত সপোন লৈ
সকলোৱে আগবাঢ়ি যাম জীৱন পথৰ
সন্ধানত...।

এদিন লগ পাম একো একোজন
ব্যস্ত নাগৰিক হিচাপে।

সেই সময়ত মনৰ মাজত হেন্দোলনি তুলিব
স্মৃতিৰ জোলোঙাই
প্ৰতিধ্বনিত হ'ব মনৰ মাজত কলেজীয়া দিনৰ
বহুতো স্মৃতি

**প্ৰীতম জ্যোতি শইকীয়া**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*

# জুই

অৰাজকতাৰ পৰিৱেশ কেউদিশে
জাতি মাটিৰ সংজ্ঞা আৰু গণতন্ত্ৰৰ ৰখীয়া
পোৱাই নোপোৱাই হিংসা
আৰু অকল্পনীয় বাসনা
এইবোৰেই বাস্তৱ আজি
ৰাজকীয় ভেটি আৰু আমিবোৰ তাৰ অন্ধ সাক্ষী।

"এই জুই জ্বলিছে, জলিবই" নিচিনা কথাবোৰ
কোনোবাখিনিত অনৰ্থক
ফলাফল হীন,
খিলঞ্জীয়াৰ অস্তিত্ব আজি ধোঁৱাচাঙৰ এলান্ধু,
জুই মাথো আমাৰ জ্বলিছে
ৰখীয়া এতিয়া মাথো প্ৰতিমূৰ্ত্তি
সকলোবোৰ ৰাজনীতি।

বিধেয়ক নে বিধায়ক?
তাতো সন্দেহ কেতবোৰৰ
মাথো আন্দোলনত একেই মানুহ
আৰু শ্ল'গান বিধেয়ক বাতিল কৰক
আকৌ সেই একেই ফলাফল অস্তিত্বহীন।

কথাবোৰ অকথ্য যদিও অত্যুক্তি নহয়,
জুই নুমাই ছাই হ'ল
এতিয়া জ্বলিছে আমাৰ
বিধেয়ক নে বিধায়ক?
তাতো সন্দেহ।

মুঠতে জ্বলাব লাগে জ্বলিছে
ফলাফল অৰ্থহীন শূন্য

**ভাস্কৰ জ্যোতি ফুকন**
*স্নাতক ষষ্ঠ ষাণ্মাসিক (বণিজ্য)*

# তেজাল কবিতা

বৰ্তমান মানেই যেন
এক নিৰাপত্তাহীনতা
কেঁচা তেজৰ বন্যাত উটি যায়
বহুতো তেজাল কবিতা

এতিয়া প্ৰতিটো নিশাই ৰক্তাক্ত
নঙলা মুখত
বাৰুদৰ শব্দত

মাটিৰ মানুহবোৰ নিথৰ হ'ল
কালৰাত্ৰিৰ বুকুত
ধৰ্ষিতা উজাগৰীয়ে
উচুপি উচুপি কান্দে
অনিশ্চয়তাত
জীৱনৰ মানচিত্ৰবোৰ
খণ্ডিত চিত্ৰ হৈ
প্ৰহেলিকাময় হয়

একবিংশ শতিকাৰ সভ্যতা
এয়াই কি তোমাৰ নিদৰ্শন?
যুগৰ বুকুত নগ্নতাক শিখৰত তুলি
ধ্বংসৰ প্ৰলয় মাথো
মাতিছা ধৰালৈ
ৰক্তাক্ত কৰিছা ধৰণী।

**ৰিতুপৰ্ণা দাস**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)*





# কলিয়াবৰ মহাবিদ্যালয়

কলিয়াবৰ মহাবিদ্যালয়
তোমাক নমস্কাৰ
১৯৬৯ চনৰ এটি শুভক্ষণত
বহুজনৰ কষ্ট আৰু প্ৰচেষ্টাত
জন্ম লভিলা তুমি
তোমাৰ মাজতেই বিচাৰি পালো
বিভিন্ন জ্ঞানৰ ছবি।
তাহানিৰে পৰা আহিছা বিলাই
জ্ঞান বিজ্ঞান জ্যোতি
ভৱিষ্যতেই তুমি বিলাই এনেকৈ
ৰাখিবা নিজৰ কীৰ্তি।

**ৰাহুল দাস**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)*

# স্কুটি

বহুদিনৰ সপোন আছিল
এখন স্কুটি কিনাৰ,
ধন লৈ গ'লো মই
ছেকেণ্ড হেণ্ড ডিলাৰলৈ।
চেলছমেনে ক'লে কম বেছি
দামতে ইয়াত যাবা পাই স্কুটি।
ভিতৰলৈ আহা সোমাই ধুমধামেৰে
ভেচপা স্কুটিৰ আছিল লাইন লাগি
চকুত পৰিল এখন
পুৰণা মডেলৰ স্কুটি।
বিচৰামতেই তাত আছিল সকলো,
দাম দৰ কৰি মই স্কুটিত
বহি ডিলাৰৰ কাঁচ ভাঙি
আনন্দতে ওলাই আহিলো।
লগে লগে ডিলাৰ পিছ পৰিল
মোৰ সপোন আগবাঢ়িল।
যিবোৰ বন্ধু মোৰ পুৰণা
সিহঁতে চাইকেলখনক ভেঙুচালি কৰিলে
জঁপিয়াই পৰিল মোৰ স্কুটিৰ সন্মুখত।
বেটেৰীৰে চলা মোৰ স্কুটিত আছিল
সোণালী হেণ্ডেল আৰু ৰূপালী গ্লাছ
চিটটো আছিল বহু পুৰণি লেদাৰৰ
অড'মিটাৰটোও যথেষ্ট নবীন ধৰণৰ।
প্ৰমাণ হ'ল আজি
সোণৰ চামুচ মুখত লৈ
জন্ম হোৱা সকলেই কেৱল
জীৱনত আনন্দ-ৰং কৰিব নোৱাৰে।
সাধাৰণ ঘৰৰ আমিও
জিনিব পাৰো বিশ্বখনক।
বন্ধুৰ প্ৰেমিকাবোৰে চাই
থাকিল ভেবা লাগি।
বন্ধুবোৰেও ঈৰ্ষাত জ্বলি-পুৰি মৰিল,
খণ্ডৰ কোবত মোক দেখি
নিজৰ কাপোৰযোৰকেই ফালিলে।
সপোন ফলিয়ালে
ফলিয়ালে মোৰ বাস্তৱত,
নাথাকো এতিয়া কাৰোৰে পাছত
সপোন ... ... ...।

**আলেক্স কুমাৰ**
*স্নাতক প্ৰথম যাণ্মাসিক (বাণিজ্য)*

# মোৰ মৰমৰ প্ৰেয়সী

অ’ মোৰ লগৰী
তুমি মোৰ সপোন সুন্দৰী
কতনো বিচাৰি তোমাক পাম
থাকো মই য’তে ত’তে তোমাকে বিচাৰি
থাকা তুমি সদায়ে মোৰ আশে-পাশে ঘূৰি
মই কিন্তু কিয় তোমাক চিনিব নোৱাৰো
কতনো ভুল মোৰ
মোৰ মনৰ বেদনা কোনেনো বুজি পায়
মই যদি তোমাক এবাৰ বিচাৰি পাওঁ
নিদিম মই কেতিয়াও হেৰাবলৈ তোমাক
যদি তুমি যোৱা এবাৰ হেৰাই
যাব মোৰ চিৰদিনলৈ কলিজা শুকায়।

**দীপক বিশ্বাস**
*স্নাতক পঞ্চম যাণ্মাসিক (কলা)*

# মানুহৰ মনবোৰ

গছৰ পাতবোৰ যিদৰে সেউজীয়া
মানুহৰ মনবোৰো সেইদৰে সেউজীয়া
কিন্তু আজি সেইদিন হেৰাই গ’ল,
ক’ত লুকাই গ’ল সেইদিনবোৰ
সঁচাকৈয়ে বিচাৰি নোপোৱা হ’লো।

মানুহৰ মনবোৰ যেন
শুকান পাতৰ দৰে হৈ পৰিল
জানো সেই বৰষুণজাক কেতিয়া আহিব
আৰু কেতিয়া মানুহৰ মনবোৰ
সেউজীয়া হ’ব,
মই সেই দিনটোলৈকে বাট চাই আছোঁ।

আৰু সদায় বাট চাই থাকিম
সেই মনোমোহা দিনবোৰৰ বাবে,
যিদিনা মানুহৰ মনবোৰ চিৰসেউজীয়া
গছৰ পাতবোৰৰ দৰে হৈ পৰিব।

**বিস্মিতা দাস**
*উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা)*


# নাৰী তুমি অন্যন্যা

বুকুত ঢকিয়াই কান্দি কান্দি আনৰ
কুৎচিৎ কথা শুনিছিল।
তথাপিও তাই ভাঙি পৰা নাছিল
পেটৰ তাড়নাত দুবেলাৰ সাজৰ বাবে
আনৰ ঘৰত কষ্ট কৰিবলৈ গৈছিল,
তথাপিও সন্তানটিক ভোকত থোৱা নাছিল।
কিয়নো তাই এজনী মাতৃ (নাৰী) আছিল।

নাৰী তুমি অৰ্ধ আকাশ, নাৰী তুমি অনন্যা
মৰম নামৰ শব্দৰ তুমিয়েই উৎস
কিন্তু কিয় নাৰীয়েই নাৰীৰ শত্ৰু।
বেয়া লাগে তেতিয়া সেইবোৰ দৃশ্য দেখি
বেয়া লাগে তেতিয়া এজনী নাৰী হৈ
আনজনী নাৰীৰ দুখবোৰ নুবুজে।

**ৰূপশিখা কছাৰী**
*স্নাতক তৃতীয় যাণ্মাসিক (কলা)*





# কেপি

এই ধৰা, তুমি অকলে আছা
ভীষণ অস্বস্তিত কটাইছা সময়
উদ্বিগ্নতাই তোমাক কৈছে—
এটা কেপি পোৱা হ'লে।

পৰীক্ষা,
উত্তৰ বহীৰ উকা পাতত বিষণ্ণ মন
পৰীক্ষা হলৰ পৰা ওলাই
কলেজৰ দীঘল কৰিডৰটোৰে অলস খোজ
সেই খোজ তোমাৰ শেষ হয় ৰমেনৰ দোকানত—
ৰমেন দা, এটা কেপি দিয়ক।

লাইন বাছত তোমাৰ যাত্ৰা
কাষৰ সহযাত্ৰীৰ সৈতে দুই এক কথা-বাৰ্তা
মাজে মাজে খিৰিকিৰে নিৰলস দৃষ্টি
উচ্ছলতা নাই তোমাৰ মনত
কাৰণ তোমাৰ পকেটত নাই
কেপি এটা

বন্ধু, মোৰো তেনে হয়
যেতিয়া বৰ নিসঙ্গতা অনুভৱ কৰোঁ
মনত পৰে কেপিলৈ
যেতিয়া মনটো অৱসাদে ঘেৰি ধৰে
মনত পৰে কেপিলৈ
যেতিয়া হিয়াই উচ্ছলতা হেৰুৱাই
মনত পৰে কেপিলৈ
বন্ধু, মোৰ কেপি কবিতা পাটৰলৈ।

**দিগন্ত তামুলী**
*স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)*

# কুকুৰৰ স্বীকাৰোক্তি

মালিক,
যোৱা ৰাতি আপোনাৰ ঘৰত চোৰ সোমাইছিল
পহৰাদাৰীত আছিলো মই, টমি আৰু নাথৰ ঘৰৰ ভলুকা

চোৰ যেতিয়া চোতালত
প্ৰতিহত কৰাৰ আমি আপ্ৰাণ চেষ্টা কৰিছিলো
আপোনাক জগাবলৈ ৰাউচি জুৰিছিলো
আপুনি সাৰ নাপালে
ভাগৰুৱা দেহাৰ জুৰণি চিকুণ টোপনিৰ পৰা

চোৰে আমালৈ আনিছিল মোলোকাই বেজৰ মন্ত্ৰপুতঃ লালি
আমি খাইছিলো আৰু নিমিষতে অনুগত হৈ পৰিছিলো সিহঁতৰ
পাহৰি পেলাইছিলো আপোনাৰ আমাৰ ওপৰত থকা অগাধ বিশ্বাস

চোৰে যেতিয়া সিন্ধি খান্দিছিল
আমি নেজ জোকাৰি চাই আছিলো সিহঁতৰ মুখলৈ
আৰু পোৱাৰ আশাত
চোৰ যেতিয়া আপোনাৰ ঘৰৰ ভিতৰত
আমি চোতালত ইটোৱে সিটোৰ মুখ চেলেকিছিলো পৰিতৃপ্তিত

চোৰে লৈ গ'ল
আপুনি ঘামৰ বিনিময়ত অৰ্জন কৰা সকলো সম্পদ
মালিকনীৰ ডিঙিৰ কাণৰ হাতৰ সকলো
সোণমণি মাজনীৰ সামৰণ চোলা কেইটা

সিহঁতে নিঃস্ব কৰি গ'ল আপোনাক
জানো, ইয়াৰ ববে দায়ী আমি আমাৰ লোভ
কালিলৈও আহিব পাৰে চোৰ আপোনাৰ ঘৰলৈ
আমালৈও আনিব পাৰে মিঠা লালি

মালিক, জাগি শুব
জানেইতো আমাৰ সন্তুষ্টিৰ সীমা

**পবিত্ৰ হাজৰিকা**
*প্ৰাক্তন ছাত্ৰ*

# বহাগ আৰু অন্যান্য

(১)

বৰদৈচিলাজনীৰ আঁচলত খামুচি
শুই পৰা নিথৰ ৰাতি এটাত
ব'হাগ আহো বুলিয়েই আহিল।
তগৰৰ সুৱাসত
নিশাটোতেই সুগন্ধি পৃথিৱী।
আঁহতজোপাৰ ডালত বহি
কুলিজনীও ব'হাগৰ প্ৰেমত মচগুল।

(২)

পাহাৰৰ সিপাৰৰ গাঁওখনত এইবেলি বিহু নাই
সোৱণশিৰিয়েদি বাগৰি যোৱা ঢলৰ পিছতেই
কলেৰাত জীয়াতু ভুগি নোহোৰা হৈ গ'ল
সোণপাহি, মালতী আৰু বহুতো ... ...

(৩)

ধনৰে বহাগৰ ৰঙৰ দৰ-দাম কৰাত ব্যস্ত
চহৰৰ ৰিটু পিটুহঁত
সিহঁতৰ বিশ্বাস ধন থাকিলেই
একমাত্ৰ ৰঙেই নহয়
সিহঁতে কিনিব পাৰে সিহঁতৰ ভৱিষ্যৎ।
বহাগ বুলিলেই খোল খাই
সিহঁতৰ ভাগ্যৰ দুৱাৰ।
সিহঁতৰ কষ্টৰ ফলতেই
আজি-কালি বিহুত বিহুনাম নাবাজে,
হিন্দী, ইংৰাজী গীতৰ সমাহাৰৰে
বিহুমঞ্চ উখল-মাখল।

(৪)

ইমানৰ পিছতো
ব'হাগ কিন্তু অসমীয়াৰ স্বাভিমান।
ধনী-দুখীয়া নিৰ্বিশেষে
হাতত জেতুকা বোলাই
বিহুতলীত ষোড়শী গাভৰুৰ কঁকালে নাচে।
কাৰণ,
সহজ অথচ গভীৰতাৰে
সকলোৰে বিশ্বাস কৰে
বহাগ মানেই অসমীয়া,
বহাগ মানেই অসম।

**ৰিদিপ কুমাৰ বৰা**
*স্নাতক চতুৰ্থ যাণ্মাসিক (কলা)*

# ওমলিব নাপালো

সৰুতে মোমাইৰ ঘৰলৈ গৈছিলো
সেউতী মালতী জবা বকুল ধন সোণ বাবু গকুল
চুবাটোৰ আটায়ে ওমলিছিলো মামাহঁতৰ বহল চোতালত।
সন্ধ্যা পৰত আইতাৰ পৰিধিত বহি সাধু শুনিছিলো
পৰীৰ দেশ এখনত উৰি ফুৰিছিলো ওৰেটো ৰাতি।

সেয়া এতিয়া সোঁৱৰণি।
দেউতাৰ বদলি সূত্ৰে ভৰি দিছিলো এই কংক্ৰিটৰ পৃথিৱীত
ওখ ওখ অট্টালিকা আৰু পকী পথবোৰৰ দৰে
ইয়াত মানুহবোৰো শিলেৰে গঢ়া।
প্ৰথমতে আহিয়েই মাক ৰবকৈ আমনি কৰিছিলো—
চোৰা মা, ইমনে মোৰ স'তে নেখেলে,
অলি বায়ো নেখেলে মোৰ স'তে।

দেউতাৰ পদৱীৰ জোখাৰে এখন নামী স্কুলৰ ছাত্ৰী হ'লো মই ইয়াত
বিৰতিৰ পৰত লগৰীয়া হ'ল ডৰিমন নবিদা নিন্‌জা ......
হাঁহি হৈ পৰ্দাত জিলিকিল মিকি মাউচৰ কাৰ্টুন ছবি
ভিডিঅ' গেমৰ কীত হ'ল মোৰ আঙুলিৰ কচৰৎ
ল'ৰালিৰ মধুৰ সময়বোৰ এখন কেলেণ্ডাৰ হ'ল
কোঠা এটাৰ সীমনাতে আবদ্ধ হ'ল মোৰ পৃথিৱী।

কেটেপা সাজি চৰাই হুৰাই মই বৰ ভাল পাইছিলো,
ভাল পাইছিলো দুয়োটা হাতে আলফুলকৈ ধৰিবলৈ পখিলাৰ ৰংবোৰ,
ভাল পাইছিলো চিলা এখনৰ পিছে পিছে দৌৰি ফুৰিবলৈ,
ভাল পাইছিলো মাৰ্বল গুটিৰ যুঁজ আৰু বাবলুহঁতৰ নিৰ্দোষ কাজিয়াবোৰ।
বৰ মন যায় মামাহঁতৰ ঘৰলৈ যাবলৈ আকৌ
বহল চোতালখনত সোণ বাবুহঁতৰ সৈতে খেলিবলৈ,
কলঙত নৰেন প্ৰমোদহঁতৰ সৈতে সাঁতুৰিবলৈ।

ওমলিব নাপালো
ওমলিব পোৱা হ'লে মই সেউতী হ'লো হয়
ওমলিব পোৱা হ'লে মই চৰাই হ'লো হয়
ওমলিব পোৱা হ'লে মই মানুহ হ'লো হয়

ইয়াত কোনো মানুহ নহয় ময়ো মানুহ নহয় একোটা ৰবট
SONATA ঘড়ীৰ তিনিডাল কাঁটাত বন্ধা আমাৰ সময়।

**সাগৰিকা বৰা**
*স্নাতক দ্বিতীয় যাণ্মাসিক (কলা)*

## THE FACT IS THAT, I CAN'T ACT

Apart in solitude,joy i found
Amidst the purple nature blooming..
evertything is variety striked.

But in my sub-conscious state
I find being happy with you.
Thus,I consolate..
Beauty vanishes, so did this few.

Circumstances are not the same at all times
Even what Iam talking plesures of now
Will disappear soon,following..
The only thing constant,will knock.

After a summer and a winter's experience
I have learnt not to anticipate and live happy..
As the fact is that,I can't act..
And hopefully,winter is here now can
Spring be far back

**Rishika Borah**
*TDC 6th Sem (Arts)*

## নিয়তি

বুকুয়েদি পাৰ হৈ গ'ল লুইতৰ কেইবাটাও বান
তথাপি পিতাই মোৰ জী নুঠিল।
উকা কপাল, বগা সাজযোৰৰে আই তেনেকৈয়ে ৰ'ল।
কণমাণি ভনীজনীয়ে আজিও মোক সোধে—
যোৱা বাটেৰে পিতাই আহিবনে ঘূৰি?
কেনেকৈনো কওঁ তাইক
যি বাটেৰে গুচি গ'ল পিতাই
উলটি অহাৰ পথ যে চিৰৰুদ্ধ।
চাওঁতে চাওঁতেচোন তাইয়ো বৰেজনী হৈ পৰিল,
তথাপি তাই পিতাইৰ কথা সোধে—
দাদা, ঘূৰি আহিবনে পিতাই?

নীৰৱ মই !
কাৰণ তাইৰ এই প্ৰশ্নটোৰ উত্তৰ
মোৰ ওচৰত যে নাই।
উকা কপাল বগা সাজযোৰে আইকো নিবুকা কৰিলে
উপায়হীন মই।
নিয়তিৰ এই আকস্মিক সিদ্ধান্তত।

**মৃন্ময় বৰা**
*স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)*



## জলছবি

দিহিঙৰ এইপাৰে মই
সিপাৰে হেল'জেন, চিএফএলৰ পোহৰ নেদেখা
এহেজাৰ জনতা।

বাৰিষা আহিছে
আজি দিহিঙে চকুলো টুকিব,
কালিলৈ দিহিঙে পাৰ ভাঙি আহিব,
পৰহিলৈ দিহিং আউলী-বাউলী হৈ পৰিব,
ঠিক বৰদৈচিলাই চুই যোৱা
তামোলজোপাৰ দৰে।

আজি ইপাৰ-সিপাৰ নাই
মই আৰু হেল'জেনৰ পোহৰ নেদেখা এহেজাৰজনে
একেলগে পানীৰ মাজত কক্‌বকাম,
একেলগে চাই ৰ'ম
গোহালি এৰি থৈ গৰু-ছাগলীবোৰ
উটি যোৱাৰ ছবি।
একেলগে উপভোগ কৰিম
দিহিঙৰ সংহাৰী ৰূপৰ
ব্লেক এণ্ড হোৱাইট চিনেমাখন।
একেলগে চিৰা আৰু বিস্কুটৰে সকাহ দিম উদৰৰ বনজুইকুৰাক,
একেলগে আকাশত হেলিকপ্টাৰ উৰিব
দুয়োপাৰে আশাৰে চাই ৰ'ম
হেলিকপ্টাৰ নমাৰ ছবিখনি।

**ঝৰ্ণা গোস্বামী**
*স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)*

# পূজনীয় আইলৈ

মৰমৰ আই
মৰম ল'বি।
বহুত দিন হ'ল
তোৰ খবৰেই পোৱা নাই,
সেয়ে আজি তোলৈ বুলি একলম
লিখিবলৈ বহিলো অ' আই।

আই অ'
তই যে সৰুতে মোক
কষ্ট পাম পাম বুলি
একোকে কৰিবলৈ দিয়া নাছিলি
এতিয়া মই সকলো কৰিব পাৰো
ঠাই সৰাৰ পৰা
ছাৰ বাইদেউহঁতৰ পিন্ধা কাপোৰবোৰ ধোৱালৈকে
ভাত বনোৱা, বাচন ধোৱা সকলো

জান আই
ইয়াত মোৰ কষ্টৰ লগৰী
কোনোৱেই নাই,
কোনোৱেই নাই মোৰ
সুখ-দুখৰো সমভাগী।
আছে কেৱল
অভিজাত্যৰ মালা পিন্ধা
ছাই বাইদেউ আৰু তেওঁলোকৰ
গাত ৰ'দ নপৰা দুলাল-দুলালী।

জান আই,
ইয়াত সদায় অশ্লীল গালি-গালাজবোৰ শুনি শুনি
মই পাহৰিয়ে পেলালো
মৰমৰ এষাৰ মাতনো কি।
পিতাই নথকাৰ বাবেইতো
এদিন মই পঢ়া সামৰি
ঘৰৰ বোজা মূৰত লৈ
আহিব লগা হ'ল লোকৰ ঘৰত
খাটিবলৈ গেবাৰি।

কিন্তু আই,
ভাইটি আৰু ভন্টিক তই কেতিয়াও নিদিবি
লোকৰ ঘৰত হ'বলৈ চাকৰ-চাকৰণী।

এইবাৰ মোৰ দৰমহাৰ টকাকেইটাৰে
সিহঁতক এখন ভাল স্কুলত নাম লগাই দিবি
আৰু বাকীকিটা টকাৰে
তই এযোৰ নতুন সাজ কিনিবি।
মোৰ কথা বেছি চিন্তা কৰি নাথাকিবি
সুখেইতো বিচাৰি ফুৰিছো
দুখৰ মাজেৰে লৰি-ঢাপৰি।

জান আই,
সৰুতে চুমাৰে তই বুলাই থোৱা
তোৰ মৰমী কণমানিজনীৰ
কোমল হাতদুখনি আজি আৰু
কোমল হৈ থকা নাই।

আই অ'
কেতিয়াবা বুকুখন বেজাৰতে
বৰকৈ বিষায়,
তোক এবাৰ চাবলৈ
বৰকৈ মন যায় অ'।
কিন্তু কি কৰিবি
উপায়ো যে নাই,
নগৰৰ চাকৰিৰ ছুটীয়ে নাপায়।
মোৰ এদিন ক্ষতি হ'লেই
ছাৰ-বাইদেউহঁতৰ বৰ কষ্ট হয়

আই অ',
পিতাইৰ যে সপোন আছিল
এখন হেপাঁহৰ ঘৰ সজাৰ
আমি ডাঙৰ মানুহ হোৱাৰ,
পিতাই আৰু তোৰ আশাবোৰ
মই পূৰণ কৰিম আই
মাথো ভাইটি আৰু ভন্টিক লোকৰ ঘৰত
গেবাৰি খাটিবলৈ নপঠিয়াবি আই,
সিহঁতক স্কুললৈ পঠিয়াবি
ডাঙৰ মানুহ কৰিবি।

শেষত আজিলৈ সামৰো আই
অ' মোৰ আজলী আই
তোৰ আৰু পিতাইৰ সপোন
মই পূৰণ কৰিম আই
দুখৰ হুমুনিয়াহবোৰ আঁতৰাই
সুখৰ চাকিটি জ্বলাই
অ' আই
সুখৰ চাকিটি জ্বলাই।

**জ্যোতিশিখা বৰা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*



# জোনগলা ৰাতিৰ আলাপ

জোনাক সৰা ৰাতি
শেৱালিবোৰে নিয়ৰৰে কৰে মধুৰ আলিংগন
কুঁৱলীবোৰে ভিজা ভিজা ঝিলৰ পাৰত বহি
আৰম্ভ কৰে নিঃশব্দতাৰ কথকতা
আৰু নিলাজৰ দৰে চাই ৰয়
জোনাকৰ স্নান

জোন গলা ৰাতি
অচিন গলিৰ বিকল ষ্ট্ৰিট লাইটবোৰে
নীৰৱে মাৰে এটি সকাহৰ হাঁহি
আৰু চাই ৰয়
ৰূপালী জোনত বিভোৰ হৈ গমন কৰা
ৰূপহীজনীৰ নিৰ্ভয় প্ৰতিচ্ছবি

জোনাকসৰা মায়াৱী ৰাতি
বিচ্ছিন্ন কোনো পখীয়ে
বিজুলী তাঁৰত বহি মনত পেলায়
ৰূপালী হৈ পৰা চিনাকী বাঁহলৈ
নাৰিকল গছৰ কাঁচিয়লি পাতত
জোনাক পুওৱা ৰাতিলৈ।


জোনগলা ৰাতি চি.এফ.এলবোৰেও
মূৰ তল কৰি চাই ৰয়
দূৰৈৰ কৃত্ৰিম পোহৰহীন
ৰূপালী নিমাতী ঘাটলৈ।

**ঝুণা গোস্বামী**
*স্নাতক দ্বিতীয় যাণ্মাসিক (কলা)*

# The English Language

The English Language is very strange
There are conventions we cannot change
The plural of box, we say boxes
But ox is Oxen, never oxes
The plural of mouse becomes 'mice'
But house never becomes 'hice'
The plural of man we say 'men'
Why should not the plural of pan be 'pen'?
Many a brothers we call 'bretherr' but
Many a father is not 'fatherr'
So English, I say, you all will agree
to be the funniest language you ever did see.

**Bharat Bhushan Saikia**
*T.D.C 6th Sem (Arts)*



# If i could go back again

If i could go back again
Will there be someone waiting
To forgive my sins?
The bewildered spring won't be there anymore
To listen to me
My idyllice mind is no longer craving
All i see is a beauty of solitude.
Oh ! almighty if i go back again
Will you ne there to forget my sins?
Oh the good souls
Will you remember my sins?
Or will i stay in your memories?

**Sibani Borah**
*TDC 4th Sem (Science)*





# কথাশিল্প




# হেৰাই যোৱা ৰং

ৰিতুৰাজ শইকীয়া
*স্নাতক দ্বিতীয় ষাণ্মাসিক (বাণিজ্য)*

আজি দেওবাৰ। ৰাতি ভালকৈ টোপনি অহা নাছিল। মনটোও ভাল লাগি থকা নাছিল। কিন্তু এটা কথাৰ কাৰণে মনত আনন্দও লাগিছিল— বহুদিনৰ মূৰত আজি নিজ কৰ্তব্যস্থলীৰ পৰা ঘৰলৈ ৰাওনা হ'ম। হেঁপাহৰ ঘৰখনলৈ যোৱাৰ আনন্দই বেলেগ। তাতে মোৰ ভাল লাগে চিৰ চেনেহী অসমীৰ প্ৰকৃতিৰ অমিয়া সৌন্দৰ্য। এই সৌন্দৰ্য উপভোগ কৰাৰ মোৰ বুকুত যে কিমান হেঁপাহ!

ৰাতিপুৱা ৯ মান বাজিছে। সোনকালে গা-পা ধুই ব্ৰেকফাষ্ট কৰি দিল্লীৰ পৰা ঘৰ অভিমুখে যাত্ৰা কৰিলো। বহুদিনৰ মূৰত ঘৰলৈ আহি মনটো বহুত ভাল লাগিল। ঘৰ পাই অলপ সময় জিৰণি ল'লো। মাৰ সৈতে বহুত কথা পাতিলো। লগতে মাক ক'লো যে, কাইলৈ মোৰ বন্ধু ৰিয়ানৰ লগত মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ যাম। মায়ে মোক প্ৰথমতে যাবলৈ বৰকৈ বাধা দিছিল, কিন্তু মই জোৰ কৰা বাবে মোক যাবলৈ সন্মতি দিলে।

পিছদিনা মোৰ আটাইতকৈ ভাল বন্ধু ৰিয়ানৰ লগত প্ৰকৃতিৰ সেউজীয়া সৌন্দৰ্য উপভোগ কৰাৰ আশাৰে আমাৰ যাত্ৰা আৰম্ভ কৰিলো। গাড়ীৰ পৰা নমাৰ পিছত আমি দুয়ো আনন্দমনে প্ৰাকৃতিক সৌন্দৰ্যৰ মনোমোহা দৃশ্য উপভোগ কৰি গৈ থাকিলো। মোৰ বন্ধু ৰিয়ান এজন ভাল বেহেলাবাদক। সি পিঠিত বেহেলাখন ওলোমাই লৈছে। প্ৰকৃতিৰ মনোমোহা দৃশ্যবোৰে আমাৰ দুয়োৰে মন ৰঙীন কৰি তুলিছিল। চিৰসেউজ পৃথিৱীখনে দুয়োকে আপোনপাহৰা কৰি পেলাইছিল। পাহাৰৰ একা-বেঁকা বাটেৰে গৈ থাকোঁতে আমাক প্ৰকৃতিৰ সৌন্দৰ্যই যেন হাতবাউলি মাতিছিল, লগতে তাত থকা চৰাই-চিৰকটিবোৰে সুৱলা মাতেৰে আমাক আদৰণি জনাইছিল।

এজোপা আঁহতৰ ছাঁত আমি জিৰালো। গুণ্‌গুণকৈ গান এটা মোৰ ওঁঠৰ পৰা নিগৰি ওলাল। ৰিয়ানেও বেহেলাখন উলিয়াই তাঁত ৰেপ দিলে। গোটেই পৰিৱেশটোৱেই কিবা মায়াময় হৈ উঠিল।

অৱসাদ আঁতৰাত আমি দুয়ো মাথো আকৌ মনোমোহা দৃশ্য উপভোগ কৰি আগুৱাই গৈ থাকিলো। ঠিক অলপ দূৰ যোৱাৰ পাছতেই আমি এজন অচিন ব্যক্তিক হঠাৎ লগ পালো। সেই ব্যক্তিজনে আমাৰ লগত বহুত বেয়া আচৰণ কৰিছিল আৰু আমাক সেই প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ যোৱাত বাধা প্ৰদান কৰিছিল। কিন্তু আমি সেই ব্যক্তিজনৰ কথালৈ মন নিদি প্ৰকৃতিৰ মনোমোহা দৃশ্য উপভোগ কৰিবলৈ পাহাৰীয়া এখন ভিতৰুৱা গাঁৱত প্ৰৱেশ কৰিলো। সেই গাঁওখনৰ প্ৰকৃতিৰ মনোমোহা দৃশ্যই আমাৰ দুয়োকে বৰকৈ আপ্লুত কৰিলে। সেই গাঁওখনত এটা বৰ সুন্দৰ জলপ্ৰপাত আছিল। পাহাৰৰ পৰা নিগৰি অহা জলধাৰাই আমাৰ মনটো সজীৱ কৰি তুলিছিল। সেই মনোমোহা দৃশ্যবোৰ চাই মালৈ ফোন কৰিলো- "হেল্ল'। মা, আমি আহি পালোহি। বুজিছা, এই ঠাইখনৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ মনোমোহা। মা, এই পাহাৰীয়া অঞ্চলৰ মানুহবোৰ বহুত ভাল, বৰ সহজ-সৰল। অ' মা, শুনাচোন আমাৰ এই পৃথিৱীখন চিৰসেউজ প্ৰাকৃতিক সৌন্দৰ্যৰে আৱৰি আছে- মই ভৱাই নাছিলো। ইয়াৰ দৃশ্যবোৰে আমাৰ দুয়োৰে মন সজীৱ কৰি তুলিছে। ইমান ধুনীয়া পৰিৱেশ, ঘৰলৈ উলটিবলৈচোন মনেই যোৱা নাই অ' মা। মা, আমি সোনকালেই ইয়াৰ পৰা উলটি তোমাৰ ওচৰলৈ গৈ আছোঁ। মই সোনকালেই পামগৈ মা। এতিয়া ফোনটো ৰাখোঁ।" এইবুলি কৈ ঘৰ গৈ সোনকালে পোৱাৰ কথা দি মাৰ ফোনটো কাটি দিলো। ৰিয়ান আৰু মই সেই ঠাইত প্ৰাকৃতিক সৌন্দৰ্যৰ মনোমোহা দৃশ্যবোৰৰ লগত বহুসময় কটালো। দুয়োয়ে ইজনে সিজনৰ মনৰ কথা পাতিলো। কিমান যে ভাল লাগিছিল সেই মনোমোহা দৃশ্যবোৰ চায়। সেই ঠাইত অলপ সময় কটাই সন্ধিয়া হোৱাৰ লগে লগে ঘৰলৈ বুলি ৰাওনা হ'লো। দুয়োজনৰ ভোক লগাত ওচৰৰ দোকানখনৰ পৰা খাবলৈ বুলি বস্তুকেইটামান কিনি ল'লো। তেনেতে হঠাৎ কেইজনমান ব্যক্তি আহি আমাৰ সন্মুখীন হ'ল। আমাক বৰকৈ সোধাপোছা কৰিলে। ক'ৰ পৰা আহিছো? কিয় আহিছো? কোন হয় আমি? এইবোৰ প্ৰশ্ন কৰিলে আমাক। আমি তেওঁলোকক জনালো যে আমি দুয়ো অসমীয়া হয়। আমি দুয়ো গুৱাহাটীৰ পৰা আহিছো ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ। কিন্তু তেওঁলোকে আমাৰ কথা বিশ্বাস নকৰিলে। আমাক সোপাধৰা সজালে। আমি বোলে সোপাধৰা, আমি হেনো ইয়াত দুষ্কাৰ্য কৰিবলৈ আহিছো— এইবুলি কৈ তেওঁলোকে আমাক দুয়োকে প্ৰহাৰ কৰিলে। বৰকৈ মাৰিলে।

আমাৰ দুয়োৰে গাৰ পৰা তেজ নিগৰি আহিল। দুয়ো অৱশ হৈ পৰিলো, তথাপিও আমি তেওঁলোকক চিঞৰি চিঞৰি ক'লো যে— আমি সোপাধৰা নহয়, আমি অসমীয়া হয়। প্ৰকৃতিৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবৰ বাবেহে আমি ইয়ালৈ আহিছিলো। কোনো দুষ্কাৰ্য কৰাৰ উদ্দেশ্যে অহা নাই। আজৰি সময় কটাবলৈহে আহিছিলো। মোৰ বন্ধু ৰিয়ানেও তেওঁলোকক হাতযোৰ কৰিছিল- "ককাইদেউহঁত অ' আমাক নামাৰিব।" চিঞৰি চিঞৰি কৈছিল— "আমি অসমীয়া হয়, আমি সোপাধৰা নহয়। মই এজন শিল্পী, এই অসমী আইৰ সন্তান।" তেওঁলোকক চিঞৰি চিঞৰি ক'লো- "মোৰ মোনাখনত মোৰ গগণাটো পৰি আছে। এবাৰ মই বজাই দিওঁ। তেতিয়া চাগৈ তহঁতে বুজি পাবি যে আমি সোপাধৰা নহয়, মই দুয়োজন শিল্পী হয়। সঁচাকৈ আমি অসমীয়া হয়। কেনেকৈ বুজাওঁ তহঁতক— আমি দুষ্কাৰ্য কৰি ফুৰা অসৎ উপায়েৰে অসমত সোমোৱা অনা অসমীয়া পাষণ্ড নহয়, আমি অসমীয়া হয়?"

কিন্তু নাই তেওঁলোকে আমাৰ কথা নুশুনিলে। তেওঁলোকে আমাক কিয় মাৰিছে আমি ধৰিব পৰা নাই। দিনৰ ভাগতে ফুৰিবলৈহে আহিছিলো ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ। কোনো দুষ্কাৰ্য কৰিবলৈতো অহা নাছিলো। নিজৰ ঠাইখনত মুকলিমূৰীয়াকে ঘূৰাটোৰে আমাৰ ভুল হ'ল নেকি? নে প্ৰকৃতিৰ মনোমোহা দৃশ্যবোৰ উপভোগ কৰাটোৰে আমাৰ ভুল হ'ল? তেওঁলোকক হাতযোৰ কৰি বাৰে বাৰে ক'লো- "আমি অসমীয়া হয়। আমাক নামাৰিবি। মোৰ গাটো বৰকৈ বিষাইছে আৰু নামাৰিবি। চা, মোৰ ওঁঠ ফাটিব লৈছে, মোক আৰু নামাৰিবি। মই তহঁতৰ বাবে আৰু বাঁহীটো বজাব নোৱাৰিম। আমাৰ হাত ভৰিও ভাঙি পেলালি। আমাক মাৰি মাৰি আধামৰা কৰিলি। এতিয়াতো যাবলৈ দে। আমাক জীয়াই থাকিবলৈ দে। আমাক নামাৰিবি। আমাৰ বহুত সপোন আছে, বহুত আশা আছে। আমাক আমাৰ আশাবোৰ আমাৰ সপোনবোৰ পূৰণ কৰিব দে, আমাক জীয়াই থাকিব দে, আমাক নামাৰিবি। ঘৰত মায়ে আমালৈ অপেক্ষা কৰি আছে আমাক চাবলৈ। আমাৰ মৰমৰ মা জনীৰ বুকুখন শুদা কৰি নেপেলাবি, মাৰ বুকুৰ পৰা আমাক কাঢ়ি নানিবি।"

কিন্তু নাই সিহঁতে আমাৰ কথা নুশুনিলে। লাঠি, টাঙোনৰে মৰিয়াই মৰিয়াই শেষ কৰি দিলে আমাক। মাৰ বুকুখন উদং কৰি পেলালে। আমাৰ দোষ কি আছিল? অসমীয়া হৈয়ো অসমীয়াইযে আমাক শেষ কৰিব ভবাই নাছিলো, আপোনেই আমাক মাৰি পেলাব ভবাই নাছিলো। মা তই মোক ক্ষমা কৰি দিবি— মই তোৰ কথা ৰাখিব নোৱাৰিলো। তই চাগৈ আমালৈ বাট চাই আছ? কি কৰিবি মা, এই নৰপিশাচবোৰে আমাক যাবলৈ নিদিলে। তোৰ পৰা আমাক বহুত দূৰলৈ লৈ গ'ল অ' মা। দেউতা, মোক বেয়া নাপাবা। তোমাৰ সপোনবোৰ আমি পূৰণ কৰিব নোৱাৰিলো। তোমাৰ লগত আমাৰ কথাই পতা নহ'ল নহয়। আমাৰ জীয়াই থকাৰ বহুত ইচ্ছা আছিল। কিন্তু ৰক্ষা কৰিব নোৱাৰিলো নিজকে আপোন দানৱৰ হাতৰ পৰা। সেই নৰপিশাচকেইটাৰ ওচৰত হাৰ মানিলো। প্ৰকৃতিৰ মনোমোহা দৃশ্যবোৰেই আমাৰ কাল হ'ল। আজি অসমীয়াই অসমীয়াক চিনি নাপালে। নিয়তিৰ ওচৰত হাৰ মানি মাৰ বুকুখন উদং কৰি এই চিৰসেউজ পৃথিৱীখনৰ পৰা আমি বিদায় ল'লো। আজি অসমীয়াৰ হাততেই অসমীয়াৰ প্ৰাণ গ'ল। ■

# নাতি মোহ


## সেউজস্মিতা হাজৰিকা

*স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)*


— নহয়, সেইটো হ'বই নোৱাৰে ।

আইতাকৰ কথাত আত্মবিশ্বাসৰ সুৰ। তেওঁ নাতিয়েকক টোপ পৰিবলৈকে নিদিয়ে। আৰু ককাৰকো জানো কম। একে প্ৰাণীৰ মাছ।

— আমাৰ সি একো নাজানে সৰু হৈ আছে। তাৰ কথা যিয়ে তেনেকৈ কৈছে তাৰ মুখত পোক লাগক।

এইবাৰ বাপেকৰ বকনি আৰম্ভ। বাপেকে মুখ মেলা মানে চুবুৰীৰ আটাইবোৰে শুনা আৰু জনা। হ'লেও সূৰ্যৰ মুখত সোপা দিয়া নাযায়। বাপেকে বকিলে সকলো চুপ।

— তোমালোকেই তাক লাই দি দি মূৰত তুলিলা। এতিয়া মোৰ তেজটোপা খাইছে। আজি ঘৰলৈ আহক। ঠিককৈ এজাৰণ দিম।

মাকে বাপেকৰ খং কেনেকৈ দমাব লাগে জানে।

— হেৰি, অফিচৰ পৰা আহি পাইছেহিহে। বকলা মেলিবৰ হ'লেইনে? আহক মুখ-হাত ধুই ভাতকেইটা খাই লওকহি। সেইবোৰ কথা পিছে পৰেও বকিব পাৰিব।

বাপেকক এইদৰেই নিৰস্ত্ৰ কৰা যায়। অকল মাকেহে পাৰে। অলপ খং উঠোতেই শান্ত কৰিব পাৰিলে সকলোৰে পক্ষে পৰম মংগল। অন্যথা ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহো হ'বগৈ পাৰে। ঘৰৰ বাচন-বৰ্তন, চকী-টেবুল ভাঙি খাষ্টাং কৰে। তেনেকুৱা সময়ত মাকেও দুই-চাৰি চাট পায়।

আইতাক, ককাক, বাপেকৰ চিঞৰ-বাখৰ, ওখোনা-ওখনিত গোচৰ দিবলৈ অহাজন ক'ৰবাতেই থাকে। আইতাকৰ আদালতত নাতিয়েকৰ সদায় সাত খুন মাফ। সি একো নজনা ল'ৰা। সৰু ল'ৰা।

বাপেকৰ ক্ষেত্ৰত সেইটো নহ'ব। অমখ মানুহ। তুৰি-মুৰি, নাগৰ বাগি দিয়া কথা ভাল নাপায়। লাগিলে নিজৰ পুতেকেই হওঁক।

গোচৰবোৰনো কি? এই বোলে সমুদ্ৰই ছোৱালী এজনীৰ স্কেলপাত ভাঙিলে, ল'ৰাটোৰ চোলাত চিঞাহী মাৰি দিলে, কাৰোবাৰ বহি ফালিলে .... .... ....। অভিযোগৰ অন্ত নাই। অফিচৰ পৰা আহি ভাতকেইটা খাই বাপেকে অলপ পৰ জিৰায়। তাৰপিছত গৰুগাই বান্ধি মন্দিৰলৈ ওলাই যায়। কেইচিলিমমান শিৱবাবাৰ প্ৰসাদ লৈ ধৰ্মকথা আলোচনা কৰে। শিৱগীতাখন বুদ্ধই সুৰ লগাই পঢ়ে। নকুলে ভাঙনি কৰে। আটায়ে শুনে।

চাৰিআলিৰ আঁহতজোপাৰ তলতেই শিৱমন্দিৰটো। সন্ধিয়া সন্ধিয়া ভক্তসকল গোট খায়। বাপেকে শিৱবাবাৰ প্ৰসাদ খাই উভতি আহোঁতে ৰাতি ভালেমান পৰ হয়। 'প্ৰসাদ'ৰ নিচাত একপ্ৰকাৰৰ টোপনিয়ে হেঁচি ধৰে আৰু টোপনিয়াই টোপনিয়াই ঘৰ সোমায়। ঢাকি থোৱা ভাত সমানে এফাল এৰে।

ৰাতিপুৱাই মানুহটো সুস্থ। সকলো কামৰে তদাৰক কৰে। মাকে ভাত ৰন্ধা, পুতেকে কিতাপ পঢ়া আদিবোৰতো নজৰ ৰাখে। আঠ বজাত অফিচলৈ যোৱালৈকে মাকৰ ঘ্ৰাস্তি ঘূৰাই দিয়ে। হ বুলিলে হ'ব লাগিব, লাগ বুলিলে পাব লাগিব।

তাৰপিছৰ গোটেই সময়খিনিত ঘৰৰ সকলো স্বাধীন।

সমুদ্ৰই আইতাকক আবদাৰ ধৰে— "আইতা, মোক খাবলৈ কিবা এটা দিয়া না।"

— কি খাবা সোণ?

— ভাত নাখাওঁ।

— তেন্তে?

— গাখীৰ আৰু বইল কণী।

আইতাকৰ লৰা-ঢপৰা লাগে। গাখীৰ-কণী তৎক্ষণাৎ হাজিৰ।

হাইস্কুললৈ যোৱাৰ লগেলগেই আইতাকৰ খদমদম লাগিল। নতুন স্কুল, নতুন চোলা-কাপোৰ, গৰম ভাত, জোতা মোজা .... ....।

নাতি পতা-পত তৈয়াৰ হৈ স্কুললৈ আনন্দ মনেৰে যায়।

মানুহৰ আগত কয়- আমাৰ ই অমুক, আমাৰ ই তমুক।

আইতাৰকে টিউচন মাষ্টৰ বিচাৰি আনে। দুটকা সৰহকৈ দি ঘৰতে পঢ়ুৱায়। ককাকে ৰখি থাকে। জানোচা মাষ্টৰে নাতিৰ গাত হাত তোলে। পইছা দিছে মৰমেৰে পঢ়ুৱাব লাগে। নাতি আলসুৱা।

নাতিয়ে টিউচন মাষ্টৰৰ কাণে-মূৰে উঠে।

দুদিনমান আহি গাইব। আকৌ নতুন মাষ্টৰ। নতুন জমানা।

লাগ বুলিলেই হ'ল। নাতিয়ে সকলো পায়। এই বয়সতে ঘড়ী, টকা-পইছা। এখন নতুন চাইকেল। নাতি গাড়ীৰে স্কুললৈ যায়। চাইকেল চোতালতে চলায়।

নাতি ডাঙৰ হয়। ওপৰ শ্ৰেণী পায়। সকলোকে গেঙেৰি দিব পৰা হয়। মাকক গণিতাই নকৰে। তাৰো কাৰণ আছে।

দহমান বজাত মাক ঘৰৰ পৰা ওলাই যায়। আবেলি ঘূৰি আহে। মাকক কেতিয়াবা নগৰত, কেতিয়াবা হোটেলত দেখাই দেখে। লগত কোনোবা নহয় কোনোবা থাকেই। জনাই জানে, মাকে কাৰ লগত কি কথা পাতে, কাৰ লগত কেনেকুৱা সময় কটায়। কাপোৰ-কানি পিন্ধাৰ ঢঙেই সকলো কৈ দিয়ে।

বাপেক চকুমুদা কুলি। উপায় নাই। তেওঁ বৃদ্ধ হৈছে। গাভৰু পত্নীক চম্ভালিবৰ সামৰ্থ্য নাই।

নাতিৰ মোহত ককাক-আইতাক পাগল। নাখায়ো খুৱায়। নাতিয়ে তাৰেই ফাইদা তোলে।

— আইতা মোক নতুন স্কুল বেগ লাগে।

— আইতা মোক ম'বাইল লাগে। লগৰ চবৰে আছে।

— আইতা টকা চাৰি হাজাৰ দিয়ক। পিক্‌নিক্ যাওঁ।

পেন্সনৰ টকাকেইটা নাতিলৈ হয়হে।

এদিন নাতিয়ে কলেজ গচকে। ককাক-আইতাকৰ গা সাতখন-আঠখন। নাতিয়ে আবদাৰ ধৰে- তাক এখন বাইক লাগে। নতুন

মডেলৰ। ককাক-আইতাকৰ গা সাতখন-আঠখন। দেউতাকে গেঙেৰি মাৰি উঠে। তেওঁ সিমানৰ মানুহ নহয়। সৰু চাকৰি। দৰমহাৰ টকাৰে বাইক কিনিব নোৱাৰে।

নাতিয়ে ঘৰৰ বস্তু-বাহানি ভাঙে।

বাপেক-পুতেকৰ মাজত ঘোৰযুদ্ধ আৰম্ভ হয়। আইতাকে বকে- "বাপেকটো হৈ ল'ৰাটোৰ মনৰ কথা নুবুজে। সি সৰু হৈ আছে। যি লাগে বুলিছে ধাৰ-নুই কৰি আনি দে। খাবলৈ-খুঁটিবলৈ একেটিয়ে ল'ৰা।"

বাপেক মন্দিৰলৈ যায়গৈ।

আইতাকে নাতিক মৰম কৰে। ফুচুলাই ভাত খুৱায়।

অসন্তুষ্ট মনেৰে নাতি কলেজলৈ যায়। আহে। কাৰো লগত বিশেষ কথা নাপাতে। সি গহীন হয়। সোধা কথাটোৰহে উত্তৰ দিয়ে। ঘন্টাৰ পিছত ঘন্টা কিতাপৰ টেবুলত বহি থাকে। আইতাকে ভাবে- নাতিয়ে পঢ়িছে।

নাই। নপঢ়ে।

ম'বাইলত ব্যস্ত। ফেচবুক-ইন্টাৰনেট আদি কিছুমান ৱেবছাইটত ব্যস্ত। নাতি এতিয়া ৰঙীন পৃথিৱীৰ বাসিন্দা।

নাতিৰ ৰিজাল্টৰ দিনা আইতাক-ককাকৰ হাটলৈ বাটলৈ চাই চাই চকু বিষায়। নাতি ঘূৰি নাহে।

বিচাৰ-খোচাৰ কৰি গম পোৱা গ'ল নাতি পুলিচ থানাৰ লকআপত আছে।

কিন্তু কিয়?

— লগৰ ল'ৰাৰ লগত মদ খাই সমুদ্ৰই ছোৱালী এজনীক ৰেপ কৰি হাতে-লোতে ধৰা পৰিছে।

আইতাকে কথাষাৰ বুজি নাপায়। পঢ়া-শুনা নথকা মানুহ।

— হেৰৌ, কথাষাৰ ভালকৈ বুজাই কচোন। ৰেপ কৰা মানে কি অ'?

— ধৰ্ষণ আইতা।

— ধৰ্ষণ মানে কি?

— তেন্তে আৰু বুজাই ক'ব নোৱাৰি।

আইতাকক কথাষাৰ কোনোবাই বুজাই দিলে। আইতাৰকে অবিশ্বাসৰ সুৰত কৈ উঠে --

— নহয়, সেইটো হ'বই নোৱাৰে। সি সৰু ল'ৰা। সেইবোৰ একো নাজানে। লগৰবোৰেহে আচলতে তাক এনেকুৱা বিপদত পেলাইছে।

— জুয়ে হাত পোৰাৰ পিছতো আপোনাৰ চেতনা নহ'ল আইতা। অত্যধিক নাতি মোহে আপেনালোকক খালে।

— কি ক'লি? মোৰ নাতি থানাত থকা বুলি জানি ৰং লাগিছে নহয়। মই জানো নহয়, মোৰ নাতিটোৰ ওপৰত তহঁতৰ চবৰে হিংসা। মই মুখ মেলিলেই তহঁতৰ গৰ্ভ দেখা পাওঁ বুইছ।

ধমকি খাই খবৰ দিওঁতাজন গুচি গ'ল। আইতাকে লৰা-ঢপৰা লগালে। নাতিটোক থানাৰ পৰা মোকলাই আনিবগৈ লাগে। পুলিচে চাগে মিছাতে মৰিয়াইছে।

ক্ৰোধ, দুখ, ক্ষোভ আৰু হতাশাত মূক হৈ বহি থকা বাপেকক আইতাকে দবিয়ালে— "হেৰৌ বাপুকণ, থানালৈ তয়ে যাচোন।" ■

# শেষ আশ্ৰয়

নন্দিতা বৰা | *স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*

অৰূপা বৰঠাকুৰৰ আজিৰ পৰা নতুন পৰিচয় বৃদ্ধাশ্ৰম 'আমাৰ ঘৰ'। নতুন এটা পৰিৱেশ নতুন মানুহখিনিৰ লগত মুখামুখি। তেওঁৰ বাবে সপোনৰো অগোচৰ আছিল জীৱনৰ অন্তিম সময়খিনি নতুন মানুহ কিছুমানৰ লগত অতিবাহিত কৰিব লাগিব। অৰূপা বৰঠাকুৰে খিৰিকিখনৰ কাষতে বহি জীৱনৰ নানা ৰঙী স্মৃতিবোৰ আবেলি সময়খিনিত অস্ত যোৱা সুৰুযৰ লগত তুলনা কৰিছে।

অৰূপাই নিজৰ জীৱনৰ দুখ কষ্ট ত্যাগ একাষৰীয়াকৈ থৈ হাঁহি আনন্দৰে অতি সুন্দৰকৈ ঘৰখন চলাই নিছিল। পুত্ৰ কন্যাৰে ভৰপূৰ এখন ঘৰ য'ত আছিল মাত্ৰ অৰূপা বৰঠাকুৰৰ হাঁহিৰ মিঠা টুকুৰা, পুত্ৰ কন্যাৰ জীৱন গঢ়াৰ বাবে মাক হিচাপে কৰিব লগা সকলো কষ্ট ত্যাগ আৰু অনুশাসন। পৰ্যায়ক্ৰমে পুত্ৰ অনিৰ্বাণ আৰু কন্যা আৰোহী সমাজত প্ৰতিষ্ঠিত হ'ল। অনিৰ্বাণ ইঞ্জিনিয়াৰ আৰু আৰোহী ডাক্তৰ বুলিয়ে চিনাকী দি ভাল পাইছিল অৰূপা বৰঠাকুৰে। সিহঁতৰ সফলতাই তেওঁৰ জীৱন সাৰ্থক কৰিছিল। অৰূপাই জীৱনত পোৱা দুখ আৰু ত্যাগৰ মূলতে অৰ্নিবান আৰু আৰোহীৰ সফলতা বুলি ভাবিছিল।

কিন্তু আজি যেন এই সকলোবোৰ সপোন সপোন লাগিছে। অৰূপা বৰঠাকুৰে সপোনতো ভবা নাছিল এদিন তেওঁৰ বাৰ্ধক্যই জীৱনৰ কাঁইট হিচাপে তেওঁৰ লগত প্ৰতাৰণা কৰিব। অৰ্নিবান এতিয়া খুবেই ব্যস্ত। বৰ্তমান যুগৰ লগত মিলাই কেনেদৰে ধন, সম্পত্তি, গাড়ী, ফ্লেট বঢ়াব লাগে তাৰহে চিন্তাত মগ্ন। এইবোৰৰ তুলনাত মাক একেবাৰেই নগন্য। অৰ্নিবান আৰু তাৰ পত্নীয়ে যোৱা নিশা মাকক মুখৰ আগত বহুৱাই এনে এটা প্ৰস্তাৱ দিলে যিটো শুনি তেওঁৰ হৃদয়ে এক মুহূৰ্তৰ বাবে চিৎকাৰ কৰি উঠিল। তেওঁ মাথো কপিছে আৰু কাণত ভাহি উঠিছে 'মা তুমি এতিয়া অকলশৰীয়া। তোমাৰ বয়সেই তোমাৰ শৰীৰলৈ বহু ৰোগক আমন্ত্ৰণ কৰিছে। মইনাহঁতো হোষ্টেলত থাকে, আমাৰো সময় নাই তোমাৰ লগত লাগি থাকিবলৈ। গতিকে লাগতিয়াল বয়-বস্তু সকলো সামৰা। আমি কাইলৈ এঠাইত থৈ আহিম।'

অৰূপাৰ জীৱনৰ হাঁহি, কান্দোন, ত্যাগ আৰু সৰু সৰু অথচ গুৰুত্বপূৰ্ণ বহু কথাই জড়িত হৈ আছিল নিজ ঘৰখনত। কিন্তু আজি তেওঁ পুত্ৰ, কন্যাৰ পৰা অবহেলিত। তেওঁ অকণমান সময় দিবলৈ আহৰি নাই সিহঁতৰ। তথাপিও যেন স্তব্ধ নহয় অৰূপাৰ জীৱনৰ গতি। আগুৱাই যাব তেওঁ সময়ে যেতিয়া যিটো কৰিবলৈ দিয়ে সেই কামে কৰিব। আজিও তেওঁ সেই পথৰে যাত্ৰী হৈ নতুন উদ্যমৰে জীৱনৰ বাকীচোৱা কাল অতিবাহিত কৰিবলৈ প্ৰস্তুত হ'ল। মনত তেওঁৰ নতুন নতুন বহু প্ৰশ্ন উত্থাপিত হৈছে আজি। কিয় আজিৰ প্ৰজন্মই টকা পইচা সম্পত্তিৰ নামত নিজৰ জন্ম দিওতা পিতৃ-মাতৃক অকণমান সময় দিব নোৱাৰে? অথচ সন্তানৰ বাবে পিতৃ-মাতৃয়ে গোটেই জীৱন কষ্ট কৰে। আস কি এই জীৱন। য'ত নাই খোলা মনৰ হাঁহি, য'ত জীৱনৰ অন্তিম ক্ষণত পিতৃ-মাতৃৰ জীৱনৰ মূল্য। বৃদ্ধাশ্ৰমেই হয়গৈ বৃদ্ধ পিতৃ-মাতৃৰ জীৱনৰ শেষ আশ্ৰয়। ■

# মাতৃ হৃদয়

**ৰাজশ্ৰী শৰ্মা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*



নিস্তব্ধ নিশা। বাহিৰত এজাক ফেৰফেৰীয়া বতাহ। দিনৰ ভাগৰ কোলাহলবোৰ নোহোৱা হৈ নিমাওমাও হৈ পৰিছে অঞ্চলটো। সকলো নিতাল মাৰি নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লৈছে। কিন্তু শুব পৰা নাই মৌচুমী চলিহা। তেওঁ নিদ্ৰাদেৱীক আৰাধানা কৰি ভাগৰি পৰিছে, দেৱী সন্তুষ্ট হোৱাই নাই। অতীতৰ সেই অভিশপ্ত দিনটোৰ স্মৃতিয়ে তেওঁক বৰকৈ আমনি কৰিছে। বাগৰৰ পিছত বাগৰ সলাইছে কিন্তু তেওঁ শুব পৰা নাই। কালিকা লগা মঙ্গলবাৰটোৱেই নিষ্ঠুৰভাৱে তাইৰ বুকুৰ পৰা কাঢ়ি লৈ গ'ল তাইৰ বুকুৰ পদুম ফুলপাহ।

মৌচুমী চলিহা এগৰাকী প্ৰৱক্তা। তেওঁৰ স্বামী অভিজিৎ চলিহা GMCৰ এজন প্ৰতিষ্ঠিত চিকিৎসক। তেওঁলোকৰ বিয়াৰ কিছুদিনৰ পাছতেই মৌচুমীৰ কোলালৈ আহিছিল জোনাক। জোনাকৰ জন্মই মৌচুমী আৰু অভিজিতৰ জীৱনলৈ কঢ়িয়াই আনিছিল অপাৰ সুখ আৰু আনন্দ।

একলা দুকলাকৈ বাঢ়ি অহা জোনাকৰ লগত দুয়ো ভীষণ ব্যস্ত হৈ পৰিছিল। জোনাকৰ কোমল, মৰমলগা মুখ আৰু তাৰ মৰম আব্দাৰবোৰে মৌচুমী আৰু অভিজিতক পাহৰাই দিছিল দিনটোৰ ভাগৰবোৰ। তাৰ হাঁহিবোৰৰ মাজতেই তেওঁলোকে বিচাৰি পাইছিল বিচৰা সকলো সুখ। এনেকৈয়ে জোনাকে পাঁচটা বসন্তত ভৰি দিলে। তাৰ উৎপাতবোৰ দিনে দিনে বাঢ়িবলৈ ধৰিলে। সি এদিন তাৰ বন্ধু ৰাজৰ লগত ফুৰিবলৈ যাবলৈ দিবলৈ মাকক নেৰা-নেপেৰাকৈ জোৰ কৰিলে। ৰাজ আৰু তাৰ মাক-দেউতাক শ্বিলঙলৈ ফুৰিবলৈ যাব, জোনাকেও তেওঁলোকৰ লগত তাক যাবলৈ দিবলৈ বৰকৈ জোৰ কৰিলে। প্ৰথমতে মৌচুমীয়ে আপত্তি কৰিছিল যদিও অৱশেষত জোনাকে কন্দা-কটা কৰাত তাক যাবলৈ অনুমতি দিলে। পিছদিন ৰাতিপুৱা দহমান বজাত ৰাজ আৰু তাৰ মাক-দেউতাকৰ সৈতে জোনাকে শ্বিলং অভিমুখে যাত্ৰা কৰিলে। কিন্তু নিয়তিৰ কি পৰিহাস! তেওঁলোকৰ গাড়ী আৰু এখন ট্ৰাকৰ মাজত এটি ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হ'ল আৰু ৰাজ, ৰাজৰ মাক-দেউতাকৰ লগতে জোনাকো গুচি গ'ল আন্ধাৰৰ দেশলৈ, এক অজান দেশলৈ।

জোনাকৰ মৃত্যুত মৌচুমী আৰু অভিজিতৰ মুৰত সৰগ ভাঙি পৰিল। ভৰিৰ তলৰ মাটিকণো যেন নোহোৱা হৈ পৰিল। পুত্ৰহাৰা হোৱাৰ বেদনাত দুয়ো জৰ্জৰিত হৈ পৰিল। পিতৃ অভিজিৎ চলিহাই বেছিভাগ সময় বাহিৰতে কটাবলৈ ধৰিলে। দিন বাগৰাৰ লগে লগে তেওঁৰ যন্ত্ৰণাবোৰ কিছু কমি আহিল। নিজকে চম্ভালিবলৈ শিকিলে। কিন্তু একেবাৰে ভাঙি পৰিল মৌচুমী। পুত্ৰশোকত তেওঁ একেবাৰেই ভাগি পৰিবলৈ ধৰিলে। তেওঁৰ এনে লাগিল যেন এটা ডাঙৰ ভূমিকম্প আহক আৰু সকলোবোৰ নিঃশেষ হৈ যাওক। আজি প্ৰায় দুটি বছৰ পাৰ হৈ গ'ল। কিন্তু পাহৰো বুলিও তেওঁ আজিও পাহৰিব পৰা নাই সেই অভিশপ্ত দিনটো। আন্ধাৰৰ মাজত তাই এতিয়াও বিচাৰি ফুৰে পুত্ৰ জোনাকক। জোনাকৰ মৰমলগা মুখখন আৰু তাৰ মৰমৰ আব্দাৰবোৰে তাইক বৰকৈ আমনি কৰে। পুত্ৰৰ মৃত্যুৰ দৰে নিষ্ঠুৰ বাস্তৱক আজিও মানি ল'ব পৰা নাই মৌচুমীয়ে। তেওঁৰ এনে ভাব হয় জোনাক যেন মৰা নাই, সি আকৌ আহিব, আকৌ তাইক 'মা' 'মা' বুলি চিঞৰি উঠিব। এইবোৰকে ভাবি থাকোঁতে কেতিয়ানো আহি ৰাঙলী সূৰুযে অঞ্চলটো পোহৰাই পেলালে মৌচুমীয়ে গমেই নাপালে। কাষৰ বিচনাখনত চকু ফুৰাই দেখে স্বামী অভিজিৎ ইতিমধ্যে শোৱাৰ পৰা উঠিলেই। তাইও খপ্-জপকৈ উঠি বিচনাখনতে অলপ বহি পৰিল।

"এইটো কাৰ কেঁচুৱা, ইয়াত কেনেকৈ পৰি আছে, পুলিচক খবৰ দিব লাগিব।" বাহিৰৰ পৰা ভাহি অহা শব্দৰ টুকুৰা কেইটিমান মৌচুমীৰ কাণত পৰিল। তেওঁ লৰালৰিকৈ বাহিৰলৈ ওলাই গৈ দেখে ৰাস্তাৰ কাষত এটি অকণমানি শিশুৱে হাত-ভৰি মাৰি খেলি আছে। কণমানিটো দেখি তাই নিজকে ৰখাব নোৱাৰিলে। তাই দৌৰি গৈ কেঁচুৱাটো কোলাত তুলি ল'লেগৈ। মৰমলগা শিশুটোক এধানমানি হাতৰ স্পৰ্শত মৌচুমী আনন্দত আত্মহাৰা হৈ পৰিল। তাইৰ এনে লাগিল এয়া যেন তাইৰ জোনাকৰ কোমল হাতৰহে স্পৰ্শ। কণমানিটোৰ মুখত চকু ফুৰাই তাইৰ এনে লাগিল জোনাকে যেন তাইলৈ চাই হাঁহি আছে। মৌচুমীয়ে আলফুলে কণমানিটোক কোলাত তুলি ঘৰলৈ লৈ আহিল। মৌচুমীৰ এনে ভাৱ হ'ল এই কণমানিটোৱেই যেন তাইৰ বুকুৰ পদুমফুলপাহ। কৰবাৰ পৰা যেন জোনাকে চিঞৰি উঠিল 'মা মই আকৌ আহিলো তোমাক বুকুৰ মাজলৈ মা'। মৌচুমীৰ দুচকুয়েদি লোতক সৰি পৰিল। আবেগ আৰু আনন্দত উথলি পৰি তাই কনমানিটোক সজোৰে সাৱটি ধৰিলে আৰু উপৰ্যুপৰি কণমানিটোৰ দুগালত চুমা আঁকি দিলে। দূৰৰ পৰা অভিজিতে মৌচুমী আৰু কণমানিটোক দেখি আনন্দত আত্মহাৰা হৈ পৰিল আৰু আৱেগত তেওঁৰ দুচকুয়েদি লোতক সৰি পৰিল। তেওঁ মনতে কণমানিটোক আপোন কৰি লোৱাৰ সিদ্ধান্ত ল'লে। আৰু তেওঁ কৈ উঠিল, "এইয়াই হৈছে মাতৃ, এইয়াই হৈছে মা, যি মমতাৰ অন্য এক নাম, এইয়াই হৈছে মাতৃ হৃদয়।" মৌচুমীৰ এই আচৰণত প্ৰকৃতিও আনন্দত মতলীয়া হৈ পৰিল। আনন্দৰ চিন হিচাপে প্ৰকৃতিয়ে এচমকা কলীয়া ডাৱৰৰ সৈতে ধাৰাৰ বুকুলৈ নমাই আনে বাৰিষাৰ প্ৰথমজাক বৰষুণ। ■



# উপহাৰ


চিন্ময় খাউণ্ড

*স্নাতক প্ৰথম যাণ্মাসিক (বাণিজ্য)*


জুলাই মাহৰ ১৬ তাৰিখ। সেই দিনটো ৰাজুৰ কাৰণে বৰ আনন্দৰ দিন। কিয়নো সেই দিনটো ৰাজুৰ জন্মদিন। জনা-বুজা হোৱাৰ দিনৰে পৰা ৰাজুৱে তাৰ জন্মদিনত এবাৰো দেউতাকৰ উপস্থিতিৰ কথা মনত নপৰে। কিয়নো চাকৰিসূত্ৰে দেউতাক ইমানদিনে ঘৰৰ পৰা দূৰৈত আছিল। কিন্তু এইবাৰ ৰাজুৰ বৰ আনন্দ। কাৰণ এইবাৰ তাৰ জন্মদিনত দেউতাকে দীঘলীয়া ছুটী লৈ ঘৰলৈ আহিছে। সি তাৰ জন্মদিনৰ বাবে উপহাৰ আৰু অন্যান্য বস্তুৰ তালিকা প্ৰস্তুত কৰাতেই ব্যস্ত আছে। দেউতাকেও তাৰ আনন্দৰ বাবে সকলোখিনি কাম কৰিব বুলি কৈছে। সেয়ে তাৰ আনন্দৰ মাত্ৰা দুগুণে বাঢ়িছে।

অৱশেষত সেই বিশেষ দিনটো আহি পালেহি। দেউতাকেও তাৰ কথামতেই তালিকাখন লৈ বজাৰলৈ ওলাল। তালিকাখনত সি বিধে বিধে বস্তুৰ নাম লিখিছে। দেউতাকেও পৰম উৎসাহেৰে বস্তুবোৰ কিনো বুলি ভাবিছে। দেউতাক ঘৰৰ পৰা বজাৰলৈ বুলি ওলাই যোৱাৰ পাছৰে পৰাই ৰাজুৱে বাৰে বাৰে পদূলিলৈ চাইছে। ইফালে মাকে ঘৰৰ ভিতৰখন সজাই-পৰাই ধুনীয়া কৰাত লাগিছে। বজাৰৰ পৰা দেউতাক কেতিয়া ঘূৰি আহিব তাকে চাই চাই ৰাজুৰ উৎকণ্ঠা বাঢ়িছে। পদূলিৰ পৰা ঘূৰি গৈ মাকক বাৰে বাৰে প্ৰশ্ন কৰিছে, “মা, দেউতা দেখোন আহিয়েই পোৱা নাই।” একেটা প্ৰশ্নৰ বাৰে বাৰে সন্মুখীন হৈ মাকে “এতিয়াই আহিব” বুলি চমু উত্তৰ দিলে। এনে সময়তে বাহিৰত গাড়ীৰ শব্দ শুনি সি চিঞৰি পদূলি মুখলৈ ওলাই গ'ল। কিন্তু এম্বুলেঞ্চ গাড়ীখন দেখি সি কিছু থমকি ৰৈ এখোজ দুখোজকৈ আগুৱাই গ'ল। গাড়ীৰ ভিতৰৰ পৰা দুৱাৰ খুলি সিহঁতৰ ওচৰৰে খগেন খুড়া নামি অহাত তাৰ সন্দেহ হ'ল। কিয়নো আনদিনাৰ দৰে তাক খুড়ায়ে ভালকৈ মাতবোল নকৰিলে। সি এখোজ-দুখোজকৈ আগবাঢ়ি আহি জুমি চাই দেউতাকক তেজেৰে ৰাঙলী অৱস্থাত দেখা পাই চিঞৰি উঠিল। মাকেও তাৰ চিঞৰত ঘৰৰ ভিতৰৰ পৰা ওলাই আহি হুৰা-হুৰে কান্দিবলৈ ধৰিলে। শোকত ৰাজুৰ মুখেৰে মাত নোলোৱা হ'ল। সি ভাবিলে- ‘দেউতা, তুমি মোক এইটোৱেই উপহাৰ দিলা।’ ■

# মীনাৰ জীৱন


ৰূপশিখা কছাৰী

*স্নাতক দ্বিতীয় যাণ্মাসিক (কলা)*


মীনা এজনী অতি সাহসী ছোৱালী আৰু তাই সকলো বিষয়তে আগৰণুৱা আছিল। ঘৰৰ তাই একমাত্ৰ ছোৱালী আছিল। মাক দেউতাকে আনৰ ঘৰত বন কৰি যেনে তেনে ঘৰখন চলাইছিল। বহুকষ্টৰ মাজেৰে মীনাক ডাঙৰ-দীঘল কৰিছিল। তাই পঢ়া-শুনাৰ লগতে আজৰি সময় পালে মাক-দেউতাকক বিভিন্ন কামত সহায়ো কৰিছিল। কেইদিনমান আগৰ পৰা তাই স্বাধীনতা দিৱসত নৃত্য পৰিৱেশনৰ বাবে ‘বন্দে মাতৰম্’ সংগীতটিত লগৰীয়া কেইজনীমানৰ সৈতে ৰিহাৰ্চেলো কৰি আছে। অৱশেষত সেই দিনতো আহি পালে। তাইৰ বৰ আনন্দ। ৰাতিপুৱা সোনকালে শোৱাৰ পৰা উঠি তাই নিজকে তৈয়াৰ কৰিলে। তাই কপালত ৰঙাকৈ আঁকি লৈছিল সেন্দূৰৰ ফোঁট এটি, দুটি ওঁঠত ৰঙা লিপ্‌ষ্টিক, দুফালে সেওতা ফালি খোপাটি তলতে বান্ধি লৈছিল। বিনা মেকাপতো বৰ ধুনীয়া লাগিছিল তাইক তাইৰ হাঁহিটিৰ সৈতে। তাই যোৱাৰ আগতে মাক-দেউতাকক কৈ গৈছিল, “মা, তোমালোক যাবা মোৰ নৃত্য চাবলৈ।” কিন্তু তাই জনা নাছিল মাক-দেউতাকৰ লগত যে তাই শেষবাৰৰ বাবে অতি আনন্দ মনৰে কথা পাতিছে। মীনাৰ মাক-দেউতাকেও তাইৰ কথা নেপেলায়। দুয়ো তাইৰ নৃত্য চাবলৈ যাম বুলি ওলালে। কিন্তু নিয়তিৰ কিযে বিধান, মাক-দেউতাক তাইৰ কাষ নাপালেগৈ, মাজপথতে বিস্ফোৰণত মৃত্যুক আঁকোৱালি ল'লে। কোনোবা উগ্ৰপন্থীয়ে দিয়া এই ব'মত তাইৰ মাক-দেউতাকৰ লগতে কেইবাজনেও প্ৰাণ হেৰুৱালে। বহুলোক আহত হ'ল।

মীনাই মাক-দেউতাকলৈ বাট চাই ৰ'ল। তাইৰ চকুৱে মানুহৰ মাজত তেওঁলোকক বিচাৰিবলৈ ধৰিলে। কিজানিবা আহিলেই। দৰ্শকৰ মাজত বহি আছে। নাই, তাই দেখা নাপালে। মাক-দেউতাক নহাত অতি দুখ মনৰে তাই নৃত্য পৰিৱেশন কৰিলে। সকলো বৰ মুগ্ধ হ'ল তাইৰ নৃত্যত আৰু তাইলৈ এটি উপহাৰো আগবঢ়ালে। স্বাধীনতা দিৱসলৈ অহা বিশিষ্ট অতিথিজন তাইৰ নৃত্যত মুগ্ধ হ'ল আৰু তাই যে অতি দুখীয়া ঘৰৰ ছোৱালী সেই কথা গম পাই তাইৰ সকলো খৰচৰ দায়িত্ব ল'লে। সেইকথা শুনি তাই বৰ আনন্দিত হ'ল। কিন্তু তাইৰ মনটো অতি সুখৰ মাজতো দুখী দুখী অনুভৱ কৰিলে, কিয়নো মাক-দেউতাক তাইৰ নৃত্য চাবলৈ নাহিলে।

কিছু সময়ৰ পিছত তাই গম পালে যে তেওঁলোক আৰু এই পৃথিৱীত নাই। বিস্ফোৰণত নিহত হৈছে। তাইৰ যেন বুকুত সৰগখন ভাঙি পৰিল। কিন্তু তাই ভাঙি নপৰিল। স্বাধীনতা দিৱসৰ সেই অতিথিজনে সেইকথা গম পাই অনাথ আশ্ৰমত তাইক গতাই দি সকলো খৰচ আগবঢ়ালে। এদিন দুদিনকৈ সময় পাৰ হ'ল তাইৰ পঢ়াও শেষ হ'ল। এতিয়া তাই নৃত্যৰ এগৰাকী ভাল প্ৰশিক্ষিকা। দুখীয়া-নিছলা ল'ৰা-ছোৱালীবোৰক নৃত্যৰ প্ৰশিক্ষণ দিয়াৰ লগতে এগৰাকী সমাজসেৱিকাও। ■

# জোনৰ মৰম

লখিমী বৰা
*স্নাতক চতুৰ্থ যাণ্মাসিক (কলা)*



*মানুহে মানুহৰ বাবে*
*যদিহে অকণো নাভাবে*
*অকণি সহানুভূতিৰে*
*ভাবিব কোনেনো কোৱা...*

ৰাতিৰ আকাশৰ জোনটোলৈ চাই তাই থমকি ৰ'ল, কিবা এটা কথা যেন তাইৰ মনত পৰিল। তায়ে আছিল মাক-দেউতাকৰ একমাত্ৰ ছোৱালী সন্তান। দেউতাক এজন সাধাৰণ খেতিয়ক আৰু মাক হ'ল ঘৰখনৰ গৃহিণী। মাকৰ অৱস্থা একেবাৰেই ভাল নহয়। উঠিব-বহিব নোৱাৰে, অনবৰতে বিচনাতেই শুই থাকে। তায়ো মাকৰ অৱস্থা ভাল নেদেখি এদিন দেউতাকক ক'লে, "মাক হস্পিতাললৈ লৈ যাব লাগে দেউতা, মাৰ কিবা এটা হৈছে?" তাকে শুনি দেউতাকে ক'লে, "আইঅ' মোৰ হাতত ইমান ধন নাই, তথাপিও বাৰু মই টকা কেইটামান গোটাই মাৰাক হস্পিতাললৈ লৈ যোৱাৰ ব্যৱস্থা কৰিম।" তাকে শুনি তাই মনতে খুব ভাল পালে আৰু মাকৰ ওচৰত বহি তাই মাকক ক'লে, "মা, তুমি ঠিক হৈ যাবা দিয়া, দেউতা যে টকাৰ যোগাৰ কৰিবলৈ গৈছে।"

ইফালে শাওণৰ মাহৰ বাৰিষাৰ বৰষুণ জাকত তিতি তিতিয়ে সন্ধিয়া দেউতাকে টকা আনিবলৈ সম্ভ্ৰান্ত এটি পৰিয়ালৰ ওচৰলৈ যায়, যি পৰিয়ালৰ খেতি তেওঁ আধি কৰে। তেনেতে ঘৰৰ ভিতৰৰ পৰা লোক এজন ওলাই আহিলত দেউতাকক দেখা পালে আৰু ব্যক্তিজনে সুধিলে, "তুমি ইমান ৰাতিখন বৰষুণত তিতি তিতি ইয়ালৈ আহিছা, কিবা বিপদত পৰিছা নেকি? মোক কোৱাচোন।" তেতিয়া তেখেতে তেখেতৰ পত্নীৰ অৱস্থাৰ বিষয়ে ব্যক্তিজনক কয় আৰু সেইকথা শুনি ব্যক্তিজনে তেওঁক কিছু পৰিমাণৰ ধন দিলে আৰু ক'লে যে, "যোৱা তুমি প্ৰথমতে তোমাৰ পত্নীক ঠিক কৰি ঘৰলৈ লৈ আনা আৰু তাৰ পিছতহে এই টকাৰ হিচাপ-নিকাচ হ'ব।" এইবুলি কোৱাৰ বাবে দেউতাকে মনতে অলপ ভালো পালে আৰু ব্যক্তিজনক শেষত ধন্যবাদ জনাই তাৰ পৰা প্ৰস্থান কৰিলে।

তেখেত ব্যক্তিজনৰ ঘৰৰ পৰা আহি থাকোঁতে প্ৰায় ৰাতিয়ে হ'লহি। সেই সময়ত তাত ডকাইতৰ উৎপাত বেছি হৈছিল। এনেতে তেওঁ আহি থাকোঁতে হাবি এডৰাতে এদল ডকাইতে লগ পালে আৰু তেওঁক ক'লে, "অই, তই হাতত এইটো কিহৰ টোপোলা আনিছ, আমাক দেখুৱাচোন।" এনেকৈ কোৱা শুনি তেওঁ অলপ ভয়ো খালে আৰু ক'লে যে, "দাদাসকল, আপোনালোকনো কোন হয় মই চিনিব পৰা নাই।" তেতিয়া ডকাইতৰ এজন সদস্যই ক'লে যে, "আমি কোন পিছৰ কথা, তোৰ হাতত থকা সেই টোপোলাটো আমাক দে নহ'লে আমি তোক মৃত্যুদণ্ড দিম।" সেইবুলি কোৱা শুনি তেখেতে তেখেতৰ পত্নীৰ অৱস্থাৰ বিষয়ে ব্যক্ত কৰে তথাপিও ডকাইতৰ দলটোৱে তেওঁৰ কথাত সন্মত নহ'ল। আকৌ তেওঁক এনেদৰেই মৃত্যুদণ্ডৰ ভাবুকি দিলে। তেনেতে তেওঁ টোপোলাতো হাবিৰ মাজলৈ দলিয়াই দিলে আৰু ক'লে, "লগৈ যা, এতিয়া লগৈ সেই টোপোলাটো।" এনেকৈ কোৱা শুনি এজন ডকাইতৰ সদস্যই তেওঁৰ পেটত চুৰি সুমুৱাই দিয়ে আৰু হাত-ভৰি সকলোবোৰ বান্ধি সেই হাবিৰ মাজলৈ দলিয়াই পেলাই দি আঁতৰি যায়।

এনেতে তাই আৰু তাইৰ বন্ধু এজনে দেউতাকক বিচাৰি বিচাৰি আহি সেই ঠাইতে উপস্থিত হ'লহি আৰু সিহঁতে আন্ধাৰতে চকা-চমককৈ দেখা পালে যে কোনোৱা এজন ব্যক্তিক হাত-ভৰি বান্ধি হাবিৰ মাজলৈ দলিয়াই দিয়া। এনে কাৰুকাৰ্যবোৰ দেখি দুয়ো থাকিব নোৱাৰি সিহঁত গছৰ আঁৰৰ পৰা ওলাই আহিল আৰু তেওঁলোকক ক'লে যে, "তহঁতে যে এই মানুহজনৰ অৱস্থা এনেকুৱা কৰিলি এইকথা আমি পুলিচ থানাত জনাম।" (তেনেতে পুলিচ গাড়ী অহাৰ শব্দ শুনা পোৱা যায়।) তাকে কোৱা শুনি ডকাইতৰ দলৰ এজন সদস্যই ক'লে, "বাৰু ৰহ তহঁতক চাই লম।" এনেদৰে কৈ তেওঁলোকে তাৰপৰা পলাই পত্ৰং দিয়ে।

আৰক্ষীৰ দল এটা আহি সেই ঠাইতে উপস্থিত হ'লহি আৰু ল'ৰা-ছোৱালীহালক ভয়ে ভয়ে থকা দেখি তেওঁলোকক কি হ'ল বুলি সুধিলত তেওঁলোকে দেখা পোৱা কাৰ্যটো আৰক্ষীৰ সন্মুখত ব্যক্ত কৰিলে। তাকে শুনি এটা দল সেই ডকাইতৰ দলটোৰ পাছে পাছে যায় আৰু আনটো দল হাবিৰ মাজলৈ সোমাই গ'ল। সেই মৃত লোকজনৰ দেহটো বিচাৰি পাই তেওঁলোকে ৰাস্তাৰ কাষলৈ উঠাই আনিলে আৰু যেতিয়াই তাই মৃত লোকজন তাইৰ দেউতাক বুলি জানিব পাৰিলে তেনেতে তাই অচেতন হৈ মাটিত ঢলি পৰিল আৰু লগে লগেই আৰক্ষী এজনে গাড়ীত থকা পানী বটলৰ পানী আনি তাইৰ মুখলৈ ছটিয়াই দিয়ে আৰু তাই অচেতন অৱস্থাৰ পৰা চেতন অৱস্থালৈ ঘূৰি আহে।

আৰক্ষীসহ তেওঁলোক দুয়োজনে দেউতাকৰ মৃতদেহটো ঘৰলৈ লৈ আহিল। ঘৰতো মাকৰ অৱস্থা একেবাৰেই বেয়াৰ ফালে ঢাল খাইছে আৰু দেউতাকৰ মৃত্যু হোৱাৰ কথাটো যেতিয়া তাই মাকক কান্দি কান্দি জনাই মাকো অস্থিৰ হৈ পৰে। অৱশেষত দেউতাকক খৰি দিবলৈ গাঁৱৰ লোকসকলে যা-যোগাৰ কৰি থাকোঁতেই হঠাৎ মাকৰো মৃত্যু হয়। এনে ঘটনাবোৰ দেখি তাই আৰু বেছিকৈ হুক্‌হুকাই

কান্দিবলৈ ধৰে আৰু মাকৰ ওচৰলৈ আহি সাৱটি মাৰি ধৰি কান্দি কান্দি কয়, "মা তুমিও মোক এৰি থৈ গ'লা আৰু দেউতাইও মোক এৰি থৈ গ'ল। মই, মই এতিয়া কাৰ লগত থাকিম অ' মা।" এনেতে গাঁৱৰ ৰাইজে খৰি দিবলৈ যা-যোগাৰ কৰিলে আৰু যিজন লোকৰ পৰিয়ালৰ পৰা তাইৰ দেউতাকে ধন ধাৰে লৈছিল সেই লোকজনো আহি উপস্থিত হ'লহি। উপায়হীন হৈ তায়ে মাক আৰু দেউতাকৰ মুখাগ্নি কৰিলে। আৰক্ষীৰ সন্মুখত সেই সম্ভ্ৰান্ত পৰিয়ালৰ লোকজনে ক'লে, "আজিৰে পৰা এই ছোৱালীজনীৰ সমস্ত দায়িত্ব মই ল'ম বুলি ভাবিছো।" তেতিয়া আৰক্ষীজনে কয় যে, "এইটো এটা বৰ ভাল কথা, তেনেহ'লে আজিৰে পৰা আপুনিয়ে তেওঁক চোৱা-চিতা কৰিব।" মানুহজনে আকৌ কয় যে, "মোৰ কোনো ল'ৰা-ছোৱালী নাই সেয়ে মই তাইকে নিজৰ ছোৱালী বুলি ভাবি আজিৰে পৰা তাইৰ সমস্ত দায়িত্ব ল'ম।" তেতিয়াৰে পৰা তাই সেই পৰিয়ালৰ এগৰাকী সদস্য হিচাপে হৈ ৰ'ল।

তায়ো তেওঁলোকৰ মুখাগ্নি কৰিলে আৰু ভাবিলে যে মাক-দেউতাকে তাইক আকাশৰ পৰা চাই আছে। আকাশৰ সেই জোনটোৱে যেন তাইৰ মাক-দেউতাক সকলো।

হঠাৎ আকাশৰ জোনটোক ডাৱৰে ঢাকি ধৰিলে আৰু তাই বাস্তৱলৈ ঘূৰি আহিলে আৰু লগে লগেই তাইক তাইৰ মাতৃস্বৰূপ মহিলা গৰাকীয়ে "ববী, অ' ববী' ক'ত আছা ভাত খোৱাহি" বুলি মাতে।

মৰম যেতিয়া আহে জীৱনলৈ
আৱেগৰ অনামী বানে
ঢৌৱাই যায় বুকুৰ মাজলৈ...। ■

# সিদ্ধান্ত

**প্ৰণালী শৰ্মা**

*স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান)*

চিঠিখন সামৰি দুভাঁজ কৰি কলমটোৰ সাঁফৰ মাৰি চিঠিখনৰ কাষতে ঠিক সামান্তৰালভাৱে তাই থৈ দিলে। আচৰিত, চিঠিখন লিখাৰ সময়ত এবাৰলৈও তাইৰ হাত নকঁপিলচোন। ক'ৰবাত শুনা পাইছিল তাই— আত্মহত্যাৰ শেষ চিঠিখন লিখা মানুহৰ হাত হেনো খুউব কঁপে। তাৰ মানে! তাইৰ জীয়াই থকাৰ তাড়না নে মৃত্যুৰ হাবিয়াস? জীৱনৰ প্ৰতি বিতৃষ্ণা নে সপোন দেখাৰ আশা!! মনটোত জুকিয়াই চালে কথাখিনি আকৌ, ওঁহো নাইচোন, ভাল লাগিব পৰাকৈ ক'তো একো বাকীয়েই বৈ যোৱা নাই। শৈশৱটো পাৰ হৈছিল পেটৰ ভোকত আৰু এতিয়া তাইৰ পিছত ভোকাতুৰ এজাক।

টক্ টক্ টক্.....

দুৱাৰত পৰা টোকৰৰ শব্দত উচপ্ খাই উঠিল তাই। এই টোকৰৰ শব্দ তাই বুজি পায়।

"কাখেলী ৰেডী হ কাষ্টমাৰ আহিছে, মালদাৰ চিকনা, খুচ কৰিলে কমিছন ডাৱল। জল্দী ৰেডী হয়।"

হেঁচা মাৰি ধৰিলে কাণখনত তাই। কিমান আৰু এই অত্যাচাৰ, কাৰ কাৰণে এই ত্যাগ? কোন আছে তাইৰ জীৱনত! সকলোবোৰ চোন শেষ!! তথাপি জীয়াই থকাৰ হাবিয়াস কিয় তাইৰ মাজত? নাই নাই আৰু সহ্য নহ'ব। এইখন নৰক আৰু তাইৰ সহ্যাতীত।

সময়ে কেতিয়াবা বাৰুকৈয়ে বিশ্বাসঘাতকতা কৰে। সময়বোৰ নিষ্ঠুৰ হৈ পৰিছিল। দুখৰ এজাক ধুমুহা আহিছিল সিহঁতৰ ঘৰলৈ আৰু মুহূৰ্ততে থান-বান কৰি পেলাইছিল কাখেলীহঁতৰ ঘৰখনক। সুদখোৰ মহাজনৰ কবলত পৰি দিনক দিনে সৰ্বস্বান্ত হৈছিল সিহঁত। তাতে ভূতৰ ওপৰত দানহ পৰাদি আহি পৰিছিল দেউতাকৰ বুকুৰ বিষটো। মাকে হাতৰ কাণৰ বেচি, শেষত থকা ঘৰটোও মহাজনৰ ওচৰত বন্ধকত দি দেউতাকৰ চিকিৎসা কৰাইছিল। কিন্তু সকলো শেষ হৈছিল তেতিয়ালৈ, সিহঁতক নিঠৰুৱা কৰি গুচি গৈছিল দেউতাক চিৰকাললৈ। দেউতাকৰ মৃত্যুৰ পাছত মাক ৰুগীয়া হৈছিল। সহায় কৰিবলৈও কোনো আগবাঢ়ি অহা নাছিল। এনেকৈয়ে এদিন মাকৰো মৃত্যু হৈছিল। কিমান আছিলনো তাইৰ বয়স। খুউব বেছি চৈধ্য।

সিহঁতৰ থকা ঘৰটোও মহাজনে লৈ লৈছিল। দূৰ সম্পৰ্কীয় মামাক এজন তেনেকুৱাতে এদিন হঠাৎ আহি ওলাইছিল আৰু যথেষ্ট সহানুভূতি দেখুৱাই লৈ আহিছিল তাইক সিহঁতৰ ঘৰলৈ বুলি। মামাৰকৰ ঘৰ তাই নেদেখিলেই, বাটতে বিক্ৰী কৰি দিলে তাইৰ অস্তিত্বক। বাসিন্দা হৈ পৰিল তাই এইখন পতিতালয়ৰ।

"কাখেলী দৰ্জা খোল। তোৰ চাহাব আহি পালেহি।"

দুৱাৰৰ সিপাৰৰ পৰা অহা শব্দবোৰ তাইৰ কাণত বিহ হৈ সোমাল। চিলিং ফেনখনৰ ফালে একেথিৰে চাই ৰ'ল তাই। এপাকত চাদৰ এখন টান মাৰি আনি গাঁথি দিব ধৰিলে, উদ্দেশ্য ফেনখন। হঠাৎ তাইৰ চকু গ'ল খিৰিকীখনলৈ, পুৰণা কাঠৰ মাৰিকেইডাল সোলোক-ঢোলোক জোৰকৈ টান মাৰি দিলেই এৰাই যোৱা বিধৰ হৈ আছে। হঠাৎ জীয়াই থকাৰ হেঁপাহটোৱে আকৌ উকমকাৱলৈ ধৰিলে তাইৰ মনত। কিন্তু পাৰিব জানো তাই এইখন বেশ্যালয়ৰ পৰা ওলাই গৈ এটা সহজ জীৱন যাপন কৰিব? স্বীকৃতি দিব জানো এইখন সমাজে তাইক, আকোঁৱালি ল'ব জানো আত্মীয়ই আৰু ....

"ঐ (অশ্লীল) দৰ্জাখন খোল সোনকালে, কাৰ (অশ্লীল) কৰি আছ।"

টোকৰৰ শব্দ ক্ৰমাৎ বাঢ়িবলৈ ধৰে। তাই চাদৰখন হাতত লৈ এবাৰ ফেনখন, এবাৰ খিৰিকীখন আৰু এবাৰ দৰ্জাখনলৈ চাই ৰ'ল। ■

# সংলাপ

(১)

ৰত্ন ঃ কি হ'ল বৰদেউতা, এই সময়ত মাতি পঠালে যে? সকলো থিকে আছেনে?

ভদ্র ঃ আইজনী লগৰ ছোৱালী এজনীৰ ঘৰলৈ যাওঁ বুলি ওলাই গৈছিল। সোনকালেই ঘূৰি আহিম বুলি কৈছিল কিন্তু এতিয়ালৈকে পোৱাহি নাই মোৰ বৰ চিন্তা লাগিছে।

ৰত্ন ঃ লগৰ ছোৱালীৰ ঘৰ, তাতে ৰাতি-বিয়লিৰ কথা, তাইক আহিবলৈ নিদিলে চাগে।

ভদ্র ঃ কথাটো তেনেকুৱা হোৱা হয় অন্ততঃ এবাৰ তাই মোক জনালে হয়। ম'বাইলটোৰো চুইছ এফ। তই যাচোন, খবৰটোকে লগৈ।

ৰত্ন ঃ তেনেহ'লে কথাটো এবাৰ পুলিচক জনোৱা...

ভদ্র ঃ নাই নাই এইবোৰ পুলিচৰ কথা নানিবি মাজত, তই মাথো যাচোন এতিয়া খবৰটো লগৈ।

*(তেনেকুৱাতে দৰ্জাত টোকৰ পৰে। ৰত্নই দৰ্জা খুলি দিয়ে। নিৰ্মালি সোমাই আহে।)*

ভদ্র ঃ ক'ত আছিলি তই ইমান পৰ?

ৰত্ন ঃ কি হ'ল, খুৰাদেৰে কি সুধিছে নকৰ কিয়?

নিৰ্মালি ঃ তোৰ মুখত এয়া... এয়া ..... তই মদ খাই আহিছ?

ভদ্র ঃ *(আচৰিত হয়।)*

নিৰ্মালি ঃ অঁ মই মদ খাই আহিছো, ডিস্ক' ক্লাৱত পাৰ্টি কৰি আহিছো, কি ভুল কৰিছো? নিজৰ মতে জীৱনটো উপভোগ কৰিব বিচাৰিছো। প্ৰতিটো দিনেই প্ৰতিটো কথাতে মই আপোনাক মানি চলিব লাগে। এইফালে নাযাবি, সেইটো নকৰিবি? মই কেঁচুৱা নহয় দেউতা, মোৰ নিজস্বতা বুলি কোনো কথা নাই? ইমান স্বাৰ্থপৰ নে আপুনি? আজি যদি মোৰ মা জীয়াই থকা হয় মোক বুজি পালে হয়। এই প্ৰতিবন্ধকতাবোৰ নাথাকিল হয়।

ভদ্র ঃ বাঃ বৰ ডাঙৰ কথা ক'ব পৰা হলি দেখোন, সঁচাই তই ডাঙৰ হলি..। মই হে মুৰ্খ, তোক সদাই সেই আগৰ সৰু ছোৱালীজনী বুলিয়ে ভাবি থাকিলো। ঠিকেই কৈছ, মই স্বাৰ্থপৰ... আপোন বুলিবলৈ থকা একমাত্ৰ ছোৱালীজনীক মই বৰ ভাল পাওঁ, কম স্বাৰ্থপৰ নে মই? মাক নোহোৱা ছোৱালীজনীক পৃথিৱীৰ জটিলতাবোৰৰ পৰা আঁতৰাই ৰাখিবলৈ যত্ন কৰাটো মোৰ মুৰ্খামিৰ বাহিৰে কি আছিল আন? মোক ক্ষমা কৰি দিবি আই, মই মোৰ সংস্কৃতি তোক জাপি দিলো, স্বাৰ্থপৰ মই নহে নো হ'ব কোন, মোক খেমিবি আই।

নিৰ্মালি ঃ দেউতা, এয়া মই কি কৰিলো। আপোনাৰ মনৰ কথা বুজি নোপোৱাকৈ এইবোৰ কি কৈ পেলালো মই। কেনেদৰে পাহৰিব পাৰো আপোন মৰমক? মই বহুত ভুল কৰিলো দেউতা, বৰ ডাঙৰ ভুল হৈ গ'ল। ৰত্ন দা, তয়ো ক্ষমা কৰি দিবি মোক। এনে ভুল আৰু কেতিয়াও নকৰোঁ। তোমাৰ আদৰ্শ হ'ম দেউতা...। মোক ক্ষমা কৰিবা। *(কান্দে)* ■

**প্ৰণালী শৰ্মা**
*স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান)*

(২)

*(দৃশ্যৰ আৰম্ভণিতে কেন্দ্ৰীয় চৰিত্ৰই মঞ্চৰ সোঁ-মাজত অৱস্থান কৰিব। সহ চৰিত্ৰ তেওঁৰ ডেকা পুত্ৰ। বাকীবোৰ চৰিত্ৰই কাহিনীৰ প্ৰয়োজন মতে, পৰিচালকৰ নিৰ্দেশ অনুযায়ী অৱস্থান কৰিব।)*

কেন্দ্ৰীয় চৰিত্ৰ ঃ ... আৰু আজি এসপ্তাহৰ আগতে মোৰ পুত্ৰ উজ্জীৱনক কৈছো, কি পাবি তাত? আনৰ দেশ এখনত? পাবি জানো এই দেশৰ আত্মীয়তা। এই দেশৰ গৌৰৱময় ইতিহাস— নক্ষত্ৰোজ্জ্বল দৰ্শনক পাহৰিলি কিয়? নিজৰ শিপা পাহৰি নাযাবি বাবা।

পুতেক ঃ থৈ দিয়া তোমাৰ ৰাবিছ ছেণ্টিমেণ্ট। মানি ইজ এভৰিথিং ইন দিজ ৱৰ্ল্ড। হু এভাৰ পেজ সি ম'ৰ, আই ৱিল ৰক ফৰ দেম।

*(সংলাপ শেষ। এক মুহূৰ্তৰ বাবে ধীৰ ছন্দত চৰিত্ৰসমূহৰ স্থান পৰিৱৰ্তন।)*

গুচি গ'ল মোৰ একমাত্ৰ পুত্ৰ, ইংলেণ্ডলৈ। কোনোদিনেই উভতি নহাৰ সিদ্ধান্ত লৈ।

কি থাকিব পাৰে নাৰীৰ? দাবী নে অভিযোগ? কাৰ ওচৰত দাবী? কাৰ ওচৰত অভিযোগ? কাৰ ওচৰত অভিযোগ? শূন্য শূন্য ভাৱনা আৰু নিসংগতাৰে ভাৰাক্ৰান্ত সময়ে মোক চেপি ধৰে।

মহাকাব্য মেলি লওঁ। ফহিয়াই চাওঁ জুৰাখেলৰ দৰেই নাৰীৰ এই জীৱন। ৰিস্ক একোটা লৈ লোৱা হয়, জ্বলি যাব পাৰে শৰীৰ। ওলমি ৰ'ব পাৰোঁ ডিঙিত চিপ্‌জৰী লৈ। ক্ষত-বিক্ষত হৈ যাব পাৰে শৰীৰ, মৰ্মৰ্‌কৈ ভাঙি যাব পাৰে হৃদয়।

মুখ ঠেকেচা খাই বাগৰি পৰোঁ ধূলিত মুক্তকেশী পাঞ্চালী হৈ। অথবা জনক নন্দিনী হওঁ। য'ত নেথাকে অন্য কোনো পথ বসুমতীৰ গৰ্ভৰ বাহিৰে।

*(এইখিনি কথাৰ উপস্থাপন প্ৰতীকী। সোঁ-মাজত অৱস্থান কৰা কেন্দ্ৰীয় চৰিত্ৰই পাঞ্চালী আৰু জনক নন্দিনীৰ দুৰ্দশাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব। এই উপস্থাপনে প্ৰকৃততে তেওঁৰ মনৰ চিন্তাক প্ৰতিফলিত কৰিব। মূল চৰিত্ৰ অভিলেশ, অভিলেশৰ পত্নী আৰু অভিলেশৰ কৰ্মচাৰী ময়ূৰী।)*

মই কি কৰিছিলো সেইদিনা, যিদিনা মোৰ বিশ্বাসৰ ভেটিটোৰ শেষ টুকুৰা ইটাও থৰক-বৰক হৈ পৰিছিল। অথচ মই দুখী হোৱা নাছিলো মুঠেও।

মাৰ্ঘেৰিটাত থকা সৰু ভাই দিব্যেন্দুৰ ঘৰৰ পৰা মই খবৰ নিদিয়াকৈ হঠাৎ আহি ওলাইছিলো। উজ্জীৱন দিল্লীত আছিল। শাহু আছিল শিৱসাগৰত। আবেলিৰ সেই অসময়তো অভিলেশ ঘৰত আছিল, কিন্তু অকলে নাছিল। আছিল বৌ বৌ কৈ মোৰেই পিছে পিছে ঘূৰি ফুৰা অভিলেশৰ অফিচৰ সবাতোতকৈ কৰ্মচেতন কৰ্মী ময়ূৰী।

নাই, খং মোৰ উঠা নাছিল। পুতৌ উপজিছিল ময়ূৰীৰ প্ৰতি। কি পাব তাই অভিলেশৰ পৰা? পদোন্নতি? অলপ উপৰুৱা টকা? অকণমান বিলাসী সুখ। একোৰেই নাপাবি হতভাগিনী সেইকণ সুখৰ পৰা। নাৰীৰ কামেই হ'ল দিয়া। এইখন পৃথিৱীৰ পুৰুষৰ পৰা পাবৰ আকাংক্ষা কৰি কিবা জানো লাভ? কি দিব সেই পুৰুষে যি বাৰে বাৰে বিশ্বাস ভঙ্গ কৰিব পাৰে, যি পুৰুষে নাৰীৰ মৰ্যাদাক ভৰিৰে মোহাৰিব খোজে। ■

**ৰাহুল গোস্বামী**
*স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান)*

কলিয়াবৰ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ৪৯তম মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগে **'শৈশৱ আৰু নগৰ কেন্দ্ৰিকতা'** বিষয়ক থিতাতে লিখা অণুগল্প প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। সেই প্ৰতিযোগিতাৰ কেইটিমান নিৰ্বাচিত অণুগল্প মহাবিদ্যালয় আলোচনীত সম্পাদিত ৰূপত প্ৰকাশ কৰা হ'ল। —সম্পাদক

# এই যে মানুহবোৰ

কংকণ জ্যোতি শৰ্মা বৰদলৈ
*স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)*

"মা ভোক লাগিছে।"

ছোৱালীজনীৰ কান্দোন ভৰা স্বৰ।

"আজি একো এটা পোৱা নাই, দেখা নাই তই।"

জানকী খঙত একো নাই হৈ গ'ল।

তাই দিনটো ভিক্ষাৰ বাতিটো লৈ জোকাৰি আছে .......।

ভিক্ষা দিয়ক ছাৰি মানুহবোৰে তাইক দেখি ঘৃণাত মুখ কোঁচাই আঁতৰিহে গৈছে। বিলাসী গাড়ীবোৰৰ কাষলৈ যাবলৈ তাই ভয় কৰে। গাড়ীৰ ক'লা গ্লাছ নমাই বৰ গালি দিয়ে সিহঁতে। তাইৰ লেতেৰা পৰশ লাগি গাড়ীখন লেতেৰা হ'ব বুলি সিহঁতে তাইক আঁতৰলৈ খেদি পঠায়।

খেদা খাই পিছ হুঁহকি আহে জানকী। আকৌ ফুটপাথত বহি পৰে। ছোৱালীজনীক আঁকোৱালি লৈ গাড়ীবোৰলৈ চায়। মুখৰে কিবাকিবি বলকে, সিহঁতৰ ঐশ্বৰ্যক শাও দিয়ে। পিছপাকতে বেয়াও লাগে জানকীৰ। কিমান সুখী আছিল সিহঁতৰ গাঁৱৰ দিনবোৰ। তাইৰ শৈশৱ। গিৰিয়েক জীয়াই থকালৈকে সময়বোৰ।

জীয়েকজনীক গালি দিয়ো তাইৰ দুঃখ লাগে। তাইৰ কি দোষঙ্গ অকণমানিকা পেট হ'ল কি হ'ল— ভোকটো লাগিবই। তাইৰ অক্ষমতাক ছোৱালীজনীয়েনো কি বুজি পায়ঙ্গ কিন্তু দিনৰে দিনটো তেনেকৈ ৰ'দত বহি ভিক্ষা খুজি তাইৰ মূৰটো গৰম হৈ যায়। দিবপৰা বিলাকৰ অৱজ্ঞাৰ ক্ষোভ সেয়ে তাই ছোৱালীজনীৰ ওপৰতে জাৰে। কণমানিজনী নোহোৱা হ'লে হয়তো তাই কেতিয়াবাই স্বেচ্ছাই গুচি গ'ল হয় পৃথিৱী এৰি।

পিছফালৰ ৰালখনত আউজি ফুটপাথত ভৰি দুটা মেলি দি তাই অকণমান জিৰালে। জীয়েকক সাৱটি ধৰি দুগালত দুটা চুমা খালে। মূৰত হাতফুৰাই ক'লে, "খাবি দে কিবা এটা, কিবা এটা পাওঁচোন।"

চকুলো নিগৰি আহিল জানকীৰ। তাইৰ চকুত আগত দুখন ছবি ভাহি উঠিল— এখন গাঁৱৰ, শৈশৱত য'ত তাই ওমলিছিল। সিহঁত তেতিয়াও দুখীয়াই আছিল। কিন্তু গাঁওখনে সিহঁতক সহায় কৰিছিল। অন্ততঃ ভাতমুঠিৰ বাবে বাপেকে চিন্তা কৰিব লগা হোৱা নাছিল। পৰিশ্ৰমৰ বিনিময়ত অকল হাজিৰাৰ টকা কেইটাই পোৱা নাছিল, পাইছিল বহু মৰম। কিন্তু এতিয়াঙ্গ নগৰখনৰ বিলাসিতাৰ মাজত তাইৰ বাবে, কণমানি ছোৱালীজনীৰ বাবে নাই কাৰো এধানি মৰম, অকণমান সহানুভূতি .......। তাইৰ চুকৰ আগৰ এইযে মানুহবোৰ মানুহতো নহয়— একোটি পাষাণ। ■

# কেঁচামটিৰ ঘৰ

জিজ্ঞাসা দাস
*স্নাতক তৃতীয় ষাণ্মাসিক (কলা)*

মনত আছে মোৰ। সৰুতে এদিন মাক কৈছিলো- "মা, মই এই ওখ ওখ অট্টালিকাতকৈ সৰু সৰু মাটিৰ ঘৰবোৰ ভাল পাওঁ। আমিও এদিন এটি সৰু মাটিৰ ঘৰ সাজিম দেই মা।"

মুখত এমোকোৰা হাঁহি লৈ মায়ে কৈছিল- "হ'ব মাইনা, আমি এটি সৰু ঘৰ সাজিম, ঘৰৰ কাষত এজোপা বকুল ৰুম আৰু যেতিয়া সেই বকুল ফুলিব তাৰ ফুলেৰে আমি মালা গুঁঠিম।" তেতিয়াৰ পৰাই গাঁৱৰ সুন্দৰ পৰিৱেশটিৰ সপোনে বাৰুকৈয়ে আমনি দিছিল মোক।

দেউতাৰ চাকৰিৰ সূত্ৰে আমি গাঁৱৰ ঘৰ এৰি চহৰত থাকিব লগা হৈছিল। মই তেতিয়া তেনেই সৰু আছিলো। সৰুৰে পৰা চহৰৰ পৰিৱেশত ডাঙৰ হোৱা। কিন্তু গাঁৱৰ পৰিৱেশৰ মোহ বাৰুকৈয়ে লাগিছিল।

তাৰ কেইদিনমানৰ পিছতেই মোক মা-দেউতাই ফুৰবালৈ লৈ গৈছিল গাঁৱৰ ঘৰলৈ— মোৰ আইতাৰ ঘৰলৈ। বহুত স্ফূৰ্তিত আছিলো মই সৰু কেঁচা মাটিৰ ঘৰত থকাৰ হেঁপাহত। সচাকৈয়ে, গাঁৱৰ পৰিৱেশত মই যেন হেৰাই গৈছিলো। আইতাই চোতালত পাটীত বহি, বিচনীৰ বা দি দি সাধু শুনাইছিল আমাক। বিজুলী বাতিৰ সংযোগৰ পৰা বহুত আঁতৰত এখন গাঁৱত বুজি পাইছিলো মই বিচনীৰ বায়ে কিদৰে গা মন শাঁত পেলাই যায়। জোনাকী পৰুৱাৰ জিলমিল পোহৰত পাহৰিবলৈ বাধ্য হৈছিলো মই চোৱা কাৰ্টুনবোৰ। মাহীয়ে আদৰত বনাই দিয়া ভাত

মুঠি খাই টোপনিত ঢলি পৰিছিলো। গুচি গৈছিলো মিঠা মিঠা সপোনৰ ৰাজ্যলৈ। ৰাতিপুৱা সূৰ্যৰ মিঠা সৌৰভে পাহৰাইছিল চহৰৰ কৃত্ৰিমতা। কেইদিনমানৰ বাবে যেন এখন স্বৰ্গত বাস কৰিছিলো মই। এতিয়াও সেই স্মৃতি বুকুৰ একোণত সজীৱ হৈ আছে।

নগৰৰ কৃত্ৰিমতাই মোক কেতিয়াও গ্ৰাস কৰিব পৰা নাছিল। আজিও পৰা নাই আৰু নোৱাৰিবও কেতিয়াও। আজিও সময় পালে মোৰ পুৰণি গাঁওখনলৈ যাওঁ। চহৰৰ ৰংচঙীয়া কৃত্ৰিমতাৰ পৰা আঁতৰি কেঁচামাটিৰ ঘৰবোৰত থকা আন্তৰিকতাত অৱগাহন কৰিবলৈ। গাঁৱৰ সুৰভিৰ গোন্ধ ল'বলৈ। সুন্দৰবোৰক আকোঁৱালি ল'বলৈ। মোৰ এটাই আশা, হেৰাই যাওঁ যেন মই গাঁৱৰ সেই সুৰভিৰ মাজতেই, সুন্দৰতাৰ মাজতেই। ■

# সোণালী শৈশৱৰ পম খেদি

ৰাজশ্ৰী শৰ্মা
*স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)*

মাঘ বিহুৰ পুৱা। সুদূৰৰ পৰা ভাহি আহিছে এটি বিহুৰ কলি- 'মাছলে গৈছিলোং/একোৰে নাপালোং'। বৰষাই শোৱাৰ পৰা উঠি কোঠাটোৰ খিৰিকি কেইখন খুলি দিলে। এটি আৱেগে আহি তাইৰ হৃদয়ত খুন্দিয়াবলৈ ধৰিলে। শৈশৱৰ সেই সোণালী দিনৰ স্মৃতিয়ে তাইক ৰিঙিয়াই মাতিলে। কিমান যে মধুৰ আছিল সেই দিনবোৰ !

বৰষা এটি যৌথ পৰিয়ালৰ কন্যা। মাক-দেউতাকৰ একমাত্ৰ সন্তান যদিও তাই কেতিয়াও অকলশৰীয়া অনুভৱ কৰা নাছিল। বৰদেউতাৰ ল'ৰা জোন আৰু খুৰাকৰ ছোৱালী মইনা আছিল তাইৰ শৈশৱৰ খেলৰ লগৰী। বৰষা পঢ়া-শুনাত অতি মেধাৱী আছিল। HSLC পাছ কৰাৰ পিছত তাই উচ্চ শিক্ষাৰ বাবে গুৱাহাটীলৈ পঢ়িবলৈ আহে। ঘৰখন এৰি অহাৰ দুখে তাইত বৰকৈ আমনি কৰিছিল। কিন্তু পঢ়াৰ তাগিদাতেই তাই নীৰবে সহিছিল ঘৰখন এৰি অহাৰ ব্যথা। কিন্তু গুৱাহাটীলৈ আহি তাই সন্মুখীন হ'ল এখন যান্ত্ৰিক পৃথিৱীৰ। সকলো মাথো একো একোটা যন্ত্ৰচালিত মেচিন। চৌপাশে কেৱল প্ৰতিযোগিতা। নাই ইয়াত বিহু, পূজাৰ সঁচা আনন্দ, স্ফূৰ্তি। মাথো আছে কৃত্ৰিমতা।

"বৰষা, বাহিৰলৈ চাই কি আকাশ পাতল ভাবি আছ।" ৰুমমেট নিকিৰ মাতত তাই বাস্তৱলৈ উভতি আহিল। এইবোৰকে ভাবি থাকোঁতে কেতিয়ানো তাই দুচকু পানীৰে উপচি পৰিল, তাই গমেই নাপালে। গাঁৱৰ ঘৰখনৰ সেই মেজিঘৰৰ ভিতৰত কৰা ৰং-ধেমালি চিত্ৰখন তাইৰ চকুৰ আগত ভাহি উঠিল।

বৰষাই একো নভৰাকৈয়ে বেগটোত কাপোৰ কেইসজমান ভৰাই বাছষ্টেণ্ডৰ ফালে খোজ ল'লে। জোন, মইনা আৰু মাক-দেউতাকহঁতৰ মুখবোৰ মনলৈ অহাত তাইৰ দুই ওঁঠেদি এটি মিঠা হাঁহি বিৰিঙি উঠিল। তাই ঘৰমুখী বাছ এখনত উঠি পৰিল। খিৰিকিৰ কাষৰ চিটটোত তাই বহি ল'লে। গাড়ী চলিবলৈ ধৰিলে। তাইৰ মনটো এক অনামী আনন্দত মতলীয়া হৈ পৰিল। খিৰিকিৰে তাই দেখিলে— প্ৰকৃতিও যেন আনন্দত মতলীয়া হৈ পৰিছে। সূৰুযৰ সাতো ৰং গাত সানি ধাৰাৰ বুকুলৈ নামি আহিছে এজাক কিন্-কিনীয়া বৰষুণ। ■

# হেৰুৱা ৰং

পূজা শৰ্মা ফুকন
*স্নাতক তৃতীয় ষাণ্মাসিক (কলা)*

'ক্ৰিং.... ক্ৰিং....'

হঠাৎ বাজি উঠা টেলিফোনৰ শব্দত টোপনিৰ পৰা সাৰ পালে মাধৱে। ৰাতিপুৱাই ৰাতিপুৱাই বাজি উঠা টেলিফোনৰ শব্দই গোটেই ঘৰৰ পৰিৱেশটো যান্ত্ৰিকতালৈহে যেন ৰূপান্তৰ হ'ল।

"হেল্ল'.....", মাধৱে ফোনটো উঠালে।

"হেল্ল' মই মহেন্দ্ৰ হাজৰিকা। দীপ্তি ৱাইন বাৰৰ মেনেজাৰ।"

অচিনাকি মাতত মাধৱে অলপ ভয়েই খালে।

"হয় কওকচোন" মাধৱে ভয়ে ভয়ে সুধিলে।

"আপোনাৰ ল'ৰাই আমাৰ বাৰতেই কালি ৰাতি অলপ বেছিকৈ ড্ৰিংক কৰিলে, তেওঁ বৰ্তমান ইয়াতে বেহুচ হৈ আছে। আপোনালোকে লৈ যাওকহি।" মাধৱে অনুভৱ কৰিলে যে তেওঁৰ হাতটো যেন কঁপিবলৈ ধৰিছে।

এটি সুখৰ পৰিয়াল সিহঁতৰ। মালা, মাধৱ আৰু একমাত্ৰ পুত্ৰ শশাংক। একমাত্ৰ ল'ৰা বাবেই চাগৈ মাধৱে অকণো অসুবিধাত পৰিবলৈ দিয়া নাছিল শশাংকক। সৰুৰে পৰাই সি ব্যস্ত আছিল কেৱল টিভি, ভিডিঅ'গেম আৰু ম'বাইলত। কোনোদিনে টোপ এটাকে পৰিবলৈ দিয়া নাছিল আৰু আজি... ?

মাধৱৰ মনত পৰিল তাৰ শৈশৱৰ কথালৈ। দিনৰ দিনটো খেলি-ধূলি, আনৰ বাৰীৰ আম, কঁঠাল চুৰ কৰি খাই, পুখুৰীত গা ধুই গৰু চৰাই দিন কটাইছিল। সন্ধিয়া হোৱাৰ লগে লগে গোহালিৰ আগত জাগ দিছিল মহ খেদিবলৈ। সন্ধিয়া সময়ত বা ৰাতিপুৱাই দেউতাকৰ কাণত পৰিছিল মাধৱৰ দোষবোৰ। চুবুৰীয়াবোৰে গোচৰ দিছিলহি— "আজি আপোনাৰ ল'ৰাই অমুক কৰিলে, তমুক কৰিলে' এইবোৰ। আৰু পিছত সিও সাজু হৈছিল দেউতাকৰ বেতৰ কোব খাবলৈ।

কিন্তু নগৰত ঘৰ সজাৰে পৰা যেন এই সকলো সুখেই যেন নোহোৱা হৈ গ'ল। লাহে লাহে তাৰ নাম হ'ব ধৰিলে নগৰত। এতিয়া মাধৱ বৰুৱা বুলিলে সকলোৱে চিনি পায়।

এইবোৰ ভাবি ভাবিয়েই সি গাড়ীখন ষ্টাৰ্ট কৰিলে। কেতিয়া যে সি বাৰখন পালেহি গমেই নাপালে। গাড়ীৰ পৰাই সি দেখিলে কেইজনমানে শশাংকক ডাংকোলাকৈ এম্বুলেঞ্চত উঠাইছে।

মাধৱ যেন এতিয়া এক যন্ত্ৰমানৱহে। সি নজনাকৈ তাৰ হাতটো গাড়ীৰ চাবিলৈ গ'ল। এতিয়া তাৰ লক্ষ্য কি হ'ব পাৰে? হয়তো হস্পিতাল ....। ■

# জীৱন, সপোন আৰু শেষ প্ৰহৰৰ বাট

প্ৰণালী শৰ্মা
*স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান)*

"মোহন তোক কেইবাৰ ক'ম বাৰু, এৰাবাৰীৰ তললৈ নাযাবি। তাৰ ঔজোপাত বুঢ়া ডাঙৰীয়া থাকে হেনো। কথা ক'লে অলপ মন কাণ দিবিচোন।" হাত ভৰি আচাৰি গাৰ কাপোৰৰ পৰা খেৰ, বনগুটি এৰুৱাই থকা মাকৰ এই কথাবোৰ আজি মোহনৰ বাৰুকৈয়ে মনত পৰিবলৈ ধৰিলে, লগৰ নগেন, পিলিঙাহঁতৰ লগত কমখন পিত্‌পিতাই ফুৰিছিলনে সিহঁতে ... ...। শৈশৱৰ এইবোৰ ধেমালি ঘূৰাই পাবনে কেতিয়াবা এইদৰে?

"হেৰা, ব'লা গাঁৱলৈ যাওঁ, মনক স্কুলত দিয়াৰ পৰা আমাৰ গাঁৱলৈ যোৱাই হোৱাই নাই নহয়।" ঘৈণীয়েক নিৰ্মালিৰ মাতত মোহন উচপ্ খাই উঠিল। আও। গাঁও বুলিলে সাত জাঁপ মৰা নিৰ্মালিৰ আজি কি হ'ল ! কেঁচুৱাকালতে গাঁও গচকা মন আজি ১১ বছৰীয়া হ'ল, ক'তা ইমান দিনে এইযাৰ কথা নিৰ্মালিৰ মুখত সি শুনা নাছিল। তেনেহ'লে আজি??

"হ'ৰি কি ভাবিছে ইমানকৈ? বিহুটোও পাইছেহি নহয়, মই মা খুৰীদেউহঁতৰ লগতো কথা পাতিছোৱেই, দুদিন থাকি গুচি আহিম, হেৰি নহয় মানে পিঠা, লাৰুৰ প্ৰতিযোগিতা পাতিছে আমাৰ মহিলা সমিতিখনে; গতিকে ভাবিলো গাঁৱলৈও যোৱা হ'ব আৰু পিঠা-পনা দুটামানো আহোঁতে .... ....।"

অ' তাৰ মানে হঠাৎ এই গাওঁ প্ৰীতিৰ আঁৰৰ কথা এয়াহে। যি কি নহওঁক এই কথাযাৰ শুনাৰ ভাগ্য যেতিয়া হ'ল, পলম নকৰি যোৱাই ভাল। মোহনে গাড়ী উলিয়ালে।

"মন, অ' মন ..., এই ল'ৰাটো মানে, গাঁও পোৱাহিৰ পিছত অলপ সময়ো থিৰেৰে থকা নাই। আৰ ঘৰৰ কঁঠাল, তাৰ ঘৰৰ লেটেকু অশান্তি লগাই দিছে। গাটোৰো অৱস্থা নাইকিয়া কৰিছে। নিৰ্মালিয়ে ভোৰভোৰাই ভোৰভোৰাই মোহনৰ ওচৰ পালেহি।

"খেলিবলৈ দিয়া তাক, নগৰৰ আৱদ্ধ জীৱন, ভিডিঅ' গেমৰ পৰা ওলাই যি এই মুকলিমুৰীয়া জীৱনটো পাইছে। আৰু কিমাননো দিন, মাত্ৰ দুটা। তাৰ পাছতটো তাৰ আকৌ একেই আৱদ্ধ জীৱন", মোহনে ক'লে।

"এইবোৰ কাৰণেই মোৰ গাঁৱলৈ আহিব মন নাযায়।"

"মা অ' মা, চোৱাচোন মই কি পালো।" মনৰ মাতত সকলো উধাতু খাই বাহিৰলৈ আহিল, মনৰ হাতত এটা ডাঙৰ কচুপাত আৰু পাতটোত জিলমিলাই থকা দুটা সোণ পৰুৱা। হাত আৰু ভৰি বোকাময়। গাৰ অ'ত ত'ত খেৰ বন।

"পেলা সেইবোৰ।" নিৰ্মালিৰ বিকট চিঞৰত উচপ খাই উঠিল মন, "কৈছোনে তোক, পেলা সেইবোৰ"— এইবুলি নিৰ্মালিয়ে এক চৰ শোধালে মনক। হঠাৎ মোহন উঠিল আৰু একচাবেই নিৰ্মালিৰ ওচৰ পালেগৈ।

"নিৰ্মালি তোমাক আগতেও কৈছোঁ দুদিনীয়া শৈশৱ তাৰ মাত্ৰ, তাক উপভোগ কৰিবলৈ দিয়া। ঘূৰি চাই এদিন একোৱেই নেদেখিব সি জীৱনটোত, যন্ত্ৰ হৈ পৰিব সি কেৱল— ধনঘটা যন্ত্ৰ। মানৱীয়তা হেৰুৱাব। মই নিবিচাৰো মোৰ দৰে আৰু এজন মোহন আহক, মাক-দেউতাকক এৰি মৰম ভালপোৱাক এৰি যন্ত্ৰ হৈ পৰক। নিবিচাৰো।"

মনে ইতিমধ্যে পৰি ৰোৱা কচুপাতটো উঠাই লৈ এবাৰ মাকলৈ আৰু এবাৰ দেউতাকলৈ চাই ৰ'ল। ■

# কেঁচা মাটিৰ গোন্ধ

নন্দিতা বৰা
স্নাতক চতুৰ্থ যাণ্মাসিক (কলা)

বাপিৰামে আজি বজাৰৰ পৰা সোনকালে উভতিছে। তাৰ পুতেকে এইবাৰ মেট্ৰিক দিব। সি বহু কষ্টেৰে পুতেক দিগন্তক পঢ়ুৱাইছে। খেতিৰ শাক পাচলি বিক্ৰী কৰি যেনে তেনে দিগন্তক টিউচনৰ ব্যৱস্থাও কৰি দিছে। বাপিৰামৰ আশা দিগন্তই শিক্ষাৰে পূৰণ কৰিব। কালিলৈৰ পৰা তাৰ পৰীক্ষা আৰম্ভ হ'ব।

পিছদিনা পুৱা ঘৰখনত এক ব্যস্ততা বিৰাজ কৰিছে। মাকে ভাত ৰান্ধিছে, দিগন্তই ভালপোৱা শাক ভাজিছে। পথাৰৰ সৰু সৰু মাছকেইটা পাতত দিছে। তাৰ মাজতে চোতালতে থকা গোসাঁইঘৰত চাকি জ্বলাই আহিছে। বাপিৰামে দিগন্তই নিবলগীয়া বস্তুবিলাক সি ল'লে নাই তদাৰক কৰিছে। চাইকেলখনো মুচি নিকা কৰিছে। বাপিৰামে সেইখন চাইকেলতে দিগন্তক পৰীক্ষালৈ লৈ যাব। এনেকৈয়ে এদিন পৰীক্ষা শেষ হ'ল। এদিন ৰিজাল্ট ওলাল। ৰিজাল্ট ভবাৰ দৰেই হ'ল। দিগন্তই প্ৰথম বিভাগত চাৰিটা বিষয়ত লেটাৰসহ উত্তীৰ্ণ হৈছে। বাপেকে তাক বহু কষ্টেৰে চহৰৰ কলেজত নাম লগাই দিলে।

কিন্তু ইয়ে যে সময়ৰ গতিত বাপিৰামৰ জীৱনলৈ অন্ধকাৰ নমাই আনিলে। দিগন্তই মাহেকৰ মূৰত টকা বিচৰাৰ উপৰিও মবাইল, বাইকৰ বাবে বাপেকক হাৰাশাস্তি কৰিলে। চহৰৰ বতাহে দিগন্তক অতিকৈ আকৰ্ষণ কৰিলে। দিগন্তই পাহৰি গ'ল তাৰ শৈশৱ আৰু ঘৰৰ পৰিৱেশ। বাপিৰামৰ মূৰত সৰগ ভাগি পৰিল। পুতেকৰ জৰিয়তে দেখা জীৱনৰ সপোনবোৰ ধূলিসাৎ কৰি দিলে দিগন্তৰ চহৰীয়া বতাহে। বাপিৰামে আজি ভাবি পাৰ পোৱা নাই কিয় আজিৰ প্ৰজন্মই নিজক পাহৰি যায়। সিহঁতৰ জীৱন ক'ৰ পৰা আৰম্ভ হৈছে আৰু কেনেদৰে আগবাঢ়িছে সেয়া চহৰীয়া বন্ধু বা বান্ধৱীক লগ পাই কিয় পাহৰি যায়? আজি যেন তাৰ পুতেক দিগন্তৰ ক্ষেত্ৰতো ব্যতিক্ৰম নহ'ল। এয়াই নৱপ্ৰজন্ম, যাৰ হাতত নাই পিতৃ-মাতৃৰ জীৱন আৰু সপোনৰ মূল্য।

আজি উপলব্ধি কৰিছে বাপিৰামে তাৰ এই গাঁৱৰ পৰিৱেশেই সুন্দৰ। কেঁচামাটিৰ গোন্ধে কেতিয়াও নিদিয়ে চহৰীয়া জীৱনৰ যন্ত্ৰৰ দৰে পৰিচালিত জীৱন। এই কেঁচামাটিতে লুকাই আছে জীৱনৰ সুখ, আনন্দ আৰু কষ্টৰ আঁৰত প্ৰাপ্তিৰ আনন্দ। ■

# ৰাজযোৰা

ধ্রুৱজ্যোতি শৰ্মা, প্ৰাক্তন ছাত্ৰ

বাটে-ঘাটে, দোকান-পোহাৰে, পূজাই-পাৰ্বণে অত ছোৱালী দেখা যায় অথচ বিয়া পাতিব খুজিলে ছোৱালী এজনী পাবলৈ নাই। কোনোবাজনী যদি দেখাত পছন্দ হয়, পঢ়াশুনা কম। কোনোবাজনীৰ যদি পঢ়াশুনা আছে, চৰিত্ৰ বেয়া। কোনোবাজনী যদি পৰমা সুন্দৰীও, পঢ়াশুনাতো নাম কৰা, গুৰি-গোষ্ঠী ভাল নহয়। মুঠতে কিবা নহয় কিবা এটা নিমিলেগৈ। নিমিলা অংক!

চৈতন্যৰ অৱস্থাও এনেকুৱাই হৈছে। সি বিয়া পাতে, কিন্তু ছোৱালী পোৱা নাই। সম্বন্ধ আহে, কিন্তু ছোৱালী চোৱাৰ ওচৰ নাপায়গৈ। উপযুক্ত কাৰণবোৰতে আধাবাটতে থমকি ৰয়। চৈতন্যৰ পাত্ৰীৰ কাৰণে অহোপুৰুষাৰ্থ কৰা সৰু মোমায়েকে তাক কয়— "অলপ এৰা-ধৰা কৰিব লাগিব বুইছ? যোলঅনা ক'ত পাবি?"

"যোলঅনা নাপালেও চাৰিঅনাতো পাব লাগিব! ময়ো একেবাৰে এলাইবাদু নহয়!"— চৈতন্যই উষ্মা প্ৰকাশ কৰে। তাৰ কথা মিছা নহয়। বৰ্তমানৰ বিয়াৰ বজাৰখনত তাৰ দাম অলপ উচ্চ বুলিয়েই ক'ব পাৰি। চৈতন্যৰ এটা চৰকাৰী চাকৰি আছে। দা-দৰমহা ভাল। টেবুলৰ তলেদিও দুই-চাৰি টকা আহে। তাৰ ঘৰ-দুৱাৰ দেউতাকেই সাজি থৈ যোৱা যদিও বেয়া নহয়, চকুত লগাই। আধুনিক সকলো সা-সুবিধাই ঘৰখনত বিদ্যমান। অন্ততঃ আৰু বিছ-ত্ৰিছ বছৰলৈ সি ঘৰ-দুৱাৰৰ চিন্তা নকৰিলেও হ'ব। তাৰ প্ৰজন্মই এইটো ঘৰতে জীৱনৰ ইতি পেলাব পাৰিব। বিয়াৰ ক্ষেত্ৰত চৈতন্যৰ মাথো এটাই বিয়োগাত্মক দিশ— তাৰ অলপ বয়স হৈছে। বৰ বেছিও নহয়— দুকুৰি। এই ক্ষেত্ৰত তাৰ দোষ নাই। তাৰ তলত তিনিজনী ছোৱালী। তিনিওজনী ভনীয়েকক বিয়া দি আজৰি হোৱাৰ পাছতহে সি নিজে বিয়া কৰোৱাৰ সিদ্ধান্ত লৈছিল। আৰু আজিকালি ল'ৰাৰ কাৰণে চল্লিছ বছৰ একো বেছি বয়স নহয়। ছোৱালীহে কুৰিতে বুঢ়ী! অৱশ্যে আগৰ দিনত হোৱাহেঁতেন ইমানদিনে সি নাতিৰ মুখেই দেখিলেহেঁতেন। কিন্তু আগৰ দিনৰ লগত এতিয়াৰ দিনৰ তুলনা নহয়। আগতে প্ৰাপ্তবয়স্ক হোৱাৰ পাছত মানুহৰ বিয়া কৰোৱাটোৱেই প্ৰধান কাম আছিল। এতিয়া পঢ়া-শুনা, চাকৰি-বাকৰি, প্ৰেম-পীৰিতি— তাৰপাছতহে বিয়া।

চৈতন্যহঁতৰ মীনু মাহী ধেমেলীয়া স্বভাৱৰ। তেওঁ কেতিয়াবা সিহঁতৰ ঘৰলৈ আহিলে তাক কয়— "তইনো নিজেই ছোৱালী এজনী পছন্দ কৰি নথ'লি কিয়? তেতিয়া ছোৱালী বিচাৰি হাবাথুৰি খাবলগীয়া নহ'লহেঁতেন।"

চৈতন্যই নজনা ভাও ধৰি ওলোটাই মাহীয়েকক সোধে— "ছোৱালী পছন্দ কৰা মানে প্ৰেম কৰাৰ কথা কৈছা নেকি মাহী?"

"অঁ, আৰুনো কি কৈছোঁ! কত ল'ৰাই পঢ়ি থকা কালতে ছোৱালী ঠিক কৰি থয়! তইতো দেখাই-শুনায়ো ভাল। তোৰনো কোনো এজনীৰ লগতে হাব-ভাব হোৱা নাছিলনে?"

"প্ৰেম বস্তুটো তেনেকুৱা নহয় নহয় মাহী!"

"কেনেকুৱানো?"

"মোৰ জানিবা কাৰোবাক ভাল লাগিলেই, কিন্তু তেওঁৰ মোক ভাল নালাগিবও পাৰে!"

"তাৰ মানে তই কাৰোবাৰ প্ৰেমত পৰিছিলি?"

"তেনেকুৱা বুলিয়েই ধৰা। পিছে প্ৰকাশ কৰিবহে নোৱাৰিলোঁ।"

"এতিয়া সেই ছোৱালীজনী আছেনে নাই?"

"কিয়া সুধিলা?"

"আছে যদি তোৰ হৈ ময়েই কথাটো কওঁগৈ। তায়ো কিজানি মনে মনে তোকেই পছন্দ কৰি থৈছে!"

"ভাল কথা কৈছা! তাইৰ ছোৱালীয়ে এইবাৰ মেট্ৰিক দিব।"

"উ....। আগৰ দিনত হোৱাহেঁতেন তই তাইৰ ছোৱালীকে বিয়া পাতিব পাৰিলিহেঁতেন।" মাহীয়েকৰ কথা একেবাৰে মিছা নহয়। আগৰ দিনত দৰা-কইনাৰ বয়সৰ পাৰ্থক্যটো বহুত বেছি থাকে। চৈতন্যৰ আইতাক ককাতকৈ হেনো ত্ৰিছ বছৰৰ সৰু আছিল। অৱশ্যে আইতাক ককাকৰ দ্বিতীয় পত্নীহে আছিল। প্ৰথমগৰাকীৰ তৃতীয়টো সন্তান জন্ম হোৱাৰ পাছতে মৃত্যু ঘটাত ককাকে দ্বিতীয় বিবাহ কৰিছিল। চৈতন্যৰ দেউতাক দ্বিতীয়গৰাকীৰহে সন্তান।

চৈতন্যৰ বৰআইতাকৰ ফালৰ কোনোবা এলেকৰ পেলেক মিতিৰ এঘৰেই এদিন খবৰ এটা আনিলে— ছোৱালী এজনী পাইছে। দেখাই-শুনাই, শিক্ষা-দীক্ষাই, স্বভাৱে-চৰিত্ৰই সকলোফালৰ পৰাই চমৎকাৰ। বয়সো মিলিব। গতিকে চৈতন্য ছোৱালী চাবলৈ যাব লাগে।

ছোৱালী চাবলৈ চৈতন্যই সৰু মোমায়েকক লগ ল'লে। তেওঁ তাৰ কাণসমনীয়া। বন্ধুৰ দৰে। এনেকুৱা ঘৰুৱা কথাবোৰত চৈতন্যই সদায় মোমায়েকৰে সহায় লয়। সকলো কথা মুকলিকৈ পাতিব পাৰে কাৰণে।

চৈতন্যহঁতক পদুলিমুখৰ পৰাই ছোৱালীৰ ঘৰৰ মানুহে আলহ-উদহকৈ আগবঢ়াই নিলে। মাক-দেউতাকৰ লগত প্ৰাথমিক কথা-বতৰাখিনি শেষ হোৱাৰ পাছতে হাতত তামোল-পাণৰ বটা লৈ ছোৱালী চৈতন্যহঁতৰ আগলৈ ওলাল। পহিলাতে মোমায়েকেই কথা-বতৰা আৰম্ভ কৰিলে। চৈতন্যই সংকোচ নকৰি পোনপটীয়াকৈয়ে ছোৱালীলৈ চকু দিলে। ছোৱালী দেখাই-শুনাই, গাই-গাৰিয়ে সঁচাকৈয়ে ভাল। কিন্তু সেই মুহূৰ্ত্তে ছোৱালীজনীয়ে কথা হৈ থকা মোমায়েকলৈ চকুটিপ এটা মাৰি দিয়াত সি অবাক হ'ল। মোমায়েকেও থত্‌মত্ খালে। তেওঁ ছোৱালীজনীক ক'লে— "মই নহয়, এওঁহে তোমাৰ সম্ভাব্য দৰা।"

"জানো।"— ছোৱালীজনীয়ে লাজ লাজকৈ ক'লে।

"তেনেহ'লে তুমি মোলৈ চকুটিপ মাৰিলা যে?"

"এইটো মোৰ মুদ্ৰাদোষ।"

"কি?"

"ওঁ, এইটো কাৰণতে ইয়াৰ আগতে মোৰ চাৰিখন বিয়া ভাগিল।"

"তোমাৰ এইখন বিয়াও ভাগিল বুলি ধৰি লোৱা।"— চৈতন্যৰ মুখৰ পৰা গাণ্ডীবৰ শৰৰ দৰে ফটকৈ কথাষাৰ ওলাই আহিবলৈ ধৰিছিল যদিও সি বহু কষ্ট কৰি জিভাখন সম্বৰণ কৰিলে।

ইয়াৰ পাছৰ সময়খিনি চৈতন্যই বৰ যান্ত্ৰিকভাৱে পাৰ কৰিলে। ছোৱালীঘৰে আপ্যায়নত অকণো হেমাহি কৰা নাছিল। তথাপি সি আন্তৰিকতাৰে সেয়া উপভোগ কৰিব নোৱাৰিলে।

চৈতন্যই বাটতে উৰহৰ খং ভগা ঢাৰিত জাৰিলে—"তোমালোকে ছোৱালীজনীৰ বিষয়ে আগতেই সকলো কথা জানি ল'ব লাগিছিল!"

"কিয়, কি হ'লনো?"— মোমায়েকে কথাটো জানিও নজনাৰ ভাও জুৰিলে।

"মোকহে আকৌ ওলোটাই সুধিছা? নে ছোৱালীজনীয়ে চকুটিপ মৰা কাৰণে তুমি একেবাৰে গলি গ'লা?"

"অ', সেইটো কথা? সেইটো দোষৰ বাহিৰে ছোৱালীজনীতো সকলোফালৰপৰা ভাল ! তই কিন্তু এইবাৰ না নকৰিবি।"

"কথা হ'ল নেকি? মই অকালত ঘাঁহ খোৱা বাঘ নহওঁ দেই। ভালদৰে জানিবা। তুমি কল্পনা কৰাচোন— বিয়াৰ পাছত মোৰ কইনা চাবলৈ বন্ধু-বান্ধৱ আহিছে আৰু তাই চাহ-তামোল দিবলৈ গৈ এফালৰ পৰা সকলোকে চকুটিপ মাৰি গৈছে। মানুহবোৰে কি ভাবিব? অলপ লম্পটকেইটাইতো পেটে পেটে বেলেগ কিবাই ভাবি ল'ব!"

ইয়াৰ ছমাহ পাছতে আৰু এটা সম্বন্ধ আহিল। এইবাৰ সম্বন্ধটো আনিলে মীনু মাহীৰ দেওৰেকৰ শালপতিয়েকৰ ভতিজাকৰ বন্ধু এজনে। এইজনী ছোৱালীও দেখাই-শুনাই, শিক্ষাই-দীক্ষাই, স্বভাৱে-চৰিত্ৰই সকলো ফালৰ পৰাই উপযুক্ত। একমাত্ৰ সমস্যাটো হ'ল— ছোৱালজনীৰ ঘৰ ঘাইপথৰ পৰা প্ৰায় ত্ৰিছ কিল'মিটাৰ সোমোৱা। এছোৱা ৰাস্তা বৰ বেয়া। বানপানীয়ে প্ৰতিবছৰে কঁকাল ভাঙি থৈ যায়। আকৌ ঘাইপথৰ পৰা ফাটি যোৱা ৰাস্তাটোৰেদি চিধা-চিধি গ'লেই যে ছোৱালীৰ ঘৰ পায়গৈ, সেইটো নহয়। এইটো ৰাস্তাৰ পৰাও আন এটা ৰাস্তা ফাটি গৈছে। সেইটো ৰাস্তাইদি দহ কিল'মিটাৰমান গৈ আকৌ ডেৰ কিল'মিটাৰ আন এটা সৰু ৰাস্তাইদি খোজকাঢ়ি গৈহে লক্ষ্যস্থানত উপনীত হ'বগৈ পাৰি। এইখিনি কথা জনাৰ পাছত চৈতন্যৰ মন কোঁচ খাই গৈছিল। কিন্তু সৰু মোমায়েক জোক লগাদি লাগিল তাক— "ব'লচোন ব'ল। আন একো নহ'লেও আমাৰ অভিজ্ঞতাৰ ভঁৰালটোতো চহকী হ'ব!"

"এনেকুৱা অভিজ্ঞতা বঢ়াই একো লভা নাই বুইছা? মিছা-মিছিকৈ সময়ৰ অপব্যয়, টকা-পইছাৰ খৰচ, দেহৰ কষ্ট।"

"হেৰ', কেতিয়াবা জুপুৰা হাবিতো বাঘ থাকে। কিজানি এইবাৰ যোৱাটো মিলেগৈয়ে! আৰু মানুহে কষ্ট কৰিলেহে ৰত্ন পায় বুলি জানই দেখোন !"

মোমায়েকে চৈতন্যক জোৰ কৰাৰ আৰু এটা কাৰণ আছে। ছোৱালী চাবলৈ গ'লে প্ৰতিঘৰ মানুহেই ৰাজসিক আপ্যায়ন আগবঢ়ায়। মোমায়েক পেটুক মানুহ। গতিকে তেওঁ এই সুবিধাটো কেতিয়াও এৰিব নোখোজে।

মোমায়েকে খৰচ কমাবলৈ বাছেৰেই যোৱাৰ প্ৰস্তাৱ দিছিল যদিও চৈতন্যই ৰিস্ক ল'বলৈ ভয় কৰিলে। গতিকে সি গাড়ী এখনকে ভাৰা কৰিলে।

ঘাইপথৰ পৰা সোমাই যোৱা উপপথটোৰেদি পহিলা বিছ কিল'মিটাৰমান চৈতন্যহঁত একো বাধা-বিঘিনি নোপোৱাকৈয়ে পাৰ হ'ল। কিন্তু বানপানীয়ে ভ্ৰমি যোৱা ৰাস্তাডোখৰ পোৱাৰ লগে লগে ড্ৰাইভাৰে জোৰেৰে ব্ৰে'ক কচি গাড়ীখন ৰখাই দিলে। চৈতন্য আৰু মোমায়েকে পিছফালে বহি কথাৰ মহলা মাৰি গৈছিল। অসতৰ্ক হৈ থকা বাবে তেওঁলোকে আগলৈ হাওলি গৈ কপালত ভালকৈয়ে খুন্দা খালে। চৈতন্যৰতো বিৰিংগুটিৰ সমান টেমুনা এটাই উঠি গ'ল। মোমায়েকে আচৰিত হৈ ড্ৰাইভাৰক সুধিলে— "কি হ'ল? আগত কিবা গৰু-ছাগলী পৰিল নেকি?"

"নাই পৰা।"— ড্ৰাইভাৰ গাড়ীৰ পৰা ছাবিটো লৈ নামি আহিল।

"তেনেহ'লে কিয় ৰখালা গাড়ীখন?"

"মই এইটো ৰাস্তাইদি গাড়ী নিব নোৱাৰোঁ।"

"কিয়?"

"এইটো আৰু ৰাস্তা হ'ল নেকি?"

"কিন্তু তোমাকতো আমি দস্তুৰমত ভাৰা কৰি আনিছোঁ!"

"সেইবুলিহে মই গাড়ীখন বেয়া হ'বলৈ দিব নোৱাৰো নহয়। আপোনালোকে মোক তিনি হাজাৰহে দিব। গাড়ীখন বেয়া হ'লে মোৰ যে তাৰ চাৰি-পাঁচগুণ যাব।"

চৈতন্য আৰু মোমায়েকো গাড়ীৰ পৰা নামি আহিল। সঁচায়ে সন্মুখৰ ৰাস্তাটোৰেদি গাড়ীতো বাদেই, ভৰিও ভালদৰে নচলিব। কি কৰা যায় এতিয়া? ইমান দূৰ বাট আহি এতিয়াতো আৰু ঘূৰি যাব নোৱাৰি। মোমায়েকে প্ৰস্তাৱ দিলে— নহ'লে এইখিনি বাট খোজকাঢ়িয়েই যাওঁ।"

"মই নোৱাৰোঁ দেই। কোনোবা বিশ্বসুন্দৰীয়ে অপেক্ষা কৰি থাকিলেও মই ইমান দূৰ বাট খোজকাঢ়ি গৈ ছোৱালী চাবগৈ নোৱাৰোঁ।"

"তেনেহ'লে কি কৰিবি এতিয়া?"

"নহ'লে এটা কাম কৰা।"

"কি?"

"মোৰ হৈ তুমিয়েই ছোৱালীজনী চাই আহাগৈ। মই ড্ৰাইভাৰৰ লগত গাড়ীতে বহি থাকোঁ।"

"হেৰ', মই ছোৱালী চাবলৈ বিয়া মই পাতিমনে, তই পাতিবি?"

সেই সময়তে দূৰত বাটৰুৱা এজন দেখা পায় মোমায়েকে চৈতন্যক ক'লে—"ৰচোন, সৌ মানুহজনক সুধি চাওঁ— কিবা কৰিব পাৰে নেকি।"

"সোধাচোন বাৰু।"

বাটৰুৱাজন ওচৰ চপাৰ লগে লগে মোমায়েকে তেওঁক সুধিলে— "হেৰি, ইয়াৰ পৰা সান্দহখোৱালৈ যাবলৈ বেলেগ কিবা উপায় আছে নেকি?"

"আছে।"— উত্তৰটো মানুহজনৰ ওঁঠত যেন লাগিয়েই আছিল।

"কি উপায় কওকচোন।"

"আপুনি ওচৰৰে কোনোবা এঘৰৰ পৰা চাইকেল এখন লৈ লওক।"

"আমি অচিনাকি মানুহক আকৌ দিয়েনে নিদিয়ে বা।"

"দিব। মাত্ৰ ত্ৰিছ-চল্লিছ টকা কিবা এটা দিব লাগিব।"

"ত্ৰিছ-চল্লিছ নালাগে পঞ্চাছ-ষাঠিয়েই দিম। মুঠতে চাইকেলখন পালেই হ'ল।"

বাটৰুৰাজনেই ওচৰৰ মানুহ এঘৰৰ পৰা চাইকেল এখন যোগাৰ কৰি দিলে। কিন্তু তাৰ বিনিময়ত চৈতন্যহঁতে কিবা এটা বস্তু বন্ধকত থ'বলগীয়া হ'ল। অচিনাকি মানুহ। ক'বতো নোৱাৰি— চাইকেলখন লৈ যদি পলাই পত্ৰং দিয়ে। চৈতন্যই হাতৰ আঙঠিটোকে খুলি দিব খুজিছিল যদিও কিবা এটা ভাবি মোমায়েকে মানা কৰিলে। তেওঁ ড্ৰাভাৰজনক বুজাই মেলি গাড়ীৰ ছাবিটোকে বন্ধকত থ'লে। কাৰবাৰটোত চৈতন্যৰ পেটে পেটে খুব হাঁহি উঠিল। এখন চাইকেলৰ বদলি এখন গাড়ী। কম কথা নহয়।

মোমায়েক শকত-আৱত, চৈতন্য খীন-মীন। কিন্তু সেই বুলিয়েই সিটো আৰু মোমায়েকক চাইকেল চলাবলৈ ক'ব নোৱাৰে। গতিকে..।

আশী কিল' ওজনৰ মোমায়েকক চাইকেলত তুলি, বানপানীয়ে গৰকা ওখোৰা-মোখোৰা ৰাস্তাইদি দহ কিল'মিটাৰ বাট গৈ চৈতন্য যেতিয়া ছোৱালীঘৰৰ পদূলিমুখত উপস্থিত হ'লগৈ, তেতিয়া আৰু তাৰ ছোৱালী চোৱাৰ শেষ ইচ্ছাকণো ধূলিসাৎ হৈ গৈছিল। তাৰ ইস্ত্ৰি কৰা চোলাটো ঘামত তিতি লেতু-সেতু হৈ পৰিছিল, গাৰপৰা পাৰফিউমৰ সুবাসৰ সলনি ঘামৰ লুণীয়া-টেঙেচীয়া গোন্ধ নিৰ্গত হৈছিল।

চৈতন্যহঁতৰ দুৰৱস্থা দেখি ছোৱালীৰ দেউতাকে খেদ প্ৰকাশ কৰি ক'লে— "আপোনালোকে খবৰ এটা দিয়া হ'লেই হয়। আমি কিবা উপায়েৰে সেইখিনিৰ পৰা লৈ আহিলোঁগৈ হয়।"

"হেৰি, আপোনালোকক খবৰ দিম কেনেকৈ কওকচোন?" আপোনালোকৰ ইয়াত ফোনৰ একো টাৱাৰেই নাই।"— মোমায়েকে উষ্মা প্ৰকাশ কৰিলে।

"টাৱাৰ আছিল বুইছে? বানপানীয়ে উটুৱাই নিলে বুলিহে! কোম্পানিত দৰখাস্ত কৰা হৈছে। কেতিয়াবা বহুৱাব চাগৈ।"

সান্দহখোৱাত ফোনৰ টাৱাৰ নাথাকিলে কি হ'ল ! ফোন হ'লে প্ৰত্যেকৰে হাতে হাতে। মানুহে ফোনেৰে কথা পাতিব নোৱাৰিলে কি হ'ল ! গান শুনিবতো পাৰে, গেম খেলিবতো পাৰে?

এইবাৰ প্ৰথম দৃষ্টিতেই চৈতন্যৰ ছোৱালী পছন্দ হ'ল। মোমায়েকে এইবাৰ পহিলাতে ছোৱালীৰ লগত কথা নাপাতিলে। চৈতন্যক ছোৱালীৰ লগত আছুতীয়াকৈ কথা-বতৰা হ'বলৈ সুবিধা কৰি দি বহা কোঠাৰ পৰা ওলাই আহিল। প্ৰাথমিক কথা-বাৰ্তাখিনি শেষ হোৱাৰ পাছত ছোৱালীয়ে চৈতন্যক ক'লে— "আপোনাৰ যদি মোক পছন্দ হৈছে, মোৰো আপোনাক বিয়া কৰোৱাত একো আপত্তি নাই। কিন্তু মোৰ চৰ্ত এটা আপুনি মানি ল'ব লাগিব।"

"কি চৰ্ত?"—চৈতন্যৰ কপালৰ গাঁঠি থুপ খালে।

"আপুনি মোক মাহত এবাৰ ইয়ালৈ আনিব লাগিব।"

"কি?"

"ওঁ, আমাৰ নামঘৰত থকা ক'লীয়া গোসাঁই প্ৰতিমাহতে পূৰ্ণিমাৰ দিনাখন জাগ্ৰত হয়। সেইদিনা আমি সবেই তেওঁক পূজা-অৰ্চনা কৰোঁ। বিয়াৰ পাছতো মই এই কামটো কৰি থাকিব খোজোঁ। নহ'লে আমাৰ অমংগল হ'ব।"

"কিন্তু তোমালোকৰ ইয়ালৈ মাহত এবাৰকৈ আহিবলৈ হ'লে এবছৰতে মোৰ আটাইবোৰ হাড়ৰ জোৰা সুলকি যাব, মোৰ আয়ুস কমেও দহ বছৰ কমি যাব !"

"আপুনি এনেয়ে ভয় কৰিছে। আমাৰ ইয়াৰ মানুহতো এইবোৰ ৰাস্তাইদি অহা-যোৱা কৰি আছে। ক'তা, কোনোতো আওমৰণে মৰা নাই!"

"হ'লেও মই তোমাক এতিয়াই কথা দিব নোৱাৰোঁ। মই ঘৰত গৈ কথাটো চিন্তা কৰি চাব লাগিব।"

ঘৰলৈ বুলি উভতি আহোঁতে চৈতন্যই চাইকেলৰ ওপৰতে মোমায়েকক ক'লে— "বুইছা মামা, এইবাৰো বিয়াখন নহ'বগৈ।"

"কিয়? এইবাৰতো ছোৱালীজনীৰ মই একো খুঁত দেখা নাই।"

চৈতন্যই মোমায়েকক ছোৱালীজনীৰ চৰ্তটো কোৱাৰ পাছত তেওঁৰো মনটো কোঁচ খাই গ'ল। মোমায়েকে আৰু চৈতন্যক জোৰ নকৰিলে।

ইয়াৰ চাৰিমাহ পাছতে চৈতন্যই আৰু এজনী ছোৱালী চালেগৈ। এইবাৰ পিছে একো আহুকাল নোহোৱাকৈয়ে কামফেৰা সম্পন্ন হ'ল। চৈতন্যৰ নিজতকৈও মোমায়েকৰ মনটো বেছি ভাল লাগিল। ভাগিনিয়েকৰ বিয়াৰ কাৰণে তেওঁতো কম কষ্ট কৰা নাই!

কিন্তু ভবা কথা নহয় সিদ্ধি, বাটত আছে কণাবিধি। চৈতন্যই ছোৱালী চাই অহাৰ এসপ্তাহ পাছতে এটা অচিনাকী নম্বৰৰ পৰা তালৈ এটা ফোন আহিল— "আপুনি চৈতন্য বৰুৱা হয়নে?"

"হয়। আপুনি কোনে কৈছে?"— চৈতন্যই ওলোটাই সুধিলে।

"মই কোন জানি আপোনাৰ একো লাভ নহ'ব। বিশেষ কথা এটাৰ কাৰণে আপোনালৈ ফোন কৰিলোঁ।"

"কওকচোন।"

"আপুনি এসপ্তাহমান আগতে যিজনী ছোৱালী চাই আহিল, সেইজনী ছোৱালীক বিয়া কৰাব নোৱাৰে?"

"কাৰণটো জানিব পাৰোঁনে?"

"নিশ্চয়। ছোৱালীজনী— আই মিন পূৱালীৰ মোৰ দীৰ্ঘদিনীয়া প্ৰেমৰ সম্পৰ্ক আছে।"

"তেনেহ'লে ইমান দিনে আপুনি তেওঁক বিয়া কৰোৱা নাই কিয়?"

"মই কৰাব খোজোঁ। কিন্তু তাইহে হ'ব নোখোজে।"

"কিয়?"

"মোৰ চাকৰি নাই বাবে।"

চৈতন্যৰ আৰু কথা বঢ়াবলৈ মন নগ'ল। এনেকুৱা ঘটনা আজিকালি প্ৰায়ে ঘটি থাকে। প্ৰেম কাৰোবাৰ লগত, বিয়া কাৰোবাৰ লগত। পাছত গৈ অশান্তি হয়গৈ। বহুতৰে ডিভোৰ্চ পৰ্যন্ত হয়গৈ।

কথাটোৰ চয়-নিশ্চয় জানিবলৈ চৈতন্যই লগে লগে পূৱালীলৈ ফোন লগালে। তাই কথাটো একমুখে স্বীকাৰ কৰি লোৱাত তাৰ মনটো দমি গ'ল। গতিকে চৈতন্যই পূৱালীক বিয়া নকৰোৱাটোকে সিদ্ধান্ত কৰিলে।

ইয়াৰ পাছতো চৈতন্যলৈ কেইবাটাও সম্বন্ধ আহিল, কিন্তু এজনী ছোৱালীৰ লগতো তাৰ বিয়াখন নহ'লগৈ।

চৈতন্যৰ বৰ্তমান বয়স আঢ়ৈকুৰি। বিয়াৰ চিন্তাতে তাৰ মূৰৰ চুলি সৰি নোহোৱা হ'ল। খট দুটাৰ ওপৰত আৰু পিছফালে দুডালমান আছেগৈ মাথোঁ। ৰ'দত ওলাই গ'লে তাৰ তপা মূৰটো আঁতৰৰ পৰা ওলোটাই থোৱা কাঁহৰ বাটি যেন দেখি। আজিকালি ওচৰ-চুবুৰীয়া কোনোবাই ৰাতি ভুলক্ৰমে সাপৰ নাম উচ্চাৰণ কৰিলে তিনি তপাৰ নাম স্মৰণ কৰোঁতে তাৰ নামটোও কৰে। চৈতন্যই এতিয়া আৰু বিয়াৰ আশা প্ৰায় এৰিয়েই দিছে। সৰু মোমায়েকে পিছে এৰা নাই।

তেওঁ বিয়াৰ কথা উলিয়ালে সি কয়—“এতিয়া আৰু বিয়া কৰাই কি লাভ কোৱাচোন? জীৱনৰ পঞ্চাছটা বছৰ বৰলা ভাত খায়ে পাৰ কৰিলোঁ। বাকীকেইটা দিনো এনেকৈয়ে পাৰ কৰি দিম আৰু!”

“হেৰ’, বুঢ়াকালত তোক চাব কোনে?”

“এতিয়া হ’বলা মই ডেকা হৈ আছোঁ?”

“ৰচোন ৰ। মনটো ইমান পেলাই নিদিবি। সিদিনা পেপাৰ এখনত পঢ়িবলৈ পাইছিলোঁ— অষ্ট্ৰেলিয়াত সত্তৰ বছৰ বয়সত বিয়া পাতি মানুহ এজনে বৰলা জীৱনৰ ওৰ পেলাইছে। তোৰতো পঞ্চাছহে হৈছে!”

মোমায়েকেই অ’ত ফৰ্মুটি মাৰি ত’ত ফৰ্মুটি মাৰি আৰু এটা খবৰ আনিলে। কিন্তু এইবাৰ সমস্যাটো আহিল খোদ চৈতন্যৰ পৰা— তাৰ তপামূৰটোৰ পৰা। খবৰ অনা মানুহৰ আগত ছোৱালীয়ে কৈ পঠাইছে— ল’ৰা কণা হওক, খোৰা হওক— তাত তাইৰ আপত্তি নাই, কিন্তু তপা হ’ব নোৱাৰিব। তপা মানুহক একদম ভাল নাপায় তাই। কিবা হেনো শকুনি মোমাই, শকুনি মোমাই লাগে। কি হ’ব এতিয়া? এইটো সুবিধাও দেখোন হাতচাৰা হৈ যাব এতিয়া ! মোমায়েকেই শকুনি মোমাইৰ বুধি দিলে চৈতন্যক— “ছোৱালী চাবলৈ যাওঁতে তই টুপী পিন্ধি যাবি। তোৰ পিছফালে আৰু খটৰ ওপৰত কেইডালমান চুলি আছে নহয়। সেইকেইডাল দেখিলেই ছোৱালীয়ে বুজি পাব— তোৰ বাকী মূৰটোতো চুলি আছে।”

“কিন্তু বিয়াৰ দিনা কি কৰিবা? বিয়াৰ দিনাতো মই টুপী পিন্ধি যাব নোৱাৰোঁ!”

“কি?”

“বিয়াৰ দিনা তই উইগ এটা পিন্ধি যাবি। আজিকালি বজাৰত বহুত দামী উইগ পায়। পিন্ধি গ’লে ধৰিবলৈ কাৰো সাধ্য নাই— আচল চুলিয়েই নে নকল চুলি।”

“কিন্তু বিয়াৰ পাছত কি কৰিম? যদি ধৰা পৰি যাওঁ?”

“পাছৰ কথা পাছত। আগতে বিয়াখন হৈ যাওকচোন।”

মোমায়েকৰ বুধিয়ে কাম দিলে। এইবাৰ চৈতন্যৰ বিয়াখন সুকলমেই হৈ গ’ল। বাহীবিয়াৰ দিনা ওচৰ-চুবুৰীয়া ন কইনা চাবলৈ আহি মুগ্ধ হ’ল। মাত-কথা, চাল-চলন, ৰূপ-সৌন্দৰ্য কোনোটোতে কম নহয় ছোৱালী। বিশেষকৈ দাঁত দুপাৰি যেন দুধাৰি মুকুতাৰ মালাহে! চকু চৰহা দুই-এটাই অৱশ্যে ফুচ্‌ফুচাই ক’লে— বৃদ্ধস্য তৰুণী ভাৰ্যাঃ। ভাল কথা নহয়। অলপ দিনৰ পাছতে কেলেংকাৰী নহ’লেই হয়।

চৈতন্য পিছে এটা অন্তৰ্দ্বন্দ্বত ভুগি থাকিল। ছোৱালীজনীক ঠগা ঠগা যেন লাগিল তাৰ। সেয়ে ফুলশয্যাৰ নিশাই চৈতন্যই দোষী দোষী ভাবেৰে ন কইনাক ক’লে— “পাছত গণ্ডগোল হোৱাতকৈ তোমাক আজিয়েই মই কথা এটা কৈ থওঁ।”

“কি কথা?”— ন কইনা অলপ আচৰিত হ’ল।

“আমাৰ বিয়াখনৰ ক্ষেত্ৰত তোমাক মই এটা কথাত ফাঁকি দিলোঁ।”

“কি কথাত?”

“মোৰ চুলিখিনি আচল নহয়, নকল।”

চৈতন্যই ভয়ে ভয়ে ন কইনাৰ মুখলৈ চাই থাকিল। কিন্তু ন কইনাই একো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। অলপ সময়ৰ পাছত তাই মুকুতাৰ দৰে দাঁত দুপাৰি উলিয়াই হাঁহি হাঁহি ক’লে— “ময়ো আপোনাক আজিয়েই কথা এটা কৈ থওঁ বুলি ভাবি আছিলোঁ।”

“কি কথা?”— এইবাৰ চৈতন্য আচৰিত হ’ল।

“আমাৰ বিয়াখনৰ ক্ষেত্ৰত ময়ো আপোনাৰ পৰা কথা এটা লুকুৱাই ৰাখিলোঁ।”

“কি কথা?”

“আজিৰ পৰা পাঁচ বছৰ আগতে মোৰ এক্সিডেন্ট এটা হৈছিল।”

“এইটোনো কি লুকুবালগীয়া কথা! বহুতৰে এক্সিডেন্ট হয়।”

“সেইটো হয়। কিন্তু সেই এক্সিডেন্টটোত মোৰ এটাও দাঁত বচা নাছিল।”

“তাৰ মানে...!”

“আপুনি ঠিকেই অনুমান কৰিছে। মোৰ দাঁত দুপাৰি আচল নহয়, নকল।” ■

# অনুতাপ


## ৰিদীপ কুমাৰ বৰা

*স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)*


পুলক গোস্বামী আৰু মালা গোস্বামীৰ একমাত্ৰ ছোৱালী সন্ধ্যা। গুৱাহাটী নগৰৰ স্থায়ী বাসিন্দা পুলক গোস্বামীৰ ঘৰখন এখন অতি আঢ্যৱন্ত ঘৰ। সৰুৰে পৰা একো অভাৱত দিন কটাবলগীয়া নোহোৱা সন্ধ্যাই যিমানে মৰম-চেনেহৰ মাজৰে দিন পাৰ কৰিছিল, সিমানে হৈ পৰিছিল অভিমানী আৰু অহংকাৰীও। কাৰণ তাই পোৱা নাছিল প্ৰকৃত শৈশৱৰ মাধুৰ্য। ককাক-আইতাকৰ পৰা আঁতৰত থাকিবলগা হোৱা সন্ধ্যাই মাথো মাক-দেউতাকৰ কাঢ়া শাসনৰ মাজতে দিন পাৰ কৰিবলগা হৈছিল। যি সময়ত লগৰ ল’ৰা-ছোৱালীবোৰ খেলিবলৈ যায়, তাই ব্যস্ত থাকে টিউচনত আৰু তাইৰ সংগী বুলিবলৈ মাত্ৰ কুকুৰ এটা।

সেইদিনা আছিল ২৬ জানুৱাৰী। মাকৰ কঠোৰ আদেশত নিজৰ মতৰ বিপৰীতে গৈ তাই যোগ দিবলগা হৈছিল কবিতা প্ৰতিযোগিতাত। পিছে, তাই ভালকৈ আবৃত্তি কৰিব নাজানিছিল। কিন্তু মাকৰ জেদৰ বিপৰীতে তাই নিৰুপায়। তাত গৈ তাই লগ পালে সুৰভি আৰু বাখৰ নামৰ ছোৱালী দুজনীক। সিহঁত বৰ দুখীয়া আছিল যদিও সুৰভিয়ে ধুনীয়া আবৃত্তি কৰিছিল। তাই সিহঁতৰ লগত এটা বন্দোবস্ত কৰিলে যে, যদি সুৰভিয়ে আবৃত্তিত প্ৰথম পুৰস্কাৰ পাই, সেই পুৰস্কাৰটো যদি সন্ধ্যাক দিয়ে, তেনে সন্ধ্যাই বাখৰ, সুৰভিক খোৱাবস্তু দিব। কথা মতেই কাম, সুৰভিয়ে সঁচাকৈয়ে প্ৰথম পুৰস্কাৰ পালে আৰু সন্ধ্যাক দিলে। কিন্তু সন্ধ্যাই খোৱাবস্তু নিদি প্ৰাইজটো লৈ ঘৰলৈ যাবলৈ ধৰিলে। সুৰভিয়ে তাইক মাতিবলৈ যাওঁতেই গাড়ী এখনে খুন্দিয়াই সুৰভিক মৃত্যুমুখত পেলালে। সুৰভিৰ চিঞৰ শুনি সন্ধ্যা ঘূৰি আহিল। তাই নিজে নিজকে ক’লে, “দেখিলা মা-দেউতা, তোমালোকৰ শাসনৰ বাবে তোমালোকৰ ছোৱালীয়ে আজি মানুহ মাৰিলে আৰু মহাপাপৰ ভাগী হ’ল।” এইবুলি তাই কান্দোনত ভাগি পৰিল। ■







# অন্যান্য

# বিশিষ্ট শিক্ষাবিদ ড° মুকুল শৰ্মাদেৱৰ সৈতে কথোপকথন



স্বাধীনতাৰ পৰৱৰ্তীকালত দেশৰ শৈক্ষিক ক্ষেত্ৰখনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মান বৃদ্ধি কৰা মহান সন্তাবোৰৰ ভিতৰত ড° মুকুল শৰ্মা অন্যতম। মুকুল শৰ্মাৰ জন্ম হয় ১৯৩৯ চনত যোৰহাট জিলাৰ চোলাধৰাত। তেখেতে স্নাতকোত্তৰ পৰ্যায়লৈকে যোৰহাট আৰু গুৱাহাটীত আৰু পৰৱৰ্তী পৰ্যায়ত এলাহাবাদ, দিল্লীত শিক্ষাগ্ৰহণ কৰে।

এইগৰাকী প্ৰচাৰবিমুখ বৰেণ্য শিক্ষাবিদৰ জীৱন, কৰ্ম, অভিজ্ঞতা আৰু চিন্তাধাৰাক জনমানসত তুলি ধৰাৰ সামান্য প্ৰয়াসৰে কলিয়াবৰ মহাবিদ্যালয়ৰ আলোচনীৰ তৰফৰ পৰা গ্ৰহণ কৰা এই সাক্ষাৎকাৰটো সম্পাদিত ৰূপত আগবঢ়োৱা হ'ল—

■ ***ছাৰ, নমস্কাৰ কলিয়াবৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা আপোনাক স্বাগতম জনাইছো।***

— ধন্যবাদ। তোমালোককো স্বাগতম।

■ **ছাৰ, আমাৰ এই কথোপকথন আপোনাৰ শৈশৱ আৰু শিক্ষাজীৱনৰ কথাৰেই আৰম্ভ কৰা যাওক।**

— হয় মোৰ জন্ম হৈছিল ১৯৩৯ চনত যোৰহাট জিলাৰ চোলাধৰা নামৰ গাঁও এখনত। যোৰহাটতেই মই সম্পূৰ্ণ শৈশৱ আৰু যৌৱনৰ আধাকাল পাৰ কৰিছিলো আৰু তাতেই প্ৰাথমিক প্ৰৰ্যায়ৰ পৰা মহাবিদ্যালয় পৰ্যায়লৈ শিক্ষা গ্ৰহণ কৰিছিলো। ১৯৫৫ চনত মই মেট্ৰিক পাছ কৰিছিলো। মেট্ৰিক পাছ কৰি ৪ বছৰ কটন কলেজত পঢ়িলো। ৪ বছৰ হোষ্টেলত থাকি পঢ়াৰ সময়তেই মোৰ জীৱনৰ ভেটি গঢ় লৈছিল বুলি মই ভাবোঁ। ইয়াৰ পাছত মই Physicsত কৰিবলৈ MSc কৰিবলৈ এলেহাবাদ বিশ্ববিদ্যালয়লৈ গ'লো। MSc পাছ কৰি মই CSIR (Council of Scientific & Industrial Research) ত Scholarship ৰ বাবে আবেদন কৰি JRF (Junior Research fellowship) ত মই নিৰ্বাচিত হ'লো আৰু National Physical labortory দিল্লীত গৱেষণাৰ কাম আৰম্ভ কৰিলো। সকলোবোৰ সামৰি ডিগ্ৰী কৰিবলৈ মই আগবাঢ়ি আহিলো আৰু প্ৰথম বিভাগত উত্তীৰ্ণ হ'লো। ১৯৬৭ চনত দিল্লী বিশ্ববিদ্যালয়ত মই M.Ed. ডিগ্ৰী গ্ৰহণ কৰিলো আৰু PhD সম্পন্ন কৰি শিক্ষক প্ৰশিক্ষকৰূপে কৰ্ম সম্পন্ন কৰি আছোঁ।

■ **সাধাৰণতে প্ৰায়ভাগ ল'ৰা-ছোৱালীৰে বিদেশত গৈ শিক্ষা গ্ৰহণৰ হাবিয়াস থাকে। আপোনাৰে তেনেকুৱা আছিল নে?**

— বিদেশলৈ যোৱাৰ মোৰ তেনেকুৱা কোনো ইচ্ছা নাছিল। শিক্ষা সকলোতেই একে পৰ্যায়ৰ। গতিকে মই নিজৰ দেশতে ল'ব পৰা শিক্ষাৰ কাৰণে বিদেশলৈ যোৱাৰ পক্ষপাতী নহয়।

■ ***ছাৰ, আপোনালোকৰ দিনত 'চেকনীৰ আগত বিদ্যা' বুলি কোৱা কথাষাৰ কিমানদূৰ ফলপ্ৰসূ আছিল?***

— 'চেকনীৰ আগত বিদ্যা'- এইষাৰ কথা আমাৰ দিনত যথেষ্ট ফলপ্ৰসূ আছিল। বেতৰ ভয়তে আমি সকলো চিধাই আছিলে। বৰ্তমান সময়ত এই সকলোবোৰ প্ৰায় নাইকিয়া হৈ যাবলৈ লোৱাৰ লগে লগে শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্কটোও ভক্তিভাৱপূৰ্ণ নোহোৱা

যেন অনুভৱ হয়। স্কুলীয়া দিনত সদায় মাৰ খোৱাৰ পৰা বাছি থকাৰ প্ৰৱণতা আছিল।

**■ বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতাৰ দিশত যিদৰে আগবাঢ়ি গৈছে তাৰ ওপৰত আপোনাৰ মতামত কি আৰু ভাৰতবৰ্ষৰ শিক্ষা সামগ্ৰিক পৰিৱেশটো উন্নত কৰিবলৈ কি ব্যৱস্থা ল'ব পাৰি বুলি আপুনি ভাবে?**

— হয়, কথাটো বৰ গুৰুত্বপূৰ্ণ। আমাৰ দিনত শিক্ষকসকলে পাঠদান কৰোঁতে পৰীক্ষাত বেছি নম্বৰ পোৱাৰ বুদ্ধি বা কৌশলবোৰ শিকাই দিয়া নাছিল। পৰীক্ষাৰ নম্বৰটো গৌণ বিষয় আছিল। বিষয়টো ভালদৰে শিকি-বুজি লাভ কৰা আনন্দটো মুখ্য আছিল। কিন্তু বৰ্তমান সময়ত সেই মুখ্যটো নাইকিয়া হৈ গ'ল আৰু গৌণটোৱে প্ৰাধান্য পালে। বৰ্তমান সময়ৰ পৰীক্ষাৰ ব্যৱস্থাটো মোৰ মতে এটা বাইপাছ। সেই বাইপাছৰে তুমি বহুত বিষয়ত নোসোমোৱাকৈই গৈ লক্ষ্য স্থান পাব পাৰিবা আৰু বৰ্তমানৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে এই বাইপাছৰে অহা-যোৱা কৰিবলৈ আৰম্ভ কৰিছে।

শিক্ষা ব্যৱস্থাত নৱম বা দশমমানত প্ৰতিযোগিতাটো খুব ভাল কথা কিন্তু এই প্ৰতিযোগিতাটো নিজৰ শ্ৰেণীটোৰ ভিতৰত কৰিলে ন'হব, অন্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত অৰ্থাৎ নেদেখাজনৰ লগত প্ৰতিযোগিতা কৰিব লাগিব। প্ৰতিযোগিতাতকৈ সহযোগিতা যথেষ্ট ভাল।

**■ ছাৰ বিদেশৰ শিক্ষা ব্যৱস্থাৰ তুলনাত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সংশোধনৰ প্ৰয়োজন আছেনে?**

— হয়, যথেষ্ট আছে। মই ইংলেণ্ডৰ এখন স্কুলত শিক্ষকতা কৰিছিলো চতুৰ্থ (ভাৰতীয় শিক্ষানুষ্ঠানৰ Class X) আৰু ষষ্ঠ (ভাৰতীয় শিক্ষানুষ্ঠানৰ Class XII) শ্ৰেণীত। সেইখিনি সময়ত মই বহুকেইখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাদান পৰ্যবেক্ষণ কৰি গম পাইছিলো যে এই ব্যৱস্থা সম্পূৰ্ণ বেলেগ। প্ৰাথমিক পৰ্যায়ৰ শিশুসকলৰ বাবে কোনো পাঠ্যক্ৰম নাই। মুকলিভাৱে নিজৰ পৰিৱেশৰ পৰা শিক্ষা লাভৰ সুবিধা কৰি প্ৰজেক্ট পদ্ধতিৰ দ্বাৰা শিক্ষা প্ৰদান কৰে। কোনো পৰীক্ষা ব্যৱস্থাও নাছিল।

মই মোৰ ব্যক্তিগত অভিজ্ঞতাৰ ফালৰ পৰা এটা উদাহৰণ দিওঁ— মই



বিজ্ঞানৰ ছাত্ৰ আছিলো। আমি বিজ্ঞানৰ নামত বিজ্ঞানৰ বুৰঞ্জীহে পঢ়োঁ বা পঢ়াও। 'নিউট্ৰনৰ সূত্ৰ তিনিটা লিখা', 'আৰ্কিমিডিছৰ সূত্ৰ মুখস্থ লিখা'- এনেধৰণৰ প্ৰশ্নবোৰৰ পৰা আমাৰ একো লাভ নহয়। এইবোৰ বিজ্ঞানৰ বুৰঞ্জীহে। সেইকাৰণেই পশ্চিমীয়া দেশবোৰত বিজ্ঞানীৰ সংখ্যা সৰহ আৰু আমাৰ দেশত তেনেই নগণ্য। আমাৰ ছাত্ৰই বিজ্ঞানৰ শিক্ষাহে লাভ কৰে, বিজ্ঞান মনস্কতা গঢ়ি নুঠে।

**■ ছাৰ, আপোনাৰ ছাত্ৰ জীৱন বা তাৰ পৰৱৰ্তী সময়ত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ সীমিত আছিল। বৰ্তমান সময়ৰ তথ্য প্ৰযুক্তিৰ যি পয়োভৰ সেইবোৰ দেখি আপোনাৰ ঈৰ্ষা অনুভৱ হয় নেকি?**

— চমুকৈ ক'বলৈ গ'লে ঈৰ্ষা নোহোৱা নহয়, কোনোবা সময়ত ঈৰ্ষা হয়। আমাৰ সময়ত শিক্ষা ব্যৱস্থাত প্ৰযুক্তি বুলিলে কেৱল ব্লেকবৰ্ডোখনহে বুজাইছিল, আন একো নাছিল। কিন্তু বৰ্তমান সময়ত 'Google' ইন্টাৰনেট আদি সকলোবোৰ মোবাইলতে সংযোগ হৈ থকাৰ ফলত আমি কোনো তথ্য মগজুত ৰাখি নোথোৱা হ'লো। ফলত আমাৰ চিন্তন নাইকিয়া হ'ল আৰু তাৰ ফলতেই আমাৰ মগজুৰ প্ৰসাধন নোহোৱা হ'ল।

**■ ছাত্ৰ-ছাত্ৰীৰ মনত বিজ্ঞান মনস্কতা গঢ় দিবলৈ আনুষ্ঠানিকভাৱে বিশেষ শিক্ষা লোৱাটো আজিৰ সমাজত আপুনি জৰুৰী বুলি ভাবে নেকি? (প্ৰসংগটো ডাইনী হত্যা, সোপধৰা আদি কুসংস্কাৰৰ পৰিপেক্ষিতত অৱতাৰণা কৰা হৈছে।)**

— শিক্ষাক বহলভাৱে দুটা ভাগত ভাগ কৰিব পাৰি এটা আনুষ্ঠানিক (যিটো বিদ্যালয়, মহাবিদ্যালয় আদিত প্ৰদান কৰা হয়), আনটো অনানুষ্ঠানিক (মুক্ত পৰিৱেশত আহৰণ কৰা শিক্ষা)। আমি বৰ্তমান সময়ত অনানুষ্ঠানিক শিক্ষাত একেবাৰে কম গুৰুত্ব প্ৰদান কৰোঁ। প্ৰায় ২/৩ বছৰ বয়সতে শিশুক শিক্ষানুষ্ঠানত নামভৰ্ত্তি কৰাই শিক্ষা প্ৰদান কৰিব বিচাৰোঁ, কিন্তু মই ভাবোঁ যে ২/৩ বছৰৰ পৰিৱৰ্তে শিশুটোক ৬ বছৰ মান বয়সলৈকে ঘৰতে ৰাখিব লাগে। ঘৰুৱা পৰিৱেশৰ জৰিয়তে বিজ্ঞানসন্মত মানসিকতা গঢ় দিব পাৰিলেহে শিক্ষা ফলপ্ৰসূ হ'ব। এটা শিশুৰ বাবে মাতৃ গৰাকীয়ে তেওঁৰ প্ৰথম আৰু প্ৰধান শিক্ষক। বৰ্তমান সময়ত মানুহে ধৰ্মৰ নামত মানি অহা এই ডাইনী, সোপাধৰা আদিবোৰ অত্যন্ত দুৰ্ভাগ্যজনক কথা। এই সামাজিক ব্যাধিবোৰ চৰকাৰ বা প্ৰশাসনে নাইকিয়া কৰিব নোৱাৰে। যিদিনা আমাৰ চিন্তাধাৰা সলনি হ'ব যিদিনাই আমি অন্ধবিশ্বাস কৰিবলৈ এৰি দিম-সেইদিনাই এইবোৰ নোহোৱা হৈ যাব।

**■ ছাৰ, আপোনাৰ দৃষ্টিত আধুনিকতাৰ সংজ্ঞা কেনেকুৱা? বৰ্তমান সময়ত আমাৰ এনে এটা প্ৰৱণতা চলি আছে যে কিবা বেয়া দেখিলেই আমি পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ বুলি কওঁ। সঁচাকৈয়ে পশ্চিমীয়া সংস্কৃতি তেনেকুৱা নেকি?**

— আজিৰ যিখন আধুনিক জগত, ইয়াত প্ৰত্যেকৰে সন্মুখত একো একোটা সংঘাত আছে। সেয়া পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ সংঘাত। দ্বিতীয়তে, তুমি যদি পৃথিৱীখনৰ গোলকটোত লক্ষ্য কৰা তেতিয়া পাবা চীন, ভাৰতবৰ্ষ, মেচ'পটেমীয়া, ইজিপ্ত, গ্ৰীচ, ৰোম এই দেশ কেইখনৰ এটা গৌৰৱময় ইতিহাস আছে, কিন্তু এই দেশকেইখন বৰ্তমান সময়ত ইংলেণ্ড, আমেৰিকা, জাৰ্মানী আদিবোৰৰ বহুত পাছত-যাৰ কোনো ইতিহাসেই নাছিল। পশ্চিমীয়া দেশবোৰতো বহুত ভাল কথা আছে আমি সেই ভাল বিষয়বোৰ আনি আমাৰ ভালখিনিৰ সৈতে সংমিশ্ৰণ কৰি ব্যৱহাৰ কৰিলেহে উন্নতি হ'ব। পশ্চিমীয়া সংস্কৃতি আয়ত্ত কৰিবলৈ গৈ আমি বহুত সময়ত নিজৰ বহুত ত্যাগ কৰিছো তেনেকুৱা কৰিব নালাগে। তেনে কৰিলে নিজৰ অস্তিত্ব নাইকিয়া হৈ যাব।

**■ ছাৰ, পূৰ্বৰ তুলনাত বৰ্তমান সময়ত শিক্ষিতৰ হাৰ বৃদ্ধি হৈছে। শিক্ষিতৰ হাৰ**

**বৃদ্ধি হৈছে যদিও বহু সময়ত কর্ম সংস্কৃতিৰ গুণৰ অভাৱ পৰিলক্ষিত হয়। এইক্ষেত্ৰত আপোনাৰ মতামত আৰু পৰামৰ্শ জনাব?**

— মই ১৯৫৫ চনত মেট্ৰিক পাছ কৰিছিলো। সেই সময়খিনিলৈ লক্ষ্য কৰিলে আমি দেখিছো যে তেতিয়া দ্বিতীয় বা তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীজনো বিদ্বান আছিল। তেওঁৰ জ্ঞানৰ পৰিসৰ আছিল প্ৰথম শ্ৰেণীৰ, কিন্তু লাভ কৰিছিল দ্বিতীয় বা তৃতীয় স্থান আৰু বৰ্তমান সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীৰ দ্বিতীয় বা তৃতীয় পৰ্যায়ৰ জ্ঞান, কিন্তু লাভ কৰে প্ৰথম স্থান।

বৰ্তমান সময়ত শিক্ষিতৰ সংখ্যা অধিক কিন্তু তেওঁ নিৰ্দিষ্ট এটা দিশতহে শিক্ষিত; বাহিৰা দিশৰ জ্ঞান তেওঁৰ যথেষ্ট কম। গতিকে মই ভাবোঁ তৃতীয় শ্ৰেণীৰ জ্ঞানেৰে প্ৰথম বিভাগ লাভ কৰাতকৈ প্ৰথম শ্ৰেণীৰ জ্ঞানৰে তৃতীয় বিভাগ লাভ কৰাই শ্ৰেয়।

■ **ছাৰ, আপোনাৰ দৃষ্টিত পূৰ্বৰ তুলনাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটিছে নেকি?**

— নিশ্চয় পূৰ্বৰ তুলনাত বৰ্তমান সময়ত ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্কৰ যথেষ্ট অৱনতি ঘটিছে। পূৰ্বৰ দৰে সেই সমীহ ভাৱ আৰু মানৱীয় সম্পৰ্ক বা ভক্তিভাৱ বৰ্তমান সময়ত যথেষ্ট কম।

■ **আপুনি বিভিন্ন সময়ত বিভিন্ন গৱেষণা কাৰ্যৰ লগত জড়িত হৈ আছে। গৱেষণাৰ ফলাফলবোৰত চৰকাৰ বা কৰ্তৃপক্ষই সঠিক গুৰুত্ব প্ৰদান কৰে নে?**

— নাই কেতিয়াও নিদিয়ে। অধ্যাপকসকলে গৱেষণা কালত কোনো সুবিধা লাভ কৰিবলৈ সক্ষম নহয়।

■ **নৱপ্ৰজন্মক উদ্দেশ্যি আপোনাৰ কিবা মন্তব্য?**

— বৰ্তমান সময়ত নৱপ্ৰজন্মই অবাবত সময় নষ্ট নকৰি এক সুন্দৰ সমাজ গঢ়িবৰ বাবে চেষ্টা কৰিব লাগে। সমাজ আৰু মানুহেহে মানুহ গঢ় দিব পাৰে।

**ছাৰ আমাৰ কথোপকথন ইমানতেই সামৰোঁ। ব্যস্ততাৰ মাজতো আপুনি আমাক এইকণ সময় দিয়াৰ বাবে অশেষ ধন্যবাদ। কলিয়াবৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা আপোনাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।** ■

# The Story of Life


**Anku Ojah**

*TDC 5th Sem (Arts)*


Sometimes people come into your life and you know right away that they were meant to be there, to serve some sort of purpose, teach you a lesson, or to help you figure out who you are or who you want to become. You never know who these people may be (possibly your roommate, neighbor, coworker, longlost friend, lover, or even a complete stranger) but when you lock eyes with them, you know at that very moment that they will affect your life in some profound way.

And sometimes things happen to you that may seem horrible, painful, and unfair at first, but in reflection you find that without overcoming those obstacles you would have never realized your potential, strength, willpower, or heart.

Everything happens for a reason. Nothing happens by chance or by means of luck. Illness, injury, love, lost moments of true greatness, and sheer stupidity all occur to test the limits of your soul. Without these small tests, whatever they may be, life would be like a smoothly paved, straight, flat road to nowhere. It would be safe and comfortable, but dull and utterly pointless.

The people you meet who affect your life, and the success and downfalls you experience help to create who you become. Even the bad experiences can be learned from. In fact, they are probably the most poignant and important ones. If someone hurts you, betrays you, or breaks your heart, forgive them, for they have helped you learn about trust and the importance of being cautious when you open your heart. If someone loves you, love them back unconditionally, not only because they love you, but because in a way, they are teaching you to love and how to open your heart and eyes to things.

Make every day count!!! Appreciate every moment and take from those moments everything that you possibly can for you may never be able to experience it again. Talk to people that you have never talked to before, and actually listen. Let yourself fall in love, break free, and set your sights high. Hold your head up because you have every right to. Tell yourself you are a great individual and believe in yourself, for if you don’t believe in yourself, it will be hard for others to believe in you. You can make of your life anything you wish.

"Create your own life then go out and live it with absolutely no regrets." ■

# The Foreign Exchange

**Pallav Sen Gupta**
*TDC 5th Sem. (Biotech.)*

The fan was swinging to its full extent, when Heinrich and Abhinash were shaning one cigarette in the Univercity Hostel. Suddenly but pencively Heinrich asked, "Where is subasna from?" Mispronouncing the girl's name (Xubaxhona) every time in his Austro-german accent.Abhinash replied curtly, "Dolphin Heinrich took the last puff and discarded the remains in the makeshift ashtray from an old cup and said thoughtfully, "I must meet her".

Much to his classmets astonishments,Heinrich was a carefree guy,roaming around the hreeto of Tezpur all alone bargaining with the vendors of chowk bajaar.yes! It was not even a month he had landed in indian soil from Austria, he learned the art of bargaining given the foel the presence of language barrier was there.

It was only about a few weeks in the university, he already felt homesick and was longing to go back to graj. his hometown He was on a foreign exchange programe to the univercity. He took a flight from graj to London and then from New Delhi to Tezpur by break journies travelling both by bus and train.It was really and an excraciating journey; he never had travelled so mfor in 24 years of his life.

He didn't strike any considerable friendship with anyone except his room-mate, even though he was always busy with fanwic computer games. One day when he and Abhinash were in their room after ginna, Heinrich said. "I want to make friends with subaone, i like the way she does her hair but every time i try to great her to have a small cha, she finds some excuse or other to abanson it." Abhinash was well aware of the culture of that part of the world from where Heinrich belonged to. Abhinash tried to console him, "she will event vally hang out with you, there is nothing to worry out and this is India man!Moreover we are in Assam!"

"Let's hope she run out of excuses and apent some time with you" He added in a sarcastice tone.

The very next day in class, Heinrich tried atealing glances of xubaxhona and was making reen observation of her out line. Indeed he was stalking. she was dripped in sweat, which he found to be ecstatice. Her hairs which were wet ,did the magic spell to him. Her small eyes with lessone eyebrow hairs pleased him. Her name reeled through his brain throughout the evening.

Later that evening ,he confessed to his roommate, "I want to hold her and keep her light by my chest." To which his friend serolted, "Do you have any idea what you are saying?It is not possible! you people are barely acquaired wi8th each other." Heinrich fires back, "so what? No one ought to stop their inhibitions. I must confess my desires to her!" Abhinash unable to persuade his friend midly protested, "We are in assam not Austria."

The next morning when Heinrich reached class late due to a hangover, he found that most of the students were gone then. However to his delight , he spotted Xubaxona in a much beautiful attire than usual. she was coming towads him. He greeted her, "Hey, subasna how are you doing? it's so good to see you."she said that she was wating for him and inquired way was he late.They both had a lovely time talling with each other and laughing a eau other's jokes.

Later that evening, when Heinrich retired to his room, Abhinash inquired about the piece of thread in Heinrich's hand to which Heinrich showed off by saying that, "see this is what subasna gave me today, she tied oned my hands! we both had a lovely time togheter." Abhinash smiled gently and explained Heinrich about Raksha Bandhan where a sister his a rakhi to her brother and the brotherpromise to protect her slowly, when the real part of the story dawned upon him, he started laughing. Heinrich felt as a brother he ought to protect her by "holding her tight by his chest." ■

**প র্য ট ন**

নিম্নোক্ত লেখাটি কলিয়াবৰ মহাবিদ্যালয়ৰ পৰ্যটন বিভাগৰ বাবে প্ৰস্তুত কৰা এটি প্ৰকল্পৰ সম্পাদিত ৰূপ।


# শিলঘাট


ৰাজু দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)


প্ৰকৃতিৰ ৰম্যভূমি শিলঘাটৰ পৰিচয় বিশ্বব্যাপি বুলি ক'লেও ভুল নহয়। প্ৰকৃতিৰ নৈসৰ্গিক পৰিৱেশৰ লগতে প্ৰাচীন সভ্যতাৰ বিভিন্ন ভগ্নাৱশেষ, দেৱালয়, মন্দিৰ, শৈলকলা আদিয়ে অতীজৰে পৰা দেশী-বিদেশী পৰ্যটকক হাত বাউলি মাতি আহিছে। প্ৰতিবছৰেই শিলঘাটৰ বুকুত ভৰি দিয়েহি বিভিন্ন দেশৰ পৰিভ্ৰমী পৰ্যটকে। প্ৰকৃতিৰ মনোমোহা ৰূপ দেখি সকলোবোৰ আপোন পাহৰা হৈ পৰে। এফালে যদি মহাবাহুৰ সুবিশাল ৰূপ, আনফালে থকা সেউজীয়া উচ্চ পাহাৰীয়া অঞ্চল। প্ৰকৃতিৰ এই ৰম্য পৰিৱেশে বাৰুকৈয়ে ৰোমাঞ্চিত কৰে পৰ্যটকসকলক। তথাপিও বঞ্চনাৰ ইতিহাস সুঁৱৰি উপেক্ষিত হৈ ৰয় সৌন্দৰ্য ললনা শিলঘাট।

**পৰ্যটনৰ আকৰ্ষণসমূহ ঃ**

পৰ্যটনৰ সম্ভাৱনীয়তাৰ ক্ষেত্ৰত শিলঘাটৰ প্ৰথম আৰু প্ৰধান সমলবিধেই হৈছে বিশাল ব্ৰহ্মপুত্ৰখনৰ প্ৰাকৃতিক শোভা। পূবৰ পৰা পশ্চিমলৈ বৈ থকা নিৰবধি ব্ৰহ্মপুত্ৰই শিলঘাটৰ উত্তৰ সীমা নিৰ্দ্ধাৰণ কৰাৰ লগতে ঠাইখনকো অধিক মনোমোহা কৰি তুলিছে। এই ব্ৰহ্মপুত্ৰৰ বিশাল সলিলৰাশিতে সূৰ্যোদয় আৰু সূৰ্যাস্তৰ সময়ত জিলিকি উঠা মনোমোহা দৃশ্যই সকলোকে আৰ্কষিত কৰি তোলে আৰু তাৰ পাৰে পাৰে ৰূপোৱালী বালিচৰৰ চিক্‌মিকনি সৰু বৰ বিভিন্ন আকৃতিৰ শিল, তাৰ মাজে মাজে আকৌ বতাহত হালি জালি থকা নল খাগৰি, ঝাওবনৰ জোপোহা গছ সকলোৰে মিলি



*কামাখ্যা মন্দিৰ*

অনন্য কৰি তোলা ৰমণীয় পৰিৱেশে সকলোৰে মন জুৰ পেলায়। তদুপৰি নদীৰ বুকুতে ধেমালি কৰা বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাইবোৰো পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে।

শিলঘাটৰ বুকুত আছে অলেখ ঐতিহাসিক মনোমোহা সমল। ব্ৰহ্মপুত্ৰৰ পাৰতে আছে কামাখ্যা পাহাৰ। এই পাহাৰতে আছে অষ্টম নৱম শতিকাত শালস্তম্ভ বংশৰ ৰজাসকলৰ দিনতে প্ৰতিষ্ঠিত অসমৰ দ্বিতীয় কামাখ্যা হিচাপে পৰিচিত কামাখ্যা দেৱালয়। এই দেৱালয়ত দুৰ্গা আৰু কামাখ্যাৰ মূৰ্তিৰ লগতে স্বৰ্গদেও প্ৰমত্ত সিংহৰ কালৰ এখন শিলালিপিও সংৰক্ষিত হৈ আছে। প্ৰতিবছৰে অশোকাষ্টমী মেলাৰ সময়ত বহুসংখ্যক দেশী-বিদেশী সাধু-সন্ন্যাসীৰ সমাৱেশেৰে দেৱালয়ৰ চৌহদভাগ মুখৰিত হৈ পৰে। স্বৰ্গদেউ প্ৰমত্ত সিংহই আহোম নিৰ্মাণ শৈলীৰে পুনৰ নিৰ্মাণ কৰোৱা দেৱালয়ৰ গাঁথনি দৰ্শনাথীৰ বাবে আকৰ্ষণৰ সমল। আনহাতে কামাখ্যা দেৱালয়ৰ নামনিত থকা অসমৰ ৰাজহুৱা খণ্ডৰ লাভজনক উদ্যোগ 'অসম সমবায় মৰাপাট কল'টিও পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ। ১৯৭১ চনত স্থাপন হোৱা অসম সমবায় মৰাপাট কল, শিলঘাট হৈছে অসম তথা ভাৰতৰ একমাত্ৰ সমবায় ভিত্তিত স্থাপিত মৰাপাট উদ্যোগ। সমগ্ৰ অসমৰ প্ৰায় ১০০০ ৰো অধিক যুৱকক সংস্থাপন দি মিলটোৱে এক অৰ্থনৈতিক ভেটি গঢ়ি তুলিছে। ১৯৮৪ চনত মিলটো বন্ধ হৈছিল যদিও ১৯৮৬ চনৰ ১৫ জানুৱাৰীত অসম চুক্তি অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ সাহায্যেৰে মিলটো পুনৰ মুকলি কৰা হয়। মৰাপাট কলটোৰ কাষতে আছে মহামানৱ মহাত্মা গান্ধীৰ স্মৃতিত 'গান্ধী অস্থি ধাম'। গান্ধীজীৰ চিতাভস্ম শিলঘাটত ব্ৰহ্মপুত্ৰৰ বুকুত বিৰ্সজন দিয়াৰ পৰৱৰ্তী সময়ত স্থাপিত এই উদ্যানখনৰ প্ৰাকৃতিক শোভাই ঠাইখনক পবিত্ৰ কৰি তুলিছে। গান্ধী অস্থিধামৰ ঠিক সন্মুখতে ড° ভূপেন হাজৰিকাৰ চিতাভস্ম ৰখাৰ স্থানে আকৰ্ষণ কৰে দৰ্শকক। কামাখ্যা মন্দিৰৰ আশে পাশে সিঁচৰতি হৈ থকা শৈলকলা অষ্টদল খোদিত স্তম্ভৰ অংশ আমলক আদিয়ে ঠাইখনৰ ঐতিহাসিক গুৰুত্ব প্ৰদান কৰিছে। কামাখ্যা মন্দিৰৰ পৰা প্ৰায় এক কিলোমিটাৰ পূৱে ব্ৰহ্মপুত্ৰৰ পাৰত সুন্দৰ প্ৰাকৃতিক পৰিৱেশত অৱস্থিত ত্ৰিশূলধাৰী মন্দিৰেও ভক্তপ্ৰাণ ৰাইজক আৰ্কষিত কৰি আহিছে। এটা প্ৰকাণ্ড শিলৰ গুহাত মন্দিৰটো অৱস্থিত। এই মন্দিৰৰ পৰা প্ৰায় দুই কিলোমিটাৰ পূৱে আগুৱাই গ'লেই পোৱা যায় কলিয়াভোমোৰা বৰফুকনৰ স্বপ্ন স্মৃতি আজিও সজীৱ হৈ থকা



*ত্ৰিশূলধাৰী মন্দিৰ*


শঙ্কৰ দলনি নামৰ এডোখৰ ঠাই এই স্থানতে বালিত পোতখাই থকা অৱস্থাত আছে বহু পৰিমাণৰ শাল কাঠৰ খুঁটা। অনুমান কৰা মতে এই খুঁটাসমূহ হ'ল কলিয়াভোমোৰা বৰফুকনে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ লগলগাবলৈ দলং নিৰ্মাণৰ বাবে গোটোৰা শালকাঠৰ খুঁটা। কথিত আছে যে, দলং নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ পূৰ্বেই সাহসী বৰফুকনৰ মৃত্যু হৈছিল। এই শংকৰ দলনিৰ নিলগত থকা অন্য এটা টিলাত কেতবোৰত চেপেটা ইটা আৰু শিলৰ ভগ্নাৱশেষ আজিও দেখা পোৱা যায়।

শিলঘাটৰ বিভিন্ন প্ৰান্তত থকা বিভিন্ন আকাৰৰ শিলাখণ্ড বহু ইতিহাসৰ সাক্ষী হৈ আছে। ত্ৰিশূলধাৰী মন্দিৰৰ সমীপৰ বহুকেইটা শিলত ধৰ্মীয় ঐতিহ্য লুকাই থকাৰ লগতে কামাখ্যা মন্দিৰৰ উত্তৰ-পশ্চিম কোণত ব্ৰহ্মপুত্ৰৰ পাৰত থকা দুটা শৈলখণ্ডই বিশেষ তাৎপৰ্য বহন কৰি আহিছে। এসময়ত নদীৰ বুকুত থকা দুইমুনি শিলা নামে পৰিচিত এই দুই শিলাখণ্ডত কুমদ আৰু কৌস্তভ মুনিৰ কাহিনী জড়িত হৈ আছে বুলি এক লোকবিশ্বাস প্ৰচলিত হৈ আছে। কথিত আছে যে, বিশেষ পৰিস্থিতিত শিৱৰ শাপৰ দ্বাৰা অভিশপ্ত হৈ কুমদ, কৌস্তভ মুনি ইয়াতে শিলাৰূপ ধাৰণ কৰি আছে আৰু এনেকুৱা বহু শিলে দূৰ অতীতৰ কথা কয় শিলঘাটত। দুইমুনি শিলাৰ কাষৰ ঠাইখণ্ড ৰণথলী নামেৰে জনাজাত। আহোম ৰাজত্বৰ চুকাফা স্বৰ্গদেৱৰ দিনত দুইমুনি শিলাৰ ওচৰত আহোম মোগলৰ মাজত যুদ্ধ হৈছিল। এই দুইমুনি শিলাতে মুছলমান আৰু আহোমৰ সংঘৰ্ষৰ সময়ত স্বৰ্গদেউ চুহুংমুঙে বাহৰ পাতি আছিল আৰু এই ঠাইতে মুছলমানৰ সেনাপতি তাজু বঙলা আহোম সৈন্যৰ হাতত মৃত্যু হয়। তেতিয়াৰে পৰা ঠাইখণ্ডৰ নামো ৰণথলী নামেৰে জনাজাত। শিলঘাটত কেইবাটাও বৰতোপ উদ্ধাৰ হৈছিল সেইসমূহৰে পাঁচটা বৰতোপ বৰ্তমান শিলঘাটত চাহবাগিচাৰ জেনেৰেল মেনেজাৰৰ বাসভৱন তথা কলিয়াবৰ মেনৰৰ ফুলনি বাগিচাত সজাই ৰখা হৈছে। এই সকলোবোৰ দিশলৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ কলিয়াবৰত অৱস্থিত এই শিলাঘাটখনৰ প্ৰাচীন ঐতিহ্য কিমান লেখত ল'বলগীয়া।

পৰিবহণৰ সুবিধা ঃ বৰ্তমান শিলঘাটত পৰিবহণ বা যাতায়াতৰ সুবিধা কম বেছি পৰিমাণে সুগম কৰি তোলা হৈছে। ১৮৬৫ চনত জলপথেৰে সংযোজিত হয় শিলঘাটৰ জাহাজ সেৱা। কালক্ৰমত জাহাজৰ চলাচল বন্ধ হোৱাৰ পিছত শিলঘাটৰ পৰা ফেৰী সেৱা আৰম্ভ হয়। পাছত ফেৰী সেৱা বন্ধ হৈ আকৌ জাহাজ সেৱা আৰম্ভ হয়। বৰ্তমান এই জাহাজবোৰ অহা-যোৱা কৰে। শিলঘাটলৈ ৩ খন জাহাজৰ অহা-যোৱা। সেই কেইখনৰ নাম হৈছে মহাবাহু, চৰাইদেউ আৰু চিলাৰাই। এই জাহাজ কেইখনৰ সহায়েৰে বিভিন্ন দেশী-বিদেশী পৰ্যটক আহে শিলঘাটলৈ। জাহাজ সেৱা আৰম্ভ হোৱাৰ বাবে বহু সবিধা হৈছে পৰ্যটকৰ বাবে। দেশী-বিদেশী পৰ্যটকসকলে ব্ৰহ্মপুত্ৰৰ বুকুৰেদি অহা-যোৱা কৰে আৰু শিলঘাটৰ বিভিন্ন ঠাই ভ্ৰমণ কৰে। বিদেশী পৰ্যটকসকলে আমাৰ অসমৰ বিহু নৃত্য চাই ভাল পায়। সেইবাবে শিলঘাটৰ ল'ৰা-ছোৱালীয়ে জাহাজত বিহুনৃত্য প্ৰৰ্দশন কৰে তেওঁলোকে এই নৃত্য চাই আনন্দিত হয়। তাৰ বাদেও শিলঘাটলৈ ৰে'ল পৰিবহণৰ ব্যৱস্থা আছে। শিলঘাটত ৰে'ল ষ্টেচন আছে। এই ষ্টেচনৰ পৰা শিলঘাট




*গান্ধী অস্থি ধাম*



*সূৰ্য ঘড়ী*

গুৱাহাটী এক্সপ্ৰেছ নামৰ এখন ৰে'ল দৈনিক শিলঘাটৰ পৰা গুৱাহাটীলৈ (পুৱা ৫.৩০ বজাত) অহা-যোৱা কৰে। ইয়াৰ পৰৱৰ্তী সময়ত 'ৰাজ্যৰাণী এক্সপ্ৰেছ' নামৰ শিলঘাটৰ পৰা ধুবুৰী সংযোগী আন এখন ৰে'লৰ সুবিধা আছে। সপ্তাহৰ সোম, বুধ আৰু শনিবাৰে এইখন ৰে'ল চলাচল কৰে। বৰ্তমান শিলঘাটৰ পৰা চেন্নাই আৰু কলকতা সংযোগী দুখন ৰে'লৰ শুভাৰম্ভণি হৈছে। জানিব পৰা মতে নৱনিৰ্মিত বগীবিল দলঙেৰে চলাচল কৰিবলগীয়া সকলো ৰে'ল শিলঘাটৰ মাজৰেই যাব। আনহাতে বাছ আৰু অন্যান্য সৰুসুৰা গাড়ী মটৰ আদি অহা যোৱা কৰি থাকে।

**থকা-মেলাৰ সুবিধা ঃ** শিলঘাট হৈছে এখন প্ৰাকৃতিকভাৱে ভৰপূৰ ঠাই। ইয়ালৈ অহা পৰ্যটকসকলৰ থকা মেলাৰ বাবেও শিলঘাটত নিৰ্দিষ্ট ঠাই আছে। শিলঘাট চাহ বাগিচাৰ সঞ্চালকৰ কাৰ্যালয় তথা 'কলিয়াবৰ মেনৰ' নামৰ এখন ৰিজৰ্ট আছে। পৰ্যটকসকলে শিলঘাটৰ চাহ বাগান চাবলৈ আহিলে তাতে থকা মেলা কৰিব পাৰে। ইয়াত অৱসৰ বিনোদনৰ বাবে সকলো সুবিধা আছে আৰু ইয়াত বৃটিছ যুগৰ এটি সূৰ্য ঘড়ী ৰখা হৈছে। এইটোৰ উপৰিও সৰু বৰ বহুতো হোটেল বা অন্যান্য ঘৰত থকাৰ সুবিধা হয়।

**অনান্য সুবিধা ঃ** এখন পৰ্যটনস্থলীত যিবোৰ সুবিধা থাকিব লাগে সেই সকলোবোৰ সুবিধাই শিলঘাটত আছে বুলি ক'ব পাৰি। বৃটিছৰ যুগকে ধৰি বহু আওপুৰণি বস্তু শিলঘাটতেই দেখিবলৈ পোৱা যায়। সেইবোৰ পৰিদৰ্শন কৰিবৰ বাবে বিভিন্ন মানুহৰ সমাগম হয়। শিলঘাটত নাই কি সকলো আছে— অসম বিখ্যাত মৰাপাট কল, শিৱ মন্দিৰ, দুৰ্গা মন্দিৰ আনহাতে জনসাধাৰণৰ সুবিধাৰ বাবে এখন পুলিচ থানা লগতে এটা নাট্য মন্দিৰ, ডাকঘৰ আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ এখন চৰকাৰী চিকিৎসালয়; য'ত শিলঘাট অঞ্চলৰ মানুহে বেমাৰ আজাৰৰ পৰা অলপ হাত সাৰিব পাৰে। তাৰ বাদেও পৰ্যটকৰ কিবা অসুবিধা আদি হ'লে যাতে ততালিকে সকলো অসুবিধা দূৰ কৰিব পাৰে তাৰ সকলো ব্যৱস্থাই আছে। আনহাতে শিলঘাটত যিটো মৰাপাট কল আছে তাত আমাৰ স্থানীয় বহুতো লোকে কাম কৰি নিজক প্ৰতিষ্ঠা কৰিব পাৰিছে।

**সমস্যাসমূহ ঃ** বৰ্তমান শিলঘাটত বানপানী এক ভয়াবহ প্ৰকৃতিক সমস্যা। বাৰিষা ব্ৰহ্মপুত্ৰৰ পানীয়ে ভয়াবহক ৰূপ ধাৰণ কৰি আহিছে যাৰ ফলত দাঁতিকাষৰীয়া মানুহবোৰৰ সমস্যা হৈছে। তেওলোকৰ ঘৰ-দুৱাৰ সকলো ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে উটুৱাই লৈ যায় আৰু তেওঁলোকৰ থাকিবলৈ ঘৰবাৰী নাইকিয়া হয়। বাৰিষাত বানপানী হ'লে গৰাখহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰে। এই সময়ত পৰ্যটকসকল শিলঘাটলৈ আহিব নোৱাৰে। আহিলেও অসুবিধাৰ সন্মুখীন হ'বলগা হ'ব পাৰে। ত্ৰিশূলধাৰীত যিটো শিৱ মন্দিৰ আছে তালৈ যোৱা পথটো বানে খহাই নিয়ে। এই সময়ত সেই পথৰে অহা-যোৱা কৰাতো অসম্ভৱ হৈ পৰে। সেইকাৰণে পথতো বন্ধ কৰি দিয়া হয়, যাৰ ফলত বাৰিষাৰ দিনত দৰ্শনাথীয়ে এই মন্দিৰ দৰ্শনৰ বাবে যাব নোৱাৰে। আনহাতে বাঢ়নী পানীত কাজিৰঙাৰ পৰা বিভিন্ন জীৱ-জন্তু উটি আহে। জীৱ-জন্তুৰ লগত মানুহো উটি গৈ মৃত্যুৰ মুখত পৰে। আজিলৈকে শিলঘাটত বানপানীৰ সমস্যা ৰোধ কৰিব বাবে চৰকাৰে একো পদক্ষেপ হাতত লোৱা দেখা নাই। তাৰ বাদেও শিলঘাটত স্থলপথৰো সমস্যা দেখিবলৈ পোৱা যায়। ৰাস্তা-ঘাটবোৰ অলপ উন্নত হ'লেহে পৰ্যটকসকল আহিব। সেইবাবে স্থলপথৰ সমস্যা দূৰ কৰিব লাগে।

**পৰামৰ্শ ঃ** প্ৰাকৃতিক আৰু ঐতিহাসিক প্ৰচুৰ সমলেৰে পৰিপূৰ্ণ শিলঘাটত পৰ্যটন উদ্যোগে গিজ্‌গিজাই থাকিব লাগিছিল যদিও বৰ্তমানেও এলাগী হৈ আছে। শিলঘাটলৈ পৰ্যটকৰ আগমন নোহোৱা নহয়, হয়— কিন্তু পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ প্ৰয়োজনীয় আন্তঃগাঁথনিৰ আজিও অভাৱ। তাৰ উপৰিও দুইমুনি শিলটো বালিৰ মাজত পোতখাই যোৱাৰ সম্ভাৱনা আছে। তাৰবাবে এই দুইমুনি শিলালৈ যাবৰ বাবে নিৰ্দিষ্ট উপযুক্ত পথ উলিয়াব লাগে। কাৰণ দুইমুনি শিলা পৰ্যটকৰ বাবে দৰ্শনৰ স্থান হ'ব পাৰে, তাৰ প্ৰতি সজাগ হ'ব লাগে। এই দুইমুনি শিলা এটা সময়ত দেখা নোপোৱা হ'ব পাৰে। বানপানীত প্ৰতিবছৰে এই শিলা পানীৰ তলতে থাকে। দুইমুনি শিলা যুগ যুগ ধৰি যাতে দেখা পাই থাকে তাৰবাবে চৰকাৰে ব্যৱস্থা হাতত ল'ব লাগে। তদুপৰি শিলঘাটৰ কামাখ্যা মন্দিৰৰ ওপৰত লিখিত কোনো তথ্য বা কিতাপ নাই যে পৰ্যটকে পঢ়ি সকলো গম পাব পাৰে। সেইবাবে মন্দিৰৰ বিষয়ে এখন কিতাপ উলিয়াব লাগে যাতে কিতাপ পঢ়িয়েই পৰ্যটকসকল আহিবলৈ ইচ্ছুক হৈ পৰে। এই কিতাপ উলিৱাওঁতে অসমীয়া, হিন্দী, ইংৰাজী সকলোবোৰ ভাষাত উলিয়াব লাগিব, তেতিয়াহে দেশী-বিদেশী সকলোৰে পঢ়িব পাৰিব। শিলঘাটত যিহৰ অভাৱ অনাটন হয় সেইবোৰ যাতে দূৰ কৰে। ■


**সহায়ক গ্ৰন্থ ঃ**

'শিলঘাট' (স্মৃতিগ্ৰন্থ ঃ শিলঘাট অশোকাষ্টমী মেলা, ২০১৩)

**ভ্ৰ ম ণ**

# নামেৰিলৈ যাত্ৰা


## আকাশ শাণ্ডিল্য
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)


কোনো এটা নজনা কথা জানিবলৈ, নেদেখা বস্তু চাবলৈ সকলো মানুহৰ দুৰ্বাৰ হেঁপাহ। এই বিশাল বিশ্ব দেশ-দেশান্তৰ, নদ-নদী, গিৰি গুহাৰে বৈচিত্ৰ্যময়। সেই বৈচিত্ৰ্যময় নৈসৰ্গিক শোভাই মানুহৰ কৌতুহলী সৌন্দৰ্যপিয়াসী মনক সদায় আকৰ্ষিত কৰি আহিছে। বিশাল বিশ্বৰ নৈসৰ্গিক শোভাইও আমাক সততে হাতবাউল দি মাতে। সেই আহ্বানে মানুহৰ দুৰ্বাৰ আকাংক্ষাক আৰু প্ৰৱল কৰি তোলে। তাৰ তাড়নাতেই মানুহে বিভিন্ন ঠাই ভ্ৰমণ কৰে।

ভ্ৰমণৰ উদ্দেশ্য ব্যক্তি বিশেষে বেলেগ বেলেগ হোৱা দেখা যায়। কোনোৱে নয়নৰ তৃপ্তিৰ বাবে, কোনোৱে শিক্ষা আৰু জ্ঞান লাভৰ বাবে, কোনোৱে ৰত্নৰাজিৰ অনুসন্ধানত, কোনোৱে স্বাস্থ্যজনিত কাৰণত আৰু কোনোৱে কেৱল ভ্ৰমণৰ হেঁপাহত ভ্ৰমণ কৰে।

আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰথম, তৃতীয়, পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষামূলক ভ্ৰমণ এটিত মই অংশ লৈছিলো আৰু সেই ভ্ৰমণটিত হোৱা মোৰ অভিজ্ঞতাসমূহ লিখনিটোৰ জৰিয়তে প্ৰকাশ কৰিবলৈ আগবাঢ়িছোঁ।

৯ অক্টোবৰ, ২০১৮। আমাৰ মহাবিদ্যালয়ৰ প্ৰথম, তৃতীয়, পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী আৰু বিভাগীয় ছাৰ বাইদেউসকলে নামেৰি ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱাৰ এটি পৰিকল্পনা কৰিলে।

'নামেৰি ৰাষ্ট্ৰীয় উদ্যান' অসমৰ পাঁচখন ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত তৃতীয় স্থানত আছে। ই অসমৰ শোণিতপুৰ জিলাত অৱস্থিত। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাটিকালি ২০০ বৰ্গ কিল'মিটাৰ। নামেৰি ৰাষ্ট্ৰীয় উদ্যানত প্ৰাপ্ত জীৱ-জন্তু— বাঘ, ধনেশ পক্ষী, দেওহাঁহ, সোণালী মহাচিৰ (মাছ) আদি উদ্যানখনৰ অন্যতম আকৰ্ষণ।

পৰিকল্পনাটোৰ কথা শুনি মই বহু আনন্দিত হৈ পৰিছিলো। পৰিকল্পনাটো হৈ যোৱাৰ পিছত তাৰিখ ঠিক হৈছিল যদিও দুই তিনি বাৰ কিছু অসুবিধাৰ বাবে তাৰিখবোৰ বাতিল কৰিবলগীয়াও হৈছিল। সকলোৰে মনত এটাই প্ৰশ্ন 'নামেৰি ৰাষ্ট্ৰীয় উদ্যান'লৈ কেতিয়া যোৱা হ'ব। ময়ো মোৰ সতীৰ্থসহ জ্যেষ্ঠ দাদা-বাইদেউসকলৰ সৈতে ক্লাছৰ অন্তত আমাৰ বিভাগৰ কক্ষলৈ প্ৰায়ে গৈছিলো। অৱশেষত সকলোৰে মনত আমনি কৰি থকা প্ৰশ্নৰ উত্তৰ আহিল। ৬ নৱেম্বৰ, ২০১৮ (দেওবাৰ)— দিনটো ভ্ৰমণৰ বাবে ঠিক কৰা হ'ল।

ভ্ৰমণৰ দিনটো ঠিক হোৱাৰ পিছত দুৰ্গা পূজাৰ বাবে ১০ দিন আমাৰ মহাবিদ্যালয়ৰ পাঠদান বন্ধ আছিল। পূজাৰ বন্ধ খোলাৰ পিছত আমি যেতিয়া সকলো পুনৰ লগ হ'লো, তেতিয়া ভ্ৰমণৰ বাবে প্ৰয়োজনীয় বস্তুবিলাকৰ বাবে এক আলোচনা কৰিলো। যদিও সকলো ছাত্ৰ-ছাত্ৰীয়ে ভ্ৰমণটিত অংশগ্ৰহণ কৰিম বুলি কৈছিল, কিছু ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন অসুবিধাৰ বাবে ভ্ৰমণটিত অংশগ্ৰহণ কৰিব নোৱাৰিলে। ভ্ৰমণটিত অংশগ্ৰহণ কৰিবলগীয়া সকলো ছাত্ৰ-ছাত্ৰীয়ে কিছু কিছু দায়িত্ব, যেনে- বজাৰ কৰা, অন্যান্য সামগ্ৰী গোটোৱা আদি মূৰ পাতি ল'লে। এই কামবোৰত আমাৰ বিভাগৰ গোপাল মিলি ছাৰ, দিলীপ কুমাৰ সোণোৱাল ছাৰ, ভায়'লিনা গগৈ বাইদেউ, আব্দুল কায়াম আনছাৰী ছাৰ, মনীষা দেৱী বাইদেউ, উদেষ্ণা নেওগ বাইদেউ আৰু চম্পক গগৈ ছাৰ তত্বাৱধায়ক হৈ থাকিল। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহা ছাৰে আমাক আৰ্থিকভাৱে সহায় কৰিছিল। লগতে মহাবিদ্যালয়ৰ উপাধ্যক্ষা ৰুণিমা শৰ্মা বাইদেৱে ভ্ৰমণটিত অংশগ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰিছিল। সেই দিনটোলৈ মাত্ৰ কেইটামান ঘন্টা বাকী। আমি সকলোৱে মূৰ পাতি লোৱা দায়িত্ববোৰ সম্পাদন কৰিলো।

অৱশেষত অধিক উৎকণ্ঠাৰ অন্তত ৬ নৱেম্বৰ, ২০১৮ দেওবাৰ দিনটো আহিল। ৬ বজাত আমি মহাবিদ্যালয়ৰ ওচৰত লগ হ'লো। ৭.৩০ বজাত আমি অসমৰ পাঁচখন ৰাষ্ট্ৰীয় উদ্যানৰ তৃতীয় স্থানত থকা আমাৰ গন্তব্যস্থান 'নামেৰি ৰাষ্ট্ৰীয় উদ্যান'লৈ বুলি যাত্ৰা কৰিলো। মহাবিদ্যালয়ৰ পৰা আমাৰ গন্তব্যস্থানলৈ দুঘন্টাৰ বাট। বাছত আমি সকলোৱে নাচি-বাগি, গান গাই বহু স্ফূৰ্তি কৰি গৈছিলো। আনকি মানুহ জুম বান্ধি থকা দেখিলে বাছৰ সকলোৱে চিঞৰো। সেই চিঞৰ শুনি মানুহে ঘূৰি ঘূৰি চাইছিল। কিছু সময় যাত্ৰা কৰাৰ পিছত আমি বালিপাৰা পালোগৈ। তাত ৩০ মিনিট ৰ'লো। তাৰপিছত পুনৰ নামেৰি ৰাষ্ট্ৰীয় উদ্যানলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। অৱশেষত আমি ১০ বজাত আমাৰ গন্তব্যস্থানত উপস্থিত হ'লোগৈ। তাৰপিছত নামেৰি ৰাষ্ট্ৰীয় উদ্যানত থকা বনভোজ স্থলীলৈ গ'লো। ঠাইখিনি অলপ পৰিষ্কাৰ কৰি আমি ব্ৰেকফাষ্ট কৰিলো। তাৰপিছত আমি সকলোৱে ঠাই পৰ্যবেক্ষণ কৰিলো। সকলোৱে বনভোজস্থলীৰ বিভিন্ন স্থানত ফটো উঠিলে। ময়ো উঠিলো। ফটো উঠাৰ সকলোৰে হেঁপাহ দেখি সঁচাই ভাল লাগিছিল। ঠাইসমূহ পৰ্যবেক্ষণ কৰি অহাৰ পিছত আমি বনভোজস্থলীলৈ আহিলো। প্ৰায় ৩.৩০ বজাত সকলোৱে একেলগে ভোজ ভাত খালো। ৪.৩০ বজাত আমি উভতনি যাত্ৰা আৰম্ভ কৰিলো। নামেৰি ৰাষ্ট্ৰীয় উদ্যানৰ বাবে থকা এখন সুন্দৰ পৰিৱেশৰ পৰ্যটকস্থলী 'Nameri Eco Camp'ত আমি প্ৰৱেশ কৰিলো। সঁচাকৈয়ে এক মোহনীয় পৰিৱেশ। এই 'Nameri Eco Camp'ৰ ভিতৰত প্ৰায় ২০-৩০টা বেলেগ বেলেগ ধৰণৰ আৱাসগৃহ আছে। বিভিন্ন দেশ-বিদেশৰ পৰা পৰ্যটকসকল ইয়াত ৰাতিটো কটাই এক বিশেষ অভিজ্ঞতা লাভ কৰে। লগতে আমাৰ দেশৰো বিভিন্ন ৰাজ্যৰ পৰ্যটক আহি ইয়াত ৰাতি কটায়। এই পৰ্যটকস্থলীৰ পৰা আমাৰ আহিবলৈ মন যোৱা নাছিল। কিন্তু আহিবতো লাগিবই। লগতে দূৰণিবটীয়া বাট হোৱাৰ বাবে বেলি নপৰোঁতেই আমি পুনৰ উভতনি যাত্ৰা আৰম্ভ কৰিলো। বহুত স্ফূৰ্তি কৰিছিলো, ৰাষ্ট্ৰীয় উদ্যানখনত দিনটো কেনেকৈ গৈছিল গমেই পোৱা নাছিলো। স্ফূৰ্তি কৰিছিলো উভতনি পথতো। প্ৰায় ৭.৩০ বজাত আহি আমি মহাবিদ্যালয়ৰ ওচৰ পালোহি। তাৰপিছত সকলোৱে ঘৰলৈ গ'লো।

এয়াই হ'ল মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষামূলক ভ্ৰমণত হোৱা মোৰ কিছু অভিজ্ঞতা। সঁচাকৈ বহুত ভাল লাগিছিল। লগতে কলিয়াবৰ মহাবিদ্যালয়ৰ পৰা আমাৰ বিভাগ (ৰাজনীতি বিজ্ঞান)ৰ পৰা শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ এয়া মোৰ প্ৰথমটো অভিজ্ঞতা। ■



# Off the Stage

ভূপেন্দ্ৰ নাথ হাজৰিকা, প্ৰাক্তন ছাত্ৰ

এই লেখাটিৰ জৰিয়তে জয়জয়তে কলিয়াবৰ মহাবিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ হিচাপে এই জ্ঞানমন্দিৰৰ পূজ্যপদসকললৈ শ্ৰদ্ধা আৰু কনিষ্ঠসকললৈ স্নেহ যাচিলোঁ। কলিয়াবৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ নাট্যচৰ্চাৰ বিষয়ে আলচ কৰিবলৈ গৈ নাট্যচৰ্চাৰ মাজৰ এক অনুবিষয় নাট ৰচনাৰ সম্পৰ্কত এক আলচ কৰাৰ যত্ন কৰা হৈছে। ই কোনো বিশেষ প্ৰবন্ধ বা সমালোচনামূলক নিবন্ধ নহয়।

১৯৬৯ চনত জন্মলাভ কৰা কলিয়াবৰ মহাবিদ্যালয়খনি জন্মক্ষণৰ পৰাই বিদ্যায়তনিক দিশৰ লগতে সহবিদ্যায়তনিক দিশতো সমুজ্বল। খেল-ধেমালি, সংগীত-নাটক আদিৰ সমাহাৰ আছিল মহাবিদ্যালয়ৰ বিদ্যাৰ্থী সমাজ। যিহেতু আমাৰ চৰ্চাৰ বিষয় নাটকহে গতিকে আমি সেই বিষয়ৰ ওপৰত দৃষ্টিপাত কৰিলো।

সেই সময়ত মহাবিদ্যালয় সপ্তাহত কৰিবৰ বাবে বেলেগ নাট্যকাৰৰ নাটক আনি কৰা হৈছিল। তাৰ মাজতে ১৯৬৯-৭০ চনত মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰ সুৰেন গগৈদেৱৰ 'এপইচা' নাটকখনে এক আলোড়নৰ সৃষ্টি কৰিছিল। '৮০ৰ দশকলৈকে এই নাটকখন কলিয়াবৰৰ নাটপ্ৰেমীসকলৰ মাজত অতি জনপ্ৰিয় আছিল। পৰৱৰ্তী সময়ত এইগৰাকী ব্যক্তিৰ নাট ৰচনা সম্পৰ্কত কোনো তথ্য পোৱা নগ'ল। সেই সময়ৰে এগৰাকী ছাত্ৰ সৰ্বেশ্বৰ শইকীয়াদেৱেও নাট ৰচনাৰে কলিয়াবৰৰ নাট জগতৰ ভেটি জীপাল কৰি থৈছে। ১৯৭০ চনৰ পৰাই ছাত্ৰাৱস্থাত তেখেতে ৰচনা কৰা নাটকসমূহ হৈছে জাল, কাঞ্চা আদি। পৰৱৰ্তী সময়তো তেখেতে বহুকেইখন জনপ্ৰিয় একাংকিকা নাটকৰ লগতে কেইবাখনো মঞ্চসফল পূৰ্ণাংগ নাটকো ৰচনা কৰে।

১৯৭৪-৭৫ চনৰ এখন বহুচৰ্চিত নাটক হ'ল 'যমৰ আদালতত ভাৰতীয় আচামী'। এই নাটকখনে সেই সময়ত কলিয়াবৰত এক বিশেষ চৰ্চা লাভ কৰিছিল। এই গৰাকী নাট্যকাৰৰ 'মদৰ বটলত বিবেক' আদি উল্লেখযোগ্য নাটক। '৮০ৰ দশকতো তেখেতে বহু কেইখন পূৰ্ণাংগ নাট ৰচনা কৰে।

ইয়াৰ পিছৰ সময়ছোৱাত আকৌ মহাবিদ্যালয় সপ্তাহত অসমক প্ৰতিষ্ঠিত নাট্যকাৰৰ নাটক অথবা আন মহাবিদ্যালয়ত মঞ্চস্থ হোৱা একাংকিকা নাটকসমূহে ভিৰ কৰে। ইয়াৰ মাজতে মহাবিদ্যালয়ৰ ছাত্ৰ কৃষ্ণ শইকীয়াদেৱৰ 'সিপাৰৰ সাধু' নামৰ নাটকখন মহাবিদ্যালয় সপ্তাহত মঞ্চস্থ হয়। অসম আন্দোলনৰ ধামখুমীয়াৰ সময়ছোৱাত যদিও নাট ৰচনা, নাট মঞ্চস্থ আদি বিষয়বোৰ ম্লান হৈ পৰিছিল আন্দোলনোত্তীৰ্ন সময়ছোৱাত পুনৰ এই বিষয়বোৰ জীপাল হৈ পৰে। এই সময়ছোৱাতেই মহাবিদ্যালয়ৰ দুজন ছাত্ৰ ভূপেন্দ্ৰ নাথ হাজৰিকা আৰু জিতুমণি বৰাই নাট ৰচনাত মনোনিৱেশ কৰে। 'ডাষ্টবিন', 'ৰাম ৰাজ্যত এদিন গধূলি' 'ভোকাতুৰ মানুহৰ দল' আদি নাটক হাজৰিকাই মহাবিদ্যালয় সপ্তাহত মঞ্চস্থ কৰে। ইয়াৰে 'ভোকাতুৰ মানুহৰ দল' নামৰ নাটকখনিৰে কলিয়াবৰ মহাবিদ্যালয়ৰ নাট প্ৰতিযোগিতাত (শ্বহীদ নৰেন্দ্ৰ নাথ মহন্ত সোঁৱৰণী একাংকিকা নাট প্ৰতিযোগিতা) যোগদান কৰে ১৯৮৬ চনত। সেই সময়ৰ স্বৰচিত নাটকেৰে প্ৰতিযোগিতাত যোগদান কৰা ছাত্ৰজন আছিল জিতুমণি বৰা। 'শোষণৰ বিৰুদ্ধে প্ৰতিবাদ' এয়াই আছিল নাট্যকাৰ বৰাৰ নাটকৰ মূল প্ৰতিপাদ্য বিষয়। 'মোৰ আদালত', 'কোনেও নুশুনা চিঞৰ', 'ভঙা গাঁৱৰ কাহিনী', 'কাঁইট'— এই কেইখন নাটকেই কলিয়াবৰ মহাবিদ্যালয় সপ্তাহত অভিনীত। জিতুমণি বৰাৰ অকাল বিয়োগ নাটকৰ বাবে বৃহৎ ক্ষতি। নাট ৰচনাত হাত দি কৃতিত্ব লাভ কৰা কলিয়াবৰ মহাবিদ্যালয়ৰ দুজন ছাত্ৰ হ'ল বিৰাজ ভূষণ বৰা আৰু প্ৰশান্ত বৰা। 'মৰ্মান্তিক', 'সংকল্প', 'ৰং ট্ৰিট্মেণ্ট', 'যাত্ৰা' আদি একাংকিকা নাট ৰচনাৰে নাট জগতত প্ৰৱেশ কৰা বিৰাজভূষণ বৰা এতিয়া অসমৰ নাট জগতৰ চিনাকী নাম। ৰং তুলিকাৰে সাংস্কৃতিক জগতত খোজ পেলাই নাটকৰ কলম তুলি লোৱা প্ৰশান্ত বৰা নামৰ ছাত্ৰজনেও 'বহল মনৰ মানুহ', 'মাখি' আদি নাটকেৰে নাট জগতত খলকনি তুলিছিল। বহুকেইখন নাটৰ ৰচক প্ৰশান্ত বৰাই অতি কম বয়সতে বিদায় মাগিলে। ই নাট্যপ্ৰেমীসকলৰ বাবে দুঃখবৰ।

কলিয়াবৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নাট ৰচনাৰ এই পৰম্পৰা এতিয়াও বিৰাজমান। ঝুনাকংকন ভূঞাৰ 'সংস্কৃতি অপসংস্কৃতি', '@facebook ডট্ কম' এখন মননশীল নাটক। আন এজন ছাত্ৰ পৰশমণি নাথৰ 'বৃদ্ধাশ্ৰম', 'মা' আদি উল্লেখযোগ্য নাট। ৰিন্টুমণি বৰাৰ ...... নামৰ নাটকখনো উপভোগ্য। 'সংস্কৃতি' একাংকিকা নাটকখনেৰে আত্মপ্ৰকাশ কৰা প্ৰণালী শৰ্মা সম্ভৱতঃ কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰথমগৰাকী ছাত্ৰী নাট্যকাৰ হ'ব।

এনেদৰেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নাট ৰচনাৰ ধাৰাটো জীপাল কৰি ৰাখিছে। ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীসকলেও ইয়াক অনুসৰণ কৰক। ■

# মোৰ চকুত বৈ থকা কলং

জগন্নাথ মহন্ত
অৱসৰপ্ৰাপ্ত গাণনিক তথা প্ৰাক্তন ছাত্ৰ



*পূৰ্বৰ জীয়া কলং*

তেতিয়া সৰু। ফ'ৰ ফাইভৰ ছাত্ৰ। কলঙত গা ধোওঁ। দিনটোত কিমান বাৰ যে কলঙত জাঁপ দিওঁ তাৰ ঠিক নাই। গা ধুই ঘৰ পাওঁ, আকৌ গৈ দেখোঁ অৰ্জুন, কৰ্ণহঁত পানীত। পাৰতে কাপোৰ খুলি দিওঁ আকৌ জাঁপ। কলংখন তেতিয়া আমাৰ বাবে আনন্দৰ বোঁৱতী সোঁতা আছিল।

দেখাসকলে দেখিছে কলঙৰ ৰূপ। মনোৰম, যেন চঞ্চলা এজনী গাভৰু। অহৰ্নিশে বৈ থাকি আমাক গান শুনাইছিল। যি গানৰ সুৰত আমি মতলীয়া হৈছিলো। মতলীয়া হৈছিল আমাৰ কৈশোৰ, যৌৱন।

কলঙৰ আজি সেই ৰূপ নাই। শীৰ্ণ শৰীৰ, জলহীন। য'ত অকণমান পানী আছে, মেটেকা পুনিৰে ভৰপূৰ। ফেনে-ফোটোকাৰে বাঢ়ি অহা কলঙত সাঁতুৰি-নাদুৰি যিসকলে শৈশৱ, কৈশোৰ পাৰ কৰি ডেকা হৈছিল, আজিৰ কলঙৰ ৰূপে সেইসকলৰ হৃদয়ত ক্ষোভ ওপজায়, দুখৰ বৰঘৰ সাজি দিয়ে।

বাৰিষা কলঙৰ পানী ওফন্দি পথাৰত সোমায়। কৃষক ৰাইজৰ আনন্দৰ সীমা নাইকিয়া হয়। সেই সময়ত পথাৰত মাছ-পুঠি উভৈনদী হয়। ৰাইজে থুহা-চেপা পাতি গৰৈ, কাৱৈ, মাগুৰ, মোৰা, পুথি, চেঙেলী, টোৰা, বামী আনকি কেঁকোৰাও ধৰিছিল আৰু হেঁপাহ পলুৱাই খাইছিল। মই আৰু গাঁৱৰ মহেন্দ্ৰ এইক্ষেত্ৰত আগৰণুৱাই আছিলো।

এদিন কানিমুনি বেলা থুহা পাতিবলৈ আমি দুয়ো পথাৰলৈ গৈছিলো। আলি কাটি নিজৰ থুহা পাতোঁতে দেখিলো আলিটোত আনে আগেয়ে পাতি থৈ যোৱা বহুত থুহা। দুয়োটাই আলচিলো ৰাতি আহিম। কথা মতেই কাম। ৰাতি ন-মান বজাত মহেন্দ্ৰৰ সৈতে পথাৰলৈ গৈ লোকে পাতি থৈ যোৱা থুহা আৰু চেপাৰ মাছ মোনাত ভৰাইছো। জোনাক ৰাতি। অলপ আঁতৰতে দেখা পালো বাঁকক। বাঁকে চাপৰি চাপৰি থুহা-চেপাৰ মাছ খাইছে। আমাৰ বুকু কঁপি গ'ল। আমাৰ মোনাত মাছো বহুত। যদি বাঁকে ধৰেহি। তেনেতে এনে লাগিল বাঁকে পানীত জপং জপংকৈ শব্দ কৰি আমাৰ ফালে চোঁচা লৈছে। আমি দুয়োটাই উলটি মাৰিলো দৌৰ। কিছুদূৰ অহাৰ পিছত ঘূৰি চাই দেখোঁ বাঁক আমাৰ ফালে অহা নাই, আমাৰ পৰা আঁতৰি পলাইছেহে। আমি ভাবিলো, আমালৈ বাঁকে ভয় কৰিব কিয়? তথাপিতো সেইদিনা বৰ ভয় খালো। বুকুত ভয় লৈয়ে ঘৰ পালোহি।

পিছদিনা বাঁকৰ কাহিনী আমাৰ আগত বৰ্ণালে আমাৰ প্ৰতিৱেশী হোনাই ককাইদেউৰ ঘৰত থকা হালোৱা গোবিনে। তাৰ কথা শুনি আমাৰ আৰু বুজিবলৈ বাকী নাথাকিল— চোৰকহে মোৰে পাইছিল।

প্ৰাচীন সভ্যতাৰ বুৰঞ্জীৰ পাত লুটিয়ালে পোৱা যায়— নদ-নদীক কেন্দ্ৰ কৰিয়েই সভ্যতা-সংস্কৃতি গঢ় লৈ উঠিছিল। জীৱন-যাপনত নদীৰ প্ৰভাৱ অপৰিহাৰ্য। কলঙৰ পাৰতো গঢ়ি উঠিছিল সভ্যতা— আমাৰ সভ্যতা। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা বৰঘোপ পাহাৰৰ আঁৰিকাটিৰ মুখেদি সুঁতিটো ওলাই অকাই-পকাই নগাঁও জিলাৰ মাজেদি বৈ গৈ মৰিগাঁৱৰ পশ্চিমে কাজলীমুখত পুনৰ লুইতৰে মিলন হৈছেগৈ। ইমান এটা দীঘলীয়া সুঁতি হ'লেও মোৰ

কলঙৰ বিস্তৃতি কিন্তু তেনেই সৰু। ঘাটেঘাটৰ পৰা হাটবৰৰ দলঙলৈকে। মোৰ চকুৰ আগত বৈ থকা জীয়া কলং সেইখনেই, য'ত এতিয়া কলঙৰ শুকান বুকু খান্দিলেই পাম মোৰ শৈশৱ, কৈশোৰ আৰু যৌৱন। মোৰ সমনীয়া আৰু বহুতৰে কলংখন বন্ধু আছিল আদবয়সলৈকে।

১৯৫০ চনত হোৱা বৰ ভুঁইকঁপে কলঙৰ গতিপথ সলনি কৰি পেলালে। আগতে কলঙৰ ওপৰেদি ডাঙৰ ডাঙৰ জাহাজ আৰু সৰু-বৰ বহুতো নাও চলাচল কৰিছিল। বেপাৰ-বাণিজ্যৰো কলংখনেই ভৰসা আছিল। জ্ঞানদাভিৰাম বৰুৱাদেৱে কোৱা মতে, বাৰিষাৰ কলঙেদি জাহাজেৰে নগাঁৱৰ পৰা গুৱাহাটীলৈ যাব পৰাৰ ব্যৱস্থা আছিল। দুখন জাহাজ চলাচল কৰিছিল। এখনৰ নাম 'দৰং' আনখনৰ নাম 'শান্তিপুৰ'। এই দুয়োখন জাহাজৰ দ্বাৰাই বাহিৰৰ পৰা অহা আৰু বাহিৰলৈ নিয়া বয়বস্তু সৰবৰাহ কৰা হৈছিল। তেতিয়া কলঙৰ দুয়োপাৰৰ মানুহে এই জাহাজ দুখন নেদেখা বস্তু চোৱাৰ দৰে চাইছিল। নগাঁৱৰ বুৰঞ্জীয়ে কয়, কলঙৰ কাৰণেই হেনো জিলাখনৰ বাসিন্দাসকলে এশ বছৰৰ আগতেই বহুত বস্তু দেখিবলৈ পাইছিল। যেতিয়া ইংৰাজসকলে শিলঘাটলৈ বুলি ৰে'লপথৰ ব্যৱস্থা কৰিলে, কলং নৈ ওপৰত দলং হ'বলৈ ধৰিলে; তেতিয়াৰে পৰা জাহাজ চলাচল বন্ধ হৈ পৰিল। এইয়া আমি শুনা কথা। দেখিবলৈ পোৱা নাই। বুৰঞ্জীয়ে কোৱা মতে, আহোমৰ ডা-ডাঙৰীয়াসকলে হেনো বিলাসী ধুনীয়া নাৱেৰে এই কলঙেৰে অহা-যোৱা কৰিছিল।

১৯৫০ চনত হোৱা ভুঁইকঁপৰ সময়ত মোৰ বয়স মাত্ৰ এবছৰ বুলি মায়ে কৈছিল। যেতিয়া মোৰ বয়স পাঁচ কি ছয় বছৰ হ'ল, কলং হৈ পৰিল জীৱনৰ সঙ্গী। কলংখনক বাদ দি আমাৰ জীৱন আধৰুৱা। কলঙৰ পানী খোৱা, কলঙত গা-ধোৱা, কলঙত বৰশী বোৱা, কলঙত কাপোৰ-ধোৱা, কলঙৰ পাৰত থকা জংঘলত বাহিৰ ফুৰা, তাতেই মাটি-পানী লোৱা, সাঁতুৰি-নাদুৰি ইপাৰ-সিপাৰ হোৱা, অঘোষিত সাঁতোৰৰ প্ৰতিযোগিতাত অংশ লোৱা, ডুব মাৰি তলে তলে গৈ ক'ৰবাত ওলোৱা, গৰু-গাইক গা-ধুওৱা, কলৰ ভুৰ সাজি ইপাৰ-সিপাৰ হোৱা, খৰালি জুলুকি লৈ জোৰ কটা, মাছ ধৰা ইত্যাদি নানা ধৰণেৰে আমি কলংখনৰ লগত জড়িত হৈ আছিলো।


'সাঁতোৰৰ প্ৰতিযোগিতা' বুলি কওঁতে মোৰ মনত পৰিছে কলঙৰ পানীৰ মোৰ লগৰীয়াসকলৰ কথা— কৰ্ণ ক্ষত্ৰিয়, বিচৌগুটি, নৰেশ বৰ্মন, অনন্ত বিশ্বাস, কেন্দু বিশ্বাস। কেন্দু বিশ্বাস আৰু অনন্ত বিশ্বাস আছিল পানীৰ পোক। কলঙৰ বঢ়া পানীত 'শিহু'ৰ দৰে সাঁতুৰিব পাৰিছিল সিঁহতে। প্ৰতিযোগিতাত প্ৰায়েই হাৰিছিলো যদিওময়ো সাঁতোৰত সিদ্ধহস্তই আছিলো। যিকোনো সময়তেই আমি কলঙত ওমলিছিলো। এক কথাত ক'বলৈ গ'লে কলঙেই আমাৰ জীৱন আছিল।

কলং বহুতৰে জীৱন আছিল, জীৱিকা আছিল। মুৰাৰি ঘাটৰ শলীয়া ঘাটুৱৈ। সেই সময়ত শলীয়া ঘাটুৱৈ বা শলীয়া বৰা মোৰ কলঙৰ এক অপৰিহাৰ্য অংগ আছিল। মানুহক সিপাৰৰ পৰা ইপাৰলৈ, ইপাৰৰ পৰা সিপাৰলৈ অনা-নিয়া কৰাটো তেখেতৰ গৰ্বৰ কথা আছিল। যদিও তেওঁৰ এইটো জীৱিকা আছিল, ই তেখেতক প্ৰদান কৰিছিল আত্মাভিমান।

নাগশঙ্কৰ নিবাসী মানুহজন আছিল কেটোৰ ক'লা। মোৰ আজিও ভাৱ হয়— ৰাধাক যমুনা পাৰ কৰোৱা কলীয়া কানাই দৰেই আছিল শলীয়া ককাইদেউ— আমাৰ কানাই। পোৱাভেটিৰ মোমাই ঘৰলৈ যাবৰ বেলিকা মোৰ দাদা সৰুবাপু আৰু মই কলঙৰ আমাৰ পাৰে ৰৈ শলীয়া ককাইদেউক মাতো— ককাই, এইপাৰে আহিবানে? ককাইৰ জবাব— না। সিপাৰেও দুজনমান হ'ব লাগিব, ইপাৰেও আৰু কেইজনমান হ'ব লাগিব। তেতিয়াহে তেখেতৰ পোছাব। শলীয়া ঘাটুৱৈৰ নাও ইপাৰলৈ অহাৰ অপেক্ষাত আমি বহুসময় পাৰতে বহি থাকোঁ। তেতিয়াই কলীয়া শলীয়া ককাইদেউক মোৰ 'কানাই' যেন লাগিছিল। আমি যেন আছিলো কাণৰ সোণ দি হ'লেও পাৰ হ'ব খোজা 'ৰাধা'।

বাঢ়নী পানীয়ে দুপাৰ বুৰাই ত্ৰাসৰ সৃষ্টি কৰিলেও কলংখন আছিল আজলী আৰু আলসুৱা। কলঙৰ পাৰতে বতাহত হালিছিল— ঝাওঁবন-কঁহুৱা। বুঢ়া-মেথা, কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ সকলোৰে বাবে কলং আছিল আনন্দৰ উৎস। ডেকা-গাভৰুৰ বাবে প্ৰেমৰ নীলা নদী।

মনত পৰিছে। মনত পৰিছে আমাৰ গাঁৱৰ শুভ ককাইদেউৰ কথা। শুভ শইকীয়া সৰুভগীয়াৰ পাহুৱাল ডেকা। আধানী বৰা দ'লালৰ ৰাংঢালী গাভৰু। কলঙলৈ আধানী কাপোৰ ধুবলৈ আহে। ইপাৰে শুভই গৰুৰ গা ধুৱায়, নিজৰ ঘাট এৰি আমাৰ ঘাটত। আমাৰ ঘাটটো আধানী হঁতৰ ঘাটৰ প্ৰায় মুখামুখি। আধানীয়ে কাপোৰ ধুই থাকোঁতে শুভই সুঁহুৰি মাৰি উদং দেহা দেখুৱাই কলঙত জঁপিয়াই, সাঁতুৰি পাৰ হয়। পাউৰী পাতি পোৱা বাতমাছ নিজৰ ঘৰলৈ আনক ছাৰি আধানীক দিয়ে। আধানীও প্ৰেমত পৰে। গৰাত বহি দুয়োৰে কথা পাতে। প্ৰেমৰ এই মিঠা গুঞ্জন কলঙে শুনে। এদিন আধানীক কলৰ ভুৰত তুলি পলুৱাই আনি শুভই ঘৰ সুমুৱালে। এনেকৈয়ে কলঙে এখন সুখৰ সংসাৰ পাতিলে। এই সংসাৰ এদিন



*এতিয়াৰ মৰা কলং*

ল'ৰা-ছোৱালীৰে এখন ভৰা ঘৰ হ'ল।

সময়ৰ গতিত আধানী আৰু শুভই অগা-পিছাকৈ জীৱনৰ মায়া এৰি অজান দেশলৈ গুচি গ'ল। এই প্ৰেমৰ সাক্ষী হৈ ৰ'বলৈও কলং মৰি থাকিল। আজিও যেন শুভ-আধানীৰ আত্মাই মৰা কলংখনৰ দুৰ্দশা দেখি ক্ষোভ উজাৰি কয়— হে কলং, তুমি আকৌ বোৱা। আকৌ আমাক মৰম দিয়া। দিয়া অমৰ প্ৰেমৰ বিশালতা।

আমাৰ সামাজিক জীৱনো কলঙৰ ওপৰতেই নিৰ্ভৰশীল আছিল। বিয়াৰ পানীতোলা কামখিনি তেতিয়া কলঙতেই হৈছিল। মানুহ মৰিলে তিলানীৰ কামখিনিও কলঙৰ পাৰতে সমাপন কৰা হৈছিল। ব'হাগৰ বিহুত গৰু ধুওৱা আদি সকলো কাম গাঁৱৰ ৰাইজে কলঙতেই কৰিছিল।

এনেখন সোণসেৰীয়া কলংসুঁতি বন্ধ কৰিবলৈ চৰকাৰে আঁচনি প্ৰস্তুত কৰিলে নগাঁও সদৰক বানপানীৰ পৰা সুৰক্ষা দিবলৈ। ১৯৬৪ চনত কলংখনক ভেটা দিয়া হ'ল। কলংমুখ বান্ধি দিয়াৰ কাৰণে খেতি পথাৰত পানী নোসোমোৱা হ'ল। বছৰি পানীয়ে যি পলস আনিছিল, সেই প্ৰাপ্তিও পথাৰে হেৰুৱালে। মাটিৰ উৰ্বৰা শক্তি ক্ৰমে হ্ৰাস পালে। পানী নোসোমোৱা বাবে মাছ-পুঠিও কমিল। বান্ধে কলঙক মাৰি পেলালে। বন্ধ পানীত প্ৰদূষণৰ সৃষ্টি হ'ল। হাইজা-কলেৰা-মেলেৰিয়াই ৰাইজৰ প্ৰাণ ল'বলৈ ধৰিলে।

'৬৪ চনত বন্ধা মথাউৰিৰ অংশবিশেষ খহানীয়াত যোৱাত তাৰ নাতিদূৰেদি আকৌ এটা মথাউৰি দিয়া হ'ল। লুইতৰ পানীয়ে ইয়াকো খহাই নিয়াৰ আংশকা কৰি ১৯৭২ চনত কেৱল নগাঁও নগৰক বচাবৰ বাবেই অপৰিকল্পিতভাৱে ঘাটৈঘাটৰ দলং পাৰ হৈয়ে কলঙৰ ওপৰত এটা ৰিং বান্ধ দিলে। এই বান্ধৰ বিস্তৃতি আছিল বাণীপুৰৰ পৰা শিলঘাটলৈ যোৱা পথৰ দাঁতিৰে মিৰিভেটিলৈকে। '৭৩ ত দ্বিতীয়টো মথাউৰি ভাঙি কলঙত পানী সোমাল। চৰকাৰৰ মাহীআইসদৃশ দৃষ্টিৰে নিৰ্মিত ৰিং বান্ধটোত বাধা পাই বাঘজান, জখলাবন্ধা, শেনচোৱা, বাণীপুৰ, ইফালে মিৰিভেটি, নিজ-কলিয়াবৰলৈ এক বিস্তৃত অঞ্চল পানীয়ে ডুবাই পেলালে। বানাৰ্তসকল নিজৰ ঘৰ-বাৰী এৰি অস্থায়ী কেম্প অথবা আলিবাটলৈ ওলাই আহিবলৈ বাধ্য হ'ল।

১৯৬৪ তেই কলঙক ভেটাক লৈ কলিয়াবৰত প্ৰতিবাদ হৈছিল। গৰ্গ বৰুৱা আদিৰ দৰে দূৰদৰ্শী মানুহে কলঙক ভেটিলে পৰিণাম ভয়ঙ্কৰ হ'ব বুলি গৰ্‌গৰাই উঠিছিল। '৭৩ তো কলিয়াবৰত বান্ধ বিৰোধী প্ৰতিবাদ হ'ল। বানপীড়িত অঞ্চলৰ দুৰ্দশা দেখি ৰিং বান্ধটো ৰাইজে ভাঙি পেলোৱাৰ পোষকতা কৰিলে। মোৰ মনত আছে জিলা উপায়ুক্ত আহিছিল। ৰাইজে এই বান্ধ কাটি কলঙক বাট মোকলাই দিবলৈ তেখেতক দাবী জনাইছিল। নহ'লে ৰাইজেই এই কাম কৰিব বুলি সঁকীয়াইছিল। তেখেতে হাতযোৰ কৰি ৰাইজক এই কাম কৰিবলৈ বাৰণ কৰিছিল। কিন্তু পানীয়ে নিজেই বাট মোকলাই লৈছিল। ৰিং বান্ধত বাধা পাই ৰাস্তাটোৰ ইটো পাৰে এটা লোৰ খান্দি মিৰিভেটি আৰু ঘাটৈঘাটৰ ঠিক মাজতে বান্ধ আৰু পকী ৰাস্তা খহাই পানী কলঙেৰে ব'বলৈ ধৰিছিল। কেৱল ক্ষোভিত ৰাইজৰ কোনোজনে বান্ধৰ চপৰা এটা এৰুৱাই পানীক বাট দেখুওৱাত অকণমান সহায়হে কৰিছিল। ইয়াতে বিতুষ্ট হৈ কেইবাজনকো পুলিছে সেইদিনা ৰাতিলৈ গ্ৰেপ্তাৰ কৰিছিল।

১৯৭৩ চনৰ ২ আগষ্ট। মোৰ ভালকৈয়ে মনত আছে। (তাৰ এমাহৰ পিছতেই ছেপ্টেম্বৰৰ ১ তাৰিখে কলিয়াবৰ কলেজত মোৰ নিযুক্তি হৈছিল।) সেইদিনা সন্ধিয়া সময়ত আমাৰ ফালে কলঙত পানী সোমাইছিল। তেঁতেলী তলেৰে বৰভকতি গাঁৱলৈ পানী বাগৰিছিল। ডোব জলমগ্ন হৈছিল। বাঘজান, জখলাবন্ধা, শেনচোৱা, বাণীপুৰ, মিৰিভেটি আদি ঠাইত আগৰেপৰা পানী আছিলেই। মই তেতিয়া চফল ডেকা। উৎকণ্ঠাৰ সীমা নাছিল। ভদ্ৰ, মহেন্দ্ৰৰ লগত পানী চাই ঘূৰি ফুৰিছিলো। কলঙে লুইতৰ ৰূপ লৈছিল। দুপাৰ বুৰাইছিল। কলঙৰ এনে ৰূপ জীৱনত প্ৰথম দেখিছিলো

তাৰপিছত চৰকাৰে কলঙক এনেকৈয়ে ভেটিলে যে— সুঁতিটোৱে মৃত্যুক আঁকোৱালি ল'লে। স্তব্ধ হৈ পৰিল ইয়াৰ গতি। কলঙক নিৰ্ভৰ কৰি জীৱননিৰ্বাহ কৰা মানুহখিনিৰ জীৱিকাৰ পথ বন্ধ হৈ পৰিল। স্থবিৰ কলং পুতি-গন্ধময় হ'ল।

প্ৰকৃতিৰ ওচৰত মানুহৰ পৰাজয় সৰ্বদা। যোৱা ২০১৭ চনৰ ১৩ আগষ্ট তাৰিখে হাতীমূৰাৰৰ মথাউৰি লুইতৰ পানীয়ে আকৌ ভাঙিলে। স্মৃতিৰ গহ্বৰত থিতাপি লোৱা কলং হঠাৎ উত্ৰাৱল হৈ পৰিল। সেইদিনা কলঙৰ ৰূপ চাবলৈ ঘিতমিটীয়া আন্ধাৰকো আওকাণ কৰি টোপনিৰ পৰা উঠি হাতে হাতে টিপচাকি লৈ মুনিহ-তিৰোতা সকলো দৌৰিছিল কলঙলৈ। কলঙৰ পাৰত অনেক মানুহ।ময়ো টৰ্চ লৈ পদূলি পালোগৈ। শুনা পালো স্মৃতিৰ জীয়া কলঙৰ মধুৰ গুঞ্জন। তেতিয়াও ৰাতি পুৱাবলৈ বাকী, বৰ ভালকৈ একো নেদেখি। মই ৰৈ নাথাকি মুৰাৰি ঘাটৰ দলং পালোগৈ। দলঙৰ পৰা দেখিলো কলঙৰ ভয়ঙ্কৰ ৰূপ, বন্দিনী কলঙৰ প্ৰতিশোধী ধাৰা।

মোৰ চকুৰ আগতেই কলঙে ডাঃ টি. আও গ্ৰামীণ ক্ৰীড়া পথাৰখন ডুবালে, বৰভকতি ডুবালে, দেৰসত্ৰ, কটিয়ৰি, ঢেকিয়াল ডুবালে। তেতিয়াও আমাৰ গাত চেতনা নাই। বানে আনিব পৰা ভয়াবহ বিপদকো নেওচি আমাৰ মন এক প্ৰশান্তিৰে ভৰি পৰিল কলঙৰ জীয়া ৰূপ দেখি।

ঘৰতোযে পানী সোমাব পাৰে এইকথা পাহৰিয়েই গ'লো। স্কুটিখন উলিয়াই কলঙৰ ৰূপ দৰ্শন কৰিবলৈ ওলাই গ'লো। দয়াল গাঁৱত ৰাষ্ট্ৰীয় পথেদি পানী বাগৰিছে। বাণীপুৰেদি পানী বাগৰিছে। শেনচোৱা জলমগ্ন, ডোব সাগৰ। হাটবৰ, শ্ৰৱণী, মাধতাৰি সকলোতে পানী, কেৱল পানী। ঘূৰি আহি পাওঁ মানে আমাৰ ঘৰৰ চোতালতো পানীয়ে ঘৰ সাজিছে। তথাপিতো ভয় নালাগিল। বহুদিন নহা আত্মীয়ৰ আগমনে মনলৈ যেনে সুখ আনে, তেনে এক সুখানুভূতিৰে মন ভৰি থাকিল।

প্ৰায়ৰে মুখত শুনিছিলো— কলঙক হেনো এইবাৰ জীয়াই ৰাখিব। কলং আগৰ দৰেই বৈ থাকিব। অসম চৰকাৰেই কলঙক প্ৰাণ দিব। কলিয়াবৰৰ মানুহৰ এই কথাত আনন্দৰ সীমা নাইকিয়া হৈছিল। কিন্তু শেষত তাৰ বিপৰীত হ'ল। ভঙা মথাউৰি পুনৰ মেৰামতি হ'ল। কলঙে মৃতৰূপ পালে। আজি ২০১৯ ত কলং স্তব্ধ। নিশ্চুপ। মেটেকা আৰ্বজনাৰে আকৌ লেতেৰা হৈ পৰিল।

আশাৰ মৃত্যু হ'ল। আমাৰ জীৱন ৰেখা বোঁৱতী কলংখনলৈ মনত পৰিলে চকুলো বয়। কলঙে আজিও কান্দে। আমাৰ হৃদয়ে শুনে। কান্দি কান্দি যেন কৈ যায়- ৰুদ্ধ জীৱনে আকৌ মুক্তি পাবনে? ■



# প্রতিবেদন

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যিসকল মহান ব্যক্তিৰ অমূল্য অৱদানেৰে কলিয়াবৰ মহাবিদ্যালয়খনি গঢ় লৈ উঠিল, সেই মহান ব্যক্তিসকললৈ পোন প্ৰথমে প্ৰণাম জনালো।

১৯৬৯ চনৰ ২৬ জুলাইত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনিত বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩৫০০ ৰো অধিক। মাত্ৰ শতাধিক ছাত্ৰ-ছাত্ৰীক লৈ আৰম্ভ কৰা আমাৰ মহাবিদ্যালয় বৰ্তমান অসমৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰীৰ কলৰৱৰে মুখৰিত। কলঙৰ পাৰত অৱস্থিত আমাৰ মহাবিদ্যালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য অপৰিসীম। মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পোনপটীয়া সংযোগ সদায় আদৰণীয়।

কলিয়াবৰ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মই সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ নীতি-নিয়ম, শান্তি-শৃংখলা ৰক্ষাৰ শপত গ্ৰহণৰে ৪৯ তম মহাবিদ্যালয় সপ্তাহৰ যোগেদি মোৰ কাৰ্যভাৰ আৰম্ভ কৰোঁ। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক-মানসিক তথা বৌদ্ধিক বিকাশৰ বাবে আয়োজন কৰা ৪৯ তম মহাবিদ্যালয় সপ্তাহ ইং ২৪/০১/২০১৮ তাৰিখৰ পৰা ২৯/০১/২০১৮ তাৰিখলৈকে অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্যসূচী অনুযায়ী পতাকা উত্তোলন কৰে অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহাদেৱে আৰু শ্বহীদ তৰ্পণ অনুষ্ঠান মুকলি কৰে উপাধ্যক্ষা শ্ৰীযুতা ৰুণিমা শৰ্মা বাইদেৱে। ইং ৩০/০১/২০১৮ তাৰিখে মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে কলিয়াবৰ মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত পংকজ কুমাৰ চক্ৰৱৰ্তী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় উপ-সভাপতি মণি মাধৱ মহন্ত ডাঙৰীয়া।

১ ছেপ্টেম্বৰ, ২০১৮ তাৰিখে প্ৰতিবছৰৰ দৰে এইবছৰো নৱাগত আদৰণী সভা আয়োজন কৰা হয়। এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহাদেৱে। মুখ্য অতিথি হিচাপে আমি আমন্ত্ৰণ জনাইছিলো সুবক্তা, প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া ডাঙৰীয়াক। সভাৰ অন্তত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীতৰ অনুষ্ঠান পৰিৱেশন কৰে। এই সাংস্কৃতিক অনুষ্ঠানত মুখ্য আকৰ্ষণ হিচাপে উপস্থিত আছিল নৱপ্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী সুবাসনা দত্ত।

৫ জুন, ২০১৮ তাৰিখে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়ৰ চৌহদ, ছাত্ৰী নিবাস আৰু ছাত্ৰ নিবাসত গছপুলি ৰোপণৰ কাৰ্যসূচী লোৱা হয়। ২০/১২/২০১৭ ৰ পৰা ২২/১২/২০১৭ লৈকে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অসম কলেজ অধ্যক্ষ পৰিষদৰ ৩৫ তম দ্বি-বাৰ্ষিক অধিবেশনখনি সাফল্যমণ্ডিত কৰাত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সহায় কৰোঁ।

সাধাৰণ সম্পাদকৰ দৰে এটি গুৰু দায়িত্ব আমাৰ বাবে সম্ভৱপৰ নাছিল যদিও মাননীয় অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকলৰ প্ৰেৰণাত এই কাৰ্য ভুল-ভ্ৰান্তিৰ মাজেৰে পাৰ কৰিলো। এই সুযোগতে তেখেতসকলক কৃতজ্ঞতা জনালো। মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিভিন্ন কামত দিহা-পৰামৰ্শৰে সহায় আগবঢ়োৱা সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় উপসভাপতি শ্ৰীমণি মাধৱ মহন্ত ডাঙৰীয়া, নগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীমুন্না শৰ্মা আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ কংকন দা, মৃগাংক দাৰ লগতে মনোজ দা, চিন্ময় দা, চান্দিক দা, বিকি দা, নন্দিতা বা, ৰিশ্মিকা বা, বৰ্ষা বালৈ অশেষ ধন্যবাদ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। অনাগত সময়ত মহাবিদ্যালয়খন উন্নতিৰ পথৰে আগুৱাই যাওঁক। এই কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।



**ভাস্কৰজ্যোতি ফুকন**

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



## আমাৰ সপোন, আমাৰ দাপোণ
## কলিয়াবৰ মহাবিদ্যালয় বুকুৰ আপোন

কলিয়াবৰ মহাবিদ্যালয়। কলংপৰীয়া ঐতিহ্য গৰিমাৰে বিভূষিত প্ৰতিজন কলিয়াবৰীয়াৰ অহংকাৰ তথা কলিয়াবৰৰ উচ্চশিক্ষাৰ কেন্দ্ৰস্থল কলিয়াবৰ মহাবিদ্যালয়। এমুঠি সপোন পিয়াসী প্ৰাণৰ সপোনৰ মূৰ্তৰূপ এইখনি জ্ঞানৰ আলয়। পোনপ্ৰথমে সেই সপোন পিয়াসী আত্মা কেইটালৈ মোৰ হৃদয়ৰ শ্ৰদ্ধা নিবেদিছো। মহাবিদ্যালয়খনিত নামভৰ্তিৰ দিনৰে পৰাই এটি সপোন দেখিছিলো ছাত্ৰ একতা সভাৰ এজন সদস্য হৈ মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ হকে কাম কৰি যোৱাৰ। সেই সপোন পূৰ্ণ হ'ল ২০১৭-১৮ চনত। ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহকাৰী সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সুবিধা পালো আৰু আপোনাসৱৰ আশীৰ্বাদত নিৰ্বাচিত হ'লো। মোৰ এবছৰীয়া কাৰ্যকালত মই ছাত্ৰ-ছাত্ৰীৰ হকে কাম কৰি যোৱাৰ আপ্ৰাণ চেষ্টা চলাইছিলো। 'ৰক্তদান মহান কাম'— এই কথাকে সাৰোগত কৰি ৫ ছেপ্টেম্বৰ শিক্ষক দিৱসৰ দিনটোৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত এটি ৰক্তদান শিৱিৰ অনুষ্ঠিত কৰিছিলো। সেই শিৱিৰত প্ৰায় ৪০ জন ছাত্ৰই ৰক্তদান কৰি শিৱিৰটি সফল কৰিছিল। চেষ্টা কৰিছিলো ছাত্ৰ-ছাত্ৰীৰ হকে কাম কৰিবলৈ, কি কৰিব পাৰিলো, কি কৰিব নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য।

শেষত, মোক সহকাৰী সাধাৰণ সম্পাদক হিচাপে জয়যুক্ত কৰোৱা কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিলো। মই চিৰকৃতজ্ঞ কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ ওচৰত, তেওঁলোকে মোক ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰিলে। লগতে কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহা ছাৰ, কলিয়াবৰ মহাবিদ্যালয় ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সতীৰ্থসকল, ছাঁটোৰ দৰে মোৰ লগত থকা বন্ধুবৰ্গলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছো।

**নিশিকেশ ভূঞা**

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে এই মহান শিক্ষানুষ্ঠানটি গঢ় দিবৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা প্ৰতিজন মহান ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো, যিসকলৰ অৱদানৰ অবিহনে এনে এটা মহান অনুষ্ঠান গঢ় লৈ নুঠিলেহেঁতেন।

কলিয়াবৰ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰি কলিয়াবৰ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মই সকলো দাদা-বাইদেউ, বন্ধু-বান্ধবী, ভাইটি-ভন্টিৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। মোৰ কাৰ্যকালত সাংস্কৃতিক বিভাগৰ পৰা মই মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা আদি অনুষ্ঠানসমূহ সুচাৰুৰূপে পালন কৰিলো। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক শোভাযাত্ৰা, লোকনৃত্য, লোকবাদ্য, ব্যঙ্গ নাটক, মিমিক্ৰি, নৃত্য প্ৰতিযোগিতা আদি আয়োজন কৰিছিলো। লগতে জি. এন. ডি. জি. কমাৰ্চ কলেজত অনুষ্ঠিত হোৱা পূৱ মাণ্ডলিক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে লোকনৃত্যত প্ৰথম স্থান আৰু লোকবাদ্যত দ্বিতীয় স্থান লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মিমিক্ৰিত প্ৰথম স্থান, সাংস্কৃতিক শোভাযাত্ৰা, লোকবাদ্য, লোকনৃত্য, স্বৰচিত কবিতা আবৃত্তিত স্থান লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।



মোৰ কাৰ্যাকালত মোক দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, তত্ত্বাৱধায়ক শ্ৰীযুতা পিনাকী দাস বাইদেউ আৰু প্ৰত্যেকজন ব্যক্তিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্বশেষত কলিয়াবৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।

**বিদ্যুৎ হাজৰিকা**

# সাহিত্য সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে যি সকল মহান পুৰুষৰ প্ৰচেষ্টাত কলিয়াবৰ ৰাইজৰ প্ৰাণকেন্দ্ৰস্বৰূপ ঐতিহ্যমণ্ডিত কলিয়াবৰ মহাবিদ্যালয় গঢ় লৈ উঠিছিল, সেইসকল ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালো।

কলিয়াবৰৰ বিভিন্ন স্থানৰ পৰা অহাৰ উপৰিও অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ সংগমস্থল কলিয়াবৰ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য সম্পাদকৰ দৰে এটি সন্মানীয় পদত মোক যোগ্য বুলি বিবেচনা কৰি নিৰ্বাচিত কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষীলৈ মই মোৰ মৰম, শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

"সাহিত্য সংগীত কলাবিহীনঃ
সাক্ষাত পশু পুচ্ছবিষাণহীনঃ।"

অৰ্থাৎ সাহিত্য, সংগীত, কলাবিহীন লোক শিং আৰু নেজ নথকা পশুৰ দৰে। সাহিত্য হৈছে এটা জাতিৰ বুনিয়াদ। মই সাহিত্য সম্পাদকৰূপে গুৰুভাৰ লোৱাৰ পিছত মহাবিদ্যালয়খনক সাহিত্যৰ পথাৰখনৰ দিশত কিমান দূৰ আগবঢ়াই নিব পাৰিলো বা নোৱাৰিলো সেইখিনি আপোনাসৱৰ বিচাৰ্য। কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতে কলিয়াবৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। এই সপ্তাহত মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ তৰফৰ পৰা ইংৰাজী, অসমীয়া আৰু স্ব-ৰচিত কবিতা পাঠ হোৱাৰ উপৰিও কবিতা সংকলন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তদুপৰি থিতাতে লিখা কবিতা, ফঁকৰা-যোজনা, গল্প, অণুগল্প, প্ৰবন্ধৰ লগতে জমা দিয়া গল্প, অণুগল্প, প্ৰবন্ধ আদি প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। এই বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ যোগদানো অন্যতম আছিল।

সম্পাদকৰূপে কাৰ্যভাৰ লোৱাৰ পৰা মোৰ প্ৰতিটো কামতে পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক শ্ৰদ্ধেয় ড° জয়ন্ত কুমাৰ দাস ছাৰ আৰু অসমীয়া বিভাগৰ শিক্ষাগুৰু আৰতী বসুমতাৰী বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কাৰ্যকাল আৰম্ভ হোৱাৰ পৰা শেষ হোৱালৈকে মোক সহায়-সহযোগিতা আগবঢ়াই অহা শ্ৰদ্ধাৰ কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহা ছাৰলৈও অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোক বিভিন্ন ক্ষেত্ৰত উৎসাহ উদ্দীপনা যোগাই অহা মোৰ ৰসায়ন বিজ্ঞান বিভাগৰ কৰ্তৃপক্ষ সকললৈও আন্তৰিক ধন্যবাদ যাচিলো। বিভিন্ন কামত, বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি সহায় কৰা সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় উপ-সভাপতি মণি মাধৱ মহন্ত, নগাঁও জিলা ছাত্ৰ সন্থাৰ মাননীয় সম্পাদক মুন্না শৰ্মাৰ লগতে কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ-সন্থাৰসমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰিলো। বিভিন্ন সময়ত সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সতীৰ্থ তথা বন্ধুবৰ্গলৈও ধন্যবাদ যাচিলো।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিসমূহৰ বাবে সকলোৰে পৰা ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।

**ভাৰ্গৱ প্ৰতিম বৰা**

# সহকাৰী ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ। প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিসকললৈ শ্ৰদ্ধা যাচিব বিচাৰিছো যিসকল ব্যক্তিৰ ত্যাগৰ বিনিময়ত বৰ্তমান ঐতিহ্যমণ্ডিত কলিয়াবৰ মহাবিদ্যালয়ে এক বৃহৎ শিক্ষানুষ্ঠান হিচাপে নিজকে চিনাকি দিবলৈ সক্ষম হৈছে।

কলিয়াবৰ মহাবিদ্যালয়ৰ দৰে এই মহান অনুষ্ঠানৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সহকাৰী ক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলো।

এজন সহকাৰী ক্ৰীড়া সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মহাবিদ্যালয়ৰ সকলোধৰণৰ কামত আগভাগ লৈছিলো।

মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত ফুটবল, ছোৱালী ক্ৰিকেট আদি প্ৰতিযোগিতাৰ যোগেদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ৰীড়াত বিকাশ ঘটাবলৈ প্ৰয়াস কৰিছিলো। মোৰ এই কাৰ্যকালত মোক বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা মোৰ তত্ত্বাৱধায়ক শ্ৰীযুত দিলীপ সোণোৱাল ছাৰক মই তই সুযোগতে ধন্যবাদ আৰু শ্ৰদ্ধা নিবেদিছো। মোক সকলো ক্ষেত্ৰতে সহায় আগবঢ়োৱা দাদাস্বৰূপে ছাদ্দিক দা, মৃগাংক দা, মনোজ দা, বিকি দা আৰু মোৰ বন্ধু মফিজুল, ইক্ৰামুল, নিকিৰাজ, বিকাশ, শশাংক আদিকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ এই প্ৰতিবেদনৰ যোগেদি মোক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। প্ৰতিযোগিতাত জয়ী হোৱা সকলো খেলুৱৈৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো। অনাগত দিনবোৰত আৰু অধিক সফলতা অৰ্জন কৰি মহাবিদ্যালয়ৰ নহয় দেশৰো গৌৰৱ কঢ়িয়াই আনিব।

ইয়াৰ লগতে মোক দুআষাৰ লিখিবলৈ সুযোগ দিয়াৰ বাবে আলোচনীক সম্পাদক মানস প্ৰতিম বৰুৱালৈ ধন্যবাদ থাকিল। এই ক্ষেত্ৰত কলিয়াবৰ মহাবিদ্যালয়ত উত্তৰোত্তৰ উন্নতি কামনা কৰি মোক অজানিতে হোৱা ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিলো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।



**ৰকিবুৰ ৰহমান**

# আভ্যন্তৰীণ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই সেইসকল মহান ব্যক্তিক সশ্ৰদ্ধ প্ৰণিপাত জনাইছো, যাৰ ত্যাগ আৰু মহানুভৱতাৰ ফলত কলিয়াবৰলৈ জ্ঞানৰ তটিনী বৈ আহিল।

ঐতিহ্যমণ্ডিত কলিয়াবৰ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক আভ্যন্তৰীণ ক্ৰীড়া সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ যোগ্যানুসাৰে মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ত অনুষ্ঠিত 'মহাবিদ্যালয় সপ্তাহ'ৰ যোগেদি মোৰ কাৰ্যকালৰ শুভাৰম্ভ ঘটে। বিগত সময়ছোৱাৰ দৰে মোৰ কাৰ্যকালতো বিভিন্ন আভ্যন্তৰীণ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ ভিতৰত নতুনকৈ সংযোজিত কৰা হেণ্ডবল আৰু থ্ৰ' বল প্ৰতিযোগিতাখনিয়ে ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰি তুলিছিল।

ক্ৰীড়াৰ জৰিয়তে ন ন প্ৰতিভাসমূহক আগবঢ়াই নিয়াটোৱেই মোৰ মূল লক্ষ্য হিচাপে লৈছিলো। কিমানখিনি সফল হ'লো সেয়া আপোনাসৱৰ বিচাৰ্য। এইক্ষেত্ৰত মোক উপদেশ তথা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহা ছাৰ বিভাগীয় তত্বাৱধায়ক অধ্যাপক ৰিজীৱ বৰা ছাৰৰ ওচৰত মই কৃতজ্ঞ। তদুপৰি মোৰ প্ৰতিটো কামতে ছাঁৰ দৰে থাকি সু-পৰমাৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মই সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি মণি মাধৱ মহন্ত লগতে কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক সকলো সদস্যলৈ আন্তৰিক শ্ৰদ্ধা চেনেহ আৰু কৃতজ্ঞতা জনালো।

আভ্যন্তৰীণ ক্ৰীড়া সম্পাদকৰ দায়িত্ব পালন কৰোঁতে বিভিন্ন সময়ত সকলো প্ৰকাৰৰ সহায়, সু-পৰামৰ্শৰে আগবঢ়াই নিয়া মোৰ বন্ধু আৰু মোৰ সমূহ ভাতৃ-ভগ্নীৰ ওচৰত শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।

**মানসজ্যোতি ভূঞা**

# তৰ্ক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন আৰম্ভণিতেই যিসকলৰ শ্ৰম আৰু ত্যাগৰ বেদীত জ্ঞানৰ শলিতা জ্বলিল, যাৰ উদাৰতাই আমাৰ পৰিচয়ৰ আধাৰ পঢ়ি দিলে। কলিয়াবৰ মহাবিদ্যালয়ৰ ৰূপকাৰ সেইসকলৰ পুণ্যাত্মাক আমি নতশিৰে প্ৰণাম জনাইছো। আপোনালোকৰ ত্যাগ আৰু মহৎ চিন্তাৰ ফল এই জ্ঞানৰ মন্দিৰ কলিয়াবৰ কলেজৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ। এনে এখন শিক্ষানুষ্ঠানৰেই ২০১৭-১৮ বৰ্ষ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক তৰ্ক সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে কলিয়াবৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা সকলো শুভাকাংক্ষীলৈ মোৰ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তৰ্ক সম্পাদকৰূপে দায়িত্বভাৰ লোৱা পিছৰে পৰা তৰ্ক ক্ষেত্ৰলৈ ছাত্ৰ-ছাত্ৰীসকলক আৰ্কষিত কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিলো। এইক্ষেত্ৰত মহাবিদ্যালয় মাননীয় অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহাদেৱ আৰু তৰ্ক বিভাগৰ তত্বাৱধায়ক তথা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ গোপাল মিলি ছাৰৰ পৰামৰ্শই সাহস আৰু অনুপ্ৰেৰণা যোগাইছিল। এই সুযোগতে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কাৰ্যকালৰ সকলো সময়তে দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত দিলীপ সোণোৱাল ছাৰ, শ্ৰীযুত পৰাগ দাহাল ছাৰ আৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰুণিমা শৰ্মা বাইদেউলৈ বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে শ্ৰদ্ধেয় শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ উদ্যোগত অনুষ্ঠিত ৪৯তম মহাবিদ্যালয় সপ্তাহতো বিভিন্ন নতুন শিতান সংযোজনেৰে তৰ্ক বিভাগৰ প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰা হৈছিল। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ ক্ৰমাগত বৰ্ধিত উৎসাহ দেখি নথৈ আনন্দিত হৈছোঁ। এনেদৰে অনাগত সময়ত কলিয়াবৰ মহাবিদ্যালয়ৰ তৰ্ক বিভাগ দোপতদোপে আগুৱাই যাওক তাৰেই কামনা কৰিছো।



মোৰ কাৰ্যকালত এখন আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিম বুলি যথেষ্ট আশাবাদী আছিলো। কিন্তু বিভিন্ন কাৰণবশত, প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰিব পৰা নগ'ল। আশা ৰাখিছো আগন্তুক দিনত বিভাগীয় সম্পাদকে এই বিষয়টিৰ ওপৰত গুৰুত্ব দিব।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। অনাগত সময়ত মহাবিদ্যালয়খন উন্নতিৰ পথৰে আগুৱাই যাওঁক। এই কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

কলিয়াবৰ কলংপাৰৰ জ্যোতিৰে বিশ্ব হ'ব জ্যোতিষ্মান।  
জয়তু কলিয়াবৰ মহাবিদ্যালয়।  
জয় আই অসম।।

**হিমাদ্ৰী শইকীয়া**

# সংগীত সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই যিসকলৰ শ্ৰম আৰু ত্যাগৰ বেদীত কলিয়াবৰ মহাবিদ্যালয়ে প্ৰাণ পাই উঠিলে তেখেতসকলৰ প্ৰতি ভক্তি জনাইছো।

বিভিন্ন ভাষা-ভাষী আৰু প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ সংগমস্থল কলিয়াবৰ মহাবিদ্যালয়ৰ ২০১৭-২০১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সংগীত সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিলৈ সামান্য সেৱা আগবঢ়াবলৈ সুযোগে দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সকলো শুভাকাংক্ষীলৈ মই মোৰ মৰম, শুভেচ্ছা, শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতে কলিয়াবৰ মহাবিদ্যালয়ৰ বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। এই সপ্তাহত মহাবিদ্যালয়ৰ সংগীত বিভাগৰ তৰফৰ পৰা বৰগীত, শাস্ত্ৰীয় সংগীত, লঘু শাস্ত্ৰীয় সংগীত, ভূপেন্দ্ৰ সংগীত, জ্যোতি সংগীত, ৰাভা সংগীত, জয়ন্ত হাজৰিকা সংগীত, ৰবীন্দ্ৰ সংগীত আধুনিক গীত আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতাৰ উপৰিও ছাত্ৰ একতা সভাৰ বিভিন্ন অনুষ্ঠানত সহায়-সহযোগ কৰাৰ লগতে প্ৰায়বোৰ অনুষ্ঠানত সমবেত সংগীতৰ ব্যৱস্থা কৰি অনুষ্ঠানটি আৰু অধিক মনোমোহা আৰু আকৰ্ষণীয় কৰাত সহায় কৰিছিলো।

মোক বহুমূলীয়া দিহা-পৰামৰ্শৰে সহায় আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, সকলো শিক্ষাগুৰুলৈ লগতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ছাত্ৰ একতা সভাৰ মোৰ সমূহ সতীৰ্থৰ লগতে মোৰ বন্ধুবৰ্গই মোক বিভিন্ন ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মই এওঁলোকৰ ওচৰত কৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।

**ভৈৰৱ কাকতি**

# সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল পূণ্যৱান সুহৃদক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো যিসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত ঐতিহ্যমণ্ডিত কলিয়াবৰ মহাবিদ্যালয়ৰ জন্ম হৈছিল। এই সুযোগতে মই অসমী আইৰ পুণ্যাত্মাসকলকো মোৰ অশ্ৰুসিক্ত অঞ্জলি যাচিছোঁ, যাৰ তেজৰ বিনিময়ত আজি আমাৰ দেশ পৰাধীনতাৰ কবলৰ পৰা মুক্ত হৈছিল।

২০১৭-১৮ বৰ্ষৰ কলিয়াবৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ‘সমাজ সেৱা’ বিভাগত যিসকলে মোক নিৰ্বাচিত কৰিলে তেওঁলোকক মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

পৰিষ্কাৰ-পৰিচ্ছন্নতা মানুহৰ জীৱনৰ এটা প্ৰয়োজনীয় দিশ। মানুহ সুস্থ-সবল হৈ থাকিবলৈ হ'লে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থকাতো নিতান্তই প্ৰয়োজনীয়। আমাৰ পৰিৱেশ সুস্থ হ'লেহে আমি সুস্থ হৈ থাকিব পাৰিম।

মই মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত অইন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। এই অনুষ্ঠান উপলক্ষে মোক দায়িত্ব দিয়া হৈছিল মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰিবলৈ। মই মোৰ সাধ্যানুসাৰে মহাবিদ্যালয়খন কিমান পৰিষ্কাৰ কৰিব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য।

এই বিভাগৰ যোগেদি মহাবিদ্যালয়ৰ প্ৰতি যি ক্ষুদ্ৰতম সেৱা আগবঢ়াবলৈ সুযোগ পালো তাৰবাবে মই মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দৰ লগতে মোৰ বন্ধু-বান্ধৱী তথা এই মহাবিদ্যালয়ৰ সকলো শিক্ষাৰ্থীৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম।

প্ৰতিবেদনৰ শেষত মই মোৰ অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মোৰ বিদ্যা মন্দিৰ কলিয়াবৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মোৰ এই চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।



**অমৃত ঠাকুৰ**

# ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন



এজন সম্পাদক ৰূপে মোৰ কাৰ্যকালৰ শুভাৰম্ভ ঘটে মহাবিদ্যালয়ৰ ৪৯ তম মহাবিদ্যালয় সপ্তাহত। মোৰ কাৰ্যকালত বিভিন্নধৰণৰ সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহাদেৱলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ প্ৰতিটো পদক্ষেপতে সহায়, দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মোৰ বিভাগৰ তত্ত্বাৱধায়ক হৰকান্ত নাথ ছাৰলৈ মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালৰ ৪৯ তম মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা অনুষ্ঠিত হোৱা খেলসমূহ পৰিচালনা কৰাত যথেষ্ট সহায় সহযোগ আৰু পৰামৰ্শ আগবঢ়োৱা বিশাল শইকীয়া, বিশ্বজিৎ শৰ্মা, বিদ্যুৎ হাজৰিকা আদিকে ধৰি সমূহ ছাত্ৰসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা বিভিন্নধৰণৰ আকৰ্ষণীয় খেলৰ প্ৰতিযোগিতা কৰিছিলো আৰু যথেষ্ট সংখ্যক ছাত্ৰৰ অংশগ্ৰহণে এই খেলসমূহ অধিক আকৰ্ষণীয় কৰি তুলিছিল। সেই খেলসমূহ হ'ল কেৰম, দবা, পাঞ্জা, Power liffting Dart Board মোৰ কাৰ্যকালৰ বিভিন্ন কাৰ্যসূচী সহায় পৰামৰ্শ আগবঢ়াই সকলোলৈকে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ দায়িত্ব পালনৰ ক্ষেত্ৰত অজানিতে অনিচ্ছাকৃতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে শিক্ষাগুৰু আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয়তু কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**পাপু দাস**

# ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন

ঐতিহ্যমণ্ডিত কলিয়াবৰ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠা সম্পাদিকা হিচাপে মই মহাবিদ্যালয়ৰ বাবে কিঞ্চিৎ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে শিক্ষাগুৰু আৰু সমূহ ছাত্ৰ-ছাত্ৰী আৰু সতীৰ্থবৃন্দক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যক্ষ ড° হিৰণ্য কুমাৰ চলিহাদেৱলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ প্ৰতিটো পদক্ষেপতে সহায় দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে বিভাগৰ তত্ত্বাৱধায়িকা শ্ৰীপূৰবী ভূঞা বাইদেউলৈ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালৰ ৪৯ তম মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা অনুষ্ঠিত হোৱা খেলসমূহ পৰিচালনা কৰাত যথেষ্ট সহায় আৰু পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ ভানু বৰঠাকুৰ বাইদেউ, অঞ্জলী গগৈ বাইদেউ, ৰুণিমা শৰ্মা বাইদেউ, আৰতি বসুমতাৰী বাইদেউ, ৰশ্মি শৰ্মা বাইদেউ প্ৰণামী বৰঠাকুৰ বাইদেউ আৰু ভায়লিনা গগৈ বাইদেউলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা বিভিন্ন আকৰ্ষণীয় খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। যথেষ্ট সংখ্যক ছাত্ৰীৰ অংশগ্ৰহণে এই খেলসমূহ অধিক আকৰ্ষণীয় কৰি তুলিছিল। কলিয়াবৰ মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা 'চালাড সজোৱা' প্ৰতিযোগিতাখনে ছাত্ৰীসকলৰ পৰা যথেষ্ট সমাদৰ লাভ কৰে।



মোৰ কাৰ্যকালৰ বিভিন্ন কাৰ্যসূচীত সহায়-পৰামৰ্শ আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে বিভিন্ন ধৰণে উপকৃত কৰা শ্ৰদ্ধাৰ সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় উপসভাপতি শ্ৰীমণি মাধৱ মহন্ত ডাঙৰীয়া, কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ কংকণ জ্যোতি বৰুৱা দা, মৃগাংক শেখৰ ভৰালী হাজৰিকা দাদাৰ লগতে মনোজ দা, চিন্ময় দা, চান্দিক দা, বিকি দা, নন্দিতা বা, ৰিশ্মিকা বা, বৰ্ষা বালৈ অশেষ ধন্যবাদ থাকিল।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। অনাগত সময়ত মহাবিদ্যালয়খন উন্নতিৰ পথৰে আগুৱাই যাওঁক। এই কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু কলিয়াবৰ মহাবিদ্যালয়।

জয় আই অসম।।

**হিমাদ্ৰী বৰা**

# স্মৃতিমধুৰ গীত

কলিয়াবৰ মহাবিদ্যালয়
এখন জ্ঞানৰ আলয়
অনন্ত প্ৰসাৰি দুবাহু মেলিলো আমি
প্ৰসাৰিম জ্ঞানৰ পোহৰ

কলিয়াবৰ মহাবিদ্যালয় ... ...।

কলা-বাণিজ্য বিজ্ঞান শাখা
আছে আমাৰ আৰু শাখা প্ৰশাখা
কলিয়াবৰৰ কলংপাৰৰ
জ্যোতিৰে বিশ্ব হ'ব জ্যোতিষ্মান
মূল্যবোধৰ শিক্ষাৰে আগুৱাম
জীৱন আমাৰ এক প্ৰত্যাহ্বান।

কলিয়াবৰ মহাবিদ্যালয় ... ...।

বিজ্ঞানৰ নৱ প্ৰযুক্তিৰে
আমি আগবাঢ়ো দৃঢ়তাৰে
জয় হিন্দ জয় হিন্দ
ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰে
আমি আগবাঢ়ো
সাহসেৰে জয় হিন্দ জয় হিন্দ।

আমাক লাগে এখন সমাজ
হাঁহি আৰু ৰঙেৰে ভৰা
ৰাষ্ট্ৰীয় সমাজ সেৱাৰে গঢ়িম
আমি এখন সেউজী ধৰা।
আমাৰ প্ৰতিজ্ঞা হাতে হাতে
আমাৰ প্ৰেৰণা মহামন্ত্ৰ
অসতো মা সদ্‌গময়
তমসো মা জ্যোৰ্তিগময়

কলিয়াবৰ মহাবিদ্যালয় ... ...।

গীতিকাৰ- **ৰুণিমা শৰ্মা,** *উপাধ্যক্ষ*
*কলিয়াবৰ মহাবিদ্যালয়*

*(২০০৪ চনতে মহাবিদ্যালয়খনিক লৈ লিখা গীতটিক ২০১৮ চনৰ ছেপ্টেম্বৰ মাহলৈকে যিসকল ছাত্ৰ-ছাত্ৰীয়ে কণ্ঠদান কৰি গীতটিত প্ৰাণ দিলে, যি কেইগৰাকী সংগীতকাৰৰ হাতত পৰিচালিত হৈছিল সকলোলৈকে শ্ৰদ্ধাসহকাৰে কৃতজ্ঞতা জনাই অৰ্পণ কৰিলো।)*
— **গীতিকাৰ**

**EDITORS OF THE**
## KALIBOR COLLEGE MAGAZINE
(from the 1st Issue to 38th Issue)

| | | |
|---|---|---|
| 1969-70 | Dipak Goswami | Not published |
| 1970-71 | Purnakanta Borah | Not published |
| 1971-72 | Gunabhi Saikia | Not published |
| 1972-73 | Sarbeswar Saikia | 1st Issue |
| 1973-74 | Rabin Bhuyan | Not published |
| 1974-75 | Jayanta Kr. Bhuyan | 2nd Issue |
| 1975-77 | Basanta Borah & Nabin Ch. Kakoti | 3rd Issue |
| 1977-78 | Gajendra Natth Bhuyan | 4th Issue |
| 1978-79 | Prabin Khaund | 5th Issue |
| 1980-81 | Mridul Bordoloi | Not published |
| 1981-82 | Arup kr. Sharma | 6th Issue |
| 1982-83 | Dadul Hazarika | 7th Issue |
| 1983-84 | Kamal Hazarika | 8th Issue |
| 1984-85 | Hafizuddin Ahmed | 9th Issue |
| 1985-86 | Bhupen Hazarika | Not published |
| 1986-87 | Biraj Bhusan Borah | 10th Issue |
| 1987-88 | Hem Borah | 11th Issue |
| 1988-89 | Hem Ch. Borah | 12th Issue |
| 1989-90 | Gopal Krishna Borah | 13th Issue |
| 1990-91 | Thuleswar Borah | 14th Issue |
| 1991-92 | Charu Goswami | 15th Issue |
| 1992-93 | Moscow Saikia | 16th Issue |
| 1993-94 | Saurav Borah | 17th Issue |
| 1994-95 | Rajib Bordoloi | Not published |
| 1995-96 | Dipankar Mazumdar | 18th Issue |
| 1996-97 | Bijay Bucha | 19th Issue |
| 1997-98 | Nayan Jyoti Saikia | 20th Issue |
| 1998-99 | Ritupawan Borkataki | 21th Issue |
| 1999-2000 | Pranjal Saikia | 22th Issue |
| 2000-01 | Jayanta Gogoi | 23th Issue |
| 2001-02 | Sailendra Goswami | 24th Issue |
| 2002-03 | Rituraj Saikia | 25th Issue |
| 2003-04 | Ujjal Borah | 26th Issue |
| 2004-05 | Jyanta Sharma | 27th Issue |
| 2005-06 | Himagshu Hazarika | 28th Issue |
| 2006-07 | Abhijit Borah | 29th Issue |
| 2007-08 | Kaushik Nath | Not published |
| 2008-09 | Manoj Goswami | Not published |
| 2009-10 | Mriganka Bordoloi | 30th Issue |
| 2010-11 | Saied Mirza | 31th Issue |
| 2011-12 | Pranit Hazarika | 32 th Issue |
| 2012-13 | Pulin Bharali Baruah | 33 th Issue |
| 2013-14 | Sidartha Batshya | 34 th Issue |
| 2014-15 | Saddik Ali | 35 th Issue |
| 2015-16 | Pohar Saikia | 36 th Issue |
| 2016-17 | Rahul Goswami | Not published |
| 2017-18 | Manas Protim Boruah | 37th Issue |

# ঊনপঞ্চাশত্তম মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

## সাহিত্য বিভাগ

**প্ৰবন্ধ ৰচনা প্ৰতিযোগিতা**
প্ৰথম ঃ নৰকমল মহন্ত
দ্বিতীয় ঃ প্ৰৰ্ণালী শৰ্মা

**গল্প লিখা প্ৰতিযোগিতা**
প্ৰথম ঃ প্ৰণালী শৰ্মা
দ্বিতীয় ঃ ৰাহুল গোস্বামী
তৃতীয় ঃ কংকনজ্যোতি শৰ্মা বৰদলৈ

**থিতাতে লিখা কৱিতা প্ৰতিযোগিতা**
প্ৰথম ঃ কংকনজ্যোতি শৰ্মা বৰদলৈ
দ্বিতীয় ঃ প্ৰণালী শৰ্মা
তৃতীয় ঃ ৰাহুল গোস্বামী

**জমা দিয়া গল্প প্ৰতিযোগিতা**
প্ৰথম ঃ সেউজস্মিতা হাজৰিকা
*(নাতিমোঁহ)*
দ্বিতীয় ঃ ৰাজশ্ৰী শৰ্মা *( মাতৃ হৃদয়)*
তৃতীয় ঃ পল্লৱসেন গুপ্তা
*(The Forgein Exchange)*

**আবৃতি পাঠ (ইংৰাজী)**
প্ৰথম ঃ ঋষিকা বৰা
দ্বিতীয় ঃ বৰ্ষা ডেকা
তৃতীয় ঃ ময়ুৰ কলিতা

**আবৃতি পাঠ (অসমীয়া)**
প্ৰথম ঃ ৰিদীপ কুমাৰ বৰা
দ্বিতীয় ঃ বৰ্ণালী দাস
তৃতীয় ঃ নীলনয়নী বৰুৱা

**স্বৰচিত কৱিতা আবৃত্তি প্ৰতিযোগিতা**
প্ৰথম ঃ ৰিদীপ কুমাৰ বৰা
দ্বিতীয় ঃ নৰকমল মহন্ত
তৃতীয় ঃ বৰ্ণালী দাস

**প'ষ্টাৰ মেকিং প্ৰতিযোগিতা**
প্ৰথম ঃ ভাৰ্গৱ ফুকন
দ্বিতীয় ঃ ৰাহুল গোস্বামী
তৃতীয় ঃ চন্দন ওজা

**থিতাতে অঁকা চিত্ৰাংকন প্ৰতিযোগিতা**
প্ৰথম ঃ বৰ্ণালী দাস
দ্বিতীয় ঃ লখিমী বৰ্‍্যা
তৃতীয় ঃ চন্দন ওজা

**বৰ্ষশ্ৰেষ্ঠ সাহিত্যিক**
প্ৰণালী শৰ্মা

## তৰ্ক বিভাগ

**স্মৃতি পৰীক্ষা**
প্ৰথম ঃ সূৰয ছেত্ৰী, মূৰ্ছনা বৰুৱা
দ্বিতীয় ঃ অভিজিৎ সোণোৱাল
তৃতীয় ঃ জয়ন্ত কুমাৰ বৰা, কৰ্ণিকা বৰুৱা

**আকস্মিক বক্তৃতা প্ৰতিযোগিতা**
প্ৰথম ঃ দেৱাশীষ গোস্বামী
দ্বিতীয় ঃ ময়ূৰ কলিতা
তৃতীয় ঃ স্বপ্নীল ভূএঞা

**কুইজ প্ৰতিযোগিতা**
প্ৰথম ঃ অভিজিৎ সোনোৱাল
পল্লৱসেন গুপ্তা
দ্বিতীয় ঃ স্বপ্নীল ভূএঞা
সুৰংগম শইকীয়া
তৃতীয় ঃ কংকনজ্যোতি শৰ্মা বৰদলৈ
উদ্দীপ্ত শইকীয়া

**তৰ্ক প্ৰতিযোগিতা**
প্ৰথম ঃ দেৱাশীষ গোস্বামী
দ্বিতীয় ঃ ৰিদীপ বৰা
তৃতীয় ঃ ৰিশ্বিকা বৰা, অচ্যুত বৰা

**বক্তৃতা প্ৰতিযোগিতা**
প্ৰথম ঃ নৰকমল মহন্ত
দ্বিতীয় ঃ ৰিশ্বিকা বৰা
বৰ্ণালী দাস

## সাংস্কৃতিক বিভাগ

**একাংক নাট প্ৰতিযোগিতা**
প্ৰথম নাট্যদল ঃ সূৰ্যাস্তৰ গান
দ্বিতীয় নাট্যদল ঃ মেৰামতি
তৃতীয় নাট্যদল ঃ মা
শ্ৰেষ্ঠ অভিনেতা ঃ
ৰিদিপ কুমাৰ বৰা (সূৰ্যাস্তৰ গান)
দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা ঃ
বিশাল শইকীয়া (মাখি)
শ্ৰেষ্ঠা অভিনেত্ৰী ঃ
নীলাংগনা বৰা (মেৰামতি)
দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰী ঃ
তন্মীশিখা হাজৰিকা (সূৰ্যাস্তৰ গান)
শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃ
মনোজ পাচনী (মাখি)
শ্ৰেষ্ঠ পৰিচালক ঃ
ৰাহুল গোস্বামী (সূৰ্যাস্তৰ গান)

### শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতা
প্ৰথম ঃ নীলংগনা বৰা
দ্বিতীয় ঃ বৰ্ষা ভূঞা
তৃতীয় ঃ বৰ্ণালী দাস

### লোকনৃত্য প্ৰতিযোগিতা
প্ৰথম ঃ নীলংগনা বৰাৰ দল (লাংখুং)
দ্বিতীয় ঃ ত্ৰিদিপ বৰাৰ দল (বিহু)

### মিমিক্ৰি প্ৰতিযোগিতা
প্ৰথম ঃ ভৰত ভূষণ শইকীয়া
দ্বিতীয় ঃ ৰূপজ্যোতি শইকীয়া
তৃতীয় ঃ ঋষিকেশ ভূঞা

### আধুনিক নৃত্য প্ৰতিযোগিতা
প্ৰথম ঃ বৰ্ণালী দাস
নীলাংগনা বৰা
দ্বিতীয় ঃ নীহাৰিকা হাজৰিকা
জুপিতৰা হাজৰিকা
তৃতীয় ঃ হিমানী কলিতা

### মুকাভিনয় প্ৰতিযোগিতা
প্ৰথম ঃ মনোজ পাচনী
দ্বিতীয় ঃ ত্ৰিদিপ বৰা

### একক অভিনয় প্ৰতিযোগিতা
প্ৰথম ঃ নীলনয়নী বৰুৱা
দ্বিতীয় ঃ নীলাংগনা বৰা
তৃতীয় ঃ মনোজ পাচনী

## ছাত্ৰী জিৰণী কোঠা বিভাগ

### দবা প্ৰতিযোগিতা
বিজয়ী ঃ তাজনুমা বেগম
বিজিত ঃ ঋশ্বিকা বৰা

### পাঞ্জা প্ৰতিযোগিতা
বিজয়ী ঃ মনালিছা ভূঞা
বিজিত ঃ ডলী শইকীয়া

### কেৰম প্ৰতিযোগিতা (দ্বৈত)
বিজয়ী ঃ মুন বৰা আৰু
হিমাদ্ৰী বৰা
বিজিত ঃ তাজনুমা বেগম আৰু
নেইনা ডেকা

### কেৰম প্ৰতিযোগিতা (একক)
বিজয়ী ঃ মুন বৰা
বিজিত ঃ হিমাদ্ৰী বৰা

### শ্ল' চাইকেল ৰেচ
প্ৰথম ঃ বীণা দেৱী
দ্বিতীয় ঃ ৰূপা দাস
তৃতীয় ঃ দয়াৱতী খাখলাৰী

### ৰংগোলী প্ৰতিযোগিতা
প্ৰথম ঃ ৰিম্‌ঝিম্ বৰা
দ্বিতীয় ঃ ইৰা বৰা
তৃতীয় ঃ মুৰ্চ্ছনা বৰুৱা

### চালাড প্ৰতিযোগিতা
প্ৰথম ঃ আস্থাৰিতা বৰা, অনামিকা বৰা
দ্বিতীয় ঃ অনামিকা বৰা, বৰ্ণালী দাস
তৃতীয় ঃ প্ৰতীক্ষা গোস্বামী, চিম্পি ভূঞা

### পুষ্পসজ্জা প্ৰতিযোগিতা
প্ৰথম ঃ আস্থাৰিতা বৰা
দ্বিতীয় ঃ ত্ৰিবেণী গোস্বামী, বিউটি দেৱী
তৃতীয় ঃ চিন্ময়ী হাজৰিকা

### বেজীত সূতা সোমোৱা দৌৰ
প্ৰথম ঃ চুমী ভূঞা
দ্বিতীয় ঃ শিখামণি বৰা
তৃতীয় ঃ বীণা দেৱী

### কাবাডী প্ৰতিযোগিতা
প্ৰথম ঃ NCC গ্ৰুপ
দ্বিতীয় ঃ ঋষিকা বৰাৰ দল

### পাঞ্জা প্ৰতিযোগিতা
বিজয়ী ঃ গীতাৰ্থী বৰা
বিজিত ঃ তাজনুমা বেগম

### সাজপাৰ প্ৰতিযোগিতা
প্ৰথম ঃ ৰশ্মিৰেখা হাইনাৰী
দ্বিতীয় ঃ হিমানী কলিতা
তৃতীয় ঃ ঋতিকা বৰা

### মেহেন্দী প্ৰতিযোগিতা
প্ৰথম ঃ পঞ্চমী বণিক, ময়ূৰী বণিক
দ্বিতীয় ঃ মমতা বণিক
তৃতীয় ঃ চুমৰিন ইজৰাম

### চকীখেল প্ৰতিযোগিতা
প্ৰথম ঃ সংযুক্তা শাণ্ডিল্য
দ্বিতীয় ঃ লক্ষ্যপ্ৰিয়া বৰা
তৃতীয় ঃ হিমানী কলিতা

## আলোচনী বিভাগ

### প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা
প্ৰথম ঃ ৰসায়ন বিজ্ঞান বিভাগৰ
'Resonance'
দ্বিতীয় ঃ অসমীয়া বিভাগৰ 'প্ৰজ্ঞা'
তৃতীয় ঃ শিক্ষা বিভাগৰ 'সৃষ্টি'

### ফটোগ্ৰাফী প্ৰতিযোগিতা
প্ৰথম ঃ মাধুৰ্য বৰা
দ্বিতীয় ঃ বিকাশ বৰঠাকুৰ
তৃতীয় ঃ চাৰফ্ৰাজ ৰেকিব

## আভ্যন্তৰীণ ক্ৰীড়া বিভাগ

### ল'ৰাৰ বেডমিন্টন প্ৰতিযোগিতা (একক)
বিজয়ী ঃ পল্লৱ বৰা
বিজিত ঃ কমল বৰা

### ল'ৰাৰ বেডমিন্টন প্ৰতিযোগিতা (দ্বৈত)
বিজয়ী ঃ পল্লৱ বৰা আৰু কমল বৰা
বিজিত ঃ চিন্ময় ৰাজখোৱা আৰু হেমন্ত বৰা

### ছোৱালীৰ বেডমিন্টন প্ৰতিযোগিতা (একক)
বিজয়ী ঃ মনীষা দে
বিজিত ঃ হিমানী কলিতা

### ল'ৰাৰ টেবুল টেনিছ (একক)
বিজয়ী ঃ আকাশ বৰঠাকুৰ
বিজিত ঃ বিকাশ বৰঠাকুৰ

### ছোৱালীৰ টেবুল টেনিছ (একক)
বিজয়ী ঃ মনীষা দে
বিজিত ঃ হিমাশ্ৰী বৰা

**কেইজনমান বৰ্ষশ্ৰেষ্ঠ**
গায়িকা ঃ প্ৰণালী শৰ্মা
খেলুৱৈ ঃ গণেশ খাখলাৰী
ক্ৰিকেটাৰ ঃ কংকনজ্যোতি বৰঠাকুৰ

## চূড়ান্ত পৰীক্ষাসমূহত মহাবিদ্যালয়ৰ ভিতৰত যিসকলে শীৰ্ষস্থান অধিকাৰ কৰিলে ....



**অনন্যা বৰা**
স্নাতক কলা শাখা



**দীক্ষা শইকীয়া**
স্নাতক বিজ্ঞান শাখা



**অংকিত গুপ্তা**
স্নাতক বাণিজ্য শাখা



**গৌৰৱ ভূঞা**
উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা (কলা শাখা)



**নৱজ্যোতি বৰা**
উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা (বিজ্ঞান শাখা)



**সন্তু ৰবিদাস**
উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা (বাণিজ্য শাখা)

## ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠসকল .....



**প্ৰণালী শৰ্মা**
শ্ৰেষ্ঠ সাহিত্যিক তথা গায়িকা



**গণেশ খাখ্লাৰী**
শ্ৰেষ্ঠ খেলুৱৈ



**কংকণ বৰঠাকুৰ**
শ্ৰেষ্ঠ ক্ৰিকেটাৰ



**পল্লৱ বৰা**
শ্ৰেষ্ঠ বেডমিন্টন খেলুৱৈ



**মনীষা দে**
শ্ৰেষ্ঠা বেডমিন্টন খেলুৱৈ



**ৰাহুল গোস্বামী**
শ্ৰেষ্ঠ নাট পৰিচালক



**ৰিদীপ কুমাৰ বৰা**
শ্ৰেষ্ঠ অভিনেতা



**নীলাংগনা বৰা**
শ্ৰেষ্ঠা অভিনেত্ৰী



## ছাত্ৰ একতা সভা ২০১৭-২০১৮ বৰ্ষ

বাওঁফালৰ পৰা (বহি) ঃ দিলীপ সোণোৱাল (তত্বাৱধায়ক, ক্ৰীড়া বিভাগ), ড° জয়ন্ত কুমাৰ দাস (তত্বাৱধায়ক, সাহিত্য বিভাগ), গোসাই চান দাস (তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), ড° হিৰণ্য কুমাৰ চলিহা, অধ্যক্ষ (সভাপতি), পূৰবী ভূএগ (তত্বাৱধায়ক, ছাত্ৰী জিৰণি কোঠা বিভাগ), অনুপম মেধি (তত্বাৱধায়ক, সমাজসেৱা বিভাগ), পৰাগ দাহাল (তত্বাৱধায়ক, তৰ্ক বিভাগ)

বাওঁফালৰ থিয় হৈ ঃ নিশিকেশ ভূএগ (সহকাৰী সাধাৰণ সম্পাদক), ভাৰ্গৱ প্ৰতীম বৰা (সাহিত্য সম্পাদক), হিমাদ্ৰী শইকীয়া (তৰ্ক সম্পাদিকা), হিমাদ্ৰী বৰা (ছাত্ৰী জিৰণি কোঠা সম্পাদিকা), ৰাকিবুৰ ৰহমান (সহকাৰী ক্ৰীড়া সম্পাদক), বিদ্যুৎ হাজৰিকা (সাংস্কৃতিক সম্পাদক), অমৃত ঠাকুৰ (সমাজসেৱা সম্পাদক), মানস প্ৰতীম বৰুৱা (আলোচনী সম্পাদক),

ফটোত অনুপস্থিত- ভাস্কৰ জ্যোতি ফুকন (সাধাৰণ সম্পাদক), নয়নজ্যোতি বৰা (ক্ৰীড়া সম্পাদক), মানস ভূএগ (আভ্যন্তৰীণ ক্ৰীড়া সম্পাদক), ভৈৰৱজ্যোতি কাকতি (সংগীত সম্পাদক), পাপু দাস (ছাত্ৰ জিৰণি কোঠা সম্পাদক),












## আলোচনী সম্পাদনা সমিতি

বাওঁফালৰ পৰা (প্ৰথম শাৰী) ঃ ৰাজু পোখৰেল (সভাপতি ও তত্বাৱধায়ক), জয়ন্ত কুমাৰ দাস (শিক্ষক সদস্য) পৰাগ দাহাল (শিক্ষক সদস্য), উৎপল কুমাৰ বৰা (শিক্ষক সদস্য), ৰুণিমা শৰ্মা বৰুৱা (শিক্ষক সদস্য)

বাওঁফালৰ পৰা (দ্বিতীয় শাৰী) ঃ ৰূপশিখা কছাৰী, বিদীপ কুমাৰ বৰা, প্ৰান্তন বৰা (ছাত্ৰ সদস্য) মানস প্ৰতীম বৰুৱা (সম্পাদক), ভাস্কৰজ্যোতি ফুকন (ছাত্ৰ সদস্য)



২০১৭-১৮ বৰ্ষৰ বিভিন্ন বিভাগত শ্ৰেষ্ঠতা লাভকৰাসকল



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাট-
'সূৰ্যাস্তৰ গান'ৰ এটি দৃশ্য



বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেট দল




ৰক্তদান শিবিৰ



মহাবিদ্যালয়ৰ পুথিভঁৰাল




মহাবিদ্যালয়ৰ
বাৰ্ষিক বাৰ্তালোচনী 'শাশ্বত'

# ৪৯তম মহাবিদ্যালয় সপ্তাহৰ কেইটিমান দৃশ্য




















# আলোকচিত্ৰইও কৈ যায় হাজাৰটা জীয়া কাহিনী



ৰাহুল বণিক
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

ভোক



মাধুৰ্য্য বৰুৱা
স্নাতক ষষ্ঠ ষাণ্মাসিক (বাণিজ্য)

জিৰণি



অকলশৰীয়া

নয়নজিত গোৱালা
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)



পথৰুৱা বেলি

পল্লব ফুকন
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)

# Kaliabor College Magazine

37TH ISSUE, 2017-18




Editor : Manas Protim Boruah

www.kaliaborcollege.org
www.kaliaborcollegeonline.in